অনুৰাধা শৰ্মা পূজাৰীৰ

নাহৰৰ নিৰিবিলি ছাঁ

(এক)

স্মৃতি হ'ব খোজা ছাঁ

ডিব্ৰু বিশ্ববিদ্যালয়লৈ আমন্ত্ৰণ কৰা চিঠিখন পাই ভাস্বতীৰ অস্বস্তি আৰম্ভ হৈ গৈছিল। ক'ত জানো তাই পঢ়িছিল—স্মৃতি এনে এক প্ৰেম, যি বিচ্ছেদৰ পিচতো লগ এৰা নিদিয়ে। আজি তাইৰো একেই হৈছে। ভাস্বতীৰ চকুত ভাহি উঠিল শাৰী শাৰী নাহৰ গছৰ মন্দিৰ সদৃশ চূড়াবোৰ। বৰ্ণময় সেউজ, কেঁচাপতীয়া, ফিকা চাহৰ ৰঙৰ কোমল পাতবোৰ আকৌ এবাৰ ৰ'দৰ সোণালী সানি, কুমাৰী ভয় লৈ বতাহত ৰিবৃৰিবৃকৈ কঁপি উঠিল তাইৰ চকুৰ মণিত। এইবাবেইতো তাই ভাল পাইছিল বিশ্ববিদ্যালয়খনক। ভাস্বতীৰ আজিও ভাব হয়, তাই পঢ়া-শুনা কৰাৰ তাড়নাত ডিবৰুলৈ আহি বন্দী হৈ যোৱা নাছিল। সেউজ চাহ বাগিচাৰে ঘেৰা, নাহৰৰ ছাঁ পৰা আলিবাটেৰে সোমাই গৈ বিশ্ববিদ্যালয়খনত ভৰি দিয়েই ভাস্বতী প্ৰেমত পৰিছিল এই বিশ্ববিদ্যালয়ৰ। ভাস্বতীয়ে তৎমুহূৰ্ততে ঠিৰাং কৰিছিল, তাই যেনে-তেনে এই বিশ্ববিদ্যালয়ৰ কোনোবা এটা শ্ৰেণীকোঠাত বন্দী হ'ব। অদ্ভুত এটা খেয়ালী সিদ্ধান্ত লৈ পেলাইছিল ভাস্বতীয়ে। শিক্ষা বিষয়ত অনাৰ্চ লৈ ভাল নম্বৰসহ ভাস্বতী স্নাতক হৈছিল। কিন্তু ডিব্ৰু-বিশ্ববিদ্যালয়ত তেতিয়া শিক্ষা বিভাগ খোলাই হোৱা নাছিল। আন বান্ধৱীৰ বাবে ফৰ্ম নিবলৈ আহি তাই নাহৰ গছবোৰ দেখি থমকি ৰৈছিল। নিৰ্জন আবেলি কেঁচা চাহপাতৰ সুগন্ধিৰে চৌহদটো এক পৌৰাণিক আশ্ৰমলৈ ৰূপান্তৰিত হৈছিল। সেই আবেলি তাই লগ পাইছিল এহাল গভীৰ, কিন্তু চঞ্চল কৌতুকমিশ্ৰিত চকুৰ গৰাকীক। যি চাহ বাগিচাৰ ৰঙচুৱা লুং-লুঙীয়া বাট এটাৰে 'চৰ্টকাট' কৰি তাইক গন্তব্য স্থানলৈ লৈ গৈছিল। ধৰ্মঘট চলি সেইদিনা বাছ বন্ধ আছিল। কি মাহ আছিল? বহু চেষ্টা কৰিও ভাস্বতীয়ে মাহ মনত পেলাব নোৱাৰিলে। সময়ৰ সুগন্ধি যেতিয়া হৃদয়ত লাগি ৰয়, তেতিয়া জেঠ মাহতো ফাগুনৰ ফুল ফুলে, সময়ৰ কেলেণ্ডাৰ পুৰণি নহয়। আজি চৈধ্য বছৰৰ পাচতো ভাস্বতীৰ সেয়ে কেঁচা চাহপাতৰ গোন্ধ সতেজ হৈ শৰীৰৰ ভিতৰত বিয়পি পৰিছে। এইমাত্ৰ যেন ঘটি গৈছে সকলো!—তোমাৰ বান্ধৱীয়ে মোক পঠাই দিলে নিবলৈ, তুমি মোৰ সৈতে গুচি আহিলা কিয়? বাগিচাৰ নিৰ্জন বাটেৰে গৈ থাকোঁতে ল'ৰাটোৱে সুধিছিল। ভাস্বতীয়ে কি উত্তৰ দিব ভাবি উবাদিহ পোৱা নাছিল। তাই কওঁ নকওঁকৈ কৈছিল—'গায়ত্ৰী মোৰ বান্ধৱী, তাই আপোনাক পঠিয়াইছে মোক নিবলৈ। মই সেইবাবে আহিছোঁ। বাছৰ হঠাতে এই দুৰ্যোগ হোৱাত তাইৰ মোলৈ চিন্তা হোৱাতো স্বাভাৱিক।'

—এতিয়া এই বাগিচাৰ মাজত তুমি ৰাস্তা চিনি নোপোৱা। মোকো চিনি পাইছা

মাত্ৰ দুঘণ্টাৰ আগতেহে। ডিব্ৰুগড় তোমাৰ বাবে অচিনাকী ঠাই। তুমি হঠাতে যে মোক বিশ্বাস কৰিলা।

—আপোনাক নাই কৰা, গায়ত্ৰীক কৰিছো— সেইবাবে....

—আচৰিত কথা, মোক বিশ্বাস কৰা নাই, অথচ বিশ্বাস নকৰা মানুহ এজনৰ সৈতে, তোমাৰ লগত নথকা; গায়ত্ৰীৰ বিশ্বাসত মোৰ সৈতে খোজ কাঢ়ি এই অচিন বাগিচাৰ মাজেৰে আহি আছা! ষ্ট্ৰেঞ্জ!

ভাস্বতীৰ বুকুখন দুৰু-দুৰু কঁপিবলৈ ধৰিলে। কেনেকুৱা মানুহ এইটো? তাই চুৰকৈ ল'ৰাটোলৈ চালে। ভাস্বতীতকৈ দুখোজ আগে-আগে খৰ খোজেৰে গৈ আছে। মুখখন দেখাত শুৱনি—বদ্‌মাছ যেন নালাগে। বেছি ওখও নহয়, চাপৰো নহয়। পৰিপাটি সাজ-পাৰ। ভৰিত পৰ্বত বগোৱা জোতাৰ দৰে জোতা এযোৰ। গায়ত্ৰীয়ে কি ল'ৰা এটা তাইক নিবলৈ পঠিয়াই দিলে! 'কি হ'ল, ভয় লাগিছে নেকি?' ল'ৰাটোৱে তাইলৈ নোচোৱাকৈ সুধিলে। —নাই লগা, এই মুহূৰ্তত মই অকলেও এই বাগিচাৰ পৰা ওলাই সঠিক ৰাস্তাত উঠি গায়ত্ৰীৰ ঘৰ ওলাব পাৰিমগৈ। —সাহসেৰেই ভাস্বতীয়ে ক'লে। ভাস্বতীৰ কথা শুনি হঠাতে ল'ৰাটোৱে হাঃ হাঃ কৈ হাঁহি দিলে। শিৰীষ গছ এজোপাৰ পৰা শুকান সৰু ঠাল এটা সৰি পৰিল ভাস্বতীৰ গাতে। ল'ৰাটোৰ হাঁহিৰ সৈতে ছিনক্ৰনাইজ কৰি যেন গছৰ ঠেঙুলিটো সৰি পৰিল! ভাস্বতী উচপ্ খাই উঠিল। আৰু লগে লগেই খং উঠি আহিল। 'পাগল নেকি? কি হাঁহি উঠা কথা ক'লো মই!' —তুমি বুৰ্বক অলপ! ল'ৰাটোৱে হাঁহি-হাঁহিয়েই ক'লে। কি স্পৰ্ধা ল'ৰাটোৰ! ভাস্বতীৰ সৰ্বশৰীৰৰ তেজ উতলি মুখমণ্ডলত কেন্দ্ৰীভূত হ'ল। তাই চিঞৰি কৈ উঠিল—য়ু ষ্টুপিড়, ফুল, হাউ ডেয়াৰ ইউ-টু চে'! আই ৱণ্ট গ' উইথ য়ু আ ষ্টেপ ম'ৰ আৰ য়ু লিছন্ মিষ্টাৰ....

—কি কি মিষ্টাৰ কি? ভাস্বতী ৰৈ গ'ল ল'ৰাটোৰ প্ৰশ্নত। হয়তো! তাই ল'ৰাটোৰ নামকে সোধা নাই এতিয়ালৈকে। —আপুনি ভাস্বতী চলিহা নেকি? ল'ৰাটোৱে সুধিছিল। তাই কৈছিল, হয়—

—এঃ আপোনাক বিচাৰোতে হায়ৰাণ হ'লোঁ। এড্‌মিনিষ্ট্ৰেটিভ্ বিল্ডিঙত বিচাৰিলে পাম বুলি গায়ত্ৰীয়ে কৈছিল। পিচে আপোনাকটো কোনেও চিনি নাপাই ইয়াত। গায়ত্ৰীয়ে কৈছিল ৰঙা চেলোৱাৰ পিন্ধিছে আপুনি, কান্ধত মৰাপাটত ৰঙা-ক'লা মণি থকা এটা ওলোমা বেগ, নাকটো চুটি, এডাল শকত এডলীয়া বেণী..... বচ্ ধৰি ল'লো আপুনিয়েই। কাৰণ এই বিল্ডিঙৰ ছিৰিত আপোনাৰ দৰে সতৃষ্ণ নয়নেৰে বাটলৈ চাই বাছলৈ অপেক্ষা কৰা আৰু কোনো নাই। বাছ দুপৰীয়াৰ পৰা বন্ধ। মোৰ সৈতে যাবলৈ গায়ত্ৰীয়ে পঠাই দিছে। বিশ্ববিদ্যালয়ৰ সীমাত থকা সৌ চাহ বাগিচাখন যে, সেইফালেদিয়েই মিলন নগৰ পাব পৰা চমু বাট এটা আছে। খোজ কঢ়া অভ্যাস আছেনে? পোন্ধৰ কিলোমিটাৰৰ বেছি নহয়....

—পো-ন্ধ-ৰ! ভাস্বতী অবাক হৈ গৈছিল।

হাঁহি-দিছিল ল'ৰাটোৱে। 'ভয় খাই গ'ল! নহয় বাৰু পোন্ধৰ—মই কমাই দিছোঁ— তিনি কিলোমিটাৰ, যাব পাৰিবনে? ভাস্বতী একেজাঁপেই বহাৰ পৰা উঠি কৈছিল— ব'লক। ইমান কথকী ল'ৰাটোৰ কিন্তু এতিয়ালৈকে তাই নামটোৱেই নুশুধিলে। ভাস্বতীৰ এইবাৰহে অলপ লাজ লাগিল। তাই নিমাতে থকা দেখি ল'ৰাটোৱে যথেষ্ট গহীন সুৰত ক'লে—নাপায়, ইমান কেয়াৰলেছ আৰু বিবেচনাশূন্যভাৱে মানুহক বিশ্বাস কৰা উচিত নহয়। শুনা, মই তোমাৰ বান্ধৱী গায়ত্ৰীৰ খুৰাকৰ ল'ৰা ককায়েক। মই নতুনকৈ এটা চাকৰিত জইন কৰি ইয়াত আছোঁ। মোৰ নাম উদীপ্ত বৰুৱা। ঘৰুৱা নাম দীপ। ইউনিভাৰ্চিটিৰ ওচৰতে মোৰ অফিচ। গায়ত্ৰীয়ে মোলৈ ফোন এটা কৰি ক'লে, তোমাক যেনে-তেনে লৈ যাবলৈ। কিবা মাৰ-পিট লাগি বাছ বন্ধ। তুমি হেনো কাৰোবাৰ ফৰ্ম নিবলৈ আহিছিলা। ইউনিভাৰ্চিটিৰ কাকো হেনো চিনি নোপোৱা। বাছ নাপালে কি কৰিব লাগিব তুমি সেয়াও হেনো বুজি নাপাবা। মোক গায়ত্ৰীয়ে বৰ্ণনা দিলে তোমাৰ। লগতে ক'লে, তোমাৰ ধৈৰ্য কম আৰু বুদ্ধিও কম। প্ৰমাণ অৰশ্যে পালোঁ। ইউনিভাৰ্চিটিৰ পৰা আহিবলৈ ইমান অধৈৰ্য হৈ বহি আছিলা যে, যিকোনো মানুহেই অলপ বিশ্বাসযোগ্য কথা কৈ তোমাক আজি লৈ আহিব পাৰিলেহেঁতেন। আগলৈ সাৱধান হ'বা।' তাৰপাচত উদীপ্ত নামৰ ল'ৰাটো হঠাৎ গম্ভীৰ হৈ পৰিছিল। এটা শব্দও আৰু কোৱা নাছিল। ভাস্বতীয়ে উদীপ্তক অকথ্য গালি পৰাৰ বাবে ক্ষমা খুজিম বুলি ভাবিছিল—কিন্তু কিবা এটা অভিমান আৰু অহংকাৰে তাইকো মৌন কৰি ৰাখিছিল। নিজৰ ওপৰত ভাস্বতীৰ প্ৰবল খং উঠিছিল। গায়ত্ৰীহঁতৰ ঘৰৰ ওচৰ পাই উদীপ্তই কৈছিল—ছ'ৰি, অলপ ধেমালি কৰা বাবে।

—আপুনি কেনি যায়?

—মই বেলেগ ঘৰ ভাড়া লৈ থাকোঁ। গায়ত্ৰীয়ে দায়িত্ব এটা দিয়া বাবেহে কৰিলোঁ। যাবা দেই। বুলি কৈ উদীপ্তই ৰিক্সা এখন মাতি জাঁপ মাৰি উঠি গুচি গ'ল। ভাস্বতী অনুশোচনাত জৰ্জৰিত হৈ কিছুপৰ থিয় দি থাকিল গায়ত্ৰীহঁতৰ পদূলিত।

ভাস্বতীয়ে আজি চৈধ্যবছৰৰ মূৰত জীৱনটোক ৰিভিউ কৰি স্বগতোক্তি কৰিলে— মই ডিব্ৰু-ইউনিভাৰ্চিটি ভালপোৱাৰ সৈতে উদীপ্ত নামৰ ল'ৰাটোও জড়িত নাছিলনে? নহয়-নহয়, হয়-হয়, নহ'লেনো ভাস্বতীৰ বিষয়টো এই ইউনিভাৰ্চিটিত নথকা সত্ত্বেও এটা অচিনাকী পাঠ্যক্ৰমত ভৰ্তি হৈ ভাস্বতীয়ে দুবছৰ ডিব্ৰু-বিশ্ববিদ্যালয়ত পঢ়িম বুলি আচৰিত সিদ্ধান্ত এটা লৈ পেলাইনে! ভাস্বতীয়ে লেডাৰ বেগৰ পৰা নিমন্ত্ৰণী পত্ৰখন উলিয়ালে। ছাত্ৰ একতা সভাই কৰা একান্ত অনুৰোধ—'আপুনি আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী। অহা...... তাৰিখে অনুষ্ঠিত হ'ব লগা বঁটা-বিতৰণী সভাত আপুনি বিশিষ্ট অতিথিৰূপে থাকি আমাৰ আন্তৰিকতাক গ্ৰহণ কৰিব বুলি আশা ৰাখিলোঁ।' চৈধ্যটা বছৰত ডিব্ৰু-বিশ্ববিদ্যালয় কিমান সলনি হ'ল? আছেনে সেই লাইব্ৰেৰীৰ কাষৰ নাহৰজোপা—যাৰ

তলত বৈ কাখেলী নামৰ মণিপুৰী ছোৱালীজনীয়ে মোমায়েকৰ পৰা শুনিছিল জীৱনৰ নিৰ্দয় সত্য—তাইৰ হেনো পিতৃ পৰিচয় নাই। আছেনে সেই বননি, য'ত কাখেলীৰ চকুপানী পৰিছিল। আছেনে সেই শুকাই অহা আমলখিজোপা। মৃত বুলি ভবা সেই আমলখিজোপাৰ গাত হঠাতে সেউজ পাতৰ জন্ম হোৱা দেখি মেঘালীয়ে যে সিদ্ধান্ত সলাইছিল—তাই আত্মহত্যা নকৰে, জীৱনক উপলব্ধি কৰিবলৈ প্ৰতাৰণাৰো যে প্ৰয়োজন। আছেনে সেই বুঢ়া পিয়নজন? অনিমা চেলেঙৰ ফীজ দিব নোৱাৰি পঢ়া বন্ধ হৈ যাব বুলি জানি, যি মনে মনে অনিমাৰ নামত মণিঅৰ্ডাৰ কৰিছিল। আৰু উদীপ্ত.... হয় উদীপ্তৰ খোজ পৰি থকা চাহ বাগিচাৰ লুং-লুঙীয়া বাটটো.... আছেনে তাইৰ আৰু উদীপ্তৰ কিতাপৰ ভাঁজে ভাঁজে থকা নিশ্বাসবোৰ লাইব্ৰেৰীৰ কিতাপৰ ৰেকবোৰত... আছেনে তাইৰ বান্ধৱী তুলিকাৰ ভীত চঞ্চল খোজ পৰি থকা সন্ধিয়াৰ কাণিমুনি বাটটো! বিৰল ব্যক্তিত্বৰ আহমেদ ছাৰৰ বাবে যিজনী ছোৱালীয়ে ত্যাগ কৰিছিল তাইৰ ৰঙীন সপোন..... ভাস্বতী যাব, কাৰণ এই বিশ্ববিদ্যালয়ক বাদ দি আজিৰ ভাস্বতী থিয় হ'বই নোৱাৰে। জ্ঞানৰ প্ৰাচুৰ্য আৰু প্ৰাণৰ প্ৰাচুৰ্যৰ মিলনস্থল ডিব্ৰু বিশ্ববিদ্যালয়। তাই এই আমন্ত্ৰণ ৰক্ষা কৰি উভতি যাব চৈধ্য বছৰ পিচলৈ। আঠত্ৰিশটা বসন্ত পাৰ কৰা ভাস্বতীয়ে জানে, বসন্তৰ বয়স নাই, যি দৰে নাই সৌৰৱণীৰ বয়স......

(দুই)

এখন প্ৰকাণ্ড ৰাজকীয় বন্ধ গেইটৰ সন্মুখত ভাস্বতীৰ ৰিক্সাখন ৰ'ল। হয়, এইটোৱেই হোষ্টেল। সন্ধিয়া কাণিমুনি পোহৰত গেইটৰ কাষৰ দুজোপা ইউকেলিপ্টাছৰ পাতবোৰ ৰিব্‌ৰিব্‌কৈ বতাহত কঁপি আছিল। ভাস্বতীয়ে ঘড়ী চালে। সন্ধিয়া চাৰে ছয় বাজিছে। ছোৱালী হোষ্টেলবোৰৰ গেইট সন্ধিয়া ছটাত বন্ধ হৈ যায় বুলি শুনিছিল। ভাস্বতীৰ বাট ভুল হৈ ওচৰৰে আন এটা বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ সন্মুখত ওলাইছিলগৈ। ল'ৰাৰ হোষ্টেলটো দেখি ভাস্বতী অবাক হৈছিল। এসময়ত কাঠৰ এখন গেইট থকাৰ প্ৰমাণ লৈ আধা ভগা কাঠৰ ফ্ৰেম এটা পদূলি মুখত আছে। হৈ-হাল্লা, গান, উচ্চস্বৰৰ চিঞৰ-বাখৰেৰে হোষ্টেলটো মুখৰ। ছাদৰ ওপৰত ধোঁৱাৰ কুণ্ডলী দেখি ভাস্বতীয়ে বুজিছিল, তাত কেবাটাও ল'ৰাই চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলী পকাই আড্ডা মাৰি আছে। বাটলৈ ওলাই অহা ল'ৰা এটাকে তাই সুধিলে তাই বিচৰা হোষ্টেলৰ ঠিকনা। ল'ৰাজনে বেছ সম্ভ্ৰমেৰে তাইক আৰু ৰিক্সাৱালক বুজাই দিলে ভাস্বতীয়ে বিচৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰীবাসটো। ভাস্বতীয়ে 'থেংক ইউ' বুলি ল'ৰাজনলৈ চাই ধন্যবাদসূচক হাঁহি এটা মাৰিব খুজিছিলহে—এনেতেই কোনোবাই গাই উঠিল—'ৰূপ তেৰা মস্তানা—প্যাৰ মেৰা দিৱানা...'। ভাস্বতীৰ মুখৰ পৰা হাঁহি নোলাল। ল'ৰাজনেও নাৰ্ভাছসূচক দৃষ্টি নিক্ষেপ কৰি হোষ্টেলৰ ফালে চালে। ভাস্বতী প্ৰায় পলোৱাৰ দৰেই হোষ্টেলটো পাৰ হৈ আহিল। এই ছাত্ৰীবাস আৰু ছাত্ৰাবাসটোৰ দুয়োটা দৃশ্য অকল্পনীয়ভাৱে পৃথক। উদণ্ড ছাত্ৰাবাসৰ বিপৰীতে এই ছাত্ৰীবাসত বিৰাজ কৰিছে নিতাল-নিমাত এখন অন্য জগত। তিনি মহলীয়া বিশাল ভৱনটোৰ আধামানলৈকে ঢাকি ৰাখিছে প্ৰকাণ্ড গেইট আৰু ৱালে। ঊষাৰ বাবে বান ৰজাই এনে এটা অগ্নিগড়েই বোধহয় বান্ধিছিল। ভাস্বতীয়ে গেইটৰ ভিতৰত থকা ভৱনটোৰ ওপৰমহলাৰ লাইট জ্বলি থকা কোঠালিবোৰলৈ চকু দিলে। এয়া ছাত্ৰীবাস নহয় যেন ৰত্ন ভাণ্ডাৰহে! অমূল্য হীৰা-মাণিক নিছিদ্ৰ পহৰাৰে ৰক্ষা কৰা হৈছে। মুক্ত বিহংগৰ দৰে জীৱনৰ কুৰিটা বসন্ত পাৰ কৰি, হঠাতে তাই কাৰাবন্দী হ'ব লাগিব কি অপৰাধত! ছোৱালী হোৱা বাবেই! হয়, তাইৰ একমাত্ৰ অপৰাধ তাই ছোৱালী। এই প্ৰকাণ্ড গেইটৰ ভিতৰত তলাবন্ধ প্ৰত্যেকৰে অপৰাধ এটাই, কাৰণ সিহঁত প্ৰত্যেকেই ছোৱালী।

ঃ অন্দৰ জানা হে তো যায়িয়েনা!

হঠাতে ৰিক্সাৱালাটোৱে বিৰক্তিৰে তাইলৈ চাই ক'লে। ভাস্বতীয়ে বন্ধ গেইটখনলৈ চাই আকাশ-পাতাল ভাবি ৰিক্সাত বহি থকাতো পচন্দ কৰা নাই সি। ভাস্বতী ৰিক্সাৰ পৰা নামিল আৰু বন্ধ গেইটখন হেঁচুকি চালে। ভিতৰৰ পৰা লোহাৰ খিলি লগোৱা আছে।

এই বাৰ তাই গেইটত সজোৰে চাপ দিলে। ঢং-ঢং শব্দ এটা হ'ল। —কোন? এটা ছটা মাত ভিতৰৰ পৰা ভাহি আহিল। গেইটৰ আইৰণ প্লেটৰ মাজত এটা চাৰিচুকীয়া ফুটা মুকলি হ'ল। তাৰ মাজেৰে এখন অস্পষ্ট মুখ তাই দেখা পালে, কিন্তু লগে লগেই এটা টৰ্চৰ পোহৰে চকু চাট্ মাৰি ধৰিলে।

—কোন? কি লাগে?

—মই মানে—মই ৱাৰ্ডেনক লগ কৰিব লাগে—নতুনকৈ আহিছো, এই হোষ্টেলত মোৰ ছিট আছে....

—নাজানে নেকি সন্ধিয়া ছটাত গেইট বন্ধ হয়, নতুনকৈ আহিলে দিনে-পোহৰে আহি ছিট ল'বহি লাগে। ছোৱালী মানুহ ইমান ৰাতি আহেনে!

ভাস্বতীৰ এক মুহূৰ্তৰ বাবে মুখৰ মাত হৰিল। চকীদাৰৰে যদি এই মূৰ্তি হয়—ৱাৰ্ডেন বা হোষ্টেল ছুপাৰ কেনেকুৱা হ'ব! তদুপৰি সন্ধিয়া সাত বজাই নাই। ঘৰত দুপৰীয়া ভাতকেইটা খুৱাই মাকে পঠাব খোজাত তাই পিচবেলা আহিছে। মাত্ৰ পাঁচ ঘণ্টাৰ পথ। কিন্তু তাই বাট ভুল কৰি ল'ৰা-হোষ্টেলটোৰ পৰা উভতি অহা বাবেই অলপ পলম হ'ল। সকলো ঠিক কৰাই আছে। ছুইটকেছ এটা আৰু হ'ল্ডঅলটো লৈ মাত্ৰ সোমাব লাগে। কিন্তু চকীদাৰৰ মতে, তাই দেখো নিশাচৰ ছোৱালীৰ আখ্যাহে পালে! ভাস্বতীৰ খং উঠি আহিল। প্ৰথম দিনাই ঝামেলাত নোসোমোৱাই ভাল বুলি তাই নম্ৰভাৱে ক'লে—এতিয়াও সাতটাই বজা নাই। তাৰোপৰি ৱাৰ্ডেনৰ সৈতে মোৰ কথা হৈছে। মোক আজি মাতিছিল.... আপুনি গেইটখন খোলকচোন, —মোৰ বস্তুবোৰ ৰিক্সাখনতে আছে।

লাহে লাহে গেইটৰ এখন কপাট খোল খালে। ৰিক্সাৱালাটোৱে ৰিক্সাখন ঠেলি তাইৰ পিচে পিচে সোমাই গ'ল। চকীদাৰটোৱে তাইলৈ এটা সন্দেহজনক চাৱনি দি তলৰ মহলাৰ এটা নিৰ্দিষ্ট ৰুমত গৈ ঢকিয়ালেগৈ। এগৰাকী আদহীয়া মহিলাৰ কৌতূহলী মুখখন কিছুপৰ চকীদাৰৰ মুখৰ ফালে থাকি; ভাস্বতীৰ ফালে ঘূৰিল। মানুহগৰাকী বোধহয় হোষ্টেলৰ ছুপাৰ। ছুপাৰ আৰু চকীদাৰৰ মাজত হোৱা কথোপকথনবোৰ তাই নুশুনিলে।

—কি নাম তোমাৰ? মহিলাগৰাকীয়ে ৰিঙিয়াই সুধিলে।

—ভাস্বতী-ভাস্বতী চলিহা—গোলাঘাটৰ।

ঃ অ-অ'-, পিচে ৰাতিখন আহিলা যে! আৰু কোন আহিছে?

ঃ নাই, মই অকলে—

ঃ অকলে! বাৰু, বাৰু—এইপিনে আহা। ভাস্বতীৰ বস্তুবোৰ ধৰি-মেলি চকীদাৰ আৰু ৰিক্সাৱালাটোৱে বাৰাণ্ডাত থ'লে। ৰিক্সাৱালাক পইচা দি তাই ছুপাৰৰ পিচে পিচে গ'ল। এখন ৰেজিষ্টাৰ বুকত চহী কৰিলে। পইচা জমা দিলে। ফৰ্মেলিটিজবোৰ পুৰা কৰাৰ পিচতে ছুপাৰে তাইক ক'লে—কেইদিনমান তোমাৰ অসুবিধা হ'ব।

—কিয়?

—মানে ছিট কম আছে। ফাইনেল ইয়েৰৰ পৰীক্ষা হৈ যোৱা নাই। এতিয়া দুজনীয়া ৰুমত তিনি-চাৰিজনীলৈকে আছে—আনকি লবীটো মাটিত বিছনা পাৰি ছোৱালী আছে। দুদিনমান কষ্ট কৰাৰ পিচত সকলো ঠিক হৈ যাব।

—এতিয়া মই ক'ত থাকিম?

—সেয়া—তোমাক ক'লোৱেই দেখোন। মোৰ পিচে পিচে আহা। তোমাৰ য'তে পচন্দ হয় থাকিবা।

এই দীঘল কৰিড'ৰেৰে ভাস্বতী ছুপাৰৰ পিচে পিচে গ'ল। অচিন কৰিড'ৰটোৰ দেৱালত প্ৰতিধ্বনি হৈ ছুপাৰৰ কথাবোৰে এক ভৌতিক সন্ত্ৰাস সৃষ্টি কৰি গ'ল ভাস্বতীৰ মনত.... এইটো আচলতে ইউনিভাৰ্চিটিৰ নিজা হোষ্টেল নহয়। বিশ বছৰলৈ লীজত লোৱা আছে। ইউনিভাৰ্চিটি কেম্পাছত বিল্ডিং সাজি আছে, গতিকে ডিব্ৰুগড় চহৰৰ মাজত এনেকৈ তিনিটামান ঘৰ লোৱা হৈছে হোষ্টেলৰ বাবে। এইটো মানুহৰ থকা ঘৰহে.... ডেৰশ ছোৱালী আৰামত থাকিব পাৰে।

ঃ হে হৰি—ইমান বিশাল অট্টালিকাটো কোন থাকিলৈ বাৰু সজাইছিল? মোগল বাদশ্বাহৰ হেৰেমৰ দৰে, ইমান ডাঙৰ! এনেকুৱা মানুহৰ ঘৰ জীৱনত প্ৰথম দেখিলোঁ।

ছুপাৰে ভাস্বতীৰ কথাত হাঁহিলে। তেওঁৰ সৰু চকু দুটা তিপিয়াই ক'লে—মোগল বাদশ্বাহৰ ঘৰেই বুলিব পাৰা। এই ঘৰৰ মালিক এজন সম্ৰাটেই। তেওঁৰ নাম চেলিমখান। এই বিশাল ভৱনটোত মুঠ বিয়াল্লিছটা ডাঙৰ কোঠা। সৰু কোঠালিবোৰ মই সংখ্যাত ধৰা নাই। মানুহে কয় ইয়াত এটা আণ্ডাৰগ্ৰাউণ্ড কোঠা আছে, এটা গোপন সুৰংগ পথ আছে, যিটো ব্ৰহ্মপুত্ৰত লাগিছেগৈ। মই পিচে দেখা নাই। চাবলৈ চেষ্টাও কৰা নাই।

—এই চেলিমখানেনো কি কাৰণে গোপনে সুৰংগও সাজি থৈছে বুলি মানুহে ভাবে?

ছুপাৰ এইবাৰ এটা চিৰিৰে ওপৰলৈ উঠি গ'ল।

—চেলিমখান হেনো অন্ধকাৰ জগতৰ সম্ৰাট। এইবোৰ আলোচনা কৰিবলৈ ভয়েই লাগে—ইমানকে জানি থোৱা, ডিব্ৰুগড় অন্য এখন 'ডুবাই'। স্মাগলিং, মাৰ্ডাৰ আৰু অ মি কল্পনা কৰিব নোৱাৰা ধন-সোণৰ জগত এখন সমান্তৰালভাৱে ইয়াত চলি আছে বহু যুগ আগৰে পৰা। তুমি পঢ়িবলৈ আহিছা। এইবোৰ কথা তোমাৰ কামত নাহে। তুমি ঘৰটোৰ প্ৰতি ইমান কৌতূহল দেখুৱা বাবেহে কথাবোৰ ক'লোঁ। আচৰিত ছোৱালী তুমি! ইমানবোৰ ছোৱালী আহিছে-গৈছে, কোনেও প্ৰথম দিনাই ঘৰটোৰ কথা সোধা নাই। কোনটো কোঠালিত এটা ছিট পাব, সেই চিন্তাহে কৰে।

ভাস্বতী মনে মনে থাকিল। ছুপাৰে তাইৰ কৌতূহল আৰু প্ৰশ্নবোৰত সন্তুষ্ট নোহোৱাতো এযাৰ কথাৰেই বুজাই দিলে। ভাস্বতীৰ পেটে-পেটে হাঁহিও উঠিল। ভাস্বতীৰ কৌতূহল নিবৃত্তিৰ বাবে বেছি যত্ন দেখোন ছুপাৰেই কৰিছে। ভাস্বতীয়ে জানো সুধিছিল—ইয়াত এটা গোপন সুৰংগ পথ আছে নেকি বুলি!

—কি হ'ল, মিচ-মিচাই হাঁহি আছা যে। শুনা, এই হোষ্টেলৰ ৰুল-ৰেগুলেশ্বন বৰ কাঢ়া। কোনো কথাতে নিয়ম ভংগ কৰিবলৈ চেষ্ট নকৰিবা। আৰু তুমি যে এই ৰাতিখন আজি যেনেকৈ ওলাইছাহি—তেনেকৈ ইয়াত নচলিব। শুনিছানে—নচলিব। সন্ধিয়া ছয় বজাতকৈ দেৰীকৈ কোনোবা হোষ্টেলৰ ছোৱালী আহিব—গেইট বন্ধ পাব।

—ছোৱালীজনী তেতিয়া বাহিৰতে থাকিব লাগিব!

—অ' বাহিৰত থাকিব।

—ক'ত থাকিব?

—য'ত মৰে মৰিবগৈ.... গধূলিৰ পিচত ঘূৰি ফুৰা ছোৱালীৰ ঠাইৰ কি অভাৱ? চৰণীয়া গৰুৰ বাটে-বাটে ঘাঁহ....।

—কিন্তু হোষ্টেলৰ ছোৱালী বাহিৰত থাকিলে দেখোন বিপদ হ'ব—তাৰোপৰি বদনামৰো কথা...

—হেৰা—তুমি ইয়াত পঢ়িবলৈ আহিছানে, হোষ্টেলৰ ছুপাৰভিছনত আহিছা? ভাস্বতীৰ আগে আগে গৈ থকা ছুপাৰে হঠাতে উভতি থমকি বৈ চকু ঘোপা কৰি ক'লে। মানুহজনীক খং উঠিলে বৰ হিংস্ৰ দেখি। ভাস্বতী মনে মনে থাকিল। নাৰীৰ এই ৰূপ ভয়ংকৰ। এই মুহূৰ্তত তাইৰ এটা ছিটৰ বৰ প্ৰয়োজন। ছুপাৰে ইচ্ছা কৰিলে তাইক খেদি দিব পাৰে। ইয়াত এটাও ছিট নাই বুলি ক'ব পাৰে। তাইৰ আশা-আকাংক্ষা মুহূৰ্ততে চাৰ-খাৰ কৰি দিব পাৰে। ছুপাৰগৰাকী এইবাৰ তাইৰফালে আগবাঢ়ি আহিল, আৰু দীঘলীয়া বাৰাণ্ডাৰ মাজভাগতে তাইৰ চকুত চকু থৈ সুধিলে—

ঃ ৰ'বা, তোমাক কেইটামান জৰুৰী প্ৰশ্ন কৰা নহ'ল। তোমাৰ কোনোবা প্ৰেমিক-তেমিক আছে নেকি? সঁচা কথা ক'বা। ছুপাৰৰ তীব্ৰ প্ৰশ্নবানত ভাস্বতী থত্-মত্ খালে। তাই সভয়ে ক'লে— নাই এতিয়ালৈকে নাই....

—বয়ফ্ৰেণ্ড?

—মই বুজা নাই....

—নহয় মানে ছোৱালীবোৰে বন্ধু বা বয়ফ্ৰেণ্ড বুলি কৈ প্ৰেমৰ খেলা পাতে। ল'ৰা বন্ধু ছোৱালীৰ থাকিবই নোৱাৰে। এইবোৰ সব ছলাহী কথা। মাক-দেউতাক, আত্মীয়-স্বজন আৰু আমাৰ দৰে হোষ্টেল ছুপাৰক আভুঁৱা ভৰা কথা এইবোৰ। ইস্—বন্ধু। তেজ-মঙহৰ সম্পৰ্ক নথকা ল'ৰা এটাৰ সৈতে এজনী ছোৱালীৰ কিহৰ বন্ধুত্ব? ল'ৰা বন্ধুৰ সৈতে কি কথা পাতিব পাৰে ছোৱালীয়ে? শাৰীৰিক গঠন, সমস্যাবোৰৰ কথা পাতিবই নোৱাৰে কাৰণ ল'ৰা-ছোৱালীৰ শৰীৰ একে নহয়। থাকিল মানসিক কথা। মানসিক গঠনো ল'ৰাৰ সৈতে ছোৱালীৰ একে নহয়। তোমাৰ বয়সৰ ল'ৰা এটাই যিদৰে থাকিব, তুমি থাকিব পাৰিবানে? পঢ়ি ল'ৰাৰ সৈতে নম্বৰৰ প্ৰতিযোগিতা কৰিব পাৰিবা কিন্তু সিহঁত থকাৰ দৰে থাকিব পাৰিবা? ভবা-চিন্তা কৰিব পাৰিবা? গতিকে ল'ৰাৰ মনোজগতৰ

সৈতে ছোৱালীৰ কি মিল থাকিব পাৰে? আৰু যদি কোনো মিলেই নাথাকে বন্ধু হ'ব পাৰে কেনেকৈ?

—কিন্তু বাইদেউ.....

—চুপ্-তৰ্ক নকৰিবা আকৌ। কৈ দিছোঁ। তুমি বৰ তৰ্কবাজ। ল'ৰা-ছোৱালীৰ বন্ধুত্ব মানে এটাই কথা। দুটা অপ'জিট ছেক্সৰ আকৰ্ষণ। সেইবাবে সান্নিধ্য ভাল পায়—নামটোত এটা 'ইন'চেন্সি'ৰ লেবেল লগাই—ফ্ৰেণ্ড—ইস্ বয়ফ্ৰেণ্ড। ছুপাৰে মুখখন কুৎসিৎভাৱে বিকটালে।

—কোৱা তোমাৰ তেনে ছ' কল্ড বয়ফ্ৰেণ্ড আছে নেকি?

—নাই। ভাস্বতীয়ে দৃঢ়ভাৱে ক'লে।

—এনে বন্ধু একা—যি খুৰাৰ ছোৱালী, মামাৰ ছোৱালী বুলি অহা-যোৱা কৰি, মনে মনে হোটেলত ৰাতি কটাবলৈ লৈ যায়...

ভাস্বতীয়ে অস্বস্তিৰে ক'লে—মোৰ কোনো খুৰাৰ বা মামাৰ ল'ৰা নাই।

—আহোতে তোমাৰ লগত আৰু কোন আহিছিল?

—ক'লোৱেই দেখোন। কোনো অহা নাই।

—আচৰিত—ছোৱালী এজনী হোষ্টেলত থ'বলৈ পৰিয়ালৰ মানুহ এজন আহেই....

—মোৰ দেউতাৰ স্বাস্থ্য ভাল নহয়। ককাইদেৱে দূৰৈত চাকৰি কৰে, ভণ্টী এজনী পঢ়ি আছে, মই ঘৰৰ কাম, বাহিৰৰ কাম সকলো কৰোঁ। আমাৰ ঘৰত ল'ৰা আৰু ছোৱালীৰ পাৰ্থক্য নাই। ককাইদেউ চাকৰি কৰিবলৈ যোৱাৰে পৰা মই ঘৰৰ বজাৰ-সমাৰ কৰোঁ, পঢ়া-শুনাও কৰোঁ, দৰকাৰত ভাতো ৰান্ধো আৰু প্ৰয়োজন হ'লে খৰিও কুঠাৰেৰে ফালিব পাৰোঁ।

—ঔ আই! এতিয়া পিচে এইবোৰ কোনে কৰিব তোমাৰ ঘৰত?

—মোৰ ভণ্টীয়ে কৰিব। তাই আৰু এখোপ চৰা। তাই ভাল গছ বগাব পাৰে, চাইকেল বৰ স্পীডত চলাব পাৰে, তাই মাছ ভালকৈ বাচে-ৰান্ধে, আৰু তাই কেৰাটে জানে—ল'ৰা বন্ধু তাইৰ বহুত। মই মা-দেউতাক বৰ নিৰ্ভয়ে তাইৰ হাতত দুবছৰ থ'ব পাৰিম। দুবছৰৰ পিচত তাই বিশ্ববিদ্যালয়লৈ আহিব, মই গৈ ঘৰ চম্ভালিম। এয়াই সদ্যহতে আমাৰ পৰিকল্পনা।

—তোমাৰ দাদা ঘৰলৈ নাহে নেকি?

—সি ইণ্ডিয়ান আৰ্মিৰ জেনেৰেল ব্ৰাঞ্চত চাকৰি কৰে। এতিয়া হায়দৰাবাদত আছে। চেষ্টা কৰি আছে অসমলৈ ট্ৰেন্সফাৰ ল'বলৈ। আৰু কিবা সুধিব নেকি?

ছুপাৰে একো নামাতিলে। এটা প্ৰকাণ্ড হলঘৰৰ সন্মুখত থিয় হ'ল তেওঁ। ভাস্বতীয়ে দেখিলে ৰিফিউজী কেম্পৰ দৰে শাৰী-শাৰী মাটিত বিছনা। বিছনাৰ কাষত থাল-বাচন। ছুপাৰ যোৱা দেখি আটাইকেউজনী ছোৱালী বিছনাত পেট পেলাই পৰি থকাৰ পৰা গিৰিসাই উঠি বহিল।

—তোমালোকৰ হলঘৰটোলৈ আৰু এগৰাকীক আনিছোঁ। এওঁৰ নাম ভাস্বতী। চলিহা—গোলাঘাটৰ। অলপ কষ্ট হ'ব। মাত্র এমাহ। এমাহৰ পিচত ছিটবোৰ খালী হৈ যাব। এতিয়া নতুন ক্লাছ আৰম্ভই হোৱা নাই। বিহুৰ বন্ধৰ পিচৰ পৰাহে হ'ব। গতিকে বন্ধত ঘৰৰ পৰা আহি তোমালোকে একোখন বিছনা পাই যাবা। বিহুলৈকে কেইটা দিন বাকী? তোমালোকৰ একো অসুবিধা হোৱা নাইতো?

ছোৱালীবোৰে কওঁ-নকওঁকৈ ক'লে—নাই হোৱা।

—ভাস্বতী যোৱা, এই কোঠাটোৰ ঠাই এটুকুৰা বাটি লোৱা। মই বাৰু তোমাৰ বস্তুবোৰ পঠিয়াই দিওঁগৈ। ছুপাৰ খৰ-খেদাকৈ কোঠালিটোৰ পৰা ওলাই গ'ল। ভাস্বতী বিমোৰ হৈ কোঠালিটোত থিয় দি থাকিল। ভাস্বতীয়ে নতুন ছোৱালীবোৰলৈ চাই হাঁহি এটা মাৰিলে।

—এই কোঠাটোত ঠায়েই নাই। আমাৰ পৰাই পইচাও লৈছে—অথচ এখন বিছনা দিব পৰা নাই। এইটো কোঠাতে তেৰজনী ছোৱালী। তোমাৰে সৈতে চৈধ্যজনী হ'ব। সৌ বাথৰুমৰ দুৱাৰৰ ওচৰৰ ঠাইখিনি মাত্র খালী আছে। কাষতে বাথৰুম বাবে কোনেও তাত বিছনা পতা নাই। তুমি তাত কেনেকৈ বিছনা পাতিবা বাৰু? মৰম লগা, উজ্জ্বল বৰণৰ ছোৱালীজনীয়ে বৰ আন্তৰিকতাৰে কথাবোৰ ক'লে। অ'—তোমাক মোৰ নাম কোৱাই নাই। মো'ৰ নাম নীলাক্ষি ফুকন। ঘৰ শিৱসাগৰত। এয়া ৰূপালী গগৈ, মৰাণৰ; এওঁ জীনা দেৱী, যোৰহাটৰ; তেওঁ লুটফা আখ্‌তাৰ, বোকাখাটৰ; এওঁ নীনা সিং, ডুম ডুমাৰ; সেই যে জাপানী পুতলাটো দেখিছা—কাখেলী, মণিপুৰৰ—কাখেলীয়ে নীলাক্ষিলৈ চাই তৎক্ষণাৎ চিঞৰি দিলে। সঁচাকৈয়ে যেন পুতলা এটাই চাবি দিয়াৰ লগে লগে ৰঙা জিভাখন উলিয়াই দিলে! আটাইবোৰে হাঁহি দিলে। ভাস্বতীৰ পৰিৱেশটো কিবা এটা ভাল লাগি গ'ল। এনেকৈ কোনোদিনে বিভিন্ন ঠাইৰ ছোৱালীৰ সৈতে একেলগে থকাৰ অভিজ্ঞতা তাইৰ হোৱা নাছিল। কল্পনাও কৰা নাছিল তাই এনে এটা পৰিৱেশৰ।

—প্ৰথমতে আমি কোনেও এডজাষ্ট কৰিব পৰা নাছিলোঁ। ঘৰৰ পৰিৱেশৰ পৰা আহি এইদৰে সমূহীয়াভাৱে থকাৰ অভ্যাস নাছিল। এতিয়া পিচে ভাল লাগি গৈছে।—ৰূপালী গগৈয়ে ক'লে।

ঃ নহয় ৰূপালী, উই আৰ লাকি এনাফ। বহুতেই আগতে আহি ইয়াত ছিট পালে। কিন্তু এটা কথা নোচোৱা কিয়, আমাৰ Adaptability কিমান বেছি! বুজিছা এমেৰিকানবিলাক ইমান ষ্ট্ৰং হ'ল কিয়? The genius of America is in ability to make adjustments. That was the condition of conquering a virgin continent, we are adaptable, and because we are adaptable, we are strong....নে কি কোৱা?

—নীলাক্ষিকে লিয়ে জোৰদাৰ তালিয়া.... নীনা সিং নামৰ ধুনীয়া পাঞ্জাবী

ছোৱালীজনীয়ে থিয় হৈ থকা এক বিশেষ ভংগীমাত কথাখিনি ক'লে। লগে লগেই সকলোৱে হাত চাপৰি বজালে। নীলাক্ষি ফুকনে লক্ষ্ণৌৰ বিখ্যাত শ্বায়েৰৰ ষ্টাইলত 'আদাব' 'আদাব' কৰি উঠিল। ভাস্বতী হাঁহিত ৰ'ব নোৱাৰা হ'ল। এজাক যৌৱনৰ উচ্ছল বতাহ দুৱাৰ-খিৰিকীবোৰেৰে সজোৰে বাহিৰলৈ ওলাই গ'ল। ভাস্বতীয়ে ক'লে—মই সৌ বাথৰুমৰ দুৱাৰৰ কাষৰ খালী ঠাইতে বিছনা পাতি লৈ ইয়াতে থাকিম।

ঃ তেতিয়াহ'লে ভাস্বতী তোমাক আমাৰ 'জিপছিখানা'লৈ সাদৰেৰে আমন্ত্ৰণ জনালোঁ। পিছে শুনি দুখ পাবা, সদাই পুৱাই তুমি বিছনা ৰ'ল কৰিব লাগিব। কাৰণ সেইটো বাথৰুমলৈ অহা-যোৱা কৰা একমাত্ৰ আমাৰ ৰাস্তা।

ঃ হ'ব, মই তোমালোকতকৈও Strong, because I am more adaptable than you....

ঃ ভাস্বতী, ডেফিনেট্লি য়ু উইল কংকুৱাৰ দা ইউনিভাৰ্চিটি..... নীলাক্ষিয়ে ক'লে।

ভাস্বতীৰ বস্তুবোৰ লৈ চকীদাৰটো সোমাই আহিল। আটাইবোৰ ছোৱালীয়ে যিমান পাৰে সহায় কৰিলে ভাস্বতীক। বাথৰুমলৈ যাওঁতে, ভাস্বতীৰ টোপনিত যাতে ব্যাঘাট নহয়, তাৰ বাবে যথেষ্ট চেষ্টা কৰি মাত্ৰ এখন ভৰি থ'ব পৰা এটা সৰু অহা-যোৱা বাট তৈয়াৰ কৰা হ'ল। তেৰ-চৈধ্যজনী ছোৱালীয়ে ব্যৱহাৰ কৰা এটা বাথৰুম। ভাস্বতীয়ে গোন্ধ পাবও পাৰে। দুজনী ছোৱালীয়ে পুনৰ অপৰ্যাপ্ত পানী ঢালি পৰিষ্কাৰ কৰিলে টয়লেটটো। বাথৰুমৰ দুৱাৰ ডলিতে এখন ভৰি মোচা বস্তা। সেই বস্তাৰ ওপৰত কাখেলীয়ে এটুকুৰা পুৰণি লাইচেংপি পাৰি দিলে। তাই হাঁহি মাৰি ক'লে—মায়ে আহিবৰ সময়ত এনেকুৱা চাৰি-পাঁচ টুকুৰা কাপোৰ বেডিঙৰ ভিতৰত দি কৈছিল—কিবা কামত আহিব। এতিয়াহে বুজিলো কি কামত আহিল। লুট্‌ফাই বাথৰুমৰ দুৱাৰৰ ওচৰে-পাজৰে এটা সুগন্ধি স্প্ৰে কৰি দিলে। —য়েছ মেম—ইয়ৰ ছুপাৰ ডিলাক্স ৰুম ইজ ৰেডী.... নীলাক্ষিয়ে বিখ্যাত হোটেলৰ ৱেইটাৰে দেখুৱাৰ দৰে ভাস্বতীৰ বিছনালৈ দেখুৱালে। ভাস্বতীয়ে ইমান সহৃদয়তা ক'তো পোৱাৰ অভিজ্ঞতা নাছিল। অসুস্থ দেউতাক-মাকক, ভনীয়েকৰ হাতত সপি ঘৰৰ পৰা ওলাই আহোতে তাইৰ বুকুখন বেদনাত ভাগি-ছিগি গৈছিল। মাকে পাৰ্যমানে চকুপানী বোধ কৰি কৈছিল—"ভালকৈ থাকিবি। তোক চাবলৈ তাত কোনো নাই। নিজেই নিজৰ অভিভাৱক এতিয়া তই। বহু নতুন অভিজ্ঞতা হ'ব। অভিজ্ঞতাবোৰ সুখৰ নহ'বও পাৰে। কিন্তু জীৱনত সকলো অভিজ্ঞতাৰ দৰকাৰ। গাইগুটীয়া পৰিয়ালৰ পৰা গৈ, নানা ধৰণৰ ছোৱালীৰ সৈতে খাপ খুৱাই লওঁতে কষ্ট হ'বই। কিন্তু হোষ্টেলত মিলি-জুলি যি ল'ৰা-ছোৱালী থাকিব পাৰে, সি সামাজিকভাৱে সকলোৰে সৈতে ভৱিষ্যতে খাপ খুৱাই ল'ব পাৰে। প্ৰত্যেক ছাত্ৰ-ছাত্ৰী হোষ্টেলত, জীৱনত এবাৰ থাকিবই লাগে। ই জীৱনৰ ডাঙৰ শিক্ষা।" ভাস্বতীৰ চকু চল-চলীয়া হৈছিল বোধহয়। দুজনী ছোৱালীয়ে নিয়াৰিকৈ পাতি দিয়া তাইৰ বিছনাখনলৈ চাই আছিল। কি হ'ল? ঘৰলৈ মনত পৰিছে! —আজি

ৰাতিটো মাত্ৰ থাকা—"দেখিবা তুমি পাহৰিয়েই গ'লা তোমাৰ ঘৰখনলৈ" নীলাক্ষিয়ে ভাস্বতীক হাতত ধৰি তাইৰ বিছনাত বহুৱাই দিলে।

—কেনেকৈ যে তোমালোকক ধন্যবাদ দিওঁ.... ইমান ভাল তোমালোক.... ভাস্বতীৰ ওঁঠৰ পৰা অস্পষ্টহে কথাবোৰ ওলাল।

—God has two dwellings; one in Heaven, and the other in earth-in thankful heart–গতিকে ভাস্বতী তোমাৰ অন্তৰখন ভাল। মই এনেকুৱা বান্ধৱীৰ সান্নিধ্যও পাইছোঁ, যি পৰীক্ষাৰ আগতে মোৰ নট'ছ—কিতাপ সকলো নি জুইত মনে মনে পুৰি পেলাইছিল। অথচ সেই বান্ধৱীৰ বাবে জীৱনত বহু অমূল্য ক্ষণ মই হেলাৰঙে নষ্ট কৰিছিলো।

—কি ক'লা! সেয়াওনো বান্ধৱী হ'ব পাৰেনে?

—বাদ দিয়া সেইবোৰ কথা। তুমি নতুনকৈ আহিছা। দুটা বছৰ পাম এইবোৰ কথা পাতিবলৈ। আজি থাওক। ছ'—উই কেন চেলিব্ৰেট ইয়ৰ প্ৰেজেন্স উইথ আ কাপ অৱ টি.... ৰ'বা দুৱাৰ বন্ধ কৰা আগতে। আমি মনে মনে ষ্ট'ভ জ্বলাই চাহ কৰোঁ। হোষ্টেলত ষ্ট'ভ জ্বলাবলৈ নিদিয়ে, কিন্তু কিছুমান নিয়ম ভাঙিহে শান্তি পোৱা যায়। ৰূপালীয়ে নীলাক্ষিৰ কথা মতেই দৌৰি গৈ দুৱাৰ বন্ধ কৰিলে। লুট্‌ফা চাহ কৰিবলৈ উঠি গ'ল। ভাস্বতীয়ে তেতিয়াহে দেখিলে—হলঘৰৰ চুক এটাত দুটা ডাঙৰ ট্ৰাংকৰ পিচফালে আছে এখন জুহাল। চাহপাত, চেনি-বিস্কুটৰ টেমা।

—আজিও ৰেগিং কৰিবলৈ কাৰোবাক মাতিব নেকি? ইমান দেৰী মনে মনে শুই থকা ছোৱালী এজনীয়ে প্ৰথমবাৰৰ বাবে বিছনাৰ পৰা সুধিলে।

—ৰেগিং! ভাস্বতীয়ে সভয়ে চালে সকলোলৈকে।

—অ' তিনিজনীমানকৈ ছোৱালী প্ৰত্যেক ৰুমৰ পৰা ছিনিয়ৰে মাতি নিয়ে নিশা ভাত খোৱাৰ পাচত। নীনা সিঙে ক'লে।

—কালি শেৱালিক নিছিল—অ' এওঁৰ নাম শেৱালী বৰদলৈ। শদিয়াৰ। বেছেৰীক কালি বৰকৈ কন্দুৱালে। ইফালে 'আকৌ এবাৰ নিম' বুলি তাইক ভয় খুৱাই থৈ গৈছে ছিনিয়ৰে। —হ'ব মাতিলে যাম আৰু, ...নীলাক্ষিৰ কথাৰ লগে লগে এটা নীৰৱতা নামি আহিল কোঠালিটোলৈ।

(তিনি)

টং-টং-টং-টং-... খৰকৈ মৰা ঘণ্টাধ্বনি এটা ভাহি আহিল। কোঠালিটোৰ বাহিৰৰ বাৰাণ্ডাত কিছুমান খোজৰ শব্দ হ'ল। খিল-খিল হাঁহি মৃদু চিঞৰ-বাখৰেৰে নিস্তব্ধ হোষ্টেলটোৱে যেন প্ৰাণ পাই উঠিল। ভাস্বতীয়ে একো নুবুজি এনেয়ে চাৰিওফালে চালে।

—দাইনিং হলৰ ঘণ্টা, ভাত খাবৰ হ'ল। নীলাক্ষিয়ে ভাস্বতীলৈ চাই কথাযাৰ কোৱাৰ লগে লগে লুট্‌ফাই কেট্‌লি এটাত চাহ আনি ক'লে—মাগবোৰ উলিয়া আকৌ, চাহ আনিছো নহয়! মুহূৰ্ততে কেবাটাও বগা কাষ্ট আয়ৰণৰ সৰু মাগ সকলোৰে হাতত উঠি আহিল।

—ন'—প্ৰথমে গেষ্ট—চাওঁ সৌ কাপ-প্লেটযোৰ দেছোন। ৰূপালীয়ে এযোৰ ভাল কাপ-প্লেট আগবঢ়াই দিলে। লগতে ক'বলৈও নাপাহৰিলে 'ভাস্বতী, ছোৱালী আৰু ল'ৰাৰ এয়াই পাৰ্থক্য। আমাৰ কোনোবা আলহী আহিলে চাহ খাবলৈ একোযোৰ ভাল কাপ-প্লেট ৰাখোঁ। তুমিও কিনি ল'বা। নিজৰ বাবে চাহ খাবলৈ এনেকুৱা সৰু মাগ কিনি ল'বা। চাহ তপত হৈ থাকে। নহ'লে পুৰা দীঘলীয়া বাৰাণ্ডাৰে গৈ, চল্লিছটা চিৰি নামি দাইনিং হলৰ পৰা চাহ আনোতে ঠাণ্ডা হৈ যায়।'

লুট্‌ফাই চাহ বাকি কাপটো ভাস্বতীক দিলে, লগে লগেই কেবাটাও বিস্কুটৰ টেমাও আগবাঢ়ি আহিল। 'ভাত খাবলৈ দেখোন মাতিছে, এতিয়া চাহ-বিস্কুটৰ প্ৰয়োজনেই নাছিল।' ভাস্বতীৰ কথা শুনি নীলাক্ষিয়ে সশব্দে হাঁহিলে। 'আই ঐ দেহি, ঘণ্টা শুনি এতিয়াই ভাত খাবলৈ পাম বুলি ভাবিছা হ'বলা? —ৰ'বা, প্ৰথমে ছিনিয়ৰে খাব, ভাতৰ টেবুলত তেওঁলোকৰ গল্প-গুজব চলিব। এনেকৈ দুটামান ছিনিয়ৰ বেট্‌ছে যেতিয়া খাব আমিবোৰ তেতিয়া চুচুক-চামাককৈ দাইনিং হল সোমামগৈ। পৰাপক্ষত লুকাই থাকিম ইজনীয়ে-সিজনীৰ আঁৰ লৈ। ভাত খোৱাৰ পিচত হোষ্টেলৰ কেইগৰাকীমান ছিনিয়ৰে দাইনিং হলৰ এচুকত বহি আমাৰ ৰেহ-ৰূপ চাই থাকিব। যিকোনো কথাতে তোমাৰ দোষ ধৰা পেলাব তেওঁলোকে। এই ধৰা তুমি যেনিবা তেওঁলোকক চিনি নোপোৱা, নোপোৱাতোৱেই স্বাভাৱিক কথা। ধৰা তুমি এগৰাকী ছিনিয়ৰৰ কাষতে বহিলাগৈ—তেওঁ তৎক্ষণাৎ ক'ব—কি নামহে তোমাৰ? ডাঙৰৰ সৈতে কি ব্যৱহাৰ কৰিব লাগে নাজানা? ক'ৰ পৰা আহিছা? তুমি ধৰা সোধা প্ৰশ্নবোৰৰ উত্তৰ দিলা। তেওঁলোকে ক'ব—অমুক নম্বৰলৈ আহা, তোমাৰ বিচাৰ হ'ব।' ভাস্বতীয়ে কথাবোৰ শুনি চাহ খাবলৈ পাহৰি গ'ল। তাই ভেবা লাগি নীলাক্ষিৰ মুখলৈ চাই থাকিল। 'আৰে তুমি ভয় খাইছা নেকি? খোৱা, চাহ খোৱা। ভাত খাবলৈ আৰু দুঘণ্টা সময় আছে। ভাস্বতী, হোষ্টেলত এইবোৰৰ মুখা-মুখি হ'বই লাগিব। ধৰি লোৱা তুমি বোৱাৰী হৈ শাহুৰ পৰা ৰেগিং পাইছা। কৈয়ে নীলাক্ষিয়ে সশব্দে আকৌ হাঁহিলে।

নীলাক্ষিৰ বাহিৰে আন কাৰো মুখত হাঁহি নোলাল। সকলোৱে নিমাতে চাহ খাবলৈ ধৰিলে। বাহিৰত এজাক গাভৰুৰ বেপৰোৱা হাঁহিয়ে কোঠালিৰ পৰ্দাবোৰ কঁপাই থৈ গ'ল। ভাস্বতীয়ে হাঁহিবোৰৰ মাজতে কোনোবাই চিঞৰি কোৱা শুনিলে, 'এই ৰুমত কেইটা বল আছে অ'—শুনিছো আজি এটা নতুন বল আহিছে।'

'কি বল—পিংপং নে ফুটবল, টেনিছ নে ক্ৰিকেট।'

'দেখা যাব।'

বাৰাণ্ডাৰ কথোপকথনবোৰ শুনি ভাস্বতীৰ বুজিবলৈ বাকী নৰ'ল যে তাইৰ আগমনৰ বাৰ্তা ছিনিয়ৰ ছোৱালীয়ে পাই গৈছে। সিহঁতবোৰ বল, ছিনিয়ৰে খেলা বল।

'ব'লা—ব'লা, যাম—বাচনবোৰ লৈ লোৱা।

ভাস্বতী, তুমিও ব'লা'—নীলাক্ষিয়ে পৰিৱেশ পাতলাবলৈকে ক'লে। কিন্তু কাৰো বিশেষ প্ৰতিক্ৰিয়া নহ'ল। কোঠালিটোত থম-থমীয়া পৰিৱেশ এটাহে বিৰাজ কৰিলে। শেৱালিয়ে নীলাক্ষিৰ মুখলৈ চাই ক'লে—'মোৰ হ'লে ভোক-চোক নাই। মই ভাত খাবলৈ নাযাওঁ। শুই থাকিম ইয়াতে।' শেৱালিৰ মুখখন বিবৰ্ণ। যোৰহাটৰ জীনাই ভাস্বতীক অনুচ্চ স্বৰত ক'লে—কালি তাইক বিহু নাচিবলৈ দিছিল। বেচেৰীয়ে জীৱনত কেতিয়াও নাচি পোৱা নাই। একেবাৰে নিমাখিত ছোৱালী। পিচে নাচিব নজনা বাবে শেৱালিৰ চকু-মুখত আইক্ৰ পেঞ্চিলেৰে কিম্ভুত-কিমাকাৰ ৰূপ এটা দিলে, ছিনিয়ৰ ছোৱালীয়ে। বিহু নাচিব নাজানা 'ভাংৰা'কে নাচা বুলি কৰিড'ৰেৰে সেই ৰূপলৈ জবৰদস্তি জঁপিয়াই জঁপিয়াই ফুৰিবলৈ দিলে। বেচেৰীয়ে গোটেই নিশা কান্দিলে। আমি 'এইবোৰ ধেমালি' বুলি বুজালেও নুবুজে। মৰাণৰ ৰূপালীয়ে কথাবোৰ শুনিলে। তাই হাঁহি মাৰি ক'লে—আমাৰ এই হোষ্টেলত ৰেগিং বিশেষ নহয়েই। মোৰ ভাইটোৱে এইবাৰ কটনত এডমিচন লৈছে। সি আহি যি বৰ্ণনা দিছেহি শুনিলে আচৰিত হ'বা। সাপ-বেং-কেঁচু এইবোৰ হ'বলৈ' সিহঁতক দিয়ে। এই ৰেগিঙৰ নাম 'চিৰিয়াখানা'। যাৰ ভাগত সাপ হোৱাৰ পাল পৰিল, সি সাপ হৈ কৰিড'ৰত বগাই বগাই ফুৰিব, বেংটোৱে জঁপিয়াব, আকৌ শুনা, মোৰ ভাইৰ ভাগত পৰিছিল 'ফায়াৰ'। জাঙিয়া পিন্ধি গছৰ জোপোহাৰ আঁৰত সি লুকাই আছিল। সিফালৰ পৰা ছোৱালী ক্লাছলৈ আহি থাকোতেই, ছিনিয়ৰে ক'লে 'ফায়াৰ'। লগে লগেই হাতেৰে বন্দুক লোৱাৰ ভংগিমা কৰি সিহঁতে জাঙিয়া পিন্ধা অৱস্থাতেই মুখেৰে শব্দ কৰি গুলি বৰ্ষাব লাগে পিচে মোৰ ভাই সেইদৰে জঁপিয়াই গৈ পৰিলগৈ মোৰ মাহীৰ ছোৱালীৰ সন্মুখত। তাই ফাইনেল ইয়েৰৰ ছাত্ৰী। ঘৰত আহি হাঁহিত বাগৰি বাগৰি তাই দৃশ্যৰ বৰ্ণনা কৰিলেহি। নহ'লে আমি একো গমেই নাপালোহেঁতেন। আটাইকেউজনীয়ে হাঁহি পেলালে।

—চুপ থাকা। এইবোৰ কথাত হাঁহিবলৈ লাজ নালাগে। এই ভালগাৰিজমবোৰক তোমালোকেই সাধাৰণভাৱে লৈ প্ৰশ্ৰয় দিছা। ছিঃ। ঘৃণাত শেৱালিৰ মুখ বিকৃত হৈ গ'ল। নিমাখিত শেৱালিয়ে এনেদৰে ধমক দিব বুলি কোনেও কল্পনাই কৰা নাছিল। পুনৰ নিস্তব্ধ

হৈ গ'ল কোঠাটো। পিচমুহূৰ্ততে নীলাক্ষিয়ে শেৱালিলৈ চাই ক'লে—শেৱালি, তুমি জীৱনত কেতিয়াও হোষ্টেলত এড্‌জাষ্ট হ'ব নোৱাৰিবা। তুমি ভীষণ stubborn, এনে গোঁৱাৰ-গোবিন্দ স্বভাৱেৰে তুমি সদায় কষ্ট খাবা। মই নিজেও বিহু নাচিব নাজানো। কিন্তু কালি তোমাৰ দৰে মোকো বিহু নাচিবলৈ কোৱাত, যি পাৰো এনেয়ে হাত দাঙি কঁকাল ভাঙি নাচিলো। কিন্তু তুমি নাজানো বুলি ক'লা। ছিনিয়ৰে ক'লে—'যদি নাজানা, জীৱনত এবাৰ বিহু নচাৰ ৰেকৰ্ড কৰা, নীলাক্ষিৰ দৰেই নাচা।' তুমি কি ক'লা? 'মই বিহু নাচিব নাজানো যেতিয়া নানাচো। আপোনালোকে মোক হাজাৰবাৰ ক'লেও মই এইবোৰ নকৰোঁ।' পিচে কি হ'ল তাৰ ফলত? জঁপিয়াবলৈ বাধ্য হ'লা।' নীলাক্ষিয়ে খঙেৰেই ক'লে কথাবোৰ।

—নীলাক্ষি তুমি এনেকুৱা বুলি জনা নাছিলোঁ। ৰেগিঙৰ ওচৰত বশ্যতা স্বীকাৰ কৰা মানেই ইয়াক বাঢ়িবলৈ সুবিধা দিয়া। মই এইবোৰ ভি-চিক ৰিপ'ৰ্ট দিম—সাংবাদিকক ক'ম। দৰকাৰ হ'লে পুলিচক ক'ম। শেৱালিয়ে প্ৰায় চিঞৰি দিলে।

—যোৱা—আৰু লগোৱাগৈ। ইয়াৰ পৰা কি হ'ব? এটা হাৰাশাস্তি! আৰু তুমি শান্তিৰে দুটা বছৰ ইয়াত থাকিব পাৰিবানে?

—এইবোৰ ধেমালি শেৱালি। সহজভাৱে লোৱা। পিচত দেখিবা এই ছিনিয়ৰ ছোৱালীবোৰে তোমাক কিমান মৰম কৰিব। প্ৰথম অকণমান স্ফূৰ্তি কৰে—কৰিবলৈ দিয়ানা।—ভাস্বতীয়ে এইবাৰ ক'লে। সকলোৱে হয়ভৰ দিলে। ইমান কি ভয় কৰিবলগীয়া কথা এইবোৰ?

—অ'—অ' এইবোৰ স্ফূৰ্তি! এইবোৰ ধেমালি! তোমালোক সকলোৱে ধেমালি বুজা—মই নুবুজোঁ। মই ষ্টাবাৰ্ণ, গোঁৱাৰ, মিলিব নোৱাৰো কাৰো সৈতে! কিন্তু তোমালোকে জানো তজবজীয়া এটা ডেকা ককায়েক হেৰুৱাইছা? মই হেৰুৱাইছো—তিনিবছৰ আগতে দিল্লীৰ ছাত্ৰাৱাস এটাত মোৰ একমাত্ৰ ককাইদেউৰ মৃতদেহ উদ্ধাৰ হৈছিল। মেট্ৰিকত সি চাৰিটাত লেটাৰ মাৰ্ক পাইছিল। খেলা-ধূলা, ব্যায়াম সকলোতে সি এক নম্বৰত থাকিছিল। কি ধুনীয়া আছিল তাৰ চকুযোৰ! অনবৰতে সুহুৰিয়াই, গান গাই থাকে। মোক সি মৰমতে অত্যাচাৰ কৰি ভাল পায়, ময়ো তাৰ চিঠি নাপালেই কান্দোঁ। তাক কম পানী থকা টেংকি এটাত ভৰাই থৈছিল। হয়তো সেইদৰে তাক থৈয়েই ছিনিয়ৰ ল'ৰাবোৰ ভাত-পানী খাবলৈ গুচি গৈছিল। কেনেকৈ কি হ'ল নাজানো, টেংকি পানীৰে ভৰ্তি হৈ গ'ল। মোৰ দাদাৰ শৰটো ওপঙি থাকিল তাত দুদিন। এয়াই ৰেগিং। কি অপৰাধত তাক হত্যা কৰা হ'ল? স্ফূৰ্তিতে—খন্তেকৰ ধেমালিতে? কিছুমান অবিবেচক, অসভ্য, বৰ্বৰ ল'ৰাৰ স্ফূৰ্তিৰ বাবে মোৰ ককাইদেৱে প্ৰাণ দিব লগা হ'ল! শেৱালিয়ে কথাবোৰ কৈ কৈ এইবাৰ হুক্-হুকাই কান্দি পেলালে। কোঠাটোলৈ মৰিশালিৰ নিস্তব্ধতা নামি আহিল। প্ৰত্যেকজনী ছোৱালীৰ মুখ বিষাদ-আতংকত মুমূৰ্ষ হৈ পৰিল। এটাও শব্দ উচ্চাৰণ নকৰাকৈ সকলোৱে শেৱালিলৈ চাই থাকিল।

'ককাইদেউৰ এই মৃত্যুৰ বাতৰি পোৱাৰ পিচত মা পাগলীৰ দৰে হ'ল, দেউতা জলকা লাগিল। পুলিচে বহু ছাত্ৰকে সন্দেহত এৰেষ্ট কৰিছিল, প্ৰমাণ কৰিব নোৱাৰি এৰি দিলে।

মা শয্যাশায়ী হ'ল। হাইপ্ৰেছাৰ-ডায়েবেটিছ সকলো একেলগে আহিল। ৰাতিৰ পিচত ৰাতি মাৰ টোপনি নাহে। অজান শোকত মানুহজনীয়ে মাজে মাজে হিয়া ভুকুৱাই কান্দে। মুখেৰে কিবা-কিবি বলকি থাকিবলৈ ল'লে। তাৰ বিপৰীতে দেউতা হৈ পৰিল নীৰৱ। সকলো সময়তে কথা কৈ, হাঁহি-মাতি থকাৰ বাবেই দেউতাক সকলোৱে ভাল পায়। ঘৰুৱা বিয়া-বাৰুবোৰত দেউতাক আলহী সোধাৰ ভাৰ দিয়ে। সেই দেউতাৰ হুমুনিয়াহৰ বাহিৰে একো শব্দই মুখৰ পৰা নোলোৱা হৈ গ'ল। দিন যোৱাৰ লগে লগে মানুহে সকলো পাহৰি গ'ল। ককাইদেউক হত্যা কৰা সেই ল'ৰাবোৰ নিশ্চয় ভাল ল'ৰা হৈ কলেজৰ পৰা ওলায়। কিন্তু আমি! আমাৰ পৰিয়ালৰ বুকুৰ ঘাঁ জানো শুকাল? ক্ষতি কাৰ হ'ল? এনেকুৱা শোকস্তব্ধ এহাল ৰুগীয়া মা-দেউতাক ঘৰত থৈ মই পঢ়িবলৈ আহিছোঁ। মই প্ৰতিজ্ঞাও কৰিছোঁ, বিয়া-বাৰু নকৰাওঁ। মই মা-দেউতাৰ লগত থাকিম। সকলো পাৰিলেও মই ৰেগিঙৰ সপক্ষে মাত মাতিব নোৱাৰোঁ। তোমালোকৰ দৰে ইয়াক ধেমালি বুলি এৰি দিব নোৱাৰোঁ। এজোপা গছ ডাঙৰ হ'বলৈ প্ৰথম বীজ পুতিব লাগিব। ক্ষুদ্ৰ বীজটো প্ৰথমে নগণ্য যেন লাগে। কিন্তু সাৰ-পানী, ৰ'দ পালে বীজৰ পৰা গছ হয়, বাঢ়ে, ঠাল-ঠেঙুলি মেলে। সজ্ঞানেৰে মই এই ৰেগিং নামৰ বিষবৃক্ষৰ বীজত সাৰ-পানী যোগাব নোৱাৰোঁ। মোক ক্ষমা কৰিবা। আৰু এবাৰ মোক ৰেগিঙৰ বাবে মাতিলেই মই কি ৰূপ ধাৰণ কৰিম তোমালোকে কল্পনা কৰিব নোৱাৰা। শেৱালিৰ চকু-মুখ জবাফুলৰ দৰে হ'ল। কথাবোৰ কওঁতে তাই ফোঁপাবলৈ ধৰিলে। 'ৰিলেক্স শেৱালি, প্লীজ কুল ডাউন—তোমাৰ কষ্ট বুজিছো আমি, অলপ শুই পৰাহেঁতেন এতিয়া.....' লুট্‌ফাই তৎক্ষণাৎ শেৱালিৰ বাউসীত ধৰি শুৱাবলৈ যত্ন কৰিলে।

'ইমান শান্ত-নিমাখিত ছোৱালীজনীয়ে যে এটা আগ্নেয়গিৰি বুকুত লৈ ফুৰিছে জনাই নাছিলোঁ'—ৰূপালীয়ে ভয়ে ভয়ে নীলাক্ষিলৈ চাই ক'লে। 'শেৱালি এটা নিউক্লিয়াৰ', তাই সঁচাকৈয়ে আৰু ৰেগিং পালে বিস্ফোৰণ ঘটাব... নীলাক্ষিয়ে সৰু সৰুকৈ ক'লে।

ঠক্-ঠক্-ঠক্ কোনোবাই দুৱাৰত শব্দ কৰিলে। নীনা সিং গৈ দুৱাৰ খুলি দিলে ছিনিয়ৰ ছোৱালী চাৰিজনী সোমাই আহিল গম্ভীৰভাৱে। এবাৰ চাৰিওফালে চকু ফুৰালে। —তোমালোকৰ ইয়ালৈ নতুন কোনোবা আহিছে নেকি? বৰ শকত ওখ, ছোৱালীজনীয়ে সুধিলে। দেখাত মাহী-পেহীৰ দৰে চেহেৰা তেওঁৰ।

'হয়—সৌ তেওঁ আহিছে।' নীলাক্ষিয়ে ক'লে। ভাস্বতী থিয় হ'ল। 'নিশা আঠমান বজাত হেনো গেইট ঢকিয়াই তুমি সোমাইছাহি—গুণ্ডাগিৰি কৰাৰ অভ্যাস আছে নেকি?'

ভাস্বতী মনে মনে থাকিল।

—'হোষ্টেলৰ নিয়ম নাজানা নেকি?'

—'মই সাত বজাৰ আগেয়েই...

—চুপ! মুখে মুখে তৰ্ক কৰিছা কিয়? শুনা ভাত খাই আহাৰ পাচত দহ নম্বৰ কোঠালৈ আহিবা তুমি। লগত তুমি-তুমি-তুমি আৰু তুমি।' অৰ্থাৎ নীলাক্ষি, শেৱালি, লুট্‌ফা আৰু কাখেলী, চাৰিওজনীলৈ তৰ্জনী আঙুলিৰ নিৰ্দেশ দি ছোৱালীকেইজনীয়ে দুৱাৰৰ ফালে ঘূৰোতেই ভাস্বতীয়ে ক'লে—'বাইদেউ শুনকচোন।—বাইদেউ শেৱালিক নিনিব—তাইৰ জ্বৰ।' ছোৱালীকেইজনী ৰ'ল অলপ সময়। কেঁকোৰা চুটি চুলিৰ ছোৱালীজনীয়ে ক'লে—ঠিক আছে—এওঁ নালাগে।' ভাস্বতীয়ে স্বস্তিৰে উশাহ ল'লে। নীনাই দুৱাৰ বন্ধ কৰি দিলে।

'কিয় ফাঁকি দিলা?' শেৱালিয়ে তীব্ৰ চাৱনিৰে কৰা প্ৰশ্নত ভাস্বতীয়ে তলমূৰ কৰিলে।

'মই ইহঁতক শুদাই নেৰোঁ।' শেৱালিয়ে শান্ত কিন্তু তীব্ৰ আক্ৰোশেৰে কথাষাৰ ক'লে।

'ব'লা ভাত খাওঁগে। শেৱালি, তোমাৰ কাহি-বাটিযোৰ দিয়া, মই তোমালৈ ভাত লৈ আহিম—নাখালে মই তোমাক শুবলৈও নিদিও জানিবা।'

'নীনা তোমাৰ পাল নপৰিল যে! বৰ ভাগ্যৱতী তুমি' ভাস্বতীয়ে ক'লে।

'মোৰ কথা কৈছো? প্ৰথম দিনাই মই গ'লোঁ। পাঞ্জাৱী ট্ৰাক ড্ৰাইভাৰ হৈ দেখুৱাবলৈ ক'লে। ময়ো একেবাৰে গৈ সিহঁতৰ আটাইতকৈ সৰুফুটীয়া শান্ত ছোৱালীজনীক 'আৰে সোণীআ গলে লাগ যা' বুলি টানি আনি নগুৰ-নাকটি কৰিলোঁ। দহবাৰ কাণত ধৰি উঠা-বহা কৰালে মোক' নীনাৰ কথাত হাঁহি পেলালে সকলোৱে। কিন্তু শেৱালিৰ মুখখন দেখি তৎমুহূৰ্ততে সকলো চুপ হৈ গ'ল। ডাইনিং হলত পুনৰ ঘণ্টা বাজি উঠিল। অৰ্থাৎ এইবাৰ সিহঁতৰ ভাত খোৱাৰ পাল। আটাইকেইজনী ছোৱালী লৰা-ঢপৰাকৈ কাহি-বাতি, গিলাচ লৈ দৌৰা-দৌৰিকৈ ওলাই গ'ল। নগ'ল মাথোঁ শেৱালি।

শেৱালি শূন্য কোঠাটোৰ শাৰী-শাৰী বিছনা, ট্ৰাংক, বাকচ, কিতাপবোৰৰ মাজত অকলশৰে শুই পৰিল। তাইৰ সঁচাকৈয়ে শৰীৰ ভাল লগা নাই। মূৰটো ঘূৰোৱা যেন কৰিছে—হৃৎপিণ্ডৰ স্পন্দন যেন হঠাতে বাঢ়ি গৈছে, চকু দুটাত পোৰণি উঠিছে আৰু বৰ অৱশ-অৱশ লাগিছে। ছিনিয়ৰ ছোৱালীবোৰে বেলকনিত বৈ উচ্চ স্বৰত কথা পাতিছে। কোনোবাই গাইছে—এটুকুৰা আলসুৱা মেঘ ভাহি যায়, মোৰ মনহংসই বাট হেৰুৱাই, মই আছো শাৰদীয় খিৰিকীমুখত, বুকুৰে বিচৰাজনলৈ বাট চাই..... শেৱালিয়ে বুকুখন হেঁচা মাৰি ধৰিলে হাতেৰে। সঁচাকৈয়ে তাইৰ হৃৎপিণ্ডটো বুকু ফালি ওলাই যাব খুজিছে—এই গীতটো তাইৰ ককায়েক মানসে খুব ভাল পাইছিল। সি কিয় এই গীতটো এখন বিশেষ খিৰিকীমুখত বৈ গাইছিল শেৱালিয়ে জানে। শেৱালিহঁতৰ কাষৰ ঘৰটোলৈ নতুনকৈ ভাড়াতীয়া এঘৰ আহিছিল। নগাঁৱৰ মানুহ। ব্লক ডেভেল্‌পমেণ্ট অফিচাৰ। ট্ৰেন্সফাৰ হৈ আহিছিল মাৰ্ঘেৰিটাৰ পৰা। তেওঁলোকৰ একমাত্ৰ ছোৱালী বন্তিয়ে সেইবাৰ মেট্ৰিক পাছ

কৰিছিলহে। গোলমুখৰ, মংগোলিয়ান চেহেৰাৰ থুপুকী মৰম লগা ছোৱালী। অনবৰত হাঁহি থাকে। মানসে এই গীতটো গালেই তাই বাবাগুলৈ ওলাই অহা কথাটো শেৱালিয়ে ধৰা পেলাই ককায়েকক জোকাই হাৰা-শাস্তি কৰিছিল। মানসে তাইৰ সৈতে কেতিয়াও কথাও পতা শেৱালিয়ে দেখা নাছিল। অথচ শেৱালিয়ে ককায়েকৰ মন সাগৰত উঠা প্ৰত্যেকটো সৰু-বৰ ঢৌৰ হিচাপ পাইছিল। সেয়ে তাই সুধিছিল—ক' তই তাইক ভাল পাৱনে? যদি কথাটো সঁচা, মই তোৰ হৈ যাম তাইক সুধিবলৈ।

'হেই এইজনী, মই কাকো ভাল-চাল নাপাওঁ যা' মানসে কৈছিল। কিন্তু হাইস্কুলৰ ছেকেণ্ডাৰীত চতুৰ্থ স্থান পোৱা মানসক অভিনন্দন জনাবলৈ ছোৱালীজনী মাকৰ সৈতে আহিছিল। মানসৰ সেইদিনা কি অৱস্থা! শেৱালিয়ে তাক জোকাইছিল। 'বন্তি-বাঃ কি ধুনীয়া নাম। তাই তোলৈ চুৰকৈ চাই থাকে—মই দেখিছো নহয়।' 'যা অ-এইজনী!' মানসৰ কৃত্ৰিম খং। দিল্লীলৈ যোৱাৰ আগদিনাৰ কথা। মানসে তাইক মাতি আনি ক'লে—ভণ্টি শুন, তোক নকৈ কাক ক'ম—বন্তিক কিবা এটা ক'বৰ মন গৈছে—এইখন চিঠিতে লিখি দিছোঁ—কিন্তু খবৰদাৰ, কাইলৈ মই দিল্লীলৈ বাওনা হোৱাৰ পাচতহে চিঠিখন তাইক দিবি কিন্তু....।' কথাকেইটা কওঁতে তাইৰ মৰমৰ ককায়েকটোৰ কাণ-মূৰ ৰঙা পৰি গৈছিল। 'মোক ফীজ দিব লাগিব।' গহীনাই তাই কৈছিল।

'মৰতী কি লাগিব ক'

'দিল্লীৰ পৰা এযোৰ ধুনীয়া চেলোৱাৰ-কুৰ্তা'

'যা-যা-পাবি....'

নিশা সকলো শোৱাৰ পাচত মানসে তাৰ মেণ্ডোলিনখনত বজাইছিল 'এটুকুৰা আলসুৱা......' শেৱালিয়ে কৌতূহলেৰে খিৰিকীৰে বন্তিহঁতৰ ঘৰলৈ চাইছিল। বন্তিৰ কোঠালিৰ জ্বলি থকা লাইট নুমাই গৈছিল। বন্তিহঁতৰ ঘৰৰ বাবাগুত জোনৰ পোহৰত মায়াৱী হৈ জিলিকিছিল বন্তিৰ উপস্থিতি। ককায়েকৰ মেণ্ডোলিনৰ সুৰ বন্ধ হৈ গৈছিল। শেৱালিৰ চকুত আকৌ ভাহি আহিল দৃশ্যবোৰ। পিচদিনা শেৱালিয়ে বন্তিক চিঠিখন দিছিল। তাৰ মাত্ৰ বাৰদিনৰ পিচত আহিল সেই ভয়াবহ খবৰটো। শেৱালিয়ে দেখিছিল, সিহঁতৰ পৰিয়ালৰ তিনিটা প্ৰাণীৰ দৰেই, সিহঁতৰ অনাত্মীয় এজনী ছোৱালীৰ মুখৰ পৰা যৌৱনৰ সকলো ৰং আৰু হাঁহি নোহোৱা হৈ গৈছিল। বন্তিৰ চকুযোৰ সেমেকি থাকিছিল। খোৱা-বোৱা তাই কৰিবলৈ এৰি দিছিল। দুঃচিন্তাত মাক-দেউতাকে ডাক্তৰৰ সেঁতা বোৱাইছিল ঘৰলৈ। আৰু তেনে এদিনতে শেৱালিয়ে বন্তিৰ শৰীৰৰ খবৰ ল'বলৈ গৈছিল। প্ৰথমবাৰৰ বাবে বন্তিৰ মাক-দেউতাক স্তব্ধ হৈ গৈছিল, যেতিয়া বন্তিয়ে শেৱালিক সাবটি হুক্-হুকাই কান্দি উঠিছিল। সকলোৱে কিবা এটা বুজি উঠিছিল। ইমান সংগোপনে বিযাদৰ পাৰভঙা নদীখন বন্তিয়ে বুকুত লৈ আছিল বুলি শেৱালিৰ বাহিৰে কোনেও নাজানিছিল। মাত্ৰ এমাহৰ ভিতৰতে বন্তিৰ দেউতাকে ট্ৰেন্সফাৰ লৈ শদিয়াৰ পৰা গুচি গৈছিল। কিন্তু

শেৱালিয়ে ৰত্নিৰ চকুপানীখিনিও যে বুকুত সাঁচি থৈ দিলে। ৰত্নি মানসৰ প্ৰেয়সী একমাত্ৰ মনৰ ককায়েকৰ প্ৰেয়সী, ৰত্নিৰ চকুপানীখিনি তাইৰ ককায়েক মানসৰ বাবে। মানসৰ মেণ্ডোলিন, মানসৰ কিতাপবোৰ, মানসৰ বেডমিণ্টন খেলা ৰেকেটখন, মানসৰ প্ৰত্যেকটো বস্তু শেৱালিয়ে যত্নৰে ঘৰত ৰাখি থৈছে। কিন্তু ৰত্নিৰ চকুপানী সাঁচি ৰাখিবলৈ তাইৰ হৃদয়খনৰ বাদে একোৱেই নাই। এই গীতটো শেৱালিয়ে শুনিব নোৱাৰে—কেতিয়াও নোৱাৰে। শেৱালিয়ে বেলকনিত কোনোবাই গাই থকা গীতটো কেনেকৈ বন্ধ কৰিব? তাই সজোৰে কাণ দুখন হেঁচা মাৰি ধৰি বিছনাত শুই পৰিল। তথাপিও তাই যন্ত্ৰণাত কেঁকাই উঠিল। গীতটো তাইৰ বুকুৰ ভিতৰত ঘূৰি ফুৰিছে, কাণৰ ফুটাৰে যেন এটা বিছা হৈ সোমাই আহিল গীতটো। সেই বিছাডালে তাইৰ বুকুত এৰি দিছে শুংবোৰ!

শেৱালিয়ে এইবাৰ আন বিছনাবোৰৰ পৰা গাৰুবোৰ আনি শৰীৰটো তাৰ মাজত হেঁচা মাৰি ধৰিলে। এখন জাপি থোৱা বিছনা চাদৰ আনি মেৰিয়াই ল'লে। তাইৰ অনুভৱ হ'ল সঁচাকৈয়ে তাইৰ খুব জ্বৰ উঠিছে।

(চাৰি)

শেৱালিৰ হঠাতে জ্ঞান হ'ল, তাইৰ চকু-মুখত বৰষুণ পৰিছে। মেঘাচ্ছন্ন আকাশ এখন তাইৰ চকুৰ আগত ভাহি উঠিল। ইমান পৰ অন্ধকাৰত তাই কিবা বিচাৰি ফুৰিছিল। আন্ধাৰ ৰাতিৰ আকাশখনত ওপঙি ওপঙি তাই অজান ৰাজ্যলৈ গুচি গৈছিল, মানৱক ক'ৰবাত দেখে নেকি তাই চাই ফুৰিছিল। মাতিবলৈ যত্ন কৰা সত্ত্বেও শেৱালিৰ ডিঙিত সোপা লাগি ধৰিছিল। এতিয়া তাই আহি উপস্থিত হৈছেহি মেঘাচ্ছন্ন আকাশৰ তলত। পোহৰ বাঢ়ি আহিছে। বহু দূৰৈৰ পৰা ভাহি আহিছে কোলাহল কিছুমান। বৰষুণৰ এছাৰেকণিয়ে তাইৰ চকু-মুখ তিয়াই পেলাইছে। আঃ কি সুকোমল স্পৰ্শ, চেঁচা....শান্তিৰ বাৰিধাৰা... তাই স্পষ্টকৈ শুনিছে, তাইৰ নাম ধৰি কোনোবাই মাতিছে—শেৱালি.... শেৱালি...... শেৱালি....

চকুমেলি শেৱালিয়ে একো বুজিব নোৱাৰিলে। তাইক ঘেৰি বহুমুখ.... বহুত মানুহ। মুখবোৰ স্পষ্ট হৈ আহিল, নীলাক্ষি, নীনা, ভাস্বতী, কাখেলী..... এইৰ আকৌ কি হ'ল। হঠাতে তাইৰ গাৰ ওপৰতে পৰি কাখেলীয়ে হুৰাও বাৰে কান্দিবলৈ ধৰিলে। তাইৰ শৰীৰটো জোকাৰি সুধিলে—তোৰ কি হৈছিল অ' শেৱালি, কেলেই বাৰু এনেকুৱাখন কৰিছ, কিয় অচেতন হৈ গলি তই, জ্বৰো দেখোন নাই। শেৱালিয়ে এইবাৰ স্পষ্টকৈ দেখিলে নীনা সিওঁ হাতত পানীৰ মাগ এটা লৈ আছে। তাই ৰুমাল এখন পানীত তিয়াই শেৱালিৰ মুখ-কপাল পানীৰে মচি দিলে। নীলাক্ষিয়ে কান্দি হায়ৰাণ হোৱা কাখেলীক শেৱালিৰ গাৰ পৰা তুলি আনি ধমক দিলে—চুপ-চুপ-তোৰ চিএঞৰ-বাখৰ শুনি তাই আকৌ চেন্সলেছ হৈ যাব এতিয়া। শেৱালিৰ তেতিয়াহে জ্ঞান আহিল। তেতিয়াহ'লে তাই অচেতন হৈ গৈছিল। তাই কোনো মেঘাচ্ছন্ন আকাশৰ মাজেৰে ভাহি থাকোতে বৰষুণ পোৱা নাছিল। নীনাইহে চকু-মুখত পানী চতিয়াই তাইৰ জ্ঞান ঘুৰাই অনাৰ যত্ন কৰি আছিল। কিয় এনে হ'ল। কিয় হ'ল। তাই একো বুজাব নোৱাৰি, কি কৰিব সুধিব খুজিলে। নীলাক্ষিয়ে তাইক বাধা দি ক'লে—বাচ্-বাচ্-তুমি একো নক'বা শেৱালি। অলপ শোৱা। বাৰ্ডেন আহি তোমাক চাই গৈ ডাক্তৰক খবৰ দিছে। আহিবই এতিয়া।

শেৱালিয়ে একো নকৈ নীলাক্ষিৰ মুখলৈ চাই থাকিল। দুগৰাকী ছিনিয়ৰ সোমাই আহিল কোঠাটোলৈ। 'চাওঁ, কি হৈছে—দহ নম্বৰ ৰুমলৈ যোৱাৰ ভয়ত এক্টিং চলা নাইতো'—কেকোঁৰা চুলিৰ ছোৱালীজনীয়ে ক'লে। কোনেও একো প্ৰত্যুত্তৰ নিদিলে। 'অ'—কালি ভাৱো নচা ছোৱালীজনী, কি নাম আছিল..... শেৱালি-শেৱালি। শকত গোলমুখৰ ছিনিয়ৰ ছোৱালীজনীয়ে ক'লে। ভাস্বতীয়ে প্ৰমাদ গণিলে। পৰিস্থিতি বেয়াৰ ফালে ঢাল লৈছে। নীনা, কাখেলী, নীলাক্ষিৰ মুখবোৰ দৃঢ় আৰু কঠোৰ হৈ আহিছে।

যিকোনো মুহূৰ্তত কিবা এটা ঘটি যাব পাৰে। তাই সেয়ে সন্তৰ্পণে মুখ খুলিলে—ৱাৰ্ডেন বাইদেৱে ডাক্তৰ মাতিবলৈ গ'ল—আহিব এতিয়া।

ঃ এওঁৰ হঠাতে কি হ'লনো—আগৰ পৰাই এনেকুৱা কিবা বেমাৰ আছিল নেকি? কেকোঁৰা চুলিৰ ছোৱালীজনীয়ে সুধিলে।

ঃ হিস্ট্ৰিয়া-চিচ্‌ট্ৰিয়াও হ'ব পাৰে। নহ'লে কিয় চেন্সলেছ হ'ব? গোলমুখৰ ছোৱালীজনীয়ে বিজ্ঞ চিকিৎসকৰ দৰে মন্তব্য দিলে। দুয়োগৰাকী ছিনিয়ৰে বাকী ছোৱালীৰ পৰা উত্তৰ নাপাই ক'লে—পিছে দহ বাজি গ'লেই—যাৰ যাৰ বেমাৰ হোৱা নাই, আহিবা দচ্ নম্বৰলৈ। এওঁৰ ভাল হৈ যাব। চকু মেলি আছে যেতিয়া....

—আপুনি অসমীয়া বিভাগত ভৰ্তি হ'বই নালাগিছিল। ইমান যদি বেমাৰ সম্পৰ্কত জ্ঞান আছে, ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ নাহি ডিব্ৰুগড় মেডিকেল কলেজত ভৰ্তি নহ'ল কিয়? নীনাই নম্ৰ কিন্তু দৃঢ়ভাৱেই কথাকেইটা ক'লে। কেকোঁৰা চুলিৰ ছোৱালীজনীৰ চকু দুটা জ্বলি উঠিল। —'বাঃ বৰ কথা দেখোন? ছিনিয়ৰক এনেকৈ কথা কৈছা!

ঃ নন্দিতা বাইদেউ—ছিনিয়ৰ হোৱা বাবে আপোনালোকক যদি পদে পদে স্বীকৃতি, সন্মান লাগে তেন্তে আপোনালোকেও যোগ্যতা অৰ্জন কৰক। ৰেগিং কৰিছে আমি বেয়া পোৱা নাই। যোৱা বাৰদিন আমি আপোনালোকৰ ইচ্ছামতে খাইছো-বহিছো-শুইছো, কিবা প্ৰতিবাদ কৰিছো জানো? কিন্তু এতিয়া ভাবিছো, আপোনালোক সঁচাকৈয়ে অভদ্ৰ। নতুনকৈ অহা ছোৱালী এজনীৰ এই অৱস্থা দেখিও আপোনালোকে স্ফূৰ্তি-তামাচাৰ কথাহে ভাবি আছে। অন্য বহুত ছোৱালী নতুনকৈ আহিছে। আজি বেলেগ ৰুমৰ পৰা লৈ যাওক। এই কোঠাৰ কোনো ছোৱালী আজি নাযায়।

নীলাক্ষিয়ে শান্তভাৱেই কথাবোৰ ক'লে যদিও, কেকোঁৰাচুলীয়া নন্দিতা নামৰ ছিনিয়ৰগৰাকী ফেঁটী সাপৰ দৰে ফোচ্ কৰি উঠিল। 'নীলাক্ষি—তোমাৰ বাহাদুৰি আমি এইকেইদিন দেখি আছোঁ। এই মুহূৰ্তত তোমাৰ কথা মই সকলো ছিনিয়ৰক ক'মগে—তুমি আমাক অভদ্ৰ বুলি ক'লা, —কাৰো ইমান সাহস হোৱা নাছিল। —ব'ল চাবেৰা, ইহঁতক এসেকা দিব লাগিব। চাবেৰা আৰু নন্দিতা ফোঁ-ফোৱাই কোঠাটোৰ পৰা ওলাই যোৱাৰ লগে লগে ৱাৰ্ডেন আৰু ওখ, বগা, চশমা পিন্ধা ডাক্তৰ এজন হাতত বেগ লৈ সোমাই আহিল।

শেৱালিক নানা প্ৰশ্ন সুধি সুধি ডাক্তৰে ষ্টেথিচ্‌স্কোপ বুকুত থৈ কিবা ভাবিলে। মাজে মাজে সৰু গুণ-গুণনিৰ বাহিৰে কোঠাটো নিস্তব্ধই আছিল। ডাক্তৰে প্ৰেছক্ৰিপশ্যনত খচ্-খচ্‌কৈ কিবা-কিবি লেখি ৱাৰ্ডেনৰ ফালে চাই ক'লে—মই একো অসুখ পোৱা নাই। এনি ৱে—এটা ই চি জি কৰিবলৈ দিছোঁ। —এওঁ কিবা ভয় খাইছিল নেকি—নহ'লে খুব এক্সাইটমেণ্ট কিবা কথাত আহিছিল নেকি—মানে পাল্‌পিটিশ্যন ইৰেগুলাৰ পাইছোঁ। ....ৱাৰ্ডেনে ডাক্তৰৰ কথা শুনি ছোৱালীবোৰৰ মুখলৈ চালে। ছোৱালীবোৰে ইজনীয়ে-

ছিজনীৰ মুখলৈ চোৱা-চুই কৰিলে। নিস্তব্ধ কেইটামান মুহূৰ্ত পাৰ হৈ গ'ল। ভাস্বতীয়ে মুখ খুলিলে প্ৰথম। 'মানে.... শেৱালি আজি অলপ অস্থিৰ হৈছিল। তাইৰ বৰ মৰমৰ ককায়েকজন ঢুকাল.... সেই কথা লৈ...।

ঃ ককায়েক ঢুকাল? মোক কোৱা নাই কিয়? ৱাৰ্ডেনে ভাস্বতীৰ মুখৰ কথা শেষ হ'বলৈ নিদিয়াকৈয়ে প্ৰশ্ন কৰিলে।

ঃ নহয়—মানে ককায়েক ঢুকুওৱা তিনিবছৰ হৈ গ'ল....

ঃ অ'—তাকে কোৱা। কিন্তু তিনিবছৰৰ পুৰণি কথা লৈ আহি কিয় অস্থিৰ হ'ব! ৱাৰ্ডেনৰ বিতত প্ৰশ্ন।

ঃ মৰমৰ মানুহ এজন নাইকিয়া হৈ যোৱা কথাটো পুৰণি হ'ব নোৱাৰে বাইদেউ। আপোনাৰ, মোৰ বা আমাৰ বাবে এনেকুৱা ঘটনাৰ গুৰুত্ব পুৰণি হৈ যাব পাৰে, কিন্তু শেৱালিৰ বাবে, তাইৰ মাক-দেউতাকৰ বাবে সেই ল'ৰাটোৰ মৃত্যুৰ যন্ত্ৰণা দিনে দিনে নতুন হৈ বাঢ়ি থাকিব। আপুনি বা মই এই যন্ত্ৰণা বুজি নাপাওঁ..... ভাস্বতীৰ মাতটো কথাখিনি কওঁতে থোকা-থুকি হৈ ওলাল।

ঃ কি নাম তোমাৰ? ডাক্তৰে সুধিলে।

ঃ ভাস্বতী।

ঃ শুনা ভাস্বতী, ৱাৰ্ডেন বাইদেউৰ প্ৰশ্নটো ময়ো কৰিব খোজোঁ। আজি শেৱালিৰ ককায়েকৰ মৃত্যু তিথি নেকি বাৰু?

ঃ প্ৰত্যেক দিনেই মানসৰ আমি মৃত্যুতিথি পাতো ডাক্তৰ দা.... শেৱালিয়ে এইবাৰ সেঁহাই-সেঁহাই ক'লে।

ঃ তুমি কথা নাপাতিবা, ঔষধ দিছো, সুস্থ হোৱা প্ৰথম, তাৰ পাচত তোমাৰ সৈতে মই দীঘলীয়া কথা পাতিম, হ'ব?

ঃ কিন্তু আজি হঠাতে কিয় শেৱালি ককায়েকৰ বাবে এনেকুৱা হ'ল? —ৱাৰ্ডেনে প্ৰশ্নটো এৰি নিদিলে।

ঃ এতিয়া সেইবোৰ কথা নাপাতিবা শুনা তোমালোকে কম পোহৰৰ লাইট এটা জ্বলাই ৰাখা। তেওঁৰ ভাল টোপনি অহা দৰকাৰ—আপুনি মোৰ সৈতে কাৰোবাক পঠাই দিয়ক, ঔষধ মই ফাৰ্মাচীৰ পৰা পঠাই দিওঁগৈ।

লুটফাই পঞ্চাশ টকা এখন হাতৰ মুঠিত লৈ ৱাৰ্ডেনৰ হাতত গুজি দি ক'লে—বাইদেউ ডাক্তৰক ফীজ দিব। ৱাৰ্ডেন আৰু ডাক্তৰ কোঠালিৰ পৰা ওলাই যোৱাৰ পিচত কোঠাটোৰ সেউজীয়া পৰ্দাবোৰ টানি, মাত্ৰ শেৱালিৰ বিছনা কাষৰ খিৰিকীখন খুলি বাকী দুৱাৰ-খিৰিকী বন্ধ কৰি দিয়া হ'ল। কাখেলীয়ে ট্ৰাংকৰ ওপৰত চকী এখন তুলিলে। তাৰ পাচতে তাই বহী এখনৰ পৰা কাগছ ফালি চিঞৰিলে—আঠা আছে, আঠা—দেছোন।

ঃ কি কৰ এইটোৰে নীলাক্ষিয়ে আঠাৰ টিউব এটা আগবঢ়াই দি সুধিলে।

ঃ দেখ বহো-দেখ বহো —ট-ট-কৈ টিউব লাইটকেইটা জ্বলি আছে দেখা নাই। মই ডীম লাইটৰ ব্যৱস্থা কৰিছোঁ। সকলোৱে কাখেলীৰ কাণ্ড-কাৰখানা চাই থাকিল। তাই প্ৰকাণ্ড ক'লা-কিচ্-কিচিয়া, পোন চুলিকোছা খোপা এটা কৰি বান্ধি ল'লে। তাৰ পাচত কাগজত আঠা লগাই এটা সৰু চুঙা কৰি ক'লে—মই চকীৰ ওপৰত উঠিম—ধইৰি, নহ'লে তইঁতৰে বিপদ হ'ব আতিখন। দুখৰ মাজতো কাখেলীৰ কথাই আমোদ দিলে। কাখেলীয়ে অসমীয়া ক'লে 'ৰ' নুফুটে। কাখেলীৰ মুখত অসমীয়া ভাষাটো নতুনকৈ কথাফুটা দুবছৰীয়া শিশুৰ অমিয়া মাতৰ দৰে লাগে। এজনী নহয়, প্ৰায় ছয়-সাতজনী ছোৱালী আগবাঢ়ি আহিল একেলগে। ভাস্বতীও আগবাঢ়ি গ'ল। কাখেলীয়ে ৰঙা মেখেলা এখন পিন্ধি আছে। তাই সাৱধানে নুমাই থোৱা লাইট এটাৰ বাল্বটোত কাগজৰ চুঙাটো ভৰাই লগাই দি ক'লে—ইয়াৰ ছুইচটো দে। টিউব লাইট বন্ধ কৰ। কাখেলীৰ হুকুম মতেই সকলো হ'ল। কিন্তু তৎমুহূৰ্ততে ভাস্বতী স্তব্ধ হৈ গ'ল। কাখেলীৰ বান্ধি থোৱা খোপাটো খোল খাই জলপ্ৰপাতৰ দৰে চুলিখিনি বৈ পৰিল তপিনালৈকে। মূৰৰ ওপৰত তাইৰ স্তিমিত পোহৰৰ লাইটটো। পূব আকাশত ঢলফাত দিয়াৰ দৰে সুগোল তাইৰ কমলা বৰণীয়া মুখ,.... ৰঙাবোৰ বিচ্ছুৰিত হৈ এডাল পাহাৰীয়া লতা এই পৰো পৰো হৈ চিঞৰিলে—এই ধইৰি দেই মই জাঁপ দিম.... ধপ্‌কৈ কাখেলী জাঁপমাৰি পৰিল। একমুহূৰ্তৰ এই দৃশ্য। ভাস্বতীৰ এই অপৰূপ দৃশ্য বৰ্ণনা কৰিবলৈ মন গ'ল। কিন্তু তৎমুহূৰ্ততে সংকোচে তাইক আৱৰি ধৰিলে। নাৰীয়ে নাৰীৰ ৰূপৰ প্ৰশংসা কৰে জানো? এজন পুৰুষে এই মুহূৰ্তত কাখেলীক দেখা হ'লে হয়তো মূৰ্চ্ছা গ'লহেঁতেন। ভাস্বতীয়ে মন কৰিলে, ভাস্বতীৰ বাহিৰে কোনেও কাখেলীৰ এই ৰূপ নেদেখিলে। দেখাৰ কথাই নহয়। তেনেহ'লে ভাস্বতীৰ মাজত এযোৰ পুৰুষৰ চকুও আছে নেকি? হয়তো আছে। তথাপিও তাই কাখেলীক প্ৰশংসা কৰি ক'লে—কাখেলী তুমি চকীৰ ওপৰত উঠি থাকোতে, লাইটৰ পোহৰত ধুনীয়া দেখিছিলা।

—বাঃ হয় নেকি? আকৌ উঠোঁগৈনে? কাখেলীৰ কথাত সকলোৱে গিৰ্জনী মাৰি হাঁহিলে। শেৱালিৰ ওঁঠতো জান-নাজানকৈ ফুটি উঠিল হাঁহিৰ ৰেখা। এনেতে সিহঁতে এটা হুলস্থূল শুনিলে। তিনিমহলাৰ ওপৰৰ পৰা চিএৱৰ-বাখৰ কৰি কোনোবা দপ্ দপাই চিৰিৰে নামি আহিছে। প্ৰথমতে কি শব্দ হৈছে কোনেও ধৰিব নোৱাৰিলে। কিন্তু বন্ধ দুৱাৰখন খুলি শব্দৰ উৎস বিচাৰিব খোজোতেই প্ৰকাণ্ড অট্টালিকাৰ বাৰাণ্ডাৰ সিমূৰত কোনোবাই চিঞৰি উঠিল—মই নাথাকো বুলিছো ইয়াত নাথাকো—ইয়াত ভূত আছে—সঁচাকৈ ভূত আছে—মোক এৰি দে, মই ঘৰলৈ যামগৈ..... ভূত বিশ্বাস কৰা নকৰা পিচৰ কথা। কিন্তু নিশা দহবজাৰ নিৰ্জন এই বিশাল গাৰ্লছ হোষ্টেলৰ প্ৰত্যেক বাসিন্দাৰ একমুহূৰ্তৰ বাবে গাৰ নোম শিয়ঁৰি উঠিল এই চিএৱৰত।

(পাঁচ)

নিমিযতে পৰিৱেশটো কাঁহ পৰি জীন গ'ল। নীলাক্ষিয়ে ক'লে—ব'লাচোন চাওঁ কোনে চিঞৰিলে....., কথাটো ক'বলৈহে পালে কাখেলীয়ে জাঁপ মাৰি আহি তাইৰ মুখত সোপা দি ক'লে—'ঐ, ফৰ গড্‌ছেক্, মনে মনে থাক। এই মাত্ৰ কথা ক'লেই যেন অজান ভূতটোৱে সিহঁতৰ সন্ধান পাই যাব, ঠিক তেনেকুৱা ভংগীত কাখেলীয়ে এহাতেৰে নীলাক্ষিৰ মুখত সোপা দি আনবোৰক ওঁঠত আঙুলি দি মনে মনে থাকিবলৈ নিৰ্দেশ দিলে।' এই নিস্তব্ধতাৰ মাজতে ধপ্‌কৈ শব্দ কৰি কিবা এটা লুট্‌ফাৰ কাষতে পৰিল। আটাইবোৰ গুৰুলাপাতি প্ৰায় সাবটা-সাবটি কৰি বহি আছিল। শব্দটো শুনিয়েই, 'আঐ, মৰিলো' বুলি গগণবিদাৰি লুট্‌ফাই চিঞৰ ধৰিলে। ভয়তে কোনেও পিচলৈ ঘূৰি নাচাই শব্দটো ক'ৰ পৰা আহিল। ভাস্বতীৰ খং উঠি আহিল। তাই থিয় হৈ লুট্‌ফাক জোকাৰি ক'লে—পিচলৈ চোৱাচোন এবাৰ, এইটো বেগ নহয়নে? গজালত ওলোমাই থোৱা আছে ওপৰা-ওপৰিকৈ তিনি-চাৰিটা ক্লাছলৈ নিয়া বেগ। এটা ওপৰৰ পৰা সৰি পৰিল। এইটোৱে ভূত।' 'সেই....ইটো মোৰ বেগ।' নীনাই সেপঢুকি কোনোমতে ক'লে। এইবাৰ নীলাক্ষি উঠি আহিল, ভাস্বতীৰ হাতৰ পৰা বেগটো লৈ নীনাক দি ক'লে—'হোঁ বেগত ভূত আছে নেকি চাই ল। অলপ ধতুৰাবোৰ ক'ৰবাৰ। তহঁত ঘৰৰ পৰা অকলে ওলাই আহিলি কেনেকৈ? —ভাস্বতী, যাবা নেকি, ক'ত ভূতৰ চিঞৰ শুনিলো চাই আহোঁগৈ ব'লা।' ভাস্বতী তৎক্ষণাৎ যাবলৈ সাজু হ'ল। বাকী ছোৱালীবোৰে কথাটো বৰ ভাল নাপালে। কাখেলীয়ে কওঁ-নকওঁকৈ ক'লে—এজনী থাকি যা...

—কিয় তহঁতক ৰখিবলৈ? নীলাক্ষিয়ে উষ্মাৰে ক'লে। ইয়াৰ পিচত কোনেও মাত মাতিবলৈ সাহস নকৰিলে। নীলাক্ষি আৰু ভাস্বতী কোঠাৰ বাহিৰলৈ ওলাই গ'ল।

ৱাৰ্ডেন, চকীদাৰ সকলোৱে মিলি প্ৰথম মহলাৰ লবীত ছোৱালীজনীক-শান্ত কৰিবলৈ চেষ্টা কৰি আছে। ছোৱালীজনীক ঘেৰি দহ-বাৰজনী ছিনিয়ৰ-জুনিয়ৰ ছোৱালী। তাইক সাবটি ধৰি আছে অন্য এজনী ওখ চশমা পৰিহিতা ছোৱালীয়ে। বোধহয় ৰুম-মেট। চিঞৰি থকা ছোৱালীজনীয়ে সাবটি থকা ছোৱালীজনীক বাৰে বাৰে কৈছে 'নমিতা, ৱাৰ্ডেন বাইদেউক যোৱা কেইদিনত হোৱা ঘটনাবোৰৰ কথা ক'—'বাইদেউ, আপোনালোকে অবিশ্বাস কৰিব, কিন্তু মই নাথাকো, কাইলৈকে যামগৈ।'

—চুপ্ কৰা বুলিছো নহয়। এই হোষ্টেলত প্ৰতিবছৰে অতবোৰ ছোৱালী আহে, কি ঘটনা শুনিছা? বাকী ছোৱালীবোৰে তোমাৰ চিঞৰ শুনি ভয় নাখাবনে? ছাঁটোকে বাঘটো দেখা তোমাৰ দৰে ছোৱালী আহিবই নালাগে। ইমান মিছা কথা কৈ, এই ৰাতিখন হুলস্থূল কৰি সকলোকে ভয় খুৱালা। মই আপত্তি নকৰোঁ, কাইলৈ যাবাগৈ তুমি।' ৱাৰ্ডেনে খঙতে একে উশাহেই কথাকেইটা ক'লে। নমিতা অলপ এইবাৰ আগবাঢ়ি আহিল। তাই ৱাৰ্ডেনক

একাষে মাতি নিলে। ভাস্বতী আৰু নীলাক্ষি বৈ থকা বাৰাণ্ডাৰ কোণটোৰ ফালে। নমিতাই শান্তভাৱে ক'লে—বাইদেউ, আপুনি বিশ্বাস কৰা নকৰা পিচৰ কথা। জবাই কোৱা কথাবোৰ একেবাৰে মিছা নহয়। মই কোনো ভুত-প্ৰেতৰ কথা বিশ্বাস নকৰোঁ। আপুনি দেখিছেই হোষ্টেলত প্ৰথম ছিট ময়েই পাইছিলো। দুনিশা অকলে এটা ৰুমত শোৱাৰ পাচত মোৰ কাষৰ বিছনালৈ এজনী ছোৱালী আহিল। ভয় কৰা হ'লে, অকলে জানো দুনিশা; মোৰ বাবে একেবাৰে নতুন, হোষ্টেলৰ কোঠালিত থাকোঁ। আমাৰ তিনিজনী ছোৱালী থাকিব পৰা এই ৰুমটো আৰু কৰিড'ৰৰ ইটো পাৰৰ ৰুম দুটাৰ মাজত এটাই বাথৰুম। বাথৰুমটো লৈ আমাৰ একো আপত্তি নাই। বগা টাইলছৰ চক্-চকীয়া, ইমান ডাঙৰ বাথৰুম গোটেই হোষ্টেলটোতে কমেই আছে নিশ্চয়। কিন্তু তথাপিও এই বাথৰুমলৈ বাকী দুটা ৰুমৰ ছোৱালী নাযায়। কিয় নাযায় সুধিবচোন? মোক এগৰাকী ছিনিয়ৰেও কৈছিল, তেওঁলোকেও এই বাথৰুমটো পৰাপক্ষত পৰিহাৰ কৰি চলিছিল।

—চোৱা নমিতা, কুহেলিকা নাসাজিবা। মোক স্পষ্টকৈ কোৱা তুমি কি দেখিলা? —ৱাৰ্ডেনে চকু আৰু চেলাউৰি থুপাই পোনপটীয়াকৈ নমিতাক প্ৰশ্ন কৰিলে।

—মই একো দেখা নাই। কিন্তু কিছুমান আশ্চৰ্য অনুভৱ মোৰ হৈছে। ধৰক, প্ৰথম মই কোঠাত অকলে থকা নিশা। বাথৰুমত হুৰ্-হুৰাই কোনোবাই পানী ঢালিছে। শ্বাৱাৰৰ পৰা পানী পৰা শব্দ। বাল্টিৰ শব্দ। ঘড়ীলৈ চালো, নিশা এঘাৰ বাজিছে। ইমান নিশা কোনে গা ধুব পাৰে! কৌতূহল হৈছিল যদিও ভাবিলো, বোধহয় কোনোবাই নিশা গা ধুইছে কিবা কাৰণত। মই টোপনি যাবলৈ চেষ্টা কৰিলোঁ। দহমিনিটমান গ'ল, টোপনি নাহিল। ইতিমধ্যে গা-ধোৱা শব্দ নাইকিয়া হ'ল। বাথৰুমৰ দুৱাৰ খুলি আকৌ বন্ধ কৰাৰ শব্দ শুনিলোঁ। মই ভাবিলো, বাথৰুমলৈ গৈ আহোঁ। বাথৰুমলৈ গৈ আহিলে টোপনি যাব। গ'লো বাথৰুমলৈ। কিন্তু কি দেখিলো জানেনে? বাথৰুম শুকান। ক'তো এফোটা পানীৰ চিটিকনি নাই। এয়া হ'ব পাৰেনে? দহমিনিটত পানীৰ বাথৰুমটো শুকাই যাব পাৰেনে? শ্বাৱাৰলৈ চালো, শ্বাৱাৰৰ ফুটাবোৰ শুকান। বাল্টি শুকান। কেৱল আধামাগ পানী বেচিনৰ টেপৰ কাষত আছে। আনকি বাথৰুমৰ দুৱাৰদলিত থকা বস্তাখন; মই আবেলি পাৰি দিছিলোঁ। নতুন বস্তা। তাত তিতি থকা ভৰিৰ তলুৱাৰ সাঁচো নাই। ইয়াৰ উত্তৰ মই নাপালোঁ। মনত অজস্ৰ প্ৰশ্ন লৈ মই তাৰ পিছদিনা নিশাও পাৰ কৰিলোঁ। নতুন ছোৱালী আৰু এজনী আহিল, মন্দাকিনী। তাই দুদিন মোক সুধিছে, নিশা এঘাৰ বজাৰ পাচত কোনে গা ধোৱে? মই কওঁ, 'কোনোবাই ধোৱে।' তাই অৱশ্যে চাৰে দহ বজাৰ পিচত শুই যায়। জবা আহিল। প্ৰথম দিনা তায়ো সুধিলে নিশা কোনে গা ধোৱে? মই মন্দাকিনীক কোৱাৰ দৰেই ক'লোঁ। লগতে ক'লোঁ, নিশা কাৰোবাৰ বাথৰুমলৈ যাব লগা হ'লেই যাতে, কোনোবা এজনীক লগত লৈ যায়। সেইমতে নিশা বাৰ বজাতো জবা এবাৰ মোক লগত লৈ বাথৰুমলৈ গৈছে। কিন্তু আজি ইমান সোনকালে ঘটনাটো হ'ব বুলি ভবা নাছিলোঁ। আমি শুব খুজিছিলো, জবাই ক'লে, বাথৰুমৰ পৰা আহোঁ। দহ

বাজিছেহে, গতিকে ময়ো একো নাভাবিলোঁ। জবা বাথৰুমলৈ গৈ উভতি আহিল। বাথৰুমত কোনোবা আছে। বাল্টিৰে পানী ঢালিছে, ফ্লাচৰ চেইন টনাৰ শব্দ হৈছে। অলপ পৰৰ পাচত জবাই বাথৰুমৰ বন্ধ দুৱাৰখন নক্ কৰি সুধিলে—কোন আছে বাথৰুমত?

পানীৰ শব্দ নাইকিয়া হ'ল। হঠাৎ জবাই মন কৰিলে দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰা হোৱা নাই। বাহিৰৰ খিলি লগোৱা আছে। তাই বাহিৰৰ হুক্ খুলি চিঞৰি দিলে, ক'তো এটোপাল পানীৰ চিহ্ন নাই। শুকান সকলো। অথচ, তাই দুৱাৰৰ বাহিৰৰ পৰা স্পষ্ট শুনিছে, ফ্লাচৰ চেইন টনাৰ শব্দ, বাল্টিৰে পানী ঢলাৰ শব্দ। জবা দৌৰি আহি প্ৰথমে ভয়ত বিছনাত বাগৰি পৰিলহি। তাৰ পাচত 'ইয়াত নাথাকো' বুলি দৌৰি ওলাই আহিল। বাইদেউ, মই একবিন্দু মিছা কথা কোৱা নাই। কিন্তু এই শব্দৰ ৰহস্যই মোক স্তম্ভিত কৰিছে। ভূতৰ কথা ক'লে, মোৰ ৰুমমেট মন্দাকিনীয়ে ভয় কৰিব, হুলস্থূল হ'ব, লগতে মই নিজেও হাঁহিয়াতৰ পাত্ৰী হ'ম—যিটো আজি জবাৰ ক্ষেত্ৰত হৈছে। সেইবাবেই মই একো নোকোৱাকৈ ইয়াত দুসপ্তাহ পাৰ কৰিলোঁ। লাহে লাহে সহজ হৈ গৈছে এই শব্দ। মই কথাখিনি এইবাবেহে ক'লো, যাতে জবাই সম্পূৰ্ণ মিছা কথা কৈছেবুলি আপুনি নাভাবে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ষ্টুডেন্টবোৰে ষ্ট্ৰাইক কৰি পৰীক্ষা পিছুৱাই গৈ আছে। তিনিবছৰ আগতে সোমোৱা ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও ফাইনেল পৰীক্ষা দিয়া নাই। জবাৰ দেউতাক শিক্ষক, অহা বছৰ ৰিটায়াৰ হ'ব। এনেস্থলত তাই গুৱাহাটীত ইক'নমিক্সত এড্‌মিশ্যন ল'বলৈ দুবছৰ অপেক্ষা কৰিব নোৱাৰে। তাইক আমি সকলোৱে বুজাই ভূতৰ ভয় ভাঙি, ৰাখিবহে লাগিব। মই আপোনাক অনুৰোধ কৰিছো বাইদেউ, জবালৈ বেলেগ ৰুমৰ ব্যৱস্থা কৰি দিবনে?' ভাস্বতী আৰু নীলাক্ষিয়েও নমিতাই কোৱা কথাবোৰ শুনি অলপ কাষ চাপি আহিল ৱাৰ্ডেনৰ কাষলৈ। ভাস্বতীয়েও হঠাতে ক'লে—বাইদেউ, কিবা এটা ঘটিছে। কথাবোৰ একেবাৰে মিছা নহ'বও পাৰে।

—তাৰ মানে তোমালোকে কোৱাৰ দৰে বাথৰুমত ভূত আছে?

—নহয় বাইদেউ, ভূত দেখা নাই, কিন্তু কিবা ধাৰণা এটা হৈছে, ভাস্বতীয়ে ৱাৰ্ডেনক কথাটো কেনেকৈ বুজাব ভাবি নাপালে।

—চোৱা, জবাৰ বাবে বেলেগ ৰুম এটা মই চাম—কিন্তু এতিয়াই দিব পাৰিমনে নাই কথা দিব নোৱাৰোঁ। আৰু শুনা, ভূতৰ আজগুবি গল্প বিশ্বাস কৰিবলৈ মই তোমালোকৰ দৰে অপৰিপক্ক মনৰ মানুহ নহয়। এই বাথৰুমৰ ভূতৰ প্ৰসংগ হোষ্টেলত যাতে আলোচনা নহয়। গ্ৰেজুৱেশ্বন লোৱা শিক্ষিতা ছোৱালী তোমালোক, ভূত বিশ্বাস কৰা! আজিৰ যুগত! ছিঃ লাজ লাগিছে মোৰ। তোমালোকৰ দৰে ছোৱালী মহাকাশত বিচৰণ কৰিছে আৰু শিক্ষা-দীক্ষা লৈ, অশিক্ষিত অন্ধকাৰ যুগৰ মাইকী মানুহৰ দৰে তোমালোকে ভূতৰ বিচাৰ কৰিছা!'

ৱাৰ্ডেনে সুবিধা পালেই এযাৰত দুযাৰ টান কথা কৈ ভাল পায় বুলি ভাস্বতীয়ে ইতিমধ্যে বুজি উঠিছে। কথাই প্ৰতি তেওঁ নিজে কিমান শুদ্ধ তাক ছোৱালীবোৰৰ আগত প্ৰতিপন্ন কৰিবলৈ অহৰহ চেষ্টা চলাই থাকে। নমিতা আৰু নীলাক্ষিৰ ৱাৰ্ডেনৰ ককৰ্থনাত

মুখৰ মাত বন্ধ হৈ গৈছিল। ভাস্বতীয়ে মন কৰিলে ৱাৰ্ডেনৰ মুখৰ প্ৰসন্নতা। কথাৰে জব্দ কৰিবলৈ পাই তেওঁ সুখী। ভাস্বতীয়ে তৎক্ষণাৎ কৈ উঠিল—বাইদেউ, আপোনাৰ কোঠাত অথনি থাপনা এখন দেখিলো, কৃষ্ণ, শিৱ আদিৰ ফটোও দেখিলোঁ। আপুনি ঈশ্বৰক মানে তাৰমানে?

—ঈশ্বৰক নামানিম কিয়?

—ঈশ্বৰক যি বিশ্বাস কৰে, তেওঁ ভূতকো বিশ্বাস কৰিব লাগিব। ভাস্বতীয়ে দৃঢ়তাৰে ক'লে।

—কি! পাগল নেকি তুমি! ঈশ্বৰ আৰু ভূত একে নেকি?

—অ' একে। ঈশ্বৰক আপুনি দেখা নাই অথচ, অস্তিত্ব মানি লৈছে। ভগৱান আৰু ভূত একে। ভগৱান যদি আছে, ভূতো আছে, ভূত যদি নাই, ভগৱানো নাই। একেধৰণৰ দুটা অদৃশ্য অস্তিত্বৰ এটাক মানি, এটাক নামানিব; সেইটো কেনেকৈ সম্ভৱ!

—শ্বাটআপ্! ভাস্বতী তোমাক মই ৱাৰ্ণিং দিছোঁ। মোৰ সৈতে তুমি তৰ্ক কৰিবলৈ নাহিবা। নিজকে কি বুলি ভাবিছা? অসভ্যালিৰ ঠাই নাপালা! ৱাৰ্ডেন খঙত ফোঁপাই উঠিল। তেওঁ দুপ্-দাপকৈ খোজ দি চিৰিৰে নামি গ'ল। যাওঁতে কৈ গ'ল, 'ভূতৰ ভয়ত কোন ঘৰলৈ যায় যাওকগৈ, মই ৰুম বেলেগে দিব নোৱাৰোঁ।' জবা ইতিমধ্যে শান্ত হৈ পৰিছিল। ৱাৰ্ডেনে উৰুৱাই থৈ যোৱা খঙৰ বতাহ ছাটিয়ে আটাইকেইজনীক স্পৰ্শ কৰি গ'ল। সকলো একে ঠাইতে নিমাতে থিয় দি থাকিল। এনেতে তলৰ মহলৰ পৰা ৱাৰ্ডেনৰ চিঞৰৰ এটা ভাহি আহিল—'আঐ মৰিলোঁ।'

—ৱাৰ্ডেনকো ভূতে ধৰিলে! নীলাক্ষিয়ে চিঞৰি উঠিল। দুপ্-দুপাই আটাইবোৰ ছোৱালী চিৰিৰে তললৈ দৌৰি নামি গৈ দেখিলে, ৱাৰ্ডেন মাটিৰ পৰা উঠিবলৈ যত্ন কৰিছে। বাৰাণ্ডাত পলিথিনৰ স্বচ্ছ, ফটা পেকেট এটা পৰি আছিল। খঙত খৰখোজ দি যাওঁতে ৱাৰ্ডেন পেকেটটোতে ভৰি দিলে। ভৰি পিছলি পৰি থেকেচা খালে। সকলোৱে 'ইস্-আস্', 'দুখ পালে নেকি' বুলি ৱাৰ্ডেনক তুলিলে। তেওঁ খঙত চিঞৰি উঠিল 'ডালমুট খোৱা, চিপ্‌ছ খোৱা, পেকেট পেলাবলৈ ডাষ্টবিনবোৰ নাই নেকি হোষ্টেলত?' এইবাৰ কোনেও ৱাৰ্ডেনৰ খঙত সঁহাৰি নিদিলে। 'হ'ব-ধৰিব নালাগে' বুলি ৱাৰ্ডেন গুচি গ'ল নিজৰ ৰুমলৈ। যাওঁতে অলপ বাওঁ ভৰিটো লেঙুৰিয়াই গ'ল। ভাস্বতীয়ে ক'লে গুজুককৈ— 'ভূত বিশ্বাস নকৰা বাবে, ভূতে পেলাই দিলে একেবাৰে।' আটাইবোৰ চেপা কণ্ঠেৰে খুক্-খুকাই হাঁহিলে। সিহঁত চিৰিৰে নিজৰ কোঠালিলৈ গ'ল। নমিতাই ভাস্বতীলৈ চাই ক'লে— তোমাক বৰ ভাল লাগিল। নতুনকৈ আহিছা?

—এক্কেবাৰে লেটেষ্ট মডেল—আহিয়ে বজাৰ গৰম কৰি দিছে। ৱাৰ্ডেনৰ সৈতেই তিনিটামান এক্সিডেণ্ট হ'ল। কামাল কা চীজ.... নীলাক্ষিয়ে নিজৰ ষ্টাইলত কথাবোৰ ক'লে।

—এনি ৱে, মই নমিতা, মাজুলীৰ কমলাবাৰীত ঘৰ। ভাস্বতীয়েও নিজৰ পৰিচয়

দিলে। লগতে ক'লে 'কিবা অসুবিধাত পৰিলেই ক'বা, অন্ততঃ মই আৰু নীলাক্ষি আহিম দোভাগ ৰাতি হ'লেও। নমিতাই ক'লে—থেংকিউ। তাৰ পাচত জৰাক হাতত ধৰি তিনিতলাৰ চিৰিৰে উঠি গ'ল। 'নমিতাৰ বৰ দীঘল বেণী। ধুনীয়া চুলি।' ভাস্বতীয়ে ক'লে। চিৰিৰে যাওঁতে, নমিতাৰ সোলোক-চোলোক বেণীডাল সাপৰ দৰে পিঠিত নানা ভাঁজ কৰি টৌ খেলি গৈ থাকিল। 'তুমি ছোৱালীবোৰৰ সৌন্দৰ্যও চোৱা। অথনি কাথেলীৰো ৰূপৰ প্ৰশংসা কৰিলা। মই কিন্তু ল'ৰা চাওঁ। এই কেইদিনতে মই মোৰ ক্লাছৰ কোনটো ল'ৰা পুৰণা অৰেঞ্জ স্কোৱাছৰ বটল, কোনটো ভলীবল, কোনটোক পিং পং বলৰ দৰে নচুৱাব পাৰি কৈ দিব পাৰোঁ। এইখন ইউনিভাৰ্চিটিত দেখোন চাবলৈ মনযোৱা ল'ৰা এটাও নাই—মিছাকে আহিলোঁ। নীলাক্ষিৰ কথা শুনি ভাস্বতী হাঁহিত ফাটি পৰিল। 'তুমি ইংৰাজীত প্ৰথমশ্ৰেণীলৈ পঢ়িবলৈ আহিছা, যেনেকৈ কথা কৈছা যেন, পঢ়িবলৈ নহয়, ল'ৰা চাবলৈহে আহিলা।'

—এনেয়ে স্ফূৰ্তি আৰু ভাস্বতী। প্ৰেম-তেম মই জীৱনত কৰিব নোৱাৰোঁ। কিবা হাঁহি উঠি যায়। প্ৰেমত পৰা ল'ৰাক মোৰ বুৰ্বক যেন লাগে। গতিকে এনেকৈ চাই স্ফূৰ্তি কৰোঁ।

—কিন্তু নীলাক্ষি তুমি বেছ ধুনীয়া ছোৱালী। তোমাৰ এই চেহেৰাৰে তুমি কলেজত শান্তিৰে থাকিব পাৰিছিলানে?

—সেইবাবেইতো বিপদ ভাস্বতী। মোক দেখাৰ পিচত সব ল'ৰাকে প্ৰেমত পৰিবলৈ লাগে। সিহঁতৰ কত যে বাহানা! ল'ৰাবোৰৰ এই কাণ্ডবোৰ দেখি মই enjoy কৰোঁ, সেইবাবেতো সিহঁতক বুৰ্বক যেন লাগে। মই কিজানি ভৱিষ্যতে মোৰ স্বামীকো ভাল পাব নোৱাৰিম।

—কিয়?

—ক'ব নোৱাৰোঁ—মই জানো, মোক দেখাৰ পিচত বিয়া নাকচ কৰা পুৰুষ নোলাবই। সেইবাবে মই বৰ অশান্তিত ভুগিম। প্ৰত্যেক ছোৱালীয়ে এই বয়সত এজন পুৰুষৰ কল্পনা কৰে—ময়ো কৰো। কিন্তু মই ঠিক কেনে এজন পুৰুষ বিচাৰো তোমাক সঠিককৈ ক'ব নোৱাৰো—কিন্তু এইটো ক'ব পাৰো যে তেনে এজন ল'ৰা মই জীৱনত বিচাৰি নাপাওঁ।

—যাঃ য'তমানে ওলোটা-ওভোতা কথা। ভাস্বতীৰ খং উঠি গ'ল। নীলাক্ষিয়ে সশব্দে হাঁহি দিলে। সিহঁত নিজৰ ৰুমৰ দুৱাৰ মুখ পাইছিলহি। দুৱাৰ খুলিলে সভয়ে নীনাই। তাই সুধিলে ভাস্বতীক 'ইমান হাঁহিছা যে। কি হ'ল ভুত।'

—ই —ই —ই এয়া ময়েই ভুত—এই বুলি নীলাক্ষিয়ে দাঁত-মুখ নিকটাই, চকু দুটা কেঁৰা কৰি, নেইল পলিচ লগোৱা দুয়োখন হাতৰ দীঘল নখ দেখুৱাই কোঠালিলৈ ভাস্বতীৰ পিচে পিচে সোমাই গ'ল। নীনাই হাঁহিব নে কান্দিব হৈ ভয়তে পিছুৱাই গ'ল।

✧ ✧ ✧

ইউনিভাৰ্চিটিৰ বাছ দুখন আহি নিৰ্দিষ্ট বাছষ্টপ পোৱাৰ লগে লগে পৰিৱেশটো বেলেগ হৈ যায়। এই বাছষ্টপৰ চাৰিওকাষে থকা দোকানবোৰত ৰোমাণ্টিক গান বাজি থাকে। প্ৰত্যেক দোকানৰ সন্মুখত এজুমকৈ ল'ৰা, বিবাহিত, অবিবাহিত পুৰুষৰ উপস্থিতি থাকে। অবিবাহিতবোৰে চিগাৰেট এটা হুপি, নতুবা তামোল খাই, আড্ডামাৰি পোনপটীয়া দৃষ্টি বাছখনৰ ওপৰত ৰাখে। বিবাহিত পুৰুষে ঘৰৰ অত্যাৱশ্যকীয় বয়-বস্তু কিনাৰ মাজেৰে আঁৰ চকুৰে চাই থাকে বাছত উঠা ছোৱালীবোৰ। সেই অঞ্চলতে দুটাকৈ ছোৱালী হোষ্টেল আৰু এটা ল'ৰা হোষ্টেল। অগা-পিছাকৈ অহা দুখন বাছত প্ৰায় ষাঠিজনীমানকৈ ছোৱালী উঠে। হোষ্টেলৰ পৰা বাছষ্টপলৈ পাঁচ মিনিটমানৰ ৰাস্তা। পুৱা ন বাজি ত্ৰিশ মিনিটত হোৱা এই সমদলৰ ৰঙীণ শোভাযাত্ৰাই বহুপৰলৈ ৰাস্তাৰ বতাহত ছটিয়াই থৈ যায় সুগন্ধি।

উদীপ্ত, গায়ত্ৰীহঁতৰ ঘৰলৈ আহি, নিশা থাকি যাব লগা হ'ল। সি মটৰচাইকেলখন ষ্টাৰ্ট কৰোঁতেই গায়ত্ৰীয়ে চিঞৰিলে, 'দাদা, পাঁচমিনিট ৰ', মোক তই ইউনিভাৰ্চিটিত নমাই দিবি।' উদীপ্তই ঘড়ীলৈ চালে। দহ বজাত আজি 'বছ' আহিব। অফিচ গৈ পাওঁতেই দহ বাজিবৰ হ'ব। তাৰ পিচত আকৌ ইউনিভাৰ্চিটিলৈ পাঁচমিনিটৰ ৰাস্তা। ভাবি গুণি সি ঘৰৰ ভিতৰলৈ চাই চিঞৰিলে—কালি গুৱাহাটীৰ পৰা আমাৰ ডাইৰেক্টৰ আহিছে। দহবজাত অফিচলৈ আহিব। তহঁত ছোৱালীবোৰক লৈ বৰ লেঠা। সোনকালে আহ।

—এক মিনিট ৰ', গৈছোৱেই—মা-অ'মা, মোৰ টিপফোঁটৰ পেকেটটো ড্ৰেছিং টেবুলৰ ড্ৰয়াৰত নাই.... গায়ত্ৰীৰ চিঞৰ বাখৰ, বাহিৰৰ পৰাই অধৈৰ্যৰে মটৰ চাইকেলৰ ওপৰতে বহি উদীপ্তই শুনিলে।

—তোৰ বস্তু, তইহে জান—সদায় এইবোৰ অশান্তি... মাকে পাকঘৰৰ পৰা ভোৰ্-ভোৰালে।

—মা—তোমাৰ ফোঁটকে দিয়া.... গায়ত্ৰীৰ পুনৰ চিঞৰ....

—মোৰ ডাঙৰ ফোঁট, তই দেখোন নললৱই.....

নহয় মা, কেঁচিৰে কাটি সৰু কৰি ল'ম....

উদীপ্তই এইবাৰ উত্তেজিত হৈ চিঞৰি দিলে—গায়ত্ৰী অই, কেঁচি বিচাৰি, ফোঁটৰ চাইজ বনা.... মই আহিলো, কিন্তু।

—প্লীজ দাদা, হৈ গ'ল।

—তহঁতৰ 'হৈ গ'ল' মোৰ জনা আছে, ছোৱালীৰ টাইম চেঞ্চ কেতিয়াবা থাকে নেকি।

এইবাৰ গায়ত্ৰী দৌৰি ওলাই আহিল। 'এয়া চা, ফোঁট-চোট নোলোৱাকৈ গুচি আহিলো। টাইম চেঞ্চ মোৰ আছে।' গায়ত্ৰীয়ে মুখ ওফোন্দাই ক'লে। 'গুড্‌গাৰ্ল, বহ পিচত।' গায়ত্ৰীক লৈ উদীপ্তই মটৰ চাইকেল ঘূৰালে।

—দাদা, তহঁত ল'ৰাবোৰে নিজকে ভাব কি? কথাই প্ৰতি যে ছোৱালীবোৰ অমুক, ছোৱালীবোৰ তমুক বুলি বিশেষণ দি ফুৰ! গায়ত্ৰীয়ে উদীপ্তৰ পিঠিত ভুকু এটা দি সুধিলে।

—নহয়নো কি? 'টাইম চেঞ্জ'ৰ ক্ষেত্ৰত কেৱল ছোৱালীৰে বদনাম নাই নহয়। 'ছোৱালী, ড্ৰাইভাৰ, মিটিং আৰু শুটিং, এইকেইটাৰ বাবে নচলা ঘড়ী একোটাৰ সময় চাই কৰ্মসূচী তৈয়াৰ কৰাই ভাল।' গায়ত্ৰীয়ে উদীপ্তৰ পিঠিত আৰু এটা ভুকু দিলে।

হোষ্টেলৰ ছোৱালীৰ সমদল আৰম্ভ হৈ গৈছে। গায়ত্ৰীয়ে মটৰ চাইকেলৰ পিচৰ পৰাই বান্ধৱীবোৰক চিঞৰিলে, 'ঐ-নমিতা আহ দেই, মীনাক্ষি তোক আজি বৰ ধুনীয়া দেখিছে দেই....' উদীপ্তই মটৰ চাইকেল চলাব পৰা নাই, এদল ছোৱালীয়ে বাট ভেটি খোজ দিছে। বিৰক্তিত তাৰ চকু-মুখ কোঁচ খাই গৈছে। 'ছোৱালী, দেছুৱালী আৰু ছাগলী এইকেইটাক ৰাস্তাত দেখিলে ড্ৰাইভাৰ এনেয়ে সজাগ হ'ব লাগে বুলি নকয় নহয়....'

মন্তব্যটো শুনি ছোৱালীৰ দলটোৰ পৰা দুজনীমানে উভতি চালে। লগে লগেই গায়ত্ৰীয়ে চিঞৰি দিলে—ভাস্বতী! ঐ দাদা ৰাখ ৰাখ। উপায়বিহীন হৈ উদীপ্তই মটৰ চাইকেলৰ ষ্টাৰ্ট বন্ধ কৰি অসহায়ভাৱে গায়ত্ৰীলৈ চালে। গায়ত্ৰীয়ে কোনো ভ্ৰূক্ষেপ নকৰি ভাস্বতীক ধৰি ক'লে—'তোক বেয়া পাইছোঁ। তই এড্‌মিশ্যন লৈ যি আমাৰ ঘৰলৈ খবৰ দিবলৈ গ'লি, হোষ্টেলত দুদিন হৈ গ'ল তোৰ, এপাক মাৰিব পাৰ। 'লোকেল গাৰ্জেন'ৰ নাম জানো আমাৰ দেউতাৰ নাম তই দিয়া নাই?'

ভাস্বতীয়ে উত্তৰ দিবলৈ গৈ হঠাতে হাঁহি পেলালে। এটা অদ্ভুত দৃশ্য! এদল ছোৱালীৰ পিচে পিচে মটৰ চাইকেল ঠেলি উদীপ্ত। খং-বিৰক্তিত তাৰ কপালেৰে ঘাম বৈছে। ভাস্বতীয়ে লগত খোজ কাঢ়ি যোৱা গায়ত্ৰীক উদ্দেশ্য কৰি ক'লে—'আজি এঘাৰটা পঞ্চলিশৰ ক্লাছটো মোৰ অফ্। তোৰ ডিপাৰ্টমেণ্টলৈ গৈ কথা পাতিম। সদ্যহতে তই যা। তোক লৈ অহা মানুহটোৰ অৱস্থাটোৰ কথা এবাৰ ভাব। অলপ আগতে ছোৱালী, দেছুৱালী, ছাগলী কিবা মন্তব্য দিছিলহে—এতিয়া নহ'লে আৰু সৰ্বনশীয়া কমেণ্ট দিব।' গায়ত্ৰীৰ তেতিয়াহে হুঁচ্ আহিল। তাই দৌৰি একেজাঁপেই উদীপ্তৰ মটৰ চাইকেলৰ পিচফালে বহি ক'লে—ছ'ৰি, ছ'ৰি, দাদা, আৰু নকৰো, ব'ল তোৰ দেৰী হ'ব। মই মানে ভাস্বতীক দেখি পাহৰিয়েই গ'লো, আচলতে বহুত কথা পাতিব লগা আছিলতো—গায়ত্ৰীয়ে ননষ্টপ কেছেটৰ দৰে কিবা কিবি কৈ গ'ল, উদীপ্তই গায়ত্ৰীৰ কথালৈ কাণ নিদি মটৰ চাইকেল পুনৰ ষ্টাৰ্ট দিলে। সি দেখিলে ভাস্বতীয়ে তালৈ এবাৰ উভতি চাইছে। এইমাত্ৰ গা ধুই অহা ভাস্বতীৰ তিতি থকা খোলা চুলিখিনি পিঠিত পৰি ব্লাউজটো স্বচ্ছ হৈ গৈছে। ভাস্বতীয়ে পাতল নীলা শাৰী আৰু ব্লাউজ পিন্ধিছে। জেনেৰেল ফ্ৰেছাৰ্চ হ'চিয়েল হৈ নোযোৱালৈকে নতুন ছোৱালীবোৰে মেখেলা-চাদৰ নতুবা শাৰীৰ বাহিৰে অন্য পোছাক পিন্ধা নিষেধ বুলি গায়ত্ৰীয়ে কৈছিল তাক। ইও ৰেগিং। ভাস্বতীৰ ব্লাউজটো বেয়াকৈ তিতি গৈছে। পাতল নীলা ব্লাউজটোৰ মাজেৰে অন্তৰ্বাস জিলিকিছে স্পষ্টকৈ। ভাস্বতীৰ সৈতে এমাহ আগতে হোৱা সাক্ষাতৰ পিচত, দ্বিতীয়বাৰ আৰু সাক্ষাৎ হোৱা নাই। উদীপ্তই ভাস্বতীৰ সৈতে বাগিচাৰ মাজেৰে খোজ কাঢ়ি অহা সেই দিনটো, তৰ্ক-বিতৰ্কবোৰ পাহৰি যোৱা নাই, কিন্তু

ইচ্ছাকৃতভাৱে মনতো পেলোৱা নাই। কিন্তু ভাস্বতীক আজি হঠাতে এইদৰে দেখি উদীপ্তৰ এনে এটা ভাব হ'ল, সি ক'ব নোৱাৰাকৈ অকস্মাতে ভাস্বতীক লগ পোৱাৰ কথা প্ৰকৃততে কামনা কৰি আছিল। গায়ত্ৰীয়ে কিবা-কিবি কৈ আছে। উদীপ্তই দেখিলে সমদলটো গৈ ৰৈ থকা বাছখনত উঠিবলৈ শাৰী পাতিছে। হঠাতে উদীপ্তই গায়ত্ৰীক ক'লে—গায়ত্ৰী, কথা এটা কওঁ। তোৰ বান্ধৱী যে ভাস্বতী, তাইক ক—শাৰীৰ আঁচলেৰে পিঠিখন ঢাকি ল'বলৈ। ব্লাউজ তিতি গৈছে।'

—তই ইমান অসভ্যনে! গায়ত্ৰীয়ে চিঞৰি দিলে।

—চুপ্! অসভ্য হোৱা হ'লে ভাস্বতীৰ পিঠিখন চাই মই ভালপালোহেঁতেন। তাই তেনেকৈ ইউনিভাৰ্চিটিত ল'ৰাবোৰৰ আগত বাছৰ পৰা নামিলে বেয়া লাগিব।

—কাৰ বেয়া লাগিব, তোৰ? কিন্তু আৰু কেবাজনী ছোৱালীৰ তেনেকৈ পিঠি তিতি গৈছে চা—তোৰ চকু অকল ভাস্বতীৰ পিঠিত পৰিল, বেয়া লাগিল তাইলৈহে! কি কথা?

উদীপ্ত এইবাৰ থত্-মত খালে। নাৰ্ভাছ হৈ সি ক'লে—নহয় তই চবকে ক—মই সকলোৰে কথা কৈছোঁ।

গায়ত্ৰীয়ে খিল্-খিলাই হাঁহিলে। সিহঁতে বাছখন পাৰ হ'ব খোজাৰ আগেয়ে গায়ত্ৰীয়ে চিঞৰিলে—ভাস্বতী, শাৰীৰ আঁচলেৰে গাটো ঢাকি ল—মই কোৱা নাই, আনে কৈছে....

ভাস্বতীয়ে তৎক্ষণাৎ শাৰীৰ আঁচলেৰে গাটো ঢাকি উদীপ্তলৈ চালে। সিও চালে। ভাস্বতীয়ে সামান্য হাঁহিলে আৰু তৎক্ষণাৎ বাছত উঠিল। উদীপ্তৰ কাণ আৰু গাল দুখনলৈ শৰীৰৰ সমস্ত ৰক্ত উজাই আহিল। সি খঙত গায়ত্ৰীক ক'লে—মোক এনেকৈ কিয় অপদস্ত কৰিলি? নামি যা—গায়ত্ৰীয়ে আকৌ খিল্-খিলাই হাঁহিলে। হাঁহি হাঁহিয়ে গায়ত্ৰীয়ে ক'লে—মই সব বুজিছোঁ....

—কি বুজিছ বান্দৰী?

—বান্দৰী বোল-যি বোল, ভালপোৱা যিকোনো বস্তু মানুহে সযতনে ৰাখিবলৈ বিচাৰে, তয়ো বিচাৰিছ। গায়ত্ৰীয়ে উদীপ্তৰ পিঠিত ঢকা মাৰি ক'লে।

উদীপ্তই একো নামাতিলে। সি ভাস্বতীক সযতনে ৰাখিছে নেকি! কেতিয়াৰ পৰা? উদীপ্তই ভাস্বতীৰ কথা ভাবি কেতিয়াও থকা নাই, অথচ কিয় সি ভাস্বতীৰ ব্লাউজ তিতি ওলাই পৰা স্বচ্ছ পিঠিখন আনৰ দৃষ্টিৰ পৰা ৰক্ষা কৰাৰ হাবিয়াস হ'ল? তাৰ কি আহে যায়, ভাস্বতীৰ ব্লাউজ তিতি থাকিলে! উদীপ্তই ভাবি একো উত্তৰ নাপালে। কিছুমান প্ৰশ্নৰ উত্তৰো প্ৰশ্ন হৈয়ে উভতি আহে বাৰে বাৰে, উদীপ্তৰো তেনে হ'ল।

(ছয়)

ৰুম নং দহ। নিশা দহ বাজি পোন্ধৰ মিনিট পাৰ হৈ গৈছে। ভাস্বতী, ৰূপৰেখা, লুট্ফা আহি ৰুম নং দহৰ বন্ধ দুৱাৰমুখত থিয় হ'ল। ডাঠ সেউজীয়া পৰ্দা দিয়া হোষ্টেলৰ ৰুমবোৰ বাহিৰৰ পৰা অন্ধকাৰ যেনেই লাগে। ভিতৰত কি হৈছে ধৰিব নোৱাৰি। এনেতে আৰু দুজনী অচিনাকী ছোৱালী ৰুম নং দহৰ সন্মুখত ৰ'লহি। সিহঁতে কোনেও মুখেৰে এটা শব্দও কৰা নাই। ভাস্বতীয়ে হাতৰ ঘড়ীলৈ চালে। দহ বাজি ষোল্ল মিনিট গৈছে। সিহঁতক পুৰা দহ বাজি উনৈশ মিনিটত দুৱাৰত নক্ কৰিবলৈ কোৱা হৈছে। ভয়তে সিহঁতে কেইমিনিটমান আগতে আহি ৰুম নং দহৰ সন্মুখত থিয় দি আছেহি। অচিনাকী ছোৱালী এজনী এইবাৰ আগবাঢ়ি আহি ফুচ্-ফুচাই সুধিলে—তোমাৰ ঘড়ী ঠিক নে?

ভাস্বতীয়েও ফুচ্-ফুচাই ক'লে—ৰেডিঅ'ৰ বাতৰিৰ লগত সন্ধিয়া মিলাই থৈছোঁ।

—আমাক দহবাজি একৈশ মিনিটত সোমাবলৈ কৈছে—ছোৱালীজনীয়ে ক'লে।

ভাস্বতীয়ে একো নক'লে। এই আচৰিত সময়বোৰো ৰেগিঙৰ ভিতৰত পৰে। হীন-ভেটি হ'লেই ছিনিয়ৰবোৰে তেতিয়াহে ধৰিব পাৰিব। ভাস্বতীৰ চকু হাতৰ ঘড়ীত নিবদ্ধ। দহ বাজি ওঠৰ মিনিটত ঘড়ীৰ কাঁটা লাগিছে। আটাইকেউজনীয়ে দুৰু দুৰু কঁপনি বুকুত লৈ দুৱাৰ মুখ পালেগৈ। দহটা-উনৈশ, টক্-টক্-টক্—ভাস্বতীয়ে নক্ কৰিলে বন্ধ দুৱাৰত।

—কাম ইন্

ভাস্বতীক আগত দি লুট্ফা, ৰূপৰেখা পিছে পিছে গ'ল। কিন্তু ভাস্বতীয়ে দুৱাৰখন ঠেলা মাৰি সোমোৱাৰ লগে লগেই মূৰৰ ওপৰত কিবা এটা সৰি পৰিল—সেয়াই নহয় তাই উজুটিয়াই দিলে এটা পানীৰ মাগত। মুহূৰ্ততে সিহঁতে দেখিলে, এসোপা আমলখি মজিয়াৰে বাগৰি যেনি-তেনি গুছি যোৱা, ইফালে মাগটোৰ পানীৰে মজিয়াখন তিতি গ'ল। ভাস্বতীয়ে বুজিলে দুৱাৰৰ ভিতৰফালে এটা আমলখিৰ বেগ এনেভাৱে থোৱা হৈছিল যাতে দুৱাৰ খুলিলেই বেগটো সৰি পৰে মজিয়াত। পানীৰ পাত্ৰটোও সেইদৰেই থোৱা হৈছিল।

—ক'ৰনো এইজনী শাখিনী তেজা, সোমায়ে গোৰ সোধালে আমাৰ কোঠা..... কোনে—কেতিয়া, কি মুহূৰ্তত কৈছিল, কোৱা-কোৱা-কুইক.... এজনী ওখ-পাখ, শকত-আৱত ছোৱালীয়ে আটাইকেউজনীলৈ চাই সুধিলে। সিহঁত হতভম্ব হৈ বৈ থকা দেখি, চুটি-চাপৰ ক্ষীণ ছোৱালী এজনীয়ে ধমক্ দিলে—মুখৰ মাত নাই নেকি—কোৱা! ভাস্বতী স্তম্ভিত হ'ল। দেখাত নিশকতীয়া ছোৱালীজনীৰ ইমান ডাঙৰ, টেংটেঙীয়া মাতনে! লুট্ফাই সেপঢুকি ক'লে— লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ত 'তেজা আৰু তুলা' নামৰ

সাধু এটা পঢ়িছিলো, তাত এনেকৈ মাহীমাকে তেজাক কৈছিল—কিন্তু এই কথা কেইটা নহয়...

—কি! তুমি আমাক মাহীমাকৰ সৈতে ৰিজালা! শাস্তি হ'ব—কি শাস্তি হ'ব? ৰেগিং মাষ্টাৰ ওখ শকত ছোৱালীজনীয়ে বাকী ছোৱালীলৈ চাই সুধিলে।

—আমলখিবোৰ এটাও মজিয়াত নথকাকৈ বুটলিবলৈ দিয়া'—গুলপীয়া নাইটি পৰিহিতা এজনীয়ে ক'লে।

—পানী মছিবলৈ দিয়া। সোমাওঁতেই অসভ্যালি কৰি সোমাইছে।—সেউজীয়া চেলোৱাৰ পৰিহিতা গৰাকীৰ মাত।

তেতিয়াহে ভাস্বতীয়ে চাৰিও ফালে চালে। তিনিখন বিছনা, চকীয়ে-টেবুলে বহি প্ৰায় বিছ বাইছজনী ছিনিয়ৰ ছোৱালী। কঠোৰ মুখেৰে আৰু কৃত্ৰিম গাম্ভীৰ্য বাহাল ৰাখিছে প্ৰত্যেকেই চকুৰে-মুখে।

ভাস্বতীয়ে মৌন হৈ আমলখি বুটলিবলৈ লাগিল মজিয়াৰ পৰা। টেবুলৰ তল, বিছনা, ট্ৰাংক, সকলোবোৰৰ তলে তলে আমলখি খেপিয়াই ফুৰিলে ভাস্বতীয়ে। লুট্‌ফাই ক'লে—কাপোৰ এখন দিবনে—পানী মছোঁ।

—কাপোৰ! কাপোৰ আকৌ ক'ত পাবা? ঐ তোৰ সিদিনা কিনা পাটৰ মেখেলা-চাদৰ যোৰকে উলিয়াই দে ঐ-বুলু' বুলি কৈ শকত ছোৱালী জনীয়ে, কাষতে বহি থকা বুলু নামৰ ছোৱালীজনীৰ বাহুত বাহুৰে খুন্দা এটা মাৰি ঢেক-ঢেকাই হাঁহিলে। লুট্‌ফা জড়মাৰ দি একে ঠাইতে থিয় হৈ থাকিল। তোমাৰ চুন্নীখন আছেই দেখোন' দহাঁ চকুৰ বগীকৈ ছোৱালীজনীয়ে ক'লে। ছোৱালীজনীক লুট্‌ফাৰ ৰবটৰ দৰে লাগিল। নাটকৰ ফ্ৰীজ চৰিত্ৰৰ দৰে তাই চকুৰ পতাও লৰ চৰ নকৰাকৈ, মেটেলিক্ ভয়ছত নিৰ্দেশটো দিলে। লুট্‌ফাই চুন্নীখন গাৰ পৰা খহাই পানী মছিবলৈ মজিয়াত আঁঠুকাঢ়ি বহিল।

—অৱ ইছকা ক্যা হোগা ৰে কালিয়া! শকত ছোৱালীজনীয়ে ৰূপৰেখালৈ চাই বাকীবোৰক সুধিলে। তলমূৰ কৰি থকা ৰূপৰেখাই ইতিমধ্যে কান্দিবলৈ আৰম্ভ কৰিছিল ফেঁকুৰি ফেঁকুৰি।

—আয়ৈ দেহি মোৰ ন-কইনাজনী, মাক-দেউতাকৰ বুকুৰ পৰা ওলাই আহিছে, এইক একো নক'বি অ'। এইবুলি কৈ শকত ছোৱালীজনী ৰূপৰেখাৰ কাষ চাপি আহি ক'লে—মই তোমাৰ দৰা সোণজনী। চাওঁ তোমাৰ মুখখন—আস্—কোনে তোমাক তুলি-তালি কৰিলে ডাঙৰ মৌ-সনা মিঠামাতে পাহৰি ভাগৰ...

—মোৰ সৈতে পেংলাই নকৰিব, যি সুধিব লগা আছে সোধক। হঠাতে ৰূপৰেখাই কৈ পেলালে। গিৰ্জনী মাৰি হাঁহি দিলে সকলোৱে।

—নিমাতী কইনাই মাতিব জানে... মুখেৰে গুলীও ফুটায়...

—জানে মানে—ৰাইফল চলাব জানে, এন চি চি আছিল নেকি তোমাৰ? ৰূপৰেখা মনে মনে থাকিল ছোৱালীবোৰৰ বাক্যবানত।

—মনে মনে থকা মানেই—এন টি চি আছিল। ঠিক আছে, তুমি এতিয়া পেৰেড গ্ৰাউণ্ডত আছা, শুৰু—লেফ্‌ট-ৰাইট-লেফ্‌ট.... ৰূপৰেখাই এহাতেৰে চকুপানী মছি মাৰ্চপাষ্ট কৰিবলৈ ধৰিলে।

নেক্সট—দুৱাৰ মুখত কোন আছা? শকত ৰেগিং মাষ্টাৰজনীয়ে চিঞৰিলে। ভয়ত মুখ শুকুৱাই দুজনী ছোৱালী থিয় হ'ল।

—কি নাম?

—ৰঞ্জনা দলে

—নমিতা পাল...

—কি বিষয়ৰ?

—ইক'নমিক্স

—হিষ্ট্ৰী...

—ভয়ে ভয়ে ৰঞ্জনা আৰু নমিতাই ক'লে।

—কি? ইক'নমিক্স, হিষ্ট্ৰীৰ অসমীয়া নাম নাই নেকি? মেমনী নেকি দুয়োজনী? কোন দেশৰ পৰা আহিছা? আমি প্ৰশ্ন কেইটা ইংৰাজীত কৰিলো নেকি?

থত্‌মত খাই দুয়োজনীয়ে ঘেহাঁই ঘেহাঁই ক'লে—অৰ্থনীতি, বুৰঞ্জী।

—কলেজত পঢ়াৰ বাহিৰে কি কৰিছিলা?

—গান গাইছিলো—নমিতাই ক'লে।

—আৰু তুমি?

ৰঞ্জনাই কিছুপৰ নাৰ্ভাছ হৈ থাকি ক'লে—মই-মই-এবাৰ এখন নাটকত এজোপা গছ হৈ হাত মেলি থিয় হৈ আছিলো...

—নমিতাই অভিনয় কৰা নাছিলা?

—কৰিছিলো। কেৰিকেচাৰ... হঠাৎ নমিতাই কৈ পেলালে।

—কেৰিকেচাৰ? বাঃ বঢ়িয়া। এতিয়া ৰঞ্জনাক লৈ তুমি এটা কেৰিকেচাৰ কৰা। ৰঞ্জনাই হাত দুখন মেলি দি থিয় হ'ল। ৰঙা চুলিৰ বগী ছিনিয়ৰ জনীয়ে হাঁহি ক'লে—উৰা-তোমাৰ কি হ'ল?

—মই এজোপা গছ হৈছিলো, ইয়াতকৈ মই একো নাজানো। ৰঞ্জনাই হাত মেলি ক'লে। শকত ছোৱালীজনীয়ে ক'লে—হ'ব, নমিতা তুমি আৰম্ভ কৰা।

এনেতে সেউজীয়া চেলোৱাৰ পিন্ধা ছোৱালীজনী বিছনাৰ পৰা জাঁপ মাৰি নামি আহি ক'লে—ৰঞ্জনা তুমি গছ হ'ব নালাগে। দেখিছানে নাই, ৰঞ্জনা জীৱন্ত কেৰিকেচাৰ। ৰঞ্জনাই কেনি চাই ধৰিব পাৰা জানো। নমিতা তুমি ঘৰৰ গৃহস্থ, ৰঞ্জনা যেনিবা চাকৰণী—তুমি টেবুলখনলৈ দেখুৱাবা ৰঞ্জনাই চাব এই বিছনালৈ, তুমি জমাবা আৰু.... সকলোৰে হয়ভৰ দি চাপৰি বজালে। ভাস্বতীয়ে বিছনাতলত সোমাই আমলখি বিচাৰি থকাৰ পৰাই

চালে ছোৱালীজনীলৈ। ৰঞ্জনা দলেৰ এটা চকু বেয়াকৈ কেঁৰা। সঁচাকৈয়ে তাই কেনি চাই ধৰিব নোৱাৰি। ছোৱালীজনী দেখিবলৈও আন্ধাৰ-মুন্ধাৰ। তাইৰ কেঁৰা চকুক লৈ হোৱা ফূৰ্তি-তামাছাবোৰত ৰঞ্জনা ম্রিয়মান হৈ তললৈ মূৰ কৰিছে। ভাস্বতীয়ে এই ফূৰ্তি সহ্য কৰিব নোৱাৰিলে। সকলো সহ্য কৰিব পাৰি, কিন্তু দৈহিক বৈসাদৃশ্য, সৃষ্টিৰ বিসংগতিলৈ জন্ম গ্ৰহণ কৰা দুৰ্ভগীয়াক কোনোবাই মস্কৰা কৰিব, এয়া সহ্য কৰি থকাটোও গৰ্হিত কাম। ভাস্বতীয়ে অন্ততঃ এই মুহূৰ্ত কেতিয়াও উপভোগ কৰিব নোৱাৰে। কথাখিনি ভাবিয়েই তৎক্ষণাৎ ভাস্বতী বিছনা তলৰ পৰা ওলাই আহিল। তাই সকলোৰে মাজত থিয় হ'ল। আৰু দৃঢ়ভাৱে ঘোষণা কৰিলে—'বাইদেউসকল, আপোনালোকে কোৱা সকলো কথাই পালন কৰিছোঁ। কিন্তু এই মুহূৰ্তত যি ধেমালি হ'বলৈ গৈ আছে—সেয়া হ'বলৈ নিদিওঁ।' একমুহূৰ্ত নিস্তব্ধতা। কোনেও আশা কৰা নাছিল, বিছনা তলৰ পৰা হঠাৎ ভাস্বতী ওলাই আহি এনেকুৱা কাণ্ড কৰিব বুলি। বেগিং দলনেত্ৰীয়ে চিঞৰি দিলে—কি! ইমান স্পৰ্ধা তোমাৰ!

—হয়, আপোনালোক কেনেকুৱা মানুহ মই বুজা নাছিলোঁ। আপোনাৰ যদি চকু এটা ৰঞ্জনাৰ দৰে হ'লহেঁতেন, আপোনাক লৈ হোৱা ঠাট্টা মস্কৰা আপুনি হজম কৰিলেহেঁতেন নে? এই ছোৱালীজনীৰ চকুটোক লৈ, চেহেৰাক লৈ মস্কৰা কৰিবলৈ আপোনালোকৰ অন্তৰত এবাৰো বাধা নাহিল! ধেমালি-ফূৰ্তি আমিও কৰোঁ বাবেই ৰেগিঙৰ নামত হোৱা এই অত্যাচাৰবোৰ আমি মানিছো সহজভাৱে। ফূৰ্তি আমি পোৱা নাই, আপোনালোকক দিছোঁ। কিন্তু অমানৱীয় ফূৰ্তি হ'বলৈও নিদিওঁ, আৰু সমভাগীও নহওঁ। ব'লা ৰঞ্জনা, ইয়াত এক ছেকেণ্ডো আৰু আমি নাথাকোঁ।' ভাস্বতীৰ সাহসী কথা কেইটাই ৰঞ্জনাৰ আবেগৰ দুৱাৰ ভাঙি দিলে। তাই হুক্-হুকাই কান্দি পেলালে। দুই হাতে মুখ ঢাকি স-শব্দে কান্দি উঠা ৰঞ্জনাক দেখি মজিয়া চাফা কৰি থকা লুট্‌ফা থিয় হ'ল আৰু ৰঞ্জনাৰ কাষত থিয় হ'লহি। ভাস্বতীয়ে ৰঞ্জনাক এহাতেৰে সাবটি ক'লে—ব'লা তোমাক তোমাৰ ৰুমত থৈ আহোঁ। ভাস্বতী ৰঞ্জনাক লৈ ওলাই গ'ল, পিছে পিছে লুট্‌ফা, ৰূপৰেখা আৰু নমিতা পালো ওলাই গ'ল কোঠালিটোৰ পৰা। ইমান আচম্বিতে এই সমগ্ৰ ঘটনাটো ঘটিল যে কোনো ছিনিয়ৰৰ মুখৰ পৰা এযাৰ মাত নোলাল এই সময়খিনিত। নাটক চোৱাৰ দৰে প্ৰত্যেকেই মাত্ৰ দৰ্শকৰ ভূমিকা পালন কৰিলে। কোঠালিৰ বাহিৰৰ পৰা হঠাতে ভাস্বতীহঁতে এটা তীব্ৰ চিঞৰ শুনিলে—ইয়াৰ পৰিণাম বেয়া হ'ব কিন্তু।

✧ ✧ ✧

ভাস্বতীহঁতৰ পিচদিনা পুৱাতো আনন্দৰ বাৰ্তাৰে আৰম্ভ হ'ল। ৱাৰ্ডেনে এখন দীঘল লিষ্ট লৈ আহি গাই গ'ল—নীলাক্ষি, কাখেলী, লুট্‌ফা দুই নম্বৰ ৰুমত। নীনা, শেৱালি,

ৰূপালী ছয় নম্বৰত.... ভাস্বতী, সদ্যহতে তুমি চাবি নম্বৰৰ হলঘৰটোত থাকিবা। তোমাৰ সৈতে আৰু তিনিজনী ছোৱালী থাকিব। আজিৰ পৰাই এই ৰুম খালি কৰি দিবা। এই ৰুমত জীনা থাকিবা, তোমাৰ সৈতে আন দুজনী ছোৱালী থাকিব। ভাল লাগিছেনে এতিয়া, তোমালোকে পোন্ধৰ দিনমান বৰ কষ্ট খাব লগা হ'ল।' ৱাৰ্ডেনে সহানুভূতিসুলভ মৰম প্ৰকাশ কৰিলে। কিন্তু ৱাৰ্ডেনে ভবাৰ দৰে কোনেও আনন্দ প্ৰকাশ নকৰিলে। ৱাৰ্ডেনে সকলোৰে মুখৰ ওপৰৰে এবাৰ দৃষ্টি বাগৰাই গুচি গ'ল। কোঠালিটো নিস্তব্ধ হৈ গ'ল খন্তেকতে। এই বাৰ ফুট, বিশ ফুট বৰ্গৰ কোঠালিটোলৈ চৈধ্যজনী ছোৱালীয়ে প্ৰত্যেক মুহূৰ্ততে অসন্তুষ্টিয়েই প্ৰকাশ কৰিছিল। অথালি-পথালিকৈ বিছনা, বাকচ, কিতাপ, কাপোৰৰ মাজত প্ৰত্যেকেই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিল, কোন দিনা বিছনা মজিয়াৰ পৰা পালেং একোখনলৈ উঠিব, কোন দিনা শান্তিৰে কোঠাৰ ভিতৰত অসাৱধানভাৱে খোজ পেলাব পাৰিব, কোন দিনা সিহঁতে নিজস্বভাৱে একোযোৰ টেবুল-চকী, বিছনা, ৰেক নিজাকৈ পাব। আজি সেই শুভবাৰ্তা আহিল, কিন্তু আচৰিতভাৱে কোনেও আনন্দত উত্ৰাৱল নহ'ল। প্ৰত্যেকেই নিজা বস্তুবোৰ এটা দুটাকৈ সামৰিবলৈ ধৰিলে। কোনেও একো বাক্য বিনিময় কৰা নাই। এই কোঠালি এৰিবলৈ সিহঁত প্ৰত্যেকেই ব্যগ্ৰ হৈ আছিল, কিন্তু এই মুহূৰ্তত বিচ্ছেদৰ শোকে প্ৰত্যেককে ম্ৰিয়মান কৰি তুলিছে। চৈধ্যজনী বিভিন্ন ঠাইৰ পৰা অহা, বিভিন্ন সম্প্ৰদায়, বিভিন্ন সংস্কৃতিৰ ঘৰত ডাঙৰ-দীঘল হৈ অহা ছোৱালী, ক'ব নোৱাৰাকৈ এটা বিশেষ পৰিস্থিতিত; একেটা কোঠালিত থাকি অভিন্ন প্ৰাণ হৈ পৰিল। দুখ-বেদনা, আনন্দ, অস্বস্তি সকলোৰে ভগাই লোৱাৰ মুহূৰ্তবোৰে সিহঁত সকলোকে ইজনীক সিজনীৰ কাষ চপাই নিছিল। এই মুহূৰ্তত এই কোঠালিটো এৰি যাবলৈ কাৰো মন যোৱা নাই। সিহঁত একেটা হোষ্টেলতে থাকিব, সকলো সময়তে লগ পাই থাকিব, কিন্তু তথাপিও এই কোঠালিৰ অসুবিধাবোৰকো যে প্ৰত্যেকেই ইমান ভাল পাই পেলাইছিল সেইকথা এই মুহূৰ্ততহে সিহঁতৰ উপলব্ধি হ'ল।

—প্লীজ কাখেলী তোৰ চুলি আজি নুধুবিনা, মই সোনকালে গা ধুই যাব লাগে একালে। ঢক্, ঢক্ শব্দ কৰি বাথৰুমৰ দুৱাৰত ঢকিয়াই ৰূপালীয়ে চিঞৰিলে। কাখেলীৰ দীঘল চুলিকোছা ধোঁওতে বহু সময় লাগে। সেয়ে দেওবাৰৰ বাহিৰে কাখেলীয়ে পুৰা চুলি ধোৱাৰ নিয়ম নাই। এটাই বাথৰুম, বাথৰুম বিশমিনিটকৈহে দিয়া হয়। পুৱা ছয় বজাৰ পৰা চাৰে আঠমান বজাৰ ভিতৰত সকলোৰে বাথৰুমৰ প্ৰয়োজনীয়তা শেষ হয়। সেই মহলাতে পশ্চিমফালে এটা অকলশৰীয়া বাথৰুম আছে। বৰ সুবিধাৰ নহয় যদিও চৈধ্যজনী ছোৱালীয়ে গা ধুবলৈ সেই বাথৰুমো ব্যৱহাৰ কৰে। বাথৰুমৰ ক্ষেত্ৰত এখন ৰুটিন বেৰত মাৰি থোৱা আছে; নীলাক্ষিয়ে বাথৰুম ব্যৱহাৰৰ ৰুটিনখন এনেভাৱে প্ৰস্তুত কৰিছে যে প্ৰত্যেকজনীয়ে এদিন কোঠাৰ সংলগ্ন বাথৰুম আৰু এদিন বাহিৰৰ বাথৰুমত গা ধোৱাৰ পাল পৰে। চৈধ্যজনী ছোৱালীৰ সাতজনীকৈ দুটা বাথৰুম ভগাই ল'লে সুকলমেই সকলো

কাম সম্পন্ন হৈ যায়। কাখেলীয়ে বাথৰুমৰ ভিতৰৰ পৰা চিঞৰিলে—ববি অ', আজিয়েই এইটো বাথৰুমত শেষ গা ধোৱা, অলপ সময় লমেই। ৰূপালীয়ে কিবা এটা ক'ব খুজিও একো নক'লে।

ঃ হিটলাৰৰ দিনৰ কাহিনী এটা কওঁ শুন। ইহুদী ৰখা জেইলৰ ভিতৰত তিনিশ সাত নম্বৰ কোঠালিটো আছিল সকলোতকৈ জঘন্য। এটা দীঘলে-প্ৰস্থেই সাতফুটীয়া কোঠাত পঞ্চাশজনৰ অধিক মানুহ ঠেলি-হেঁচি সুমুৱাই বন্ধ কৰি থোৱা হৈছিল। ঠেলা-হেঁচাত সৰু ল'ৰা-ছোৱালী কেবাটাৰো তাতেই মৃত্যু হৈছিল। প্ৰস্ৰাৱ-পায়খানাৰ দুৰ্গন্ধত মানুহবোৰে প্ৰত্যেক মুহূৰ্ততেই নিজৰ মৃত্যু কামনা কৰিছিল। বহিবও কোনেও নোৱাৰিছিল। অনাহাৰ-অনিদ্ৰাত তিল-তিলকৈ মৃত্যুৰ ক্ষণ গণা মানুহজাকক এদিন শাৰীপাতিবলৈ কোৱা হ'ল। তেওঁলোকক বধ্যভূমিলৈ নিয়া হ'ব। কিন্তু আচৰিত কথা, শেষ ক্ষণত এই কোঠাত থকা ইজনে সিজনক গভীৰভাৱে আলিংগন কৰি শুভ-ইচ্ছা জ্ঞাপন কৰি কি কৈছিল জানা ?"বৰ আনন্দত কটালো এই দিনকেইটা বন্ধু। যদি পৰজনম আছে, তোমাক পাম প্ৰতিবেশী বা নিকট আত্মীয় হিচাবে—বিদায় বন্ধু! আমাৰ নিশ্চয় তেনেকুৱা অৱস্থা হোৱা নাই। কিন্তু জীৱন এইখিনিতেই বৰ বিচিত্ৰ। এটা বাথৰুম লৈ; আমাৰ কম যন্ত্ৰণা হৈছিলনে? কিন্তু কাখেলীৰ আজি এই বাথৰুমটোলৈ মায়া হৈছে। আমি বিচৰা ধৰণে আজিৰে পৰা এটা ৰুম পাম, দৰকাৰী বস্তুবোৰ পাম। কিন্তু তথাপিও কোনেও কিয় আনন্দ কৰিব পৰা নাই? কাৰণ সুখ-আনন্দৰ সমভাগীতকৈ, দুখ-যন্ত্ৰণাৰ সংগীবোৰে অন্তৰৰ গভীৰত প্ৰৱেশ কৰে। এই সংগৰ স্থায়ীত্ব থাকে। Happiness consists in the attainment of our right-desires. সুখী হ'বলৈ সঠিক ইচ্ছা জাগিব লাগে।

নীলাক্ষিয়ে কথাবোৰ কৈ কৈ গভীৰ নিশ্বাস পেলালে। 'এদিন এই বিশ্ববিদ্যালয় এৰিয়েই গুচি যামগৈ। কোন ক'লৈ যাব? কাৰোবাক হয়তো লগ পাম চুলিয়ে ৰূপালী ৰং ধৰোঁতে, কাৰোবাৰ সৈতে হয়তো জীৱনত দেখাই নহ'ব। কিন্তু মুখবোৰ অন্তৰত থাকি যাব। পুৰণি ফটোৰ এলবাম চালে সময়বোৰ ৰঙীন হৈ উভতি আহিব...। শেৱালীয়ে লাহে লাহে কথাবোৰ আৱেগিক হৈ ক'লে। এক বিষণ্ণতাই মুহূৰ্ততে কোঠালিটো ছানি ধৰিলে।

ঠিক তেনেতেই মূৰত টাৱেল মাৰি টাৰ্কিছৰ নীলা গাউন এটা পিন্ধি, হাৱাই চেণ্ডেলৰ চট্‌প, চট্‌প শব্দ কৰি নীনা সিং সোমাই আহিল। —মোৰ হ'লে আজি বৰ দুখ লাগিল অন্য এটা কথাত। ৰেলিঙত শুকাবলৈ মেলি দিয়া আমাৰ ব্ৰা-পেন্টিবোৰ চাবলৈ বৈ থকা আদবুঢ়াটোক আৰু নেদেখোঁ। আজি ময়ে সেইবাবে তেওঁলৈ চাই বিদায় ল'লোঁ।' নীনাৰ কথাত আটাইবোৰ গিৰ্জনীপাৰি হাঁহিলে। পুৱা সদায় এই ফূৰ্তি হয়। হোষ্টেলৰ সন্মুখত থকা মানুহ ঘৰৰ পঞ্চল্লিছ-পঞ্চাশৰ মানুহজনে ঠিক আঠ বজাৰ পৰা বাৰাণ্ডাত বহি হোষ্টেলৰ ওপৰ মহলাৰ ছোৱালীবোৰলৈ চাই থাকে। ভিতৰৰ পৰা তেওঁৰ পত্নী ওলাই আহিলেই

লৰা-লৰিকৈ কাকত-আলোচনী মেলি লয়। কত দিন যে ছোৱালীবোৰে তেওঁক দেখুৱাই ফটা-শাৰী, ফটা পেটিকোট ওলোমাই দিছে, কিন্তু তথাপিও তেওঁ নাচোৰ-বান্দা। পুৰা চাৰে সাত বজাৰ পৰাই তেওঁ গা ধুই অহা ছোৱালীয়ে, বাৰাণ্ডাৰ ৰেলিঙত কাপোৰ মেলা চাবলৈ উদ্‌গ্ৰীৱ হৈ নিজৰ ঘৰৰ বাৰাণ্ডাত পায়চাৰী কৰে। মানুহজন উচ্চ পদধাৰী প্ৰশাসনিক বিষয়া। তেওঁৰ ভতিজাক ময়ূৰী নীলাক্ষিৰ সৈতে ইংৰাজী ডিপাৰ্টমেণ্টত। ময়ূৰীয়ে কথাই কথাই ক'লে যে ককায়েকৰ ট্ৰেন্সফাৰ হৈছিল শিৱসাগৰলৈ, কিন্তু ওপৰত লাগি ভাগি ষ্টে' কৰিলে অৰ্ডাৰটো। কথাটো শুনি নীলাক্ষিক পায় কোনে? এদিন বিয়লি হোষ্টেলৰ কাষৰ ৰাস্তাত মানুহজনৰ সৈতে মুখামুখি হওঁতেই তাই মিচিকিয়াই হাঁহি ক'লে—খুৰাদেউ ভালনে?

মানুজনে সম্বোধনটো ভাল নাপাই আনফালে মুখ ঘূৰালে। নীলাক্ষিয়ে তেওঁৰ সৈতে খোজ মিলাই ক'লে—খুৰাদেউ চিনি পোৱা নাই নেকি? সেই যে আমি বাৰাণ্ডাত কাপোৰ মেলো, আপুনি যে চাই থাকে। আপুনি বাৰু আমাৰ পিন্ধা কাপোৰবোৰ চাবলৈ নাপাব বুলিয়েই ট্ৰেন্সফাৰ ষ্টে' কৰালে নেকি? মানুহজনে হতভম্ব হৈ নীলাক্ষিলৈ চালে। নীলাক্ষি সেই ঠাইৰ পৰা দৌৰি পলাল। তাৰ পাচত দুদিন বাৰাণ্ডাত মানুহজনৰ দেখা-দেখি নাই। কিন্তু দুদিনৰ মূৰত তেওঁ লোভ সম্বৰণ কৰিব নোৱাৰি পুনৰ বাৰাণ্ডাত বহিল। এই ঘটনা-উপঘটনাবোৰ লৈ আটাইবোৰৰ মাজত আনন্দ-ফূৰ্তি, হৈ-হাল্লা হয়।

ঃ জীনাহে এই ৰুমত থাকিব। আমাৰ ৰুমবোৰ বেলেগ হৈ গ'ল। এই ফূৰ্তি নোহোৱা হৈ যাব। বৰ আক্ষেপেৰে লুট্‌ফাই ক'লে।

ঃতোৰ যদি ইমান দুখ, ব'ল তেওঁৰ ঘৰতে থৈ আহোঁগৈ—নীলাক্ষিয়ে ক'লে। খিল্‌-খিল্ এজাক যৌৱন উচ্ছল ছোৱালীৰ হাঁহিত কোঠাটো ৰজনজনাই গ'ল। ঠিক তেনেতেই ধুমুহাৰ গতিত কাষৰ ৰুমৰ মঞ্জু সোমাই আহি ক'লে—জানানে নাই? কালি ডাঙৰ ঘটনা। তলৰ ছয় নম্বৰ ৰুমত এগৰাকী লেচ্‌বিয়ান আছে। ৱাৰ্ডেনে এজনী নতুনকৈ অহা ছোৱালীৰ গোচৰৰ ভিত্তিত ছয় নম্বৰৰ তিনিজনী ছোৱালীক মাতি নিছে সোধা-পোছাৰ বাবে। ৱাৰ্ডেনে ৰুম বন্ধ কৰি জেৰা কৰিছে।

—কি! এয়াতো ডাঙৰ খবৰ। নীলাক্ষি, ভাস্বতী দুয়োজনী দুপ্‌-দুপাই চিৰিৰে তললৈ নামি গ'ল সবিশেষ জনাৰ বাবে। সিহঁতে দেখিলে হোষ্টেলৰ অ'ত-ত'ত ছোৱালীৰ জুম। ফুচ্‌-ফুচ্, ৰহস্যময়, কৌতূহলী সিহঁতৰ দৃষ্টি আৰু কথা-বতৰা।

(সাত)

নীলাক্ষি, ভাস্বতী দুয়োজনীয়ে তলৰ মহলাৰ ছয় নম্বৰ ৰুমৰ ফালে চুচুক-চামাককৈ গ'ল। 'লেচ্‌বিয়ান' শব্দটো সিহঁতে কিতাপে-পত্ৰই পাইছে, মাজে মাজে বি এ মহলাৰ আড্ডাবোৰতো এনেধৰণৰ কথাৰ ভাগ লৈছিল। কিন্তু কেতিয়াও কোনো লেচ্‌বিয়ান লগ পোৱা নাছিল। ভাস্বতীহঁত বাৰাণ্ডাৰ এটা খুঁটাৰ আঁৰত ৰ'লগৈ।

—তুমি কোনোবা লেচ্‌বিয়ান লগ পাইছানে ভাস্বতী? নীলাক্ষিয়ে ফুচ্‌-ফুচাই সুধিলে।

—নাই পোৱা। কিন্তু মই এনে এটা কাহিনী বান্ধৱী এজনীৰ মুখৰ পৰা শুনিছোঁ। মোৰ এই বান্ধৱীৰ মাক-দেউতাকে অৰুণাচলত চাকৰি কৰে। সেই ঠাইত ভাল স্কুল নাই বাবে তাইক সাত বছৰ বয়সৰ পৰা ককাক-আইতাকৰ ঘৰত থলে। তাইৰ ডাঙৰ মামাক আকৌ প্ৰায় বিশ কিলোমিটাৰ আঁতৰৰ এখন হাইস্কুলৰ শিক্ষক। সপ্তাহৰ শেষত শনিবাৰে ঘৰলৈ আহে। মামীয়েক শহুৰ-শাহুৰেকৰ লগত থাকে। নিঃসন্তান। এই মামীয়েকে মোৰ বান্ধৱীক বৰ মৰম কৰে। নিশা তাইক নিজৰ সৈতে শুৱায়। মোৰ বান্ধৱীজনীয়ে যেতিয়া 'লেচ্‌বিয়ান' শব্দৰ অৰ্থ বুজিব পৰা হ'ল, তেতিয়াহে আৱিষ্কাৰ কৰিব পাৰিলে তাইৰ মামীয়েক এগৰাকী লেচ্‌বিয়ান আছিল। মামীয়েকে তাইক কণমান অৱস্থাৰ পৰাই এনে কিছুমান শাৰীৰিক মৰমৰ আতিশায্য চলাইছিল; যিবোৰ তাই ভাল নাপাইছিল। সাত-আঠ বছৰীয়া ছোৱালী হ'লেও, তাই বুজি পাইছিল, এনেকৈ তাইক মাক বা আইতাকে মৰম নকৰে। তাইৰ মামাক ঘৰলৈ অহাকেইদিনত শান্তিৰে আইতাকৰ সৈতে শুইছিল। দুটা বছৰ তাই আইতাকৰ ঘৰত আছিল, কিন্তু প্ৰত্যেক দিনেই তাই আশা কৰিছিল, তাইৰ মামাকৰ যাতে স্কুল বন্ধ হয়, তেওঁ ঘৰলৈ আহিলেই তাই আইতাক-ককাকৰ মাজত শুবলৈ পাব।

নীলাক্ষিয়ে মনোযোগেৰে কথাবোৰ শুনি ৱাৰ্ডেনৰ কোঠালিৰ বন্ধ দুৱাৰখনলৈ বৰ কৌতূহলেৰে চাই থাকিল।

দুৱাৰখন খোল খালে। চাৰিজনী ছোৱালী ওলাই আহিল।

ঃ আৰে! শিবানী! হঠাৎ নীলাক্ষিয়ে ক'লে।

ঃ শিবানী! কোন?

ঃ আমাৰ ঘৰৰ ওচৰৰ। এই কেতিয়া আহিল?

নীলাক্ষিয়ে চেপা মাতেৰে চিঞৰিলে—শিবানী! চাৰিজনী ছোৱালীৰ মাজৰ সৰ্বশেষত যোৱা ছোৱালীজনীয়ে উভতি চালে। কেঁকোৰা চুলিখিনি একোছাকৈ, ওখকৈ ৰাবাৰ বেণ্ডেৰে বন্ধা। গোল মৰম লগা মুখখন। তাইৰ ধেনুভিৰীয়া চেলাউৰিৰ তলৰ উজ্জ্বল বহল চকুহালত বিস্ময়ৰ ৰেখা।

—নীলা। এইবাৰ বিদেশত আপোনজনক লগপোৱাৰ উত্তেজনাৰে শিবানী দৌৰি আহি নীলাক্ষিক সাবটি ধৰিলেহি।

—তুমি কেতিয়া আহিলা? কি শুনিছো এইবোৰ? শিবানীয়ে ইফালে-সিফালে চালে। তাৰ পাচত ক'লে—মই কালি আবেলি মাত্ৰ এই হোষ্টেললৈ আহিলোঁ। বহুত পলম হ'ল। দেউতাৰ বাইপাছ চাৰ্জাৰী এটা হ'ল নহয়, মা দিল্লীত আছিল, হাস্পতালত। দেউতাৰ স'তে। মই এমাহ আগতে আহি অৱশ্যে হোষ্টেলৰ ৱাৰ্ডেনৰ সৈতে কথা পাতি গৈছিলোহি। কালিহে বস্তু-বাহানি লৈ হোষ্টেল সোমালোহি। আজি মই এটা ৰুম পোৱাৰ কথা। কালি.....এস্, ইয়াত নকওঁ। ৱাৰ্ডেনে জানিলে কথাটো বেয়া হ'ব। এইবোৰ কথা আলোচনা নকৰিবলৈ কৈছে।

—ব'লা, আমাৰ ৰুমলৈ....নহয় ব'লা এক্কেবাৰে চাৰি তলাৰ চাদলৈ যাওঁগৈ। নীলাক্ষি কথাখিনি শুনিবলৈ যে ব্যগ্ৰ হৈ পৰিছে, তাইৰ ভাব-ভংগীৰ পৰাই বুজা গ'ল। শিবানীয়ে ভাস্বতীলৈ চালে। ভাস্বতী শান্ত হৈ ওচৰতে ৰৈ আছিল।

—অ'—তোমাক চিনাকী কৰাই দিয়া হোৱা নাই। এয়া ভাস্বতী। প্ৰিভিয়াছৰ। মোৰ এওঁৰ সৈতে বন্ধুত্ব বেছ জমি উঠিছে এইকেইদিনতে।

—নীলাক্ষি, তোমাৰ আগৰে পৰাই বহুত বন্ধু, প্ৰতিদিনেই তোমাৰ বন্ধু-বান্ধৱীৰ সংখ্যা বাঢ়ে। শিবানীয়ে কৈয়ে হাঁহি পেলালে। শিবানীৰ নিমজ গালৰ তলৰ ফালে স্পষ্ট ক'লা তিল এটা আছে। হাঁহিলে তিলটো বেছি স্পষ্ট হৈ শিবানীৰ হাঁহিত এক অন্য মাত্ৰা দিয়ে। ভাস্বতীয়ে শিবানীৰ মুখলৈকে চাই থাকিল। শিবানীয়ে চুলিকোছা খুলি, হাতেৰে সমান কৰি আকৌ এবাৰ ওখকৈ বান্ধিলে।

—Friendship improves happiness. এই কথাষাৰ মই বিশ্বাস কৰো সদায়। —নীলাক্ষীয়ে ক'লে। কথাপাতি সিহঁত তিনিও চিৰিৰে ওপৰলৈ খোজ ল'লে।

—কিন্তু নীলাক্ষি, তোমাক কেতিয়াবা বন্ধুৱেই আঘাত দিব চাবা—ইমান বেছি সংখ্যক বন্ধু ভাল নহয়। শিবানীয়ে ছিৰিয়াছ মুডত ক'লে।

—শত্ৰু আৰু মিত্ৰৰ ভূমিকাবোৰ পৰিস্থিতি সাপেক্ষে হয় শিবানী। এতিয়ালৈকে মই সেয়ে বন্ধুৰ পৰা বিপদত পৰা নাই। আৰু কি জানা? Better are the blows of a friend than the false kisses of an enemy, শত্ৰুৰ চুমা মোক নালাগে, বন্ধুৰ ভুকু এটাহে বিচাৰোঁ।

শিবানীয়ে হাঁহিলে। সিহঁত তিনি তলাৰ পৰা চাৰিতলাৰ চাদলৈ যোৱা চিৰি বগালে এইবাৰ। শিবানীয়ে হঠাতে অন্য কথা ক'বলৈ আৰম্ভ কৰিলে। 'ভাস্বতী, নীলাক্ষি তোমালোক দুয়োজনীকে সুধিছো, মানুহৰ শৰীৰৰ মঙহ চুবলৈ কেতিয়াবা উদ্বাউল হ'ব পৰা পৰিস্থিতিত পৰিছা নেকি?—নিশ্চয় নাই পৰা। কিন্তু মই যি ভয়ংকৰ দৃশ্য দেখিলো, মানুহৰ মন আৰু শৰীৰৰ সম্পৰ্কে কিছুমান আশ্চৰ্যজনক প্ৰশ্নৰ উদয় হ'বলৈ ধৰিছে। কাক সুধিলে ইয়াৰ মই উত্তৰ পাম ক'ব নোৱাৰোঁ।

সিহঁত তিনিওজনী আহি চাদৰ এটা প্ৰান্তত থিয় হৈছিলহি। ফট্‌-ফটীয়া ৰ'দৰ পোহৰত দূৰৰ অৰুণাচলৰ পাহাৰৰ শৃংগবোৰ নীল-সেউজৰ একা-বেঁকা মালাৰ দৰে উজ্জ্বল হৈ পৰিছে। চ'ত মাহৰ দুপৰীয়া। ৰ'দ চোকা। আকাশত চিলনী দুটামান উৰি ফুৰিছে। হোষ্টেলৰ বাউণ্ডেৰীৰ এমূৰে থকা সুবৃহৎ প্ৰৌঢ়া আমলখি জোপাত কোঁহপাত ওলাই কোমল সেউজীয়া হৈ পৰিছে। সিহঁত পানীৰ ৰিজাৰ্ভাৰ থকা ঠাইডোখৰৰ ছাঁত থিয় হ'লহি। ৱালখনত তিনিওজনীয়ে শৰীৰৰ ভৰকেইটা এৰি দিলে। এক বনৰীয়া চিনাকী সুবাস এটা বতাহত ওপঙি আহিছে। ভাস্বতীয়ে দীঘলকৈ উশাহ ল'লে—আমৰ মল নে কঠালৰ মুছি, তেনেকুৱা কিবা এটা গোন্ধ। ভাস্বতীৰ ঘৰলৈ মনত পৰিল। এই গোন্ধটো সিহঁতৰ ঘৰৰ বাৰীৰ পৰাও আহে। কথনাফুল বা তৰুৱা কদমো হ'ব পাৰে। যিয়েই নহওক, এইটো বসন্তৰ গোন্ধ। বসন্তৰ এটা নিজা গোন্ধ আছে। কুঁহিপাত, ফুল নে ফলৰ অংকুৰণৰ গোন্ধ সেয়া বসন্তই জানে। বহুপৰ মৌনতাৰ পাচত শিবানীয়ে আৰম্ভ কৰিলে—'কালি ৱাৰ্ডেনে ছয় নম্বৰ ৰুমত মোক থাকিবলৈ দিলে। শীতলা দত্ত নামৰ হিষ্ট্ৰী ডিপাৰ্টমেণ্টৰ ছিনিয়ৰ ছোৱালী এজনীৰ কোঠালি। সদ্যহতে তিনি চাৰি দিনমান দুজনী প্ৰিভিয়াছৰ নতুন ছোৱালী আছেহি। আৰু এখন খালি বিছনা মোৰ বাবে আছে। শীতলা বাইদেৱে মোক বৰ সুন্দৰ ব্যৱহাৰ কৰিলে। কিবা অসুবিধা হ'লে জনাবলৈ ক'লে। শীতলা বাউদেউ বেছিদিন নাথাকে। যোৱাবাৰ ফাইনেল পৰীক্ষা বেয়া হ'ল। সেইবাবে পৰীক্ষা দিয়েই ঘৰলৈ ঘূৰি যাব। আৰু মাত্ৰ দুটা পৰীক্ষাহে বাকী আছে।

নিশা কিমান হৈছিল মনত নাই। হঠাৎ মোৰ টোপনি ভাঙি গ'ল, মোৰ গাৰ ওপৰত আৰু এটা মানৱী শৰীৰ। এক অদ্ভুত শাৰীৰিক স্পৰ্শ! মোক এক কোমল অথচ সাপৰ বেষ্টনীৰ দৰেই দৃঢ় শৰীৰে চেপি ধৰিলে। সপোন নে দিঠক একো মই বুজিব পৰা নাছিলোঁ। অণ্ঠ-কণ্ঠ শুকাই গৈছিল। এই আবেষ্টনীৰ পৰা মুক্তি পাবলৈ মই শৰীৰটো দুইহাতেৰে ঠেলি অনুভৱ কৰিছিলো এয়া উদং বক্ষৰে কোনো নাৰী। আন্ধাৰত একোকে মনিব নোৱাৰি। কিন্তু এই অদৃশ্য নাৰীৰ তপত নিশ্বাস আৰু সৰ্পিল চুম্বনে মোক ক'লে—It's a truth—সঁচাকৈয়ে এগৰাকী নাৰী এই মুহূৰ্তত উন্মাদ হৈ পৰিছে আন এগৰাকী নাৰীৰ শৰীৰ স্পৰ্শৰ বাবে। তেওঁ মোৰ কাণৰ কাযত ফিচ্‌-ফিচাই কৈছে—চুপ থাকা—একো নহয়, তোমাৰ একো অপকাৰ কৰিব নোৱাৰোঁ। প্লীজ মোক এইদৰে অলপ সময় থাকিবলৈ দিয়া....। মই এক ভয়াৰ্ত চিঞৰৰ মাৰি প্ৰচণ্ড শক্তিৰে সেই নাৰীদেহ ঠেলা মাৰি পঠিয়ালোঁ। আঁঠুৱাৰ ষ্টেণ্ডডাল ভাগি পৰিল। এই শব্দ, চিঞৰ-বাখৰৰ মাজত তৎক্ষণাৎ সেই নাৰীদেহ মোৰ বিছনাৰ পৰা উঠি গ'ল। মই খেপিয়াই-খেপিয়াই আঁঠুৱাৰ পৰা মুক্তি পাবলৈ বাট বিচাৰি চিঞৰিলো—লাইট জ্বলোৱা—লাইট জ্বলোৱা। আমাৰ কোঠাৰ আন দুগৰাকী, নিশা তালুকদাৰ আৰু বিভাই ক'ত কি হৈছে ধৰিব নোৱাৰি মোকেই চিঞৰিলে। নিশাৰ বিছনাৰ ওচৰতে চুইছ ব'ৰ্ড। তাই খেপিয়াই লাইট জ্বলালে। নিশা আৰু বিভাই বিছনাৰ পৰা

দৌৰি অহাৰ দৰে আহি মোক আঁঠুৱাই মেৰাই ধৰা অৱস্থাৰ পৰা উদ্ধাৰ কৰিলেহি। কিন্তু আচৰিত কথা শীতলা বাইদেৱে তেতিয়াও সাৰ পোৱা নাই। মই দেখিলো, শীতলা বাইদেউৰ আঁঠুৱাৰ এটা মুৰ সম্পূৰ্ণ বাহিৰলৈ ওলমি আছে। খৰ ধৰকৈ বিছনাত উঠি, আঁঠুৱা ভালকৈ তোচকৰ তলত গুজিব নোৱাৰিলে। মই তেওঁক হেঁচুকি উঠালো—শীতলা বাইদেউ, ভাও ধৰিব নালাগে। উঠক। তেওঁ একো নুবুজাৰ দৰে মোলৈ চালে। মোৰ খুব খং উঠিছিল। মই তৎক্ষণাতে ক'লো—আপোনাৰহে একমাত্ৰ চুটি চুলি। আমাৰ তিনিওজনীৰ চুলি পিঠিলৈকে দীঘল।

তাৰ পিচত?—নীলাক্ষিয়ে উৎকণ্ঠাৰে সুধিলে।

তাৰ পিচত কি হ'ব? মোকেই শীতলা বাইদেৱে গালি পাৰিলে। নিশা আৰু বিভাই ক'লে—'ক'তা? শীতলা বাইদেউৰ কোঠালিত যোৱা এসপ্তাহ কটালো আমি—আমাৰ এনেকুৱা একো ঘটনা ঘটা নাই।' মোৰ সকলোৰে ওপৰত সন্দেহ হ'ল বুজিছা। মই সপোন দেখা নাছিলোঁ। সজ্ঞানে মই শীতলা বাইদেউকে দেখিছিলোঁ। তেওঁৰ বয়জকাট্ চুলিৰ মূৰটো দুইহাতে মই ঠেলিছিলো—মই পাগলো হোৱা নাছিলো, সপোনো দেখা নাছিলোঁ। মই ক'লো যে মই ৱাৰ্ডেনক এই কথা ক'ম। কিন্তু আচৰিত কথা যেতিয়াই ৱাৰ্ডেনৰ নাম ল'লো—শীতলা বাইদেৱে মোৰ হাত দুখনত ধৰি ক'লে—চোৱা, এইবিলাক ভাল কথা নহয়। মিছাকৈ তোমাৰো বদনাম-মোৰো বদনাম। কথাবোৰ লুকাই নাথাকে, হোষ্টেলত আমিহে লাজত পৰিম। মোৰ খং উঠিল। ক'লো—মই আকৌ কিয় লাজ কৰিম? বদনাম-চদনাম মই কেয়াৰ নকৰো—মই ৱাৰ্ডেনক ক'মেই। নহ'লে এই কোঠালিত মই থাকিব নোৱাৰোঁ।

তাৰ পিচত?—নীলাক্ষিৰ উৎকণ্ঠা বাঢ়ি গৈছে।

পুৱাই ৱাৰ্ডেনক ক'লোঁ। ৱাৰ্ডেনে আমাক আটাইকেউজনীকে মাতিলে। নিশা আৰু বিভাকো সুধিলে। সিহঁতৰ এনে অভিজ্ঞতা হোৱা নাই বুলি ক'লে। কিন্তু বাইদেৱে শীতলা বাইদেউক যি ক'লে, সেয়া শুনিহে মই আচৰিত হ'লো—

কি ক'লে!—এইবাৰ ভাস্বতীয়ে শিবানীৰ কাষ চাপি সুধিলে।

'শীতলা। তুমি মোক কথা দিছিলা। এয়া হোষ্টেল। তোমাক ৱাৰ্ণিং দিওঁতেও নুশুনিলা। এটা বছৰ লোকচানো কৰিলা। কালি আকৌ এই ঘটনা কিয় কৰিলা?' ৱাৰ্ডেনে কথাকেইটা কোৱাৰ লগে লগে, শীতলা বাইদেউৱে চকুপানী মছিলে। কি ক'লে জানা? ক'লে—বাইদেউ বিশ্বাস কৰক, নিশা আৰু বিভাকো সোধক, মই সিহঁতক এনেকুৱা কিবা কৰিছো নেকি! কিন্তু কালি কি হ'ল মই ক'বই নোৱাৰিলোঁ। বহু চেষ্টা কৰিও মই নিজক ক'ণ্ট্ৰলত ৰাখিব নোৱাৰিলোঁ। শিবানীৰ যে গালৰ তিলটো... মোৰ খুৰীৰো গালত মাহ এটা আছিল।

'—হ'ব-হ'ব' বুলি ৱাৰ্ডেনে শীতলা বাইদেউক কথা ক'বলৈ নিদি ক'লে—দুটা পৰীক্ষা দিয়েই ঘৰলৈ যোৱাগৈ।' 'মোক ৱাৰ্ডেনে বেলেগ কোঠা বন্দোৱস্ত কৰি দিব বুলি ক'লে।'

পৰিৱেশটো গহীন হৈ গ'ল। নীলাক্ষিয়ে বহু পৰৰ পিচত ক'লে—তাৰমানে ৱাৰ্ডেনে শীতলা বাইদেউৰ কথা জানে। মোৰ কিন্তু খুব কৌতূহল হৈছে। ভাস্বতী, কি ৰহস্য আছে খুৰী আৰু শিবানীৰ গালৰ তিলটোৰ মাজত?

—ময়ো তাকেই ভাবি আছোঁ। ইয়াৰ ৰহস্য ভেদ কৰিবই লাগিব। শীতলা বাইদেউৰ সৈতে অলপ বন্ধুত্ব কৰিব লাগিব।

—তোমালোক কেনেকুৱা অদ্ভুত চৰিত্ৰৰ? মই সেই শীতলাৰ পৰা পৰিত্ৰাণ পাবলৈ উত্ৰাৱল হৈছোঁ, আৰু তুমি তেওঁৰ সৈতে বন্ধুত্ব কৰিব খুজিছা—তুমিও তাৰ মানে... শিবানীয়ে সন্দেহেৰে ভাস্বতীলৈ চাই দুখোজ পিছুৱাই গ'ল। নীলাক্ষি হাঁহিত ফাটি পৰিল। শিবানীক ক'লে—তুমি ছাঁটোকে এতিয়া বাঘ দেখিবা। ব'লা এতিয়া। সিহঁত নিমাতে চাদৰ পৰা নামি আহিল। বাকী ছোৱালীয়ে শিবানী আৰু নীলাক্ষিহঁতলৈ কৌতূহলেৰে দৃষ্টি নিক্ষেপ কৰা দেখি, ভাস্বতীহঁতৰ বুজিবলৈ বাকী নাথাকিল যে এই ঘটনাটো গোপনে ৰাষ্ট্ৰ হৈ গৈছে হোষ্টেলত।

✧ ✧ ✧

যোৱা নিশা ধুমুহা বতাহ পাৰ হৈ গ'ল। ব'হাগ অহাৰ প্ৰথম সংকেত দি, বৰষুণজাকে গছ-বনবোৰত যেন যৌৱন জগাই থৈ গ'লহি। সদায় দেখা গছ-পাত, বননি সকলো পুৱাৰ ৰ'দত জ্বল-মল কৰিছে। ভাস্বতীয়ে বেলকনিলৈ ওলাই আহি ছেম্প' কৰা তিতা চুলিকোছা মেলি দিলে। মৃদু বতাহে তাইৰ ডাঠ, দীঘল চুলিখিনি উৰুৱাই দিলে। হঠাতে তাই দেখিলে প্ৰদ্যুতক। প্ৰদ্যুৎ বৰুৱা। যোৰহাটৰ। প্ৰদ্যুৎ ইয়াত কেনেকৈ? নিশ্চয় তাইক বিচাৰি আহিছে। আচৰিত! ভাস্বতীৰ অভিমান হ'ল। কিন্তু নহয়। ল'ৰাজনৰ চেহেৰাটো প্ৰদ্যুতৰ দৰে। কাৰোবাৰ ঘৰ সুধি পোন ৰাস্তাৰে হোষ্টেলৰ আগেৰেই গুচি গ'ল।

যোৱা তিনিমাহে প্ৰদ্যুতৰ খবৰ নাই। অথচ যোৱা তিনিটা বছৰত প্ৰদ্যুৎ তিনিটা দিনো ভাস্বতীৰ খবৰ নোলোৱাকৈ থকা নাছিল। সকলোতে ৰাষ্ট্ৰই হৈছে ইতিমধ্যে—প্ৰদ্যুৎ-ভাস্বতীৰ প্ৰেম। দেখুৱাই সিহঁতে বন্ধুৰ ভাও দিয়ে। প্ৰদ্যুৎ নতুন চাকৰিত জইন কৰিয়েই নাপাত্তা। অৰুণাচলত পষ্টিং। ভাস্বতীয়ে ডিব্ৰু বিশ্ববিদ্যালয়ত ভৰ্ত্তি হোৱাৰ খবৰ এটা ক'ৰবাত পাই, চিঠি এখন পঠাইছিল ঘৰলৈ। ভাস্বতীৰ ঘৰৰ পৰা পুনৰ পঠাই দিয়া হৈছিল চিঠিখন হোষ্টেলৰ ঠিকনাত। অন্তৰৰ সমগ্ৰ আৱেগেৰে ভাস্বতীয়ে চিঠিখন খুলি দেখিলে মাত্ৰ শব্দ কেইটামান—

—বাঃ বঢ়িয়াতো! ডিব্ৰুগড়ৰৰ পৰা মোৰ থকা ঠাই ৰয়িঙলৈ ওচৰ। পাৰিলে মই ডিব্ৰুগড়লৈ ট্ৰেন্সফাৰ ল'ম ব'বা। ইতি—প্ৰদ্যুৎ। ভাস্বতীৰ চিঠিখন পায়ে খণ্ডে মুৰৰ চুলি আগ পালেগৈ। মুখৰ ভিতৰতে প্ৰদ্যুতক উদ্দেশ্য কৰি গালি পাৰিলে। যোৱা তিনিমাহে

এটা খবৰ নাই। ডিব্ৰু বিশ্ববিদ্যালয়ত তাই থকাৰো ডেৰমাহ হৈ গ'ল। প্ৰত্যেক দিনাই তাই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিল, আজি নিশ্চয় প্ৰদ্যুতৰ এখন চিঠি আহিব। লাহে লাহে তাই হতাশ হৈ আহিছিল। হতাশাৰ লগে লগেই ভাস্বতীয়ে আবিষ্কাৰ কৰিছিল, এক নতুন অনুভৱ। কিয় এই হতাশা? কিয়? প্ৰদ্যুৎ তাইৰ বন্ধুহে। খুব ভাল বন্ধু। প্ৰদ্যুতে এদিন কৈছিল 'বুজিছ তোক লগ পাবলৈকে এইদৰে যে আহোঁ সকলোৰে আমাৰ কিবা প্ৰেম-তেম আছে বুলি ভাবে। ভাস্বতীয়ে তপৰাই ক'লে—তোৰ সৈতে যিজনীৰ প্ৰেম হ'ব, তাইৰ চকু থাকিও খালত পৰিব, মগজু থাকিলেও বিকৃতি ঘটিব লাগিব। সেই কথাবোৰ আনে নাজানে নেকি? প্ৰদ্যুতেও খঙতে কৈছিল—তোকো যিটোৱে বিয়া কৰাব, তাৰ জীৱন আৰু মৰণ একে কথা। তোক বিয়া কৰোৱাটোৱে হয় পুখুৰীত জঁপিয়াই আত্মহত্যা কৰিব লাগিব, নহয় সন্ন্যাসী হৈ সংসাৰৰ মায়া এৰি হিমালয়লৈ যাত্ৰা কৰিব লাগিব। ভাস্বতীৰ কথাবোৰ মনত পৰি হাঁহি উঠিল। এই প্ৰদ্যুতৰ যোৱা তিনিমাহে খবৰ নাপাই তাই কিয় ইমান হতাশাত ভুগিছে! প্ৰদ্যুতৰো এনেকুৱা হৈছেনে? নিশ্চয় নাই হোৱা। হোৱা হ'লে যেনে-তেনে এবাৰ আহিলহেঁতেন। ভাস্বতীৰ বুকুখন গধুৰ হৈ আহিল। এক বোবা ক্ৰন্দন বুকুৰ ভিতৰত অহা-যোৱা কৰি তাইক বিহ্বল কৰি পেলাইছে। কিয় এই আচৰিত অনুভৱ! প্ৰদ্যুতৰ বাবে আগেয়ে এনে কেতিয়াও হোৱা নাছিল। তাই অনুভৱ কৰিলে, চকুযোৰ তাইৰ সেমেকিছে। ভাস্বতীয়ে এইবাৰ বেলকনিৰ পৰা নিজৰ কোঠালিলৈ সোমাই গ'ল।

(আঠ)

একধৰণৰ মিশ্ৰিত অনুভূতিৰে ভাস্বতীৰ ডিব্ৰু বিশ্ববিদ্যালয়ত এমাহ পূৰ হ'বৰ হ'লহি। তাই নতুন কোঠালিত প্ৰথমে মন বহুৱাবই পৰা নাছিল। নীলাক্ষি, নীনা, লুটফা, শেৱালি সকলো বেলেগ বেলেগ ৰুমৰ বাসিন্দা হৈ পৰিল। ভাস্বতীৰ এটা প্ৰকাণ্ড হল ঘৰত থকাৰ ব্যৱস্থা হ'ল। তিনিজনী নতুন সহপাঠিৰ সৈতে দেখা দেখি হ'ল। গোলাঘাটৰ অনুৰেখা, ভাৱনা আৰু জাঁজীৰ ৰীণা। ৰীণা গুৱাহাটীৰ বি বৰুৱা কলেজৰ পৰা অসমীয়াত বি এ পাছ কৰি আহিছে। প্ৰথম কথা-বতৰা পাতিয়েই ভাস্বতীয়ে বুজিলে, অন্ততঃ ছোৱালী তিনিজনীৰ সংগ বিৰক্তিকৰ নহ'ব। যোৱা এটা মাহত ভাস্বতীয়ে ৰন্ধ্ৰে ৰন্ধ্ৰে উপলব্ধি কৰিছে, যি ল'ৰা-ছোৱালী হোষ্টেলত থকা নাই, তেওঁ জীৱনৰ বহু বিচিত্ৰ অভিজ্ঞতাৰ পৰা বঞ্চিত। বিভিন্ন চৰিত্ৰ, বিভিন্ন ব্যক্তিত্ব আৰু বিচিত্ৰ 'মুড' বহনকাৰী নানা ঠাইৰ ছোৱালীবোৰৰ সৈতে খাপ খুৱাই একেটা ঘৰৰ বাসিন্দা হৈ থকাতো এক কঠিন পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ দৰে। এইকেইদিনতে ভাস্বতীয়ে বুজি উঠিছে, অচিনাকী ছোৱালী এজনীৰ সৈতে হঠাতে একেলগে একেটা কোঠালিতে থাকিবলৈ আৰম্ভ কৰি দিওঁতে কিমান এৰা-ধৰা, সহ্য শক্তি আৰু বিবেচনাৰ প্ৰয়োজন হয়।

নতুন কোঠালিত ভাস্বতীয়ে দুনিশা পাৰ কৰিলে। এই দুদিনতে তাই কোঠালি সংগী তিনিগৰাকীৰ স্বভাৱ-চৰিত্ৰ প্ৰায় বুজি উঠিছে। ভাৱনা ছোৱালীজনী নিমাখিত স্বভাৱৰ। আটাইকেউজনীৰ ভিতৰত ভাস্বতীয়েই কথা বেছি কয়। ৰীণাও কথা চহকী। বগী, চুটি-চাপৰ, কজলা চকুৰ মণিৰে ৰীণাৰ ব্যৱহাৰ বন্ধুত্ব সুলভ। ভাস্বতীয়ে কথা বেছিকৈ নকওঁ বুলি ভাবিলেও, কথাৰ টেমাৰ সাফৰখন কেতিয়া খুলি যায় গম নাপায়। ৰীণাই ভাস্বতীক বেছ সহযোগ কৰে। অনুৰেখাৰ হাঁহি বেছ উপভোগ কৰে ভাস্বতীয়ে। অনুৰেখাৰ 'হিউমাৰ চেন্স' আছে। অনুৰেখাই সৰু কথাতে বাগৰি বাগৰি হাঁহে। চকুপানী মচি মচি হাঁহে। ভাস্বতীৰ তেতিয়া খুব ভাল লাগে। প্ৰাণ খুলি হাঁহিব সকলোৱে নোৱাৰে। বিশ্ববিখ্যাত বিজ্ঞানী আইনষ্টাইনেও কৈছিল, 'হাঁহিমুখীয়া মানুহ দেখিলে মই 'ৰিলেক্স' অনুভৱ কৰোঁ।' ভাস্বতীয়ে বহুত মানুহ লগ পাইছে, যি ভাকুত-কুটালেও হাঁহিব নোৱাৰে। মিচিকি হাঁহিৰ ৰেশ তেওঁৰ ওঁঠত থাকিলেও এক ৰহস্যময় অৰ্থ বহন কৰি থাকে। ভাস্বতীৰ পঢ়া কলেজখনৰ ইংৰাজীৰ অধ্যাপক এজন এনেকুৱা আছিল। ভাস্বতীৰ কলেজৰ সহপাঠি সুদেষ্ণাই এদিন কেণ্টিনৰ আড্ডাত চেলেঞ্জ কৰি দিছিল ' নায়াৰ ছাৰে যিদিনা ক্লাছত মিচিকিয়াই হাঁহিব, মই গৈ চুমা খাই দিম।' ভাস্বতীৰ চকু কপালত উঠিল সুদেষ্ণাৰ প্ৰত্যাহ্বান শুনি। তায়ো বেট্ লগাই দিলে। 'মই স্কলাৰশ্বিপৰ তিনিমাহৰ টকা দিম তোক।' সুদেষ্ণা আৰু ভাস্বতীৰ বেট্‌ৰ সাক্ষী ৰ'ল দহজনী ছোৱালী। তাৰ পাচত প্ৰতীক্ষা আৰু প্ৰতীক্ষা। নায়াৰ ছাৰে কি পঢ়াইছে ক্লাছত

কাৰো কাণত নোসোমোৱা হ'ল। কেৱল আটাইবোৰে পঞ্চলিছ মিনিট অধীৰ অপেক্ষাৰে নায়াৰ ছাৰৰ মুখলৈ চাই থাকে। কিজানি ঈষৎ হাঁহিৰ ৰেঙনি নায়াৰৰ ওঁঠত খেলি যায়। কথাটো গোটেই কলেজতে ৰাষ্ট্ৰ হৈ গ'ল। সুদেষ্ণাৰ ভয় বাঢ়ি গ'ল। কি ঠিক, যদি নায়াৰ ছাৰৰ কাণত কথাটো পৰেগৈ। যিমানে হওক, সুদেষ্ণাৰ দৰে ধুনীয়া ওঁঠৰ বছৰীয়া ছোৱালী এজনীৰ এটা চুমা যেমালি কথা নহয়। যদি কোনোবা দিনা সঁচাকৈয়ে নায়াৰ ছাৰে ক্লাছত তেওঁৰ মহাৰ্ঘ্য হাঁহি এটা চুমাৰ আশাত দি দিয়ে। ভয়ে ভয়ে এদিন সুদেষ্ণাই ভাস্বতীক ক'লে—এটা কথা, তই মোৰ চেলেঞ্জটো পাহাৰি যানা।

ঃ কিয় ? ভাস্বতীয়ে সুধিছিল।

ঃ আন কোনো পুৰুষক চুমা খাই পোৱা নাই এতিয়ালৈকে। জীৱনৰ প্ৰথম চুমা নায়াৰ ছাৰৰ দৰে ওফোন্দা মুখৰ আদবুঢ়া এটাক দিব লগাটো মোৰ জীৱনৰ কম ট্ৰেজেডী হ'বনে! স্ফূৰ্তিতে কোৱা কথা—ইমান চিৰিয়াছ বেট্ হৈ যাব বুলি ভবাই নাছিলো।— সুদেষ্ণাৰ বিমৰ্ষ কথা কেইটা শুনি ভাস্বতীয়ে বাগৰি বাগৰি হাঁহিছিল। ভাস্বতীয়ে কথা দিছিল 'ঠিক আছে- ঠিক আছে। মই উঠাই ল'লো বাৰু সকলো।' কিন্তু চাৰিটা বছৰ পাৰ হৈ গ'ল। সঁচাকৈয়ে নায়াৰ ছাৰে কোনো দিন নাহাঁহিলে। নায়াৰ ছাৰক কোনেও হঁহা নেদেখিলে ক্লাছতো, ক্লাছৰ বাহিৰতো। মন্ত্ৰীৰ লগত থকা দেহৰক্ষীৰ মুখৰ দৰেই সদা নিৰ্লিপ্ত এখন মুখ। কি ভাবিছে, কি চাইছে একো ধৰিব নোৱাৰি। ভাব-লেশহীন মুখৰ ওঁঠ দুখনৰ ফাঁকেৰে অট'মেটিক বন্দুকৰ গুলীৰ দৰে শব্দবোৰ ওলাই থাকে পঞ্চলিছ মিনিটলৈ। বে'ল পৰাৰ লগে লগেই কিতাপ জপাই তেওঁ গুচি যায় ক্লাছৰ পৰা। সুদেষ্ণা ইংৰাজীত বৰ ভাল আছিল। ডিষ্টিংশ্যন লৈ, ইংৰাজীত সৰ্বোচ্চ নম্বৰেৰে পাছ কৰাৰ পিচত নায়াৰ ছাৰক সুদেষ্ণাই লগ ধৰি কৈছিল—'থেংকিউ ছাৰ। ইট ইজ হেপেনড্, অনলি ফৰ ইয়ৰ এফৰ্ড।' নায়াৰ ছাৰে কৈছিল—ইট ইজ নট হেপনড্, আই ৰাজ চিয়ৰ এবাউট ইট্। য়ু আৰ ব্ৰিলিয়েণ্ট, কিপ য়'ৰ বিউটিফুল স্মাইল অব চাক্‌চেছ অলৱেজ।' সুদেষ্ণা অবাক হৈ গৈছিল। তাৰমানে নায়াৰ ছাৰে হাঁহি ভাল পায়! নিৰ্বিকাৰ মুখেৰে কোৱা নায়াৰ ছাৰৰ হাঁহিৰ ব্যাখ্যা সুদেষ্ণাই ভাস্বতীক দিছিলহি। হাঁহিব নোৱাৰা মানুহৰ বাবে সুদেষ্ণাৰ প্ৰথমবাৰৰ বাবে দুখ লাগিছিল।

হোষ্টেলৰ নিশা ভাত খোৱাৰ পিচৰ আড্ডাত, কলেজৰ নায়াৰ ছাৰৰ হাঁহিৰ কথা কৈ থাকোতেও অনুৰেখাই বাগৰি বাগৰি হাঁহিছিল। হাঁহি হাঁহিয়েই কৈছিল আমাৰ বৰুৱা ছাৰে কথাটো জানিলে সৰ্বনাশেই।'

—কিয়-কিয়—? আটাইকেউজনীয়ে কৌতূহলেৰে সুধিছিল।

—বৰুৱা ছাৰে ক্লাছত ধুনীয়া ছোৱালীকেইজনীলৈ চাইহে বুজায় যায়। মাজে মাজে মিচিকিয়াই সিহঁতলৈকে চাই হাঁহি থাকে।

—তোমালৈ চাইনে নাচায় ? ভাস্বতীয়ে সুধিছিল।

—নাই, কোনোদিন চোৱা নাই।

—তেন্তে কি হ'ব এতিয়া? ৰীণাই সুধিলে। কৌতুকত ৰীণাৰ চকু-মুখ জ্বল-মল।

—মই ভাস্বতীহঁতৰ নায়াৰ ছাৰৰ গল্পটো ক'ম বুলি ঠিক কৰিছোঁ। কিজানি চুমা এটা পোৱাৰ আশাত বৰুৱা ছাৰে অলপ স্বভাৱ সলনি কৰেই।

—চেলেঞ্জটো তুমিয়েই কৰিবানে? ভাস্বতীয়ে সুধিলে।

—নাই-মই তেনেকুৱা চেলেঞ্জ কৰিলে বৰুৱা ছাৰে নাহাঁহে সেয়া ঠিক। গীতাশ্ৰীয়ে সেই চেলেঞ্জ ল'ব লাগিব।

—গীতাশ্ৰী?

—অ—আমাৰ ক্লাছৰ আটাইতকৈ ধুনীয়া তাই। বৰুৱা ছাৰৰ চকুহাল তাইৰ মুখত আঠা লাগি থাকে। আৰু গীতাশ্ৰীয়ে গোটেই ক্লাছটো কিতাপৰ পাতৰ পৰা মূৰ ওপৰ নকৰে, নতুবা একান্ত মনে নোট্‌চ লেখি থাকে অস্বস্তিত।

হোষ্টেলৰ কোঠাত ছাত্ৰ-ছাত্ৰীৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰীৰ আচাৰ-ব্যৱহাৰ, ব্যক্তিত্বৰো সৰস আলোচনা চলে। ভাস্বতীৰ বেয়া লগা নাই। ভাৱনাই সিহঁতৰ কথাবোৰ শুনি মাত্ৰ মিচিক-মাচাক হাঁহি থাকে। জেনেৰেল ফ্ৰেছাৰ্চ হ'চিয়েল হৈ নোযোৱালৈকে পঢ়াৰ চাপ কম। শ্ৰেণীবোৰ ভালদৰে আৰম্ভ হোৱাই নাই। গতিকে এয়াই উপযুক্ত সময় বন্ধু-বান্ধৱীৰ সৈতে মিলামিছা কৰাৰ, কেণ্টিনত ঘণ্টাৰ পিচত ঘণ্টা আড্ডা দিয়াৰ। কিন্তু ছিনিয়ৰৰ পৰা ভয় নথকা নহয়; য'তে-ত'তে ছিনিয়ৰে কৈ পঠাই—'তুমি আহিবাচোন আমাৰ ক্লাছলৈ, বাৰ বাজি পোন্ধৰ মিনিটত। তোমাৰ সৈতে চিনাকী হ'ম।' লগে লগেই মুখ শুকায় যায় সকলোৰে।

বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণিলৈ মাত্ৰ দুটা দিন বাকী। ভাস্বতীয়ে বেছ কায়দা কৰি, ডিপাৰ্টমেণ্টৰ ছিনিয়ৰৰ চকুৰ পৰা আঁতৰি ফুৰিছে। কিন্তু শেষ ৰক্ষা নহ'ল। সীমা পাল নামৰ মৰমলগা মুখৰ, সকলোৰে সৈতে বন্ধুত্ব কৰি ফুৰা ছিনিয়ৰ ছোৱালী গৰাকীয়ে ভাস্বতী সমাজশাস্ত্ৰৰ ডিপাৰ্টমেণ্টটোলৈ সোমাই যাওঁতেই আগভেটি ধৰি ক'লে—ভাস্বতী, তুমি আৰু দুটামান নতুন ল'ৰা-ছোৱালী আমাৰ সকলোৰে সৈতে চিনাকী হোৱা নাই। আজি আহিবা। এঘাৰ বজাত। একো চিন্তা নকৰিবা। মই থাকিম নহয়। আমি একে ডিপাৰ্টমেণ্টৰ হৈ মিলা-মিছা নকৰিলে কেনেকৈ হ'ব? নহয় জানো?

ভাস্বতীয়ে মূৰ দুপিয়ালে। সীমাই হাঁহি মাৰি ক'লে—তুমি আৰু নিশা ফুকন লুকাই লুকাই ডিপাৰ্টমেণ্টৰ পিচফালে অহা-যোৱা কৰা মই কিন্তু দেখিছিলো। পিচে কাকো কোৱা নাছিলো।

ভাস্বতীয়ে তলমূৰ কৰিলে। সীমা পাল খৰ খোজেৰে নিজৰ ক্লাছৰুমৰ ফালে বিজয়ীনিৰ হাঁহি মুখত লৈ গুচি গ'ল।

✧ ✧ ✧

ক্লাছৰুমৰ বিশাল ব্লেকব'ৰ্ডৰ কাযত ভাস্বতী থিয় হৈ থাকিল। সন্মুখত প্রায় চল্লিছজনমান ছিনিয়ৰ ল'ৰা-ছোৱালীৰ গম্ভীৰ মুখ। ভাস্বতী অস্বস্তিৰে থিয় হৈ আছে।

ঃ কেশৱ চাংকাকতি মোৰ নাম। হঠাতে সন্মুখত বহি থকা গোলমুখৰ শকত ল'ৰাজন থিয় হৈ ক'লে। ভাস্বতীয়ে নমস্কাৰ জনালে।

ঃ মই সকলোকে চিনাকী কৰি দিছো ৰ'বা—এয়া ৰাজীৱ বৰা, পাৰ্থ ভট্টাচাৰ্য, বিনোদ শইকীয়া, সীমা পাল, নীলাঞ্জনা চক্ৰৱৰ্ত্তী..... ভাস্বতীয়ে নামবোৰ মাত্ৰ শুনি নমস্কাৰ দি গ'ল।....সত্যকাম গগৈ শেষৰ ল'ৰাজন থিয় হোৱাৰ লগে লগে ভাস্বতীৰ নমস্কাৰ পৰ্বও শেষ হ'ল। তাৰ পাচতে কেশৱে ক'লে—তোমাৰ মে'মৰি টেষ্টিং হ'ব এতিয়া—কোৱা কোন জনৰ কি নাম? ভাস্বতীৰ মুখত ঘামৰ বিন্দু বিৰিঙি উঠিল। তাই তথাপিও ক'বলৈ যত্ন কৰিলে—আপোনাৰ নাম কেশৱ, তেওঁ সীমা পাল, বিনোদ.....সত্যকাম....আৰু....আৰু ... ভাস্বতীৰ সকলো খেলি-মেলি হৈ গ'ল। নাম আৰু মানুহ ভুল হৈ গ'ল। আটাইবোৰে গিৰ্জনী মাৰি হাঁহিলে।

—কেনেকৈ বি এ পাছ কৰিলা ভাস্বতী? তোমাক নিশ্চয় কিতাপ মেলি পৰীক্ষা দিবলৈ দিছিল দেই।

নীলাঞ্জনা নামৰ ছোৱালীজনীয়ে ক'লে। ভাস্বতীৰ কাণ-মূৰ ৰঙা হ'ল। এইবাৰ বিনোদ আগবাঢ়ি আহি ক'লে—ষ্টপ—ষ্টপ। তহঁতে এনেকুৱা নকৰিবি তেওঁক। মোৰ খুব বেয়া লাগি গৈছে। আচ্ছা ভাস্বতী, তুমি আমাৰ ভিতৰৰ ল'ৰা কাক ভাল দেখিছা? মোক নহয় জানো?

—আৰে্ —মই —মোক বেয়া দেখিছা? কেশৱ আগবাঢ়ি আহিল।

কেবাটাও ল'ৰা থিয় হ'ল একেই প্ৰশ্ন কৰি।

ভাস্বতী কেতিয়াও ইমান নাৰ্ভাছ হোৱা নাছিল। তাই কোনোমতে ক'লে—মই সকলোকে ভাল দেখিছোঁ।

—বিয়া কৰাবলৈ ক'লে কাক কৰাবা? বিনোদে কৌতুকেৰে সুধিলে।

এইবাৰ ভাস্বতীয়ে পোনপতীয়াভাৱে ক'লে—আপোনাক।

বিনোদে এনেকুৱা উত্তৰ পাম বুলি কল্পনা কৰিব পৰা নাছিল। পিচে সি বৰ বুধিয়কভাৱে নিজক চম্ভালি ক'লে—শুনা, সীতাক পাবলৈ ৰামে হৰধনু ভংগ কৰিছিল। অৰ্জুনে লক্ষ্যভেদ কৰিছিল। মোক বিয়া কৰাবলৈ তুমি এটা চৰ্ত পূৰাব লাগিব। ভাস্বতীয়ে ভয়ে ভয়ে চালে ল'ৰাটোলৈ। ক্ষীণ, দুষ্ট কৌতুকভৰা চকুৰে ল'ৰাটো। কপাললৈকে চুলিবোৰ পৰি থাকে। কপালৰ চুলি আঁতৰাবলৈ মাজে মাজে মূৰটো জোকাৰি থকা অভ্যাস হৈ গৈছে।

—শুনা, তুমি মেমৰি টেষ্টিঙত ফেইল কৰিছা। তাৰ বিপৰীতে মেমৰি তোমাতকৈ মোৰ ভাল। মই চোকা ল'ৰা বুলি সকলোৱে কয়—ৰিজাল্টেও কয়। তোমাৰ সামান্য যোগ্যতা প্ৰমাণ নোহোৱাকৈ মোক বিয়া কৰাব খুজিলেও নোৱাৰা। তোমাৰ এটা পৰীক্ষা

লওঁ। এক ছেকেণ্ডত তুমি এটা ছবি আঁকা। কিন্তু অৰ্থপূৰ্ণ ছবি হ'ব লাগিব। এয়া চক্ পেঞ্চিল লৈ ব'ৰ্ডলৈ যোৱা। মই ঘড়ী চাই 'গ' বুলিলেই আঁকিবা। মনত ৰাখিবা একছেকেণ্ড সময় মাত্ৰ। ভাস্বতীয়ে একমুহূৰ্ত কিবা এটা ভাবিলে, তাৰ পাচত ক'লে—ঠিক আছে হ'ব। কিন্তু আপুনি যদি সুবিচাৰক, তেন্তে মোকো এটা সুবিধা দিব লাগিব।

—কি সুবিধা?

—আপুনি একছেকেণ্ডত এটা 'জ'ক' কৈ শুনাব লাগিব। কাৰণ মই 'হিউমাৰ চেন্স' থকা ল'ৰা এজন বিয়া কৰাম বুলিহে মনত আশা পুহি ৰাখিছিলো।

ঃ 'খেলখন বেছ জমিছে দেই' কেশৱে মন্তব্য দিলে।

সীমাহঁতে চিঞৰি উঠিল—বিনোদ লৈ ল চেলেঞ্জ। নহ'লে হাৰি যাম আমি। বিনোদে বোধহয় কল্পনাও কৰা নাছিল এনেকুৱা খেল এখন যে হ'বগৈ। সি অলপ থেৰো-গেৰো কৰি ক'লে—হ'ব। এতিয়া তোমাৰ পাল। সকলোৰে উৎকণ্ঠা বাঢ়ি গ'ল।

ঃ মাই গড়—এনেকুৱা 'এক্সাইটিং ম'মেণ্ট' আগতে কেতিয়াও হোৱা নাছিল। সীমাই উত্তেজনাত ৰ'ব নোৱাৰি ক'লে। শেষত বেঞ্চত বহি থকা ল'ৰা-ছোৱালীবোৰ আগবাঢ়ি আগলৈ উঠি আহিল। ভাস্বতী চক্ পেঞ্চিল লৈ ব'ৰ্ডৰ কাষত ৰৈ সংকেতলৈ অপেক্ষা কৰিলে। 'গ" বিনোদে চিঞৰিলে। তৎমুহূৰ্তে ভাস্বতীয়ে এটা ঘূৰণীয়া ৰেখা টানি পাঁচ ছটামান ফুট খট্-খট্কৈ ঘূৰণীয়াৰ মাজত চক্ পেঞ্চিলেৰে দি দিলে। 'অভাৰ' ঘড়ী চাই বিনোদে ক'লে। ব'ৰ্ডত গোল ৰেখাৰ মাজত ছটামান ফুট—এয়া কি? সকলোৱে সুধিলে।

—গোল কাঁহি এখনত সৰিয়হ ছটা আছে। ভাস্বতীয়ে গহীনাই ক'লে। এক মুহূৰ্তৰ বাবে সকলো মৌন হৈ পৰিল। কেইমুহূৰ্তমান স্তব্ধতা। তাৰ পাচত কেশৱে ক'লে—ঠিক আছে—এতিয়া বিনোদৰ পাল। বিনোদে কেতিয়াও এনে পৰিস্থিতিৰ আশা কৰা নাছিল। তথাপিও সি হাৰ নামানি ক'লে—মই একছেকেণ্ডত ক'ব পৰাকৈ এটা অশ্লীল জ'ক জানো। সেইটো সমজুৱাকৈ ক'ব নোৱাৰি। ভাস্বতীকটো নোৱাৰিয়েই। বিয়া নহ'লেও—তোমাৰ বন্ধু হোৱাত মোৰ আপত্তি নাই। ভাস্বতীয়ে হাঁহিলে। হাঁহি হাঁহিয়েই তাই ক'লে—হ'ব বাৰু।

ঃ তেতিয়াহ'লে ভাস্বতী, শুনিছো তুমি কলেজৰ 'বেষ্ট ছিংগাৰ' আছিলা, গান এটাকে গোৱা। সকলোৱে হাত-চাপৰিৰে সমৰ্থন জনালে। ভাস্বতীয়ে গালে পাৰ্বতীপ্ৰসাদৰ 'গৰখীয়া হে'ৰ-গৰখীয়া কি সুৰ বজালি দুপৰীয়া...' ভাস্বতীৰ কণ্ঠৰ গীতে মন্ত্ৰমুগ্ধ কৰি ৰাখিলে সকলোকে। শেষ হোৱাতেই এটা হিন্দী গীতৰ অনুৰোধ আহিল। 'তুজছে নাৰাজ নহী জিন্দেগী...' 'মাচুম' নামৰ জনপ্ৰিয় হিন্দী ছবিখনে ডিব্ৰুগড়ত সোতৰ সপ্তাহ অতিক্ৰম কৰিছিল। কেণ্টিনত অনবৰতে বাজি থাকে গীতটো। ভাস্বতীয়ে গালে প্ৰাণ ঢালি। ভাস্বতীৰ কণ্ঠৰ সৈতে সকলোৱে সুৰ মিলালে। 'এটা সুন্দৰ ৰেগিং পুৱাৰ ইয়াতেই সমাপ্তি ঘটিল' গীত শেষ হোৱাৰ লগে লগে কেশৱ চাংকাকতিয়ে ঘোষণা কৰিলে। সঁচাকৈয়ে সেইদিনা

ভাস্বতীৰ বাহিৰে কাৰো ৰেগিং নহ'ল। সীমাই ভাস্বতীক সুধিলে—ভাস্বতী তুমি বেয়া পোৱা নাইতো?

'কেতিয়াও নাইপোৱা। মই ভাবো মোৰো এটা অভিজ্ঞতা হ'ল। মই ৰেগিং ঘৃণা কৰিছিলো। ইমান সু-ৰুচিপূৰ্ণ, বুদ্ধিদীপ্ত ৰেগিং কৰিব পৰা ছাত্ৰ-ছাত্ৰীৰ অভাৱ বাবেই বোধহয় 'ৰেগিং' শব্দটোৱেই দিনে দিনে ভয়ানক হৈ উঠিছে। মোৰো ভুল ভাগিল। মই নিজেও আজিৰ ৰেগিং উপভোগ কৰিলোঁ। 'থেংছ আ লট্'। ভাস্বতীয়ে ক'লে। বিনোদ দীঘলীয়া কৰিডৰৰ কাষেৰে পাৰ হৈ যাওঁতেই ভাস্বতীক কৈ গ'ল—'ভাস্বতী, জিন্দেগী নাৰাজ হোয় মুঝপে' নহ'লে আজি ল'টাৰীত জিকাৰ সুযোগ এটা পাইছিলো—অলপতহে তুমি জিকিলা—কিন্তু মই বেছি জিকিলোঁ। পত্নী বা প্ৰেমিকা পোৱাতো সহজ, বন্ধু পোৱাতো সহজ নহয়। তোমাক এটা বছৰহে পাম, কিবা অসুবিধা পালেই ক'বা, জীৱন দি হ'লেও তোমাক সহায় কৰিবলৈ সাজু থাকিম।' কৈয়েই বিনোদে ভাস্বতীৰ ফালে সোঁহাতখন আগবঢ়াই দিলে। ভাস্বতীয়ে দুই হাতেৰে হাতখন হাতৰ তলুৱাৰে চেপি ধৰিলে। বন্ধুত্বৰ স্পৰ্শ বৰ দুৰ্লভ আৰু উষ্ণ। ভাস্বতীয়ে বিনোদৰ হাতখন হাতৰ মুঠিত লৈ অনুভৱ কৰিলে, একমাত্ৰ বন্ধুত্বৰে কোনো লিংগভেদ নাই, স্বাৰ্থ নাই, বয়স নাই। এই স্বৰ্গীয় অনুভৱৰ সম্ভৱ হ'ল আজিৰ ৰেগিঙৰ পৰা। আচলতে প্ৰতিটো ভাল নিয়মক বিকৃত কৰে মানুহেই। ভাস্বতীয়ে গভীৰ আৱেগেৰে হাতখন ধৰি থাকি উচ্চাৰণ কৰিলে—ধন্যবাদ—বহুত ধন্যবাদ। এইবাৰ ভাস্বতীক ছিনিয়ৰ সকলোৱে লগ ধৰিলে কেণ্টিনলৈ। 'একাপ চাহ খাম ব'লা ভাস্বতী। সীমাই তাইক এহাতেৰে সাবটি ক'লে। ভাস্বতীৰ গোটেই বিশ্ববিদ্যালয়খনকে সাংঘাটিকভাৱে আপোন যেন লাগিল। 'তুজচে নাৰাজ নহী জিন্দেগী...' ৰাজীৱ বৰা নামৰ ওখ হাঁহিমুখীয়া ল'ৰাটোৱে গানটো গুণ-গুণাই লগত আহি থাকিল। সঁচাকৈয়ে জীৱনটোৰ প্ৰতি বিতুষ্ট নহ'বলৈ শিকোৱাটোৱেই যেন এই বিশ্ববিদ্যালয়ৰ নিয়ম। ভাস্বতীয়ে ছিনিয়ৰ দলটোৰ ৰঙীন সমদলৰ মাজেৰে এখোজ-দুখোজকৈ আগবাঢ়িল।

✧ ✧ ✧

নাহৰ গছবোৰে ডিব্ৰু বিশ্ববিদ্যালয়ক সাবটি থাকে। ব'হাগ বিহুৰ বন্ধৰ পিচৰ পৰাই আৰম্ভ হ'ব পূৰ্ণোদ্যমে ক্লাছবোৰ। ভাস্বতীয়ে ৰেফাৰেন্সৰ বাবে দুখনমান কিতাপ বিচাৰি লাইব্ৰেৰীলৈ গৈছিল নাহৰ গছৰ মাজে মাজে। ৰঙচুৱা কুঁহিপাতৰ লগতে নাহৰে কলি পেলাইছে। দুই-এপাহ নাহৰফুল ফুলিছেও। কেনেকৈ যে ভাস্বতী নাহৰ গছ, নাহৰ ফুলৰ প্ৰেমত মতলীয়া হৈ উঠিছে বুজিবই নোৱাৰিলে। নাহৰ গছৰ পাতৰ সৈতে ভাস্বতীৰ শৈশৱৰ বহু ঘনিষ্ঠ মুহূৰ্ত ঘূৰি আহে বাৰে বাৰে। ভাস্বতীৰ জনা-নজনা বয়সৰে কথা। প্ৰথম ব'হাগৰ পুৱা ভাস্বতীৰ ককাকে নাহৰ পাত ছিঙি ভাস্বতীক কাষতে বহুৱাই নাহৰ পাতত কিবা কিবি লেখি আছিল। ভাস্বতীয়ে সুধিছিল 'ককা গছৰ পাতত কি লেখিছা?'

—মন্ত্ৰ।

—কি মন্ত্ৰ?

—ধুমুহাক বাধা দিয়া মন্ত্ৰ। ‘দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ, বাত-বৃষ্টি হৰং দেৱ মহাদেৱ নমস্তোতে।’ ককাকে গাই শুনাইছিল। সেই নিশালৈ সঁচাকৈ ধুমুহা আহিছিল। গছবোৰ ধুমুহাৰ তাণ্ডৱে মাটিত বগৰাই পেলাইছিল। ককাকে বিছনাতে একচিত্তে চকুমুদি গাই যোৱা শুনিছিল ‘দেৱ দেৱ মহাদেৱ.....’ পুৱালৈ ধুমুহা শান্ত হৈছিল। ভাস্বতীহঁতৰ ঘৰত কাম কৰা মইনাবাই দুপৰীয়া আহিছিল বিধ্বস্ত চেহেৰাৰে। মইনাবাইৰ কণমানি ছোৱালী ফুল মাকৰ শৰীৰত চেপেটা লাগি থিয় হৈ আছিল। মইনাবায়ে আশ্ৰয় বিচাৰিছিল কেইদিনমানৰ বাবে। ধুমুহাই তাইৰ ঘৰ মাটিৰ সৈতে সমান কৰি থৈ গ’ল। ধুমুহাৰ মাজতে ফুলক কোলাত লৈ তাই প্ৰাণ লৈ পলাই প্ৰাইমেৰী স্কুলৰ বাৰাণ্ডাত আশ্ৰয় লৈছিল। মইনাবায়ে ঘৰটো মেৰামতি নকৰালৈকে ভাস্বতীহঁতৰ ঘৰত আশ্ৰয় লৈছিল। ভাস্বতীৰ খেলাৰ লগৰী হৈছিল ফুল। ভাস্বতীৰ ভনীয়েক তেতিয়া পানী কেঁচুৱা। যিদিনা ফুল মাকৰ হাত ধৰি নিজৰ ঘৰলৈ উভতি গৈছিল, ভাস্বতীয়ে ককাকে নাহৰ পাতত লেখি দিয়া মন্ত্ৰটো ফুলৰ হাতত দি কৈছিল—এইটো ঘৰৰ মাৰলীত সুমুৱাই থ’বি। ধুমুহাই তহঁতৰ ঘৰ ভাঙিব আৰু কেতিয়াও নোৱাৰে। দেখা নাই, আমাৰ ঘৰ ধুমুহাত নাভাগিল, নাহৰ পাতৰ মন্ত্ৰৰ বাবে।

—কিন্তু তোমালোকৰ যে পকী ঘৰ, আমাৰ বাঁহ-খেৰৰ, ফুলে সৰলভাৱে কৈছিল। ভাস্বতীয়ে মইনা বাইৰ ঘৰ দেখা নাছিল। তাই আকৌ ককাকক সুধিছিল—ককা নাহৰ পাতে খেৰী ঘৰক ধুমুহাৰ পৰা বচাব পাৰেনে?

—ককাকে ইতঃস্তত কৰি কৈছিল, মনৰ বিশ্বাসেই সকলো। বিশ্বাস কৰি নাহৰ পাত লগালে নিশ্চয় মহাদেৱে ধুমুহাৰ তাণ্ডৱক বাধা দিব।

ফুলে আটোম-টোকাৰীকৈ নাহৰ পাতটো মুঠিত লৈ গৈছিল। কি আচৰিত কথা, সেই বছৰৰ বেৰাটাও ধুমুহাত ফুলহঁতৰ ঘৰ নাভাগিল। কিন্তু মইনাবাইৰ কলিজাখন চিৰকালৰ বাবে ধুমুহাই ভাঙি চুৰমাৰ কৰি গ’ল সেই বছৰতে। ফুলৰ মেলেৰীয়াত মৃত্যু হৈছিল। ভাস্বতীয়ে বহুত দিনলৈ ফুলৰ মৃত্যুক সহজভাৱে ল’ব পৰা নাছিল। তাই ককাকক নাহৰ পাতত আৰু এটা মন্ত্ৰ লেখিবলৈ কুতুৰিছিল। ফুলক জীয়াই তোলাৰ মন্ত্ৰ। ভাস্বতীৰ দৃঢ় বিশ্বাস হৈছিল, নাহৰ পাতে সকলোৰে দুখ-কষ্ট মৰিষণ কৰিব পাৰে। ককাকে কৈছিল, ‘মৃত্যু জীৱনৰ আটাইতকৈ ডাঙৰ সত্য। কোনোৱে ইয়াক ৰুধিব নোৱাৰে। ময়োতো যাবলৈ বেছি দিন নাই। মৃত্যুৱে যেতিয়াই মাতিব, ময়ো যাবলৈ বাধ্য মাজনী।’ ভাস্বতীৰ কণমানি হিয়া মৃত্যু নামৰ দৈত্যটোৰ আশংকাত কঁপি উঠিছিল। অসম্ভৱ; তাইৰ মৰমৰ ককাকক মৃত্যুৱে লৈ যাব। এদিন তাইৰ দেউতাক-মাককো তেনেহ’লে লৈ যাব। ভাস্বতীয়ে এটা আচৰিত কাণ্ড কৰিছিল। বিচাৰি বিচাৰি দুটা নাহৰ পুলি আনি ঘৰৰ পদুলিমুখত তাই ৰুই দিছিল। নাহৰ পুলি দুজোপা ৰুই তাই প্ৰাৰ্থনা কৰিছিল ‘নাহৰ তোমাক মই ভাল পাওঁ,

তোমাৰ ইমানবোৰ পাত। তোমাৰ পাত আৰু ফুলেৰে আমাৰ ককা-মা-দেউতা সকলোকে ৰক্ষা কৰিব নোৱাৰিবানে?—পাৰিবা-পাৰিবা।'

ভাস্বতীয়ে ওৰে বাটটো শাৰী-শাৰী নাহৰ গছবোৰ চাই অতীত কাতৰ হৈ পৰিল। ককাক এতিয়া ইহসংসাৰত নাই। কিন্তু নাহৰ গছ আৰু পাতৰ প্ৰতি তাইৰ ককাকে সৃষ্টি কৰা প্ৰেম সদা প্ৰবাহিত হৈ থাকিল। ভাস্বতীৰ ডিব্ৰু বিশ্ববিদ্যালয় ভাল লগাৰ প্ৰথম কাৰণটোৱেই সেইবাবে বোধহয় শাৰী-শাৰী নাহৰ গছ। নাহৰ পাতৰ বিৰ্ বিৰ্ বতাহত হোৱা কঁপনি, ফুলৰ সুগন্ধত এক ৰহস্যময় সংকেত ভাস্বতীয়ে পায়। নাহৰ গছ এই পৃথিৱীৰ জৰা-ব্যাধি-মৃত্যু, হিংসা-ক্লেশৰ বিপৰীতে এক অদৃশ্য শক্তিধাৰী, মায়াৱী ত্ৰাণকৰ্তাৰ প্ৰতীক বুলি ভাস্বতীয়ে ভাবে। কিয় ভাবে, তাই নিজেও ব্যাখ্যা বিচাৰি নাপায়। নোৱা পৰ্টাৰৰ এখন গ্ৰন্থত ভাস্বতীয়ে পাইছিল—Remember that, what you believe will depend very much upon what you are–ভাস্বতীয়ে ভাবে, নাহৰ পাতৰ প্ৰতি থকা তাইৰ বিশ্বাসে কাৰো অন্যায় নকৰে। যি বিশ্বাসে আত্মবিশ্বাস বঢ়ায়, সেই বিশ্বাস সদায় ধনাত্মক। এই বিশ্ববিদ্যালয়ৰ কাৰ বাৰু তাইৰ দৰে নাহৰ গছৰ প্ৰতি গভীৰ প্ৰেম আছে! আন বহুত গছৰ মাজৰ পৰা নাহৰ গছ বাচি ৰোৱা মানুহজন নিশ্চয় নাহৰ গছ প্ৰেমী হ'বই লাগিব। তাই লাইব্ৰেৰীৰ দুৱাৰমুখ পাইছিলহি। দুৱাৰ মুখতে তাইক চক্ খুৱাই দিলে নীলাক্ষিয়ে—হেই! মই দূৰৰ পৰা দেখিছো তুমি গছবোৰ চাই কি ভাবি আহিছিলা? কাৰ কথা?

—নীলাক্ষি! ভয় খুৱাই দিলা। কাৰো কথা ভবা নাই। নাহৰ গছ মই ভাল পাওঁ—সেয়ে চাই আহিছিলো।

— হয় নেকি? আগৰ দিনত হেনো গছৰ সৈতে কুমাৰী ছোৱালীৰ বিয়া পাতি দিছিল। তোমাক এজোপা নাহৰ গছৰ সৈতে বিয়া পাতি দিম বাৰু, চিন্তা নকৰিবা।

—বেয়া নাপাওঁ নীলাক্ষি। অন্ততঃ বিবাহিতা নাৰীক ফোঁট-সেন্দূৰ, গহণাৰে গৃহবন্দী কৰাদি মোৰ নাহৰ স্বামীয়ে নকৰে। মই মোৰ মগজুৰ দুৱাৰ-খিৰিকী সদায় খোলা ৰাখিব পাৰিম।

নীলাক্ষি হঠাৎ চিৰিয়াছ হৈ গ'ল। কিছুপৰ মৌন হৈ তাই ক'লে—তোমাক মই এইবাবেই ভালপাওঁ ভাস্বতী। সঁচা আৰু কল্পনা দুয়োটাৰে তুমি গঢ় লৈছা। ৰূঢ় বাস্তৱ সদায় যেনেকৈ ভাল নালাগে, অলীক কল্পনাও সদায় ভাল নালাগে। ভাল লাগে ইয়াৰ সংমিশ্ৰণ।

—বাঃ তুমি যি মন্তব্য দিলা, ল'ৰা হোৱা হ'লে তোমাৰ প্ৰেমত পাগল হৈ গ'লোহেঁতেন দেখোন! ভাস্বতী আৰু নীলাক্ষি দুয়োজনীয়ে সশব্দে হাঁহি পেলালে। লাইব্ৰেৰীয়ানজনে ৱাৰ্ণিং দিলে—ন' —ন' —এয়া লাইব্ৰেৰী—কেণ্টিন নহয়। 'ছাইলেন্স— ছাইলেন্স....' কি লেখা আছে বাহিৰত? দুয়োজনীয়ে নিমাতে চালে। এখন ফলকত লেখা আছে—প্লীজ কিপ্ ছাইলেন্স....।

(ন)

ভাস্বতী আৰু নীলাক্ষিৰ হাঁহি বন্ধ হৈ গ'ল। অলপ লাজো লাগিল। সিহঁত হোষ্টেলৰ বান্ধৱীকেইজনী ক'ৰবাত লগ হ'লেই স্থান-কাল পাত্ৰ পাহৰি যায়। গোটেই পৃথিৱীখন যেন সিহঁতৰ দখলত আজি। বাৰ্ডেনে এনেয়ে গালি নাপাবে। 'দুজনী ছোৱালী লগ হ'লেই তোমালোকে বিয়াঘৰ কৰি পেলোৱা কিয়হে। ইমান উদ্ধত। আমিও তোমালোকৰ বয়স পাৰ কৰি আহিছো—এনেকুৱা নাছিলো।' বাৰ্ডেনৰ নিত্য সংলাপকেইটা সকলোৰে মুখস্থ হৈ গৈছে। এই সংলাপ মাতি বাৰ্ডেন দুপ-দুপাই নিজৰ কোঠালৈ যায়গৈ। নীলাক্ষিয়ে এদিন এনে মুহূৰ্ত এটাৰ পিচতে গুজুক্কৈ কৈ পেলাইছিল—জাতীয় সংগীত গোৱা হৈ গ'ল আজিলৈ—ব'ল এতিয়া। গিৰ্জনি মাৰি ছোৱালীবোৰে হাঁহি দিছিল। খণ্ডৰ ভমকত গুচি যোৱা বাৰ্ডেনে হাঁহি শুনি প্ৰায় পাগলীৰ দৰে চিঞৰি উঠিছিল—অসভ্য, অসভ্য তহঁতৰ মাৰ-বাপেৰে, এইবোৰ শিক্ষা দি মোক জ্বলাই খাবলৈ পঠিয়াইছে....' তাৰ পিছত দুটামান অশ্লীল শব্দ। শিক্ষিতা মহিলাই বেয়া শব্দ উচ্চাৰণ কৰিলে কাষত থকা আন নাৰীসকলেও লাজ পায়। যিটো পুৰুষৰ ক্ষেত্ৰত ব্যতিক্ৰম। লুট্‌ফাই কাণত সোপা দি কৈছিল 'ছিঃ বাৰ্ডেন বাইদেৱে ইমান বেয়া শব্দ ক'ব পাৰে'! নীলাক্ষিয়ে টপৰাই কৈছিল—কি হ'ল পিছে!

ঃ মাইকী মানুহে বেয়া শব্দ ক'লে ভাল নালাগে। লুট্‌ফাই অস্বস্তিৰে ক'লে।

ঃ কিয়? খং, গালি এইবোৰ পুৰুষৰ একচেটিয়া সম্পত্তি নেকি?

ঃ হ'লেও...............

ঃ ভাল হৈছে গালি পাৰিছে।

ভাস্বতীয়ে হঠাতে হাঁহি পেলালে, কথাবোৰ ভাবি। এছিষ্টেণ্ট লাইব্ৰেৰীয়ান নাথদাই আচৰিত হৈ ভাস্বতীলৈ চালে। ভাস্বতীয়ে ঘূৰাই দিয়া কিতাপখন লৈ ৰেজিষ্টাৰ বুকত এণ্ট্ৰি কৰিব খুজিও তেওঁ ৰৈ গ'ল।

ঃ হাঁহিলা যে!

ভাস্বতী অপ্ৰস্তুত হৈ গহীন হৈ গ'ল। তাই ক'লে—নাই-মানে এনেয়ে, কথা এটা মনত পৰিল।

কথা পাতিলেও হাঁহা, কথা মনত পৰিলেও হাঁহা—বুজিছা, তোমালোকৰ বয়সটো হাঁহৰ বয়স। এনেকৈয়ে হাঁহি হাঁহি ওলাই যোৱা বহু ছাত্ৰক মই কেইবছৰমানৰ পিচত যেতিয়া লগ পাওঁ, তেতিয়া মই আগৰ হাঁহিটো সিহঁতৰ মুখত বিচাৰি চলাথ কৰোঁ। এই নিৰ্মল, স্বতঃস্ফূৰ্ত হাঁহি চিৰকাললৈ হেৰাই যায়। কোনোবা আহে দেউতাকক মেডিকেলত ভৰ্তি কৰাবলৈ, কোনোবাই চাকৰি নাপাই 'পঢ়ি কিডাল হ'ল' বুলি মোৰ ওচৰত আহি হুমুনিয়াহ —

কাঢ়েহি। কালিও এটা ল'ৰা আহিছিল বুজিছা—আমাৰ ইউনিভাৰ্চিটিৰ সহ-সাধাৰণ সম্পাদক আছিল এসময়ত। ৰাজনীতিত নামিল। ইলেক্‌ছন খেলি হাৰিল। মাটি-বাৰী বহুত বিক্ৰী কৰি সৰ্বস্বান্ত হ'ল।

ঃ এতিয়া পিচে কি হ'ব! ভাস্বতীয়ে উৎকণ্ঠাৰে সুধিলে।

কি হ'ব আৰু। সি চোকা ল'ৰা আছিল। মই ক'লো—তোমাৰ দৰে ল'ৰাৰ মূৰত ৰাজনীতিৰ ভুত লম্ভিল কেনেকৈ? তুমি জানো তোমাৰ বন্ধু ললিত দলেৰ হোষ্টেল খৰছ বহন কৰিবলৈ পুৱা-গধূলি টিউছন লোৱা নাছিলা?—সি আচৰিত হৈ সুধিলে মই কথাবোৰ কেনেকৈ জানিলো বুলি। মই সকলোৰে খবৰ ৰাখো। সেয়ে মই তাক ক'লো—তুমি বৰ অন্তৰখোলা ল'ৰা। সৎ আৰু মৰমিয়াল। ৰাজনীতিকৰ থাকিব নলগীয়া আটাইকেইটা গুণ তোমাৰ স্বভাৱত আছে। গতিকে ভুল পথে গৈছিলা তুমি।

ঃ তেওঁ কি ক'লে তেতিয়া?

ঃ কি ক'ব—চকুপানী ওলাই আহিল তাৰ।

মই তাক উপদেশ দিলো গৱেষণা কৰিবলৈ। জুল'জীৰ সি বৰ মেধাবী ছাত্ৰ আছিল। সি জীৱ-জন্তুপ্ৰেমী। এবাৰ আমাৰ লাইব্ৰেৰীৰ তলৰ 'ডেমেজড্ বুক ৰুম'ত এডাল বিচিত্ৰ ৰঙৰ সাপ সোমাইছিলহি। ওচৰত চাৰিওফালে চাহ বাগিচা আছে, নানা ধৰণৰ সাপ আহে। সাপডাল মাৰিবলৈ যো-জা কৰোঁতেই সি গম পাই দৌৰি আহি ওলালহি। অলপো ভয়-দৰ নোহোৱাকৈ সি ওচৰৰ পৰা সাপডাল চাই সাপৰ ৰূপৰ প্ৰশংসাত পাগল হৈ গ'ল। আস্—কি ৰং। মূৰৰ ফণাৰ কাষত সোণোৱালী দুডাল আঁচ। সি ঠাৱৰ কৰিলে প্ৰজাতিটো 'ভাইপাৰ' কিন্তু এনে ৰঙৰ সাপ সি কস্মিন কালে দেখা নাই। সাপ মৰা নহ'ল আৰু, ফেনাইল-চেনাইল ছটিয়াই বাহিৰ কৰা হ'ল। সি লাইব্ৰেৰীত বহি এনচাইক্ল'পেডিয়া চলাথ কৰিলে। কি হ'ল জানা? মোকো বিভিন্ন সাপৰ বৰ্ণনা দি সি ইমান মুগ্ধ কৰিলে যে পূৰ্বতে কাহানিও ইন্টাৰেষ্ট নথকা এটা বিষয় মই পঢ়িবলৈ আৰম্ভ কৰিলো, দিনে-ৰাতিয়ে।

ঃ কি বিষয়?

এবাউট স্নেক্—সাপৰ বিষয়ে বুজিছা ভাস্বতী... বুলি নাথে সৰুকৈ হাঁহি এটা মাৰিলে। ভাস্বতীৰ 'নাথ' বোলা মানুহজনক খুব ভাল লাগি গ'ল। লাইব্ৰেৰীত এনে ব্যক্তিৰেই প্ৰয়োজন। ভাস্বতীৰ আন এটা কথাতো মানুহজনক ভাল লাগিল। মানুহজনে কিতাপৰ খবৰৰ উপৰিও এই বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনৰ খবৰো ৰাখে।

ঃ নাথদা—সেই ল'ৰাজনে এতিয়া গৱেষণা কৰিবনে?

ঃ কৰিব। কালি মোক সি কৈছে এই বিষয়ে। মই তাক কৈছো, গৱেষণা কৰি কলেজত নোসোমাবা—কিবা এটা ভাল কাম কৰিবা। আজিকালি চৰকাৰী পইচা খাবলৈ মানুহ জীৱ-জন্তুপ্ৰেমী হঠাতে হৈ পৰি এন জি অ' খোলে। ঘোঁচ দি ফৰেষ্টৰ চাকৰিত সোমায়! চোৰাং চিকাৰীৰ সৈতে লেন-দেন কৰে, ঘৰত বাঘৰ ছালৰ পৰা হৰিণৰ শিঙলৈকে সজায়, এই ভণ্ড বন্যপ্ৰেমীবোৰক বাধা দিবলৈকে তুমি কিবা এটা ডাঙৰ কাম কৰা।

ঃ ল'ৰাজনে কি বুলি কৈছে নাথদা ?

ঃ সি কৰিব। নৰ্থ-ইষ্টৰ লুপ্তপ্ৰায় প্ৰাণী এটাৰ ওপৰতে সি গৱেষণা কৰিব।

ঃ বৰ ভাল হ'ব—ময়ো তেওঁক লগ পালে ক'ম। অ' পিছে তেওঁৰ নামটোৱেই নাজানিলো....

ভাস্বতীৰ কথাত নাথে হাঁহিলে। উপকূল বৰুৱা, ছয় নং হোষ্টেলত আছেহি। লগ পাই যাব পাৰা। পিচে তুমি কিতাপ নিনিয়া নেকি—কথাকেই পাতি থাকিলোঁ। ক্লাছ নাই নেকি ? ভাস্বতীয়ে তৎক্ষণাৎ ঘড়ী চালে।

ঃ এ—এটা ক্লাছ আৰম্ভ হ'বই এতিয়া। অফ্ পিৰিয়ড কেনেকৈ গ'ল গমেই নাপালোঁ। আজি মই কিতাপ নিনিও নাথদা।

ঃ মোক কোৱা কিবা বিশেষ কিতাপ আছে নেকি? বিচাৰি থ'ম।

ঃ মানে-আছে এখন... ক্যেমুৰ 'দা আউটচাইডাৰ'খন আছে নেকি ?

ভাস্বতী, তোমাক এটা কথা সোধোঁ, তুমি সমাজশাস্ত্ৰৰ ছাত্ৰী—কিন্তু যোৱা এটা মাহে তুমি এদিনো তোমাৰ বিষয়ৰ কিতাপ নিয়া মই দেখা নাই। কেতিয়াবা অসমীয়া বিভাগৰ, কেতিয়াবা ইংৰাজীৰ, দুদিনমান পেইন্টিঙৰ, কবিতাৰ কিতাপ নিয়াও পালোঁ। কি কথা ?

ভাস্বতীয়ে ইতস্ততঃ কৰি ক'লে—নাথদা, লাইব্ৰেৰীৰ কালেক্ছনছ দেখি মোৰ লোভ বাঢ়ি গৈছে। পৃথিৱীখনত কিমান জানিব লগা বিষয় আছে। মোৰ পঢ়িব লগা বিষয় পঢ়িবই লাগিব। তাৰোপৰি ক্লাছ ভালদৰে হোৱাই নাই। এই সময়তে যদি মই আন বিষয়ৰ কিতাপ দুই এখন পঢ়ি ল'ব পাৰোঁ। মোক নৰ্মছ পাবলৈও নালাগে, মুধাফুটা ৰিজাল্ট কৰিবলৈও নালাগে।

ঃ আচৰিত ! সকলোৱেতো ইয়াত ভাল ৰিজাল্টৰ বাবেই প্ৰতিযোগিতাত নামে !

মোৰ তেনেকুৱা একো আশা নাই নাথদা। মই মোৰ বিষয়টো ভাল পাই পঢ়িম। ফাৰ্ষ্টক্লাছ পাবলৈ নহয়। মই যি বিষয়েই পঢ়ো, মনত ৰৈ যায়। পৰীক্ষাৰ বাবে পঢ়ি, পিচত মই পাহৰি নাযাওঁ।

ঃ ঠিক আছে, ঠিক আছে—তুমিও একধৰণৰ ছোৱালী। মই বাৰু কিতাপখন বিচাৰি থ'ম। তুমি কাইলৈ লৈ যাবা। আছে কিতাপখন—ফ্ৰেন্স ভাষাৰ পৰা জোছেফ লেৰেডোই অনুবাদ কৰিছে। কোনোবাই নিছে যদি মই চাই দিম।

ভাস্বতী অবাক হৈ গ'ল। নাথদাৰ ইমান স্মৃতি শক্তি প্ৰখৰ! আধা পকা, ক'লা দাড়িৰে সৈতে নাথদাক এজন ঋষিতুল্য মানুহ যেন লাগে। ভাস্বতীয়ে ক'লে—নাথদা, মই আটাইতকৈ ঈৰ্ষা কৰা মানুহজন আপুনি এই মুহূৰ্তত।

ঃ কিয়—কিয় ?

এই যে বিশাল লাইব্ৰেৰীটোৰ বিচিত্ৰ বিষয়ৰ মাজত আপুনি থাকে। কিতাপৰ গোন্ধ,

বিভিন্ন কিতাপৰ সোৱাদ ইচ্ছা কৰিলেই ল'ব পাৰে, লিৰিকি-বিদাৰি থাকিব পাৰে.... মোৰ খুব ঈর্ষা লাইব্রেৰীয়ানবোৰলৈ।

নাথদা গহীন হৈ গ'ল। তাৰ পাচত লাহে লাহে ক'লে। 'লাইব্রেৰীয়ানে কিতাপ ভালপোৱা হ'লে, অসমৰ লাইব্রেৰীবোৰৰ এই দুৰৱস্থা নহয় ভাস্বতী। আমাৰ লাইব্রেৰীৰ কথা বেলেগ। মই কিতাপৰ প্রতি দুর্বাৰ আকাংক্ষা থকা মানুহ আছিলোঁ। কিন্তু মোৰ স্কুলৰ কিতাপ কিনিবলৈও সামর্থ্য নাছিল। মানুহৰ ইচ্ছা আৰু স্পৃহাৰ পিয়াহ সহজে মৰিলে মনৰ অসন্তুষ্টিৰ তৃষ্ণা বাঢ়ি যায় ভাস্বতী। এই তৃষ্ণাৰ অন্ত নাই। যিহেতুকে মই দুখীয়া আছিলো, ধনৰ স্বপ্নই মোক বলিয়া কৰিব লাগিছিল—কিন্তু ধনৰ প্রতি তীব্ৰ ইচ্ছা থকা সত্ত্বেও মই সেই ইচ্ছা দমন কৰিলোঁ।' নাথদা অলপ ৰ'ল। তাৰ পাচত আকৌ ক'লে, 'ধৰি লোৱা মই যদি খুউব ধনী হৈ গ'লোহেঁতেন, তেতিয়া হয়তো মই আনক দেখুৱাবলৈ এটা প্রকাণ্ড বুকশ্বেলফ্ কৰি দেশী-বিদেশী কিতাপ কিনি আনি থলোহেঁতেন। কিন্তু এটা পৃষ্ঠা শান্তিৰে পঢ়িবলৈ মোৰ অৱসৰ বা মানসিকতা নাথাকিলহেঁতেন। মই জীৱনটো পৰিপূর্ণভাৱে উপভোগ কৰিব খোজোঁ। মই নিজে জানো মোৰ সন্তুষ্টি ক'ত। এই সন্তুষ্টিৰ বাবে মই বহু লোভ-আকাংক্ষা ত্যাগ কৰিব লগা হৈছিল। মনৰ যুদ্ধৰ সন্মুখীন বাৰে বাৰে হৈছিলোঁ। বহু চিন্তা কৰি মই লাইব্রেৰীয়ান হ'লোঁ। মোৰ জগতখন ক্ষুদ্র, সেইবাবেই মই সন্তুষ্ট।

ঃ নাথদা—আপুনি বাস কৰা মনৰ বিশাল জগতখনৰ বাবে এই পৃথিৱীখনেই ক্ষুদ্র। আপুনি নাজানে, আজি আপোনাৰ পৰা মই কি শিক্ষা পালো।

ঃ হৈছে—হৈছে—যোৱা এতিয়া। নাথদাই অপ্রস্তুতভাৱে ক'লে। নীলাক্ষিয়ে এবোজা কিতাপ হাতত লৈ চিৰিৰে নামি আহি চিঞৰি উঠিল—উৱা—তুমি আগতেই আহিলা! মই বিচাৰি ফুৰিলো ওপৰত।

ঃ এওঁ নগ'লেই কিতাপ আনিবলৈ। নাথদাৰ কথাত নীলাক্ষি আচৰিত হ'ল।

ঃ নীলাক্ষি, নাথদা নিজেই এখন মূল্যৱান কিতাপ, কেইপৃষ্ঠামান আজি ইয়াতে পঢ়িলোঁ। নীলাক্ষিয়ে একো বুজি নাপাই দুয়োৰে মুখলৈ চালে।

নাথ আৰু ভাস্বতীয়ে নীলাক্ষিৰ মুখৰ অৱস্থা দেখি এইবাৰ সশব্দে হাঁহি দিলে। নীলাক্ষিয়ে এইবাৰ বাহিৰৰ ব'ৰ্ডখন দেখুৱাই কপট-গম্ভীৰ হৈ ক'লে—চাইলেন্স—দেখা নাই ব'ৰ্ডত কি লেখা আছে! তাৰ পিচতে নীলাক্ষিয়েও নাথ আৰু ভাস্বতীৰ হাঁহিৰ সৈতে যোগ দিলে।

(দহ)

সমাজশাস্ত্ৰৰ শ্ৰেণীত ভাস্বতীৰ এজাক ল'ৰা-ছোৱালীৰ সৈতে বন্ধুত্ব হৈ গ'ল। শ্ৰেণীৰ অধ্যাপকসকলৰ প্ৰত্যেকৰে বিশেষ ব্যক্তিত্ব। দুই-চাৰিজন বেছ বন্ধুত্ব ভাবাপন্ন। এই বিষয়টো ভাস্বতীৰ বাবে নতুন। কিন্তু কিতাপৰ বিষয়বোৰ ইমান মনোগ্ৰাহী যে ভাস্বতীৰ আক্ষেপ হ'ল, কলেজত কিয় এই বিষয়টো পাঠ্যক্ৰম হিচাপে তাই নাপালে। দেশৰ মন্ত্ৰী, বিষয়া, শিক্ষক, শিল্পী সকলোৱে এই বিষয়টো অধ্যয়ন কৰা উচিত। অথচ অসমৰ কলেজবোৰত 'সমাজশাস্ত্ৰ' বিষয়টো বৰ কমেইহে অন্তৰ্ভুক্ত হৈছে। নিয়মমতে ভাস্বতীয়ে এই বিষয় পঢ়িবলৈ ছিট্ পোৱাৰ কথাই নাছিল। কিন্তু বিভাগটোৰ মুৰব্বী দুজনমান অধ্যাপকে ভাস্বতীৰ বিষয়টো পঢ়াৰ প্ৰতি প্ৰবল ইচ্ছা দেখি, সমাজশাস্ত্ৰত এটা ছিট্ যেনে-তেনে উলিয়াই দিলে। ভাস্বতীৰ শিক্ষা বিষয়ত অনাৰ্চ আছিল, লগতে মনোবিজ্ঞান আৰু পৰিসংখ্যাত নম্বৰ বেছ ভাল আছিল। সমাজশাস্ত্ৰ বিষয়তো পৰিসংখ্যা আৰু ছ'চিয়েল চাইক'লজি অৰ্থাৎ 'সামাজিক মনোবিজ্ঞান' বিষয়টো আছে। গতিকেই ভাস্বতীয়ে পূৰ্বতে এই বিষয় পঢ়া নাছিল যদিও ছিট্ পালে।

নতুন কিতাপবোৰ হাতত লৈ ভাস্বতী যেন এখন অজানা ৰহস্যময় জগতত প্ৰৱেশ কৰিলে। প্লেটো, কাৰ্লমাৰ্ক্স, মেক্সৱেবাৰ, দাৰখেইম, ফ্ৰয়দ, পৃথিৱীৰ যুগ পৰিৱৰ্তনকাৰী সকলো মনীষীৰ চিন্তাৰ ফলেৰে তৈয়াৰী সমাজশাস্ত্ৰৰ পাঠ্যক্ৰম। ব্যক্তি মানসিকতাৰ পৰা সামাজিক মানসিকতাই কি কাৰণত কেতিয়া কি ৰূপ ধাৰণ কৰে তাক অংকৰ দৰে নিৰ্ভুল বিচাৰ কৰা হৈছে। ইয়াৰ লগে লগে আছে জাতি-গোষ্ঠী অধ্যয়ন। প্ৰত্যেক গোষ্ঠী-জনগোষ্ঠী, জাতি-উপজাতিয়ে বংশানুক্ৰমে ভিন্ন ধৰণৰ চৰিত্ৰগত বৈশিষ্ট্য কঢ়িয়াই। যিদৰে নগাসকলৰ বৈশিষ্ট্যৰ সৈতে মণিপুৰৰ নিমিলে, মণিপুৰৰ সৈতে মিজোৰামৰ নিমিলে। আনহাতে একত্ৰিতভাৱে এটা জাতিক নগা বা মিজো বুলিলেও, তেওঁলোকৰ মাজতো অসংখ্য ঠাল-ঠেঙুলি। বিভিন্ন গোষ্ঠী। এই গোষ্ঠীৰ চৰিত্ৰগত বৈশিষ্ট্যও বেলেগ। তেওঁলোকৰ মাজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক অন্তৰ্দ্বন্দ্ববোৰ অধ্যয়ন এজন সমাজবিজ্ঞানীয়ে যি ধৰণে কৰিব পাৰে; সেয়া আন কোনোৱে নোৱাৰে। ভাস্বতীৰ আচৰিত লাগিল পঢ়ি, আজি এশ বছৰৰ আগতে কোনো মনীষীয়ে দিয়া সূত্ৰসমূহ আজিও অংকৰ দৰে নিৰ্ভুল। ভাস্বতীক এদিন ছিনিয়ৰ গ্ৰুপৰ বিনোদে কৈছিল—'সমাজশাস্ত্ৰৰ দৰে ইণ্টাৰেষ্টিং বিষয় কিবা আৰু আছে বুলি মই নাভাবো ভাস্বতী। তুমি নতুন বিষয় বুলি ভয় নাখাবা। পঢ়ি যোৱা। জীৱনৰ সকলো সময়ত তুমি উপকৃত হ'বা।' উদাহৰণস্বৰূপে বিনোদে নিজৰ অভিজ্ঞতা এটা বৰ্ণনা কৰিছিল। বিনোদহঁতৰ লখিমপুৰৰ গাঁৱৰ কাষতে আছে এখন কুমাৰ গাঁও। দুখন হিন্দু গাঁৱৰ মাজত এখন মুছলমান গাঁও। তাতে দুঘৰমান হিন্দুও থাকে।

আনহাতে কুমাৰ গাঁও আৰু বিনোদহঁতৰ বামুণ-কায়স্থ-কলিতাৰে ভৰা গাঁওখনৰ প্ৰায়ে কাজিয়া নুগুচে। এবাৰ মুছলমান গাঁৱত কাছৰ চলং এখন পেলোৱা লৈ তুমুল কাজিয়া হ'ল। স্বাভাৱিকতেই কুমাৰ গাঁও আৰু বামুণ-কায়স্থৰ গাঁওখন 'হিন্দু' হোৱা বাবে একেলগ হ'ব লাগিছিল। সকলোৱে সেই বুলিয়ে কাজিয়া বঢ়াই গৈছিল। কিন্তু বিনোদে ডে'মগ্ৰাফিক ষ্টাডি এটা আৰম্ভ কৰিলে। সি গাঁৱৰ দুটামান লীডাৰক ঘৰলৈ যাওঁতে ক'লে যে কাজিয়া যে বাঢ়ি গৈছে তাৰ কাৰণ মুছলমান গাঁও-হিন্দু গাঁও নহয়। বৰঞ্চ বিনোদহঁতৰ উচ্চবৰ্ণৰ গাঁও আৰু পুৰণি মুছলমান গাঁওখন ভিতৰি এক হৈছে। ওপৰে ওপৰে কোনেও কথাটো ধৰিব নোৱাৰি, হিন্দু-মুছলমানৰ কাজিয়া বুলি ভাবিবলৈ লৈছে। দুমাহমানৰ পিচত হেনো সেইটোৱেই প্ৰমাণিত হ'ল। বিনোদহঁতৰ গাঁৱৰ কপটীয়া মানুহ কেইজনমান, মুছলমান গাঁৱৰ কপটীয়া মানুহ দুজনমানৰ সৈতে লগ লাগি গোটেই হুলস্থূলৰ সৃষ্টি কৰিলে। আগত পঞ্চায়ত ইলেক্চন আহি আছে। সেইবাবেই এই ষড়যন্ত্ৰ। ভাস্বতীয়ে অবাক হৈ বিনোদক তেতিয়া সুধিছিল—'তুমি বহুদিন আগতেই কেনেকৈ ক'লা যে ই হিন্দু-মুছলমানৰ কাজিয়া নহয় বুলি! বিনোদে বিজ্ঞৰ দৰে হাঁহি মাৰি কৈছিল—'মেক্সৱেবাবৰ এটা থিয়ৰীত পাইছিলোঁ। দুটা বা তিনিটা অৰ্থনৈতিকভাৱে ভাৰসাম্যহীন সামাজিক গোটৰ ধৰ্ম একে হ'লেও মিল নাথাকে। তৃতীয়টো সামাজিক গোটৰ ধৰ্ম বেলেগ হৈও যদি, শিক্ষা আৰু অৰ্থনীতি আন এটা তেনে সামাজিক গোটৰ সৈতে মিলে, তেতিয়া ধৰ্ম গৌণ হৈ পৰে। মই সেই থিয়ৰী ফ'ল' কৰি অনুমান কৰিছিলো, এই তুমুল কাজিয়াৰ উদ্দেশ্য বেলেগ। ইয়াত তীক্ষ্ণ কু-বুদ্ধিয়ে কাম কৰিছে। কুমাৰ গাঁৱৰ বেছিভাগ মানুহ দুখীয়া আৰু শিক্ষাহীন। তেওঁলোকে স্থূল বুদ্ধিৰে কাছৰ চলং গৰিয়া গাঁৱত পেলালে। কিন্তু ইয়াকে লৈ যি সুযোগ ব্যৱহাৰ কৰি দীৰ্ঘদিনৰ মাৰ-পিট্, হিংসা-ৰেশৰ সৃষ্টি হ'ল তাত বেচেৰা কুমাৰ গাঁৱৰ সাধাৰণ মানুহে ভূ-কে নাপালে। সেই কু-বুদ্ধিৰ অন্তঃপ্ৰৱাহ ঘটাবলৈ শিক্ষিত, অভিজ্ঞ লোক লাগিব। যিথিনি মানুহৰ কুমাৰ গাঁওখনত অভাৱ। সমাজশাস্ত্ৰত তুমি বিভিন্ন গোষ্ঠীৰ কাজিয়াৰ বিষয়েও পঢ়িব লাগিব ভাস্বতী। কাজিয়াক সমাজশাস্ত্ৰত 'Culture' অৰ্থাৎ সংস্কৃতিৰ মাজত অন্তৰ্ভুক্ত কৰা হৈছে। সমাজশাস্ত্ৰত নৃত্য-গীত-অভিনয়, নাম-প্ৰসংগ, পূজা-পাতল এইবোৰকে কেৱল সংস্কৃতি বুলি ধৰা নহয়। সংস্কৃতিৰ বিশাল পৰিধিত প্ৰত্যেক গোষ্ঠীৰ কথা কোৱাৰ পৰা থকা-খোৱা সকলোকে অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ মাজত 'temparament'-ৰ কথাও আহে। তুমি চাবাচোন ভাস্বতী, কিছুমান গোষ্ঠীৰ মানুহক অলপ খং উঠাই দিলেই চিএঞৰি-চিএঞৰি, হাত-ভৰি জোকাৰি কাজিয়া কৰে। কিছুমান গোষ্ঠীৰ মানুহে অশ্লীল বাক্য অহৰ্নিশে বৰষে। কিছুমানে আকৌ বিশেষ মুখেৰে একো নামাতে, বুদ্ধিৰে, সংযমেৰে কাজিয়া কৰে। It is a part of our study, very interesting! বিনোদে এনেদৰে কথাবোৰ কৈ ভাস্বতীৰ সমাজশাস্ত্ৰৰ প্ৰতি উৎসাহ দুগুণে বঢ়াই তুলিছিল আৰম্ভণীৰ পৰাই। ভাস্বতীয়ে নিজেও উপলব্ধি কৰিছে এতিয়া। সমাজশাস্ত্ৰক প্ৰকৃততে দুবছৰ বা চাৰিবছৰ

পাঠ্যক্রমত আৱদ্ধ কৰাটো যেনেকৈ ভুৰুকাত হাতী ভৰোৱাৰ দৰে, ঠিক তেনেকৈ সমাজশাস্ত্ৰ পঢ়ি শতকৰা ষাঠি নম্বৰ পাই সমাজবিজ্ঞানী হ'লো বুলি ভবাটোও মুৰ্খৰ স্বৰ্গত বাস কৰাৰ দৰে কথা। মানুহৰ বিচিত্ৰ অনুভূতি, বিচিত্ৰ সমাজ অভিজ্ঞতা, অপৰাধ প্ৰৱণতা, নগৰীয়া সভ্যতাৰ মনোবিজ্ঞান, আনকি আধুনিক উদ্যোগ-প্ৰযুক্তিসমূহৰ বিশাল ক্ষেত্ৰবোৰৰ কৰ্মচাৰী-বাসিন্দাৰ অন্তৰ্কলহ, প্ৰতিযোগিতা আৰু ট্ৰেড ইউনিয়নৰ মনোবিজ্ঞানসমূহো এই পাঠ্যক্রমত অন্তৰ্ভুক্ত। ভাস্বতীৰ ধাৰণাই নাছিল ইয়াৰ গভীৰতা। শ্ৰেণীকক্ষত যিদিনা সুশান্ত বৰদলৈ ছাৰে কৈ গৈছিল প্ৰাঞ্জল ভংগীমাৰে—'সমাজশাস্ত্ৰৰ প্ৰসাৰ নোহোৱাত তোমালোকে বহুতেই মনে মনে ভয় খাই আছা, আমি ক'ত চাকৰি পাম বুলি। কিন্তু মই তোমালোকক আজি শংকামুক্ত কৰি কৈছো—পৃথিৱীৰ যিকোনো প্ৰান্তৰ যিকোনো বিভাগতে তুমি কাম কৰা, আনতকৈ তোমালোকে অধিক ভাল ফল দেখুৱাবা।' সেইদিনাৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ মনলৈ দুগুণ সাহ আহিছিল। ভাস্বতীৰো মনটো ভাল লাগিছিল। ভাস্বতীৰ দেউতাকে প্ৰায়ে এষাৰ কথা কৈছিল, শিক্ষিত হ'ব পাৰি তিনি প্ৰকাৰে। এবিধে চমৎকাৰ ফলাফল কৰি ভাল কেৰিয়াৰ গঢ়াৰ বাবে পঢ়ে, এবিধে জ্ঞান অৰ্জনৰ বাবে পঢ়ে, আনবিধে প্ৰজ্ঞাৰ সাধনা কৰে। ভাস্বতীয়ে সুধিছিল দেউতাকক—'দেউতা, তুমি মই কি কৰাটো বিচাৰা?' দেউতাকে বহুপৰ মনে মনে থাকি কৈছিল। প্ৰজ্ঞাৰ সাধনা সবাটোকৈ কষ্টকৰ। সেয়ে, প্ৰথমটো, অৰ্থাৎ চমৎকাৰ ফলাফল কৰি তুমি নিজৰ ভৰিত ভালদৰে থিয় হোৱাটো মই বিচাৰিম। এয়া যুগ ধৰ্ম। তোমাক সময়ৰ চাহিদাৰ পৰা ফালৰি কাটিবলৈ কেনেকৈ উপদেশ দিমনো? ই সহজ উপায়। প্ৰজ্ঞাৰ অধিকাৰী হ'বলৈ যি মনৰ বিশালতাৰ প্ৰয়োজন, জ্ঞানৰ উপলব্ধিৰ দৰকাৰ, তাৰ বাবে জীৱনৰ চাকনৈয়া, সংঘাতৰো দৰকাৰ। অভিজ্ঞতাৰ দৰকাৰ। গতিকে তুমি এতিয়া ছাত্ৰী।

'ছাত্ৰানাং অধ্যয়নং তপঃ। সকলো কথা বাদ দি কেৱল পঢ়া'। ক্লাছৰুমত সুশান্ত বৰদলৈৰ কথা শুনি ভাস্বতীৰ এনেভাব হ'ল, যেন তেওঁ অধ্যয়নতকৈও প্ৰজ্ঞাৰ কথাই বেছিকৈ ক'লে। ভাস্বতীৰ মনটো মুকলি হৈ পৰিল হঠাৎ। তাই যেন এটা ৰহস্যৰ বাকচ খোলাৰ চাবিপাত হাতত পাই গ'ল। ভাস্বতীয়ে বুজি উঠিল জীৱনৰ বৃহৎ বাকচৰ মাজত থকা, অসংখ্য বহু বাকচৰ মাত্ৰ এটা বাকচ হৈছে স্কুল-কলেজ-বিশ্ববিদ্যালয়ৰ পাঠ্যক্রম। এই পাঠ্যক্রমবোৰে জীৱন নামৰ বৃহৎ পেৰাটোৰ ভিতৰৰ অসংখ্য তলাবন্ধ বাকচবোৰ খোলাৰ উপায় দেখুৱাত কিঞ্চিৎ সহায় কৰে। কিন্তু পূৰ্ণ সহায় পাব পাৰি প্ৰজ্ঞাৰ দ্বাৰাহে। বৰদলৈ ছাৰৰ কথাত এই ইংগিতেই আছিল। ভাস্বতীৰ নতুন ক্লাছ কৰি ভাল লাগিবলৈ ধৰিলে। শৰ্মা ছাৰ, বৰঠাকুৰ ছাৰ, গগৈ ছাৰ, বৰবৰা ছাৰ প্ৰায় সকলো শিক্ষকৰ সৈতেই এটা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক হৈছে। ডিব্ৰু বিশ্ববিদ্যালয়ৰ ইও এটা বৈশিষ্ট্য। খুব সহজেই এটা ঘৰুৱাভাৱ শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ মাজত স্থাপন হৈ যায়। হোষ্টেলৰ আড্ডাত বিভিন্ন

ডিপাৰ্টমেণ্টবোৰৰ ছাত্ৰীয়ে শিক্ষকৰ কথা যেতিয়া কয়, তেতিয়া ভাবেই নহয় যে এই ছাত্ৰ-ছাত্ৰীবোৰৰ সৈতে শিক্ষকসকলৰ চিনাকী হোৱা বেছি দিন হোৱা নাই।

ভাস্বতীহঁতৰ শ্ৰেণীকক্ষলৈ সোমাই আহিল এজন নতুন ছাৰ। ওখ, ফ্ৰেন্স-কাট্ দাড়ি। ডাঠ ফ্ৰেমৰ চশমাৰে প্ৰায় পঞ্চাশ্লিছ বছৰৰ ওচৰা-ওচৰি এজন অত্যন্ত ব্যক্তিত্বসম্পন্ন ব্যক্তি। আহিয়েই তেওঁ মৃদু হাঁহিৰে ক'লে—'মই ছুটীত আছিলোঁ। আজিৰে পৰা মই তোমালোকক 'থিয়ৰী'ৰ ক্লাছ ল'ম। পৃথিৱীৰ সকলো পণ্ডিত, দাৰ্শনিক, সমাজবিজ্ঞানী, চিন্তানায়কসকলৰ তত্ত্বগধুৰ এই বিশ্লেষণবোৰ স্বাভাৱিকতেই নিৰস আৰু জটিল। কিন্তু প্ৰখৰ গ্ৰীষ্মত ৰ'দৰ তাপত দগ্ধ হৈ, অণ্ঠ-কণ্ঠ শুকাই যাওঁতে তুমি এজোপা নাৰিকল গছ দেখিলা—ৰ'দৰ তাপৰ পৰা শৰীৰক বচাবলৈ তুমি গছৰ শীতল ছাঁ বিচাৰি দৌৰি নাহিবা জানো? গছৰ তলত দেহৰ জুৰ লওঁতেই তোমাৰ পিয়াহ-ভোক লাগিল, তুমি ওপৰলৈ চালা নাৰিকল লাগি আছে। নাৰিকল গছ বগোৱা টান। তথাপিও তুমি নাৰিকল যেনে-তেনে পাৰিলা। নাৰিকলৰ ভিতৰত আছে তোমাৰ তৃষ্ণা আৰু ভোক নিবাৰণৰ অমৃত সুধা, কিন্তু ওপৰত আছে কঠিন নাৰিকলৰ বাকলি। যদি তুমি বুদ্ধিমান, তেন্তে যিকোনো প্ৰকাৰে নাৰিকলৰ পানী খাবা। যদি নোহোৱা নাৰিকলটো কোনোবাই বাকলি গুচাই খুৱাব বা 'নোখোৱাকৈয়োতো থাকিব পাৰি' বুলি গছৰ ছাঁত এঘুমতি মাৰিবা। সমাজখনৰ চাৰিকাষৰ ঘটনা-উপঘটনাবোৰে তোমাক কিমান সচেতন কৰিছে—ইয়াৰ কাৰণবোৰ জানিবলৈ তোমাৰ ভোক-পিয়াহ কিমান তীব্ৰ, তাৰ ওপৰতে নিৰ্ভৰ কৰিব; এই জটিল তত্ত্ববোৰৰ ৰসাল অমৃত তুমি পান কৰা কথাটো। নহ'লে তোমালোকে হয়তো বহু নম্বৰ লৈ পৰীক্ষাত উত্তীৰ্ণও হ'বা, কিন্তু এই থিয়ৰীবোৰ নাৰিকলৰ বাকলি হৈয়ে থাকি যাব। মোৰ সাধ্যানুসাৰে তোমালোকক মই এই কঠিন বিষয়টোৰ ৰস দিবলৈ যত্ন কৰিম। কিবা নুবুজিলে এশবাৰ সুধিবা। মোৰ অফ্ টাইমত কমনৰুমলৈও আহিবা, মই বুজাবলৈ বেয়া নাপাওঁ। মোৰ ঘৰৰ ঠিকনাটোও দিম, যিকোনো অসুবিধাৰ কথা ক'বলৈ সংকোচ নকৰিবা। মোৰ ঘৰলৈও আহিব পাৰা। মাত্ৰ নুবুজাকৈ 'বুজিছো' বুলি নক'বা। এয়া মোক insult কৰাৰ দৰে হ'ব। তোমালোকৰ পৰীক্ষাৰ বহীৰ উত্তৰতে মই বুজিম, প্ৰকৃততে তোমালোকক মই কিমান ভালকৈ পঢ়াব পাৰিছোঁ। তোমালোকে দিয়া প্ৰশ্নৰ উত্তৰবোৰত মোৰ পৰীক্ষা হ'ব। তোমালোকৰ উত্তৰ ভুল হোৱা মানে মই বিফল হোৱা। It is my failure, তোমালোকক তাৰ বাবে মই কেতিয়াও দোষ নিদিওঁ। কাইলৈৰ পৰা আমি পঢ়িম। আজি চিনাকি হ'লোঁ। তোমালোক এতিয়া এডাল্ট, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী মানে দেশৰ আশা, সচেতন নাগৰিক। তোমালোকে মোক জ্যেষ্ঠ বন্ধু হিচাপে গ্ৰহণ কৰাতোহে বিচাৰোঁ। A senior friend, জ্যেষ্ঠ বন্ধু, যি দৰকাৰ হ'লে আশ্ৰয় দিব পাৰে, শাসনো কৰিব পাৰে, মনৰ কথাও ভাগ কৰিব পাৰে। এই বুলি কৈ ছাৰে ক্লাছ ৰেজিষ্টাৰ বহীখন সামৰিলে। সোণালী ৰঙৰ কলমটো বগাত সৰু মিহি আঁচ দিয়া হাফ ছাৰ্টৰ বুকুৰ জেপত ক্লিপ লগাই ভৰালে। ক্লাছৰুমৰ

আটাইতকৈ উৎপতীয়া বুলি এমাহতে প্ৰমাণ কৰা উদণ্ড ল'ৰা কেইটায়ো মন্ত্ৰমুগ্ধহৈ মানুহজনৰ বিশাল ব্যক্তিত্বলৈ চাই থাকিল। ছাত্ৰ-ছাত্ৰীবোৰ যেন এক অনামী আন্তৰিক মৃদু সুৰত বন্দী হৈ থাকিল বহুপৰ। ছাৰে ক্লাছ এৰিবলৈ থিয় হোৱাৰ লগে লগে সকলোৱে যেন সম্বিত ঘুৰি আহিল। মাৰ্ঘেৰিটাৰ সুশীল চেতিয়া নামৰ উৎপতীয়া ল'ৰাটো হঠাৎ থিয় হৈ সুধিলে—

ঃ ছাৰ—আপোনাৰ পৰিচয়?

তেওঁ অকমান হাঁহি ক'লে— আলতাফ আহমেদ।

ঃ আপুনি ডিব্ৰুগড়ৰনে?

ঃ নহয়, গুৱাহাটীত মোৰ ঘৰ। সংক্ষিপ্ত উত্তৰটোত সন্তুষ্ট নহৈ সুশীলে আকৌ সুধিলে—

ঃ নহয় মানে—আপুনি ডিব্ৰুগড়তেই সমাজশাস্ত্ৰ পঢ়িছিল? এইবাৰ তেওঁ স-শব্দে হাঁহিলে। 'নাই পঢ়া। বাহিৰত পঢ়িছিলোঁ।'

ঃ দিল্লীত নেকি?

ঃ নহয় বাবা—ভাৰতৰ বাহিৰত। বহুবছৰৰ মূৰত মই এই দেশলৈ উভতি আহিছোঁ। মোৰ ঘৰত মা-দেউতা অকলে। বৃদ্ধ অৱস্থা—মই একমাত্ৰ পুত্ৰ। কিন্তু অসমত মোৰ বিষয়টো নাই বুলিলেই হয়—ভাগ্যে—ছ'ৰি মই 'ভাগ্য' শব্দটো সংযোগজনিত শব্দৰ অৰ্থতহে কৈছোঁ। এক সংযোগত মই ইয়াৰ চাকৰি পালোঁ। ভাবিলো, অসমত থকাৰ ইয়াতকৈ ভাল সুযোগ আৰু নাপাম।

ঃ তাৰ মানে আপুনি উভতি যাবগৈয়ো পাৰে! এইবাৰ শ্ৰেণীৰ সবাটোকৈ কথা কম কোৱা ছোৱালী বুলি পৰিচিত স্নেহাই ক্ষীণ কণ্ঠস্বৰেৰে সুধিলে।

ঃ সকলো সময়ৰ হাতত। কিন্তু তোমালোকক মই দুবছৰ পাম, সেয়া খাটাং। এই দুটা বছৰত অন্ততঃ মই উভতি নাযাওঁ।

ঃ থেংকিউ ছাৰ—স্নেহাই ক'লে।

আহমেদ ছাৰে এইবাৰ মৰমসনা দৃষ্টিৰে স্নেহালৈ চাই অকণমান সোঁহাতখন দাঙি ক'লে—ইট্‌ছ্-অ'কে-মাই বেষ্ট উইছেছ টু অল অব্ ইউ—থেংকছ্। আহমেদ ছাৰে গহীন দীঘল খোজ পেলাই দীঘল বাৰাণ্ডাৰে গ'ল গৈ। তেওঁৰ যোৱাৰ ফালে চাই অলপ আগবাঢ়ি গ'ল, মাজুলীৰ বনগাঁৱৰ লক্ষীৰাম দত্ত। 'তোৰ আকৌ কি হ'ল?' সুশীলে ঠাট্টা কৰি সুধিলে। লক্ষীৰামে মুখখন অলপ আচহুৱা যেন কৰিলে। সি থোকা-থুকি মাতেৰে ক'লে—আমি গাঁৱৰ ল'ৰা। বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ আহোঁতেই দেউতাই মাটি দুহালিচা বেচি পইচা দি পঠাইছিল। ইস্কুলত এনেকুৱা মৰমিয়াল শিক্ষক পাইছিলোঁ। কিন্তু এয়া ছাৰৰ কথাবোৰ শুনি মনটো কিবা ষ্ট্ৰং হৈ গৈছে দেখোন। মই এই বিশ্ববিদ্যালয়ৰ ল'ৰা-ছোৱালীবোৰ দেখি হীনমন্যতাত ভুগি আছিলো—আজি মনটো ভাল লাগি গৈছে। ময়ো কিবা এটা কৰি দেখুৱাব পাৰিম যেন ভাব হৈ গৈছে...। কথাবোৰ কওঁতে লক্ষীৰামৰ সৰু সৰু চকু দুটা

পানীৰে উপচি পৰিল। সি দুই হাতৰ তলুৱাৰে চকু দুটা মচি নিজৰ নির্দিষ্ট বেঞ্চখনত বহিলগৈ। ভাস্বতীয়ে লক্ষীৰামৰ প্ৰতিক্ৰিয়াখিনি ওচৰৰ পৰা লক্ষ্য কৰি আছিল। তাই দেখিলে কথাই কথাই স্ফূৰ্তি-ঠাট্টা-মস্কৰা কৰি থকা সুধীলো গহীন হৈ গৈছে। আহমেদ ছাৰৰ উপস্থিতিৰ মাত্ৰ পঁচিশমিনিট সময়ে, সমগ্ৰ ক্লাছটোকে এক অব্যক্ত ভাৱসাগৰত বুৰাই পেলালে। ইমান আন্তৰিক মানুহজন। ভাস্বতীক ৰশ্মিয়েহে খেঁচুকি মাতিলে—ভাস্বতী আজি ক্লাছৰ পৰা বাহিৰে বাহিৰে বজাৰলৈ যাম—যাবিনে?

ঃ মোৰ একো বজাৰ কৰিবলৈ নাই।

ঃ নহয় অ'—থিয়ৰীৰ কিতাপ মোৰ নাহেঁই—আজি বিচাৰি হ'লেও কিনিম। আহমেদ ছাৰৰ ছাবজেক্টত বেয়া নম্বৰ পালে বৰ লাজ পাম ভাই। দেখা নাই কি ক'লে! আমি পৰীক্ষা বেয়া কৰিলে বোলে তেওঁ একো নকয়—নিজে ফেইল কৰিছে বুলি ভাবিব। কি যে বিপদ! আচৰিত মানুহ নহয়নে? মই এনেকুৱা শিক্ষক জীৱনত পোৱা নাছিলোঁ।

ঃ কিন্তু তই দেখোন হোষ্টেলৰ পৰা কিতাপ কিনিবলৈকে সদায় বাতিপুৱাতে ওলাই যাব! —ভাস্বতীয়ে আচৰিত হৈ ৰশ্মিলৈ চাই সুধিলে।

ঃ সদায় ক'তনো গ'লো বাৰু। কেইদিনমান মাজে মাজে গৈছোঁ—আচল কথা তোক কওঁ—মই এখনো কিতাপ কিনাই নাই।

ঃ কি!

ঃ তোক কি ক'ম আৰু, এই কেইদিন চিনেমা চাইছোঁ, ৰেষ্টোঁৰাত খাইছোঁ, কিবা-কিবি মনৰ চখত বজাৰ কৰিছোঁ—এইবোৰতেই পইচা শেষ।

ঃ একো ভাল কথা হোৱা নাই।

ঃ ভাল হৈছে। মই ভাল কৰিছোঁ। তই কি বুজিবি মোৰ কথা! ৰশ্মিয়ে খঙতে মুখ ঘূৰালে।

ঃ তই তোৰ ঘৰৰ মানুহক ঠগিছ—মাৰ-দেউতাৰৰ বিশ্বাস ভংগ কৰিছ।

ঃ বাঃ বিশ্বাস ভংগ কৰিছোঁ! জাননে অকলে কলেজলৈও আহি মই পোৱা নাছিলোঁ। গাড়ীত লৈ আহি আলুৰ বস্তা পেলোৱাৰ দৰে কলেজৰ গে'টৰ মুখত ড্ৰাইভাৰে থৈ যায়। মোৰ-ক্লাছৰ ৰুটিন এখন মা-দেউতাৰ হাততো থাকে। কলেজ ছুটী হ'লেই গে'টৰ মুখত গাড়ী হাজিৰ। কলেজৰ কোনো ফাংশ্যন মই চাই পোৱা নাই। মা-দেউতাৰ ধাৰণা নিশালৈকে হোৱা এই ফাংশ্যনবোৰতে নঘটিবলগীয়া কাণ্ডবোৰ ঘটে।

ঃ কিন্তু তই ছোৱালী কলেজতহে পঢ়িছিলি!

ঃ পঢ়িলে কি হ'ব? ফাংশ্যন, সৰস্বতী পূজা এইবোৰত ল'ৰা সোমাই কলেজত। চৌব্বিশ ঘণ্টা মোৰ ওপৰত কাঢ়া নজৰ।

ঃ তোক মা-দেউতাই সন্দেহ কৰে নেকি কিবা কাৰণত?

ঃ সন্দেহ কৰেনে নাই নাজানো, কিন্তু মোক দুৰ্বল, অপৰিপক্ক বুলি নিশ্চয় ভাবে।

নহ'লে আন দহজনী ছোৱালীৰ দৰে মুকলিকৈ ৰাস্তাৰে খোজ কাঢ়ি যাবলৈ মোক নিদিয়ে কিয়? ৰিক্সাত গ'লেও, মোৰ সৈতে ৰখীয়া যাব নতুবা ৰিক্সাবালাক ভালকৈ মোক নির্দিষ্ট স্থানত নমাই দিবলৈ দহবাৰমান ক'ব। এজনী পোন্ধৰ-যোল্ল বছৰীয়া ছোৱালীৰ বাবে ই কিমান লজ্জাজনক।

ঃ অত্যধিক স্নেহ বা 'প'জেচিভনেছ' থাকিব পাৰে।

ঃ সেইবোৰ একো নহয়। মোৰ পেহী এজনী আমাৰ দেউতাৰ মহৰী এজনৰ সৈতে পলাই যোৱাৰ পিচৰ পৰা মা-দেউতাই মোৰ ওপৰত এই অত্যাচাৰ চলাবলৈ আৰম্ভ কৰিলে। ইয়াৰ বিপৰীতে মোৰ ভাইটি কিন্তু চাইকেল লৈ টিউছন কৰিবলৈ যায়, লগৰ ল'ৰাৰ ঘৰলৈ যায়। সি ল'ৰা, সেইবাবে মুক্ত, মই যেন পেহীৰ দ্বিতীয় সংস্কৰণ।—ৰশ্মিৰ মুখত ক্ষোভ আৰু খঙৰ বেশ ফুটি উঠিল। ৰশ্মিয়ে নিজৰ ঘৰখনৰ ওপৰত অমূৰ্তক খং এটা পুহি ৰাখিছে সেয়া ভাস্বতীয়ে বুজি উঠিল। তাই শান্তভাৱে ৰশ্মিক ক'লে—শুন ৰশ্মি, তই যে পেহীৰ দৰে নহয়, সেই কথা প্ৰমাণ কৰাৰ সুযোগ তই এতিয়া পাইছ। তই চিনেমা চাই, ৰেস্তোঁৰাত খাই পইচা উৰুৱাতকৈ, মা-দেউতাৰ মনত নথকা বিশ্বাস ঘূৰাইহে আনিব লাগে। পেহীয়ে বেয়া কাম এটা কৰিলে বুলিয়েই....

ঃ 'বচ্ নক'বি ভাস্বতী। পেহীৰ কথা তই নক'বি। পেহীয়ে একো বেয়া কাম কৰা নাই।' ৰশ্মিয়ে হঠাতে ভাস্বতীৰ মুখৰ কথা কাঢ়ি উত্তেজিত হৈ উঠিল। ভাস্বতী মনে মনে থাকিল। আনৰ পাৰিবাৰিক সমস্যাত নোসোমোৱাই ভাল। ভাস্বতী কেন্টিনলৈ বুলি বেগটো কান্ধত লৈ যাবলৈ থিয় হ'ল।

ঃ ৰ-ক'ত যাৱ, ময়ো যাম। ৰশ্মিয়ে হঠাতে কৈ উঠিল। ভাস্বতী ৰশ্মিৰ বাবে অপেক্ষা নকৰি ক্লাছৰুমৰ পৰা ওলাই গ'ল। পিছে পিছে ৰশ্মিও খৰ-খোজেৰে গৈ ভাস্বতীৰ কাষ চাপিলগৈ। 'বেয়া পালি তেনেকৈ কোৱাত?'

ঃ মোৰ কি গৰজ তোৰ পৰিয়ালৰ কথা জানিবলৈ! মই সুধিছিলোনেকি তোৰ ঘৰৰ কথা! ভাস্বতীয়ে খঙেৰে ক'লে।

ঃ ভাস্বতী- চা না ভাস্বতী। মোৰ সমস্যাটো তই বুজা নাই। মই—মই আচলতে এইদৰে যে য'তে-ত'তে পইচা উৰুৱাই ভাল পাইছো সেয়া নহয়— মই মানে—ঠিক বুজাব পৰা নাই— মানে, মা-দেউতাৰ ওপৰত প্ৰতিশোধ ল'বলৈ মন যায়। ভাস্বতী এইবাৰ ৰৈ দিলে। তাই ৰশ্মিৰ মুখলৈ পোনপতীয়াকৈ চাই ক'লে—ষ্টুপিড্—মা-দেউতাৰ ওপৰত নহয়, তই নিজে নিজৰ ওপৰত প্ৰতিশোধ লৈছ। মাৰ, দেউতাৰৰ তোক লৈ অশান্তি বাঢ়িব ঠিক কথা, কিন্তু তই তোৰ জীৱনক লৈ অশান্তি পাবি বেছি। তই নিজে যেতিয়া তোৰ বৰ্তমান, ভৱিষ্যতলৈ দিনে-নিশাই কান্দিব লগা হ'ব, তেতিয়া বুজিবি কাৰ ওপৰত তই প্ৰতিশোধ ল'লি।' সিহঁত দুয়োজনী আহি ডিপাৰ্টমেণ্টৰ সন্মুখ পালেহি। হঠাতে এটা চিৰিৰ ওপৰত ৰশ্মি বহি পৰিল আৰু ভাস্বতীৰ হাত এখন টানি ক'লে—'বহ-বহচোন

ইয়াতে। কথা আছে।' অনিচ্ছা সত্ত্বেও ভাস্বতী বহিল ? কিন্তু ৰশ্মিৰ বিপৰীত দিশত ভাস্বতীয়ে দৃষ্টি নিবদ্ধ কৰিলে। ভাস্বতীৰ মুঠেও ৰশ্মিৰ সৈতে কথা পাতিবলৈ মন যোৱা নাই। কিছুপৰ মনে মনে থকাৰ পিচত ৰশ্মিয়ে ক'লে—'প্ৰত্যেক মানুহৰ জীৱনত কিছু বিশেষ মানুহৰ স্থিতি বৰ স্পৰ্শকাতৰ হৈ থাকে—নহয়নে ?' ভাস্বতীয়ে উত্তৰ নিদিলে। 'মোৰ বাবে মোৰ পেহী তেনেকুৱা।

ৰশ্মিয়ে ক'বলৈ আৰম্ভ কৰিলে। ভাস্বতীয়ে শুনি থাকিল যদিও দৃষ্টি অন্যফালে ৰাখিলে। 'মই দেখিছিলো, পেহী তিনি-চাৰিবাৰ পেহাৰ ঘৰৰ পৰা গুচি আহি আমাৰ ঘৰত বহুত দিন থাকেহি। আকৌ পেহাই আহি লৈ যায়। যাবৰ সময়ত সদায় কন্দা-কটা হয়। সৰু আছিলো, সেইবাবে ভাবিছিলো বিয়া দিয়া ছোৱালী মাকৰ ঘৰলৈ আহি উভতি যাবলৈ বেয়া পাই কান্দে। লাহে লাহে কথাবোৰ বুজা হ'লোঁ। মই ক্লাছ চেভেনত তেতিয়া। সেইবাৰ পেহী আহিয়েই ঘৰৰ পৰিস্থিতি সলনি কৰি দিলে। এইবাৰ হেনো মদাহী, লম্পট চৰিত্ৰৰ পেহাৰ ওচৰলৈ ঘূৰি আৰু কেতিয়াও নাযায়। দেউতাক পেহীয়ে কাবৌ-কোকালি কৰি ক'লে যে, কিবা এটা সংস্থাপন পেহীক কৰি দিয়ক। লাগিলে ৰাস্তাত শিল ভাঙিব, কিন্তু স্বামীগৃহলৈ নাযায়। দেউতাই হুকুম দিলে, পেহী যাবই লাগিব। তেওঁ মিতিৰৰ সৈতে সম্পৰ্ক বেয়া নকৰে।

ঃ তাৰ পাচত ? —এইবাৰ ভাস্বতীৰ কৌতূহল হ'ল। তাই ৰশ্মিৰ ফালে ঘূৰি বহিল।

ঃ পেহী নিশা মোৰ লগত শোৱে। গোটেই নিশা তেওঁ কান্দি থাকে। ওচৰতে মোৰ আইতা বেলেগ বিচনাত শোৱে। আইতাই কয়—'মতা মানুহ বলাই খাব জনাটোৱেই তিৰোতাৰ শ্ৰেষ্ঠ গুণ। তই এনেকুৱা অপদাৰ্থ যে গিৰিয়েৰক বশ কৰিব নোৱাৰ। তোৰ দুজনী বায়েৰৰ এনে অৱস্থা হোৱা নাই। সিহঁতে কেনেকৈ সুখেৰে ঘৰ-সংসাৰ কৰি আছে?' পেহীয়ে তেতিয়া কয়, যে বায়েকহঁতৰ গিৰিয়েকবোৰ মদ্যপী নহয়। প্ৰত্যেক নিশাই বন্ধু-বান্ধৱৰ সৈতে মদ্যপান কৰি গিৰিয়েক উভতি আহে। তাই কিবা ক'লেই জ্বলি-পকি উঠে। মাৰ-পিটো কৰিবলৈ ল'লে। কেৱল সেয়াই নহয়, গিৰিয়েকে তেওঁৰ প্ৰাইভেট স্টে'নোগৰাকীৰ সৈতে নিশা কটাবলৈ ভাল পায়। তাইক লৈ ঘূৰি ফুৰে। আইতাই কয় তেতিয়া—

ঃ মনে মনে ক, মাজনীয়ে সাৰ পাই শুনিব। কিন্তু মই টোপনিৰ ভাও জুৰি শুনি থাকোঁ। পেহীয়ে কয় স্টে'নোজনীৰ ওচৰলৈ এদিন পেহী গৈ হাতযোৰ কৰি সংসাৰ নাভাঙিবলৈ খাটনি ধৰিছিল। সেইদিনা পেহীয়ে দেখিছিল তাইৰ অকলশৰীয়া ঘৰত থকা শ্বেলফত দেশী-বিদেশী সুৰাৰ বটল সজাই থোৱা আছে। ঘৰত তাই স্কাৰ্টৰ ওপৰত পিন্ধি আছে ৰাণা পেহাৰ এটা টি-ছাৰ্ট। পেহীয়ে ৰাণা পেহাৰ ছাৰ্টটো তাইৰ গাত সহ্য কৰিব নোৱাৰি খামুচি ফালি পেলালে। গালি-গালাজ দিলে। কিন্তু হিতে বিপৰীত হ'ল। নিশালৈ ৰাণা পেহা আহি পেহীক মাৰ-ধৰ কৰিলে। ক'লে—পত্নী হৈ যদি থাকিব খুজিছে, তেন্তে

পেহাৰ ব্যক্তিগত কথাত সোমাব নোৱাৰিব। অন্যথা পেহী গুচি যাওক। পেহী এই চৰম অপমানৰ পাচত ৰাণা পেহাৰ সৈতে নাথাকিলে। কিন্তু মোৰ দেউতাই পেহীৰ প্ৰতি অলপো সহানুভূতি নেদেখুৱালে। দেউতাৰ হাৰ্ডওৱেৰৰ দোকান আৰু ষ্টীল ৱৰ্কশ্বপ এটা আছে। ৰাণা পেহা নামজ্বলা ঠিকাদাৰ। দেউতাৰ পৰাই বেছি সামগ্ৰী কিনে। দেউতাই ৰাণা পেহাক দোষ নিদিয়াত স্বাৰ্থ আছে।

ঃ পেহী কিমান দিন থাকিল? ভাস্বতীৰ কৌতূহল বাঢ়ি গ'ল।

ঃ প্ৰায় দুবছৰ। মই ক্লাছ টেনলৈ তেতিয়া প্ৰমোচন পাইছোঁ। মই পুৱা চাৰি বজাতে উঠি পঢ়োঁ। পেহী মোৰ সৈতে সদায় উঠে। একাপ হৰলিক্স কৰি মোক দিয়ে। দিনে দিনে পেহীৰ যেন মই নিজৰ ছোৱালী হৈ পৰিছিলোঁ। মোৰ মায়ে ভাইটিৰ যত্ন লৈছিল আৰু পেহীয়ে মোক মাৰ দৰে যত্ন লৈছিল। সেইদিনা পুৱা মোৰ কাষত পেহী নাছিল। বাহিৰত কিণ্ কিণ্কৈ বৰষুণ দি আছিল। ঘৰৰ সকলো মানুহ গভীৰ টোপনিত। আইতা এবছৰৰ আগতে ঢুকাইছিল। মই ঘৰৰ সকলো ঠাইত চালো, পেহীক নাপালো। মাক জগাই কথাটো ক'লো। বিচাৰ-খোচাৰ লাগিল। অৱশেষত দেউতাৰ অফিচৰুমৰ টেবুলত এখন খাম-বন্ধ চিঠি পোৱা গ'ল। পেহীয়ে দেউতালৈ লেখা চিঠি—পেহীয়ে লেখিছিল যে তেওঁ দেউতাৰ বাবে বা স্বামী ৰাণা শইকীয়াৰ বাবে অস্তিত্বহীন এক প্ৰাণী। তেওঁ তেজ-মঙহৰ এজনী মানুহ বুলি সকলোৱে পাহৰি গৈছে। গতিকেই তেওঁক কোনেও বিচাৰিব নালাগে। দ্বীপেন বৰা নামৰ দেউতাৰ কাৰখানাৰ মহৰীৰ সৈতে তেওঁ গুচি আহিছে। দেউতাই তাৰ পাচত মোক জেৰা আৰম্ভ কৰিলে। তেওঁৰ বিশ্বাস, পেহীৰ সৈতে মোৰ সম্পৰ্ক বেছি বাবে সকলো কথা মই জানোঁ। মই বহু কথা জানিছিলো, কিন্তু দ্বীপেনৰ সৈতে পেহী গুচি যাব বুলি ভবা নাছিলোঁ। দ্বীপেন কেও-কিছু নোহোৱা মানুহ। দেউতাৰ সৈতে থকা দহ বছৰ হৈ গ'ল। বিশ্বাসী আৰু বৰ অমায়িক স্বভাৱৰ। দ্বীপেন নহ'লে আমাৰ ঘৰ অচল। ঘৰৰ খাজনা দিয়া, ইলেক্ট্ৰিক বিল দিয়া, বেংকৰ কাম কৰা সকলো ভাৰ দ্বীপেনৰ ওপৰত। দ্বীপেনক আমি সৰুৰে পৰা দাদা বুলি মাতি আহিছোঁ। সি পেহীৰ কষ্ট সহ্য কৰিব পৰা নাছিল। আইতা ঢুকুওৱাৰ পিচত, পেহীৰ সৈতে সময় পালেই আহি কথা-বতৰা পাতিছিল। পেহীৰ কোনো কামতে উৎসাহ নাছিল। সদায় জাধলী হৈ কোঠাৰ ভিতৰত থাকি ভাল পাইছিল। কিন্তু মই লাহে লাহে মন কৰিছিলো, দ্বীপেনদাই পেহীক তেনেকৈ থাকিবলৈ দিয়া নাছিল। পেহীয়ে নিজৰ ধুনীয়া দীঘল চুলিকোছাৰ যত্ন ল'বলৈ লৈছিল। পেহীৰ চকু দুটা হৰিণীৰ দৰে বিষণ্ণ, গভীৰ ক'লা আছিল। এদিন পেহীয়ে চকুত কাজল সানিছিল। দ্বীপেনদাই কৈছিল মোৰ সন্মুখতে—'মাজনী, তোৰ পেহীৰ চকু এনেই ধুনীয়া, কিয় কাজল ল'ব লাগে? যি স্বাভাৱিকভাৱে ধুনীয়া, তাত ৰং-চং লগালে বেয়া দেখি। আমাৰ ৱৰ্কশ্বপৰ বেচিবলৈ ৰং লগোৱা গ্ৰীলবোৰৰ দৰে লাগে।' মই হাঁহিছিলোঁ। কিন্তু মই জনা নাছিলো, পেহীয়ে কেৱল দ্বীপেনদাৰ চকুত তিলোত্তমা হ'বলৈ প্ৰয়াস কৰিছিল বুলি। দ্বীপেনদাক

আমি বৰ ভাল পাইছিলোঁ। অভাৱৰ বাবে দ্বীপেনদাই বি এ ফাইনেল দিব পৰা নাছিল। কিন্তু দেউতাৰ অফিচৰ ইংৰাজীত লেখিব লগা সকলো কাগজ-পত্ৰ দ্বীপেনদাই লেখি দিছিল। মই নুবুজা কিতাপৰ ইংৰাজী শব্দবোৰ দ্বীপেনদাই বুজাই দিছিল। কিন্তু এই ঘটনাৰ পিচত দেউতাই দ্বীপেনদাক ক্ষমা কৰা নাছিল। 'অবিশ্বাসী, নিমখহাৰাম' হৈ পৰিছিল দ্বীপেনদা। পুলিচত দিব খুজিছিল, মাই মানা কৰিলে। মিছা-মিছি পৰিয়ালৰ বদনাম ফাটি-ফুটি যাব। ৰাণা পেহাক দেউতাই মাতি আনি সকলো ঘটনা বিৱৰি ক'লত, পেহাই মাৰ মততেই সন্মত হ'ল। পেহীৰ সম্পৰ্কে মন্তব্য দিলে 'আপোনাৰ ভনীয়েকৰ ইমান দুঃচৰিত্ৰ কেনেকৈ হ'ল ভাবি নাপাওঁ।' মোৰ তেতিয়া ৰাণা পেহাক ঘৰৰ পৰা উলিয়াই দিবলৈ মন গৈছিল। পেহীৰ পৰা মনে মনে শুনা সকলো কথা চিএৰি ক'বলৈ মন গৈছিল। —ৰশ্মিৰ চকু-মুখ খঙত আকৌ ৰঙা পৰি উঠিল। ভাস্বতীয়ে ৰশ্মিৰ এখন হাত নিজৰ হাতৰ মুঠিৰ মাজলৈ আনিলে। 'আজি পাঁচ বছৰ হৈ গ'ল পেহীক নেদেখা। পেহীয়েতো নাজানে, পেহীৰ সৈতে থকা মোৰ সহৃদয়তাৰ বাবেই মোক বন্দীত্বৰ যন্ত্ৰণাৰে শাস্তি দিয়া হৈছে বুলি! এবাৰ কোনোবাই আহি কৈছিল, পেহীক দেখা পাইছে গুৱাহাটীৰ ভঙাগড়ৰ বাছ ষ্টপত। ঘৰত কথাটো কোনেও গুৰুত্ব নিদিলে। পেহীৰ মৃত্যু ঘটিছে ইতিমধ্যে আমাৰ পৰিয়ালত। কিন্তু ভাস্বতী, মই পেহীক পাহৰিব পৰা নাই। মোৰ মতে পেহীয়ে কোনো দোষ কৰা নাই। দোষ কৰিছে আমাৰ পৰিয়ালে, দোষ কৰিছে ৰাণা পেহাই। নিৰ্দোষী পেহীয়ে কেৱল শাস্তি ভুগিলে। কিয় এনে হয়— কিয় এনে হয়..... ৰশ্মিয়ে হুক্ হুকাই কান্দি দিলে এইবাৰ। ভাস্বতীয়ে সান্ত্বনা দিবলৈ ভাষা বিচাৰি নাপাইছিল। ৰশ্মিয়ে লাহে লাহে আকৌ ক'লে 'দেউতাৰ মুঠেই ইচ্ছা নাছিল মোক ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ পঠোৱাৰ বাবে। বিয়া দিয়াৰ বাবে দৰা বিচাৰিছে দেউতাই। দেউতাই ভাবে, ছোৱালী সদায় শাসনৰ মুঠিত থাকিব লাগে। পেহীক ৰাণা পেহাই শাসনেৰে পত্নী হৈ থাকিবলৈ বাধ্য কৰিব পাৰিব লাগিছিল। জীয়ৰী অৱস্থাত দেউতাকৰ শাসনত, বোৱাৰী হ'লে স্বামীৰ শাসনত মাইকী মানুহক ৰাখিব লাগে। মই ইয়ালৈ অহাৰ আগেয়ে তুমুল কাজিয়া কৰিছিলোঁ। পুৰুষক কোনে শাসন কৰিব? দেউতাক কোনে শাসন কৰিব? ৰাণা পেহাক কোনে শাসন কৰিব? পুৰুষ সৰ্বদা মুক্ত! অনুশাসনৰ উৰ্দ্ধত! দেউতাই মাক ধমক্ দি কৈছিল—'দেখিছা তোমাৰ ছোৱালী! পেহীয়েকৰ দৰেই নাক-কাণ কাটিব। এবছৰৰ ভিতৰত মই এইক বিয়া দিম। ইউনিভাৰ্চিটিৰ হাৱা খাবলৈ নিদিও। বিয়াৰ পাচত দৰকাৰ হ'লে পঢ়িব।' ৰশ্মিয়ে এটা হুমুনিয়াহ কাঢ়িলে। টং... ক্লাছ আৰম্ভ হোৱাৰ ঘণ্টা পৰিল। দুয়োজনী ছোৱালীৰ মৌনতাৰ মাজত, ঘণ্টাৰ শব্দই এটা মৃদু কম্পনৰ সৃষ্টি কৰিলে হৃদয়ত। ভাস্বতীয়ে ৰশ্মিলৈ চালে। উগ্ৰ প্ৰসাধন কৰা ৰশ্মিৰ মুখখন মলিন। চঞ্চল, প্ৰগলভা ৰশ্মি শান্ত-বিষণ্ণ হৈ বহি আছে। ভাস্বতীয়ে বুজি উঠিছে তাই সদায় দেখা সহপাঠী ৰশ্মিৰেখা এয়া নহয়। এয়াহে সঁচা ৰশ্মি। এক প্ৰলেপ আৰু কৃত্ৰিমতাৰে ৰশ্মিয়ে নিজক লুকুৱাই ৰাখিছিল ইমান দিনে। কি বিচিত্ৰ

মানুহ—মানুহৰ সত্ত্বা! এই বিশ্ববিদ্যালয়লৈ অহা মাত্ৰ কেইটামান মাহ তাই অতিক্ৰম কৰিছে। অথচ এই কেইটা মাহত সঞ্চয় কৰা অভিজ্ঞতাৰ তুলনাত তাইৰ যোৱা উনৈশ বছৰে লাভ কৰা অভিজ্ঞতাবোৰ তেনেই নগণ্য। ভাস্বতীয়ে ৰশ্মিৰ হাতত ধৰি বহাৰ পৰা উঠালে। 'ৰশ্মি, তই তোৰ দৰে থাকিবলৈ যত্ন কৰ। প্ৰতিশোধ ল'বলৈ চেষ্টা নকৰিলে, কাৰো প্ৰতি খং ভাব নাৰাখিলেহে সুখী হবি এদিন সময়েই সকলোৰে বিচাৰ কৰি যাব।'

ঃ তোৰ এই মহাপুৰুষীয়া কথাবোৰ মোৰ ভাল নালাগে। মই উনৈশটা বছৰে মুকলি হ'ব নোৱাৰিলোঁ। বিয়াৰ পিচত পুনৰ বন্দীত্ব—অসম্ভৱ! মই ক'ৰবালৈ পলাই যাম। তই নুবুজিবি ভাস্বতী, এই কেইটা মাহে মোৰ বাবে কিমান সুখ কঢ়িয়াই আনিছে। ইমান সুন্দৰ মুক্ত পৃথিৱীৰ বতাহ মই লৈ পোৱাই নাছিলোঁ। জীৱনলৈ মোৰ বৰ ভয় আছিল ভাস্বতী—এতিয়া দেখিছোঁ জীৱনতকৈ সুন্দৰ একোৱেই নাই।

ঃ তোৰ সৈতে মই কিতাপ কিনিবলৈ যাম ৰশ্মি।

ঃ যাবি! যাবি! ৰশ্মি আনন্দত আত্মহাৰা হ'ল।

ঃ যাম। ভাস্বতীয়ে ইষৎ হাঁহি মাৰি ক'লে।

ঃ যাওঁতেই প্ৰথম জৈন হোটেলত দহিবড়া খাম—খাবি!

ঃ খাম — খাম।

ঃ এই — এডাল্ট চিনেমা এখন দিছে 'ভাৰ্জিনিয়ান গাৰ্লছ' চাবি? মাত্ৰ আঢ়ৈ ঘণ্টাৰ শ্ব'। সন্ধ্যা সাতটাত ভাগি যাব। হোষ্টেলত কিবা এটা ফাকি দিম আৰু......

ঃ না — নাচাওঁ।

ঃ প্লীজ — কালি ইক'নমিক্স ডিপাৰ্টমেণ্টৰ বিপাশা আৰু অনিলে চাই আহিছে—ষ্টৰিটো একদম আনকমন। এটা বে'ডৰুম শ্বটৰ বাবেই এডাল্ট কৰা হৈছে ছবিখন — এনেয়ে সাংঘাটিক ভাল চিনেমা। ইয়ং জেনেৰেশ্যনৰ প্ৰব্লেম লৈ কাহিনী বৰ্ণনা— ভাস্বতী, চিনেমা চোৱাত কি দোষ থাকিব পাৰে? তোৰ বা মোৰ দৰে ছোৱালীক চিনেমাই বেয়া কৰিব পাৰে বুলি তই ভাবনে! এইবাৰ ভাস্বতীয়ে একেষাৰেই ক'লে— 'চাম—ব'ল যাওঁ এতিয়া।' ৰশ্মিয়ে আনন্দতে উকিয়াই দিলে। কৰিড'ৰটোত ৰশ্মিৰ উকি আৰু খিল-খিল হাঁহি প্ৰতিধ্বনিত হৈ ৰ'ল।

(এঘাৰ)

'হে ভগৱান এইটো হলত চিনেমা চাবি?' ভাস্বতী অবাক হ'ল।

ঃ অ'—ৰক্সি বহুত পুৰণা হল। দেখাত ভগা-চিগা। বন্ধই হ'ব হেনো অলপতে। পিচে ভাল চিনেমা ইয়ালৈ আহে। যোৱা দেওবাৰে ইয়াতে মই এন্তনিয়নিৰ এখন ছবি চাই গৈছোঁ। ৰোমান পোলানস্কিৰ ছবি চোৱাই নাছিলো, এই ৰক্সিতে চালোঁ। অহা দেওবাৰৰ মৰ্ণিং শ্ব' আছে, 'চোখ' বাংলা ছবি। সাংঘাটিক চিনেমা। মই পঢ়িছো সমালোচনা। ভগা কাঠৰ হল বুলি এই ছবিবোৰ বাদ দিব পাৰি নেকি? আৰোৰা, জ্যোস্না, ডালিমী হলবিলাকত যি পেন্-পেনীয়া হিন্দী চিনেমা চলি আছে, মই হজম কৰিবই নোৱাৰো। য'তচব আউট-ডেটেড্‌মূল্যবোধ, ছেন্টিমেণ্ট—এই চিনেমাবোৰৰ জৰিয়তে এটা এটা 'Planful Cultural Conspiracy' চলি আছে।' ৰশ্মিয়ে কথাবোৰ কৈ টিকটৰ কাউণ্টাৰত থিয় দিলে। মৌন হৈ ভাস্বতী ওচৰতে ৰৈ থাকিল। এইবাৰ ভাস্বতীয়ে মাত দিলে—কেনেকুৱা কালচাৰেল কন্‌স্পিৰেচি?

ঃ এই ধৰ ধৰ্ম, পৰম্পৰা আৰু কৃত্রিম জীৱন যাত্রাৰ মাজেৰে একধৰণৰ প্রগ্রেছিভ বাৰ্তা দিয়াৰ চেষ্টা। হিন্দু-মুছলমান যুৱক-যুৱতীৰ প্রেম, নতুবা ধনী-দুখীয়াৰ প্রেম, এয়াই বিষয় বস্তু। এয়া দেখুৱাবলৈ যাওঁতে অবাস্তৱ এখন ঘৰ, কাল্পনিক নাচ-গান, নায়ক-নায়িকাৰ বান্দৰামি—মুঠৰ ওপৰত য'ত কোনো বাস্তৱ পৰিৱেশেই নাই, তাত আকৌ আধুনিক বাৰ্তা, প্রগ্রেছিভ চিন্তা!—ইট্‌ছ জাষ্ট নাথিং বাট ইডিয়চি, হিপ'ক্রেচি.... দুটা টিকট দিব দেই।' কথাৰ মাজতে ৰশ্মিয়ে টিকট কাউণ্টাৰলৈ হাত সুমুৱাই দিলে।

—আবে, হিচ্‌কা নিদিবি। লাইনত খাড়া হ। পাল্টি খাই লেডীজ লাইনত পৰিলে হাংগামা হৈ যাব।

—তই বেক কৰি যাইকিনে টিকট লৈ আন। নাতো লেডীজ পতাই ল।—কাষৰ পুৰুষৰ লাইনৰ ঠেলা-হেঁচাৰ মাজৰ পৰা কথোপকথন ভাহি আহিল। ভাস্বতী আৰু ৰশ্মিয়ে নুশুনা ভাও জুৰিলে। ডিব্রুগড়ৰ গেহেমবাজাৰ, নালিয়াপুলৰ এই ভাষা সিহঁতৰ চিনাকি।

ঃ আপ্‌নি তিন্‌টা টিকট কাটি দিব পাৰিব?' বেছ বেপেৰুৱাভাৱেই হালধীয়া ছাৰ্ট পৰিহিত ডেকা ল'ৰাটো আগবাঢ়ি আহি ভাস্বতীক ক'লে।

ভাস্বতীয়ে ইতস্ততঃ কৰিলে। তথাপিও লওঁ-নলওঁকৈ তাই ল'ৰাটোৰ পৰা টিকটৰ পইচা হাত পাতি ল'লে।

—জমাই দিছবে, ইন্‌ভাৰচিটিৰ চিক্‌ণা। আহিস্তা, নাতো লফ্‌ৰা হৈ যাব আকৌ। বাব্লু মাফিক বেণ্ড বাজিব বে......

কোনোবা এটাই লাইনৰ পৰাই চিঞৰিলে। ভাস্বতীৰ কাণ-মুৰ গৰম হৈ আহিল। সিহঁতক ইউনিভাৰ্চিটিৰ ছোৱালী বুলি কেনেকৈ গম পালে বাৰু! নিশ্চয় ৰশ্মিক চিনি পোৱা হৈ গৈছে। কিয় যে আহিছিল তাই....

—আবেৰ ৰশ্মি জান......

ভাস্বতী এইবাৰ জিকাৰ খাই উঠিল। হয়, তাই ঠিক অনুমান কৰিছিল। ৰশ্মিক এই ল'ৰাবোৰে চিনি পাই। কিন্তু ৰশ্মিৰ কোনো ভাবান্তৰেই নাই। ৰশ্মিয়ে হঠাতে ক'লে—কি হ'ল? টিকট কৰ আকৌ! ভেবা লাগি আছ যে!

—ৰ-ৰ-ৰশ্মি তোৰ নাম ধৰি মাতিছে ল'ৰা কেইটাই.....

—কি হ'ল পিছে? মাতিবলৈ মন গৈছে মাতক। তোৰ হ'বলা 'পিলাই চম্‌কি' গৈছে? কৈয়ে ৰশ্মিয়ে হাঁহি মাৰি ভাস্বতীৰ হাতৰ পৰা পইচা লৈ নিজৰ টিকটৰ নম্বৰ চালে। তাৰ পাচত কাউণ্টাৰত হাত ভৰাই ক'লে এফ্ ৰ'ৰ টিকট দিব দেই। কাউণ্টাৰৰ মানুহজনেও অলপ সময়ৰ পিচত তিনিটা টিকট দিলে। ৰশ্মিয়ে ল'ৰাজনক নিজেই টিকট-কেইটা দি হলৰ ভিতৰলৈ খোজ দিলে। 'ৰশ্মি তই এফ্ ৰ'ৰ টিকট কিয় বিচাৰিলি?'

ঃ এইবোৰ ফাল্টু ল'ৰা। চিনেমা চাবই নাজানে। এডাল্ট চিনেমা বাবে চাবলৈ আহিছে। আমাৰ টিকট নম্বৰৰ ওচৰত বহিলে ডিষ্টাৰ্ব হ'ব, সেইবাবে চিৰিয়েল নম্বৰ চাই বেলেগ শাৰীৰ টিকট কিনি দিলোঁ।

ঃ তই মন কৰিছনে এতিয়ালৈকে এজনীও ছোৱালী বা বেলেগ মহিলা অহা নাই,... আমি দুজনীয়েই.....

ঃ কি হ'ল পিছে? মই কেতিয়াবা অকলেও চিনেমা চাওঁ।

ঃ এই এৰাপৰলীয়া ব্ৰহ্মপুত্ৰৰ পাৰৰ ভগা হলটোলৈ তই অকলে আহি চিনেমা চাৱ! ভাস্বতী অবাক হৈ গ'ল। ঊনৈশটা বছৰ ঘৰৰ বন্ধনত থাকি মাত্ৰ তিনিমাহৰ মুক্ত জীৱনে ৰশ্মিক ইমান বেপৰোৱা কৰি পেলাইছে বুলি ভাস্বতীৰ ধাৰণাই নাছিল। ৰশ্মিয়ে একো নামাতি অন্ধকাৰ হলৰ ভিতৰলৈ সোমাই গ'ল। ছিটবোৰ ভঙা নেকি পৰীক্ষা কৰি নিৰ্দিষ্ট আসন দুটাৰ এটাত তাই বহি ক'লে 'বহ'। ভাস্বতী অস্বস্তিৰে বহিল। সঁচা কথা ক'বলৈ গ'লে ভাস্বতী এইদৰে এই পৰিৱেশত, এমুৱীয়া চিনেমা হল এটাত হোষ্টেলৰ নিয়ম ভংগ কৰি, প্ৰাপ্তবয়স্কৰ ছবি চোৱাৰ বাবে কেতিয়াও প্ৰস্তুত নাছিল। ভাস্বতী নিজেই নিজৰ ওচৰত সংকুচিত হৈ পৰিল।

ঃ ভাস্বতী!

ঃ ক—

ঃ তোৰ এই পৰিৱেশ আচহুৱা লাগিছে নিশ্চয়। ভাবিছ চাগৈ ৰশ্মি গোল্লাই গ'ল। ভাস্বতীয়ে একো উত্তৰ নিদিলে।

ৰশ্মিয়ে আকৌ ক'লে 'হলভৰ্তি পুৰুষ—সিহঁতৰ কাৰো সংকোচ নাই চা। বিভিন্ন বয়সৰ, বিভিন্ন শ্ৰেণীৰ পুৰুষ। এই দুনিয়াখন পুৰুষৰ বাবেই তৈয়াৰ হৈছে বুলি তোৰ ধাৰণা হোৱা নাইনে বাৰু? সৌৱা চা, পোন্ধৰ-যোল্ল বছৰীয়া ল'ৰাৰ দল, হাঁহি-ফুৰ্তি কৰি আহি বহিছে। অথচ তই-মই কুৰি বছৰীয়া শিক্ষিতা ছোৱালী, এটা ডাঙৰ অপৰাধ কৰিবলৈ আহি মনে মনে যেন সোমাইছোহি। তোক দেখি অন্ততঃ তেনেকুৱাই লাগিছে। এই ছবিখন

সকলোৰে বাবেই। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ পুৰুষ-মহিলাই চাইছে। তই কিয় সংকোচ কৰিছ? ব'ল নহ'লে যাওঁগে। এনেকৈ চিনেমা চাব নালাগে। ৰশ্মি উঠিবই খুজিলে। ভাস্বতীয়ে ৰশ্মিৰ হাতত ধৰি বহুৱাই ক'লে—বহ। কি নাটক কৰিছ এইখন। মই চিনেমাখন চাম বুলি আহিছোঁ। কিন্তু ইমান ভাল চিনেমাহলবোৰ থাকোতে এই নির্জন ঠাইৰ ভগা-ছিগা হলটোত চিনেমা চাবলৈহে ভালপোৱা নাই। তাতে ছবিখন....

ঃ প্ৰাপ্তবয়স্কৰ নহয় জানো? ভাস্বতী, তোৰ বয়স বিশ বছৰ হৈ গ'ল। দ্বিতীয়তে তই এই পৰিৱেশক দোষ এনেয়ে দিছ। এই ছবিখন সাবিত্ৰী-সত্যবান জাতীয় হোৱা হ'লে তোৰ আপত্তি নাছিল। তোৰ ভয়, কোনোবাই তোক বেয়া ছোৱালী বুলি ক'ব। তোৰ একমাত্ৰ কাৰণ এটাই—তোক বেয়া বুলিব আনে। কিন্তু তই চা সৌকেইটা দুই নম্বৰ হোষ্টেলৰ অনিল, ইউচুফহঁত। সিহঁতো আমাৰ ইউনিভাৰ্চিটিৰ ল'ৰা। তোৰ দৰেতো সিহঁতে আন্ধাৰত মুখ লুকুওৱা নাই! ভাস্বতী, যোৱা ঊনৈশটা বছৰৰ বন্দীত্বই মোক এতিয়া বুজাই দিছে, মই ঘৰত বন্দী আছিলো, কিন্তু তহঁত মনৰ পোতাশালত বন্দী। তহঁত মুক্তভাৱে চলা-ফুৰা কৰিছ যদিও, তহঁত সকলো আকাশত উৰি থকা ৰঙীণ চিলাখনৰ দৰে। তই হেনো কলেজৰ জেনেৰেল ছেক্ৰেটেৰীও আছিলি। মিটিং-মাটাং কৰিও ফুৰিবলৈ সুবিধা পাইছিলি। আকাশত উৰা চিলাখন দেখাত কিমান স্বাধীন মুক্ত, কিন্তু চিলাখন নিয়ন্ত্ৰণ কৰা সুতাডাল অদৃশ্য। একে টানতে যে চিলাখন হামখুৰি খাই মাটিত পৰিবহি পাৰে সেই কথা কেৱল চিলা উৰুৱা মানুহজনেহে জানে।

ঃ এই নিয়ন্ত্ৰণ থকা ভাল ৰশ্মি। চিগি যোৱা চিলাখন হ'বলৈ নিবিচাৰোঁ।

ঃ ঠিক আছে, কিন্তু তই আকাশখনলৈ নোযোৱাকৈ কেনেকৈ জানিবি আকাশৰ পৰিধিক? নিয়ন্ত্ৰণ আনে কৰাক স্বাধীনতা নোবোলে। নিজৰ ওপৰত নিজেই নিয়ন্ত্ৰণ কৰিবি। Self control-ৰ কথা কৈছোঁ। তই ভাবি আছ মই নিয়ন্ত্ৰণহীন চিলাখন। সেয়া মই নহয়। কিন্তু মই সৌ অনিল-ইউচুফৰ দৰে থাকিবলৈ বিচাৰোঁ। এই একেখন সমাজতে, একেখন পৃথিৱীতে সিহঁতৰ দৰে ময়ো মানুহ। মই কিয় মোৰ ইচ্ছাক বন্দী কৰি থ'ম? মই ভাল আৰু বেয়াক চিনি পাওঁ। এজনী কুৰি বছৰীয়া ছোৱালীৰ মানসিক পৰিপক্কতাক মই বিশ্বাস কৰোঁ। ভাস্বতী মই নিজে নিজক শ্ৰদ্ধা আৰু বিশ্বাস দুয়োটাই কৰোঁ। ৰশ্মিৰ কথা শেষ নহ'ল, চিনেমা আৰম্ভ হৈ গ'ল। ভাস্বতীৰ খেলি-মেলি লাগি গ'ল। ৰশ্মিক তাই যিমান চঞ্চল, অপৰিপক্ক, পাতল মনৰ ছোৱালী বুলি ভাবিছিল সেয়া একেবাৰেই নহয়। ৰশ্মিৰ প্ৰচণ্ড আত্মবিশ্বাসৰ ওচৰত ভাস্বতীৰ নিজকে বৰ সৰু আৰু দুৰ্বল যেন লাগিল। ৰশ্মিৰ এটা কথাই তাইৰ মনত বাৰে বাৰে পাকঘূৰণি খালে। Self control, আত্মনিয়ন্ত্ৰণ। ৰশ্মি সঁচাকৈয়ে স্বাধীন নাৰী। ডাঙৰ ডাঙৰ মিটিঙত নাৰী স্বাধীনতাৰ বিষয়ে বক্তৃতা দিয়া বহু শিক্ষিতা নাৰীক ভাস্বতীয়ে দেখিছে। তেওঁলোক ক'ব নোৱাৰাকৈয়ে পুৰুষতান্ত্ৰিক সমাজৰ পুতলা হৈ নাচি থাকে। তেওঁলোকে স্বাধীনতা পুৰুষৰ ওচৰত ভিক্ষা কৰে। স্বামীয়ে স্বাধীনতা দিছে বুলি গৰ্ব কৰে। কিন্তু নিজে স্বামীৰ দৰে হ'বলৈ সংকোচ কৰে।

'আস্ ব্রিজিট বার্ডট, মই বৰ ভাল পাওঁ। চি ইজ নট অনলি ছেক্সী, চি ইজ আ পাৰফেক্ট কম্বিনেছ্ন অব্ ইম'ছ্ন এণ্ড ইন'চেন্সি।'

ৰশ্মিৰ মন্তব্যত ভাস্বতী চিনেমালৈ ঘূৰি আহিল। সাগৰৰ পাৰৰ সোণালী বালিত বাগৰি আছে ৰূপহী নায়িকা বার্ডট। বিকিনি পৰিহিতা নায়িকাৰ বক্ষযুগলৰ ক্ল'জ-আপত হলৰ উদণ্ড দর্শকে কিৰিলিয়াই উঠিল। 'ননচেন্স, ইহঁতবোৰে চিনেমা চাবলৈ অহা নাই। ভাস্বতী, বেছিভাগ পুৰুষ এনেকুৱা। সিহঁতে নাৰীৰ শৰীৰৰ পৰা ভিতৰলৈ যাবই নোৱাৰে। গভীৰতাক চুবলৈ সামৰ্থ্যই নাই।' ৰশ্মিয়ে ভোৰভোৰালে।

ঃ সকলো নাৰীও গভীৰ নহয় ৰশ্মি। সেইবাবেইতো ৰং-বিৰঙৰ পোছাক, কিছু গহনা, প্রসাধনেৰেই সহজে ভুলাব পাৰে। তেনে নাৰীৰ শৰীৰতকৈ লোভনীয় আন কিবা থাকিব পাৰে জানোঁ? ৰশ্মিয়ে ভাস্বতীৰ কথাত একো নামাতিলে। বেগৰ পৰা নিমখিয়া ভজা বাদামৰ পেকেট এটা উলিয়াই ভাস্বতীৰ হাতত দুটামান দি নীৰৱে চিনেমা চাবলৈ ধৰিলে। ভাস্বতীৰ চকু স্ক্রীণত থাকিল আৰু কাণ দুখনে দর্শকে দিয়া মন্তব্যবোৰ গ্ৰহণ কৰি থাকিল।

এজন বয়সস্থ কোটিপতি চিত্ৰকৰ স্বামীৰ যুৱতী পত্নীৰ কাহিনী। হঠাৎ ৰশ্মিয়ে ক'লে—চা-চা ভাস্বতী, মানুহজন কিমান চেনছিটিভ্—ছেক্স ইজ এন আৰ্ট—এবিধ কলা। মানুহজনে প্ৰেমিকাৰ ছবি আঁকিছে কেনভাছত—তেওঁ প্ৰেমিকাক স্পৰ্শ কৰা নাই অথচ তেওঁ কেনভাছৰ ব্ৰাচৰ ষ্ট্ৰোকৰ লগে লগে প্ৰেমিকাৰ সান্নিধ্যত আকুল হৈ উঠিছে। জাষ্ট চি দা এক্সপ্রেশ্যন অব্ হিজ ফেচ্....

কেমেৰা আছে কেনভাছত, কেৱল এখন হাত ব্ৰাচ লৈ ঘূৰি ফুৰিছে কেনভাছত অংকিত নাৰীৰ কঁপালত, গ্ৰীবাত, বক্ষত নামি আহিছে নাভিমূললৈ। 'ঐ ছবি চায়ে থাকিম নেকি, আৰু কিবা দেখুৱা....' পিচফালৰ দৰ্শকৰ পৰা এটা তীৰ্যক চিঞৰ, লগে লগেই এটা সুহুৰি। ইমান সূক্ষ্ম এটা ক্ষণৰ অনুভূতি, হ'লেই বা এইখন চিনেমা, এই সুন্দৰ ভাবপ্ৰৱণ মুহূৰ্ত তৎক্ষণাৎ থান-বান হৈ যোৱাত এইবাৰ ভাস্বতীৰ সঁচাকৈয়ে খং উঠিল। তাই কৈ উঠিল 'ননচেন্স, এই মুৰ্খবোৰ আহে কিয় চিনেমা চাবলৈ!' ৰশ্মিয়ে মুখ টিপি হাঁহিলে। লাহেকৈ ভাস্বতীৰ হাতখন স্পৰ্শ কৰি ক'লে 'কুল ডাউন—এইবোৰ মানুহেই বেয়া ছোৱালী বুলি কোৱালৈ তয়ো ভয় কৰ ভাস্বতী।' ভাস্বতী মনে মনে ৰ'ল।

ভাস্বতীৰ অনুশোচনা হ'বলৈ ধৰিলে। ৰশ্মিৰ সৈতে এইদৰে নহা হ'লে তাই নাজানিলেহেঁতেন এই পৰিৱেশৰ কথা। এটা তলাবন্ধ বাকছৰ দৰে হোষ্টেলত থাকি সিহঁত ছোৱালীবোৰে স্বাধীন হোৱাৰ সপোন দেখা কিমানদুৰ সম্ভৱ! ছোৱালীৰ বাবে গঢ়া সামাজিক নিয়ম-নীতিৰ বাবেই পুৰুষ স্বাধীন। এই স্বাধীনতাৰ দম্ভৰেই, নিশা ৰাস্তাত খোজ কঢ়া ছোৱালীক যিকোনো ল'ৰাই অশ্লীল চিঞৰত থকা-সৰকা কৰে। ৰশ্মিৰ দৰে অকলে চিনেমা চোৱা ছোৱালীক তিৰস্কাৰ কৰে। তাই আন্ধাৰতে ৰশ্মিলৈ চালে। নিৰ্ভয়ে ৰশ্মিয়ে মনোযোগেৰে চিনেমা চাইছে—মাত্ৰ মনোযোগ দিব পৰা নাই আজি ভাস্বতীয়ে।

(বাৰ)

ৰথীন আহি আছিল পাঁচটামান ল'ৰাৰ দলটোৰ মাজত। 'লোকেল' ল'ৰা বুলি ৰথীনে নিজৰ স্থান আছুতীয়াকৈ ৰাখে। সিহঁত এইদৰেই পুৰা ন-বজাত আহে, কেন্টিনৰ সন্মুখৰ বাবুলৰ পাণ-দোকানৰ সন্মুখত ৰয়। চিগাৰেট, তামোল খাই। দুটামানে হাতৰ তলুৱাত চাধা মাৰি ইটোৱে সিটোক যাচে। দোকানৰ সন্মুখৰ পকী ভঙা খুটাটোত সদায় ৰথীন ভৰি দুটা মেলি বহে। ধোঁৱা উৰুৱাই চিগাৰেট খায়। নতুনকৈ অহা ল'ৰা-ছোৱালীবোৰলৈ পোণ্ডোৱাকৈ চাই মন্তব্য দিয়ে। চিনাকীবোৰক অশ্লীল নহ'লেও ইতৰ প্ৰাণীৰ নাম ধৰি চিঞৰি মাতে। কোনেও বেয়া নাপায়। বেয়া পালেও পোৱা যেন নেদেখুৱাই ৰথীনক। হাত দাঙি বা মিচিকিয়া হাঁহিৰে ৰথীনৰ সম্ভাষণ গ্ৰহণ কৰে। ৰথীন লোকেল ল'ৰা। বিশ্ববিদ্যালয়ৰ ওচৰৰ কেবাখনো গাঁও আছে 'জংগি' বুলি খ্যাতনামা। তাৰে এখনৰ ল'ৰা ৰথীন। বিশ্ববিদ্যালয়ৰ দুবছৰীয়া পাঠ্যক্ৰমৰ চাৰি বছৰত ৰথীনে ভৰি দিছে। এবছৰ পৰীক্ষা বন্ধ কৰিবলৈ বল-শক্তি ভালকৈয়ে দেখুৱাইছিল। বিশ্ববিদ্যালয়ৰ ষ্টুডেন্ট ইউনিয়নৰ ল'ৰাবোৰক ভাগ কৰি পেলাইছিল। অৱশেষত যেনিবা ৰথীনে নোৱাৰিলে। ডিব্ৰু-বিশ্ববিদ্যালয়ৰ নিয়ম কঢ়া। অধ্যক্ষ একা-চেকা বুলি নাম আছে। পৰীক্ষা পাতিহে এৰিলে। ৰথীন আৰু লগৰ কেইটামানে পৰীক্ষা নিদিলে। সন্ধিয়া প্ৰিন্সিপালৰ এম্বেচেদৰ গাড়ীখন কোনোবাই ভাঙি চুৰমাৰ কৰিলে। গভৰ্নিং ব'ডিৰ এজন মেম্বাৰৰ ঘৰৰ লগুৱাটোক বজাৰলৈ যাওঁতে ধৰি কোনোবাই চুলিবোৰ খলপা-খলপ কৰি কাটি দিলে। কেৱল আগুৱাৰেৰে পিন্ধি কান্দি কান্দি ঘৰলৈ ঘূৰি অহা ল'ৰাটোৱে কাৰো নাম মুখত নল'লে। কেৱল 'মই ঘৰলৈ যাওঁ' বুলি দুদিনৰ পিচতে গ'লগৈ। মেম্বাৰজনৰ পত্নীও চাকৰিয়াল। ঘৰত দুটা সৰু ল'ৰা-ছোৱালী। ঘৰ চোৱা-চিতা কৰা পুৰণি বিশ্বাসী ল'ৰাটো হেৰুৱাই দুয়ো পতি-পত্নীয়ে ছুটি লৈ বহুদিন ল'ৰা-ছোৱালী চাব লগা হ'ল। এই উৎপাতবোৰৰ আঁৰত কোনটো শক্তি আছে সকলোৱে জানে। কিন্তু এক অজ্ঞাত কাৰণত কোনেও সিহঁতক বিচাৰি নাযায়। এনেকুৱা ঘটনাবোৰ ঘটাৰ পিচদিনা ৰথীন কিছুমান লগৰীয়াৰ সৈতে আহি বিশ্ববিদ্যালয়ৰ চৌহদত চাইকেল চলাই ঘূৰি ফুৰে। লগৰীয়াবোৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ নহয়, কিন্তু সিহঁত অবাধে বিশ্ববিদ্যালয়ৰ দীঘল ৰাস্তাবোৰত এখন চাইকেলত দুটা-তিনিটা ল'ৰা উঠাই তহলদাৰী দি থাকে। ইউনিভাৰচিটিৰ ল'ৰাৰ সৈতে বাহিৰৰ বহু ল'ৰাৰ মাজে মাজে হাই-কাজিয়া হৈ থাকে। লোকেল-নন লোকেলৰ কাজিয়া পুৰণি খবৰ দৰে। ঔষধ দিলেও সম্পূৰ্ণ ভাল নহয়। কম-বেছি হৈ থাকে।

ভাস্বতী আৰু নন্দিনী দলে কেন্টিনৰ সন্মুখত চিটিবাছৰ পৰা নামিল। নিজৰ

বিভাগটোলৈ বুলি যাওঁতেই হঠাতে এটা মন্তব্য উফৰি আহিল 'বসন্তক এবি দে ঐ, আমি আছোঁ।' ভাস্বতীয়ে কথাযাৰৰ আঁতি-গুৰি একো বুজি নৌপাওঁতেই নন্দিনী সাউৎকৈ ঘূৰি ৰথীনহঁত বহি থকা ল'ৰাৰ দলটোৰ ওচৰলৈ গ'ল। নন্দিনী পোনছাটেই গৈ ৰথীনলৈ তৰ্জনী আঙুলি টোৱাই ক'লে 'টেক কেয়াৰ অৱ ইয়ৰ ফ্ৰেইণ্ডছ'-তাৰ.....'—'তাৰ-তাৰ কি? কাক কথা কৈছা? আমি নিজৰ মাজত কথা পাতিছোঁ, তোমাৰ তাত কি? —ইংলিছ মাতি দেখাইছে বে —অফিচাৰনীৰ দিমাগী — চিনি পোৱা নাই, কালিৰ ভিতৰত চিক্‌ছাৰ হৈ যাব লাগিব....

ভাস্বতীয়ে কথাবোৰ নুবুজিলে যদিও পৰিস্থিতিটো তৎক্ষণাৎ চম্ভালিবলৈ নন্দিনীক টানি আনিলে। নন্দিনীৰ দুই ধাৰে চকুপানী ওলাল। কেন্টিনৰ পৰা মৃদুল, গুনীন, পৰমানন্দ ওলাই আহি উৎকণ্ঠিত হৈ শুধিলে কি হ'ল—কি হ'ল?

—একো নাই হোৱা—ব'ল ক্লাছলৈ যাওঁ। ভাস্বতী আৰু নন্দিনীৰ পিচে পিচে বিমোৰ হৈ মৃদুলহঁতে খোজ দিলে। ডিপাৰ্টমেণ্টৰ কায পাই নন্দিনী বহি পৰিল চিৰিত। তাই এটা ৰঙা ছিল্কৰ কুৰ্তা পিন্ধিছে। ভৰিত পায়জামাৰ সলনি ক'লা স্লেক্‌ছ। চিৰিত বহিয়েই তাই, পিন্ধি থকা কুৰ্তাটো সামান্য ওপৰলৈ তুলি আঁঠুত মুখ থৈ কান্দিবলৈ লাগিল। কোনেও একো নুবুজি নন্দিনীৰ কাষত কেৱল বহি থাকিল। ভাস্বতীয়ে দেখিলে নন্দিনীৰ শিৰত লাগি থকা দগ্‌মগীয়া সেন্দুৰৰ ঘৰ্ষণত নন্দিনীৰ ফেহুৰঙৰ হাত দুখন ৰঙা হৈ পৰিছে। নন্দিনীৰ সৈতে মাত্ৰ দুজনী ছোৱালী সিহঁতৰ ক্লাছত বিবাহিতা। নন্দিনী এজন উচ্চ পদস্থ বিষয়াৰ পত্নী বুলি জনাৰ বাহিৰে ভাস্বতীয়ে নন্দিনী সম্পৰ্কে বিশেষ একো নাজানে। নন্দিনীয়ে বি এ পৰীক্ষা দিয়াৰ পিচতেই বিয়াত বহিব লগা হ'ল বুলি প্ৰথম চিনাকী পৰ্বতে কৈছিল। কথা প্ৰসংগত কৈছিল যে দৰা ঘৰৰ পৰা বৰ হেঁচা দিছিল বিয়াৰ বাবে। স্বাভাৱিক কথা। নন্দিনীৰ দৰে সুন্দৰী ছোৱালী কমেই আছে। যৌৱাৰ নেজৰ দৰে পোন কিচ্‌কিচিয়া ডাঠ চুলি। তিৰ্-বিৰাই থকা সৰু উজ্জ্বল চকু। নাক আৰু ওঁঠ ইণ্ডোনেছিয়াৰ ছোৱালীৰ দৰে। কলপটুৱাৰ দৰে উজ্জ্বল মিহি নন্দিনীৰ গাৰ ৰং। কিন্তু সচৰাচৰ দেখা মিচিং ছোৱালীতকৈ নন্দিনী ওখ। প্ৰশস্ত কান্ধ। প্ৰায় ছাৰে পাঁচফুট ওখ নন্দিনীক যিকোনো কাপোৰেৰে শুৱাই। শাৰী, চেলোৱাৰ দুয়োটা পোছাকেই নন্দিনীয়ে পিন্ধে। ফ্ৰেচাৰ্ছ ছ'চিয়েলৰ দিনা নন্দিনী আহিছিল ৰঙা, হালধীয়া, ক'লাৰ সংমিশ্ৰনেৰে মিচিং সাজত। তবধ লাগি সকলোৱে চাইছিল তাইক। ভাস্বতীৰ কাষতে বহি থকা পাৰমিতা চক্ৰবৰ্তী নামৰ বাঙালী ছোৱালীজনীয়ে কৈছিল—ভাস্বতী, আমাৰ জীৱনানন্দই 'বনলতা সেন' লিখোতে এজনী চকু-নাক-মুখ ধুনীয়া ছোৱালীৰ কথা কৈছে। সমগ্ৰ বাঙালীৰ প্ৰাণত সুন্দৰীৰ কল্পনা বনলতা সেনৰ দৰে। অসমীয়া কবিয়েও নিশ্চয় এনে কবিতা লিখিছে। ভাস্বতীয়ে শুধিছিল—লেখিছে বহুত লেখিছে—কিন্তু হঠাতে কিয় এই প্ৰসংগ?

—অসমীয়া কবিৰ নাৰী বৰ্ণনা কেনেকুৱা বাৰু? কালিদাসৰ দৰেই নে?

—অঁ একেই। নবা, মেঘালী ঢৌ খেলা চুলি, তিলফুলীয়া নাক, ডালিমগুটীয়া দাঁত, ভোমোৰাৰ দৰে চকু, পদুম ঠাৰিৰ দৰে হাত...

—বুজিছো-বুজিছো। কিন্তু কিয় বাৰু নন্দিনীৰ দৰে মিচিং ছোৱালী এজনীক লৈ কোনেও কবিতা নিলিখে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় সৌন্দৰ্যৰ সৈতে কিবা তুলনা হয়নে? নন্দিনীৰ দৰে চুটি, অকমান নাক, গুৱণীয়া তিৰ্-বিৰ কৰা তৰাৰ দৰে সৰু চকু, উঠঙা গাল—চোৱাচোন তাই কিমান ধুনীয়া। মই যদি ল'ৰা হ'লোহেঁতেন, মই এজনী জনজাতীয় গাভৰুৰ প্ৰেমত পৰি বলিয়া হ'লোহেঁতেন।

—পাৰমিতা, তুমি সাংঘাতিক ৰোমাণ্টিক দেখোন।

—কি কৰিবা —কবিগুৰু ৰবীন্দ্ৰনাথৰ দেশৰ মানুহ। মোৰ মাৰ ঘৰ জোড়া-সাকোৰ ঠাকুৰবাৰীৰ কাষতেই। তাৰ বতাহ আমাৰ গাত লাগি আছে। পিছে দেউতা ইয়াৰ শিৱসাগৰৰ মানুহ। বাঙালী হ'লেও চাৰিটা জেনেৰেশ্যন অসমত।

—এনেকুৱাই হয়, লক্ষ্মীনাথ বেজবৰুৱা গৈ ঠাকুৰবাৰীৰ প্ৰজ্ঞা সুন্দৰীক বিয়া কৰালেগৈ।

—তেওঁ বাৰু জনজাতীয় ছোৱালী এজনী কিয় বিয়া নকৰালে? পাৰমিতাৰ অদ্ভুত প্ৰশ্নত সেইদিনা ভাস্বতীয়ে উবাই-ঘুৰাই হাঁহিলে। পাৰমিতা নন্দিনীক দেখি সঁচাই মুগ্ধ হৈছিল। ভাস্বতীয়ে দেখিছিল, ল'ৰাবোৰৰ নন্দিনীৰ ওপৰত চকু আঠা লাগি ৰৈছে। নন্দিনীয়ে কিন্তু কালৈকো নোচোৱাকৈ কেৱল কথাপাতি, খিল্-খিলাই হাঁহি আছিল সহপাঠীৰ সৈতে। সকলোৰে পাহৰি গৈছিল তাই বিবাহিতা বুলি। কান্দি থকা নন্দিনীৰ পিঠিৰ কঁপনি, পিঠিত পৰি থকা তাইৰ ছিন্নৰ সূতাৰ দৰে ক'লা অস্থিৰ চুলিবোৰ দেখি ভাস্বতীৰ সকলো কথা ঘূৰি ঘূৰি মনত পৰিল। সকলো সময়তে হাঁহি থকা নন্দিনীৰ চকুত ইমানবোৰ পানী জমা হৈ থকাৰ কথা ভাস্বতীয়ে কল্পনা কৰা নাছিল। নন্দিনীৰ বুকুত তেতিয়াহ'লে এটা দুখৰ পুখুৰীও আছে নেকি? উদণ্ড ল'ৰাৰ দুটা মন্তব্যত নন্দিনীয়ে ইমান কান্দিছেনে? কেতিয়াও নহয়—নন্দিনীয়ে নিজক লুকুৱাইছে। মাত্ৰ দুটা চেঙেলীয়া ল'ৰাৰ মন্তব্যই নন্দিনীৰ দৰে স্মাৰ্ট, কনভেণ্টত পঢ়া ছোৱালী এজনীক ইমান কন্দুৱাব নোৱাৰে। ভাস্বতীৰ এই ধাৰণা দৃঢ় হ'ল। মৃদুলে শুধিলে—'ৰথীনহঁতৰ এই বেয়া দলটোৰ কথা শুনিছোঁ। নন্দিনীক খুব বেয়াকৈ কিবা ক'লে নেকি বাৰু? কিবা এটা কৰা দৰকাৰ।' ভাস্বতীয়ে ক'লে—একো কৰাৰ দৰকাৰ নাই মৃদুল। নন্দিনী এই সৰু-সুৰা মন্তব্যত অস্থিৰ হোৱা ছোৱালী নহয়, নিজেই ঠিক হ'ব। আজি কান্দিবলৈ এটা সুযোগ পাইছে নন্দিনীয়ে। হঠাতে চকুপানীৰ সেমেকা মুখখন তুলি নন্দিনীয়ে অবাক হৈ ভাস্বতীলৈ চালে। পিচমুহূৰ্ততে নন্দিনীয়ে ৰুমালেৰে চকু-মুখ মোহাৰিলে আৰু নিজক চম্ভালি থিয় হৈ অকমান হাঁহিবলৈ যত্ন কৰি ক'লে—ছ'ৰি— ভেৰি ছ'ৰি। কিয়

যে ইমান ইম'চনেল হ'লো হঠাতে। ব'লা ক্লাছলৈ যাওঁ।' কথাষাৰ কৈয়েই নন্দিনী প্ৰায় দৌৰি যোৱাদি সবাটোকৈ আগত ক্লাছৰুমৰ ফালে যাবলৈ ধৰিলে। ভাস্বতীয়ে বুজিলে, তাই নন্দিনীক সঠিকভাৱে ধৰা পেলাইছে।

✧ ✧ ✧

শেষৰ ক্লাছটোত নন্দিনী হঠাতে ভাস্বতীৰ ওচৰলৈ আহি ক'লে 'ভাস্বতী, তুমি হোষ্টেললৈ আজি চিধা যাব নালাগে। বাটত মোৰ ঘৰত সোমাই যাবা। মই তোমাক হোষ্টেলত থোৱাই দিম।

—'কিয়? তোমাৰ আজি জন্ম দিন নেকি? নে মেৰেইজ এনিভাৰচেৰি?'

—ধৰা তেনেকুৱাই। কিন্তু আজি যাবই লাগিব তুমি। মই বেয়া পাম নহ'লে।

ভাস্বতীয়ে আপত্তি কৰিব নোৱাৰিলে। তদপুৰি নন্দিনীক জানিবলৈ এক কৌতূহলে বাৰে বাৰে তাইক পুৰাৰে পৰা আমনি কৰি আছিল। ভাস্বতীয়ে ভালদৰেই জানে, নন্দিনীৰ একান্ত ব্যক্তিগত কিছু কথা আছে। কাকো ক'ব নোৱাৰা এই কথা হয়তো ক'বলৈ ভাস্বতীকেই নিৰ্বাচন কৰিছে নন্দিনীয়ে। পুৱাৰ ঘটি যোৱা ঘটনাটোৰ পিচৰ পৰাই নন্দিনী অলপ অস্থিৰ হৈ আছে। নন্দিনীলৈ অলপ সময় চাই থাকি ভাস্বতীয়ে ক'লে—যাম বাৰু। কিন্তু মই সন্ধিয়া ছয় বজাত হোষ্টেল সোমাব লাগিব। ভাস্বতীৰ উত্তৰ পাই নন্দিনীয়ে হাঁহি পেলালে। মুহূৰ্ততে নন্দিনীৰ চকু-মুখৰ পৰা সকলো ডাৱৰ উৰি গ'ল। তাই ক'লে—এতিয়া মাত্ৰ তিনিটা বাজিছে। তুমি দুঘণ্টা মোৰ ঘৰত থাকিবা। মই তোমাক নিজে হোষ্টেলত থ'বলৈ যাম। নন্দিনী পুনৰ আগৰ দৰে চঞ্চলা, পাহাৰী নদীৰ দৰে হৈ পৰিল।

✧ ✧ ✧

এটা সুপ্ৰশস্ত ড্ৰয়িং ৰূম। ঘৰ সজোৱাত নন্দিনীৰ ৰুচি আছে। শ্বিলঙীয়া স্পৰ্শ এটা সকলোতে বিদ্যমান। বাৰাণ্ডাৰ জোতা থোৱা ৰেকৰ ওপৰত শুকান পাইনৰ গুটিৰ ডালৰ সৈতে এটা বেঁতৰ বাস্কেট। বগাৰ ওপৰত সৰু সৰু হালধীয়া, বেঙুনীয়া ফুলৰ পৰ্দা, বেঁতৰ দামী চোফা, কোমল মাখন ৰঙৰ কুশ্বন। মাজে মাজে ৰঙা, গেৰুৱা গুজৰাটী ষ্টিচৰ কুশ্বন। মাজত বেঁতৰ চেণ্টাৰ টেবুলৰ ওপৰত এখন গ্লাছ। এটা পৰ্ছিলিনৰ ফুলদানীত পশ্চিমীয়া ধৰণত গোলাকাৰভাৱে ঘাঁহ আৰু ফুল সজোৱা আছে। বেৰত সৰু সৰু ফ্ৰে'ম কৰা ফটো। ৰেষ্টাৰ্ণ অৰণামেণ্টেল ফ্ৰেমিং সকলো ফটোতে। এখন মাত্ৰ ৰাটাবকালাৰৰ ছবি। ঝৰ্ণাৰ পানী, শাৰী শাৰী পাইন গছ, পাহাৰীয়া জুৰিৰ পাৰৰ ঘাঁহনিত সৰু সৰু হালধীয়া বেঙুনীয়া ফুল। সেই ফুলবোৰেই যেন আহি নন্দিনীৰ

দুৱাৰ-খিৰিকীৰ পৰ্দাত লাগি বৈছেহি। এই ছবিখনেই কোঠালিটোক সম্পূৰ্ণ কৰি পেলাইছে। ছবিখনৰ বাওঁফালে এখন কাঠৰ দলং। দলংখনৰ সিপাৰে এখন ৰঙচুৱা হাবি। ছবিখনৰ ছাবজেক্ট এই কেইটাই। কিন্তু ৰঙৰ সংমিশ্ৰণ ইমান নিখুঁট যে ছবিখনে সমগ্ৰ কোঠালিটোকে এক সতেজ অনুভূতিৰে ভৰাই তুলিছে। নন্দিনীয়ে ভাস্বতীক ড্ৰয়িং ৰূমত বহিবলৈ দি ভিতৰলৈ সোমাই গ'ল। ভাস্বতী এইবাৰ উঠি গ'ল ফটোবোৰ চাবলৈ। নন্দিনীৰ দৰেই এজনী ধুনীয়া ছোৱালীৰ সৈতে নন্দিনী। দুটা বেঁতৰ টুপী পিন্ধি হাঁহি আছে। নন্দিনীৰ ভনীয়েক নেকি? নন্দিনীৰ মুখৰ সৈতে সাদৃশ্য আছে। তাইৰ টুপীৰ ওপৰত এপাহ বেঙুনীয়া ফুল। আনহাতে নন্দিনীৰ টুপীত গুজি থোৱা আছে এটি ৰঙা বৰণৰ চৰাইৰ পাখি। কাযৰখনত নিশ্চয় নন্দিনীৰ মাক-দেউতাক। দেউতাকৰ মুখৰ সৈতে নন্দিনীৰ মুখৰ সাদৃশ্য আছে। নন্দিনীৰ স্বামীক ভাস্বতীয়ে দেখা নাই। ক'ত ফটো আছে বাৰু? এনেতেই ভিতৰৰ পৰ্দা ঠেলি ওলাই আহিল নন্দিনী। 'কি চাইছা ফটো? সেয়া মোৰ ভণ্টী ছন্দিনী। সেয়া মোৰ মামা-পাপা।' ভাস্বতীৰ অনুমান সঠিক আছিল। ভাস্বতী নন্দিনীৰ ফালে ঘূৰিয়েই চিঞৰি উঠিল—বাঃ নন্দিনী' তোমাক এই ঘৰুৱা পৰিৱেশত বৰ ধুনীয়া লাগিছে। নন্দিনীয়ে লাজ কৰি ক'লে থেংকিউ। এখন মিচিং ফুলৰ মেখেলাৰে নন্দিনীয়ে ভৰিৰ সৰু-গাঁঠিৰ ওপৰত পৰাকৈ স্কাৰ্ট চিলাই লৈছে। ৰঙা বুটা বছা ৰিবিক পৰিণত কৰিছে এটা টপলৈ। চুলিকোছা পনীটেইল কৰি বান্ধিছে। নন্দিনীয়ে এইবাৰ ভিতৰলৈ প্ৰায় দৌৰ মাৰি সোমাই গৈ আকৌ ওলাই আহিল। এইবাৰ তাই এখন ৰঙা ষ্ট্ৰাইপ থকা এপ্ৰ'ন পিন্ধিছে। হাতত দুটা পিঁয়াজ, এটা কাঁচৰ বাটি আৰু এখন কটাৰী। তাই ড্ৰয়িং ৰূমৰ চেণ্টাৰ টেবুলতে বাটিটো থৈ ক'লে—পিঁয়াজৰ পকৌৰা কৰিম। বতৰটো ডাৱৰীয়া, অলপ পিচতে বৰষুণ দিব যেন লাগিছে। তুমি হাত-মুখ ধুবা নেকি বাথৰূমলৈকে আহা। ভাস্বতী তুমি কণী খোৱা নহয়!

—খাওঁ, কিন্তু তোমাৰ পকৌৰাই হ'ব। মই একাপ চাহ খাম। বেছি একো নকৰিবা।

—আৰে বাবা—আজি তুমি মোৰ আলহী। মই মাতি আনিছোঁ। জেণ্টেল গেষ্টে গৃহস্থৰ মনত দুখ নিদিয়ে। নন্দিনীৰ কথাত ভাস্বতীৰ হাঁহি উঠিল। নন্দিনীয়ে কোৱা অসমীয়াত এক বেলেগ সোৱাদ। ভাস্বতী নন্দিনীয়ে দেখুৱাই দিয়া বাথৰূমলৈ গ'ল। বাথৰূমৰ দুৱাৰৰ হুকত ওলোমাই থোৱা কোমল সেউজীয়া টাৱেলখন ভাস্বতীয়ে ল'লে। নন্দিনীয়ে দেখি চিঞৰি উঠিল—'অ' ছ'ৰি—সেইখন নল'বা। সেইখন বছত্ত'ৰ। কালি তেওঁ মোৰ টাৱেলখনেৰে হঠাতে গা মচিছিল। মানুহজনে একো খেয়াল নাৰাখে। আজি ৰাতিপুৱাই এইখন ইয়াত দি কৈ দিছো—মোৰ টাৱেল যাতে নলয়। মই বৰ বেয়া পাওঁ। তোমাক মই বেলেগ টাৱেল দিছো ৰ'বা। এই বুলি নন্দিনীয়ে,

আলমাৰী খুলি এখন গুলপীয়া টাৱেল উলিয়াই দিলে। ভাস্বতীয়ে বেডৰুমলৈ ভুমুকিয়াই দেখিলে, দুটা আলমাৰী। এটা নন্দিনীৰ, আনটো নিশ্চয় বছন্ত'ৰ। বছন্ত' — হঠাতে মনত পৰিল ভাস্বতীৰ —আজি ল'ৰাকেইটাই বসন্তক এৰি দিয়াৰ কথা কৈছিল। নন্দিনীয়ে কৰা উচ্চাৰণৰ বাবেই ভাস্বতীৰ মনলৈ অহা নাছিল ইমানপৰে। হয় — বসন্তই—বছন্ত'। নন্দিনীৰ স্বামীৰ নাম তেনেহ'লে বসন্ত দলে! গুলপীয়া টাৱেলখন লৈ ভাস্বতী বাথৰুমত সোমাল। টেপ্ খুলি বেচিনত মুখ ধুলে। বেচিনৰ ওপৰত ৱাল ৰেকত চাবোন, ছেম্প', বিবিধ লোচন সজোৱা আছে। কোনটো নন্দিনীৰ, কোনটো বসন্তৰ! ভাস্বতীয়ে হাতখন চাবোনেৰে ভালদৰে ধুব খুজি দেখিলে দুটা চাবোনৰ কে'ছ। কোনটো কাৰ? ভাস্বতীয়ে সংকোচ কৰিলে চাবোন ল'বলৈ। তাই হেণ্ড ছেম্প' আছে নেকি এবাৰ চালে, তাৰ পিচত হেয়াৰ ছেম্প' অলপ হাতত লৈ, হাত ধুই লৰা-লৰিকৈ ওলাই আহিল। হঠাতে ভাস্বতীৰ ভাব হ'ল, নন্দিনী আৰু নন্দিনীৰ স্বামী বসন্ত দুখন বেলেগ পৃথিৱীৰ মানুহ। নন্দিনীয়ে কপালত টগ্‌বগীয়া ৰঙা ফোঁট ল'লেও, প্ৰয়োজনাধিকভাৱে শিৰত সেন্দূৰ লৈ থাকিলেও, হাতে-কাণে প্ৰচুৰ সোণৰ অলংকাৰ পিন্ধি বসন্ত দলেৰ নব-বিবাহিতা স্ত্ৰী হৈ থাকিলেও, নন্দিনী প্ৰকৃততে অবিবাহিতা। নন্দিনীক প্ৰায়ে স্বামীয়ে স্কুটাৰ নতুবা গাড়ীৰে বিশ্ববিদ্যালয়ত থৈ যায়হি বুলি ভাস্বতীয়ে শুনিছে। লগৰ-ল'ৰা-ছোৱালীয়ে বহুতেই নন্দিনীক স্বামীৰ সৈতে ৰেস্তোৰাঁত, চিনেমা হলত দেখি ক্লাছত কয়হি। ভাস্বতীৰ ধাৰণা আছিল নন্দিনী আৰু বসন্ত সুখী দম্পতী বুলি। কিন্তু নন্দিনীৰ ঘৰখনত ভৰি দি ভাস্বতীৰ বদ্ধমূল ধাৰণা হ'ল, নন্দিনীয়ে যেন বসন্তক স্বামী হিচাপে গ্ৰহণ কৰাই নাই। ভাস্বতীয়ে তাইৰ ধাৰণা অসত্য হোৱাতোকে মনে-প্ৰাণে কামনা কৰিলে। ভাস্বতী বাথৰুমৰ পৰা ওলাই আহি ক'লে—নন্দিনী— এইখন টাৱেলেৰে মই মুখ মচিলো, ক'ত থ'ম এতিয়া? ৰান্ধনি ঘৰৰ পৰা নন্দিনীয়ে চিএঞৰি ক'লে—তাতে থোৱা, মোৰ টাৱেল সেইখন। ভাস্বতী এইবাৰ বেছি আচৰিত হ'ল। এনে বহু মানুহ তাই লগ পাইছে যি নিজে ব্যৱহাৰ কৰা সামগ্ৰীবোৰ আনে ব্যৱহাৰ কৰিলে বেয়া পায়। স্বামী-স্ত্ৰীৰ মাজত এনে অভ্যাস আঁতৰি যায় বুলিয়েই তাই জানিছিল। তথাপিও ভাস্বতীয়ে ভাবিছিল নন্দিনীৰ নিশ্চয় এই অভ্যাস থাকি গৈছে। কিন্তু নন্দিনীয়ে ভাস্বতীক নিজৰ টাৱেলখন ব্যৱহাৰ কৰিবলৈ দিলে, অথচ স্বামীয়ে টাৱেলখন ব্যৱহাৰ কৰাত ইমান ক্ষুব্ধ হ'ল কিয়! ভাস্বতী এইবাৰ নিঃসন্দেহ হ'ল। নিশ্চয় নন্দিনী আৰু বসন্তৰ কিবা খুট-খাটৃ কাজিয়া লাগিছে। নব-দম্পতীৰ মধুৰ কাজিয়া-অভিমান। নন্দিনী তাইৰ সমবয়সী। বসন্ত দলে অলপ বেছি বয়সৰ বুলি সহপাঠীৰ মুখৰ পৰা ভাস্বতীয়ে শুনিছে। বহু কথা নিমিলাই স্বাভাৱিক। নন্দিনীৰ স্বভাৱৰ পৰা স্কুলীয়া ছোৱালীৰ চপলতাই যোৱা নাই। বসন্ত দলে নামৰ উচ্চ পদস্থ বিষয়াজনক নন্দিনীয়ে নিশ্চয় তাইৰ বাৎসল্যৰে নগুৰ-নাকটি কৰিছে। ভাস্বতী ড্ৰয়িং ৰুমত বহিবলৈ যাওঁতেই নন্দিনীয়ে চিএঞৰিলে—ইয়ালৈ আহা ডাইনিং টেবুললৈ। মোৰো বৰ ভোক

লাগিছে ভাই। ভাস্বতী ডাইনিং টেবলুত বহিলহি। নন্দিনীয়ে এখন প্লেটত তিয়ঁহ, বিলাহীৰ চালাড দি জালুকৰ গুৰিৰ টেমাটো আগবঢ়াই দিলে। টি কজিৰে ঢাকি এক টি পট চাহ থ'লেহি। তাৰ পিচতে এটা কাঁচৰ গোল পাত্ৰত পকৌৰা আৰু দুফালকৈ কাটি থোৱা প্ৰায় চাৰি-পাঁচটা সিজোৱা কণী আনি প্লেটত আনি থলেহি। সিজোৱা কণীত জালুকৰ গুৰি, নিমখ ছটিয়াই, ভাস্বতীৰ খালী প্লেটত টমেট'চচ ঢালি নন্দিনীয়ে ক'লে—অ' ৰ'বা, কে'ক্ আছে। পাপা আহিছিল, কালি গৈছেগৈ। মায়ে মোৰ ফেভাৰেট্ চক্‌লেট কে'ক্ বনাই দি পঠাইছে। মোৰ মামাই জানা; সাংঘাটিক ভাল ৰান্ধে। ছী ইজ ড্ৰিমেগুাছ। ভাল গাৰ্ডেণিং কৰে। আমাৰ শ্বিলঙৰ ঘৰত বহুত প্লাম হয়, পিচ্ হয়। মামাই জেম-জেলী-মাৰ্মালেট খুব ভাল কৰে। মোলৈ পঠাই থাকে। মই মোৰ ফেমিলিটো বৰ মিছ কৰোঁ জানা। অলপ দুখ লাগিলেই মই কান্দো, বহু দেৰীলৈ।

—বসন্তই কি কৰে তেতিয়া? হঠাতে ভাস্বতীয়ে শুধিলে।

—বছন্ত'! হি ইজ নীডাৰ পাপা, নট ফ্ৰেণ্ড। জাষ্ট হাজ্‌বেণ্ড। মুখ ওণ্ডোলাই নন্দিনী ৰান্ধনী ঘৰলৈ গ'ল আৰু এটা কেক্ ভৰ্তি কন্‌টেইনাৰ খুলি ধৰিলে ভাস্বতীৰ সন্মুখত। নন্দিনীয়ে কন্‌টেইনাৰ খুলিয়েই পুনৰ হাঁহি মাৰি সৰু ছোৱালীৰ দৰে কৈ উঠিল— জাষ্ট স্মেল ইট্—এই গোন্ধটোতে মই মাক পাওঁ জানা। আমি স্কুল-কলেজৰ পৰা ঘুৰি আহোঁতে গেইটৰ বাহিৰৰ পৰাই এই গোন্ধ পাওঁ। ঘৰৰ সন্মুখত আমাৰ দুজোপা ৰেড পাইন। আবেলি তাৰ পাতবোৰ বতাহত কঁপি থাকে। ঠাণ্ডা বতাহৰ সৈতে অ'ভেনত ফুলি থকা গৰম কেক্‌ৰ গোন্ধ যেতিয়া আহে মই আৰু মোৰ ভণ্টী দৌৰি যাওঁ। নন্দিনীয়ে নিজেও খাবলৈ আৰম্ভ কৰি কথাবোৰ ক'লে। ভাস্বতীয়ে বুজিলে, নন্দিনী মাক-দেউতাকৰ বুকুৰ মাজৰ পৰা ওলাই আহিব পৰা নাই। শ্বিলঙৰ ঘৰ এৰি এইদৰে ডিব্ৰুগড়ত ভাড়াঘৰ কৰি সংসাৰ আৰম্ভ কৰা ছোৱালী হৈ উঠা নাই তাই।

—বসন্তই কি খাই ভাল পায়?

—বছন্ত'! গড্ নউজ হোৱাট হি লাইকছ।

—কে'ক্ ভাল নাপাই নেকি?

—খায়! যি দিওঁ তাকেই খায়। কিন্তু তেওঁ ৰাতিপুৱা প্ৰেছাৰ কুকাৰত ভাত নিজে ৰান্ধে। তাতে দুটা আলু দিয়ে। অ-টি-জি-ত কেতিয়াবা দুটা মাছ পোৰে। তেল-নিমখ দি খাই ভাল পায়। মই বেয়া পাওঁ। মই গৰম ভাতত অলপ মাখন দি খাওঁ। মই মোৰ বাবে টিন ফিছ, বেক্ বিনছ, বেক মটৰৰ টেমা আনি থওঁ। টিন পৰ্ক থাকে প্ৰায়ে। আমাৰ দুয়োজনৰ ফুডহেবিট একেবাৰে বেলেগ।

—বছন্ত'ৰ ঘৰ ক'ত?

—জোনাইত। মই যোৱা নাই। বিয়াখন আমাৰ শ্বিলঙতে হৈছিল। তেতিয়া বছন্তে শ্বিলঙত কাম কৰিছিল। বছন্ত'ৰ ফেমিলিবিলাক আহিছিল।

—বছন্ত'ৰ ফেমিলি কেনেকুৱা? ভাস্বতীয়ে চালাডৰ প্লেটৰ পৰা ঘূৰণীয়া বিলাহী এটুকুৰা মুখত দি সুধিলে।

—ঠিকেই। মাকে মোক খুব মৰম কৰিলে। খুব চিম্পল সকলো। আমি মিচিং মানুহ যদিও পাপা টুৱেন্টি ফাইভ ইয়েৰছ শ্বিলঙত থকা। মোৰ মা আপাৰ কাষ্ট হিন্দু। বৰদলৈ উপাধিৰ। মাৰ ফেমিলি থাকে যোৰহাটত। পাপাৰ ফেমিলি চিভ্‌চাগৰৰ ফালে বুলি জানোঁ। কিন্তু কাকো লগ পোৱা নাই। মামাৰ স'তে পাপাৰ লাভ এফেয়াৰছ্ আছিল পঢ়োঁতে। পাপা হেনো বৰ দুখীয়া আছিল—বাট হি ৱজ এক্সট্ৰিমলি ব্ৰিলিয়েন্ট। পাপাই যি সময়ত ইঞ্জিনীয়াৰিং পাছ কৰিছিল, তেতিয়া বেক্‌ৱাৰ্ড ক্লাছৰ বাবে 'কোটা' ছিষ্টেম ইমান নাছিল। পাপা চিভিল ইঞ্জিনিয়াৰিঙত ফাৰ্ষ্ট ক্লাছ ছেকেণ্ড হৈছিল। ৱান ইয়েৰৰ বাবে লণ্ডনতো আছিল। মামাক ক'ৰ্ট মেৰেইজ কৰিছিল। মামাৰ ঘৰে পিচত মানি লৈছিল বিয়াখন।

—বসন্তৰ ফেমিলিৰ কথাহে তুমি আৰম্ভ কৰিছিলা নন্দিনী —ভাস্বতীয়ে সোঁৱৰাই দিলে।

—আস্ -ছ'ৰি। বছন্ত'ৰ পাঁচ ভাই। এজনী এল্ডাৰ ছিষ্টাৰ। সব জোনাইত থাকে। এজন ভাই গুৱাহাটীত থাকে, বিজ্‌নেছ কৰে। বাছ আছে বহুত। শুনিছো বছন্তৰ ঘৰত এটা ৰাইছমিল আৰু এখন পাৰাৰটিলাৰ আছে। আগতে বেছি মাটি নাছিল। পিচত ভাইবিলাকক কিনি দিছে। বহুত চাউল হয়। ছিষ্টাৰ থাকে লক্ষীমপুৰত। মই বিয়াত লগ পাইছোঁ। বৰ ভাল। তেওঁৰ তিন্‌টা ছোৱালী।

—তিন্‌টা ছোৱালী বুলি নকয় —তিনিজনী ছোৱালী বুলি কয়। ভাস্বতীয়ে শুধৰাই দিলত নন্দিনীয়ে খিল্-খিলাই হাঁহিলে। ক'লে—লৰেট'ত পঢ়া যদিও মায়ে কিন্তু আমাক অসমীয়া ঘৰত পঢ়িবলৈ শিকাইছিল। আমি দুই ছিষ্টাৰছে অসমীয়া পঢ়িব পাৰোঁ মই মিচিং ভাষাও জানোঁ। পাৰফেক্ট নহ'ব পাৰে—কিন্তু চলাই নিব পাৰোঁ। গৰ্বেৰে নন্দিনীয়ে ক'লে।

—বসন্ত'ৰ পৰিয়ালকো তুমি বেয়া নোপোৱা—তেওঁক কিয় পছন্দ নকৰা তুমি? —পোনপতীয়াকৈ হঠাতে ভাস্বতীয়ে সুধিলে নন্দিনীক।

—হি ইজ ডিফাৰেণ্ট—আই কাণ্ট এড্‌জাষ্ট উইথ হিম—আই ড'ণ্ট লাইক ইভ্‌ন হিজ ফেছ—হিজ আইজ—হিজ..... হঠাতে বৈ গ'ল নন্দিনী। তাৰ পিচত তাই চকু দুটা আৰু সৰু কৰি, সুধিলে ভাস্বতীক—কেনেকৈ! তুমি কেনেকৈ জানিলা মই বছন্ত'ক ভাল নাপাওঁ বুলি! হাউ! মইতো বছন্ত'ক বেয়া পোৱাৰ কথা তোমাক এবাৰো কোৱা নাই—হি ইজ মাই হাজবেণ্ড। মই ভাল পাবই লাগিব। মা-পাপাই মোক বিয়া দিছে তেওঁলৈ। বিয়া উপলক্ষে ডাঙৰ পাৰ্টি হৈছে দুবাৰকৈ। আমি বিয়াৰ পিচত হনিমুন কৰিছো গোৱাত। তেওঁ মোক বহুত শাৰী-বহুত দামী অলংকাৰ দিছে। মই তেওঁৰ

ৱাইফ—মোক ভাল পোৱাৰ চিন এইবোৰ নহয় জানো? এয়া চোৱা—তেওঁ সেন্দুৰৰ ডাঙৰ ফোঁট ল'লে ভাল পায়—মই লৈছো চোৱা—মোৰ শিৰত বহুত সেন্দুৰ। আন বিবাহিতা নাৰীতকৈ মই বেছিকৈ সেন্দুৰ লওঁ, বেছিকৈ অলংকাৰ পিন্ধোঁ—এইবোৰ মোৰ হাজবেণ্ডক ভাল পোৱাৰ চিন নহয় জানোঁ? মোৰ হাজবেণ্ডে 'আইডিয়েল ইণ্ডিয়ান ৱাইফ' ভাল পায়, প্ৰশংসা কৰে। মই সদায় যত্ন কৰোঁ সেইদৰে থাকিবলৈ। ইয়াৰ পিচতো তুমি কিয় সুধিলা বহুত'ক মই পছন্দ কিয় নকৰোঁ বুলি!

—কাৰণ তুমি ক'ব নোৱাৰাকৈয়ে মোক কৈ পেলালা—তুমি তেওঁৰ মুখখনো চাই ভাল নোপোৱা বুলি। ভাস্বতীৰ ওচৰত ধৰা পৰি নন্দিনী বহুপৰ মনে মনে থাকিল। তাৰ পাচত হঠাতে ডাইনিং টেবুলত মূৰ থৈ হুক্-হুকাই কান্দিবলৈ ধৰিলে তাই। পাৰ ভাঙি বৈ আহিল নন্দিনীৰ চকুপানী। ভাস্বতী বিবুধিত পৰিল। নিৰ্জন অকলশৰীয়া ঘৰটোলৈ যদি এইমুহূৰ্তত কোনোবা সোমাই আহে—কি ভাবিব বাৰু! যদি নন্দিনীৰ স্বামী সোমাই আহে। ভাস্বতী উঠি গৈ নন্দিনীৰ মূৰত হাত বুলালে—নন্দিনীয়ে কৈ উঠিল— কিয় - কিয় এনে হয় ভাস্বতী! কিয় মই সকলো হেৰুৱালো যেন ভাব হয়! জীৱন আৰম্ভ কৰোঁতেই মই যেন সকলো শেষ কৰিলোঁ—কিয় এনে হয়! আই হেভ লষ্ট এভ্ৰিথিং—ভাস্বতীয়ে নন্দিনীক দুবাহুত ধৰি উঠাই আনি ভিতৰৰ বিছনাত বহুৱাই দিলে। গাৰু এটা সাবটি নন্দিনীয়ে উচুপি-উচুপি কান্দি ক'লে—তুমি মোৰ কথা শুনিবানে? শুনিবানে? ভুল নুবুজাতো মোক—! কথাবোৰ নোকোৱালৈকে মই এইদৰে সদায় কান্দিব লাগিব ভাস্বতী—

—শুনিম কিয় নুশুনিম?

—চোৱা ভাস্বতী—তোমাৰ সৈতে মোৰ সাংঘাটিক একো বন্ধুত্ব হোৱা নাই—কিন্তু মোৰ অনুভৱ হৈছে, তুমিহে বুজিব পাৰিবা মোক। তুমি আজি পুৰাই মোক ধৰা পেলাইছা। তুমি কৈছিলা, মই কান্দিবলৈ এটা সুযোগ লৈছোঁ বুলি। সঁচা—সঁচাকৈয়ে মই সৰু কথাতে কান্দোঁ। বহুতে কয় মই হেনো এতিয়াও কেঁচুৱামী কৰোঁ, মেচিয়ৰড্ হোৱা নাই মই— আলাসত ডাঙৰ হোৱা ছোৱালী—নহয়—এইবোৰ একো নহয়। আচল সত্য তুমি বিচাৰি পালা—মই আচলতে যেতিয়াই তেতিয়াই কান্দিবলৈ সুযোগ বিচাৰি ফুৰোঁ। মোৰ বুকুত এটা দুখৰ আইচবাৰ্গ আছে—বৰফৰ পাহাৰ —কাৰোবাক এই পাহাৰটো দেখুৱাব পাৰিলেই গলিব দুখৰ বৰফ —হাৰ্ড ৰক অৱ পেইন—

—'কোৱা নন্দিনী।' বিছনাত বহি থকা ভাস্বতীৰ বাহুত নন্দিনীয়ে মূৰটো পেলাই দি ক'লে—পুৰুষে কি কাৰণত নাৰীক ভাল পাই—ভাস্বতী?

এটা কঠিন প্ৰশ্ন। ভাস্বতীয়ে নন্দিনীৰ মুখলৈ চালে। সৰল দৃষ্টিৰে তাই এই কঠিন প্ৰশ্নটো কৰি পেলাইছে।

(তেৰ)

পুৰুষে কি কাৰণত নাৰীক ভাল পাই—সেইটো এটা প্ৰশ্ন হ'ল নেকি? কিন্তু নন্দিনীয়ে পৰম আশাৰে প্ৰশ্নটো কৰি ভাস্বতীৰ মুখলৈ উত্তৰ বিচাৰি চাই আছে। ভাস্বতী মৌন হৈ ৰ'ল। ভাস্বতীয়ে জানে নন্দিনীয়ে সাধাৰণভাৱে, বুৰ্ব্বকৰ দৰে প্ৰশ্নটো কৰা নাই। নহ'লেতো পোনছাটেই এটা উত্তৰ—পুৰুষে নাৰীক আৰু নাৰীয়ে পুৰুষক ভাল নোপোৱাটোহে অস্বাভাৱিক! ই প্ৰকৃতিৰ নিয়ম, বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ। এই আকৰ্ষণ অবিহনে সৃষ্টি কৰ্মই বিকল হৈ যাব। ভাস্বতীৰ একো মনঃপুত উত্তৰ মনলৈ অহা নাই। তাই অসহায়ভাৱে নন্দিনীৰ মুখলৈ চালে। নন্দিনীৰ চিক্কৰ সূতাৰ দৰে সৰল ৰেখাৰ চুলিবোৰ গালে-মুখে পৰি আছে। তৰাৰ দৰে সৰু গোল চকুৰ কোণত এটোপাল নিয়ৰৰ দৰে পানী। ভাস্বতীয়ে ক'লে—নন্দিনী, অতি সাধাৰণ উত্তৰ বিচাৰি তুমি প্ৰশ্নটো কৰা নাই বাবে, মোৰ উত্তৰটো দিয়াত সমস্যা হৈছে। —মই কি ভাবো কওঁনে? নন্দিনীয়ে পুনৰ অনুমতি বিচাৰিলে। ভাস্বতীয়ে নন্দিনীলৈ চাই মূৰ দুপিয়ালে।

—পুৰুষে নাৰীক 'অপ'জিত ছেক্স'ৰ আকৰ্ষণতে ভাল পাই যদিও, এটা 'বায়'লজিকেল কনফ্লিক্ট' অহৰহ ঘটাই থাকে পুৰুষে।

—কেনেকুৱা বায়'লজিকেল কনফ্লিক্ট?

—এই ধৰা, পুৰুষজনে মানসিক আৰু শাৰীৰিকভাৱে ভালপোৱাৰ দোহাই দি নাৰীগৰাকীক বশ্যতা স্বীকাৰ কৰি থাকিবলৈ উৎসাহ দিয়ে। ব'ছন্তৰ কথাই ধৰা—তেওঁ মোক বিয়াৰ আগৰে পৰাই তেওঁৰ মোৰ প্ৰতি প্ৰেম অনুৰাগ দেখুৱাবলৈ কয়—তুমি এনেকৈ বেগটো লোৱাচোন—মোৰ বৰ ভাল লাগে, এনেকৈ চুলিখিনি বান্ধাচোন তেতিয়া মই তোমাক খুব ধুনীয়া দেখো—এই বেঙুনীয়া ৰংটো মোৰ ভাল নালাগে—তুমি হালধীয়া এই শাৰীখন পিন্ধা, —মই হালধীয়া বৰ ভাল পাওঁ।

—এয়াতো চিৰন্তন সত্য নন্দিনী—পুৰুষৰ চকুত ধুনীয়া হোৱাৰ বাসনাতেই নাৰীয়ে নিজক সজায়। যিকোনো নাৰীয়ে পুৰুষে 'ধুনীয়া' বুলি কোৱা মন্তব্য এটাৰ বাবে মনে মনে অপেক্ষা কৰে। তুমি সেই ফ্ৰান্সৰ সাধুটো পঢ়িছিলানে? কেথেৰিন নামৰ কুৎসিৎ নৰখাদক ডাইনীজনীয়ে যে এটা ধুনীয়া ডেকা ল'ৰা ধৰি আনি খাবলৈ বুলি বান্ধি থৈছিল। যিদিনা খোৱাৰ পাল পৰিল, ডাইনীজনীয়ে এটা ডাঙৰ হাড়িত পানী উতলাবলৈ লৈ তাৰ হাত-ভৰিৰ বছী কাটি সুধিলে—তই কেনেকৈ মৰিবলৈ ভাল পাবি? উতলা পানীত গোটে-গোটে পৰি নে মোৰ 'অভেন'ৰ লোৰ শলাত 'ৰ'ষ্ট' হ'বলৈ ভাল পাবি? সি তপৰাই ক'লে—তুমি যি ধৰণে খাই ভাল পোৱা তেনে ধৰণে মই মৰিবলৈ প্ৰস্তুত—তোমাৰ

বাবে মই সকলো কৰিব পাৰোঁ। বুঢ়ীয়ে মৰিবলৈ ওলোৱা মানুহৰ পৰা এনে উত্তৰ জীৱনত পোৱা নাছিল। মৰাৰ আগতে মানুহটো ভয়তে অচেতন হৈ যায়। বুঢ়ীয়ে আচৰিত হৈ সুধিলে —আচৰিত? মোৰ বাবে তোৰ ইমান মৰম উথলি উঠিল কিয়? ল'ৰাটোৱে ক'লে—কাৰণ তুমি ধুনীয়া। তোমাৰ দৰে ধুনীয়া নাৰী মই জীৱনত দেখা নাছিলো। তোমাৰ মই প্ৰেমতেই পৰিছোঁ। বুঢ়ী অবাক হ'ল। তাই আকৌ সন্দেহেৰে সুধিলে—তই মোক ঠাট্টা কৰিছ? ৰ তোৰ ভয়ংকৰ শাস্তি হ'ব। ল'ৰাটোৱে ক'লে—শাস্তি মৃত্যুতকৈ কি আছে? সেয়া তুমি দিবাই। কিন্তু তুমি নিজক কেতিয়াবা ভালকৈ চাইছানে? বুঢ়ীয়ে ক'লে—নাই চোৱা। ল'ৰাটোৱে ক'লে—সৌ কুঁৱাৰ পানী কিমান নিৰ্মল—তাত তোমাৰ প্ৰতিবিম্ব দেখুৱাও আহা। বুঢ়ীক ল'ৰাটোৱে লৈ গৈ ক'লে—চোৱা তোমাৰ ঢৌখেলোৱা আল্পচ পৰ্বতমালাৰ বৰফৰ দৰে চুলি— ফুজিয়ামাৰ আগ্নেয়গিৰিৰ মুখৰ দৰেই গভীৰ তোমাৰ চকু... এইবুলি বুঢ়ীক কুঁৱালৈ গতা মাৰি দিলে ল'ৰাটোৱে। প্ৰশংসা শুনি কুৎসিৎ ডাইনী বুঢ়ী দুৰ্বল হৈ পৰিছিল, গতিকে তৰ্কিবই নোৱাৰিলে—ল'ৰাটো পলাল। সাধুটো শেষ কৰিয়েই ভাস্বতীয়ে হাঁহিলে, নন্দিনীয়েও হাঁহিলে। —গতিকে ভয়ংকৰ নৰখাদক ডাইনী এজনীও যেতিয়া পুৰুষৰ প্ৰশংসাত দুৰ্বল হয়— তুমি-মই কোন কুটা? হাঁহি হাঁহিয়েই ভাস্বতীয়ে ক'লে।

—কিন্তু ভাস্বতী মোৰ জীৱন সাধুকথা নহয়। ব'ছ্ন্ত মোৰ ক্ষেত্ৰত ইমান পজেচিভ যে মই মাজে মাজে নিজে কোন সেয়া পাহৰি যাওঁ। ব'ছ্ন্ত বিয়াৰ প্ৰথমদিনাৰ পৰাই মোৰ ৰূপৰ প্ৰশংসাত আত্মবিভোৰ। তেওঁৰ 'ফ্ৰেইণ্ড চাৰ্কল'ত তেওঁ মোক লৈ গৰ্ব অনুভৱ কৰে। জানানে মই যেতিয়া ইউনিভাৰ্চিটিত নাম লগাব খুজিছিলো ব'ছ্ন্তই কিয় আপত্তি কৰিছিল? তেওঁ কৈছিল—তোমাক দিনটোৰ পাঁচঘণ্টা সময় আনে বেৰি ৰাখিব, ল'ৰাবোৰ কাষ চাপিবলৈ যত্ন কৰিব সেয়া মোৰ সহ্য নহ'ব। মোৰ আচৰিত লাগিছিল তেতিয়া। বিশ্বাস কৰা মানুহজনক মোৰ এবনৰমেল যেন লাগিছিল। তেওঁ মোক সাবটি ঘনে ঘনে যেতিয়া চুমা খায়, মোৰ একো শিহৰণ নহয়, বৰঞ্চ মই প্ৰাৰ্থনা কৰোঁ—অ' গড্, চেভ মি, মোক ৰক্ষা কৰা ভগৱান! এই কথাবোৰ এবাৰ মই স্কুলৰ পৰা একেলগে পঢ়া বান্ধৱী এজনীক কৈছিলোঁ। তাই মোক ক'লে যে মইহে হেনো এবনৰমেল। স্বামীক হাতৰ মুঠিত ৰাখিবলৈ পত্নীয়ে কিমান কাম কৰিব লগা হয়! মই হেনো এনে স্বামী পাইছোঁ, যি পত্নীৰ প্ৰেমত বলিয়া। মোৰ দৰে স্বামীসুখ সাংঘাতিক ভাগ্যশালী নহ'লে নাপায়। মই তাৰ পাচত এইবোৰ কথা কাকো কোৱা নাই। কিন্তু ভিতৰি মই শেষ হৈ গৈছোঁ—তুমি বাৰু মোক বুজি পাইছানে ভাস্বতী! মই ঠিক বুজাব পাৰিছোনে তোমাক? নে তুমিও মোক মোৰ বান্ধৱীৰ দৰে এবনৰমেল বুলিবা!

—ভাস্বতীয়ে অবাক হৈ নন্দিনীৰ ধুনীয়া কৰুণ মুখখনলৈ চাই থাকিল। এজন উচ্চ পদস্থ বিষয়া, পত্নীৰ প্ৰেমত আত্মবিভোৰ পতিক লৈও যে এগৰাকী নাৰী বিষণ্ণতাত

ভোগে ইমানদিনে ভাস্বতীয়ে ধাৰণা কৰিব পৰা নাছিল। কিন্তু তাৰ লগে লগে নন্দিনীলৈ ভাস্বতীৰ শ্ৰদ্ধা উপজিছিল। নন্দিনী শতকৰা নব্বৈজনী নাৰীৰ দৰে নহয়। নন্দিনীৰ ব্যক্তিসত্তা সবল। তাই নিজৰ ৰুচি-অভিৰুচি, ইচ্ছা-আকাংক্ষা স্বামীৰ সাঁচত ঢালি দিব খোজা নাই। ভাৰতীয় বিবাহ ব্যৱস্থাৰ সামাজিক শিক্ষা পৰম্পৰাত পত্নীয়ে পতিক বিচৰা ধৰণে পাব নোৱাৰে, পতিয়ে বা পতিৰ পৰিয়ালেহে নিৰ্ধাৰণ কৰে পত্নী কিদৰে থাকিব। ভাস্বতীয়ে খুব সাৱধানে নন্দিনীক প্ৰশ্ন কৰিলে সেয়ে—নন্দিনী, বিয়া ঠিক হোৱা সময়ত তুমি বসন্তক কেনেকৈ বিচাৰিছিলা?

—মই বিচৰা নাছিলো ব'ছন্তক। ইনফেক্ট, পাপা আৰু মাই মোক শ্বিলঙৰ পৰা খেদিবলৈ যত্ন কৰিছিল ব'ছন্তক লগ পায়, কাৰণ মোৰ ফিলিপৰ সৈতে বন্ধুত্ব বাঢ়ি গৈছিল।

—ফিলিপ! তেওঁ কোন?

—মোৰ বন্ধু। কিন্তু বিশ্বাস কৰা, আমি কোনো দিন ইজনে সিজনৰ প্ৰেমত পৰিছো বুলি ভবা নাছিলোঁ। এতিয়াও নাভাবোঁ। ফিলিপ বা মই কেতিয়াও কোনো সংসাৰ কৰাৰ স্বপ্ন দেখা নাই। কিন্তু আমি ইটোৱে-সিটোক লগ নোপোৱাকৈ থাকিব নোৱাৰোঁ।

—সেয়াইতো প্ৰেম!

—নাঃ ভাস্বতী— its not love, we enjoy our companionship, আমি বহুত কথা খোলা-খুলিকৈ শ্বেয়াৰ কৰোঁ—যিটো আন কাৰো সৈতে নোৱাৰোঁ। প্ৰব্লেম হ'ল—সি ল'ৰা—মই ছোৱালী—সেইবাবেই।

—ফিলিপে বসন্তক জানেনে?

—জানেতো! চিনাকী হোৱাৰ পিচত সি মোক ক'লে—তই মৰিবি নন্দিনী! এই মানুহটোৱে মোক তই নথকাত বহুত জেৰা কৰিলে। তোৰ আৰু মোৰ সম্পৰ্ক কিমান গাঢ়, সেই কথা জানিবলৈকে মোক সুধিলে—মোৰ গাৰ্লফ্ৰেইণ্ড আছেনে নাই। মই ক'লো আছে—নন্দিনী। মানুহটোৰ চকু দুটা খঙত জ্বলি উঠিল, কিন্তু তেওঁ হাঁহি মাৰি ক'লে—এতিয়াৰ পৰা তুমি নন্দিনীক গাৰ্লফ্ৰেইণ্ড হিচাপে নাভাবিবা, বেলেগ বাচি লোৱা। অদ্ভুত নহয়নে! জানা ভাস্বতী, মই ফিলিপলৈ চিঠি, ফোন একোৰে যোগাযোগ ৰাখিব নোৱাৰোঁ। ফিলিপ অন্য ধৰণৰ ল'ৰা। সি খুব ভাল ড্ৰাম বজায়—এটা ৰক্‌বেণ্ড আছে সিহঁতৰ। সি ছবি আঁকে, মোৰ ড্ৰয়িংৰুমৰ ছবিখন যে দেখিছা! ফিলিপে আঁকা। ফিলিপৰ ছবি বুলিলে ব'ছন্তই সেইখন জুইত পুৰি পেলাব। মই নাই কোৱা—আনকি চহীটোও মই ৰং কৰি ঢাকি দিছোঁ।

—বিয়াৰ পিচত ফিলিপক পাইছানে?

—এবাৰেই মাত্ৰ বিয়াৰ পিচত শ্বিলঙলৈ গৈছিলোঁ। মা-পাপাই ফিলিপক লগ নোপোৱাকৈ মোক ৰাখিছিল। মই লুকাই লুকাই তাক লগ কৰিছিলোঁ। আমি ক্ৰিনোলিন

জলপ্ৰপাতৰ নিৰ্জন পাইনৰ অৰণ্যত লগ হৈছিলোঁ। আমি দুয়ো দুয়োকে সাবটি খুব কান্দিছিলোঁ। মই তেতিয়া ফিলিপক সুধিছিলোঁ—তই বাৰু মোক তোৰ পত্নী হিচাপে কেতিয়াবা কল্পনা কৰিছিলি নেকি? সি ক'লে নাই কৰা। This relationship is very narrow–বৰ ঠেক পতি-পত্নীৰ সম্পৰ্ক। মই পত্নীৰ বাবে অন্ততঃ তোক নিবিচাৰোঁ। তেনেকৈ ভাবিলেই তোৰ মোৰ সম্পৰ্কটো নষ্ট হৈ যাব।' ভাস্বতী, ফিলিপে কেতিয়াও মোক প্ৰেমিকা বা ভাবী পত্নী হিচাপে বিচৰা নাছিল। ময়ো কোনোদিন এনে সম্পৰ্কৰ কথা ভবা নাছিলোঁ—কিন্তু মোৰ ঘৰত ফিলিপৰ সৈতে থকা ঘনিষ্ঠতা আতংকৰ কাৰণ হৈ পৰিছিল।

—বসন্তক কিজানি সেইবাবে তুমি গ্ৰহণ কৰিব পৰা নাই নন্দিনী?

—'নহয়-নহয়।' ভাস্বতীয়ে প্ৰায় চিঞৰি উঠিল। ফিলিপ আৰু বসন্তৰ তুলনা মই ভুলতো কৰা নাই কেতিয়াও। এই কথাবোৰ মই সেইদিনা ফিলিপক কৈছিলোঁ। ফিলিপে মোক কি ক'লে জানা?

—সেইবাবেইতো তোক মই পত্নী হিচাপে নিবিচাৰিলোঁ। স্বামীবোৰে বিয়া কৰাই অনা ঘৈণীক নিজৰ ঘৰ, গাড়ী, বয়বস্তুৰ দৰেই ভাবিবলৈ লয়। এক ধৰণৰ অধিকাৰবোধ। তুমি এনেকৈ থাকা, মই ভাল পাওঁ, মোৰ যত্ন লোৱা মই ভাল পাওঁ, মোৰ দেউতা-মাই তোমাক এইদৰে বিচাৰে—তুমি তেনেকৈ থাকা, মোৰ পৰিয়ালক সোনকালে সন্তান লাগে, তুমি দিয়া, আজি মোৰ বন্ধুৰ ঘৰত পাৰ্টি—তুমি অমুক পিন্ধা—ইত্যাদি ইত্যাদি। হয়তো মোৰ মনতো এই স্বামীৰ অহংকাৰ অনুভৱ কৰোঁ।' নন্দিনীয়ে কথাবোৰ কৈ ভাস্বতীলৈ চাই হুমুনিয়াহ কাঢ়িলে। ভাস্বতীয়ে কি উত্তৰ দিব ভাবি নাপালে। ঠিকেইতো, এজনী ছোৱালীক অলংকাৰ, সাজ-পোছাকৰ উজ্জ্বলতাৰ মাজত ঢাকি ঘৰলৈ লৈ অহা হয়। নিজৰ ঘৰ, নিজ পিতৃ-মাতৃৰ সকলো সুখ-আনন্দ, নিৰাপত্তাৰ অংশীদাৰ হৈ, হঠাতে ঘোষণা কৰা হয়, আজিৰ পৰা তুমি অমুক ঘৰৰ মানুহ। তোমাৰ সকলো বদলি কৰা—সকলো। পুৱা দেৰীকৈ শুই-উঠা অভ্যাস? নহ'ব—। পুৱাৰ প্ৰথম চাহ কাপ হাতত লৈ বাৰাণ্ডাত বহি বাতৰিকাকত পঢ়াৰ অভ্যাস? —নহ'ব আজিৰ পৰা। তুমি মেখেলা-চাদৰ পিন্ধি অসুবিধা পোৱা? নহ'ব—অভ্যাস কৰা। —কি ভাবিছা ভাস্বতী? ভাস্বতীয়ে লাহে লাহে ক'লে, তুমি মোক আজি বহুত কথা নতুনকৈ চিন্তা কৰিবলৈ শিকালা। মই তোমাৰ কষ্ট বুজি পাইছো নন্দিনী। বসন্তৰ আচলতে ইয়াত কোনো দোষ নাই। আমাৰ সামাজিক ব্যৱস্থাই স্বামী আৰু শহুৰৰ ঘৰখনক সামন্তীয় সকলো সুবিধা দি থৈছে।

—বসন্তৰ মাক তেনে নহয় ভাস্বতী। মাত্ৰ এবাৰ বিয়াৰ সময়ত মই মানুহজনীক পালোঁ। তেওঁ মোক কি সুধিছিল জানা, মই কি কি বেয়া পাওঁ আৰু ভয় কৰোঁ। মই ক'লো যে মই মোৰ জন্মভূমি শ্বিলংখন এৰি যোৱাৰ কথা কল্পনা কৰিব নোৱাৰোঁ। মই কোমোৰা, ভেন্দি খাবলৈ বেয়া পাওঁ। মই শাৰী জাতীয় বস্তু পিন্ধিবলৈ অসুবিধা পাওঁ। মই হাতত

ঘড়ীৰ বাদে কোনো অলংকাৰ পিন্ধিবলৈ বেয়া পাওঁ। মই ফোঁট-সেন্দুৰ এইবোৰ ল'বলৈ বেয়া পাওঁ—আৰু মদ-চিগাৰেট খোৱা মানুহ বেয়া পাওঁ, খঙাল মানুহ ভয় কৰোঁ। বসন্তৰ মাকে তেতিয়া বসন্তক মাতি আনি ক'লে—তই চিগাৰেট এৰিবলৈ যত্ন কৰ। মদ উৎসৱে-পাৰ্বণে খোৱাৰ বাহিৰে নাখাবি—ছোৱালীজনীয়ে বেয়া পায়। অফিচৰ খং ঘৰলৈ লৈ নাহিবি আৰু মাজে মাজে তাইক শ্বিলঙত থৈ যাবিহি। বসন্তৰ মাক গ'লগৈ বিয়াৰ পিচদিনাই। তেওঁৰ পাঁচটা ল'ৰা-ছোৱালী সৰু হৈ থাকোতেই স্বামী ঢুকাইছিল। খেতি-বাতি চোৱাৰ পৰা ট্ৰেক্টৰ চলোৱালৈকে তেওঁ সকলো কাম কৰে। মানুহজনীয়ে একো আখৰ চিনি নাপাই যদিও সেই অঞ্চলত এখন স্কুল পাতিবলৈ তেওঁৰ নিজৰ মাটি দান দিছে। ব'ছন্তৰ সৈতে মই ডিব্ৰুগড়ত যেতিয়াৰ পৰা থাকিবলৈ ল'লো, তেতিয়াৰ পৰা ব'ছন্তৰ মাকলৈ মোৰ মনত পৰি থাকে। সেই মানুহজনী এইখন ঘৰত থকা হ'লে কিমান কথা মই ক'ব পাৰিলোহেঁতেন। ব'ছন্তই নিজৰ কোনো অভ্যাস সলনি নাই কৰা যোৱা এবছৰে। বেড়টিৰ পিচত দুটা চিগাৰেট খাবই, নিশা দুই পেগ্ হুইস্কী খাবই, বন্ধু-বান্ধৱ পাৰ্টি, এইবোৰ আগৰ দৰেই আছে। এতিয়া সাজি-কাচি সেইবোৰলৈ মই যাব লাগে—কাৰণ ব'ছন্তই বিচাৰে। মই তেওঁ বিচৰা সকলো কৰিব লাগে। আজি কিছুদিনৰ পৰা মই মোৰ অনিচ্ছা বিলাক তেওঁক দেখুৱাইছোঁ। তেওঁ একো নকয়। কিন্তু গম্ভীৰ হৈ যায়। এক ধৰণৰ খং কিন্তু এক্সপ্ৰেছনলেচ্, ছাইলেন্ট.... বুজিছানে—ঠিক কেনেকুৱা? ভাস্বতীয়ে মূৰ দুপিয়ালে।

—কিন্তু নন্দিনী মোক এটা কথা কোৱা, তুমি ইউনিভাৰ্চিটিৰ ল'ৰা কেইটাই বসন্তৰ নাম লোৱাৰ লগে লগে কিয় কান্দিলা? নন্দিনী এইবাৰ তললৈ মূৰ কৰি থাকিল। তলমূৰ কৰিয়েই ক'লে—এদিন আমাৰ নিশা বেয়াকৈয়ে কাজিয়া লাগিছিল। মোৰো প্ৰচণ্ড খং উঠিছিল আৰু মই ঘৰৰ বহুত বস্তু ভাঙি পেলাইছিলোঁ। মই শ্বিলঙলৈ দুদিনৰ বাবে যাব খুজিছিলো—ব'ছন্তই ফিলিপৰ প্ৰসংগৰে মোক উপহাস কৰিলে। সেইদিনা ব'ছন্ত তেওঁৰ বন্ধুৰ ঘৰত গৈ থাকিলেগৈ। সেই বন্ধুৰ সৰু ভায়েক ইউনিভাৰ্চিটিত পঢ়ে। কথাবোৰ প্ৰায় ৰাষ্ট্ৰ হৈ গৈছে। ব'ছন্তক মই দিনে দিনে সহ্য কৰিব নোৱাৰা হৈ আহিছোঁ—তেওঁ এতিয়া এটা সন্তানৰ বাবে উন্মাদ হৈ গৈছে। মই বেলেগ কোঠাত শুবলৈ লৈছোঁ। বহুত দিন জোৰ-জবৰদস্তি কৰিছে। —বিবাহ কি এক ভয়ংকৰ নিয়ম! ছোৱালীবোৰৰ সকলো স্বাভিমান, ইচ্ছা-অনিচ্ছা, ৰুচি-অভিৰুচি বিসৰ্জন দিয়াৰ বাবেই এই উৎসৱ নহয়নে? মোৰ মা আৰু পাপালৈও খং উঠে। কিয় তেওঁলোকে মোৰ এই পৰিণতি হ'ব বুলি জানিও এজনী স্বাধীনমনা ছোৱালীৰ দৰে হ'বলৈ দিছিল? কিয় শিকাইছিল ল'ৰা আৰু ছোৱালীৰ আজিকালি কোনো পাৰ্থক্য নাই বুলি? মোৰ সকলোৰে ওপৰত খং উঠিবলৈ লৈছে—চৌবিশ ঘণ্টাই মই খং আৰু হতাশাত কটাওঁ। নন্দিনীয়ে কৈ কৈ এইবাৰ সৰু ছোৱালীৰ দৰে কুচি-মুচি গাৰু এটা বুকুত লৈ বিছনাত শুই পৰিল। নন্দিনীয়ে কন্দা নাই কিন্তু তাইৰ চকুহালে, সমস্ত শৰীৰটোৱে উচুপি কান্দি থকা যেন লাগিল ভাস্বতীৰ। ভাস্বতীয়ে শুনিলে

টিনৰ চালত এটোপ-দুটোপ কৈ বৰষুণ পৰিবলৈ ধৰিছে। সন্ধিয়া নামি আহিছে ধীৰে-ধীৰে কোঠালিটোলৈ। নন্দিনীৰ প্ৰশস্ত বিছনাৰ কাষত এখন ধুনীয়া ড্ৰেছিং টেবুল। আইনাত প্ৰতিবিম্বিত হৈছে দুটা ছায়াৰ দৰে নাৰীমূৰ্তি। এডাল লতা লেতু-সেতু হৈ বিছনাত পৰি আছে, তাৰ কাষত স্থিৰ হৈ আছে এজোপা গছ। ভাস্বতীৰ তেনে যেনেই লাগিল। এটা পিয়ানোৰ মূৰ্চ্ছনাই হঠাতে কোঠালিটো ভৰাই পেলালে। ভাস্বতীয়ে সংগীতৰ মধুৰ উৎস বিচাৰোতে চকু পৰিল বেৰত থকা ঘড়ীটোত। ঘড়ী বুলি ধৰিবই নোৱাৰি। এটা উৰি যোৱা ধুনীয়া চৰাই। ঠোঁটত ওলমি আছে পাত আৰু ঠাৰিৰে এটা আপেল। আপেলৰ মাজত এটা ঘড়ী। ছটা বজাৰ সংকেত। ভাস্বতী নন্দিনীৰ সৈতে ইমান একাত্ম হৈ পৰিছিল যে তাই বেৰত থকা ধুনীয়া ঘড়ীটো দেখাই নাছিল। ঘড়ীটোৱে যেন এইবাৰ নিজেই ঘোষণা কৰিলে তাৰ অস্তিত্ব—চোৱা, মোক নোচোৱা কিয়? ভাস্বতীয়ে তৎক্ষণাৎ ক'লে—মই উঠো নন্দিনী। হোষ্টেলৰ গেইট বন্ধ হয় ছয় বজাত। দেৰী হৈ গ'ল। ইমান ধুনীয়া ঘড়ীটোৱে নোকোৱা হ'লে গমেই নাপালোহেঁতেন কিমান সময় হ'ল!

'অ' ঘড়ীটো—মোৰ বিয়াত ফিলিপে দিছিল। বিদেশী ঘড়ী। ঘড়ীটো দি কৈছিল, সংসাৰ আৰম্ভ কৰিলে সময়জ্ঞান বেছি হ'ব লাগিব। মই বেড্‌টি, ব্ৰেকফাষ্ট তৈয়াৰ কৰাৰ উপৰিও পঢ়া-শুনালে সময় উলিয়াব লাগিব, সেয়ে মিউজিকেল ঘড়ীহে হেনো মোৰ দৰকাৰ। অন্ততঃ মোৰ দৰে সময়জ্ঞান নথকা ছোৱালীক সময়ৰ কথা ঘড়ীটোৱে সকিয়াই থাকিব। কিযে ল'ৰা নহয় ফিলিপটো.... নন্দিনীয়ে অকমান হাঁহিলে কথাবোৰ কৈ।' ভাস্বতীয়ে বুজিলে নন্দিনীৰ ভিতৰে-বাহিৰে ফিলিপৰ অস্তিত্ব বিৰাজ কৰিছে। অথচ ফিলিপক নন্দিনীয়ে স্বামী বা প্ৰেমিক ৰূপে নিবিচাৰে। ই কেনে সম্পৰ্ক! কেৱল বন্ধুত্বইনে! নন্দিনী এইবাৰ থিয় হৈ ক'লে—ব'লা, মই তোমাক হোষ্টেলত থৈ আহোঁ। ভাস্বতীয়ে তৎক্ষণাৎ বাধা দি ক'লে—নালাগে, ৰিক্সা এখন লৈ মই যাম। মাত্ৰ দহমিনিটৰ বাট। কৈফিয়ৎ দিব লগা নহ'ব নিশ্চয়। হঠাতে নন্দিনীয়ে ভাস্বতীক সাবটি ধৰিলে। কান্ধত থুতৰিটো থৈ তাই ক'লে—তোমাক আমনি কৰিলো যদি মাফ কৰিবা। মোৰ বৰ কষ্ট হৈ আছে—মোক দুদিনমান তোমাৰ হোষ্টেলত ৰাখিবানে? কোৱা ৰাখিবানে? ময়ো তোমাৰ দৰে পুৱা ওলাই আহিম—বাছত উঠিম, ভোক লাগিলে, যিকোনো ৰেস্তোৰাঁ এখনত সোমাই, লগৰ ল'ৰা-ছোৱালীৰ সৈতে পৰঠা খাম, ভেজিটেব'ল কাট্‌লেট খাম... পইচা কম হ'লে বেগ খুচৰি প্ৰত্যেকেই হিচাপ কৰি একেলগে পইচা দিম—দুটকামান কম হ'লে হোষ্টেলৰ মালিকক ক'ম—দাদা—দুটকা কম হ'ল বেয়া নাপাব দেই—তোমালোকক দেখি মোৰ যিমান আনন্দ লাগে, সিমান দুখ হয়। হোষ্টেলৰ বন্দীত্বক লৈ তোমালোকে যেতিয়া ক্ষোভ উজাৰ কৰা, বিস্বাদ ভাত-আঞ্জাবোৰৰ কথা ৰস লগাই কোৱা, তেতিয়া ভাব হয়, মোৰ দেখোন উপাদেয় খাদ্যতে অৰুচি। মোৰ বেগত সদায় দুশমান টকা ব'ছন্তই ভৰাই থৈ যায় কেৱল খৰছ কৰিবলৈ। মোৰ খৰছ কৰিবলৈও মন নাযায়। তোমালোকৰ অভাৱৰ

আনন্দৰ তুলনাত মই কিমান দুখীয়া। তোমালোকৰ স্বাধীন বন্দীশালৰ তুলনাত মোৰ মুক্ত ঘৰটোত ইমান বন্দীত্ব!' ভাস্বতীয়ে নন্দিনীৰ পিঠিত হাত বুলাই ক'লে—এদিন আহিবা মোৰ আলহী হৈ। একেখন বিছনাত শুম—বহুত কথা পাতিম। আমাৰ হোষ্টেলৰ জীৱন তোমাৰ ভাল লাগিব।

—সঁচা ভাস্বতী, মোক নিবা?

—বসন্তক কৈ আহিবা—

—Why– Why–? Who is he? Is he my chowkidar? নকওঁ—মই। ব'ছন্তৰ নাম নল'বা। সি মোক কৈ যায় নেকি কোন বন্ধুৰ ঘৰলৈ যায়? সি মোৰ পাৰমিছন বিচাৰে নেকি মদ খাবলৈ-চিগাৰেট খাবলৈ? No–Never–নন্দিনী চিঞৰি বাখৰি হঠাৎ উন্মাদৰ দৰে হৈ পৰিল। ভাস্বতীৰ ভয় লাগি গ'ল তাই নন্দিনীৰ বাহুত ধৰি ক'লে—ঠিক আছে ঠিক আছে, গুচি আহিবা। হ'ব? —হ'ব। সৰু ছোৱালীৰ দৰে নন্দিনীয়ে মূৰ দুপিয়াই অকমান হাঁহিলে। ভাস্বতী ওলাই আহিল। নিৰ্জন বাৰাণ্ডাখনত নন্দিনী ছায়াৰ দৰে থিয় হৈ থাকিল। ভাস্বতীয়ে গেইট মাৰি তাইলৈ হাত জোকাৰিলে। এটা ছায়াময় হাত লৰ-চৰ কৰিলে প্ৰত্যুত্তৰত। ভাস্বতীৰ বুকুখন গধুৰ হৈ পৰিল হঠাতে। নিৰ্জন সন্ধিয়া এইদৰে নন্দিনীক এৰি যাবলৈ ভাল লগা নাই। সমস্ত ঘৰটো যেন নন্দিনীৰ চকুপানীৰে তৈয়াৰী—চকুপানীৰ দুৱাৰ—চকুপানীৰ খিৰিকী আৰু পৰ্দা। নন্দিনী নামৰ প্ৰাণোচ্ছল ধুনীয়া ছোৱালীজনী আবেলি আবেলি আহি সোমাই চকুপানীৰ ঘৰটোত। আন্ধাৰ হোৱালৈ তাই নিজক লুকুৱাবলৈ বাট চাই থাকে। চেঁচা কিন্-কিন্ বৰষুণবোৰ, বৰষুণ নহয়, নন্দিনীৰ চকুপানী—ভাস্বতীৰ সহ্য নহ'ল। তাই গেইট বন্ধ কৰি চিঞৰি উঠিল—নন্দিনী—ঘৰৰ লাইটবোৰ জ্বলাই দিয়া। নন্দিনীয়ে বাৰাণ্ডাৰ লাইটটোকে প্ৰথম জ্বলাই দিলে। ভাস্বতীয়ে অলপ স্বস্তিৰ নিশ্বাস পেলাই ভাবিলে—হওক তেওঁ, নন্দিনীৰ চাৰিওফালে এতিয়া পোহৰ...।

(চৈধ্য)

ডিব্ৰু বিশ্ববিদ্যালয়ৰ বাৰ্ষিক উৎসৱৰ দিন বিশ্ববিদ্যালয়ৰ ডিপাৰ্টমেণ্টবোৰৰ ন'টিছ ব'ৰ্ডত ওলমাৰ লগে লগে গোটেই বিশ্ববিদ্যালয়খনতে আনন্দৰ প্ৰবাহ বৈ গ'ল। হোষ্টেল, কেণ্টিন, লাইব্ৰেৰী সকলোতে জুম-জুম ল'ৰা-ছোৱালী, আলোচনা, কল্পনা-জল্পনা। ক্লাছৰ ক্ষেত্ৰত ক'তো অনিয়ম নাই। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীবোৰৰ খং উঠাই স্বাভাৱিক কথা। এনেয়ে ফাগুন মাহ। হোষ্টেলত খৰ-ধৰকৈ ছেম্প' কৰা চুলিবোৰ ভালকৈ শুকাব পৰাকৈ ফাগুনৰ বতাহজাক আহে বুলিয়েই বেছিভাগ ছোৱালীয়ে বিশ্বাস কৰে। তিতা চুলিবোৰ ৰ'দ আৰু বতাহে খেলে। বতাহে প্ৰাণভৰি কঢ়িয়াই লৈ ফুৰে বেলেগ বেলেগ চুলিৰ সৌৰভ। 'অধ্যাপকবোৰ ইমান সময়ানুবৰ্তী—সকলো সময়ত এনেকুৱা হ'লে ভাল নালাগে।' বেছিভাগ ছোৱালীৰ মন্তব্য। জিয়ল'জি ডিপাৰ্টমেণ্টৰ পৰ্চটোত ৰ'দ পৰি আছে। তুলিকা সোণোৱালে বাউসীলৈকে পৰা চুলিখিনি শুকুৱাবলৈ জিয়ল'জি ডিপাৰ্টমেণ্টৰ সমুখত বৈ দি ক'লে—'প্ৰথম ক্লাছটো নকৰোঁ। ভাৰ্ছিটি উইক আহি আছে—তাতকৈ কিবা-কিবি প্লেনিং কৰোঁ। কিয় যে আহিছিলো এই ইউনিভাৰ্চিটিলৈ! মজাই নাই।'

—কিয়! কি মজা নাই! ভাস্বতী তুলিকাৰ ওচৰতে বৈ দি সুধিলে।

—এই—আৰু কি, এনেকৈ স্কুলৰ দৰে ক্লাছ কৰে নেকি? মোৰ এই ইউনিভাৰ্চিটিখন এল-পি স্কুলৰ দৰে লাগে। আফটাৰ অল, আমি গ্ৰেজুৱেছন লৈ আহিছোঁ। ক্লাছ ল'বলৈ অহা লেক্‌ছাৰাৰে কেণ্টিন, বাছষ্টপ য'তেই দেখক ক'ব—ব'লা, ক্লাছ আছে নহয়। আৰে, তোমাৰ মন গৈছে যোৱানা ক্লাছ লোৱা। মোৰ মন যোৱা নাই নাযাওঁ। মাত্ৰ দুটা সপ্তাহৰ পিচত এনুৱেল ফেষ্টিভেল। ৰাতিপুৱা দহটাৰ পৰা চাৰি বজালৈ যদি ক্লাছেই কৰি থাকোঁ—ফেষ্টিভেলত জইন কৰিম কেনেকৈ?' তুলিকাই কথাবোৰ কৈ চুলিবোৰ বতাহলৈ ঠেলি দিলে। তাইৰ নিজৰ চুলিৰ দায়িত্ব যেন এই মুহূৰ্তৰ পৰা ফাগুনৰ বতাহজাকৰ! ভাস্বতীৰ হাঁহি উঠি গ'ল তুলিকাৰ মুখখন দেখি। তাই সুধিলে—ফেষ্টিভেলত তুমি কি কৰিবা? গান গাবা? নে খেলিবা?

—নাঃ মই একো নকৰোঁ। কিন্তু তোমালোকে কৰিবা। আমাৰ লগৰবোৰে কৰিব।

—ৰিহাৰ্চেল টাইম দিছে নহয়, দুপৰীয়া দুই বজাৰ পৰা।

—যাঃ, ৰাতিপুৱাৰ পৰা ষ্টেটিছটিক্স এগাল কৰি, মাৰ্ক্সৰ থিয়ৰি অৱ এলিনেছন পঢ়ি, ডাৰখেইমৰ 'চুইছাইদ' পঢ়ি মন নাযাই ফূৰ্তি-তামাছা কৰিবলৈ।

—কিয়? এইবোৰ পঢ়া মানুহে ফূৰ্তি নকৰে নেকি?

—চোৱা ভাস্বতী, এই থিয়ৰিবোৰ যদি পৰীক্ষাত নম্বৰ পাবলৈ পঢ়িছা, তেন্তে একো কথা নাই। এই বিষয়বোৰে তোমাক স্পৰ্শই নকৰে। কিন্তু মই বৰ ছিৰিয়াছলি পঢ়ো ভাস্বতী।

ক্লাছত প্ৰফেচাৰে পঢ়ুৱাৰ পিচতো মোৰ বহুত প্ৰশ্ন থাকি যায়। এই ধৰা ‘এলিয়েনেছন থিয়ৰি’টোৰ কথাই ধৰা। মাৰ্ক্সে যিবোৰ উদাহৰণ দিছে, সেইবোৰ পঢ়াৰ আগৰে পৰাই মাজে মাজে মই বিচ্ছিন্নতাত ভোগোঁ। বিশ্বাস কৰা, মোৰ প্ৰেমিকে মোৰ অনামিকা আঙুলিত পিন্ধোৱা আঙঠিটো চায়ো মই বিচ্ছিন্ন হৈ যাওঁ তেওঁৰ পৰা। কেতিয়াবা মোৰ পৰিয়ালৰ পৰা। তুমি কেতিয়াবা নিজকে নিঃসংগ বুলি অনুভৱ কৰানে? আচলতে ভাস্বতী, প্ৰত্যেক মানুহেই জানে তেওঁ কিমান অকলশৰীয়া। মাৰ্ক্সে বুৰোক্ৰেটছৰ মাজত এই বিচ্ছিন্ন সত্তাৰ ব্যাখ্যা সাৱলীলভাৱে কৰিছে। কিন্তু মই ভাবো আমি প্ৰত্যেক কাৰ্যত, প্ৰত্যেক কথাত একোটা অকলশৰীয়া মানুহ। ভাস্বতীয়ে তুলিকাৰ মুখলৈ চাই থাকিল। তুলিকাই অতি লেক্‌চাৰবাজ ছোৱালীৰ দৰে মুৰ জোকাৰি কথাবোৰ কৈ গৈছে। তুলিকাৰ মাক-দেউতাক দুয়োজনেই কলেজৰ শিক্ষক বুলি ভাস্বতীয়ে জানে। এদিন তুলিকাই হোষ্টেলত কৈ পেলাইছিল যে তাই মাক-দেউতাকক সন্তুষ্ট কৰিবলৈহে পঢ়িবলৈ আহিছে। জ্ঞানৰ বাবে হেনো বিশ্ববিদ্যালয়লৈ আহিবৰ দৰকাৰ নাই। গোটেই পৃথিৱীখনেই, সমাজখনেই একোটা বৃহৎ বিশ্ববিদ্যালয়। ডিগ্ৰী এটা ল’বলৈকে অমূল্য সময় খৰছ কৰিবলৈ তুলিকাৰ হেনো মন নাছিল। কিন্তু মাক-দেউতাকৰ ইচ্ছা, তেওঁলোকৰ দৰেই তেওঁলোকৰ দুজনী ছোৱালীয়ে প্ৰথম বিভাগ লৈ স্নাতকোত্তৰ হওক, গৱেষণা কৰক, অধ্যাপিকা হওক— তুলিকাই চকুৰ চেলাউৰি অসন্তুষ্টিৰে থূপ খুৱাই হোষ্টেলৰ ডাইনিং হলতে কৈ পেলাইছিল। ৰুৰেল ছ’চিয়ল’জিৰ ক্লাছ লোৱা বসন্ত শৰ্মা ছাৰৰ অনুপস্থিতিত প্ৰথম ক্লাছ ল’বলৈ আহমেদ ছাৰ আহিল। আহমেদ ছাৰৰ ছ’চিয়ল’জিকেল থিয়ৰি বৰ কঠিন বিষয়। কিন্তু আহমেদ ছাৰৰ ব্যক্তিত্বই মুগ্ধ কৰা ছাত্ৰ-ছাত্ৰীবোৰক এই কঠিন থিয়ৰিবোৰেও ৰসৰ যোগান ধৰে। আহমেদ ছাৰক দেখিয়েই তুলিকাই কৈ উঠিল—‘ভাস্বতী ব’ল—ক্লাছ কৰোঁগৈ।’

—কিয় এইমাত্ৰ ক’লা যে ক্লাছ নকৰোঁ।

—আহমেদ ছাৰে ক্লাছ ল’ব—ক্লাছ নকৰাৰ প্ৰশ্নই নুঠে। কৈ কৈ তুলিকা প্ৰায় দৌৰি গ’ল ক্লাছলৈ। পিচে পিচে ভাস্বতী। আচৰিত এই ইউনিভাৰ্চিটিৰ বন্ধু-বান্ধৱীবোৰ। কাৰো মন সতকাই ধৰিব নোৱাৰি। বিচিত্ৰ অনুভৱ, বিচিত্ৰ মন। ভাস্বতীয়ে মনে মনে ভাবিলে।

✧ ✧ ✧

চিটিবাছত উঠিবলৈ গৈ ভাস্বতীৰ বুকুৰ কোনোবাখিনিত শিৰিক্‌কৈ উঠিল। উদীপ্ত ৰৈ আছে মটৰ চাইকেলখনত ভেজা দি। ঠিক চিটিবাছ ষ্টপৰ কাষত। প্ৰায় তিনিমাহ পাৰ হৈ গ’ল উদীপ্তক নেদেখা। গায়ত্ৰীক ক্লাছত লগ পালেও উদীপ্তৰ প্ৰসংগ ওলোৱা নাই। মাজে মাজে ভাস্বতীয়ে ভাবে উদীপ্ত নামৰ এই আচৰিত স্বভাৱৰ ল’ৰাটোৰ কথা। গায়ত্ৰীৰ অনুৰোধ মৰ্মে, চাহ-বাগিছাৰ ৰাস্তাৰে প্ৰথম এই অচিনাকী ল’ৰাটোৰ সৈতে যোৱা, খং-ৰাগ, বাক্-বিতণ্ডা হোৱাৰ কথা সকলো মনত পৰে। ছোৱালী সম্পৰ্কে উদীপ্তই দিয়া তুচ্ছ

মন্তব্যবোৰত ক'ব নোৱাৰাকৈয়ে ভাস্বতীৰ ল'ৰাটোৰ প্ৰতি কৌতূহল হ'বলৈ আৰম্ভ কৰিছিল। কিন্তু সেই বিশেষ দিনটোৱে সকলো ওলট-পালট কৰি দিলে। ভাস্বতীৰ তিতা চুলিয়ে পিঠিখন তিয়াই পেলোৱা, স্বচ্ছ ব্লাউজৰ মাজেৰে উন্মুক্ত পিঠিখন দেখি উদীপ্তই তৎক্ষণাৎ কৈছিল, ভাস্বতীৰ পিঠিখন শাৰীৰ আঁচলেৰে ঢাকি ল'বলৈ। উদীপ্তৰ প্ৰতি ইয়াৰ আগলৈকে কোনো ধৰণৰ বিশেষ আকৰ্ষণ হোৱা নাছিল ভাস্বতীৰ। কিন্তু সেই যে এটা মাত্ৰ বাক্য, ভাস্বতীৰ পিঠিখন ঢাকিবলৈ খোজাৰ প্ৰয়াসে ভাস্বতীৰ মনত এক আলোড়ন তুলিছিল প্ৰথমবাৰৰ বাবে উদীপ্ত সম্পৰ্কে। কিয়, কিয় বাৰু হোষ্টেলৰ ইমানবোৰ ছোৱালীৰ মাজত উদীপ্ত কেৱল ভাস্বতীক লৈ উদ্বিগ্ন হয়? উদীপ্তৰ এই অলপ মনোযোগিতাই ভাস্বতীক আনমনা কৰি পেলালে। উগ্ৰ ভালপোৱাৰ অবিহনে কোনো অনাত্মীয় মানুহে এনে মনোযোগ নিদিয়ে। ভাস্বতীৰ পানীত তিতা স্বচ্ছ পিঠিখন সকলো মানুহৰ দৃষ্টিৰ পৰা আবুৰত ৰাখিবলৈ উদীপ্ত নামৰ এদিনৰ চিনাকি ল'ৰাটোৱে বাৰ্তা পঠাই দিছিল তাইৰ হৃদয়লৈ, তোমাক মই আলফুলে আৱৰি ৰাখিব খোজোঁ। এই সৰু মুহূৰ্তটোৱে তাইক প্ৰায় এমাহমান অস্থিৰ কৰি তুলিছিল সময়ে-অসময়ে। কিন্তু এমাহ-দুমাহকৈ তিনিমাহ পাৰ হৈ গ'ল। ভাস্বতীয়ে নিজৰ অস্থিৰতাখিনি জোকাৰি পেলালে মনৰ পৰা। হয়তো ভাস্বতীয়ে অকাৰণে উদীপ্ত সম্পৰ্কে বেছি মনোযোগী হৈছে বুলিয়েই তাই নিজকে সংযম কৰিলে। মনৰ অস্থিৰতাখিনিৰ বাবে ভাস্বতীয়ে নিজেই লাজ পাইছিল। কিন্তু এই মুহূৰ্তত, তিনিমাহৰ পিচত উদীপ্তক দেখি ভাস্বতীৰ বুকুত চাকনৈয়াৰ সৃষ্টি হ'ল। শান্ত পুখুৰী এটাত শিলগুটি এটা হঠাৎ পেলাই দিলে পানীখিনি ঠিক যেনেকুৱা হয়—তেনেকুৱাকৈ। ভাস্বতী বেছ গুৰু-গম্ভীৰ হ'বলৈ যত্ন কৰি বাছষ্টপলৈ খোজ পেলালে। উদীপ্তই ভাস্বতীক দেখি মিচিকিয়ালে। শান্তভাৱে ভাস্বতীয়ে সুধিলে—ভালনে? গায়ত্ৰীক বিচাৰিছে নেকি? তাই আহি আছে।

—গায়ত্ৰীয়ে মাতিছিল। তাইক বোলে বাহিৰে বাহিৰে ৰেডিঅ' চেণ্টাৰলৈ নিব লাগে। বৰ ঝামেলা কৰে এই ছোৱালীজনীয়ে। —উদীপ্তই পিন্ধি থকা নীলা-ৰঙা ষ্ট্ৰাইপ দিয়া ফুলছাৰ্টটোৰ হাত দুটা ফল্ড কৰি কোঁচাই ল'লে। তাৰ পাচত ভাস্বতীলৈ চাই ক'লে—পঢ়া-শুনা কেনে চলিছে? ৰাতি বহুপৰলৈকে পঢ়া নেকি? চকুৰ তলত ক'লা পৰিছে।

হঠাৎ ভাস্বতীৰ বুকুৰ পুখুৰীত কোনোবাই যেন আৰু এটা শিলগুটি পেলাই দিলে। তাই অপ্ৰস্তুত হৈ ক'লে—নাই, পঢ়া নাই। আচলতে কেইদিনমান বৰ অনিয়ম হৈছে। হোষ্টেলত ফ্ৰেচাৰ্ছ ছ'চিয়েল হৈ গ'ল, প্ৰায়ে নিশা বহু পৰলৈ সাৰে থকা হয়....

—বেয়া লগা নাই। চাকিৰ তলৰ ছাঁৰ দৰে লাগিছে। চকুৰ তলৰ ছাঁ—বেয়া নালাগে। অকমান বেপৰোৱাভাৱে উদীপ্তই ক'লে।

—গায়ত্ৰী আহিছে, আপুনি ৰওক। মোৰ বাছ আহিল। ভাস্বতী লৰা-লৰিকৈ বাছত উঠিবলৈ গ'ল। আচলতে এই মুহূৰ্তত তাই উদীপ্তৰ পৰা পলাব পাৰিলেই ভাস্বতী বাচে। তাই অনুভৱ কৰিলে, ক্ৰমান্বয়ে ভাস্বতীৰ বুকুৰ ধপ্-ধপনি বাঢ়ি আহিছে। 'ভাস্বতী।' বাছৰ ফুটবৰ্ডত ভৰি দি উদীপ্তৰ মাতত তাই উভতি চালে।

—এনেয়ে মাতিলো—তোমাৰ গাত লোৱা চুন্নীখন মাটিত চুঁচৰি গৈছে। উঠাই লোৱা।' ভাস্বতী অকমান কঁপি উঠিল। তাই চুন্নীখন কান্ধত ভালকৈ তুলি ক'লে—থেংকিউ। উদীপ্তই গভীৰ দৃষ্টিৰে তাইলৈ চাই অকমান হাঁহিলে। ভাস্বতী লুকাই পৰিল বাছখনৰ ভিতৰত। কিয় এনে হৈছে তাইৰ? উদীপ্তৰ এই মনোযোগে বহু দিনৰ মূৰত তাইক আকৌ অশান্ত কৰি তুলিলে। গাল দুখন, কাণ দুখন উত্তপ্ত হৈ আহিল। ভাস্বতীক আচৰিত অনুভূতি এটাই আচ্ছন্ন কৰি থাকিল। জীৱনত কেতিয়াও এনে হোৱা নাছিল—তাই উদীপ্তক ভাল পাই পেলাইছে নেকি? —জোৰকৈ নিজেই কৈ উঠিল—নাই, নাই—তথাপিও...তথাপিও...।

—ভাস্বতী, হোষ্টেললৈকে যাবানে? দুই নম্বৰ বয়জ হোষ্টেলৰ অভিৰঞ্জনে তাইৰ ঠিক পিচৰ চিটৰ পৰা মাত লগালে। অভিৰঞ্জন ইক'নমিক্সৰ ছাত্ৰ। গান গাই ভাল। ফ্ৰেছাৰ্চ ছ'চিয়েলৰ ফাংশ্যনত ভাস্বতীৰ সৈতে চিনাকী হৈছিল। অভিৰঞ্জনে কথাযাৰ সুধিয়েই ভাস্বতীৰ কাষৰ খালি চিটটোলৈ উঠি আহিল।

—হোষ্টেললৈ নগৈ কেনি যাম? ভাস্বতী অকমান খিৰিকী কাষলৈ বেছি চাপি গ'ল।

—নহয় মানে, বৰ ভোক লাগিছে, নতুন ৰেস্তোৰাঁখন চৌকিডিঙিত খুলিছে দেখিছা? মোগ্‌লাই পৰঠা বৰ ভাল তাৰ—খাবা?

—নাই, মোৰ ভোক নাই।

—ভোক বস্তুটো চাইক'ল'জিকেল, এই বিশ মিনিট বাছত যোৱাৰ পিচত ৰেস্তোৰাঁত সোমালে, যি গোন্ধ পাবা সেয়াই তোমাৰ এপিটাইড্ বঢ়াই তুলিব। সেইবাবে ভোক নালাগিলেও, গৃহস্থই আলহীক যেতিয়া প্লেটত মালপোৱা দুটামান, অমলেট এটা গৰমে গৰমে চাহৰ সৈতে আনি তোমাৰ সন্মুখত দিয়ে, তুমি তৎক্ষণাৎ খাই পেলোৱা। কাৰণ ঘ্ৰাণ—আৰু খাদ্যৰ ৰং-ৰূপ এইটো খোৱাৰ বাবে বৰ দৰকাৰী কথা। তুমি দুপৰীয়া ভালকৈ ভাত খাই গৈ এঘণ্টাৰ পিচতে এনেকৈ খাব পাৰা—সেয়াই খোৱাৰ আচল ৰহস্য। অভিৰঞ্জনে কৈ বেছ খোলাকৈ হাঁহি এটা মাৰিলে। ভাস্বতীৰো হাঁহি উঠিল। অভি, খাই ভালপোৱা ল'ৰা। এনেও হোষ্টেলত থকা ল'ৰা-ছোৱালীবোৰৰ পেটত হেনো ঠাইৰ অভাৱ নহয়। যেতিয়াই তেতিয়াই খাবলৈ মন গৈ থাকে। এই কথা সকলো ল'ৰা-ছোৱালীয়েই কয়। ভাস্বতীয়ে হাতৰ ঘড়ী চাই ক'লে—আজি পিচে মোৰ মোগ্‌লাই পৰঠা খোৱাৰ মন সঁচাকৈ নাই। অন্য এদিন খাম।

—কিন্তু, যিদিনাই খাবা মোৰ সৈতে তুমি খাব লাগিব।

—হয়নেকি! বাৰু খাম। তুমি বেছ খাদ্য ৰসিক যেন পাইছোঁ।

—খাদ্যৰ সোৱাদৰ বাবে দুটা কথা প্ৰয়োজন—পৰিবেশন আৰু মনে মিলা সংগ—নহ'লে খোৱাৰ মজাই নাই।

—মই আকৌ তোমাৰ মনে মিলা সংগী কেতিয়াৰ পৰা হ'লোঁ? ভাস্বতীয়ে কৌতুকেৰে সুধিলে।

—মোৰ মনটোৱে কৈছে, তোমাৰ সৈতে কথা পাতি ভাল লাগে— তোমাক দেখিলে মোৰ ভাল লাগে— বচ্, এয়া অপৰাধতো হ'ব নোৱাৰে! আহিল তোমাৰ কথা। মই বেৰসিক নহয় বুলি মোৰ আত্মবিশ্বাস আছে—অন্ততঃ একো নহ'লেও তোমাক মই দুটামান চলিড গাজা শুনাব পাৰিম, দুটামান গান গাই শুনাব পাৰিম, দৰকাৰ হ'লে চাৰি-পাঁচটা শ্বায়েৰীও ষ্টকত ৰাখিছোঁ—কবিতাও দুটামান লাইন গাব পাৰিম। যদি তুমি চিনেমা চাই ভাল পোৱা, এঘন্টা তোমাৰ সৈতে বিভিন্ন চিনেমাৰ কথা পাতিব পাৰিম। অৰ্থাৎ মোৰ সৈতে কটোৱা এঘণ্টা যাতে আৰু অলপ দীঘলীয়া হ'লেও তুমি গমেই নোপোৱা, তেনে ব্যৱস্থা মই কৰিব পাৰোঁ। অভিৰঞ্জনে কথাকেইটা কৈ জনপ্ৰিয় গীতৰ কলি এটা সুহুৰিয়াবলৈ লাগিল। ভাস্বতীৰ হঠাতে খুব আনন্দ লাগিল। অভিৰঞ্জন ইমান প্ৰাণৱন্ত ল'ৰা বুলি তাই ভবাই নাছিল। সি অকপটে প্ৰকাশ কৰে নিজক। 'ভাল পালেও পাবা—নাপালেও ক্ষতি নাই' ঠিক তেনে এটা ভাব। প্ৰত্যেক মুহূৰ্তই কিবা-কিবি আনন্দৰে সজীৱ হৈ থাকিব লাগে—এয়াই যেন অভিৰ জীৱনৰ আদৰ্শ। ভাস্বতীয়ে ক'লে—তুমি বেছ ইণ্টাৰেষ্টিং ল'ৰা দেখোন—তোমাৰ সৈতে তোমাৰ সেই ৰেস্তোৰাঁত মই এঘণ্টা খাম—কথা পাতিম—কিন্তু সময়টো মই দিম হ'ব?

—ক্যা বাত হ্যায়—মাতি চোৱানা, পুৱতি নিশাও গুচি আহিম।

—নালাগে—সেই সময়ত ৰেস্তোৰাঁ নোখোলে। ভাস্বতীৰ কথাত অভিৰঞ্জনে হাঁ-হাঁ কৈ হাঁহিলে।

—যাঃ ইমানকৈ হাঁহে নেকি—বাছৰ বাকী মানুহবোৰে কি ভাবিব? ভাস্বতীয়ে অস্বস্তিৰে ক'লে।

—বাকীবোৰে হাঁহিব নোৱাৰে আকৌ—পুৱতি নিশা গুচি আহিব পাৰোঁ বুলি কিয় কৈছো জানা? কাৰণ মোৰ ৰাতিপুৱা হয় আঠ বজাত। পুৱা সাত বজাত উঠিলেও মোৰ টোপনি ক্ষতি হয়। গতিকে ভাবা, তুমি মাতিলে ডিচেম্বৰৰ পুৱতি নিশা গুচি আহিব পৰাতোতকৈ মোৰ বাবে অসাধ্য সাধন কিবা আছেনে? ইয়াৰ তুলনাত টেনজিং নৰকে, এডমাণ্ড হিলাৰীয়ে এভাৰেষ্ট জয় কৰাটোও তুচ্ছ কথা হৈ পৰে মোৰ বাবে। এইখিনিতে কথা এটা মনত পৰিছে—মোৰ বন্ধু এজনক তেওঁৰ প্ৰেমিকাই ক'লে—'মোৰ দেউতা ধনী মানুহ বাবেই জেদীও। তোমাৰ চাকৰি এটাও নাই—কেনেকৈ ক'বা মোক বিয়া কৰাম বুলি!' মোৰ বন্ধুৱে ক'লে—মই তোমাক পাবলৈ অসাধ্য সাধন কৰিব পাৰোঁ। কিন্তু তুমি সহায় কৰিব লাগিব। প্ৰেমিকাই সুধিলে কেনেকৈ? বন্ধুৱে ক'লে—দেউতাৰা অকলে থকাত মাত্ৰ তুমি মোক লৈ যাব লাগিব। প্ৰেমিকাই ক'লে—সেইটোনো কি ডাঙৰ কথা! পিছে কৰিবা কি? বন্ধুৰ উত্তৰ—দুৱাৰ বন্ধ কৰি তেওঁৰ বুকুত ৰিভলভাৰ থৈ ক'ম সম্পত্তিবোৰ মোৰ নামত লেখি দিবলৈ। মই ধনী হ'ম, তেওঁ দুখীয়া হ'ব—নিশ্চয় তেতিয়া আৰু তোমাক মোলৈ বিয়া দিবলৈ আপত্তি নাথাকিব.... ভাস্বতীয়ে হাঁহি ৰখাব নোৱাৰি ক'লে—যাঃ এইটো গাজা-গাজা—তোমাৰ কোনো এনেকুৱা বন্ধু নাই—

—আৰে—বিলিভ মি—একেলগে আমি কলেজত পঢ়া বন্ধু.... বিয়েল কেৰেক্টাৰ, হাঁহি হাঁহি থাকোঁতেই অভিৰঞ্জনে চৰ্চৰণি খালে। জোৰেৰে কাহিবলৈ ধৰিলে। ভাস্বতীয়ে স্ফূৰ্তিৰেই অভিৰ পিঠিত, গলধনত হাতেৰে ভুকু দুটামান দি হাত বুলাই মুখেৰে ফুৰাই ক'লে—মোমাই কানে যা—কোনোবাই তোমাৰ কথা কৈছে'—অভিয়ে ওপৰলৈ আঙুলিৰে দেখুৱাই ক'লে—ওপৰৱালাই যমক কৈছে—তাক লৈ আহ—হাঁহি-হাঁহি-কাহি-কাহি কথাবোৰ কওঁতে অভিৰ চকুপানী ওলাইছে। মুখখন ৰঙা পৰিছে। ভাস্বতীয়ে অভিৰ বুকু-পিঠি হাতেৰে মোহাৰি ক'লে—পাগল নেকি কি অমংগলীয়া কথা কৈছা?

ভাস্বতীয়ে অলপ পানী পাই নেকি চাৰিওফালে চালে। কাৰো হাতত পানী বটল নাই। কিন্তু ভাস্বতী স্তম্ভিত হৈ গ'ল—অভিৰ নাকৰ ফুটাৰে বৈ আহিছে ৰক্ত ধাৰা—সি কাহ ৰাখিব পৰা নাই। ভাস্বতীয়ে আতংকত চিঞৰি উঠিল—বাছ ৰাখা-বাছ ৰাখা-হেল্প-হেল্প।

মানুহবোৰ চিটৰ পৰা উঠি কাষ চাপি আহিল।

হুলস্থুলত বাছখন বৈ গ'ল। বিশ্ববিদ্যালয়ৰ কেবাটাও ল'ৰা-ছোৱালী আছিল বাছত। অভিৰঞ্জনক সকলোৰে শান্ত কৰিবলৈ চেষ্টা চলালে। অভিৰ মুখখন শেঁতা হৈ আহিছে—যন্ত্ৰণাত চকু দুটা ঢুল-ঢুলিয়া হৈ পৰিছে। কোনোমতে অভিৰঞ্জনক বাছৰ পৰা নমোৱা হ'ল এখন অট' ৰিক্সা লৈ। দুটা ল'ৰাও উঠিল অট'খনত—বিশ্ববিদ্যালয়ৰ ল'ৰা কিন্তু ভাস্বতীৰ অচিনাকী। ভাস্বতীয়ে ক'লে—মেডিকেল কলেজ—ব'লা—তৎক্ষণাৎ—। অট' ড্ৰাইভাৰে অট' ষ্টাৰ্ট কৰাৰ সময়ত অভি ক্লান্ত হৈ ভাস্বতীৰ বুকুৰ মাজত চকু মুদি দিলে। ধাৰাসাৰে অভিৰ নাকৰ পৰা তেজ ওলাইছে। ল'ৰা এটাই ভাস্বতীৰ গাত পেলাই লোৱা চুন্নীখনেৰে তেজ মচিছে—ভাস্বতীৰ মূৰ আচন্দ্ৰাই কৰা যেন লাগিল—কি হ'ব পাৰে অভিৰ? ইমান প্ৰাণৱন্ত ল'ৰাটোৰ হঠাৎ কি হ'ল? কাহি থাকোতেও সি হাঁহি আছিল—কৌতুক কৰি কৈছিল ওপৰৱালাই তাক হেনো মাতিছে। ভাস্বতীৰ বুকুখন অজান আশংকাত কঁপি উঠিল। তাই ক'ব নোৱাৰাকৈ অভিক সজোৰে বুকুৰ মাজত চেপি ধৰিলে। তাই কোনোপধ্যেই এই ল'ৰাটোক মৰিবলৈ দিব নোৱাৰে—এই মুহূৰ্তত অভিৰ একমাত্ৰ আশ্ৰয় ভাস্বতী। যিকোনো পৰিস্থিতিৰ বাবে তাই সাজু আছে—এই ল'ৰাটোক তাই বচাবই লাগিব। ভাস্বতীয়ে অভিক দুহাতেৰে সজোৰে ধৰা দেখি অচিনাকী ল'ৰাটোৱে কৌতূহলী চকুৰে চালে। ভাস্বতীয়ে বুজিলে—নিশ্চয় সি এটা অজান গোপন সম্পৰ্কৰ কল্পনা কৰি লৈছে। ভাস্বতীয়ে তথাপিও তাইৰ হাত দুখন শিথিল নকৰিলে। কিছুমান মুহূৰ্তত পুৰুষ আৰু নাৰী একাকাৰ হৈ পৰে সম্পৰ্কহীনভাৱে। ভাস্বতীৰ এবাৰলৈও অনুভৱ হোৱা নাই, অভিৰঞ্জন এটা যুৱক আৰু তায়ো যুৱতী। তাইৰ বুকুৰ উপত্যকাত অভিৰ ক্লান্ত মূৰটো আনৰ বাবে দৃষ্টিকটু হ'ব পাৰে, কিন্তু ভাস্বতীৰ বুকুৰ ভিতৰৰ হৃদয়খনে বাৰে বাৰে যন্ত্ৰণাত চিঞৰি কৈছে—এনেকৈহে এই ল'ৰাটো বাচি উঠিব—মৃত্যুৰ ছায়াৰ পৰা অভিৰঞ্জনক লুকুৱাবলৈ এতিয়া যেন একমাত্ৰ আশ্ৰয় ভাস্বতীৰ শৰীৰটো।

(পোন্ধৰ)

অভিৰঞ্জনক যেনে-তেনে ইমাৰজেন্সি ৱাৰ্ডলৈ লৈ যোৱা হ'ল। ভাস্বতীয়ে দেখিলে অভিৰ চকু দুটা কৰুণ, সি কিবা ক'ব খুজিও ক'ব পৰা নাই। ভাস্বতীৰ মোমায়েকৰ ল'ৰা সত্যব্ৰত ডিব্ৰু মেডিকেল কলেজৰ চূড়ান্তবৰ্ষৰ ছাত্ৰ। এই পৰিস্থিতিত সত্যব্ৰতেই তাইৰ ডাঙৰ সহায় হ'ব পাৰে বুলি ভাস্বতীয়ে তাক বিচাৰি চলাথ কৰিলে। অৱশেষত ছিনিয়ৰ ইণ্টাৰ্ণি এজনৰ সহায়ত সত্যব্ৰতক পোৱা গ'ল। তাই সমস্ত ঘটনা বিৱৰি কৈ থাকোতেই সত্যব্ৰতে ভাস্বতীৰ হাত এখনত ধৰি বাহিৰলৈ লৈ গৈ ক'লে—'হ'ব—তই এতিয়া একো ক'ব নালাগে, কেণ্টিনলৈ ব'ল—একাপ গৰম চাহ প্ৰথমতে তই খাব লাগিব। প্ৰথমে এতিয়া তোৰ শুশ্ৰূষাৰ দৰকাৰ। ভাস্বতীয়ে চিঞৰি উঠিল—'না-না, পাগল নেকি তই! অভিৰ কি হয় ঠিক নাই।'

—অভিক আমাৰ ছিনিয়ৰ ডাক্তৰে চাইছে, মই নিজেও ক'ম, কিন্তু তোৰ অৱস্থাটো তই অনুমান কৰিব পাৰিছনে? তোৰ মুখখন এই মুহূৰ্তত যদি দেখিলিহেঁতেন! ইমান নাৰ্ভাছ এতিয়াও কিয় হৈ আছ? তোৰ কাপোৰত তেজ। —এই, তোৰ সৈতে ল'ৰাটোৰ কিবা....

—নাই-নাই। তহঁতবোৰৰ পৰা বিপদ এইখিনিতেই। অভিৰ সৈতে চিনাকি আগতে হৈছিল, কিন্তু আজি প্ৰথম মই বাছত তাৰ সৈতে বহি কথা পাতি আহিছিলো—উস্ হঠাতে আজিয়েই কি যে ঘটি গ'ল!' ভাস্বতীৰ চকু চল-চলীয়া হৈ পৰিল। 'কি হ'ব পাৰে বাৰু? নাকৰ পৰা ইমান তেজ!'

ভাস্বতী আকৌ অস্থিৰ হৈ পৰিল। সত্যব্ৰতে তাইৰ হাতখনত ধৰি ক'লে—'ৰ—চিন্তা নকৰিবিচোন। মই আছোঁ। এতিয়া কিবা এটা খাই তই হোষ্টেললৈ যাব লাগিব। সন্ধিয়া হৈ আহিল, তোৰ হোষ্টেল বহুত দূৰ ইয়াৰ পৰা।' ভাস্বতীৰ তেতিয়াহে হুচ্ আহিল। হয়তো, তাই বিশ্ববিদ্যালয়ৰ হোষ্টেলত থকা ল'ৰাবোৰৰ দৰে হ'ব নোৱাৰে। ইয়াৰ পৰা গৈ তাই যেতিয়া হোষ্টেল সোমাবগৈ, অলেখ প্ৰশ্ন তাইৰ বাবে অপেক্ষা কৰি থাকিব, ৰৈ থাকিব বহু সন্ধানী, কৌতূহলী চকু। ভাস্বতীয়ে সকলো ঘটনা ব্যাখ্যা দিব, কিন্তু তাৰ মাজতো বহু প্ৰশ্ন আহিব। ৱাৰ্ডেনে সুধিব—কিয়, দুটা ল'ৰাও লগত আছিল দেখোন—তুমিহে হাস্পতাললৈ নিব লগা হ'ল? অভিৰঞ্জন তোমাৰ ডিপাৰ্টমেণ্টৰ ল'ৰা নহয় দেখোন। তাৰ সৈতে কিমানদিনৰ সম্পৰ্ক? এই অস্বস্তিকৰ প্ৰশ্নৰ ব্যাখ্যা দিবলৈ ভাস্বতীয়ে অহৰহ যত্ন কৰিব, কিন্তু তাৰ পিচতো ৱাৰ্ডেনৰ কঠিন চকু-মুখৰ কটাক্ষ তাই শুনিব লাগিব—'এইবোৰ নচলিব এই হোষ্টেলত। ইয়াত থাকিবলৈ হ'লে, নিয়ম-নীতি বজাই ৰাখিব লাগিব! নহ'লে বাহিৰত ক'ৰবাত থকাৰ বন্দোবস্ত কৰি ল'লৈই হ'ল।'

—আস্ মই যে কিয় তহঁতৰ দৰে ল'ৰা হৈ নজন্মিলোঁ! ভাস্বতীয়ে হঠাতে কৈ উঠিল।

—কিয়? আমি আকৌ ল'ৰাবোৰে ছোৱালীবোৰকহে হিংসা কৰোঁ। কেৰিয়াৰ লৈ আমাৰ কিমান চিন্তা—ঘৰৰ চিন্তা আছেই। আমি কথাহে পাতো, কিয় ধুনীয়া ছোৱালী এজনী হৈ জন্ম নহ'লো বাৰু? ভাল টকা-পইচা থকা, ভাল ঘৰৰ ল'ৰা এটা বিয়া কৰাই নিশ্চিন্ত হৈ গ'লোহেঁতেন। নাই কোনো ভাত-কাপোৰ, ঘৰ-দুৱাৰৰ চিন্তা, নাই টেনশ্যন। পোলাও-বিৰিয়ানী, পুডিঙৰ ৰেচিপিৰ কথা পাতিলোহেঁতেন, নতুন নতুন শাৰী, গহনাৰ কথা পাতিলোহেঁতেন আৰু হাজ্‌বেণ্ড ঘৰলৈ আহিলে বঢ়িয়াকৈ খুৱাই-বুৱাই ক'লোহেঁতেন, ব'লা বজাৰলৈ যাওঁ।

—তহঁত ল'ৰাবোৰৰ আমাৰ ওপৰত এয়াই ধাৰণা নহয়! যা—নাযাও তোৰ লগত। ভাস্বতী লগে লগেই উভতিল। সত্যব্ৰতে ভাস্বতীৰ খং দেখি ক'লে—'ছৰি ছৰি, আচলতে মই পৰিস্থিতিটো 'লাইট' কৰিবলৈহে কৈছিলো অ'—কোনেনো কৈছে তই এনেকুৱা বুলি—কিয় নিজৰ গাত পাতি লৈছ? আহ—নকওঁ বাৰু।

ভাস্বতীক টানি নি সি কেণ্টিনৰ চকী এখনত বহুৱাই দিলেগৈ। চাহ আৰু আলুৰ চপৰ অৰ্ডাৰ দিলে। ভাস্বতীয়ে চকীত বহি চকু দুটা মুদি দিলে অলপ সময়। সঁচাকৈয়ে তাই প্ৰায় দুঘণ্টা সময় প্ৰায় বেহুচ অৱস্থাতেই আছিল। বুকুৰ ধপ্-ধপনী এতিয়াও সহজ হোৱা নাই। তেনেদৰেই চকু মুদি থাকি তাই সত্যব্ৰতক সুধিলে—অভি ভাল হৈ উঠিবনে?

—ৰ'চোন—মই ভালকৈ সোধোগৈ ছাৰক। তই চাহ খাই যাগৈ—মই চাম তোৰ বন্ধুক, চিন্তা নকৰিবি। এভ্ৰিথিং ইন হিজ হেণ্ড... সত্যব্ৰতে ওপৰলৈ চাই বুকুৰ মাজত সোঁহাতখন দি ক'লে।

—তহঁত ডাক্তৰবোৰে ভগৱান বিশ্বাস কৰ?

—আনৰ কথা নাজানো ভাস্বতী, মই কৰোঁ। হিউমেন এনাটমী যেতিয়া ষ্টাডি কৰোঁ, ডিছেক্‌ছন কৰোঁ, তেতিয়া শৰীৰটোৰ প্ৰত্যেক ডাল সিৰা-উপসিৰা দেখি এক নজনা অদৃশ্য শক্তিৰ প্ৰতি নমনীয় হওঁ। জীৱন আৰু মৃত্যুৰ দোমোজাত থকা ৰোগীয়ে যেতিয়া অপাৰ আশাৰে ডাক্তৰক সোধে—মই বাচিমনে বাৰু ডাক্তৰ! —তেতিয়া সেই অদৃশ্য শক্তিৰ ওচৰত বশ্যতা স্বীকাৰ কৰি ক'বলৈ মন যায়, দিয়া ভগৱান, মোক এই ৰোগীজনক ৰোগমুক্ত কৰাৰ শক্তি দিয়া।

—মই ভাবিছিলো মৃত্যুৱে তহঁতক বিচলিত নকৰে, মৃত্যুৰ সৈতে তহঁতৰ অতি স্বাভাৱিক সম্বন্ধ—ট্ৰেনে-বাছে লগ পোৱা সহযাত্ৰীৰ দৰে। যাত্ৰাৰ সময় কটোৱাৰ বাবে বন্ধুত্ব, বিদায় লওঁতে বিষাদ নাহে।

সত্যব্ৰতে ভাস্বতীৰ মুখলৈ চাই ক'লে—হ'ব পাৰে, বহু ডাক্তৰৰ ক্ষেত্ৰত হয়তো এয়াই হয়। কিন্তু মই এনেকুৱা হ'ব পৰা নাই।

—তই যে এতিয়াও ডাক্তৰ হোৱাই নাই—হাফ ডাক্তৰহে! ভাস্বতীয়ে কৈ হাঁহি দিলে।

সত্যব্ৰতে ভাস্বতীক কাণমোচোৰা এটা দি ক'লে—খা-খা-চাহ খাই যাগৈ।

✧ ✧ ✧

নিশা ভাস্বতীৰ টোপনি কোনোমতেই অহা নাই। তাই বিছনাৰ পৰা নিশব্দে উঠি আহি লাহেকৈ হুক্ খুলিলে দুৱাৰৰ। ভাস্বতী চাৰিখন বিছনাযুক্ত এটা সুবৃহৎ কোঠালিৰ বাসিন্দা এতিয়া। দুজনী ৰুমমেট গোলাঘাটৰ, এজনী জাঁজীৰ। ভাস্বতীৰ বোধহয় কপালত সুখ লেখা আছিল। সহবাসী আটাইকেউজনী ছোৱালী জটিলতাবিহীন। বন্ধুত্ব, সু-সম্পৰ্ক কেনেকৈ ৰক্ষা কৰি চলিব লাগে জানে। বৰঞ্চ ভাস্বতীহে ইয়াৰ মাজত কিছু ব্যতিক্ৰম। তাইৰ বেপৰোৱা আৰু অত্যধিক অন্যমনস্ক স্বভাৱে আটাইকেউজনীৰ অসুবিধাৰ সৃষ্টি কৰে। ভাস্বতীৰ প্ৰায়ে অনুশোচনা হয়। আটাইকেউজনীয়ে সন্ধিয়া যেতিয়া টেবুলত পঢ়িবলৈ বহে, ভাস্বতীৰ চাহ একাপ খাবলৈ মন যায়, নতুবা শুবলৈ মন যায়। ৰুমমেটৰ শোৱাৰ সময়ত তাই কিতাপ পঢ়িবলৈ আৰম্ভ কৰে। পাঠ্যক্ৰমৰ কিতাপ হ'লেও ক'ব লগা একো নাই, বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীৰ পৰা অনা বিভিন্ন বিষয়ৰ কিতাপ। মৃদু ভৰ্ৎসনা, গালি ৰুমমেটৰ পৰা শুনাত ভাস্বতী অভ্যস্ত হৈ গৈছে। তথাপি বেয়া নালাগে। ভাস্বতীৰ বেছি আপোন যেন লাগে তেতিয়া ৰুমমেট ছোৱালী কেইজনীক। ৰুমমেট্ কেইজনীয়ে তাইৰ নামৰ দুটা আখৰ কাটি চমু কৰি পেলাইছে।

—'টী, তোৰ টাৱেল বাহিৰতে থাকিল, মই আনি থৈছো—কাণ্ড-জ্ঞান নাই তোৰ—

'টী, উঠ, পঢ় অলপ। পৰীক্ষা পালেহি নহয়, অলপো যদি ছিনছিয়েৰ হ'লিহেঁতেন—এই কথাবোৰত এক আপোন মাধুৰ্য আছে। বিশেষকৈ ভাস্বতী নামটো ৰুমমেটৰ মুখত নিজ পচন্দৰে 'টী' হৈ যোৱাৰ পৰা ভাস্বতীৰ হোষ্টেলৰ এই কোঠালিটো, ইয়াৰ বাসিন্দা তিনিজনী ছোৱালী তাইৰ হৃদয়ৰ একোণত সোমাই পৰিল। পৰাপক্ষত ভাস্বতীয়ে ৰুমমেট কেইজনীক কোনো কথাতে কষ্ট নিদিবলৈ সকলো সময়তে চেষ্টা কৰে।

ভাস্বতীয়ে সন্তৰ্পণে দুৱাৰ খুলি বাহিৰলৈ ওলাই গ'ল। বাহিৰত জোনাকৰ স্নিগ্ধ পয়োভৰ। হোষ্টেলৰ সন্মুখৰ দুজোপা ইউকেলিপ্টাচ্। এজোপা ইউকেলিপ্টাচৰ চূড়াত ওলমি আছে জোনৰ এফাল। ৰিব্-ৰিবকৈ কঁপা পাতবোৰে এনে এটা ধাৰণা দিছে যেন গছ বগাই গ'লেই চুব পাৰি জোনটো, জোন নহয় বৰফৰ এখন আধা ভগা কাঁহি। হঠাতে ভাস্বতীৰ অভিৰঞ্জনৰ শেঁতা মুখখনৰ দৰে লাগিল জোনটো। আহিবৰ সময়ত সত্যব্ৰতে তাইক কৈছিল—কমপ্লিকেটেড্ কে'ছ ভাস্বতী। ল'ৰাটোৰ ঘৰলৈ খবৰ এটা দিব লাগে তৎক্ষণাৎ। লগত থকা হিষ্ট্ৰি ডিপাৰ্টমেণ্টৰ প্ৰকাশে কৈছিল 'আমি একে হোষ্টেলত থাকোঁ।

মোৰ কাষৰ ৰুমত অভি থাকে। অভিৰ ঘৰলৈ মই গৈ খবৰ দিম।' অভিয়ে তেতিয়া চকু মেলিছিল। অস্ফুট স্বৰেৰে কৈছিল—বাইদেউক খবৰ এটা দিয়া। অলকা কাকতী, ডেভেলপমেণ্ট, তিনিচুকীয়া, ফোন....

'তোমাৰ মা-দেউতালৈও খবৰ দিব লাগিব অভি' ভাস্বতীয়ে কৈছিল।

'নাই—মোৰ কোনো নাই।' অভিয়ে কৈয়েই চকুহাল মুদি দিছিল। কোঠালিটোলৈ নীৰৱতা নামি আহিছিল। বিষাদ মৌন হৈ পৰিছিল সিহঁতৰ মুখবোৰ। ভাস্বতীৰ বাৰে বাৰে চকুৰ আগত ভাঁহি উঠিল অভিৰ মুখখন, বিষণ্ণ বিছনাবোৰ। হাস্পতালৰ বিছনাবোৰৰ দৰেই জোনটো, সেইবাবেই জোনত ইমান বিষাদ থাকে। ভাস্বতীৰ চকু সেমেকি উঠিল। হোষ্টেলত থাকি ইউনিভাৰ্চিটিত পঢ়িবলৈ নহা হ'লে জীৱনৰ বহু পৃষ্ঠাই আধৰুৱা হৈ ৰ'লহেঁতেন। বিশ্ববিদ্যালয় কিছুমান পাঠ্যক্ৰমৰ সমষ্টি নহয়। ই জীৱনৰ পাঠশালা। অন্ততঃ ভাস্বতীৰ এইমুহূৰ্তত এনে অনুভৱ হৈছে। ইয়ালৈ নহা হ'লে কোনো অভিৰঞ্জনক লগ নাপালেহেঁতেন তাই। কি বিচিত্ৰ এই জীৱন, জীৱনৰ সংযোগ। কালি নিশালৈকে তাই অভিৰঞ্জন নামৰ ল'ৰাটোক ভালকৈ চিনিয়েই পোৱা নাছিল। আবেলি বাছত কথা-বতৰা, প্ৰাণোচ্ছল ল'ৰাটোৰ কথাই যিমুহূৰ্তত ভাস্বতীক আনন্দত আত্মহাৰা কৰিছিল, সেই মুহূৰ্ততে অভিৰঞ্জন মাৰাত্মকভাৱে অসুস্থ হৈ উঠিছিল, আৰু এই মুহূৰ্তত তাই উজাগৰে বিষণ্ণ নিশা পাৰ কৰিছে কালিলৈকে অচিনাকী এই ল'ৰাটোৰ বাবে! আচৰিত-আচৰিত! হঠাতে ভাস্বতীয়ে কান্ধত হোৱা স্পৰ্শত চক্ খাই উঠিল। বীণা। তাইৰ ৰুমমেট।

—এইদৰে নিশা অকলে কিয় উঠি আহিছ?

—টোপনি ধৰা নাই।

—অথনিৰ কথাবোৰৰ বাবে মন বেয়া কৰি আছ নেকি?

—কোনবোৰ কথা?

—এই যে, তই দেৰীকৈ হোষ্টেল সোমালিহি, ৱাৰ্ডেনে তোক ইমান সুধিলে, তই কিয় দেৰী হ'ল নক'লি। আমাক তই যিখিনি কথা ক'লি, সেই কথাবোৰকে ৱাৰ্ডেনক নক'লি কিয়? তেতিয়া তেওঁ তোক ইমান টান কথা নুশুনাই নহয়। তোক গালি পৰাত আমিও খুব বেয়া পাইছোঁ।

বীণাৰ কথাত ভাস্বতীৰ হাঁহি উঠি গ'ল।

—বীণা, মই সেইবোৰ একো ভবা নাই। ৱাৰ্ডেনক মই যদি অভিৰঞ্জনৰ কথা, হাস্পতাললৈ নিয়াৰ ব্যাখ্যা দিলোহেঁতেন, তেতিয়াও জানো তেওঁৰ প্ৰশ্ন আৰু সন্দেহ থাকি নগ'লহেঁতেন? কিছুমান মানুহ অবিশ্বাসৰ দাস, বিশ্বাস তেওঁলোকৰ বাবে সৌ আকাশৰ জোনটোৰ দৰে। ধুনীয়া, চাব পাৰি কিন্তু চুব নোৱাৰি। আমাৰ ৱাৰ্ডেনে এই কথাবোৰ কোৱাহেঁতেনো মোক বিশ্বাস নকৰে। সেইবাবে মনে মনে থাকিলোঁ। গালি খাবলৈ ভাল, কিন্তু কাৰোবাৰ অবিশ্বাসৰ পাত্ৰ হ'বলৈ বৰ টান।

—তই বৰ কিবা অ'—ব'ল ইয়াত ৰাতি নাথাকিবি।

—ভূতে ধৰিব? হোষ্টেলৰ ভূত। ভাস্বতীয়ে হাঁহি হাঁহি সুধিলে।

—ক'ব নোৱাৰোঁ, কিন্তু তোক কোনোবাই মাজনিশা এইদৰে দেখিলে ভূত বুলি মূৰ্চ্ছা যাব সেয়া ঠিক। চাচোন বগা নাইট গাউন, চুলি মেলা ঠিক চিনেমাৰ ভূতুনীৰ দৰে...

—ৰীণা, মোৰ অভিৰঞ্জনলৈ বৰ মনত পৰিছে। তাৰ কোনো নাই বুলি জনাৰ পিচত, মোক বহুত কথাই আচৰিত কৰিছে—

—ভাস্বতী, কাইলৈ তোৰ সৈতে ময়ো যাম হাস্পতাললৈ। এতিয়া ব'ল, শুই থাকগৈ। প্ৰায় চোঁচোৰাই অনাৰ দৰে ৰীণাই ভাস্বতীক লৈ গ'ল। ইতিমধ্যে কোঠালিত অনুৰেখাও সাৰ পাই বিছনাত বহি আছে। টেবুল লাইট জ্বলোৱা আছে। ভাস্বতীয়ে আহিয়েই অলপ লাজেৰে ক'লে—তহঁত শুই যা—বেয়া নাপাবি টোপনি ভাঙিলো তহঁতৰ...।

—তহঁত শুই যা মানে? তই নোশোৱ? অনুৰেখাই আচৰিত হৈ সুধিলে।

—নাই মই পঢ়িম।

ৰীণাই টেবুল ক্লকটোলৈ চালে। নিশা দুই বাজিবলৈ পোন্ধৰ মিনিট বাকী। ভাস্বতীলৈ চাই তাই স্বাভাৱিক সুৰত ক'লে—পুৱা পাঁচটাত জগাই দিবি মোক টী—মোৰো পঢ়িবলৈ আছে।

—চাৰিমান বজাৰ পৰা মোৰ টোপনি আহিলে মোক কিন্তু নজগাবি। ভাস্বতীৰ কথাত অনুৰেখাই সশব্দে হাঁহি দিলে। হাঁহি হাঁহিয়েই তাই ক'লে, এই পাগলীয়ে আমাকো পাগল কৰিবলৈ বেছি দিন নাই। ৰীণাই টেবুল ক্লকত এলাৰ্ম দি ক'লে—ঘড়ীকেই বিশ্বাস কৰা ভাল। টী, খবৰদাৰ আকৌ দুৱাৰ খুলি ওলাই নাযাবি কিন্তু।

ভাস্বতীয়ে এইবাৰ নিজৰ দুয়োখন কাণত ধৰি শান্ত ছোৱালীৰ দৰে ক'লে—নাযাওঁ-নাযাওঁ প্ৰমিজ।

(যোল্ল)

ডিব্রু মেডিকেল কলেজলৈ সোমাই যোৱা পথটোতে সত্যব্রতৰ সৈতে ভেটা-ভেটি হ'ল ভাস্বতীৰ। তাই ইউনিভাৰ্চিটিৰ পৰা আহিছে বুলি সত্যব্রতে অনুমান কৰিব পাৰিয়েই সুধিলে—ক্লাছ কৰি আহিলি? ভাস্বতীয়ে অন্যমনস্কভাৱে মুৰ জোকাৰিলে। সত্যব্রতে বুজিলে, ভাস্বতীয়ে অভিৰঞ্জনৰ খবৰ বিচাৰিছে, তাইৰ বুকুত উদ্বিগ্নতা।

—মই কাম এটাৰ বাবে ওলাই আহিছিলো, পিচে নাযাওঁ দে, তই কিবা খাবিনে? ভাস্বতীয়ে সোঁৱে-বাঁৱে মুৰ জোকাৰিলে, চকুত একেই প্ৰশ্নসূচক দৃষ্টি। সত্যব্রত পুনৰ উভতি মেডিকেল কলেজৰ ফালে ভাস্বতীৰ সৈতে খোজ মিলাই যাবলৈ ধৰিলে।

—ভাস্বতী, ইমান মনে মনে আছ যে!

ভাস্বতীয়ে সত্যব্রতৰ মুখলৈ অৰ্থপূৰ্ণভাৱে চাই পুনৰ সন্মুখলৈ চাই খোজ দিলে। অলপ পৰৰ পাচত ক'লে—তহঁত ডাক্তৰ, আমিবোৰে একো নাজানো। তই জান যে মই অভিৰঞ্জনৰ খবৰ ল'বলৈ আহিছোঁ, তেনেক্ষেত্ৰত আন কথা-বতৰা পতাটো মোৰ সমূলি ইচ্ছা নাই।

—মই জানো ভাস্বতী, অভিৰঞ্জন ইয়াত থকা তিনিদিন হৈ গ'ল। তই সদায় আহি আছ, অথচ কোনো ডাক্তৰে তোক একো কোৱা নাই। পৰীক্ষা, ডায়'গ্‌নেছিছ চলি আছে, খাটাং একো নোপোৱাকৈ কি বুলি ক'ব?

—কিমান দিনলৈ পৰীক্ষা চলিব? কালি অভিৰ চকু দুটা দেখি মই শুব পৰা নাই। ইমান স্ফূৰ্তিবাজ ল'ৰাটো হঠাৎ ইমান শেঁতা, দুৰ্বল কেনেকৈ হ'ব পাৰে? তিনিদিনতে সি ইমান নিস্তেজ, যেন মৃত্যুলৈ বৈ আছে.....

—তই কি ক'ব খুজিছ ভাস্বতী? যোৱা তিনিদিনত আমাৰ ডাক্তৰবোৰে তাৰ এই দশা কৰিছে বুলি? কিয় তহঁতে ডাক্তৰক ইমান অবিশ্বাস কৰ? কালি আমাৰ কেবাজনো ছিনিয়ৰ ডাক্তৰৰ মিটিং বহিছে অভিৰ কেছটো লৈ। সন্দেহ কৰা হৈছে ব'নমেৰু কেন্সাৰ বুলি—অৱশ্যে ভাল ডায়'গ্‌নেছিছ হ'বলৈ এই মেডিকেল কলেজত ইমান সুবিধা নাই। বাহিৰলৈ পঠাব লাগিব। তাক সুধিলত সি কৈছে প্ৰায় ছমাহমান আগৰে পৰা মাজে মাজে তাৰ জ্বৰ উঠে। কাহ হয়। ফাৰ্মাচীৰ পৰা টেবলেট্ আনি খায়, ভাল হৈ যায়। পিঠিত তীব্ৰ বিষ এটা হয়, পিচে ঔষধ খালে ভাল হৈ যায়।

—তেনেকুৱা মোৰো হয় দেখোন! ভাস্বতীয়ে সন্দেহেৰে সুধিলে।

—কিমান দিনৰ মূৰে মূৰে জ্বৰ হয়? সত্যব্রতে আচৰিত হৈ প্ৰশ্ন কৰিলে।

—এই ধৰ, যোৱা বছৰত মোৰ যি কাহ, নিশা জ্বৰো উঠিল। যোৱা মাহত দুদিন জ্বৰ, ডাক্তৰে ইনফ্লুৱেঞ্জাৰ ঔষধ দিলে ভাল হৈ গ'ল।

—তোৰ চৰ্দি-জ্বৰেই হৈছিল। অভিৰ তেনেকুৱা নহয়। জান ভাস্বতী, কিছুমান ৰোগ ছদ্মবেশেৰে আহি শৰীৰত আত্মীয়তা গঢ়ি লয়। সুযোগ বুজি তাৰ স্বৰূপ প্ৰকাশ কৰে। অভিৰ ক্ষেত্ৰতো তেনে হৈছে যেন ভাব হৈছে—ভগৱানে সহায় কৰক, ডাক্তৰে ভবা কথাবোৰ যাতে মিছা হয়।

ভাস্বতীৰ খোজ হঠাতে বৈ গ'ল। 'ডাক্তৰবোৰক ভগৱান বুলিয়েইতো ভাবো আমি সত্যব্ৰত!' ভাস্বতীয়ে লাহে লাহে উচ্চাৰণ কৰিলে।

—ডাক্তৰ মানুহহে! ঐশ্বৰিক মহিমা নাই। সেইবাবেই ডাক্তৰে ৰোগীৰ প্ৰেচক্ৰিপছন লেখি থকা অৱস্থাত ৰোগীৰ ঘৰৰ মানুহে আহি বাউসীত তাবিজ পিন্ধাইহি। অপাৰেশ্যনলৈ নিওঁতে ৰোগীৰ কপালত বিশ্বাসৰ বা অন্ধবিশ্বাসৰ ফোঁট লগাই পঠিওৱাও আমি দেখোঁ। ৰোগী ভাল যেতিয়া হৈ যায়, ডাক্তৰে চল্লিশ শতাংশ ক্ৰেডিট পায়, কিন্তু দৈৱ শক্তিয়ে পায় শতকৰা ষাঠি ভাগ। কিন্তু যদি ৰোগীৰ মৃত্যু হয়! শতকৰা বিশ অংশহে দৈৱৰ ইচ্ছা বুলি ভাবে মানুহে। গতিকে ডাক্তৰ মানুহৰ শাৰীত থকাই ভাল। ৰোগীৰ বেমাৰ চোৱাতো ডাক্তৰৰ জীৱিকা আৰু কৰ্তব্য। প্ৰত্যেক জীৱিকা ভালদৰে পালন কৰাটো মানুহৰ কৰ্তব্য। সেই হিচাপে ডাক্তৰ হোৱাতো আন জীৱিকাতকৈ পৃথক নহয়। মানুহে মানুহক দেৱতাৰ শাৰীলৈ নিলেই বিপদ, কাৰণ দেৱতাক মানুহে মন্দিৰৰ পৰা বাজ কৰি দিবলৈ ভয় কৰে, কিন্তু মানুহক দেৱত্ব প্ৰদান কৰিলে, পিচমুহূৰ্তত হত্যা কৰিবলৈও মানুহে কুণ্ঠাবোধ নকৰে। আজি যদি পৰ্বতত থিয় কৰালে, কাইলৈ নৰ্দমাতো পেলাব পাৰে। গতিকে, ডাক্তৰ ভগৱান জাতীয় কথাবোৰ তোৰ দৰে ছোৱালীয়ে নাভাবিবি। যদি কোনোবা ডাক্তৰৰ হাতত বেছি ৰোগী ভাল হৈ যায়, তেওঁ বেছি প্ৰফেচনেল। অৰ্থাৎ তেওঁৰ জীৱিকাত তেওঁ দক্ষ। কোনোবাই পৰা নাই, তেওঁ অদক্ষ—ইমানেই কথা।

—বাপ্‌ৰে—তই ভয়লগাকৈ লেক্‌চাৰ দিব পাৰ দেই সত্যব্ৰত। ভাস্বতীয়ে কপট খঙেৰে ক'লে। কিন্তু লগে লগে তাইৰ মুখত বিষণ্ণ ছায়াই বিৰাজ কৰিলে। 'সত্যব্ৰত অভিৰ যদি ভাল নহয়—মানে তহঁতে ভবা অসুখটোৱেই হৈছে.....'

—হ'ব-পাৰে, নহ'বও পাৰে। সত্যব্ৰতে তললৈ মূৰ কৰি ক'লে।

—অভিৰ বায়েক ভিনিহিয়েক আজি অহাৰ কথা।

—কালি অভিৰ কথামতে মই খবৰ দিছোঁ, আজি বা কাইলৈ আহিব—বায়েক হেনো থাকিবহি ইয়াত।

অভিৰ মাক অভি ক্লাছ ছিক্সত থাকোতেই গুচি গৈ বেলেগ মানুহক বিয়া কৰালে। দেউতাক বৰ শান্ত মানুহ আছিল। শিক্ষক মানুহ, পত্নীৰ এনে কাৰ্যত মৰ্মান্তিক বেজাৰ পালে। লাজতে বহুদিন স্কুললৈ যোৱা বাদ দিছিল হেনো। সামাজিক কোনো অনুষ্ঠানলৈ তেওঁ নোযোৱা হৈছিল। যোৱা দুবছৰ আগতে তেওঁ ঢুকাল। ৰিটায়াৰ হ'বলৈ তিনিবছৰ মান আছিলেই।

ভাস্বতী অবাক হৈ গ'ল সত্যব্ৰতে স্বাভাৱিকভাৱে কোৱা এই কথবোৰত। 'তই

কেনেকৈ জানিলি এইবোৰ কথা?' ভাস্বতীয়ে এইবাৰ মেডিকেলৰ দীঘলীয়া বাৰাণ্ডাৰ বেঞ্চ এখনত ধপচ্‌কৈ বহি পৰি প্ৰশ্ন কৰিলে।

—যোৱা ৰাতি মোৰ ডিউটি আছিল। অভিৰ সৈতে বহুত কথা পাতিলোঁ। সি ক'লে কথাবোৰ। একমাত্ৰ বায়েকৰ বাহিৰে এতিয়া তাৰ কোনো নাই। খুৰাকৰ পৰিয়াল এটা অৱশ্যে আছে। সৰুৰে পৰাই অভি হেনো বৰ লাজকুৰীয়া আছিল। মাকৰ ঘটনাটোৰ পিচত লগৰীয়াবোৰৰ পৰাও সি দূৰে দূৰে ফুৰিছিল। কোনোবাই মনে মনে কথা পাতিলেও, তাৰ কথা, মাকৰ কথা পাতিছে বুলিয়েই ধাৰণা কৰি লৈছিল। পিচলৈ সি হেনো পৰিয়ালৰ বিয়া-বাৰুবোৰলৈও নোযোৱা হৈ গৈছিল।

—আচৰিত, আচৰিত সত্যব্ৰত! মই এতিয়া বুজিছো, সি কিয় ইমান অত্যধিক স্ফূৰ্তিবাজ ল'ৰা। তাৰ বুকুৰ আঘাত ঢাকনি দিয়াৰ বাবে সি ৰং-ধেমালিৰ আশ্ৰয় ল'লে। তাৰ এই আনন্দ, তৎক্ষণাৎ বন্ধুত্ব কৰা স্বভাৱৰ বাবেই ময়ো আজি ইয়াত, এনেকৈ উপস্থিত। অথচ অভিৰ সৈতে মোৰ মাত্ৰ তিনিদিন আগতে বাহুত হোৱা পোন্ধৰ মিনিটৰ আলাপ। তাৰ পিচতেই এই ঘটনা। মই সকলো বুজি পালো সত্যব্ৰত, সি বৰ ভাল অভিনেতা।

সত্যব্ৰতে ভাস্বতীক হাতত ধৰি বহাৰ পৰা উঠালে—ব'ল অভিৰ ৱাৰ্ডলৈ। কিন্তু এই কথাবোৰ তই ভুলতো নুলিয়াবি। নজনাভাৱে থাক। সি বৰ বিশ্বাসত, এক অৱচেতন অৱস্থাত মোক এই কথাবোৰ কৈছিল। হয়তো ৰিলিফ পাইছিল। 'নকওঁ, মই ইমান মূৰ্খ নহয়' ভাস্বতীয়ে বিৰক্তিৰে ক'লে। সত্যব্ৰতে হাঁহিলে। সিহঁত অভিৰঞ্জন থকা ৱাৰ্ডলৈ খোজ ল'লে। ডাঠ সেউজীয়া পৰ্দাখন দাঙি ৱাৰ্ডটোত সোমাওঁতেই অভিয়ে চিঞৰি উঠিল—সত্যব্ৰত দা, মোক ৰিলিজ দিবলৈ কওক, বাইদেউ আহি গ'ল।

এগৰাকী মিঠাবৰণীয়া মৰমলগা মুখৰ মহিলাই অভিৰ বিছনাৰ কাষৰ পৰা ঘূৰি চাই নমস্কাৰ জনালে। 'বাইদেউ এয়া সত্যব্ৰত দা, অহাবছৰ পূৰা ডাক্তৰ হ'ব, এয়া ভাস্বতী, মই যে তোক কৈছিলো, মোৰ জীৱনদায়িনী, মোৰ সংগদায়িনী, মোৰ- মোৰ-

—আৰু 'মোৰ' কি? ভাস্বতীয়ে হাঁহি হাঁহি সুধিলে।

—মোৰ প্ৰেমিকা হোৱা হ'লে ভাল লাগিলহেঁতেন। অন্ততঃ নাটক-চিনেমাত দেখাৰ দৰে তুমি মোক ক'লাহেঁতেন—তুমি মোৰ বাবেই ভাল হৈ উঠিব লাগিব অভিৰঞ্জন, নহ'লে তোমাৰ অবিহনে মই জীয়াই থাকিম কেনেকৈ? অভিৰঞ্জনৰ নাটকীয় সংলাপত আটাইবোৰে হাঁহি দিলে। কাষৰ বিছনাত থকা আন দুজন ৰোগীয়েও নহঁহাকৈ নোৱাৰিলে।

—ই আগতে বৰ চুপ-চাপ লাজকুৰীয়া আছিল। মোৰ বিয়াত সি বি এ ফাৰ্ষ্ট ইয়েৰত পঢ়ে। তিনিবছৰীয়া কেঁচুৱাৰ দৰে সি কান্দোনত গছৰ পাত সৰুৱালে, দৰা-মানে ইয়াৰ ভিনিহিয়েক কইনাৰ সৈতে গাড়ীত উঠাৰ পৰা নামি আহি তাক সাবট মাৰি ধৰি বুজনি দিবলৈ লাগিল। পিচে মোৰ বিয়াৰ পিচৰ পৰা ই দেখোন ডাঙৰ হ'ল। বেছ স্ফূৰ্তি কৰিব জনা হ'ল। —অভিৰ বায়েকে মিচ্‌-মিচ্‌কৈ হাঁহি কথাবোৰ ক'লে।

—তই মোক কেঁচুৱা কৰি ৰাখিছিলি আকৌ। অভিয়ে বায়েকলৈ চাই হাঁহি মাৰি ক'লে। ভাস্বতীৰ ভাল লাগিল। অভিৰঞ্জনক তাই আগদিনাতকৈ বহুত সতেজ দেখিছে। হয়তো বায়েকৰ উপস্থিতিয়ে তাক সাহস যোগাইছে। ভাস্বতীয়ে স্বস্তিৰ নিশ্বাস এৰিলে। পৰিয়ালৰ এজন সদস্যৰ হাতত অভিক গটাব নোৱৰালৈকে তাই বৰ অশান্তিত ভুগিছিল। কাইলৈৰ পৰা তাই অলপ মুকলি হ'ব। সত্যব্ৰতে অভিৰ বায়েকক কোঠালিৰ পৰা বাহিৰলৈ মাতি লৈ গ'ল, অভিৰ স্বাস্থ্যৰ বিষয়ে আলোচনা কৰিবলৈ।

✧ ✧ ✧

সমীৰ বৰা নামৰ ল'ৰাটো প্ৰথম যিদিনা সমাজশাস্ত্ৰ বিভাগৰ ক্লাছলৈ সোমাই আহিল, নতুন কোনোবা অধ্যাপক বুলি ক্লাছৰ ছাত্ৰ-ছাত্ৰী থিয় হৈ দিলে বহি থকাৰ পৰা। পিচে ভুল ভাঙি ল'ৰাটোৱে ক'বলৈ ল'লে—মই ষ্টুডেণ্টহে, চাৰিমাহ 'মিছ' হৈ গ'ল। ক্লাছ আৰম্ভ হোৱা এমাহ পিচতো ছাত্ৰ-ছাত্ৰী অহাৰ নজীৰ আছে, কিন্তু চাৰিমাহ পিচত বৰ আচৰিত কথা। সুনীলে সুধিলে—বাৰু কোৱাচোন, মিড্‌টাৰ্ম এক্‌জাম'লৈ এমাহ থাকোতে, চাৰিমাহ ক্লাছ হোৱাৰ পাচত তুমিনো কি মন কৰি পঢ়িবলৈ আহিলা? তোমাক হে'ড অৱ দা ডিপাৰ্টমেণ্টে পাৰমিছন দিলে কেনেকৈ? সমীৰে সদায় আহি থকা ছাত্ৰ এজনৰ দৰে সমুখৰ বেঞ্চত বহি থকা মানৱ বৰালৈ চাই ক'লে—চাওঁ অলপ সিফালে যোৱাচোন—তাৰ পাচত আৰামত বহি সুনীললৈ চাই ক'লে—ফিজ পুৰা দি আছিলোঁ। ক'লো মোৰ সমস্যাৰ কথা। তৰ্কা-তৰ্কিও হ'ল। হে'ডে ক'লে সমাজশাস্ত্ৰ ক-খ শ্ৰেণীৰ পদ্য পাইছা নেকি যে মুখস্থ কৰিবা হৈ যাব? মই ক'লো ভাৰতীয় শিক্ষাব্যৱস্থা পশ্চিমৰ আমদানি। সেইবোৰ প্ৰায় কিতাপেই মই পঢ়িছোঁ। সমাজশাস্ত্ৰতো নতুন থিয়ৰি একো নাই। হে'ডে ক'লে—সমাজশাস্ত্ৰৰ থিয়ৰি হৈছে আটাইতকৈ কঠিন। পৃথিৱীৰ সকলো মহান মনিষীয়ে সমাজৰ বিভিন্ন পাৰছপেক্টিভ দেখুৱাই বিশ্লেষণ কৰা থিয়ৰিসমূহেই যুগে যুগে আজি পৰ্যন্ত সত্য হৈ আহিছে। এইবোৰ বুজিবলৈ তোমাৰ সাত জনম লাগিব।

তুমি তেতিয়া কি ক'লা? —সুনীলে কৌতুকেৰে সুধিলে। ইতিমধ্যে এই নতুন ল'ৰাজনৰ অভিনৱ পদাৰ্পণত শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বেছ কৌতূহল হ'বলৈ ধৰিছিল। সকলো আহি সমীৰক কেন্দ্ৰ কৰি ঘূৰণীয়াকৈ গোট খালে। সমীৰে তাৰ স্বভাৱজাত বেপৰোৱা ভংগীত নেতাৰ দৰে ক'বলৈ লাগিল—মই হে'ডক ক'লো—পুৰণি থিয়ৰিৰেইতো আজিও সমাজ আৰু মানুহৰ দ্বন্দ্ব, বিপ্লৱ সকলোৰে ব্যাখ্যা হৈ আহিছে। শিক্ষা ব্যৱস্থাও একেই হৈ আছে। সমাজশাস্ত্ৰত কি কি থিয়ৰি থাকিব পাৰে মই জানোঁ। নৱজাগৰণৰ পিচৰ থিয়ৰিহে থাকিব—আগৰবোৰৰ ইমান প্ৰয়োজন নাই। ইংলেণ্ডৰ আডাম স্মিথৰ The Wealth of Nation, জন ষ্টুৱাৰ্ট মিলৰ Political Economy, On Liberty–

ডাৰউইন, ভল্টেয়াৰ, হাৰ্বাৰ্ট স্পেনছাৰ, এলডুছ, হাক্সলি ইত্যাদি ইত্যাদি মনিষীৰ থিয়ৰি, মতবাদৰ বাহিৰে কি থাকিব পাৰে? মই নিজে মাৰ্কছ-এংগলছৰ থিয়ৰিত বিশ্বাসী। 'দ্বন্দ্বাত্মক বস্তুবাদ'ৰ ব্যাখ্যাৰেই বুজাই দিলো যে মই বহু কষ্টেৰে যোৱা চাৰিমাহে ফিজ দি আছোঁ, এড্‌মিশ্যনৰ পুৰা পইচা আদায় দিছোঁ, লাইব্ৰেৰীৰ ফিজো দি আছোঁ, সমস্যা মোৰহে—মই ক্লাছ কৰা নাই। কিন্তু মোৰ বিশ্বাস মই পৰীক্ষাত নম্বৰ ভাল পাম। কাৰণ সমাজশাস্ত্ৰত পাঠ্যক্ৰম হিচাপে যিবোৰ কথা আৰু থিয়ৰি পঢ়িব লাগে—কম-বেছি পৰিমাণে মই মেট্ৰিক দিয়াৰ পিচৰ পৰাই এইবোৰ কিতাপ নিজে ভালপাই পঢ়িছোঁ। গতিকে ইয়াৰ পিচতো আপুনি মোক ক্লাছত বহিবলৈ নিদিলে—ইয়াক মই শোষণ বুলিয়েই ক'ম। বুৰ্জোৱা শিক্ষা ব্যৱস্থাৰ নায়ক হৈ মোৰ পৰা টকা-পইচা লৈ শিক্ষাৰ অধিকাৰ কাঢ়ি নিছে।

—বুৰ্জোৱা শিক্ষা গ্ৰহণ কৰিবলৈ আহিলা কিয়? হঠাতে ভাস্বতীয়ে আন সহপাঠীৰ মাজৰ পৰাই সুধিলে।

—'মই এই কলেজ বিশ্ববিদ্যালয়ৰ বুৰ্জোৱা শিক্ষাত বিশ্বাসী নহয়। কিন্তু মই এই শিক্ষাৰ এটা অংগ হৈ সমাজচেতনা নৱপ্ৰজন্মৰ মাজত বিয়পাব লাগিব। মোৰ বাবে পৰীক্ষা দিয়া, ক্লাছ কৰা এইবোৰ Just like school bag, কিতাপখিনিহে মোৰ দৰকাৰ, কিন্তু কিতাপ ভৰাই নিবলৈ বেগটোৰ সহায় ল'ব লগা হয়। বেগটো গৌণ—nothing but a carier... শ্ৰেণীত কিতাপ উলিয়াই লওঁতে তোমাৰ বেগটোলৈ মনত পৰেনে? পৰীক্ষা, ক্লাছ এইবোৰ মোৰ বাবে ঠিক তেনেকুৱা। কিন্তু সমাজত আকৌ বেছি সংখ্যক মানুহৰ বাবে বেগটো—অৰ্থাৎ পৰীক্ষাৰ নম্বৰৰ দৰকাৰ, কিতাপ নহয়। ভাৰতবৰ্ষলৈ যেতিয়াৰ পৰা ইংৰাজ আহিল, পশ্চিমীয়া শিক্ষা আহিল, তেতিয়াৰ পৰা ভাৰতেই নহয়, সমগ্ৰ এছিয়াত সমাজব্যৱস্থা ভাঙি দিয়া হ'ল। কুটিৰ শিল্প, থলুৱা বস্ত্ৰ শিল্প, বাঁহ-কাঠ, তাঁত, কাঁহ শিল্পৰে জীৱিকা নিৰ্বাহ কৰা তাঁতী, কঁহাৰ, কৃষক সকলোৰে পেটত গোৰ শোধালে ইংৰাজে। নতুন নতুন যন্ত্ৰ পঠিওৱা হ'ল, মিল চলিল, তাৰ বাবে যি উচ্চ শিক্ষা লাগে সেইবোৰ ধনী শ্ৰেণীৰ বাহিৰে সাধাৰণ মানুহে ল'ব নোৱাৰা হ'ল—দেখা-দেখিকৈ দুটা শ্ৰেণীৰ সৃষ্টি কৰা হ'ল ধনী আৰু দুখীয়াৰ। এই উচ্চ শিক্ষা এতিয়াও চলি আছে।

—কিন্তু মাৰ্ক্সেই দেখোন কৈছে—ইংৰাজে ভাৰতীয় সমাজ ব্যৱস্থা একেবাৰে ভাঙি দিলেও, নিজৰ অজানিতেই এক সামাজিক বিপ্লৱৰ সূচনাও কৰিছে। ইংৰাজৰ যিমান অপৰাধ হ'লেও, নৱ চেতনা, জ্ঞান-বিজ্ঞানৰ বিকাশেৰে ভাৰতত সামাজিক বিপ্লৱ সাধন কৰিছে—ভাস্বতীয়ে এজুম ল'ৰা-ছোৱালীৰ মাজৰ পৰা সমীৰৰ সৈতে যুক্তি-তৰ্কত লিপ্ত হ'ল। ইমান পৰে সকলো ল'ৰা-ছোৱালীয়ে একপক্ষীয়ভাৱে সমীৰৰ কথাবোৰ শুনি গৈছিল। সমীৰেও কেৱল কৈ গৈছিল। প্ৰথমবাৰৰ বাবে সি এটা বাধাৰ সন্মুখীন হৈ প্ৰথম আচৰিতেই হ'ল—তাৰ পাচত হঠাতে থিয় হৈ সুধিলে—কি নাম তোমাৰ?

—ভাস্বতী।

—ভাস্বতী, তুমি মাৰ্ক্স পঢ়িছা বুলি জানি ভাল লাগিল। ঠিকেই—মাৰ্ক্সে তেনেকৈও

কৈছে, —আমি এই বিষয়ে পিছত দীঘলীয়া আলোচনা কৰিম দিয়া। আজি আমি কেৱল কথা পাতি থাকিলে ব'ৰ হৈ যাব সকলো।

—কিন্তু অলৰেডী সকলো ব'ৰ হৈ গৈছিলেই সমীৰ। কাৰোবাৰ মতবাদক বিশ্বাস কৰিলা বুলিয়েই, তুমি প্ৰথম দিনাই আহি সকলোকে মুখ মেলিবলৈ নিদিয়াকৈ একপক্ষীয়ভাৱে নিজৰ মত সাব্যস্ত কৰাটো জানো শোষণ নহয়? তুমি বিশ মিনিট ধৰি তোমাৰ মতাদৰ্শহি কৈ গৈছা, তোমাৰ বাবে এই ক্লাছ, পৰীক্ষা, স্কুলবেগ হ'ব পাৰে, কিন্তু ইয়াৰ প্ৰতিটো ছাত্ৰ-ছাত্ৰীয়ে অপাৰ আশা লৈ বিশ্ববিদ্যালয়ত শিক্ষা ল'বলৈ আহিছে। পাৰিছা জানো তোমালোকে এটা বিকল্প শিক্ষা ব্যৱস্থা দিব? তুমি যি বুলিয়েই ব্যাখ্যা নিদিয়া, তুমিওটো অৱশেষত ক্লাছ কৰিবলৈকে বিশ্ববিদ্যালয়লৈ আহিলা! সমীৰ—তুমি আমাৰ সৈতে বন্ধুত্ব কৰিবলৈ হ'লে তুমিও আমাৰ কথা শুনিব লাগিব। কেৱল তুমি কথাৰে আমাৰ ওপৰত বল প্ৰয়োগ কৰিবা সেয়া নহয়। তুমি গালি পৰা মানুহক আমি গালি নাপাৰিবও পাৰো, সেইবুলি তুমি আমাক তোমাৰ মতাদৰ্শ ভাল, আমাৰ বেয়া এনে ধাৰণা দিব নোৱাৰিবা। একপক্ষীয় আৰু বলপূৰ্বকভাৱে মানুহৰ চিন্তা আৰু বিবেচনাৰ জগত অধিকাৰ কৰিবলৈ যোৱা বাবেই আজি বিশ্বত কমিউনিষ্ট ভাবাদৰ্শৰ বিভ্ৰাট ঘটিছে বুলি মই ভাবোঁ। অথচ মাৰ্ক্স আছিল উদাৰ আৰু আধুনিক মনৰ মানুহ। তেওঁ জীয়াই থকা হ'লে সময় আৰু যুগৰ লগে লগে পৰিৱৰ্তন আনিলেহেঁতেন। কিন্তু দুৰ্ভাগ্য তেওঁৰ মৃত্যুৰ লগে লগে তেওঁৰ ভাবধাৰাক কাৰাগাৰত বন্দী কৰি মুক্তি আৰু স্বাধীনতা বিচৰা হ'ল। গতিকে আজিৰ পৰা আমাৰ চিন্তা, যুক্তিৰ বিনিময় হ'ব কিন্তু তুমি নিজে নিজৰ চিন্তাৰ ওপৰত উচ্চ ধাৰণা দি আলোচনাত ভাগ ল'ব নোৱাৰিবা। চিন্তাৰ ক্ষেত্ৰত সাম্যবাদী হ'বলৈ যত্ন কৰা—আমাৰ কথাও শুনা, তেতিয়াহে তোমাৰ কথা শুনিম—

সমীৰে কিছুপৰ তভক মাৰি ভাস্বতীৰ ফালে চাই থাকি ক'লে—হ'ব—তোমাৰ দৰে ক্লাছত এজনী সহপাঠী থকাত মোৰ বৰ ভাল লাগিছে। তেনেতে মূৰ খজুৱাই ৰত্নেশ্বৰ সোণোৱালে ক'লে—'আমি পিচে তইঁতৰ ৰাজসভাত কলথোকা বাদুলিয়ে খালে বুলি ক'ম কেনেকৈ ঔ?' বোপায়ে হালৰ বলদ বেছি পঢ়ুৱাবলৈ পঠাইছে। গাঁৱত হায়াৰ ছেকেণ্ডাৰী স্কুল এখন হৈছে, মই হেনো তাতে সোমাবলৈ লাগে। সঁচা কথা ক'বলৈ গ'লে, এই মাৰ্ক্স, ষ্টুৱাৰ্ট মিল এইবোৰ কিতাপতহে যি পঢ়িছোঁ—হয় পৰীক্ষাত নম্বৰ পাবলৈকে পঢ়িছোঁ। মোৰ এতিয়া প্ৰথম কথা যেনে তেনে বছৰ দুটা পাৰ কৰি পাছ কৰিব লাগে। স্কুলত চাকৰিটো ল'ব লাগে আৰু মাটি বন্ধকিৰ পৰা মোকলাব লাগে। বলদ এহালো কিনিব লাগে। এই লক্ষ্যৰ বাহিৰে তুমি মোক যি কথাই নোকোৱা, কাম নাই। গতিকে ভাস্বতী, তোমালোকে যেতিয়া কথা পাতিবা মই হ'লে দূৰত থাকিম, মই এইবোৰকে পঢ়ি মাষ্টৰ এটা হ'বই লাগিব। ৰত্নেশ্বৰে সহজভাৱে কোৱা কথাত গিৰ্জনি মাৰি সকলোৱে হাঁহি পেলালে। বৰদলৈ ছাৰ সোমাই আহিল। 'কি হৈছে? এইটো ক্লাছনে ক্লাব?' তৎক্ষণাৎ সকলো নিজ স্থানলৈ গৈ একান্ত বাধ্য ছাত্ৰ-ছাত্ৰীৰ দৰে বহি পৰিল।

(সোতৰ)

নন্দিনী এইদৰে হঠাতে ভাস্বতীৰ সৈতে হোষ্টেলত সঁচাকৈ থাকিবলৈ গুচি আহিব বুলি কল্পনাও কৰা নাছিল তাই। সন্ধিয়া ৬-৩০ বজাত ভাস্বতীহঁতৰ ৰুমত ৰীণাই ধূপ জ্বলাই প্ৰাৰ্থনাৰ বাবে চকু মুদিছিল। ৰীণাই প্ৰাৰ্থনা কৰাৰ সময়ত ভাস্বতীকো লগত থাকি চকুমুদি প্ৰাৰ্থনা কৰাতো বাধ্যতামূলক কৰি দিছে। ভাস্বতী য'তেই নাথাকক ৬-৩০ বজাত ৰুমত সোমাই ৰুমমেট ৰীণাৰ প্ৰাৰ্থনাত যোগ দিবই লাগিব। এই কঠোৰ নিয়মৰ কাৰণ সম্পৰ্কে ৰীণাই আন ছোৱালীবোৰক ব্যাখ্যা দিছিল—'প্ৰত্যেক ৰুমেই আমাৰ এটা ঘৰ। ৰুমমেট পৰিয়ালৰ সদস্য। আমাৰ পৰিয়ালত দুষ্ট আৰু অবাধ্য ছোৱালী একমাত্ৰ ভাস্বতী। তাই অকলে পৃথিৱীৰ সমস্যাবোৰ লৈ আঁতি-গুৰি নোহোৱা চিন্তাত দিনটো পাৰ কৰে। পঢ়িবলৈও তাইৰ সময় নহয় আনৰ সমস্যা সমাধান কৰোঁতে। গতিকে ভাস্বতীয়ে যদি এম এ পাছ কৰিব লাগে, তেনেহ'লে কঠোৰ নিয়ম কৰিবই লাগিব। গধূলি প্ৰাৰ্থনা আৰু তাৰ পিচত পঢ়া।' ভাস্বতীয়ে একান্ত বাধ্য ছাত্ৰীৰ দৰে ৰুমমেটৰ এই অনুশাসন মানি চলিবলৈ চেষ্টা কৰি আহিছে। আটাইকেইজনী ছোৱালীয়ে সৰস্বতীৰ ফটোৰ সন্মুখত ধূপ দুডাল জ্বলাই চকু মুদিছিল। ৰীণাই শুৱলা কণ্ঠেৰে 'ব্ৰহ্মা আদি কৰি জীৱ য'ত ৰাম-ৰাম....' বুলি গাবলৈ আৰম্ভ কৰোঁতেই ধুমুহাৰ দৰে কান্ধত বেগ এটা লৈ সোমাই আহিল নন্দিনী। 'ভাস্বতী মই আহি গ'লো', দুৱাৰ মুখৰ পৰাই নন্দিনীয়ে চিঞৰিলে। প্ৰাৰ্থনা অৰ্ধসমাপ্ত কৰি সেৱা এটা জনাই সকলোৱে ঘূৰি চালে নন্দিনীলৈ। এটা ৰঙা দীঘল স্কাৰ্ট, মাখন ৰঙৰ চাটিন টপ্ এটা পিন্ধি থিয় হৈ আছে নন্দিনী দুৱাৰ মুখত যেন অনুমতি দিলেহে দুৱাৰডলি পাৰ হ'ব পাৰিব তাই! ভাস্বতীয়ে আচৰিত হৈ সুধিলে—নন্দিনী! এইদৰে হঠাৎ যে!

ঃ হঠাৎ মানে? নন্দিনীহে আচৰিত হ'ল এইবাৰ আটাইকেউজনীয়ে পৰস্পৰৰ মুখলৈ চালে।

ঃ নন্দিনী, তোমাক আজি মই ক্লাছত লগ পাইছোঁ। তেতিয়াও তুমি মোক অহাৰ কথা একো কোৱা নাই। ভাস্বতী এইবাৰ অলপ আগবাঢ়ি গ'ল নন্দিনীৰ ফালে।

ঃ চোৱা ভাই—তোমাক এবাৰ কৈছিলো, তোমাৰ সৈতে হোষ্টেলত থকাৰ অভিজ্ঞতা মই ল'ম। আজি গুচি আহিলো অসুবিধা হ'লে যাওঁগৈ..... নন্দিনী অলপ অপ্ৰস্তুত হৈ যাবলৈ ওলাল। ভাস্বতী আগবাঢ়ি গৈ নন্দিনীৰ হাতত ধৰিলেগৈ। 'আহাঁ-আহাঁ, এইবোৰ ভাও পিচত দেখুৱাবা। ভাস্বতীয়ে নন্দিনীক ৰুমমেটকেইজনীৰ সৈতে চিনাকি কৰাই দিলে। ৰীণাই একাপ চাহ কৰি খুৱাবলৈ কোঠাৰ একোণত থকা ষ্টোভটোৰ ওচৰলৈ গ'ল। এক উৎসৱমুখৰ পৰিৱেশেই হৈ গ'ল তৎক্ষণাৎ। ঘৰলৈ আলহী আহিলে হোৱা আনন্দৰ দৰে আটাইকেউজনীৰ মুখত উজ্জ্বল আভাই ঢৌ খেলি গ'ল। কথা হৈ গ'ল, ছিংগল বিছনা

দুখন জোবা লগাই ডাবল কৰি তিনিজনী শুই লগে-ভাগে। কাষৰ ৰুমৰ পৰা সান্ত্বনা, অমিতা, কেৰু আলহী অহাৰ খবৰ শুনি ভাস্বতীহঁতৰ ৰুমলৈ আহিল। অমিতা বঙালী ছোৱালী, স্ফূৰ্তিবাজ। সকলো সময়তে মুখত গানৰ কলি। অসমীয়া চিনেমাৰ গানবোৰ ভুলে-শুদ্ধই তাই সংকোচবিহীনভাৱে চিঞৰি চিঞৰি গায়। তাইৰ শুৱলা কণ্ঠত এই গীতবোৰ সকলোৱে উপভোগ কৰে। ভাস্বতীয় অমিতাক ক'লে—গান এটা শুনা। ভাস্বতীয়ে এটা বিশেষ গান অনুৰোধ কৰিলে গাবলৈ।

অমিতাই গীত গাবলৈ আৰম্ভ কৰিলে; হঠাতে আটাইকেউজনী ছোৱালীয়ে হাঁহিবলৈ ধৰিলে। 'কি হ'ল?' গান গোৱা বন্ধ কৰি অমিতাই সুধিলে। সান্ত্বনাই হাঁহি হাঁহি ক'লে 'এই যে তই গালি.... তথাপি মনে মোৰে বুজন মানিলে.... হ'ব লাগে 'তথাপি মনে মোৰ বুজনি নামানে'... তোৰ এই ভুলগান শুনিবলৈকে সকলোবোৰে তোক এই গানটো গাবলৈ কৈছে বুজা নাই?' অমিতা অলপ পৰ ৰ'ল। তাৰ পাচত তাই শিশুসুলভ হাঁহিটো মাৰি ক'লে—'হ'ব যা—মই এনেকৈয়ে গাও' এই বুলি আপোন পাহৰা হৈ পুনৰ আধাগোৱা গানটো গাবলৈ আৰম্ভ কৰিলে। এনেতে ৰীণাই চাহ একোকাপ যাচিলেহি সকলোকে। সান্ত্বনাই কেৰুক ক'লে, 'যাছোন ৰুমত আমাৰ নাৰিকল লাৰু আছে লৈ আন' কেৰু ফৰিঙৰ দৰে জাঁপিয়াই জঁপিয়াই সিহঁতৰ ৰুমলৈ গৈ তৎক্ষণাতে লাড়ুৰ টিনটো ছোৱালীবোৰৰ মাজত থ'লেহি। থপিওৱা-থপি লাগিল লাড়ুৰ টিনটো লৈ। নন্দিনীক দুটা লাড়ু দিয়া হ'ল আলহী বাবে। সান্ত্বনাই ক'লে—ইচ্ কিয় যে ক'লো লাড়ুৰ টিনটো আনিবলৈ, চব শেষ হৈ গ'ল। ঘৰৰ পৰা কালিহে দি পঠাইছিল।' অমিতাই মুখ ভেঙুচাই ক'লে হ'ব যা—আমাক খাবলৈহে দিছিল, পৰুৱাক খাবলৈ দিয়া নাছিল নহয়।' নন্দিনীয়ে ভাস্বতীক ফুচ্-ফুচাই ক'লে—তোমালোক এনেকৈ থাকা ভাস্বতী! মই কিমান দুৰ্ভগীয়া!' ভাস্বতীয়ে তাইৰ হাতখন খামোচ মাৰি ক'লে—ৰিলেক্স, এতিয়া এইবোৰ কথা নহয়।

ঃ কিন্তু মোৰ তোমাক ক'বলৈ বহুত কথা আছে.....

ঃ মনে-মনে-থাকা। এতিয়া নহয়। ৰাতি ভাত খোৱাৰ পিচত চাটলৈ যাম—তাত কথা পাতিম। এতিয়া তুমি সব পাহৰি যোৱা। ভাস্বতীয়েও অমিতাৰ লগে লগে গান গাবলৈ আৰম্ভ কৰিলে। তাৰ পিচত ৰীণা, অনুপমা সকলোৱেই ভুলকৈ অমিতাৰ দৰে গালে—'তথাপি মনে মোৰ বুজন মানিলে', গীতটো কোৱাছ হৈ ৰুমৰ দেৱালত প্ৰতিধ্বনিত হ'বলৈ ধৰিলে।

✧ ✧ ✧

বিশাল চাদৰ একোণত অকলশৰে ভাস্বতী আৰু নন্দিতা থিয় হ'ল। শুক্ল পক্ষৰ জোনাক নিৰ্মল আকাশৰ মাজে মাজে থকা কঁপাহ যেন ডাৱৰৰ মাজত জোনটো খন্তেক

লুকাই আকৌ ওলাই পৰে। নন্দিনীৰ সৰলৰেখাৰ দৰে চুলিবোৰ বতাহত ৰিব্ ৰিবকৈ উৰি আছে। নন্দিনীক জোনাকৰে গঢ়া এটা মূৰ্তিৰ দৰে লাগিল ভাস্বতীৰ। প্ৰায় দহমিনিট নিস্তব্ধ জোনাকৰ চন্দ্ৰতাপ মূৰত লৈ বাংময় সময় বাগৰিল। কাৰো মুখত কথা নাই। জোনাকী পৰুৱাৰ দৰে তলত নগৰখনৰ বিজুলীবাতিৰ মেলা। 'মাটিৰ পৰা বহু ওপৰত আকাশৰ সৈতে এইদৰে থকাৰ অভিজ্ঞতা শ্বিলঙত থাকোতে হৈছিল। নিৰ্জনতাই মানুহক সমৃদ্ধ কৰে কিন্তু নিঃসংগতাই হতাশা আনে, মই নিৰ্জনতা ভাল পাওঁ, নিঃসংগতাক ভয় কৰোঁ।' স্বগতোক্তিৰ দৰে নন্দিনীয়ে কথাবোৰ ক'লে। চাদৰ আধা দেৱালত কিলাকুতি থৈ ভাস্বতী আৰু নন্দিনীয়ে দৃষ্টি নিবদ্ধ কৰিছে অসীমত। বতাহত ইউকেলিপ্টাছ্ কেইজোপাৰ পৰা গোন্ধ এটা ভাঁহি আহিছিল। ভাস্বতীয়ে সোধো-নোসোধোকৈ সুধিলে—বসন্তৰ সৈতে তোমাৰ আকৌ কিবা লাগিছে নেকি নন্দিনী? নন্দিনী অলপ পৰ মনে মনে ৰ'ল; তাৰ পিচত লাহে লাহে ক'ল 'আচৰিত প্ৰশ্ন এটা কৰিছা তুমি। কাজিয়া, মান-অভিমান অবিহনে দম্পতী হয় জানো? কিন্তু এই পৰ্যায় পাবলৈ পতি-পত্নী ঘনিষ্ঠ হ'ব লাগিব। মান-অভিমান, কাজিয়াৰ বাবে ভালপোৱাৰ অস্তিত্ব থাকিবই লাগিব। আত্মীয়, বন্ধু, ভাই-ভনী, পতি-পত্নী সকলোৰে ক্ষেত্ৰত এয়া ঘটে। কিন্তু বসন্তৰ সৈতে মই বিয়াৰ পিচৰ পৰাই ঘনিষ্ঠ হ'লো কেতিয়া? আমি সংসাৰ কৰিছো একেটা ঘৰত আছো কিন্তু আমাৰ সম্পৰ্ক ৰোগী আৰু নাৰ্ছৰ দৰে। সাহচৰ্য আছে সম্পৰ্ক নাই।

ঃ কিন্তু এনেকৈ কিমান দিন থাকিবা?

ঃ ক'ব নোৱাৰো—একো ক'ব নোৱাৰোঁ। নন্দিনী এইবাৰ সন্মুখলৈ হাউলী থকাৰ পৰা পোন হৈ থিয় দিলে। তাৰ পিচত তাই সৰু সৰুকৈ ক'লে 'ভাস্বতী, মোৰ হৃদয়ৰ ভিতৰত তোলপাৰ লাগি আছে, হৃদয় উজাৰি মই এজন পুৰষক ভাল পাব খোজোঁ, কিন্তু সেয়া মোৰ স্বামী বসন্ত নহয়। অথচ মই ফুলশয্যাৰ দিনাৰ পৰা আশা কৰিছিলো সেই পুৰুষজন বসন্ত হওক। পুৰুষৰ বাবে এজনী নাৰী মাত্ৰ স্তন আৰু যোনিৰ অধিকাৰী বাবেই আকৰ্ষণীয় নেকি? তেন্তে, মোৰ কিয় এজন পুৰুষক কল্পনা কৰোঁতে পুৰুষাংগৰ কথা মনলৈ নাহে? কিয় এজন অশৰীৰি পুৰুষৰ সবল বাহুৰ আলিংগন আৰু উষ্ণ ওঁঠৰ পৰশ মই বাঞ্চা কৰোঁ? কেতিয়াবা তেওঁক স্পৰ্শ নকৰাকৈও মই তেওঁৰ আলিংগন বাঞ্চা কৰোঁ—কেতিয়াবা তেওঁৰ এপলক দৃষ্টিত মোৰ উন্মাদ হৈ যাবলৈ মন যায়—মই মোৰ স্বামীৰ মাজত এয়া বিচাৰো, কিন্তু যেতিয়াৰ পৰা তেওঁক এনেদৰে কল্পনা কৰিবলৈ ল'লো, তেতিয়াৰ পৰা তেওঁৰ পৰা মই আঁতৰি আহিলোঁ।

ঃ নন্দিনী স্বামী প্ৰেমিক হিচাপে বৰ কমেই পোৱা যায়। তুমি বিবাহিতা, বসন্তৰ সৈতে তোমাৰ একান্ত নিভৃত ছেক্সুৱেল লাইফ এটা থকাতো উচিত।

ঃ ভাস্বতী হোৱাট ডু ইউ মিন বাই ছেক্সুৱেল লাইফ? এজন পুৰুষ তোমাৰ দেহত জঁপিয়াই পৰি; প্ৰয়োজনীয় অংগ-প্ৰত্যংগ বিচাৰি লোৱাটো নেকি? তুমি বিবাহিতা নহ'লেও

নিশ্চয় তোমাৰো বৈবাহিক জীৱন এটালৈ বেছি দিন নাই। তুমি তোমাৰ স্বামীক কেনেদৰে বিচাৰিবা? ভাস্বতী থমকি ৰ'ল। ইমান গুৰুত্বপুৰ্ণ কথা এটা ভাস্বতীয়ে জীৱনৰ তেইশটা ফাগুন পাৰ কৰিও ভবা নাছিল। তাইৰ চকুৰ সন্মুখেৰে কেবাখনো মুখ পাৰ হৈ গ'ল। উদীপ্ত...প্ৰদ্যুৎ.....নতুবা কোনোবা এখন অচিন মুখ, প্ৰত্যেকৰে কিছু বিশেষ ভাল লগা, উদীপ্তৰ দুষ্টালি, প্ৰদ্যুতৰ ৰহস্যময়তা, অভিৰ স্ফূৰ্তি, আহমেদ ছাৰৰ গম্ভীৰ ব্যক্তিত্ব কিন্তু ইগ'লেছ.... এই সকলোবোৰ একেলগে থকা পুৰুষ এজন পোৱা যাবনে? ভাস্বতী বহুপৰ মনে মনে থাকি ক'লে—নন্দিতা, মই এজনৰ মাজতে বহুত কিবা কিবি বিচাৰিছোঁ, গতিকে সকলো বাদ দি এজন মৰমিয়াল, সৰল-সহজ মানুহ পালেই মোৰ জীৱন চলি যাব। কাৰণ এজন পুৰুষে যিদৰে এজনী নাৰীৰ পৰা বিচৰা সকলো পাব নোৱাৰে; এজন পুৰুষৰ পৰাও নাৰীয়ে সকলো একেলগে বিচৰাটো ভুল। মোৰ বৰ ভয় লাগে, যদি মই সমগ্ৰ জীৱন কটাব লগা পুৰুষজন, অহংকাৰী, গোঁৱাৰ আৰু জটিল চৰিত্ৰৰ যদি হয়, মই বোধহয় থাকিব নোৱাৰিম।

ঃ মানুহজনৰ টকা-পইচা থকাতো বিচাৰানে?

ঃ নন্দিনী, এয়া সময়ৰ ওপৰত এৰি দিম। ধন-সম্পত্তি খেদা ছোৱালী মই নহয়। সাধাৰণভাৱে ডাঙৰ-দীঘল হৈছোঁ। দাৰিদ্ৰতা কেতিয়াও নিবিচাৰো, কিন্তু দাৰিদ্ৰতাক অতিক্ৰম কৰিবলৈ মানুহৰ যি মনোবল আৰু কঠোৰ পৰিশ্ৰম কৰাৰ মানসিকতাৰ প্ৰয়োজন সেয়া মোৰ মাজত আছে। মই মোৰ জীৱন অধিকাৰ কৰি লোৱা পুৰুষজনকো সেইদৰে বিচাৰোঁ। স্বাচ্ছন্দৰ জীৱন মোৰ কাম্য, কিন্তু বিলাসীতা মোৰ স্বপ্ন নহয়।

ঃ কিন্তু তোমাৰ মা-দেউতাৰাই দৰা বিচাৰোতে প্ৰথমেই ধনী দৰা, সামাজিক মৰ্যাদা চাব, যিটো মোৰ ক্ষেত্ৰত ঘটিছিল।

ঃ পিতৃ-মাতৃয়ে সদায় নিজৰ ছোৱালীজনী সুখত থকাটো বাঞ্চা কৰে। দৰিদ্ৰতা বৰ ভয়ানক বস্তু নন্দিতা। ই নিগনিৰ দৰে, কেতিয়া সংগোপনে বাহলৈ তোমাৰ মূল্যৱান সকলো কুটি চাৰ-খাৰ কৰি নিঃস্ব কৰিব গমেই নোপোৱা। মান-মৰ্যাদা ধূলিসাৎ হৈ যায়। জীৱন দুঃসহ হয়, খং-ৰাগ, দাম্পত্য কলহ সকলোৰে কাৰণ হৈ পৰে। এনে অৱস্থা নিজৰ সন্তানৰ ক্ষেত্ৰত ঘটাটো কোনো পিতৃ-মাতৃয়ে নিবিচাৰে। কিন্তু মই মা-দেউতাকো বশ কৰিব পাৰিম। উদ্যমী আৰু সৎ স্বভাৱৰ ল'ৰা এজন পালে, মোৰ মতে দাম্পত্যজীৱনটো গঢ়ি ল'ব পাৰিম বুলি মোৰ বিশ্বাস। মই তোমাক কৈছোৱেই অহংকাৰী ল'ৰালৈহে মই ভয় কৰোঁ।

নন্দিতাই হঠাৎ উচুপি উচুপি কান্দিবলৈ লাগিল। 'মোৰ ক্ষেত্ৰত সেয়ে হ'ল ভাস্বতী। বসন্ত এজন অতি অহংকাৰী মানুহ। যোৱা নিশা তেওঁ মোক কৈ দিছে, মই হেনো তেওঁক অসন্তুষ্টিৰ বাহিৰে একো দিয়া নাই। তেওঁ বিচৰা মতে শৰীৰ দিব পৰা নাই, তেওঁ বিচৰা ধৰণে মই সাজোন-কাচোন নকৰোঁ, তেওঁ বিচৰা বন্ধুমহলৰ সৈতে মই সহজ মিলামিচা নকৰোঁ, মই হেনো ৱৰ্থলেছ ক্ৰিয়েছৰ—বুজিছানে 'ৱৰ্থলেছ' মই, মূল্যহীন।

ঃ তুমি কিয় বসন্তৰ সৈতে বিছনাত নোশোৱা নন্দিনী, মই এই কথাটো জনাৰে পৰাই তোমাক কৈছিলো, ভয়ংকৰ কথা হ'ব এদিন।

ঃ কি ভয়ংকৰ কথা হ'ব! কিয় মই তেওঁৰ সৈতে শুম? স্বামী হোৱা বাবেই! কিন্তু তেওঁ যে প্রতি নিশা মোক ৰেপ কৰে' ভাস্বতী চমকি উঠিল প্রথমবাৰৰ বাবে। ভাস্বতীৰ মুখলৈ চাই নন্দিনীয়ে উচুপি উচুপি ক'লে—ট্রাষ্ট মি, ব'ছন্ত বিছনাত পৰিয়েই আজুৰি আজুৰি মোৰ কাপোৰ খোলে দহ মিনিটমান শৰীৰৰ সৈতে খেলা কৰে, তেওঁৰ প্রয়োজন শেষ হোৱাৰ লগে লগে মোৰ ফালে পিঠি দি নাক ঘোৰ্ঘোৰাই শুই পৰে। এয়া ধৰ্ষণ নহয় কি? এদিন মই কৈছিলো, তুমি দিনৰ যিকোনো সময়ত মোক এবাৰ নিবিড়ভাৱে সাবটি ধৰিবাছোন, এবাৰ গভীৰ চুমা দিবা মোৰ মুখত, শৰীৰৰ যিকোনো অংগত। কিজানি তোমাক মই ভাল পাবলৈ আৰম্ভ কৰিম—তোমাৰ সৈতে জীৱন কটাবলৈ মই মোৰ পৰিয়াল-স্বজন ত্যাগ কৰি আহিছোঁ, মই তোমাৰ অনুগ্রহ প্রার্থী জানো? তুমি যদি মোৰ স্বামী, ময়ো তোমাৰ পত্নী, সহধৰ্মিনী। তুমি বিচৰা সকলো দিম, আনকি প্রতি নিশা মই তোমাৰ ধৰ্ষণ হাঁহিমুখে গ্রহণ কৰিম, যদি তুমি দিনৰ পোহৰত দিয়া তোমাৰ অকমান স্পর্শ, অলপ ভালপোৱাৰ বশ্যতা, মই দাসী হৈ যাম তোমাৰ চিৰজীৱনৰ বাবে... নন্দিনীয়ে এইবাৰ হুক্-হুকাই কান্দি পেলালে। ভাস্বতীয়ে নন্দিনীক এহাতেৰে সাবটি ধৰি আকাশৰ জোনটোলৈ চাই থাকিল। ভাস্বতীৰ নিজৰ ভৱিষ্যতৰ বৈবাহিক জীৱনটোলৈও ভয় লাগিবলৈ ধৰিলে, যদি তাইৰ স্বামীও বসন্তৰ দৰে হয়! পুৰুষ ইমান স্বার্থপৰ কিয়? ভাস্বতীৰ ভাব হ'ল, আমাৰ সমাজত ভিন্-ভিন্ ৰূপত বিবাহিতা নাৰী দাসীৰ বাহিৰে একো নহয়। নাৰীৰ কোনো ধৰ্ম নাই, জাত নাই, একমাত্র এটাই সংজ্ঞা, দাসী। হিন্দু-মুছলমান, খ্রীষ্টান, বৌদ্ধ-জৈন সকলো সম্প্রদায়ৰ নাৰীৰ সমস্যা এটা পৰিধিত বিলীন হৈ যায়। বিবাহপাশত পুৰুষ কেতিয়াও বন্দী নহয়, বন্দী হয় নাৰী। চাৰ্কাছৰ বাঘিণীৰ দৰে বিবাহিতা নাৰী। আমৃত্যু সংসাৰ চাৰ্কাছত খেল দেখুৱাই হাত চাপৰি বুটলিব পাৰিলেহে হ'ব পাৰি আদর্শ পত্নী বা বোৱাৰী। ভাস্বতীয়ে নন্দিনীক হঠাতে কৈ পেলালে—নন্দিনী, তোমাৰ সন্মুখত দীঘল খোলা ৰাস্তা। তুমি ওলাই আহা—বসন্তক এৰি তুমি ওলাই আহা। নন্দিনী চমকি উঠিল। তাই অবাক হৈ প্রশ্ন কৰিলে—ভাস্বতী, কি কৈছা তুমি!

—আৰু কোনো উপাই নাই নন্দিনী, তিল তিলকৈ তুমি জীৱন আহুতি যদি দিব নোৱাৰা, তেন্তে ওলাই অহাৰ সাহস কৰা।

নন্দিনীয়ে এইবাৰ খোলা আকাশখনলৈ চাই ক'লে—মোক ভাবিবলৈ দিয়া ভাস্বতী—হয়তো তুমি ঠিক কথা কৈছা—হয়তো নহয়, তুমি মোৰ মনৰ কথাই কৈ পেলালা আজি...

(ওঠৰ)

ঃ সমাজশাস্ত্র বিভাগৰ 'ছাৰ'বোৰ কিন্তু বৰ ইণ্টাৰেষ্টিং দেই। সমীৰে গহীনাই মন্তব্য দিলে।

ঃ কিয় ক'লা।

ভাস্বতীয়ে টপৰাই সুধিলে।

ঃ নাই মানে, বেছ ধুনীয়া-টিপ-টপ্ মানুহ এই ক্লাছলৈ যোৱা ছাৰজন। এওঁলোকক দেখিলেতো ধাৰণাই নহয়, ডিব্রু-বিশ্ববিদ্যালয়ৰ কিবা অভাৱ-অভিযোগ আছে বুলি। এই ক্লাছটোকে চোৱাছোন, খিৰিকীৰ আয়না ভঙা, ব্লেক বৰ্ডত চক পেঞ্চিলেৰে আখৰ লেখিবলৈকে দিনৌ মাছ-মাংস খাই এক্সাৰচাইজ কৰি আহিব লাগিব।

ঃ সমীৰ, তুমি আজি মাত্র ক্লাছ কৰিছা। ভগা খিৰিকীৰ আয়নাত তুমি লেখিব নালাগে নহয়। ব্লেক বৰ্ডখন ৰং কৰিব ঠিক হৈ যাব, আখৰবোৰ আমি যদি দেখিছো তুমিও দেখিবা, যদি চকুৰে দেখা নাই চশমা-তছমা লোৱা। তুমি বাৰু নিসিজা ফুকনৰ বংশৰ নেকি? ভাস্বতীয়ে হাঁহি হাঁহি সুধিলে।

ঃ কি নিসিজা ফুকন? সমীৰ এইবাৰ কিছু ছিৰিয়াছ হৈ চোঁচা মাৰি ভাস্বতীৰ কাষলৈ আহিল।

ঃ আৰে-আৰে-মাৰিবাই নেকি? শুনা—এজন কিবা ফুকন উপাধিৰ মানুহ। তেওঁক নিসিজা ফুকন বুলিয়েই সকলোৱে মাতে। সংসাৰৰ একো বস্তুৱেই তেওঁৰ পচন্দ নহয়, কিবা নহয় কিবা খুঁত এটা নধৰালৈকে তেওঁৰ শান্তি নাই। এবাৰ চুবুৰীয়াৰ ঘৰত বিয়া এখন পাতি সকলোৱে সিদ্ধান্ত ল'লে যে নিসিজা ফুকন আহিলে যত্নৰ ত্রুটি কৰা নহ'ব। তেওঁৰ মুখৰ পৰা 'ভাল' শব্দটো যেনে-তেনে উলিয়াবই লাগিব। সেইমতেই কাম হ'ল। বিয়ালৈ ফুকন অহাৰ লগে লগে আথে-বেঠে মাতি বহুৱা হ'ল। পানী-চাহ-তামোল যঁচা হ'ল। যত্নেৰে জলপান খুওৱা হ'ল। মুঠৰ ওপৰত ফুকনক সন্তুষ্ট কৰিবলৈ গৃহস্থকে আদি কৰি আত্মীয়-স্বজন সকলো ব্যস্ত হৈ পৰিল। গৃহস্থই সৰ্বশেষত দৰা সমন্বিতে আঁঠুকাঢ়ি তেওঁক সেৱা কৰি আশীৰ্ব্বাদ লৈ পদূলিলৈকে আগবঢ়াই দিলে। নিসিজা ফুকন পৰম তৃপ্তিৰে ৰাস্তাৰে ঘৰমুৱা হওঁতে, বাটৰুৱা এজনে সুধিলে—'বৰ আনন্দৰে আহিছে দেখোন ফুকন—বিয়া বৰ ভাল হৈছে নিশ্চয়।' ফুকনে তৎক্ষণাৎ ক'লে—'হয়, পিচে বিয়া ইমান ভাল হোৱাও ভাল নহয়।' এতিয়া বুজিলা।

সমীৰৰ কাণ-মুৰ ৰঙা পৰিল। খঙো নিশ্চয় পেটে-পেটে ভীষণ উঠিছে ভাস্বতীৰ ওপৰত। কিন্তু সমীৰে প্ৰকাশ নকৰি ক'লে—মই সমাজশাস্ত্র বিভাগৰ অধ্যাপকক প্রশংসাহে কৰিছিলোঁ—ভাস্বতীয়ে কোনোমতে হাঁহি বন্ধ কৰি ক'লে—ঠিকেই, মইহে বুজাত ভুল

কৰিছোঁ। হয়, আমাৰ 'ছাৰ' প্ৰত্যেকৰে বেলেগ ব্যক্তিত্ব, বৈশিষ্ট্য। এই যে ক্লাছ লৈ ওলাই গ'ল—যাক তুমি ধুনীয়া-টিপ-টপ্ বুলি কৈছিলা, বৰদলৈ ছাৰ, তেওঁ গীতিকাৰ, গান শুনানে কেতিয়াবা? ৰেডিঅ'ত যদি কেতিয়াবা গান শুনা মন কৰিবা। গীতিমালিকাত এই ছাৰৰ গীত বাজে। অপূৰ্ব শব্দ চয়ন। আৰু আহে বৰঠাকুৰ ছাৰ। তেওঁৰ পত্নী সু-গায়িকা। নিজেও কলা-সংস্কৃতিত জড়িত মানুহ। আহমেদ ছাৰৰ কথা পিচত বুজি পাবা। দেখাত এজন বিশৃংখল মানুহ, কিন্তু আমি ছাত্ৰ-ছাত্ৰীবোৰ তেওঁৰ সন্মোহনত বন্দী। শৰ্মা ছাৰ, —তেওঁ আচৰিত মানুহ। পেহা-খুড়া-বৰদেউতা, এনেকৈ মাতিবলৈ মন যায়। ছাত্ৰ-ছাত্ৰী ঘৰলৈ গ'লে, আপোন মানুহ বহুত দিনৰ মূৰত দেখা পালে আনন্দত উত্ৰাৱল হোৱাৰ দৰে হয়। তেওঁ আকৌ ক্লাছৰ ছাত্ৰ-ছাত্ৰীৰ ফীজ দিয়া, ফৰ্ম ফিলাপ কৰা কামবোৰো বিনা দ্বিধাই কৰি দিয়ে। দলে ছাৰ, গগৈ ছাৰ কাৰ কথা শুনিবা? শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ এই মধুৰ সম্পৰ্ক তুমি এদিনতে বুজিব নোৱাৰা। গতিকে তৎক্ষণাৎ একো মন্তব্য নিদিবা। আৰু এটা কথা। এই ক্লাছৰুম অস্থায়ীহে। এই বিভাগৰ বিল্ডিং সজা কাম আৰম্ভ হৈছে—

দুখ নকৰিবা। —ভাস্বতীয়ে কথাবোৰ কৈ ক্লাছৰুমৰ পৰা ওলাই গ'ল। সমীৰে ওঁঠ বিকটাই দুই বাহু উঠাই-নমাই ভাস্বতীৰ ফালে চাই এক বেলেগ ভংগীমা কৰিলে। ক্লাছৰুমৰ ল'ৰা-ছোৱালীবোৰে এই মুহূৰ্ত বেছ উপভোগ কৰিলে।

✧ ✧ ✧

পৰীক্ষালৈ বেছি দিন নাই, হোষ্টেলৰ ছোৱালীবোৰে সন্ধিয়া ছয় বজাৰ পৰাই পঢ়াৰ টেবুলত বহিবলৈ প্ৰস্তুতি চলোৱা হৈছে। ভাস্বতীৰ নতুন সমস্যা এটাই দেখা দিছে। হোষ্টেলতে পেলনীয়া ভাত-পানী খাই জীৱন নিৰ্বাহ কৰা কুকুৰটোৱে পোৱালি তিনিটা জন্ম দিছে। মাকৰ অৱস্থা শোচনীয়, কিবা অচিন বেমাৰত তাই উঠিব নোৱাৰে। দুটা পোৱালি মৰিল। নিশা কুকুৰজনীয়ে যন্ত্ৰণাত চিঞৰে। দেহৰ যন্ত্ৰণাতকৈও তাইৰ পোৱালি দুটাৰ মৃত্যুৰ যন্ত্ৰণা বেছি।। ৰান্ধনি ঘৰৰ কাষৰ জাবৰ পেলোৱা ঠাইত জাৰৰ পৰা ৰক্ষা পাবলৈ ভাস্বতীয়ে কুকুৰজনীক এটা ফটা বস্তা দি থৈ আহিছিল। পোৱালি জন্মৰ পিচত মাকজনীয়ে চকু নগজা পোৱালিকেইটা এৰি খাবলৈও নাহে। পৃথিৱীৰ সকলো প্ৰাণীৰ মাতৃজাতিৰ হৃদয় একেই। ভাস্বতীয়ে কেবাদিনো কুকুৰজনীক নেদেখি এদিন চাবলৈ গ'ল। ৰান্ধনি ৰামু কাকাই চিঞৰিলে—নাযাবা, কুকুৰজনী বৰ খঙাল হৈছে, মানুহ দেখিলে তাই চোঁচা মাৰি খেদি আহে। ভাস্বতী তথাপিও তাইৰ ওচৰলৈ গ'ল। কুকুৰজনী লেৰেলা-চেপেতা হৈ পৰি আছে। বুকুত গাখীৰ বোধহয় নাই। কণমান পোৱালিটোৱে বুকুত সোমাই গাখীৰ বিচাৰি ফুৰিছে। কুকুৰজনী লেবেজান হৈ পৰি আছিল। ভাস্বতীৰ খোজৰ শব্দত তাই চকু ঘূৰালে। ভাস্বতী দূৰত থমকি ৰ'ল। অলপ ভয়ো লাগিল। অসুখ আৰু অনাহাৰত কোনো

প্ৰাণীয়ে সুষ্ঠ আচৰণ দেখুৱাব নোৱাৰে। কিন্তু ভাস্বতী আচৰিত হৈ গ'ল, যেতিয়া কুকুৰজনীয়ে ভাস্বতীক দেখি দুৰ্বল নেজডাল জোকাৰি সম্ভাষণ জনালে। কেতিয়াবা এটুকুৰা ৰুটি, জাৰৰ দিনত বস্তা এটা দিয়াৰ বাহিৰে ভাস্বতীয়ে কুকুৰজনীক একো কৰা নাছিল। তথাপিও এই অসহায় অৱস্থাৰেও কুকুৰজনীয়ে ভাস্বতীক দেখি আনন্দ প্ৰকাশ কৰিছে। ভাস্বতীৰ বুকুখন বিষাই উঠিল। কেতিয়াবা ভাস্বতীৰ ইতৰ প্ৰাণীক জীৱশ্ৰেষ্ঠ বুলি ভাবিবলৈ মন যায়। ভাস্বতী কুকুৰজনীৰ ওচৰলৈ আগবাঢ়ি যোৱাৰ লগে লগে তাই উঠিবলৈ যত্ন কৰি পৰি গ'ল। কি কৰুণ তাইৰ চকু হাল! এবাৰ পোৱালিটোলৈ চাই তাই পুনৰ ভাস্বতীৰ ফালে চাই নিথৰ হৈ পৰি থাকিল। ভাস্বতী তৎক্ষণাৎ নিজৰ ৰুমলৈ গ'ল। হীটাৰত অলপ পানী গৰম কৰি চাহ খাবলৈ অনা পাউদাৰ গাখীৰ গুলি, বাথৰুমত ব্যৱহাৰ কৰা সৰু মাগ এটাত প্ৰায় আধাভাগ গাখীৰ লৈ গৈ কুকুৰজনীক দিলে। বৰ কষ্টৰে কুকুৰজনীয়ে গাখীৰখিনি খাই কোঁৱাৰি চেলেকি ভাস্বতীলৈ সতৃষ্ণ নয়নেৰে চাই ৰ'ল। সেই যি আৰম্ভণি, কুকুৰজনীক ভাত আৰু গাখীৰ নিয়মিত দিয়াৰ কাম এটা নতুনকৈ সংযোজন হ'ল। হোষ্টেলত এক বিৰূপ পৰিস্থিতিৰো আৰম্ভণ হ'ল। কিছুসংখ্যক ছোৱালীয়ে ৱাৰ্ডেনক আপত্তি কৰিলে, হোষ্টেলত বেমাৰী অসুস্থ কুকুৰ থাকিব নোৱাৰিব। বাহিৰত এৰি থৈ আহিব লাগে। ভাস্বতী অসহায় হৈ পৰিল। এদিন ৱাৰ্ডেনক লগ ধৰি পোৱালিটো অলপ বুজন হোৱালৈকে কুকুৰজনী হোষ্টেলত ৰাখিবলৈ ভাস্বতীয়ে অনুনয়-বিনয় কৰিলে। ৱাৰ্ডেনৰো মন কুমলিল ভাস্বতীৰ এই আচৰিত অনুৰোধত। ৱাৰ্ডেনে কিছু সময় ভাস্বতীৰ ফালে চাই ক'লে—'তোমাৰ দৰে অদ্ভুৎ ছোৱালী এই হোষ্টেলত আগতে কেতিয়াও নাছিল। তোমাক মাজে মাজে মূৰৰ বিকৃতি থকা যেন লাগে।' ভাস্বতীয়ে হাঁহি মাৰি ক'লে—'বাইদেউ, মনে বিচৰা কাম কৰিবলৈ কেতিয়াবা পাগলামিৰো দৰকাৰ। থেংকিউ মেদাম।' কিন্তু ভাস্বতীৰ ইমান পৰিশ্ৰমৰ পিচতো কুকুৰজনী নাবাচিল। এদিন পুৱা দেখা গ'ল মৃত মাকৰ বুকুৰ গাখীৰ নাপাই পোৱালিটোৱে চেৰেউ-ফেৰেউকৈ ভুকি আছে। কুকুৰজনী বস্তাত ভৰাই পেলাই দিবলৈ নিয়া হ'ল। পিচে পিচে দৌৰি গ'ল কণমানি পোৱালিটো। হোষ্টেলৰ গেইট পাৰ হ'ব খোজোতেই ভাস্বতীয়ে কণমানি পোৱালিটো দুহাতেৰে দাঙি আলফুলে কোলাত ল'লে আৰু পোনছাতেই ৱাৰ্ডেনৰ কোঠালিলৈ গৈ ক'লে—বাইদেউ, এই পোৱালিটো মই ৰাখিম, দিবনে? নিদিলে মই হোষ্টেল এৰি গুচি যাম এতিয়াই।

ৱাৰ্ডেন স্তম্ভিত হৈ ৰ'ল। তাৰ পিচত ক'লে—কুকুৰ পুহিবা। হোষ্টেলত? নহ'লে গুচি যাবা? সঁচাকৈ তোমাৰ মূৰৰ বিকৃতি আছে।

—এই পোৱালিটোৰ চকুকেইটা চাওক বাইদেউ! সি এই পৃথিৱীত কিমান অসহায়! মোৰ কোলাত মনে মনে আছে দেখিছে—ইয়াৰ মাকে কালি মই ভাত দিবলৈ যাওঁতেও বোধহয় মোক কৈছিল—তাইৰ অস্ফুট গেঙনি মই শুনিছিলো—ভাস্বতীয়ে এইবাৰ হুক্-হুকাই কান্দি পেলালে।

ৱাৰ্ডেনে কিংকৰ্তব্যবিমোৰ হৈ কৈ পেলালে—হ'ব হ'ব, মই বুজিছো, কুকুৰ ৰাখা, কিন্তু কাৰোবাক কামুৰিলে তুমি দায়িত্ব ল'ব লাগিব। ভাস্বতীয়ে কান্দি কান্দিয়েই সন্মতি জনালে। কুকুৰ পোৱালিটো হোষ্টেলৰ নতুন সদস্য হৈ পৰিল। ভাস্বতীয়ে ডাঠ কাগজৰ কাৰ্টুন এটা আনি, তাত কাপোৰ-কানি দি কুকুৰৰ কোঠালি এটা কৰি দিলে। ৰুমৰ দুৱাৰ মুখত কুকুৰ পোৱালিটোৰ বাসস্থান। ভাস্বতীয়ে হোষ্টেলৰ ৰুমৰ ভিতৰলৈ কুকুৰটো নিবলৈ সাহস কৰা নাই, কাৰণ তাইৰ সৈতে আন সহপাঠীও কোঠালিত থাকে। লাহে লাহে কুকুৰটোৰ নাম হৈ পৰিল 'জিমি'। প্ৰত্যেকজনী ছোৱালীৰ পিচে পিচে জিমি ক্ষুদ্ৰ ভৰিকেইখনেৰে দৌৰি ফুৰে। লাহে লাহে কুকুৰ ভাল নোপোৱা ছোৱালীকেইজনীয়েও জিমিলৈ চাই 'চুক্-চুক্' বুলি মাত এষাৰ দি যোৱা হ'ল। ভাস্বতীয়ে মৰমতে সৰু জুনুকা এটা আনি জিমিৰ ডিঙিত ওলোমাই দিলে। সন্ধিয়াৰ পিচত নিৰ্জন হৈ পৰা হোষ্টেলত তেতিয়াৰ পৰা এটা জুনুকাৰ শব্দ ঘূৰি ফুৰিবলৈ ল'লে। জিমিও মৰম পাই তীখৰ হৈ উঠিল। বিস্কুটৰ ভাগ ল'বলৈ সি কিছুমান বিশেষ কোঠালিত, বিশেষ সময়ত গৈ উপস্থিত হ'ব জনাও হ'ল।

এই সমগ্ৰ 'কুকুৰ কাণ্ড' ঘটিছিল ভাস্বতীৰ পৰীক্ষাৰ সময়ত। ৰুমমেটকেইজনীয়ে বাৰে বাৰে ভাস্বতীক পঢ়া টেবুলত বহিবলৈ সকিয়ালে। ভাস্বতীৰ সময় নাই। কুকুৰ পোৱালিক সময়মতে দুবাৰ গাখীৰ দিয়া, গাখীৰ খাব নজনা পোৱালিটোক এঘণ্টা সময় যুঁজি যুঁজি ড্ৰপাৰেৰে গাখীৰ খুওৱা, ভাত পিটিকি খুওৱা আদি কাৰ্যত ভাস্বতীয়ে পাৰ কৰিলে ঘণ্টাৰ পিচত ঘণ্টা। পোৱালিটোৱে নিজে খাব পৰা হোৱাৰ দিনা ভাস্বতী আনন্দত আত্মহাৰা হ'ল। তাই ৰুমমেটক মাতি আনি দেখুৱালে সেই দৃশ্য। পোৱালিটোৱে নিজে চেলেকি প্লেটৰ গাখীৰ খাইছে। ভাস্বতীৰ সহপাঠী কৃষ্ণাই সেই মুহূৰ্তেতে ভাস্বতীক ক'লে— ভাস্বতী, পৰহিলৈৰ পৰা তোৰ পৰীক্ষা। মাজত মাত্ৰ এটা দিন, পাৰিবিনে বাৰু তাই পৰীক্ষা দিব? কুকুৰ পোৱালি ঠিয় কৰাই, তই খালত বাগৰি নপৰতো?

✧ ✧ ✧

নিমাত হৈ গ'ল ভাস্বতী। ৰিজাল্ট ইমান বেয়া হ'ব বুলি ভবা নাছিল তাই। দুটা বিষয়ত ফেইল কৰিছে ভাস্বতীয়ে। দুখন পেপাৰ পুনৰ দিয়াৰ সুবিধা আছে পিচৰ মাহৰ 'মিডটাৰ্ম' পৰীক্ষাত। কিন্তু ভাস্বতীৰ মনোবল হঠাতে ভাঙি পৰিল। সহপাঠীৰ ব্যক্তিগত সমস্যাৰ পৰা বাটৰ কুকুৰৰ সমস্যা সকলোতে জড়িত হৈ সমাধান কৰিবলৈ ভালপোৱা ভাস্বতী, পৰীক্ষাৰ ৰিজাল্টৰ পিচত নিমাত হৈ কোঠাত সোমাই থাকিল। বন্ধু-বান্ধৱীয়ে বহু বুজনি দিয়াৰ পিচতো ভাস্বতী অবুজন হৈ পৰিল। তাই গুচি যাবগৈ। ডিব্ৰু-বিশ্ববিদ্যালয়ত আৰু নপঢ়ে। এই আচম্বিত সিদ্ধান্তত ভাস্বতীৰ ৰুমমেটকেইজনী স্তম্ভিত হৈ পৰিল।

'পাগলী হ'লি নেকি ? এমাহ্ পঢ়ি এই বিষয় দুটা ক্লিয়েৰ কৰিলেই হ'ল দেখোন !' ৰীণাই উত্মাৰে ভাস্বতীক ক'লে। ভাস্বতী নিমাত। 'কুকুৰ পোৱালি পোহ, ঘণ্টাৰ পিচত ঘণ্টা তাক নিচুকাই থাক, কাৰোবাৰ বাবে হাস্পতালত ৰাতি পৰ দেগৈ, কাৰোবাৰ গিৰিয়েকৰ সৈতে কাজিয়া—তই গৈ ভাঙি দেগৈ, এইবোৰ সকলো কৰি যদি সময় ওলাই, তেতিয়া নিজৰ পঢ়া কিতাপখন মেলি ল'বি।—অনুৰেখাই মন্তব্য দিলে। এইবাৰ হঠাতে ভাস্বতীৰ খং উঠি আহিল। তাই চিঞৰি চিঞৰি ক'বলৈ ধৰিলে—'ভাল হৈছে, মই দুটা বিষয়ত ফেইল কৰিছো—সেয়া মোৰ কথা। মই ভাল পাইছো—কুকুৰ পুহিছো, মই ভাল পাইছো—দিনে ৰাতিয়ে কাৰোবাৰ বাবে হাস্পতালত আছো, মই ভাল পাইছো—কাৰোবাৰ সংসাৰ জোৰা লগাবলৈ গৈছো—মানুহ খুন কৰিছো নেকি ? তহঁতৰ মতে পঢ়িবলৈ আহি এইবোৰ কামত লগা মানে গোল্লাই যোৱা। পঢ়-পঢ়ি ফাৰ্ষ্টক্লাছ লৈ তহঁতে দেশ ৰক্ষা কৰ—মই কাইলৈয়ে ঘৰলৈ যামগৈ।'

ভাস্বতীয়ে সঁচাকৈয়ে কাপোৰ-কানি, কিতাপ বান্ধিবলৈ ল'লে। সমাজবিদ্যাৰ কিতাপবোৰ ট্ৰাংক এটা বিছনাৰ তলৰ পৰা চোঁচৰাই আনি ভৰাবলৈ ধৰিলে। ৰীণাই ভাস্বতীক এইবাৰ প্ৰায় বাউসী দুটাত ধৰি জোকাৰি দিলে। 'টী, চা তোক আমি কিমান ভাল পাওঁ। ভাল পাওঁ বাবেইতো তোক গালি দিছোঁ। চা-টী, তই পঢ়া-শুনাত ভাল। কিন্তু তয়ে ক'চোন—তই জানো এই বিশ্ববিদ্যালয়লৈ এটা ডিগ্ৰীৰ বাবে অহা নাই ? তই লাইব্ৰেৰীৰ পৰা যিমান কিতাপ আনি পঢ়-তাত সমাজবিদ্যাৰ কিতাপ কেইখন থাকে ? ভাস্বতী, তই সমাজশাস্ত্ৰ পঢ়িবলৈ ইয়ালৈ আহিছ। হাতত বাৰটা মাহো নাপাৰ। মুঠ তিনিশমান দিনত তই এই বিষয় পঢ়ি ভালকৈ ডিগ্ৰী ল'ব লাগিব। তই কৰা কামবোৰ ভাল কাম—কিন্তু এয়া সময় নহয়। বিশ্ববিদ্যালয়ৰ পৰা ওলাই গৈ অনন্ত সময় পাবি তই বিচৰা কাম কৰিবলৈ—আমি তোৰ পৰা এতিয়া ভাল পৰীক্ষাৰ ৰিজাল্টহে আশা কৰোঁ। তই আমাক কিয় ভুল বুজিছ—আমি তোৰ ৰুমমেট, বান্ধৱী, সদায় ভাল চিন্তা কৰোঁ।' ভাস্বতীয়ে ৰীণাৰ ফালে কিছু সময় তভক মাৰি চাই ৰ'ল। তাৰ পিচত ক'লে—তাৰ মানে ইয়াত কেৱল পঢ়িম, তোৰ যদি কিবা বিপদো হয়, সেয়া তোৰ সমস্যা বুলি মই চকু মুদি কেৱল পঢ়িম। অৰ্থাৎ আত্মস্বাৰ্থ ইয়াত প্ৰধান। বৰ দুখ লাগে ৰীণা, পৰীক্ষাৰ ফলাফলেই আমাৰ শেষ বিচাৰ। কি হ'ব মই প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ, যদি তোৰ দুখত মোৰ চকুপানী নোলায় ? কি হ'ব মই—'নৰ্মছ' লৈ পাছ কৰি, বিশ হাজাৰ টকা দৰমহাৰ চাকৰি এটা কৰিলে ! মই যদি অসহায় কুকুৰ পোৱালি এটা বুটলি লোৱাটো হাঁহি-ঠাট্টাৰ বিষয় হয়, নন্দিনীৰ দৰে সহপাঠী এজনীৰ মনোবেদনা অনুভৱ কৰা কথাটো যদি মোৰ বদ্‌গুণ বুলি বিবেচিত হয়, তেন্তে নালাগে মোক বিশ্ববিদ্যালয়ৰ শিক্ষা—ডিগ্ৰী। মই মোৰ মতেই কাম কৰিম। আজিহে মোৰ উপলব্ধি হৈছে। বছৰি কিমান ডিগ্ৰীধাৰী, তথাকথিত শিক্ষিতৰ এনেকৈ জন্ম হৈছে আৰু কিয় সমাজখন আগতকৈও স্বাৰ্থপৰ, হিংসুক হৈ গৈছে সেয়া মই ঠিক বুজি পাইছোঁ।

মোক আৰু তহঁতবোৰে বুজাই লাভ নাই। থেংক্‌ছ ফৰ এভ্ৰিথিং। মোক ইমানদিনে দিয়া বন্ধুত্ব আৰু মৰমৰ কৃতজ্ঞতা তহঁতবোৰৰ প্ৰতি সদায় থাকিব। কাইলৈ মই যাম—সেয়া মোৰ শেষ সিদ্ধান্ত। গুড নাইট।' লাইট নুমুৱাই ভাস্বতী তৎক্ষণাৎ শুই পৰিল। মুহূৰ্ততে কোঠালিটো অন্ধকাৰত বুৰ গ'ল। নীৰৱতাৰ কজলা চাদৰ এখনেৰে কোঠালিটো ঢাকি পেলালে। এক বাংময় কৰুণ উশাহ-নিশাহেৰে কোঠালিটোৰ বতাহ গধুৰ হৈ পৰিল।

✧ ✧ ✧

সঁচাকৈয়ে ভাস্বতী যাবলৈ ওলাল। ৱাৰ্ডেনে অবিশ্বাসৰ ভংগীৰে সুধিলে—তুমি কি ধেমালি কৰিছা এয়া জানানে?

—জানো বাইদেউ। ভাস্বতীয়ে তলমূৰকৈ ক'লে।

—মই তোমাৰ লোকেল গাৰ্জেনৰ সৈতে কথা পাতিম। আজি নোৱাৰা তুমি যাব।

—মই লোকেল গাৰ্জেনক ইতিমধ্যে ক'লো, মোৰ সিদ্ধান্তৰ কথা।

—এমাহ পিচত তুমি এই পৰীক্ষা দুটা দিব পাৰিবা। এনেকৈ টকা-পইচা খৰছ কৰি, আধাতে পঢ়া জীৱন নষ্ট কৰিবলৈ ওলোৱা ছোৱালী মই জীৱনত লগ পোৱা নাই। নে তোমাৰ অন্য কিবা কথা আছে! হাঁ! সঁচা কথা কোৱা—ৱাৰ্ডেনে ডাঠফ্ৰেমৰ চশমাযোৰ দুবাৰমান চকুৰ ওপৰতে উঠা-নমা কৰি সুধিলে। ভাস্বতীৰ খং উঠি আহিল। তথাপিও ধৈৰ্য ধৰি ক'লে—আপুনি নিশ্চয় ভাবিছে, কোনোবা ল'ৰাৰ সৈতে মই গোপনে গৈ সংসাৰ কৰিবলৈ মন মেলিছো নেকি—এক্কেবাৰেই অমূলক চিন্তা এয়া। হঠাতে মই বিশ্ববিদ্যালয়ৰ শিক্ষাৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পৰিছোঁ।

—তুমি পাগলী। প্ৰথমৰ পৰাই মই দেখিছো তুমি আচৰিত কাণ্ডবোৰ কৰি ভাল পোৱা। এয়া তোমাৰ বাহাদুৰি দেখুওৱাৰ ইচ্ছা নে আনৰ মনোযোগ আকৰ্ষণ কৰাৰ চেষ্টা ভাস্বতী!

ভাস্বতীয়ে কোনোমতে খং সামৰি ক'লে—সেইবাবেই যাব খুজিছোঁ। এতিয়াৰ পৰা আপোনাৰ হোষ্টেলত বাহাদুৰি দেখুওৱা, আৰু আনৰ মনোযোগ আকৰ্ষণ কৰিব খোজা কোনো ছোৱালী নাথাকিব। আপোনাৰো মূৰৰ কামোৰণি নাইকিয়া হ'ব। ৱাৰ্ডেনে কিবা ভাবিলে, আৰু ক'লে—যোৱা ঘৰত দুদিনমান থাকি আহাঁগৈ। এয়া তোমাৰ দৰ্খাস্ত মই গ্ৰহণ কৰা নাই।

—সেয়া আপোনাৰ কথা। এইবুলি ভাস্বতীয়ে ৱাৰ্ডেনক নমস্কাৰ জনাই, চকীদাৰক ৰিক্সা এখন মাতি দিবলৈ ক'লে। পুনৰ অলপ ৱাৰ্ডেনৰ কাষ চাপি তাই ক'লে—"বাইদেউ, বেয়া নাপাই যদি 'জিমি'ক চাব। মোৰ প্ৰতি যদি আপোনাৰ অলপো মৰম কেনেবাকৈ হৈছিল, সেয়া 'জিমি'ক দিব। সি মোৰ বৰ মৰমৰ।" ৱাৰ্ডেনে একো নামাতি অন্যফালে মূৰ ঘূৰালে।

'ৰিক্সা আহিল!' সুৰেশ নামৰ হোষ্টেলৰ চকীদাৰটোৱে চিঞৰিলে। ভাস্বতী গৈ ৰিক্সাত উঠিল। লগত বেডিং, চুটকেছ, ট্ৰাংক। ঠিক যেনেকৈ প্ৰথমদিনা আহি হোষ্টেল সোমাইছিল। বান্ধৱীকেইজনীমান মৌন হৈ ৰৈ আছে তাইক বিদায় জনাবলৈ। এনেতেই ক'ৰবাৰ পৰা দৌৰি আহিল জিমি। নেজ জোকাৰি জঁপিয়াই—সি ভাস্বতীক যেন বাধা দিব খুজিলে। ভাস্বতীয়ে তাৰ মূৰত হাত বুলাই চকুপানী ৰাখিব নোৱাৰিলে। দৌৰি গৈ ৰিক্সাত উঠিল। ৰিক্সা চলিবলৈ ধৰিলে। ভাস্বতীয়ে উভতি হোষ্টেলটোলৈ নাচালে। তাই ৰিক্সাৱালাক ক'লে—ব'লা বাছষ্টেণ্ড। ভাস্বতীয়ে চকুপানী মোহাৰিলে। বৰ ভাল পাইছিল তাই বিশ্ববিদ্যালয়, হোষ্টেলটোৰ বান্ধৱীবোৰক। 'জিমি'ক এৰি অহাটোও এক অসহ্য যন্ত্ৰণা। ইমান প্ৰগাঢ় বান্ধোন তাই কেনেকৈ চিঙিব পাৰিছে! হয়তো তাইৰ স্বাভিমান বৰ তীব্ৰ।

ভাস্বতীৰ অদ্ভুৎ এটা অনুভৱ হৈছে, একেসময়তে তাই হোষ্টেলটোলৈ ঘূৰি যাবও খুজিছে, আনহাতে ত্যাগ কৰিবও খুজিছে। এনে মুহূৰ্ত কেতিয়াও তাইৰ জীৱনলৈ অহা নাছিল। মাজতে এবাৰ আহি তাই সমাজশাস্ত্ৰ বিভাগৰ মুৰব্বীক লগ কৰি সকলো ফৰমেলিটিজ কৰিবহি। কিন্তু এতিয়া নহয়। আজি তাই যাবই। হঠাতেই তাই এটা চিনাকি মাত শুনি ঘূৰি চালে। কি আচৰিত! ৰিক্সাৰ পিচে পিচে প্ৰাণ পনে দৌৰি আহি আছে তাইৰ মৰমৰ জিমি!

(ঊনৈশ)

ভাস্বতীয়ে ৰিক্সাৰ পিচফালে ঘূৰি চাই সবিস্ময়েৰে চিঞৰি দিলে 'জিমি!' ভাস্বতীৰ মাত শুনি জিমিৰ উৎসাহ দুগুণে বাঢ়িল। এইবাৰ সি ৰাজপথত তাৰ দৌৰৰ গতিবেগ বঢ়াই দি 'ভুক্-ভুক্' কৈ চিঞৰিবলৈ ধৰিলে। ভাস্বতীয়ে দেখিলে, ৰাজপথৰ গাড়ী-ৰিক্সা-চাইকেললৈ জিমিয়ে ভ্ৰূক্ষেপ কৰা নাই। তাৰ চকু ৰিক্সাখনত নিবদ্ধ। ভাস্বতী বিপাণ্ডত পৰিল। জিমি এতিয়াও কেঁচুৱা, ছমাহমানহে হৈছে। এই মাতৃহাৰা পোৱালীটোক মাকে একো শিকাবলৈকে নাপালে। সি ডাঙৰ হ'ল ভাস্বতীৰ আপদালত, ডাঙৰ হৈছে হোষ্টেলৰ ছোৱালীবোৰৰ মাজত। এই জনবহুল ৰাস্তাত সি একেবাৰেই অনভিজ্ঞ। কোনমুহূৰ্তত তাক গাড়ীয়ে চেপি পেলায়... কথাটো ভবাৰ লগে লগে ভাস্বতীৰ বুকুখন শিয়ৰি উঠিল। 'ৰিক্সা ৰাখা ৰাখা' বুলি ভাস্বতীয়ে চিঞৰি দিলে। ৰিক্সাখনে ৰৈ দিলে—ঠিক তেনে সময়তে হঠাৎ স্কুটাৰ এখনে জিমিক খুন্দিয়াই দিলে—জিমি ৰিক্সাখনৰ ফালে 'কেং-কেং' কৈ প্ৰাণকাতৰে চিঞৰি উফৰি পৰিল। ভাস্বতী প্ৰায় উন্মাদৰ দৰে 'জিমি-জিমি' বুলি ৰিক্সাৰ পৰা জঁপিয়াই ৰাস্তাৰ মাজত জিমিক সাবটি আঁঠুকাঢ়ি বহি দিলে। মুহূৰ্ততে কৌতূহলী মানুহৰ জুম হৈ গ'ল। বহুতেই ঠাট্টা কৰিলে। মুখ টিপি হাঁহিলে।

—'কুকুৰ য়াৰ বে—' স্কুটাৰ আৰোহীজনে আনজন যুৱকক হাঁহি হাঁহি ক'লে।

—'অ' কুকুৰহে চেপিলে—মই আক' মানুহ বুলি ভাবিছিলো'—দুগৰাকী ভদ্ৰমহিলাই সবিস্ময়েৰে ৰাস্তাত আঁঠুকাঢ়ি বহি জিমিক হাত বুলাই থকা ভাস্বতীলৈ চাই ক'লে। ভাস্বতীয়ে জিমিক কোলাত তুলি ল'লে। বোকাৰে লুতুৰি-পুতুৰি ঠেংকেইখন মোহাৰি দেখিলে জিমিয়ে বেছি দুখ পোৱা নাই। হাড় ভঙা নাই যেন লাগিল। জিমিয়ে কিন্তু তাৰ শৰীৰৰ আঘাত আওকাণ কৰি উধাই-মুধাই ভাস্বতীক চেলেকিবলৈ ধৰিলে। তাৰ কণ-কণ চকু দুটা পানীৰে উপচি পৰিল। ভাস্বতীৰো চকুৰ পৰা টোপা-টোপে চকুপানী নিগৰিল। এই দৃশ্য দেখি হতবাক ৰিক্সাৱালাটোৱে কি কৰিব ভাবি নাপাই ঘনাই ৰিক্সাৰ টিলিঙা বজাবলৈ ধৰিলে। মানুহবোৰে বেছ কৌতুকেৰে ৰসাল মন্তব্য কৰি ৰাস্তাৰ পৰা আঁতৰিবলৈ ধৰিলে। ভাস্বতীয়ে এইবাৰ জিমিক কোলাত লৈ ৰিক্সাৱালালৈ চাই ক'লে—ব'লা—বাছষ্টেণ্ড নহয় হোষ্টেললৈ উভতি ব'লা। ৰিক্সাৱালাই ভাস্বতীৰ ফালে আচৰিত হৈ চাই ক'লে—বছ মে নহী জানা?

—নহী জানা—ফিৰ হ'ষ্টেল চলো—ৰিক্সাৱালাই ৰিক্সা ঘূৰাই পুনৰ হোষ্টেলমুখী হৈ ৰিক্সা চলালে। ভাস্বতী এইবাৰ জিমিক কোলাত লৈয়ে ফাৰ্মাচী এখনৰ ওচৰত নামিল। ফাৰ্মাচিষ্টজনক গৈ ক'লে—মোক স্কুটাৰ এখনে খুন্দা মাৰিলে, থেতেলা খাইছো—বিষ আছে—নিশালৈ জ্বৰ উঠিব পাৰে, কিবা ঔষধ এটা দিয়কচোন। বয়োবৃদ্ধ ফাৰ্মাচিষ্টজনে

ডাক্তৰৰ দৰে খুটি-নাতি মাৰি ভাস্বতীক বহু প্ৰশ্ন কৰিলে। ভাস্বতীয়েও পাৰ্যমানে উত্তৰ দিলে। ফাৰ্মাচিষ্টজনে দিয়া ঔষধ লৈ ভাস্বতী পুনৰ ৰিক্সাত উঠিল। জিমিয়ে ভাস্বতীক তেতিয়াও সুযোগ পালেই চেলেকি মৰম প্ৰকাশ কৰি আছে। ভাস্বতীয়ে তাৰ মূৰটো পিহি ক'লে—ভেটিনেৰীৰ ডাক্তৰৰ ওচৰলৈ নিলে তই দৰৰ খাই মৰি থাকিবি জিমি। সেয়ে আমি খোৱা দৰৰ তোলৈ লৈছোঁ। ভাল পাই যাবি। তহঁত ইমান জ্ঞানী, মানুহৰ নথকা ভাল গুণবোৰ দেখোন তহঁতেই লৈ আছ—তহঁতে কথা ক'ব পৰা হ'লে, তহঁতৰ লগৰ বদমাছ কুকুৰক 'চালা মানুহ' বুলি গালি পাৰিলিহেঁতেন চাগে' নহয়! জিমি এইবাৰ কু-কুঁৱাই ভাস্বতীৰ কান্ধলৈকে বগাবলৈ যত্ন কৰিলে। যেন সি ভাস্বতীৰ কথাবোৰৰ বহুত উত্তৰ দিব লগা আছে। ৰিক্সাৱালাটোৱে ভাস্বতী আৰু কুকুৰটোৰ কথোপকথন শুনি হাঁহি মাৰি ক'লে—বহ'ত প্যাৰা কুত্তা—মেৰা ভি এক হ্যায়।

—হয় নেকি?

—দেশ মে চব লোক হ্যায়, অপ্না ইহা কয়ি নহী— একদিন ৰ বাচ্ছা কুত্তা মিলগিয়া, ৰ ভি অকেলে থী—অৱ মে ঔৰ ৰ কুত্তা—মেৰা বিবি, বাচ্ছাচে ভি জাদা চাহতে হে মুঝে.....নাম বিন্দিয়া—লড়কী।

ভাস্বতীৰ ৰিক্সাৱালাটোক ভাল লাগি গ'ল। মানুহে মানুহক ভালপোৱাত স্বাৰ্থ থাকে। যিদৰে প্ৰেমিক-প্ৰেমিকাৰ আপোন কৰি লোৱা, ঘৰ-সংসাৰ কৰাৰ স্বাৰ্থ থাকে। স্বামী-স্ত্ৰীৰ ভালপোৱাও এক অভ্যাসবশতঃ গঢ় লোৱা স্বাৰ্থ। ইজন-সিজনৰ যৌনসংগী, যৌনতৃপ্তিৰ নিচাতেই জন্ম হয় সন্তান, বংশবৃদ্ধি। যৌনতা আৰু দায়িত্বৰ স্বাৰ্থত গঢ় লয় ভালপোৱা। পিতৃ-মাতৃ, ভাতৃ-ভগ্নী এই সম্পৰ্কবোৰতো থাকে স্বাৰ্থ। নিৰাপত্তাৰ স্বাৰ্থ, সামাজিক স্বাৰ্থ, কিন্তু এই জীৱ-জন্তুৰ সৈতে হোৱা আত্মীয়তা কেৱল ভালপোৱাৰ নিঃস্বাৰ্থ বন্ধন। যি বন্ধনে ভাস্বতীক আজি ঘৰলৈ প্ৰত্যাৱৰ্তন কৰাৰ পৰাও ওভোটাই আনিছে হোষ্টেললৈ। অমাত জিমিৰ নিঃস্বাৰ্থ আকুল ভালপোৱাই তাইক দৃঢ় সিদ্ধান্ত লোৱাৰ পৰাও বিচলিত কৰি পেলালে। যি দৃঢ়তা ভংগ কৰিব পৰা নাছিল বান্ধৱী অথবা হোষ্টেলৰ ৱাৰ্ডেনেও।

হোষ্টেলৰ সন্মুখত ভাস্বতীৰ ৰিক্সাখন ৰোৱাৰ লগে লগে হোষ্টেলৰ প্ৰথম মহলাৰ বেলকণিত ৰৈ থকা অনুৰেখাই প্ৰথম চিঞৰি উঠিল—ভাস্বতী! তলৰ মহলাৰ খিৰিকীৰ পৰ্দা আঁতৰাই ৱাৰ্ডেনে ভুমুকি মাৰিলে। ৰিক্সাৱালাক পইচা দিবলৈ গৈ ভাস্বতীয়ে জিমিক মাটিত নমাই দিলে। জিমিয়ে এখন ঠেং অলপ লেঙেৰাই-লেকুচিয়াই হোষ্টেলৰ সন্মুখত ৰৈ নেজ জোকাৰিবলৈ লাগিল। জিমিয়ে ভুক্-ভুক্ কৰি ভাস্বতীক ঘূৰাই লৈ অহাৰ জাননীও বীৰদৰ্পে দিলে। ভাস্বতীক আগবঢ়াই নিবলৈ কেইজনীমান বান্ধৱী আগবাঢ়ি আহিল। কোনেও নুসুধিলে, ভাস্বতী কিয় উভতি আহিল। উত্তৰ হিচাপে জিমিৰ আনন্দপ্ৰকাশ আৰু উপস্থিতিয়েই পৰিস্থিতিটো সকলোৰে বোধগম্য কৰি তুলিছে। ভাস্বতীয়ে ঈষৎ হাঁহি মাৰি ক'লে—'গুচি আহিলো—ভালকৈ পঢ়িম।'

ৰীণাই অলপ অভিমানেৰে জিমিৰ ফালে চাই ক'লে—'শুনিছ জিমি, ভালকৈ পঢ়া-শুনা কৰিব হেনো—তই বুজাবি দেই—তোৰ কথাহে শুনিব।'

ভাস্বতীয়ে লাহেকৈ ৰীণাৰ পণি টেইল কৰি বন্ধা চুলি কোছা জোকাৰি ক'লে—'হ'ব যা—এইবাৰৰ পৰা তহঁতৰ কথাও শুনিম।'

আটায়ে হাঁহি দিলে। জিমিয়েও নেজ জোকাৰি তাৰ কুমলীয়া কণ্ঠৰে সঁহাৰি দিলে আনন্দতে—ভুক্-ভুক্।

✧ ✧ ✧

বুকুত এজাক ধুমুহা...

ভাস্বতীৰ ৰেডিঅ' আৰু টেপ ৰেকৰ্ডাৰত গান শুনি পঢ়া অভ্যাস মতেই ভাস্বতীৰ পঢ়া টেবুলত বাজি আছিল খগেন মহন্তৰ কণ্ঠ 'বুকুত এজাক ধুমুহা, ওফন্দি উঠিছে ঢৌ.... গান শুনি এসময়ত তাই টোপনি গৈছিল। ঠিক তেনেতেই দুৱাৰত টক্-টক্ শব্দ হ'ল। নিশা প্ৰায় বাৰ বাজিবলৈ পোন্ধৰ মিনিটমান বাকী। ভাস্বতীৰ ৰুমত এগৰাকী মাত্ৰ ৰুমমেট, —পুজাৰ বন্ধত গৈ বাকী দুগৰাকী উভতি অহা নাই। আকৌ শব্দ হ'ল—এইবাৰ বেছিকৈ। ৰীণাৰ গভীৰ টোপনী। ভাস্বতীয়ে শুই থকা ৰীণালৈ চাই দুৱাৰ খুলিবলৈ উঠি গ'ল। ইমান নিশা কাৰ কি দৰকাৰ হ'ল! ভাস্বতীয়ে লাহেকৈ হুক্ খুলি দুৱাৰ মেলি অবাক হ'ল। অঞ্জনা দলে থিয় হৈ আছে আধা ছাঁ-আধা পোহৰত। তাইৰ দীঘল চুলিকোছা অযত্নত চেদেলি-ভেদেলি। এটা চকু বেছি কেঁৰা বাবে, অঞ্জনা দলেক ৰেগিঙত উপলুঙা কৰা বাবে ছিনিয়ৰৰ সৈতে কাজিয়া কৰিছিল ভাস্বতীয়ে। তেতিয়াৰ পৰাই অঞ্জনাৰ সৈতে পৰিচয়। কিন্তু দেখা সাক্ষাৎ বৰ কম হয়। অঞ্জনা থাকে তৃতীয় মহলাত। তাৰোপৰি অঞ্জনা পলিটিকেল চায়েন্সৰ ছাত্ৰী। বিভাগ বেলেগ। কেতিয়াবাহে ডাইনিং হলত বাৰ্তা-বিনিময় হয় ভাস্বতীৰ সৈতে। সেই অঞ্জনাক হঠাতে নিশা এইদৰে দেখি ভাস্বতী আচৰিত হৈ গ'ল। 'তুমি আচৰিত হ'বাই মোক এনেকৈ দেখি। তোমাক অকলশৰে অলপ কথা ক'বলৈ আছে—ক'ত ক'ম?'

—কথা! এতিয়া! অঞ্জনাৰ কথাত ভাস্বতী আৰু আচৰিত হ'ল।

—ভাস্বতী—বৰ জৰুৰী। তোমাক নক'লে মোৰ উপাই নাই। মই ভাবিছো মোৰ সমস্যাৰ কথা কেৱল তুমিয়েই বুজি পাবা—অঞ্জনাৰ কণ্ঠত অসহায় কান্দোনৰ সুৰ বাজি উঠিল।

ভাস্বতী অলপ পৰ মনে মনে থাকি ক'লে—'ব'লা বাহিৰৰ লাউঞ্জত বহোঁগৈ।' অঞ্জনা আৰু ভাস্বতী লাউঞ্জৰ দুখন চকীত বহিল। কম পোহৰৰ বাল্ব এটাৰ পোহৰৰ অস্তিত্বই নিশাৰ নিৰ্জনতাক মায়াবী কৰি তুলিছে। অঞ্জনাই একো ন'কৈ উচুপি উচুপি

কান্দিবলৈ ধৰিলে। ভাস্বতী কিং কৰ্তব্য বিমূঢ় হৈ পৰিল। তাই অঞ্জনাৰ বাউসীত হাত থৈ লাহেকৈ মাতিলে—অঞ্জনা—

—অঞ্জনাৰ উচুপনি এইবাৰ কান্দোনলৈ ৰূপান্তৰিত হ'ল। নিস্তব্ধ হোষ্টেলৰ লাউঞ্জৰ দেৱালত অঞ্জনাৰ কান্দোন প্ৰতিধ্বনিত হৈ এক ভৌতিক শব্দৰ সৃষ্টি কৰিলে।

—অঞ্জনা—এইদৰে কান্দিলে মই গুচি যাম।

ভাস্বতীৰ মাতটো বোধহয় কঠিনভাৱে ওলাইছিল। অঞ্জনাই হেকটিয়াই কান্দোন বন্ধ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলে। কিছু নিষ্প্ৰাণ মুহূৰ্ত পাৰ হৈ গ'ল।

—ভাস্বতী—মই প্ৰেগ্‌নেণ্ট....

অঞ্জনাৰ মুখৰ পৰা ওলোৱা বিষাদপূৰ্ণ এই শব্দকেইটাত ভাস্বতী স্তব্ধ হৈ গ'ল। অঞ্জনাই তলমূৰ কৰাৰ পৰা মুখখন লাহে লাহে ওপৰলৈ তুলিলে। 'ভাবিছা চাগৈ ভাস্বতী, মোৰ দৰে কুৰূপা কেঁৰাচকুৱা ছোৱালীজনী কেনেকৈ কুমাৰী কালতে অন্তঃসত্বা হ'ব পাৰোঁ!

ভাস্বতী মৌনতাৰ জগতৰ পৰা ঘুৰি আহিল। তৎক্ষণাত তাই ক'লে—নাই অঞ্জনা, মই সেইবোৰ ভবা নাই। তোমাৰ—মানে, মই ভাবিছো... তুমি এবৰছন কৰাবা নে, কেঁচুৱাটোৰ পিতৃৰ সৈতে বিয়া পাতিবা?

—তেওঁ ট্ৰেন্সফাৰ লৈছে ইয়াৰ পৰা—কথাটো জানিব পাৰি তেওঁ মোৰ খবৰ লোৱা নাই....

—তোমাৰ ঘৰত জানেনে?

—কোনে জানিব? মোৰ মা-দেউতা নাই। বাইদেউ-ভিনদেউৰ সৈতে থাকি বি এ পাছ কৰিলোঁ। বাইদেউ থাকে এতিয়া নগাঁৱত। মই কোন স'তে এই খবৰ দিওঁ? একমাত্ৰ ভাইটোকো খুৰাই পঢ়ুৱাই আছে লক্ষীমপুৰত। মই কি কৰিম... আত্মহত্যা কৰাৰ বাহিৰে আন পথ একো নাই....

অঞ্জনায়ে এইবাৰ ভাস্বতীৰ কান্ধত মূৰ থৈ উচুপিবলৈ ধৰিলে।

—শুনা-শুনা অঞ্জনা, নাকান্দিবা। তুমি মোক সকলো খোলা-খুলিকৈ কোৱা—শুনা, বিপদৰ পৰা উদ্ধাৰটো হ'বই লাগিব। কথাবোৰ ভালকৈ জানিলে, হয়তো কিবা উদ্ধাৰৰ বাট ওলাব...

অঞ্জনা এইবাৰ অলপ আশ্বস্ত হ'ল। তাই সৰু সৰু কৈ ক'লে—'মই প্ৰথম দিনাই বুজিছিলো তোমাক। মোক অন্যায় কৰিলে তেওঁ। মই কুৰূপা বুলি মোৰ এটা হীনমন্যতা সদায় আছিল—এই মানুহজনে মোক কিমান ভাল কথা কৈছিল—কৈছিল—মনৰ সুন্দৰ মানুহৰ বৰ অভাৱ, মোৰ মাজত হেনো সেই সুন্দৰ, সৰলতা আৰু বিশ্বাস সকলো আছে, তেওঁ সেয়ে মোৰ প্ৰেমত পৰিছে, কিন্তু ইমান মিথ্যাচাৰৰ আশ্ৰয় তেওঁ লৈছিলনে বাৰু?.... মই-মই তোমাক আজি সকলো খুলি ক'ম...

(বিশ)

অঞ্জনাই বহুপৰ মৌন হৈ বাহিৰৰ আন্ধাৰলৈ চাই আছিল। লাউঞ্জৰ চুকৰ পৰা চুঙাবাদুলী দুটামান উৰামাৰি আন্ধাৰলৈ উৰা মাৰিলে। 'সকলো ছোৱালীয়ে ৰূপৰ প্ৰশংসা বিচাৰে নহয় ভাস্বতী!' হঠাতে অঞ্জনাই সুধিলে। ভাস্বতী নিমাতে থাকিল। 'মোৰো মনত এনে এটা বাসনা হয়তো ভয়তে কুচি-মুচি ক'ৰবাত সোমাই আছিল। সৰুতে গাঁৱত মোক কেৰী বুলিয়েই সকলোৱে মাতিছিল। চকুৰ মুণি দুটা সঠিক স্থানত নাথাকিলেও মই সকলো দেখিছিলোঁ। মই সহজভাৱেই 'কেৰী' নামটো গ্ৰহণ কৰিছিলোঁ। 'কেৰী বাচনকেইটা ধোগৈ, কেৰী ভাত খাহি আহ' এই কথাবোৰ মোৰ বাবে সহজ হৈ পৰিছিল। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে মোৰ মনটো সংকুচিত হৈ আহিল। মই স্কুলত হীনমন্যতাত ভুগিছিলোঁ। আনকি এজন শিক্ষকেও এদিন স্কুলৰ বছেৰেকীয়া খেল-ধেমালিত যোগ দিবলৈ যাওঁতে সুধিলে—তই আকৌ কি খেলিবি? মই ক'লো—কেৰম ব'ৰ্ড খেলত যোগ দিম। তেওঁ ক'লে—কেৰম খেলিবি? ষ্ট্ৰাইকাৰ গুটিত লাগিবনে? নে বগা গুটি মাৰিলে ক'লা গুটি সুমাবি? ওচৰত বহুত ছোৱালী আছিল, সকলোৱে গিৰ্জনি মাৰি হাঁহিলে। মই সেয়ে সকলোৰে পৰা আঁতৰত থাকিবলৈ লৈছিলোঁ। বিয়া-বাৰু অনুষ্ঠান একোলৈকে যাবলৈ ভাল লগা নাছিল। সকলোৱে মোলৈ পুতৌৰ দৃষ্টিৰে চায়, নতুবা মোক দেখুৱাই হাঁহে। মোৰ বৰ অসুবিধা হৈছিল। কাৰোবাৰ সৈতে মোক চিনাকি কৰাই দিলে, মোৰ দৃষ্টি-ক্ৰটিৰ বাবে দুই তিনিজন মানুহৰ মাজত বিভ্ৰান্তি হয়। প্ৰকৃততে মই কালৈ চাই কথা পাতিছো আন মানুহে ধৰিব নোৱাৰে। মই বৰ বিব্ৰত হওঁ.....

ভাস্বতীলৈ চাই অঞ্জনাই এইবাৰ বিষণ্ণ হাঁহি এটা মাৰিলে। তাৰ পিচত আকৌ ক'বলৈ আৰম্ভ কৰিলে—'এজনী ছোৱালীয়ে যেতিয়া দেখে, তাইৰ লগৰীয়াবোৰে চকুত কাজল সানিছে, দাপোনত নিজক বাৰে বাৰে চাই আত্মহাৰা হৈছে আৰু তাৰ বিপৰীতে আন এজনীয়ে দাপোনখনৰ সন্মুখত থিয় হ'বলৈ সাহস গোটাব নোৱাৰে—জানানে ভাস্বতী মোৰ কেনেকুৱা হৈছিল, দাপোনখনে মোৰ হীনমন্যতাক উপলুঙা কৰি মোকেই ওলোটাই কৈছিল—তোমাৰ চেহেৰা চাবলৈ মোক ব্যৱহাৰ নকৰিবা—মই ধুনীয়া চেহেৰাহে ভাল পাওঁ। এবাৰ মই এখন আইনা মনে মনে ভাঙি পেলাইছিলোঁ। এবাৰ মই এবাৰ মই...... এবাৰ....

—কোৱা অঞ্জনা—ভাস্বতীয়ে অঞ্জনাৰ বাউসীত হাত এখন থ'লে।

—এবাৰ মই আমাৰ গৰু এজনীৰ চকুত জলকীয়া লগাই দিছিলো—কিয় জানানে? বগী ধুনীয়া গাইগৰুজনীৰ চকুদুটা কাজল সনাৰ দৰে ধুনীয়া আছিল। তাইৰ কপালত দীঘল মুগা ৰঙৰ আঁচ আছিল। সকলো মানুহে গৰুজনী দেখি কয়—বৰ লক্ষ্মী গৰু, চকু

দুটা দেখিলেই ভাল লাগে। আমাৰ ঘৰত ৰতন নামৰ এটা গোহালী আৰু বাৰী-ঘৰ চোৱা ল'ৰা আছিল। সি গৰুজনী লৈ বৰ গৰ্ব কৰিছিল। এদিন মই ধেমালিকৈ ৰতনক পিচফালৰ পৰা ঠেলা মাৰি দিছিলোঁ। সি কিন্তু খঙতে মোক ক'লে—কেৰী, তই কাণি কেতিয়াৰ পৰা হ'লি—মোক পিচফালৰ পৰা কিয় খুন্দিয়ালি? ৰতনৰ ওপৰত প্ৰতিশোধ ল'ব পৰা নাছিলো, কিন্তু নিমাখিত ধুনীয়া চকুৰ গৰুজনীৰ দুটা চকুত বিহ জলকীয়া সানি মই প্ৰতিশোধৰ জ্বালা নুমুৱাইছিলোঁ। গৰুজনীৰ চট্-ফটনিত যেতিয়া ঘৰৰ মানুহবোৰ হায়ৰান হৈ দৰৱ বিচাৰি ফুৰিছিল, মই মনে মনে এই অৱস্থা উপভোগ কৰিছিলো। জীৱনত এই ঘটনাটো কেৱল তোমাকেই প্ৰথম ক'লোঁ। আজিও এই কু-কৰ্মৰ বাবে মই অনুতাপ কৰোঁ, কিন্তু মোৰ জানো কম দুখ আছিল ভাস্বতী। কোৱাচোন, মোৰ কথাবোৰ বুজি পাইছানে বাৰু?'

ভাস্বতীয়ে অঞ্জনালৈ চাই মূৰ দুপিয়ালে। অঞ্জনাই স্বস্তিৰে নিশ্বাস এটা এৰিলে। পুনৰ ক'বলৈ ধৰিলে—কলেজত ভৰি দিওঁতেই দেউতা ঢুকাল। তাৰ এবছৰৰ পিচত মাৰ মৃত্যু হ'ল। মোৰ প্ৰতি সহানুভূতি থকা পৃথিৱীৰ শেষ মানুহ দুজন আঁতৰি যোৱাৰ পিচত মই আৰু অকলশৰীয়া হৈ পৰিলোঁ। মই ছোৱালীৰ কলেজত পঢ়িছিলো, আচলতে ল'ৰাৰ প্ৰতি মোৰ কোনো কৌতূহল নাছিল, বৰঞ্চ ইতিকিং বা মস্কৰা পোৱাৰ আশংকাত মই আত্মীয় বা চিনাকি ল'ৰাবোৰৰ পৰাও আঁতৰত আছিলোঁ। বাইদেৱে মোৰ পঢ়া-শুনাৰ দায়িত্ব লৈছিল। এদিন এই বাইদেউৰ ঘৰতে লগ পালো মানুহজনক। গহীন-গম্ভীৰ ল'ৰাজন ভিনদেউতকৈ বয়সত সৰু। তেওঁ আহিছিল ভিনদেউৰ সম্পৰ্কীয় মানুহৰ চিঠি এখন লৈ। বেংকত চাকৰি কৰে। নতুন ঠাইখনলৈ প্ৰথম প'ষ্টিং লৈ আহিছে। চিনাকি মানুহ নাই। এটা ভাড়াঘৰ লাগে। ভিনদেৱে এসপ্তাহমানৰ ভিতৰতে এটা ভাড়াঘৰ বিচাৰি দিলে। তেওঁ বাইদেউৰ ঘৰলৈ সঘনাই আহিবলৈ ল'লে। প্ৰথমে মই সংকোচতে তেওঁৰ সৈতে কথা-বতৰা নাপাতিছিলোঁ। কিন্তু তেওঁ নিঃসংকোচে মোক 'অঞ্জনা-অঞ্জনা' বুলি বাহিৰৰ বাৰাণ্ডাৰ পৰাই মাতিছিল। এবাৰ মোলৈ তেওঁ এযোৰ ধুনীয়া ছানগ্লাছ ক'ৰবালৈ যাওঁতে কিনি আনি উপহাৰ দিছিল। তেওঁ কৈছিল, ৰ'দত পিন্ধিবা। সেইদিনা প্ৰথম মুখ খুলি মই তেওঁক কৈছিলো—বাহিৰত বাৰু মোৰ এই চকুযোৰ ছানগ্লাছৰ তলত লুকুৱাম, আন সময়ত কি কৰিম? তেওঁ কৈছিল—'কাৰ আগত লুকুওৱা সেয়া তোমাৰ কথা। মোৰ আগত নুলুকুৱাবা। তুমি সকলো দোষ-ত্ৰুটিৰে এজনী ভাল ছোৱালী। মই তোমাৰ একো বেয়া নেদেখোঁ।' সেইদিনা মোৰ কি হৈছিল নাজানো ভাস্বতী—মই যেন পাগল হৈ যাম আনন্দত। ওৰে ৰাতি মই শুব নোৱাৰিলোঁ। জীৱনত প্ৰথম এজন পুৰুষে মোক ভাল দেখো বুলি ক'লে। প্ৰথমে মোক ভাল লগাবলৈকে এনেকৈ ক'লে বুলি ভাবিছিলোঁ। পিচ মুহূৰ্ততে ভাবিলো মোক ভাল লগাই তেওঁৰ লাভ কি? তেওঁ দেখাই-শুনাই এজন ভাল ল'ৰা। ধুনীয়া ছোৱালীৰ তেওঁৰ বাবে আকাল নাই। তেন্তে! সেই দিনা নিশা লাইট জ্বলাই মনে মনে বাথৰুমত সোমাই মই মোক দাপোনত চালোঁ। সেই দিনাই উপলব্ধি হ'ল, যৌৱন

এনে এক উদাৰ নীতি, যি নিৰপেক্ষভাৱে নিজৰ ভাগ সময়ত সকলোকে দি যায়। মোৰ সময় হৈছে সেইবাবেই মই নজনাকৈ যৌৱনে মোক সঁহাৰি জনাইছে। মই দাপোনত নিজকে বাৰে বাৰে চালোঁ। মোৰ গাৰ ছালখনৰ ক'লা ৰং আৰু চকু দুটাৰ বাহিৰে ক'তো খুঁত নাই। মোৰ দৰে দীঘল সুন্দৰ চুলি কম ছোৱালীৰহে আছে। পিচদিনা মই চুলিকোচা ছেম্প' কৰি মেলি থ'লোঁ। মুখত অকমান প্ৰসাধনো কৰিলোঁ। সন্ধিয়া পাৰ হ'ল তেওঁ অহা নাই। মোৰ বুকুত যন্ত্ৰণা বাঢ়ি গৈ আছিল। অভিমান হৈছিল, এনে অভিমান কাৰো বাবে কেতিয়াও হোৱা নাছিল। মোৰ বাবে এইবোৰ নতুন শিহঁৰণ, নতুন অভিজ্ঞতা আছিল। কিন্তু মোৰ অভিমান পানী হৈ গৈছিল যেতিয়া নিশা আঁঠমান বজাত বাৰাণ্ডাত শুনিলো সেই মাত— অঞ্জনা-অঞ্জনা-আস্ ভাস্বতী, পুৰুষমানুহ নাৰীৰ বাবে কিমান আকাংক্ষাৰ সেয়া যেন প্ৰথমবাৰৰ বাবে অনুভৱ হ'ল। সেইদিনা তেওঁ বাইদেউৰ অনুৰোধত আমাৰ ঘৰত ভাত খালে। আৰু বিশ্বাস কৰা, তেওঁক আগবঢ়াই থ'বলৈ মই গেইটলৈকে অকলে আগবাঢ়ি গ'লো প্ৰথমবাৰৰ বাবে। মোৰ মনত আছে ভাস্বতী ডাঁৱৰৰ মাজত জোন সেইদিনা লুকাই পৰিছিল। জোনৰ স্তিমিত পোহৰত তেওঁ মোৰ সোঁ বাহুত লাহেকৈ হাতেৰে স্পৰ্শ কৰি কৈছিল—'তোমাক এবাৰ চাবলৈকে মই ইয়ালৈ আহোঁ অঞ্জনা!' তেওঁ কথাষাৰ কৈ গুচি গৈছিল তৎক্ষণাৎ। মোৰ ভৰিৰ তলৰ মাটি কঁপিছিল। নে মোৰ শৰীৰ কঁপিছিল নাজানো ভাস্বতী—কিন্তু মোৰ এনে এক আনন্দ শিহঁৰণ জাগিছিল যে মোৰ উশাহ চুটি হৈ আহিছিল, মই ঘামিছিলোঁ। প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিছিলো—ময়ো নাৰী। হয়, এজন পুৰুষে ভাল পাব পৰা মোৰো এক বিশেষত্ব আছে। মোৰ চকু দুটা, মোৰ ক'লা ছালখনৰ বাবে সুদীৰ্ঘ বিশ বছৰে যি হীনমন্যতা আছিল, সেই মুহূৰ্ততে সকলো ধূলিসাৎ হৈ গৈছিল। তাৰ পিচত মই বি এ পাছ কৰি ডিব্ৰু বিশ্ববিদ্যালয়লৈ আহিলোঁ। এদিন তেওঁ মোক বিচাৰি ইয়ালৈ আহিল। দুটা দিন ক্লাছ খতি কৰি তেওঁৰ সৈতে কটালোঁ। প্ৰথম দিনা ব্ৰহ্মপুত্ৰৰ পাৰত বহুত কথা পাতিলোঁ। প্ৰথমবাৰৰ বাবে তেওঁ মোক চুমা দিলে। মোৰ বাবে এয়া যেন সপোন—কেনেকৈ সম্ভৱ হ'ব পাৰে! তথাপিও ই সত্য আছিল। পিচদিনা বিদায় মুহূৰ্তত তেওঁ চঞ্চল হৈছিল—মই বুজিছিলো, তেওঁ শাৰীৰিকভাৱেও মোৰ কাষ চাপিব খুজিছিল। মোৰ একো ভয় লগা নাছিল ভাস্বতী—কাৰণ তেওঁক মই অন্তৰঢালি ভাল পাবলৈ লৈছিলোঁ। ইয়াৰ এমাহমান পিচত তেওঁ আকৌ আহিল। —অঞ্জনা হঠাতে ৰৈ দিলে। ভাস্বতীয়ে অঞ্জনাৰ মুখলৈ চালে। তাইৰ দৃষ্টি তেতিয়াও বাহিৰৰ আন্ধাৰত নিবদ্ধ। 'ভাস্বতী, হোৱাট'ছ বিফৰ—লাভ অৰ ছেক্স? প্ৰথমে প্ৰেম সত্য নে যৌনতা? অঞ্জনাই সৰু কণ্ঠেৰে প্ৰশ্নটো কৰিলে। ভাস্বতী বিমোৰত পৰিল। অঞ্জনাই আকৌ সুধিলে—তোমাৰ কোনো ল'ৰা বা পুৰুষৰ সৈতে শাৰীৰিক বুজা পৰা হৈছেনে? ভাস্বতীয়ে মুৰ দুপিয়ালে—পুৰুষৰ অবাঞ্চিত স্পৰ্শ নোপোৱাকৈ মই কুৰি বছৰীয়া হ'লোহি বুলি কেনেকৈ ভাবিলা? প্ৰত্যেক ছোৱালীয়েই নিবিচৰা কিছুমান পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। এই সৰু-বৰ

যন্ত্ৰণাদায়ক পৰীক্ষাৰ মাজেৰে ছোৱালীবোৰে জীৱনৰ প্ৰত্যেকদিন সন্তৰ্পণে পাৰ কৰিব লগা হয়। আমি মধ্যবিত্ত সংস্কাৰ আৰু নীতি-নিয়মত ডাঙৰ হোৱা ছোৱালী। শৰীৰৰ শুচিতা সম্পৰ্কে আইতা, মাইঁতে দহ-বাৰ বছৰ বয়সৰ পৰাই এক ভীতিৰ সঞ্চাৰ কৰায়। ময়ো বাদ পৰা নাছিলোঁ। এদিন এখন ফাংচন চাই থাকোতে, হঠাৎ ল'ড শ্বেডিং হৈছিল। মোৰ কাষতে থকা ল'ৰা এটাই জোৰকৈ পিচফালৰ পৰা অতৰ্কিতে সাবটি মোৰ গলধনত এটা চুমা খাই দিলে। মই চিঞৰি দিলোঁ। হুলস্থুল হ'ল। পিচে আন্ধাৰত কোনে কাক চিনে? মই ঘৰলৈ আহি ঘঁহি ঘঁহি গা ধুলোঁ। মোৰ ভাব হ'ল যেন মই সকলো সেই মুহূৰ্তত হেৰুৱালোঁ। মাক কথাটো ক'বলৈ ভয় লাগিল—কাৰণ এনে ঘটনা মোৰ ক্ষেত্ৰত হোৱা বুলি শুনিলে, মায়ে মোক ক'লৈকো আৰু যাবলৈ নিদিব। মোৰ সকলো স্বাধীনতা কাঢ়ি ভৰিত শৃংখল পিন্ধাব। সেয়াই নহয়, মই গা অসুখৰ ভাও ধৰি দুদিন স্কুললৈ নগৈ ঘৰতে সোমাই থাকিলোঁ। মোৰ এনে লাগিল, ইতিমধ্যে গোটেই চহৰত এই কথাটো নিশ্চয় ৰজনজনাই গ'ল। বাটে বাটে মোক চাবলৈ মানুহবোৰ জুম বান্ধি আছে। সবাটোকৈ মই খং-অপমানত দগ্ধ হ'লো এইটো ভাবি যে—মোক সাবটি চুমা খোৱা ল'ৰাটোৱে মোক চাই এক অজান পুলকত আত্মহাৰা হ'ব—তাৰ বিপৰীতে মই ল'ৰাটোক চিনি নাপাম। আন্ধাৰত পিচফালে কোন ৰৈ আছিল মই নাজানিছিলো, কিন্তু সি মোক সম্পূৰ্ণ নজৰত ৰাখিছিল। দিনৰ পোহৰত ল'ৰাটোৱে নিশ্চয় বন্ধুবৰ্গক মোলৈ আঙুলিয়াই দেখুৱাই ক'ব—চা—সৌজনী ছোৱালী সিদিনা মই.... আৰু বা কিমান কুৎসিত অশ্লীল বৰ্ণনা দিব! মই বহুত দিন এই ঘটনাটোকে সহ্য কৰিব পৰা নাছিলোঁ। —অঞ্জনাই এইবাৰ ঈষৎ হাঁহিলে। তাৰ পিচত ক'লে—ধেৎ, এইবোৰ অবাঞ্চিত ঘটনা—মই সুধিছো, তুমি স্ব-ইচ্ছাই তোমাৰ শৰীৰ স্পৰ্শ কৰিবলৈ কাৰোবাক দিছানে? ভাস্বতীয়ে সোঁৱে-বাঁৱে মূৰ জোকাৰিলে—নাই, অঞ্জনা। এনে দিন অহা নাই। কিন্তু কেতিয়াবা তীব্ৰ ইচ্ছা হয়—মই নাজানো সেয়া কাৰ মুখ—কিন্তু এখন বহল বুকুত নিষ্পেষিত হ'বলৈ মন যায়—কিন্তু প্ৰেমবিহীনভাৱে নহয়।

অঞ্জনাই হঠাৎ উচুপি উঠিল। ভাস্বতীয়ে অঞ্জনাক বাহু দুটাত ধৰি জোকাৰি দিলে—অঞ্জনা—কি হৈছে অঞ্জনা!

—ভাস্বতী, মই নিজৰ সৰ্বনাশ নিজে মাতিলো, এই মানুহজনক বিশ্বাস কৰি।

—নহয়, অঞ্জনা ভুল কাৰ নহয়? খন্তেকৰ ভুলত তুমি তেওঁক বিশ্বাস কৰিছিলা।

—নহয় ভাস্বতী, ভুল হ'লে ইয়াৰ শুধৰণিও থাকে, মই নিজৰ সৰ্বনাশ কৰিলোঁ। সৰ্বনাশৰ উদ্ধাৰ নাই। এদিন-দুদিন নহয়, এসপ্তাহৰ বেছি মই তেওঁৰ কথামতেই মাঘেৰিটাৰ ফালৰ এখন হোটেলত তেওঁৰ সৈতে নিশা যাপন কৰিলোঁ। মই সোনকালেই—ইয়াৰ ভয়ংকৰ পৰিণাম দেখিলোঁ। তেওঁলৈ খবৰ পঠিয়ালো—ক'লে 'চিন্তা নকৰিবা মই গৈ আছোঁ।' আজি এমাহ হৈ গ'ল—নাহিল। তিনিদিনমান আগতে মই বাইদেউৰ ঘৰ পালোগৈ।

বৰ সাৱধানে তেওঁৰ খবৰ ল'লোঁ। কি খবৰ পালো জানা? তেওঁ কিবা বিশেষ এবছৰীয়া ট্ৰেনিং এটা লৈ হায়দৰাবাদলৈ গ'ল। মই তৎক্ষণাত সকলো বুজি পালোঁ। এই মানুহজনৰ মাজত ইমান প্ৰৱঞ্চনা, কুৎসিত চেহেৰা এটা লুকাই আছিল বুলি কল্পনাও কৰা নাছিলোঁ। মই তেওঁৰ অফিচৰ সহকৰ্মী বন্ধু এজনক সুধিলো তেওঁৰ ঠিকনা। আগে-পিচেও সেই বন্ধুৰ সৈতে মোৰ কথা হৈছে। আমাৰ কথা তেওঁ জানে। বন্ধুজনে মোক দেখিয়েই কি ক'লে জানা? 'অ' তুমি আহিলা ভাল হ'ল। ময়েই তোমাক বিচাৰি ইউনিভাৰ্চিটিলৈ যোৱাৰ কথা আছিল। আদিত্যই তোমালৈ এটা খাম থৈ গৈছে।' কিয় জানো মোৰ মনটো অলপ হ'লেও ভাল লাগিল। তেওঁ নিশ্চয় কিবা জৰুৰীতহে মোক লগ নকৰাকৈ গ'লগৈ। ঘৰলৈ আহি লৰালৰিকৈ বাথৰুমত সোমাই লেফাফাটো খুলিলোঁ। অঞ্জনা নিমাত হৈ গ'ল। ভাস্বতীয়ে সুধিলে,

—কি আছিল তাত?

অঞ্জনা নিমাত।

—মানুহজনৰ নাম আদিত্য নেকি?

অঞ্জনা নিমাত।

—নোকোৱা কিয়? অঞ্জনাৰ যেন সম্বিত ঘূৰি আহিল। তাই নিষ্প্ৰাণ কণ্ঠেৰে ক'লে—এখন চে'ক আছিল, দুহেজাৰ টকাৰ। এটুকুৰা কাগজত বেলেগে লেখা আছিল—ডাক্তৰক দিবা। সাৱধানে সকলো কৰিবা, তোমাৰ বদনাম হ'লে মোৰ বেয়া লাগিব। চিঠিখন কোনে, কালৈ লেখিছে একো নাম-ধাম নাই।

কিমান সহজ সমাধান নহয় ভাস্বতী! মোৰ প্ৰেম, মোৰ বিশ্বাস, মোৰ মান-অপমান, এইবোৰ এই মানুহটোৰ বাবে ইমান মূল্যহীন আছিল! মোৰ শৰীৰটো উপভোগ কৰাৰ কৃতজ্ঞতা স্বৰূপেও যদি চে'কখন আৰু নামবিহীন পৰামৰ্শকেইটা নিদিলেহেঁতেন মই কাপুৰুষ বুলি ক্ষমা কৰি দিলোহেঁতেন তেওঁক। কিন্তু এয়া যে মোৰ জীৱন ধ্বংস কৰি তেওঁ কৰা ইতিকিং পত্ৰ। মোক যৌনতাৰ অভিজ্ঞতা দি যেন ধন্য কৰি দিলে। মই মোৰ যৌন অভিজ্ঞতাৰ বাবে যেন তেওঁৰ বাবে অপেক্ষা কৰিছিলো, ইমান অপমান কেনেকৈ সহ্য কৰো ভাস্বতী! অঞ্জনাই দুই হাতৰ তলুৱাৰে মুখ ঢাকি হুক-হুকাই কান্দি পেলালে। কান্দি কান্দিয়েই অঞ্জনাই ক'লে—

আদিত্যই মোক বুজাই দিলে, প্ৰেমিকা হোৱাৰ যোগ্যতা মোৰ নাই, বেশ্যাৰ যোগ্যতা আছে, পুৰুষবোৰ ইমান নিকৃষ্ট—ইমান-ইমান...

অঞ্জনাই একো ক'ব নোৱাৰিলে। আদিত্য সমগ্ৰ পুৰুষ জাতিৰ প্ৰতিনিধি হৈ অঞ্জনাৰ হৃদয়ৰ পুঞ্জীভূত ঘৃণাৰ নায়ক হৈ পৰিল। অঞ্জনাই দুবাৰমান থুৱালে। আউল-বাউল দীঘল বৈ পৰা চুলিৰে অঞ্জনাক ধুমুহাত অস্থিৰ হোৱা নাৰিকল গছৰ দৰে লাগিল। ভাস্বতীৰ চকুৰ পৰাও টোপা-টোপে চকুলো সৰিল। এই নিঃসহায়, নিৰপৰাধী ছোৱালীজনীৰ বুকু

ভঙা কান্দোনে ভাস্বতীৰ ধৈৰ্যৰ বান্ধ খুলি দিলে। তাই অঞ্জনাক সাবটি ধৰিলে। অঞ্জনাই বোধহয় এনে এটা আশ্ৰয়েই বিচাৰিছিল, এটা অবোধ কেঁচুৱাৰ দৰে অঞ্জনাই কান্দিবলৈ ধৰিলে। এইবাৰ ভাস্বতীয়ে অঞ্জনাক লাহে লাহে ক'বলৈ ধৰিলে—অঞ্জনা, শুনা অঞ্জনা নাকান্দিবা। এতিয়া ব্যৱস্থা এটা সোনকালে কৰিব লাগিব। এজন ডাক্তৰ বিচাৰিব লাগিব। এনে এজন ডাক্তৰ যাতে, সকলো কথা গোপন হৈ থাকে।

—মোৰ বৰ ভয় লাগিছে ভাস্বতী!

—ৰ'বা, ভয় মোৰো লাগিছে। আমি বাৰু আৰু কাৰোবাক বিশ্বাসত ল'ব পাৰোঁ নেকি? মানে অলপ ছাজেশ্যন....

—নাই-নাই-ভাস্বতী, মই কাকো বিশ্বাস নকৰোঁ। ভাস্বতী চিন্তাত নিমগ্ন হ'ল। কি কৰা যায়? আদিত্য নামৰ বেপৰোৱা মানুহটো, এনেকুৱাই নেকি সকলো পুৰুষ! কেৱল পলায়ন আৰু পলায়ন। সমাজো এই পলায়নবাদী, অপৰাধীবোৰৰ চকীদাৰ। মাইকী মানুহৰ শৰীৰটো যদি ইমানেই সমাজৰ স্পৰ্শকাতৰ সম্পত্তি, তেন্তে এই আদিত্যৰ দৰে মানুহবোৰৰ শাস্তি কি? ভাস্বতীয়ে অঞ্জনালৈ চালে, তাই উচুপি আছে তেতিয়াও। নিশাৰ নিস্তব্ধতাত অঞ্জনাৰ উচুপনি জল তৰংগৰ দৰে লাগিছিল। ভাস্বতীয়ে অঞ্জনাৰ কান্ধত হাত থৈ ক'লে—অঞ্জনা, উঠা। কান্দি-কাটি সমাধান নোপোৱা। তুমি এবৰছন কৰিব লাগিব। যদি এই সমাজত জীয়াই থাকিব খুজিছা—এয়াই কৰিব লাগিব। আদিত্য নামৰ মানুহজনক তোমাৰ জীৱনৰ পৰা মুচি পেলাবলৈকে তুমি সাজু হ'ব লাগিব। কাইলৈ পুৱা একেলগে ওলাই যাম—নাকান্দিবা, মই আছো তোমাৰ লগত।' একে উশাহে কথাবোৰ কোৱা ভাস্বতীলৈ অঞ্জনাই পলক নপৰাকৈ চাই ৰ'ল। টং-টং-হোষ্টেলৰ চকীদাৰে গেইটত নিশা দুটা বজাৰ ঘণ্টা বজালে।

—মই আজি টোপনি যাব পাৰিম ভাস্বতী, যোৱা এমাহ মই উজাগৰী নিশা কটাইছোঁ—অঞ্জনাই স্বগতোক্তিৰ দৰে কথাকেইটা কৈ এটা হুমুনিয়াহ পেলালে।

সিহঁত দুয়োজনী লাহে লাহে নিজৰ ৰুমলৈ খোজ ল'লে। ভাস্বতীৰ অনুভৱ হ'ল, আচলতে তাই কেৱল সমাজশাস্ত্ৰ পঢ়িবলৈ ডিব্ৰু বিশ্ববিদ্যালয়লৈ অহা নাছিল। তাই পঢ়িবলৈ পাইছে একোখন জীৱন্ত কিতাপৰ পৃষ্ঠা। জীৱন যাৰ নাম। অভিৰঞ্জন, অঞ্জনা, নন্দিনীৰ জীৱনৰ পৃষ্ঠাবোৰ ইয়ালৈ নহা হ'লে তাই পৃথিৱীখনক বুজিব কেতিয়াও নোৱাৰিলেহেঁতেন।

(একৈশ)

এই নদীৰে সিপাৰতে কঁহুৱা ফুলে
এই নদীৰে ইপাৰতে বেদনাৰ জুই জ্বলে....

অমিতাই চিঞৰি চিঞৰি ৰেডিঅ'ৰ 'গীতিমালিকা'ৰ লগে লগে গান গাই আহি ভাস্বতীৰ ৰুম পালেহি। ইতিমধ্যে বেছিভাগ ছোৱালীৰে গা-পা ধুই ডাইনিং ৰুমলৈ যাবলৈ খৰ-ধৰ লাগিছে। ন বজাত ইউনিভাৰ্চিটিৰ বাছ আহি যায়। ৰীণাই পঢ়া টেবুলৰ ওপৰত থকা সৰস্বতী আৰু কৃষ্ণৰ ফটোত ধূপ জ্বলাই সেৱা কৰিছে। অমিতাই চিঞৰি দিলে— 'উৱা! ভাস্বতী শুই আছ যে! ক্লাছ নকৰ?' ৰীণাই নিজৰ ওঁঠত আঙুলি দি ক'ল—নামাতিবি। এতিয়ালৈকে বহুতবাৰ জগালো। নুঠে। কৈ দিছে 'ডিষ্টাৰ্ব নকৰিবি।' অমিতাই জিভা কামুৰি হাঁহিলে আৰু নিজৰ ৰুমলৈ দৌৰ মাৰিলে। দুই মিনিট মানৰ ভিতৰত শুই থকা দৈত্য এটা বগা কাগজত স্কেছ পেনেৰ আঁকি, 'ড'ণ্ট ডিষ্টাৰ্ব মি' বুলি ইংৰাজীত লেখি; সন্তৰ্পণে ভাস্বতী শুই থকা মূৰৰ শিতানৰ বেৰত আঠা লগাই মাৰি দিলে। ডাইনিং হলৰ পৰা ভাত খাই আহি ক্লাছলৈ যাবলৈ ওলোৱা প্ৰত্যেকজনী ছোৱালীয়ে ভাস্বতীৰ কোঠাত সোমাই হাঁহিলে। কিছুপৰৰ পিচতে হোষ্টেলটো নিজম হৈ পৰিল। ভাস্বতী এঙামুৰি দি উঠিলে। এখন বিচনা চাদৰ গায়ে-মূৰে মেৰিয়াই লৈ ভাস্বতী টোপনি গৈ আছিল যদিও, ছোৱালীবোৰৰ হাঁহি-তামাচাবোৰৰ উমান পাই আছিল। আজি অঞ্জনাৰ সৈতে তাই ডাক্তৰ এজন বিচাৰি যাব লাগে। কিন্তু ক্লাছলৈ নাযাওঁ বুলিলে তাইৰ বান্ধৱীবোৰৰ হাজাৰটা প্ৰশ্নৰ উত্তৰ দিব লাগিব।

ভাস্বতীয়ে ঘড়ীলৈ চালে। পুৰা ন বাজিল। হঠাতে বেৰৰ দৈত্যটোত চকু পৰি ভাস্বতীয়ে হাঁহি ৰখাব নোৱাৰিলে। অমিতাৰ কামবোৰ এনেকুৱাই। ৰামু কাকা আহি ভাস্বতীৰ কোঠা ভুমুকিয়াই চালেহি। তাইক দেখি সুধিলে—ভাত খাবলৈ নগ'লা? ইয়ালৈ পঠিয়াই দিম নেকি? গা বেয়া নেকি? ক্লাছলৈ নগ'লা যে! ভাস্বতীৰ মুহূৰ্ততে হোষ্টেলটো নিজৰ ঘৰ যেন লাগিল। ৰামু কাকাই পুৰা হিচাপ ৰাখে, কোনে ভাত খালে, কোনে নাই খোৱা। ভাস্বতীয়ে সুধিলে—তুমি আমাৰ আশীজনী ছোৱালীৰ হিচাপ কেনেকৈ মনত ৰাখা বাৰু? ইমানবোৰে ভাত খাই গ'ল, মোৰ কথা তুমি মনত কেনেকৈ ৰাখিছা!

'এ—তেনেই সহজ। আজি তিতাকেৰেলা আলুৰ ভাজি আছিল। তুমি তিতাকেৰেলা মুখত নিদিয়া। তুমি জানো কোৱা নাছিলা, তিতাকেৰেলা থকাৰ দিনা দাইলত আলু এটা দি থ'বলৈ—পিছে আলু-নিমখ তেল থৈ দিয়াই আছে। তুমি যোৱাই নাই ভাত খাবলৈ। সকলোৰে খালে। এতিয়া ডাইনিং হল চাফা কৰিম। তোমাৰ ভাত পঠিয়াই দিওঁনে!

—দিয়া—অ' ৰামু কাকা, —নীলিমাই খাইছেনে!

—খাইছে। মই তোমাৰ কথা নাই কোৱা।

—তুমি নোকোৱা বুলি জানো। তুমি নিজৰ কথাওটো কোৱা নাছিলা। ৰামু কাকাই নিৰ্জু হাঁহি এটা মাৰি গুচি গ'ল।

কিমান ঘটনা যে এই আশীজনী ছোৱালীৰ মাজত ঘটি থাকে। বিচিত্ৰ এই জীৱন। নীলিমা চেলেং এনে এজনী ছোৱালী, যি সকলো সময়তে চকু-মুখত লৈ ফুৰে হাঁহিৰ ফোঁৱাৰা। নীলিমাই ভাল নাচিব পাৰে। যেতিয়াই তেতিয়াই ভাৰত নাট্যমৰ ভংগীমা প্ৰকাশ কৰি ভাল পায়। এদিন হঠাৎ ডাইনিং হলত ৱাৰ্ডেনৰ প্ৰৱেশ ঘটিল। দেওবাৰৰ নিশাৰ ভাত সাজ সদায় বিশেষ হয়। সেইদিনা ৰামু কাকাই ৰান্ধিছিল মাংস, বিলাহী, জাতিলাওৰ টেঙা, পদিনাৰ চাট্নি। হুলস্থূলকৈ খোৱা-বোৱা কৰাৰ পিচত স্ফুৰ্তি-তামাচা কিছুপৰ হৈছিল। তেনেতেই ৱাৰ্ডেনে গম্ভীৰ স্বৰেৰে ঘোষণা কৰিলে 'নীলিমা, দুমাহ মেছডিউছ দিয়া নাই তুমি। তোমাক এবাৰ মাতি আনি ৱাৰ্নিং দিছিলোঁ। কাইলৈৰ পৰা নিজে খোৱাৰ ব্যৱস্থা কৰিবা। দহদিনৰ ভিতৰত পইচা নিদিলে হোষ্টেল এৰিব লাগিব।' মুহূৰ্ততে নীৰৱ হৈ গৈছিল সকলো। নীলিমাই পৰিৱেশটো সহজ কৰিবলৈ ৱাৰ্ডেন যোৱাৰ ফালে চাই কৈছিল— 'বাঃ কি মেজাজ দেখুৱালে অ'। দহদিন ব'নাছ দিছে, দহদিন থাকিব পাৰিলেও বহুত ভাল দে।' কোনেও নীলিমাৰ কথাত হঁহা নাছিল। তাই হাঁহি হাঁহি কৈছিল, 'দেউতা ঢুকুওৱাৰ পিচত মায়ে ভাবিছিল মোৰ পঢ়াৰ খৰচ দাদাই দিব। ডুলীয়াজান তেল কোম্পানীৰ সি ইঞ্জিনীয়াৰ। মাটি ভেটি বন্ধকত থৈ তাক পঢ়ুৱাইছিল দেউতাই। সি তাৰে অফিচাৰ এজনৰ ছোৱালী বিয়া পাতিলে। বিয়ালৈ মা আৰু মোকো মাতিছিল। তাৰ পিচত মই পঢ়িবলৈ আহিলোঁ। মায়ে সাঁচতীয়া সকলো বেচিলে। মোৰ পঢ়াৰ খৰচ দাদাক দিবলৈ কাকুতি-মিনতি কৰিলে। দুমাহ সি চাৰিশ টকা পঠিয়ালে। যোৱা দুমাহ নাই। গতিকে মোৰ পঢ়াৰ ফুলষ্টপ। বুজিছ, এই দহদিন লগে-ভাগে থাকি যামগৈ। পঢ়াশুনা এইবোৰে মানুহ তৈয়াৰ নকৰে বুজিছ—মণিৰামে ৰাম ৰাম—মণিৰামে ঠেলিলেহে জীৱনৰ চক্কা ঘূৰে এ হে— নীলিমাই হাঁহি হাঁহি অকপটে সকলো কথা কৈ 'ডাঃ বেজবৰুৱা' চিনেমাৰ গানটো গালে— সেইদিনা কোনেও নাহাঁহিলে নীলিমাৰ এই স্ফুৰ্তিত। চুপে-চাপে কোঠালৈ এজনী এজনীকৈ গুচি গ'ল। পিচদিনাই ভাস্বতীয়ে নিশা এখন মিটিং পাতিলে। প্ৰস্তাৱ উঠোৱা হ'ল, বিশ টকাকৈ দহজনী ছোৱালীয়ে নীলিমাৰ হৈ হোষ্টেল ফীজ দিব। ৰামু কাকাই ৱাৰ্ডেনে নজনাকৈ সকলোৰে ভাগৰ ভাত নীলিমালৈ থ'ব। এমাহ এই নিয়ম চলি আছে। ৰামু কাকাই এইদৰে কিমান বছৰ কিমান ছোৱালীৰ দুখৰ ভাৰ নিজে কঢ়িয়াইছে কোনেও নাজানে। কোনেও নাজানে এই ৰান্ধনিজন কিয় ঘৰলৈ নাযায়। কোনেও নাজানে এই ৰান্ধনিজনৰ পৰিয়ালত কোন আছে। সুধিলে মাথোঁ কয়—'কিয়? এইখনেই ঘৰ, তোমালোকবোৰেই পৰিয়াল।' হোষ্টেল বন্ধ থাকিলে ৰামু কাকা বিষণ্ণ হৈ পৰে, ছোৱালীবোৰ ঘৰৰ পৰা আহিলেই ৰামু

কাকা উৎফুল্ল হৈ পৰে, যেন বিয়া দি উলিয়াই দিয়া জীয়ৰী মাক-দেউতাকৰ ওচৰলৈ আহিল!

এক অব্যক্ত ৰহস্যৰে ভৰা ৰামু কাকাৰ জীৱন। হোষ্টেলেই তেওঁৰ ঘৰ, প্ৰতিবছৰে নতুন ছোৱালী আহে, ৰামু কাকাই আলহ-উলহেৰে খুৱায়। হোষ্টেলৰ নৱাগতা আদৰণি ভোজত বিবিধ ব্যঞ্জন ৰান্ধি ঘৰ এৰি অহা ছোৱালীবোৰৰ দুখ পাহৰায়। প্ৰতিজনী নতুন ছোৱালীয়ে ৰামু কাকাক সোধে একেই পুৰণি প্ৰশ্ন—ৰামু কাকা তোমাৰ আচল ঘৰ ক'ত? একেই প্ৰত্যুত্তৰ দিয়ে ৰামু কাকাই—এইখনেই মোৰ আচল ঘৰ।

✧ ✧ ✧

মাতৃত্বত যে ইমান অশ্লীলতাৰ গোন্ধ লাগি থাকে ভাস্বতীয়ে কল্পনাও কৰা নাছিল। স্ত্ৰীৰোগ বিশেষজ্ঞ বুলি লেখা ফলকখন চাই ভাস্বতী সোমাই গৈছিল অঞ্জনাক লৈ সেই বিশেষ ডাক্তৰজনৰ ওচৰলৈ। মহিলা চিকিৎসকগৰাকীয়ে সুধিলে—কেইমাহ?

—দুমাহ। অঞ্জনাই ইতস্ততঃ কৰি ক'লে।

—ইউনিভাৰ্চিটিত পঢ়িবলৈ আহিছা নে এই বদমাছিবোৰ কৰিবলৈ আহিছিলা!

ডাক্তৰনীৰ কথা শুনি ভাস্বতীৰ খং উঠি আহিল। তৎক্ষণাৎ তাই ক'লে—এইটো অবান্তৰ প্ৰশ্ন কৰিছে আপুনি। আপুনি এইক সমস্যাটোৰ পৰা উদ্ধাৰ কৰিব পাৰিবনে নাই কওক। কিমান টকা সাধাৰণতে এনেকুৱা কেছত লয় সেয়াও কওক।

ডাক্তৰনীয়ে খঙেৰে ভাস্বতীলৈ চাই থাকিল কিছুপৰ। অঞ্জনাৰ পেটত লগাই পৰীক্ষা কৰা ষ্টেথিছস্কোপ ডিঙিলৈ পেলাই ক'লে—পাঁচ হাজাৰ। কিন্তু কাইলৈৰ পৰা দুসপ্তাহ মই নাথাকিম। আজিয়েই কৰি দিব লাগিব। ভাস্বতী আৰু অঞ্জনাই দুয়ো দুয়োৰে মুখলৈ চালে।

—আজিয়েই! ভাস্বতীয়ে অবাক হৈ সুধিলে।

—অ' আজিয়েই।

—কিন্তু আমি পইচা ইমান লৈ অহা নাই। অলপ কম হ'বনে!

—বেয়া কাম কৰিবা তোমালোকে, আৰু আমি পাৰিলে এনেয়েই চাফা কৰিব লাগে!

ভাস্বতীৰ উষ্মা উঠি আহিছিল। ক'ব খুজিছিল, টকাৰে তুমি নিজক চাফা কৰিছা নেকি! এই কেছবোৰ নকৰাহ'লে তুমি এই বিশাল চেম্বাৰ, ধন-সম্পত্তি ইমান কম দিনত ক'ৰ পৰা কৰিলাহেঁতেন! ভাস্বতীৰ মুখৰ পৰা এনে কথা ওলাই আহিব পৰাৰ সম্ভাৱনা দেখি অঞ্জনাই ভাস্বতীৰ হাতখন সজোৰে চেপি ধৰিছিল। ভাস্বতী ৰৈ গৈছিল, মুখৰে একো উচ্চাৰণ নকৰাকৈ।

—মই বেলেগ এজনলৈ কেছটো ৰেফাৰ কৰি দিওঁ, কাইলৈ তালৈকে যাবা। ডাক্তৰনীয়ে সযত্নে চুটিকৈ কটা চুলিত আঙুলি বুলাই এটা বিশেষ নম্বৰত ফোন কৰি

ক'লে—ৰাজা, এটা ফলচ্ কেছ্ আছে, তোমাৰ ওচৰলৈ পঠাই দিছোঁ। —হাঁ, অ', টু মানথ্চ প্ৰেগনেন্সি—নাই কমপ্লিকেছন নাই। প্লিজ—মই কাইলৈৰ পৰা নাথাকিম। —কি! যাঃ অসভ্য! তাৰ পিচত অলপ আগলৈকে কঠোৰ হৈ থকা ডাক্তৰনীয়ে ফোনত খিল্-খিলাই হাঁহিলে। ফোনৰ ৰিচিভাৰ থৈ, পুনৰ কঠোৰ মুখভংগীৰে ক'লে 'কৈ দিছোঁ। এইটো এড্ৰেচ লৈ যাবা— তেওঁ পেনেৰে কাগজ এখনত খচ্ খচ্কৈ কিবা-কিবি লেখি অঞ্জনালৈ আগুৱাই দিলে। ভাস্বতীয়ে ফীজ আগবঢ়াই দিলে। ফীজ ড্ৰয়াৰত সুমুৱাই থাকোতেই তেওঁ ক'লে— কাইলৈ দুপৰীয়া যাবা। ৰেট্ এফেই। সিহঁত দুয়োজনী চেম্বাৰৰ পৰা ওলাই আহিল। অঞ্জনাই বিষণ্ণ মুখেৰে ক'লে—ভাস্বতী, মোৰ লগতে তুমিও অপমানিত হৈছা।

—কোন অপমানিত বুলি কৈছা? তুমি! তোমাৰ কি দোষ? লাজ লাগিছে মোৰ এই ডাক্তৰনীৰ বাবে। আমাৰ আগত নিজৰ স্খলন দেখুৱাইও যে তেওঁ লাজ পোৱা নাই। যিহেতুকে বেয়া কাম কৰিব, সেয়ে ৰেট্ বেছি, জাষ্ট এজ প্ৰফেচনেল কীলাৰ!

—সেইবোৰ বাদ দিয়া ভাস্বতী। এতিয়া পইচা পাম ক'ত?

—কিয় সেই বদমাছটোৱে দুহেজাৰ টকা দিছে নহয়। তোমাৰ হাতত কিমান আছে? মোৰ হাতত পাঁচশ টকা আছে, মাহ শেষ হ'বলৈ এতিয়া পাঁচদিন বাকী। হ'ব কিবা এটা।

—মোৰ হাততো পাঁচশমানহে আছে। তিনিহাজাৰ হ'ল। বাকী দুহাজাৰ ক'ত পাম?

—ব'লাচোন, কিবা এটা কৰিবটো লাগিবই....

—ইমান ধিক্কাৰ লাগিছে এই অৱস্থাটোৰ বাবে। ইচ্ছা গৈছে যেন আত্মহত্যা কৰোঁ। চোৱাচোন, লম্পট মতামানুহৰ কিমান সুবিধা! কোনো চিকিৎসকৰ ওচৰলৈ লজ্জাত মূৰ তল কৰি যাব নালাগে—সমাজত দম্ভেৰে চৰিত্ৰৱান হৈ ঘূৰি ফুৰিব পাৰে। মোৰ এইমুহূৰ্তত তাক হত্যা কৰিবলৈ ইচ্ছা হৈছে ভাস্বতী'। ৰাস্তাৰ মাজতে অঞ্জনা হঠাৎ ৰৈ দিলে। দুই হাতৰ তলুৱাৰে মুখ ঢাকি তাই উচুপি উঠিল। ভাস্বতীয়ে এখন ৰিক্সা ৰখাই অঞ্জনাক ক'লে—ব'লা। চকুপানীৰে তোমাৰ এই সমস্যা সমাধান নহয়। ধৈৰ্য ধৰিবই লাগিব। এইখন পুৰুষৰ সমাজ। তুমি, মই যুঁজিহে বাচি থাকিব পাৰিম। এই মুহূৰ্তত তুমি দোষী, কাৰণ তোমাৰ এটা জৰায়ু আছে। জৰায়ুহীন হোৱা হ'লে, তুমিও নিৰ্বিবাদে বলেৰে নতুবা ছলেৰে ভ্ৰূণ সঞ্চাৰ কৰি; কোনোবা নাৰীক এৰিব পাৰিলাহেঁতেন কলংকিতা কৰি। এই জনমত এই সুবিধাৰ পৰা তুমি বঞ্চিত। গতিকে কান্দি লাভ নাই।

✧ ✧ ✧

'The recognition of sin, is the begining of salvation' পাপ চিনাক্তকৰণেই মুক্তিৰ প্ৰাৰম্ভণ—সমাজশাস্ত্ৰৰ ধৰ্ম বিষয়ক 'থিয়ৰী' বুজাইছিল শৰ্মা ছাৰে। প্লেটো, কাৰ্লমাৰ্ক্স, লুথাৰ, স্পেনচাৰ আদি মনিষীৰ ধৰ্ম, পাপ, বিচাৰ বিষয়ক কথাবোৰ আলোচনা কৰোতেই

হঠাতে লুথাৰৰ এই বাক্যশাৰী শুনি চমকি উঠিল ভাস্বতী। দুদিনৰ মূৰত আহি ক্লাছ কৰিছে ভাস্বতীয়ে। তাইৰ মনটো শ্ৰেণী কোঠাৰ খোলা খিৰিকীৰে বাহিৰলৈ ওলাই গ'ল। অঞ্জনা ওৰে ৰাতি কালি শোৱা নাছিল। গৰ্ভপাতৰ যন্ত্ৰণাতকৈ তাইৰ মানসিক যন্ত্ৰণা আছিল বেছি। বিয়লি তিনিমান বজাত ভাস্বতীয়ে অঞ্জনাক এখন অটোৰিক্সাত লৈ আহি সংগোপনে নিজৰ ৰুমত শুৱাই থৈছিলহি। তেনেতেই অঞ্জনাই কান্দোনমিহলি কণ্ঠেৰে কৈছিল— 'ভাস্বতী, মই পাপ কৰিছোঁ, কিন্তু তুমি মোক সহায় কৰি কিয় পাপৰ ভাগ ল'লা?' এক অদ্ভুত প্ৰশ্ন। ভাস্বতী একমুহূৰ্তৰ বাবে থমকি ৰৈছিল। এক মধ্যবিত্তীয় সংস্কাৰে তাইৰ মনটো এই প্ৰশ্নটোৰে একমুহূৰ্তৰ বাবে দুৰ্বল কৰি পেলাইছিল। প্ৰকৃততে কোন পাপী? অঞ্জনাৰ হৃদয়ত প্ৰেম আছিল। এহাল যুৱক-যুৱতীৰ মাজত প্লেটʼনিক—অশৰীৰি প্ৰেম সম্ভৱনে! ভাস্বতীৰ মুহূৰ্ততে উদীপ্তৰ মুখখন ভাহি উঠিল। উদীপ্ত নামটোৱে তাইক অশান্ত কৰা দিনটোৰ পৰা বহুদিন সপোনত উদীপ্ত আহিছে তাইৰ কাষলৈ। পুৱাৰ পৰা অস্থিৰ হৈ পৰে তাই উদীপ্তক এবাৰ চাবলৈ। সেইবাবেই হয়তো উদীপ্ত তাইৰ পৰা দূৰে দূৰে থাকে। বোবা চাৱনিৰে এই উদগ্ৰীৱ ক্ষণৰ অন্ত পৰে। কোনেও কাকো একো প্ৰকাশ কৰিব নোৱাৰে। কিন্তু কিমান দিন অৱচেতনভাৱে তাই উদীপ্তৰ বুকুত বিলীন হৈ গৈছে, কিমান দিন তাই উদীপ্তৰ ওঁঠৰ স্পৰ্শত শিহৰিত হৈছে—এইবোৰ সপোন, কিন্তু বাস্তৱত যি কাম্য সেয়াই জানো অৱচেতনভাৱে তাইক বিহ্বল কৰি তোলা নাই! যদি হঠাৎ একান্ত মুহূৰ্তত উদীপ্তই তাইৰ এটা আঙুলিও স্পৰ্শ কৰে, ভাস্বতী থিৰেৰে থাকিব পাৰিবনে! হৃদয়ৰ তীব্ৰদাবী পূৰণ কৰিবলৈ শৰীৰ এক মাধ্যম। শৰীৰক অস্তিত্বহীন কৰি, স্পৰ্শক নস্যাৎ কৰি কাৰোবাক ভালপোৱা সম্ভৱনে। অঞ্জনাই ভুল কৰা নাছিল। তাইৰ হৃদয়খন প্ৰতিফলিত হৈছিল তাইৰ শৰীৰৰ প্ৰত্যেক অংগত। হৃদয় প্ৰতিফলিত হোৱা নাছিল আদিত্যৰ শৰীৰত। অঞ্জনাক যদি একমুহূৰ্তৰ বাবেও সি ভাল পালেহেঁতেন, এইদৰে অঞ্জনাক ভঙা পিয়লাৰ দৰে দলিয়াই দিব নোৱাৰিলেহেঁতেন। পাপী আদিত্য, পাপী অঞ্জনাৰ মাতৃত্বক অশ্লীল গালি পৰা চিকিৎসকজন। পাপী এই সমাজখন, যি অঞ্জনাক ক্ষমা কৰিব নোৱাৰে, যিখন সমাজত অঞ্জনাই এই নিষ্পাপ শিশুটোক জন্ম দিব নোৱাৰিলে। সমগ্ৰ দোষেৰে পাপী এই সমাজ, যি একে দোষৰ বাবে নাৰীগৰাকীৰ প্ৰতি কঠোৰ, পুৰুষজনৰ প্ৰতি উদাৰ মনোভাব পোষণ কৰে। অঞ্জনা নিৰ্দোষ, নিষ্পাপ। এই কথাবোৰ অঞ্জনাক যেতিয়া তাই কৈছিল, অঞ্জনাই হঠাতে তাইক সাবটি ধৰিছিল। তাই এক বিস্ফোৰক ঘটনা তেতিয়াই প্ৰকাশ কৰিছিল। অঞ্জনাক গৰ্ভপাত কৰা চিকিৎসকজনে আকৌ এবাৰ আদিত্যৰ ৰূপ ধাৰণ কৰিলে বন্ধ কোঠাত। অঞ্জনাৰ ঘৃণা উপজিছিল, কিন্তু উপায় নাছিল। ডাক্তৰজনে হাঁহি হাঁহি কৈছিল— মানুহৰ এই শৰীৰটো এটা আচৰিত উপলব্ধি। ইয়াৰ নিজস্ব ভাষা আছে। এইবোৰ সেয়ে গুৰুত্ব সহকাৰে ল'ব নালাগে। অঞ্জনাৰ পৰা ডাক্তৰজনে বিনিময়ত এহেজাৰ টকাহে ল'লে। ভাস্বতী স্তব্ধ হৈ গৈছিল, অঞ্জনাৰ কথা শুনি। এজনী ছোৱালীৰ চূড়ান্ত অসহায়

মুহূৰ্ততো মানুহ ইমান নিৰ্মম হ'ব পাৰে। ডাক্তৰজনে বিচৰা পাঁচ হাজাৰ টকা দিবলৈ ভাস্বতীয়ে নিজৰ ডিঙিৰ সোণৰ চেইনডাল সোণাৰীৰ দোকানত থৈ দুহেজাৰ টকা অঞ্জনাৰ হাতত তুলি দিছিল। অঞ্জনাৰ বাবে যিসময়ত ভাস্বতীয়ে সকলো বিপদ মুৰ পাতি লৈছিল, ঠিক একে সময়তে ৰক্ষাকৰ্তাৰ নামত আন এজনে পুনৰ অঞ্জনাক ভক্ষণ কৰিছিল। কি ঘৃণনীয়! 'তোমাৰ শৰীৰত একো পাপ লাগি নাথাকে, মই সকলো চাফা কৰিম—মাত্ৰ তুমি মনে মনে থাকা এতিয়া...' অঞ্জনাক চিকিৎসকজনে বন্ধ কোঠাৰ ভিতৰত কৈছিল। লগত থকা নাৰ্চগৰাকীক কৈছিল, '—মই মাতিলে আহিবা, এতিয়া চেক-আপ কৰিম।' নাৰ্চগৰাকী কোঠাৰ পৰা ওলাই গৈছিল। অঞ্জনাই ভাস্বতীৰ আগত এই মুহূৰ্তৰ বৰ্ণনা দিওঁতে এবাৰো বিচলিত হোৱা নাছিল। আগৰ দৰে হুক্-হুকাই কন্দা নাছিল। নিৰ্জীৱ শিলাখণ্ডৰ দৰে, অঞ্জনাৰ মুখত কোনো প্ৰতিক্ৰিয়া নাছিল এই নিৰ্মম কথাবোৰ কওঁতে। অঞ্জনা অস্বাভাৱিকভাৱে নীৰৱ হৈ গৈছে। টং। এটা শ্ৰেণী শেষ হ'ল। ভাস্বতীৰ মুৰত আজি কোনো কথাই নোসোমাল। তাইৰ মাত্ৰ মনত বৈ গ'ল লুথাৰৰ সেই বাক্যশাৰী—পাপ চিনাক্তকৰণেই মুক্তিৰ প্ৰাৰম্ভণ... অঞ্জনা নিষ্পাপ। তথাপিও তাই সংকুচিত সমাজখনৰ বাবে। হোষ্টেলৰ আন ছোৱালীবোৰৰ বাবে। ৱাৰ্ডেনে জানিলে মুহূৰ্ততে অঞ্জনাই হোষ্টেল এৰিব লাগিব পাৰে—ভাস্বতীয়ে মনত স্থিৰ কৰিলে, তাই অঞ্জনাক সকলো প্ৰকাৰে সহায় কৰিব। অঞ্জনাক সহায় কৰাৰ দৰে পাপ তাই বাৰে বাৰে কৰিব খোজে।

(বাইশ)

ভাস্বতী বোবা হৈ গ'ল খবৰটো শুনি। অভি, অভিৰঞ্জন ঢুকাল। বিনীতাই ভুল খবৰ নানে। অভিক বায়েকে দিল্লীলৈ লৈ গৈছিল। তাৰ পিচত বম্বে। সত্য-অসত্যৰ ৰহস্যৰ মাজত ভাস্বতীয়ে শুনিছিল অভিৰ ব'নমেৰু কেন্সাৰ। সত্যব্ৰতক লগ পাবলৈ তাই ডিব্ৰু মেডিকেল কলেজ পাইছিলগৈ। সত্যব্ৰতে অভিৰ অসুখ সম্পৰ্কে একো নকৈ কৈছিল 'ইয়াত ধৰিব পৰা নাই। বাহিৰলৈ যোৱাতো ভাল হ'ব।' অভিক বায়েক-ভিনিহিয়েকে ভাল চিকিৎসাৰ বাবে লৈ যোৱাৰ আগদিনা ভাস্বতী গৈছিল। ৱাৰ্ডটোত সেই সময়ত কোনো নাছিল। অভি চকুমুদি শুই থকা দেখি, ভাস্বতীয়ে জগাবলৈ বেয়া পাই বিচনাখনৰ ওচৰৰ পৰাই গুচি আহিব খোজোতেই অভিয়ে মাতি দিছিল—ভাস্বতী। তাই কৈছিল 'তোমাৰ টোপনি বুলি ভাবিছিলোঁ।'

'শুই থাকিলে মোক কেনেকুৱা দেখি?' অদ্ভুত প্ৰশ্ন এটা শুধিছিল অভিয়ে।

'টোপনিত সকলো মানুহ সুন্দৰ। টোপনিৰ প্ৰশান্তিয়ে মানুহৰ মুখমণ্ডলত এক অপাৰ্থিৱ জ্যোতি দিয়ে।'

'তাৰ মানে মই মৰি থাকিলে, এনেকুৱাই লাগিব নহয় ভাস্বতী!'

'যাঃ— কি বেয়া কথা কৈছা! কিয় মৰিবা তুমি! তোমাক আমি টানি আনিম।'

'আমি মানে কাৰ কথা কৈছা?' মোক সঘনাই দেখোন তুমিহে খবৰ কৰি থাকা।'

—ঠিক আছে, মই তোমাৰ ভৰিত ৰছী লগাই থ'ম। টানি দিম, তুমি গুচি আহিবা। দিল্লী, বম্বে, বাংগালোৰ যি ঠাইৰ হাস্পতালতেই থাকা, মুঠৰ ওপৰত ৰছী এডাল লগাই থ'মেই.....

ভাস্বতীয়ে হাঁহি-হাঁহি কোৱা কথাবোৰত অভিয়েও বিষণ্ণ হাঁহিৰে প্ৰত্যুত্তৰ দিছিল। সি ভাস্বতীৰ সোঁহাতখন তাৰ বুকুৰ ওপৰত মুঠিমাৰি বহুপৰ চকুমুদি ধৰি আছিল। সেই সময়ত ভাস্বতীৰ চকুযোৰ পানীৰে উপচি পৰিছিল। হঠাতে অভিয়ে কৈ উঠিছিল—মৰি থাকিলে এটাই দুখ লাগিব—ওপৰত যে আমাৰ ইউনিভাৰ্চিটিখন নাই, কেণ্টিন নাই, আড্ডা নাই আৰু বন্ধু-বান্ধৱীবোৰ নাই—তুমি নাই.... সঁচাকৈয়ে তাত জীৱন নাই। ইয়াত হাস্পতালত থাকিলেও তোমালোকক পাই আছিলোঁ। কাইলৈৰ পৰা সঁচাকৈয়ে মোক অকলশৰীয়া কৰি লৈ যোৱা হ'ব—যেন অকলশৰে আঁতৰি যোৱাৰ বাবে দিল্লীত এটা ট্ৰেইনিং দিয়া হ'ব...।

'চুপ্—অভি—চুপ্' ভাস্বতীয়ে অভিৰঞ্জনৰ মুখত হাত দি কৈছিল। 'তুমি ভাল হ'বা— তুমি অহালৈ বাট চাই থাকিম।' তেনেতে অভিৰঞ্জনৰ বায়েক সোমাই আহিছিল ৱাৰ্ডটোলৈ। ভাস্বতীলৈ চাই কৈছিল—'কাইলৈ পুৱাই যাম। ফৰ্মেলিটিজবোৰ ইয়াত পূৰা কৰিলোঁ।

ডাক্তৰেই যোগাযোগ কৰি দিছে। তুমি আহি ভাল কৰিলা। ই অভিটোৱে ইয়াৰ পৰা নাযাওঁ বুলি দিগ্‌দাৰ কৰি আছে। বুজোৰাচোন।' সেইদিনা সন্ধিয়া সাত বজালৈকে ভাস্বতী অভিৰ বিচনাত বহি আছিল। আহিবৰ সময়ত অভিৰ কপালত তাই চুমা এটা খাই কৈছিল—চিন্তাই নকৰিবা—তুমি ভাল হৈ আহাগৈ—তোমাৰ সৈতে মোগ্‌লাই পৰঠা খোৱাৰ কথা আছিল নহয়—কোন ৰেস্তোৰাঁখনৰ নাম তুমি কৈছিলা? সেই যে, তাৰ সমান ভাল মোগ্‌লাই পৰঠা ক'তো নাপাই বুলি কৈছিলা!

অভিয়ে একো উত্তৰ নিদি ক'লে—'গুড বাই। মই অলপ শোওঁ ভাস্বতী।' ভাস্বতী ওলাই আহিছিল, কোঠাটোৰ পৰা। এমাহ পাৰ হৈ গ'ল। মাজতে অভিৰঞ্জনৰ বন্ধু ইফটিকাৰে খবৰ দিছিলহি, অভিৰ ব'নমেৰু কেঞ্চাৰ বুলি ধৰা পৰিছে। হয়তো বেছি দিন নাথাকিব। কিন্তু ইমান সোনকালে! ভাস্বতীয়ে কেলেণ্ডাৰ চাই হিচাপ কৰিলে অভি ডিব্ৰু মেডিকেলৰ পৰা যোৱা দুমাহ পাঁচদিন হৈ গ'ল।

ভাস্বতী ফেঁকুৰি উঠিল। অভি-অভি-তাই মুখৰ ভিতৰতে উচ্চাৰণ কৰিলে। এটা কচুপাতৰ পানীৰ টোপাল, মুকুতা হৈ তাইৰ ডিঙিত ওলমি ৰ'ল। সেইদিনা বাছত আকস্মিকভাৱে অভিৰ সৈতে অহা, অভিৰ প্ৰাণোচ্ছল হাঁহি, ৰগৰ; তাৰ পিচত হঠাৎ নাকেৰে বৈ অহা তেজ, শুকান কাহত বেঁকা হৈ পৰা অভিক বুকুত সাবটি, অট'ৰিক্সাত উঠাই তাই মেডিকেল কলেজত ভৰ্তি কৰাইছিল। এক আকস্মিক সংযোগ, বন্ধুত্ব, এমাহ হাস্পতালৰ কক্ষত অভিৰ সৈতে অন্তৰংগতা তাৰ পিচত চিৰদিনৰ বাবে শূন্যতা। কিয়-কিয় এনে হ'ল! বিনীতাক ইফটিকাৰে দিলে খবৰটো। অভিৰ বায়েকে খবৰ পঠিয়াইছে, সকলো দিল্লীতে শেষ কৰি তেওঁলোক উভতি আহিছে। অভি নাই—ভাস্বতীৰ বাৰে বাৰে মনত পৰিল, ভাস্বতীক অভিয়ে সোধা কথাষাৰ 'শুই থাকিলে মোক কেনেকুৱা দেখি ভাস্বতী?' অভিৰ সেই টোপনিত গভীৰ প্ৰশান্ত মুখখন ভাস্বতীৰ চকুত ভাহি উঠিল। যৌৱনৰ সৈতে মৃত্যুৰ কেনেকৈ বন্ধুত্ব হয়! Death is a shadow of life, ঠিকেই, জীৱনৰ ছাঁ মৃত্যু। জীৱনৰ সকলো সময়তে মৃত্যুৰ ছাঁ সহচৰ। যিকোনো সময়ত এই ছাঁয়ে আলিংগন কৰে জীৱন—তাৰ পিচত সকলো ছাঁ, কেৱল ছাঁ। ভাস্বতীয়ে আকাশলৈ চালে। সৰুৰে পৰাই শুনি আহিছে আকাশেই মৃত্যুৰ পিচত আত্মাৰ আশ্ৰয়। অভিয়ে এনেকুৱা মুহূৰ্ত কিছুমান তাইক দি থৈ গ'ল, যিখিনিৰে অভিৰঞ্জনক জীয়াই ৰাখিবলৈ যথেষ্ট। ক'ব নোৱাৰাকৈয়ে তাই বুকুৰ ওপৰত প্ৰাৰ্থনাৰ ভংগীত হাতদুখন একেলগ কৰিলে। অভিৰঞ্জনে শান্তি পাওক—অভিক জীৱনে দিয়া দুখবোৰ আকাশত বিলীন হৈ যাওক।

✧ ✧ ✧

এসপ্তাহমান ভাস্বতী প্ৰায় মৌন হৈ থাকিল। অভিৰ মৃত্যুৰ বাবে ছাত্ৰ একতা সভাই শোক সভা পাতিছে। ভাস্বতী নগ'ল। অভিৰঞ্জন থকা হোষ্টেলত এখন শোক সভা হৈছে,

ভাস্বতীক বহু অনুৰোধ কৰিছিল ইফটিকাৰহঁতে এই সভালৈ আহিবলৈ। ভাস্বতী নগ'ল। অভিৰঞ্জনৰ কথা উচ্চাৰণ কৰিবলৈও তাইৰ ইচ্ছা হোৱা নাই। মাত্ৰ কেইঘণ্টামানৰ কথোপকথনেৰে অভিৰ সৈতে হোৱা অন্তৰংগতা, হাস্পতালত এমাহৰ বাবে বাঢ়ি অহা বন্ধুত্ব, তাৰপিচত অভিৰ চিৰবিদায়। এই সমগ্ৰ অনুভূতিটোৱেই ভাস্বতীক বোবা কৰি পেলাইছে। ভাস্বতীৰ টোপনি নহা হৈছে, ভোক নোহোৱা হৈছে। কিতাপ মেলিলেই খেলি-মেলি চিন্তাই জুমুৰি দি ধৰে। ৰুমমেট অনুৰেখা, ৰীণাই ভাস্বতীক নানা কথাৰে বুজনি দিছে। অৱশেষত ৰীণাই কৈ পেলালে—ভাস্বতী আৰু কোনো বন্ধু-বান্ধৱীৰ সৈতে তই 'ইনভলভ্' নহ'বি?

—মানে! ভাস্বতী চক্ খাই উঠিল।

—মানে, বেছি ওচৰ চাপিলে দুখো বাঢ়ে। ৰীণাই ক'লে।

—তই যদি অকলশৰে হাস্পতালত থাক, মই যামনে নাযাম? মই অসুখত পৰিলে তই মোৰ ওচৰলৈ নাহিবি নেকি? নে ভদ্ৰতা কৰি খা-খবৰ ল'বি! ৰীণা মনে মনে থাকিল। অনুৰেখাই ভোৰ-ভোৰালে—লোকেল ল'ৰা-ছোৱালীবোৰৰ ভাল। ঘৰৰ পৰা আহি ক্লাছ কৰে আৰু আবেলি ঘৰলৈ ঘূৰি যায়। তাতেই শেষ সম্পৰ্ক। হোষ্টেলৰ জীৱন বৰ কষ্টকৰ। আমাৰ নতুন ঘৰ আৰম্ভ হয়, নতুন সম্পৰ্ক হয়। সম্পৰ্কৰ আৰম্ভ মানেই দায়িত্ব। ৰেচপনচিবিলিটি। সম্পৰ্ক ৰক্ষা কৰাৰ দায়িত্ব।

—ভাস্বতী, নতুন ছোৱালী ভৰ্তি হ'বলৈ আৰম্ভ কৰিছে। মনত আছেনে, ছিনিয়ৰৰ ফেয়াৰৱেল পাৰ্টিত আমি যে কৈছিলো, এই হোষ্টেলত আমি ৰেগিং নকৰোঁ। অন্য ধৰণে চিনা-পৰিচয় আৰম্ভ হ'ব, কিন্তু মানসিক, শাৰীৰিক অত্যাচাৰ নচলিব। এতিয়া পিচে কি কৰিবি? ছোৱালীবোৰ আহিবলৈ আৰম্ভ কৰিছেই। ৰাতিয়ে মিটিং এখন হ'ব নেকি? ৰীণাই কথাটো উলিওৱাৰ লগে লগেই অনুৰেখাই ক'লে—আহিয়েই মিটিং হ'ব। সময় নাই হাতত।

—মোৰ পঢ়িবলৈ আছে। দুদিন পিচতে মিডটাৰ্ম পৰীক্ষা। তহঁতৰ দৰে নহয় মই—মই দুটা ছাবজেক্ট ক্লিয়েৰ কৰিব লাগিব। মই আটাইকেইটা পৰীক্ষা আকৌ দিম বুলি ফৰ্ম ফিলাপ কৰিছোঁ।

—'পাগলী—তই মূৰ্খ, ক'ত বুজালোঁ। ভাল হোৱা পৰীক্ষা কেইটা আকৌ নতুনকৈ দিলে যদি কম নম্বৰ পাৱ? তাতকৈ দুটা বেয়া হোৱা 'ছাবজেক্ট'ৰ পৰীক্ষা দে—নুশুনিলি। মৰ এতিয়া। যোৱা দুদিন তই পঢ়া নাই, খোৱা নাই, শোৱা নাই। আমিনো কোন তোৰ? তই নিজৰ মতেহে কাম কৰ, —অ' পাহৰিছিলো, প্ৰদ্যুৎ আজি আবেলি আহিছিল। তই হোষ্টেল পোৱাহি নাছিলি। বহুপৰ ৰ'ল। মই ক'লো, তাইৰ পৰীক্ষা—পৰীক্ষাৰ পিচত লগ পালেই ভাল।' ৰীণাৰ কথা শেষ হ'বলৈ নাপালে, ভাস্বতী জাপ মাৰি আহি ৰীণাৰ ওচৰ পাই সাবট মাৰি ধৰি ক'লে—প্ৰদ্যুৎ আহিছিল? ষ্টুপিড, সি এই এটা বছৰে আহিব নোৱাৰিলে, এতিয়া কি কৰিবলৈ খবৰ লৈছেহি! ছেঃ মই কিয় নাথাকিলোঁ! তইনো বাৰু কি কাৰণে

মোৰ পৰীক্ষাৰ কথা ক'লি? 'কিয় তই দেখোন মোক কৈ থৈছিলি, প্ৰদ্যুৎ নামৰ ল'ৰাটো কেতিয়াবা তই নথকাত আহিলে 'গে'ট আউট' কৰি দিবি। তোৰ হৈ ময়েই যাতে তাক গালি পাৰোঁ—এতিয়া আকৌ তই দেখোন উল্টা মাৰিছ! 'হেই, ৰ-ৰ-তই বেছি বেয়াকৈ ক'লি নেকি? এইটো ঠিক কথা, সি এটা স্কাউন্দ্ৰেল, এটা শিয়াল-বান্দৰ। মই হোষ্টেলত থকাৰ তিনিমাহ পিচত দুটা বাক্য লেখি চিঠি দিছিল—বাঃ ডিব্ৰুগড়ত আছা, মই ট্ৰেন্সফাৰ লৈ গৈ আছো ৰ'বা।' তাৰ পিচত খবৰ নাই। এতিয়া সি কিয় আহিছে? ভাল কৰিলি, মোৰ পৰীক্ষা আছে বুলি ক'লি। মই কেতিয়াও লগ নধৰো—ইস্, নিজকে কি বুলি ভাবিছে সি! সি ট্ৰেন্সফাৰ লৈ অহাৰ কথা কিবা কৈছে নেকি বাৰু তোক? ৰীণাই হাঁহি ৰখাব নোৱাৰিলে। 'ভাস্বতী, মই জানো—মই জানো। কাইলৈ ৰাতিপুৱা প্ৰদ্যুতক আহিবলৈ কৈছোঁ। দেওবাৰ। ৰাতিপুৱা তইঁত ওলাই যাব পাৰিবি। মান-অভিমান কিমান কৰ কৰি থাকিবি।' ৰীণাৰ হাঁহিৰ সৈতে যোগ দিলে কল্পনা আৰু অনুৰেখায়ো। ভাস্বতী অপ্ৰস্তুত হৈ গ'ল। তাই লাজ লাজকৈ ক'লে—মোৰ কাইলৈ ৰাতিপুৱা বহুত কাম। কাকো সময় দিবলৈ নাই।

—কি কাম আছে শুনোছোন? ৰীণাই টেবুলৰ কিতাপ এখন হাতত লৈ এক বিশেষ ভংগীমাৰে সুধিলে।

—বহুত কাম—কাপোৰ ধুবলৈ আছে।

—ধুবীক দি দিম বাৰু—অনুৰেখাই ক'লে।

— আৰু-আৰু-পৰীক্ষা, পঢ়িবলৈ আছে। ভাস্বতীয়ে গহীন হ'বলৈ যথাসম্ভৱ যত্ন কৰিলে। ৰীণা ভাস্বতীৰ ফালে আগবাঢ়ি আহি গ'ল।—

—আয়ে দেহি। দেখিছো তোমাৰ পঢ়াৰ নমুনা। দুঘণ্টা বাৰু ছুটী দিলো পঢ়াৰ পৰা—ভাস্বতীয়ে গহীন হ'বলৈ যত্ন কৰিও হাঁহি পেলালে ৰীণাৰ ফালে চাই। কল্পনা আৰু অনুৰেখায়ো সশব্দে হাঁহি দিলে এইবাৰ।

✧ ✧ ✧

পুৱাই ৱাৰ্ডেনৰ ঘোষণাত হোষ্টেলত একপ্ৰকাৰ তোলপাৰেই লাগি গ'ল। ভাস্বতীক টোপনিৰ পৰা হেচুকি জগালেহি অমিতাই। চকু মোহাৰি খঙতে তাই ক'লে—কি হ'ল? পাগল হৈছ নেকি তইঁত?

—হাৰে, পাগল তই হ'বি এতিয়া। হোষ্টেলৰ বাহিৰত ৱাৰ্ডেনে ন'টিছ মাৰি থৈছে, আজিৰ পৰা তই হোষ্টেলৰ প্ৰিফেক্ট। আমাক তই চাবি আৰু ভাই—'

ভাস্বতী অবাক হৈ গ'ল। ৱাৰ্ডেনে এই সম্পৰ্কত ভাস্বতীৰ সৈতে একো আলোচনা কৰা নাই। ৱাৰ্ডেনে ভাস্বতীক ইমান গধুৰ দায়িত্ব দিয়াৰ বাবে উপযুক্ত বুলি ভাবিব বুলিও মনে নধৰে। প্ৰথম দিনাৰ পৰা ৱাৰ্ডেনৰ সৈতে ভাস্বতীৰ খোতা-মোজা লাগিয়েই আছে। সান্ত্বনাই হালধীয়া অৰ্গেণ্ডি শাৰী এখন পিন্ধি, খোচনিৰ ভাঁজবোৰ দিব নোৱাৰি 'অমিতা-

অমিতা' বুলি চিঞৰি সিহঁতৰ ৰুমৰ পৰা আহি ভাস্বতীৰ ওচৰ পালেহি। 'কি হ'ল, কিয় ইমান হুলস্থূল? সান্ত্বনাৰ প্ৰশ্নৰ ওপৰতে, তাৰিণী প্ৰায় দৌৰি আহি ক'লে—বাহিৰত ন'টিছ আছে চাই ল—ভাস্বতীক প্ৰিফেক্ট পাতিছে ৱাৰ্ডেনে। ভাস্বতী এইবাৰ সদল-বলে বাহিৰলৈ ওলাই গৈ দেখিলে—ঠিকেই, ন'টিছ্‌ৰ তলত ৱাৰ্ডেনৰ চহী। ৱাৰ্ডেনৰ ৰুমৰ দুৱাৰত টোকৰ দিলে ভাস্বতীয়ে। ৱাৰ্ডেনে দুৱাৰ খুলি ক'লে—ভাস্বতী ন'টিছ্ পঢ়িছা নহয়! কাম ভালকৈ চম্ভালিবা।

—মই-মানে মোক কিয়—

—নাই-নাই-তুমিয়েই হ'ব লাগিব। মুখে-মুখে জবাব দিবলৈ নাহিবা। মই তোমাক প্ৰিফেক্ট পাতিছো-বচ্।

আটাইবোৰে হাত চাপৰি বজাই দিলে। ভাস্বতী বিমোৰত পৰিল। কি কাণ্ড! চোৰক গৃহস্থই ঘৰৰখীয়া পতাৰ দৰে কথা এয়া। হোষ্টেলৰ এই অসহ্য বন্ধন ভাস্বতীয়ে যেতিয়াই-তেতিয়াই ভাঙিব খোজে। সেইবাবেই এই দায়িত্ব নেকি! এতিয়াতো উপায় নাই। নিজেই গধূলি ছয় বজাৰ আগতে সোমাই, ৰুমে ৰুমে ৰেজিষ্টাৰ বুক্ মেলি, আনৰ উপস্থিতি ল'ব লাগিব। ছোৱালীবোৰৰ ৰক্ষণা-বেক্ষণ, অনিয়মৰ কৈফিয়ৎ ৱাৰ্ডেনক প্ৰতিদিনে ৰিপ'ৰ্ট কৰিব লাগিব। অৰ্থাৎ ভাস্বতী এতিয়া 'ভাল ছাত্ৰী' হৈ পৰিব লাগিব! ভাস্বতীৰ মুখ শুকাই গ'ল। তাই ৰীণাক কাণে-কাণে সুধিলে—আজি প্ৰদ্যুৎ যে অহাৰ কথা—তাৰ সৈতে ওলাই যাব পাৰিবনে নাই! ৰীণাই ক'লে—তোক আমি সহায় কৰিম চিন্তা নকৰিবি। আজিৰ পৰা তই প্ৰিফেক্ট। ৰাতিলৈ কিন্তু ৰুমত পাৰ্টি—এই তহঁত চব আহিবি। ৰীণাই ঘোষণা কৰাৰ লগে লগে হুলস্থূল এটা লাগি গ'ল। অমিতাই ভুল শব্দৰে নিজস্ব ভংগীত গাবলৈ ধৰিলে—

মোৰ মন কেতিয়াবা চঞ্চল হয়
মন নিজৰাৰ গতি দুৰ্বল হয়
আৱেগৰ বালা পিন্ধি নাচে
লতিকাই চিঞৰি ক'লে—ঐ গানৰ জাত নামাৰিবি—

✧ ✧ ✧

প্ৰদ্যুতলৈ বাট চাই ভাস্বতী খঙে-অভিমানে আতুৰ হৈ পৰিল। দুপৰীয়া বাৰ বাজিল। ৰীণাই কোৱা মতে, পুৱা নমান বজাতে প্ৰদ্যুৎ অহাৰ কথা। ভাস্বতীৰ নিজৰ ওপৰত তীব্ৰ খং উঠিল। কিয়-কিয় প্ৰদ্যুৎ অহা-নহাৰ বাবে তাই বিচলিত হ'ব লাগে? ডেৰ বছৰে প্ৰদ্যুতৰ সৈতে দেখা-সাক্ষাৎ হোৱা নাই। ভালেইতো আছে তাই! উদীপুৰ কথা বৰঞ্চ তাই প্ৰায়ে ভাবে, কিন্তু প্ৰদ্যুতৰ কথা কেতিয়াও নাভাবে। তেন্তে প্ৰদ্যুৎ আহিব বুলি ইমান অধীৰ হোৱাৰ যুক্তি ক'ত? মিছাকৈয়ে পঢ়াৰ সময় নষ্ট হ'ল। ভাস্বতী ডাইনিং হললৈ গ'ল। 'ৰামু কাকা ভাত দিয়া।' ভাস্বতীয়ে চিঞৰি ক'লে। ৰামু কাকাই ভাত নমাইছেহে

জুইৰ পৰা। ভাস্বতীৰ বাবে ৰামুকায়ে ভাতৰ প্ৰকাণ্ড চচ্‌পেনৰ পৰা হেতাপে থালত ভাত বাঢ়ি মেলি দিলে। ধোঁৱাৰে কাঁহীখন সেমেকি গ'ল। 'কি ৰান্ধিছা?' ভাস্বতীয়ে থালখন হাতত লৈ সুধিলে। 'মচুৰ দাইল, বন্ধাকবি ভাজি, টিয়ঁহ-বিলাহীৰ চালাড, আচাৰ, ৰাতিলৈ মাংস।' ভাস্বতীয়ে হাঁহি পেলালে। তাৰপিচত ক'লে—আলু ভাতত দি সিজাইছানে? ৰামুকায়ে মনে মনে ক'লে—দুটা তোমালৈ থৈছোঁ।

'হ'ব, মই মাখনৰ পেকেট লৈ আহো ৰ'বা। আলু-মাখন গৰম ভাত আৰু চালাড—বঢ়িয়া লাগিব।

'ছোৱালী মানুহে ইমান আলু-মাখন নাখাই নহয়। ধেপেচি হ'লে, দৰাই পচন্দ নকৰিব।'

'ৰামু কাকা, পচন্দ—অপচন্দ মোৰো আছে। ল'ৰাই পচন্দ কৰালৈ থোৱাই কেয়াৰ কৰিছো মই।'

'জানো তোমালোকৰ ভাষাবোৰ বজৰুৱা—বুজিয়ে নাপাওঁ আমি।' ভাস্বতীয়ে হাঁহি দিলে ৰামুকাকাৰ কথাত। তাই ভাত ফুৰাই-ফুৰাই ক'লে—আচ্ছা কাকা, তুমি বিয়া কৰাইছিলানে নাই বাৰু? কাকাই হাঁহি মাৰি ক'লে—এতিয়া মোৰ বাৰন্ন বছৰ বয়স। উনৈশ পয়ষষ্ঠী চনত যেতিয়া ডিব্ৰু বিশ্ববিদ্যালয় স্থাপন হৈছিল, তেতিয়াই মোক মোমাইদেৱে লৈ আহিছিল। তেতিয়া মই ত্ৰিশ বছৰীয়া, বিয়া কৰাই নতুন কইনা থৈ আহিছিলো ঘৰত। প্ৰথম এই বিশ্ববিদ্যালয় স্থাপন কৰা এজন প্ৰধান মানুহ লক্ষীপ্ৰসাদ দত্তৰ ঘৰত ভাত ৰান্ধনী সোমালোঁ। সেই সময়ত বিখ্যাত গণিতজ্ঞ পণ্ডিত খড়্‌গপুৰৰ ড° ভোজৰাজ শেঠ উপাচাৰ্য হৈ অহাৰ কথা আছিল। পিচে তেওঁৰ অহাত পলম হোৱাত লক্ষীপ্ৰসাদ দত্ত এবছৰ উপাচাৰ্য হৈ থাকিল। ময়ো তেওঁৰ লগত থাকিয়েই গ'লোঁ। পিচত হোষ্টেলৰ ৰান্ধনি হ'লোঁ। মাজতে খবৰ পালো মোৰ ছোৱালী এজনী হৈছে। মই গৈ চাই আহিছিলোগৈ। পিচে ছমাহমান পিচত খবৰ পালো, আমাৰ ঘৰৰ পিতাই, মোৰ মানুহজনী, মোৰ ছোৱালীজনী হাইজা মহামাৰীত ঢুকাল। নামনিত সেই সময়ত মহামাৰীৰ তাণ্ডৱ হৈছিল। তাৰ পিচৰ পৰা গাঁও এৰিলোঁ। সিহঁতবোৰৰ মুখৰ ছাঁই গুচাই যি আহিলো—আৰু ঘূৰি নগ'লোঁ। ৰামুকাকাই অলপো বিচলিত নোহোৱাকৈ সাধাৰণভাৱে জীৱন কাহিনী কৈ শেষ কৰি পেলালে। ভাস্বতী স্তম্ভিত হৈ ৰৈ থাকিল।

ইমান দিনে এই ৰামুকাকাৰ বিষয়ে জানিবলৈ সিহঁত প্ৰত্যেকজনী ছোৱালীয়েই কিমান চেষ্টা চলাই বিফল হৈছিল! অথচ আজি নিজেই ৰামুকাকাই সকলো কৈ পেলালে। তাকো অবিচলিত, স্বতঃস্ফূৰ্তভাৱে। আনন্দ প্ৰকাশ কৰিবলৈ ক্ষণ গণিব নালাগে, কিন্তু যন্ত্ৰণা প্ৰকাশৰ ক্ষণ সদায় মন্থৰ। ই নিজস্ব সময়ত, নিজস্ব ৰীতিত আত্মপ্ৰকাশ কৰে। আনন্দৰ দুৱাৰত তলা নাথাকে, যন্ত্ৰণাৰ দুৱাৰত তলা থাকে আৰু চাবি হেৰাই যায়। চাবি বিচাৰি কেতিয়াবা পালেহে এই বন্ধ দুৱাৰ খুলিব পাৰি। ৰামুকাকাই আজি নিশ্চয় সেই চাবি বিচাৰি পালে।

ভাস্বতীয়ে চাই থাকিল ৰামুকাকালৈ। কোনো বেদনাৰ ৰেশ নাই মুখত। টং-টংকৈ ঘণ্টা কোবালে ৰামুকাকাই। ভাত খাবলৈ দলে-দলে ছোৱালীবোৰ যেতিয়া আহিল, ৰামুকাকা ব্যস্ত হৈ পৰিল। কোনে জানে, এই ছোৱালীবোৰৰ মাজত ৰামুকাকাই প্ৰত্যেক বছৰেই কিজানি কল্পনা কৰে, বহু বছৰ আগেয়ে কেঁচুৱাতেই হেৰাই যোৱা তেওঁৰ কন্যাৰ মুখ!

✧ ✧ ✧

প্ৰদ্যুৎ আহিল তিনি বজাত। ভাস্বতীয়ে হাতত কিতাপ লৈয়ে টোপনি গৈছিল। অনুৰেখাই জগাই দিলেহি। 'উঠ—প্ৰদ্যুৎ আহিছে।' ভাস্বতী শোৱাৰ পৰা উঠিয়েই ক'লে—এতিয়া কি ৰাতিপুৱা নটা বাজিছে! কৈ দেগৈ নাই বুলি।

অনুৰেখা যাব খুজিছিল, তেনেতেই ভাস্বতীয়ে ক'লে—ৰ'-ৰ'—মই গৈছোঁ। ননচেন্স—কি বুলি ভাবে সি নিজক! ভাস্বতীয়ে আইনাত নিজৰ মুখখন পৰীক্ষা কৰিলে। অলপ পাতলকৈ লিপ্‌ষ্টিক লগালে। তাৰ পিচত চেণ্ডেল চোঁচোৰাই তাই লাউঞ্জলৈ ওলাই গ'ল। প্ৰদ্যুৎ বহি থকাৰ পৰা ভাস্বতীক দেখি বহাৰ পৰা থিয় হৈ সোঁহাতখন আগবঢ়াই দি ক'লে—হাই, আই এম প্ৰদ্যুৎ ভুঞা—ইফ আই ড'ণ্ট মিছটেক্—আৰ ইউ ভাস্বতী!

—ননচেন্স! এইবোৰ ভাও জুৰি নাটক কৰিব নালাগে। ৰাতিপুৱা কিয় আহিম বুলি কৈছিলা?

বাহুদুটা ওপৰলৈ এবাৰ উঠাই প্ৰদ্যুতে ক'লে—পিচে কি হ'ল—নাহিলোঁ।

—কিন্তু তুমি আহিবা বুলি ক'লত, মই যে ৰৈ আছিলো—মোৰ নষ্ট হোৱা সময় তুমি ঘূৰাই দিব পাৰিবা?

'ৱাউ-ৱণ্ডাৰফুল! তুমি মোৰ বাবে সময় নষ্ট কৰিলা? সকলোতকৈ মজাৰ কথাটো হৈছে, তুমি 'তই'ৰ পৰা 'তুমি' বুলি সম্বোধন কৰিছা। সেইবাবে ময়ো 'তুমি'য়েই বুলিছোঁ। দীৰ্ঘদিনৰ বিৰতিত তুমি বহুত 'মেচিয়ৰ' হৈ গ'লা' ভাস্বতী অপ্ৰস্তুত হৈ গ'ল। হয়তো! সিহঁত খুব ভাল বন্ধু।

'তই' সম্বোধনেৰে ইটোৱে-সিটোৱে কথা পাতে, কাজিয়া কৰে। ভাস্বতীয়ে লাজ পাই ক'লে—'হ'ব। মই জানি-বুজিহে কৈছোঁ। এইটো হোষ্টেল। চিৰিয়াখনা নহয় যে বনৰীয়া ম'হে যুঁজ কৰাৰ দৰে কৰিম। 'কিন্তু মই দেখাতটো এয়া চিৰিয়াখানাই। প্ৰকাণ্ড লোহাৰ গেইট। তামোল গছৰ সমান দেৱাল। ভিতৰত ছোৱালীবোৰ—গেইটৰ লোহাৰ ৰেলিঙৰ ফুটাৰে জুমি-জুমি চাব লাগে। আৰু চিৰিয়াখানা এয়া হ'বই লাগিব—য'ত তই বিৰাজমান।' ভাস্বতীয়ে চেপা মাতেৰে ক'লে—অসভ্য—চুপ থাক। কথা বেয়া হ'ব। মই ইয়াত কাজিয়া কৰিব নোখোজোঁ।

'তেন্তে ব'লা সোনজনী বাহিৰলৈ। চাৰে তিনিটা বাজিছে এতিয়া। তোমাক পাঁচ বজাত অক্ষত শৰীৰেৰে, সসন্মানে 'গাৰ্ড অৱ অনাৰ' দি থৈ যামহি। তুমি সাজি-কাচি

ওলাই অহা সময়কণ, মই বেৰৰ জেঠি-মকৰা চাই যাতে থাকিব নালাগে, তাৰ ব্যৱস্থা হিচাপে তোমাৰ বান্ধৱী এজনী চিনাকি কৰাই দিয়ানা।'

'এই অসভ্যালিবোৰ নগ'ল আৰু। ডেৰ বছৰে সলনি নহ'ল স্বভাৱ।'

'এই স্বভাৱ এৰি মই প্ৰদ্যুৎ ভূঞা কেনেকৈ হ'ম?' মৰিলেহে লগত যাব স্বভাৱ....'

'বচ্-বচ্ হ'ব। মই কাৰোবাক পঠিয়াই দিছো ৰ'বা। ভাস্বতী ভিতৰলৈ সোমাই গ'ল। তাই হঠাতে কৰিড'ৰত সুজাতা সৰকাৰ আৰু মীনাক্ষী পোদ্দাৰক লগ পাই ক'লে— লাউঞ্জত যে বহি আছে—মোৰ গেষ্ট। তহঁত যাচোন—এসেকা দিবি কিন্তু। সুজাতাই হাঁহি মাৰি ক'লে—বাঃ বঢ়িয়াতো গৈ আছোঁ। ভাস্বতীয়ে মুখ টিপি হাঁহিলে।

প্ৰায় আধাঘণ্টা সময় প্ৰদ্যুতক বাহিৰত বহুৱাই থৈ ভাস্বতী ওলাই আহিল। ইচ্ছা কৰিয়েই তাই পলম কৰিছে। প্ৰদ্যুতেও বুজক অপেক্ষাত কিমান বিড়ম্বনা থাকে। ইতিমধ্যে সুজাতা আৰু মীনাক্ষীয়ে নিশ্চয় প্ৰদ্যুতক জ্বলা-কলা কৰিছে। ল'ৰা জোকোৱাত সিহঁতৰ সমান পাৰ্গত হোষ্টেলত কোনো নাই।

ভাস্বতী আহি প্ৰদ্যুতৰ ওচৰত ৰ'লহি। সি ক'লে—বাঃ বৰ ধুনীয়া লাগিছে। 'ইন্তেজাৰ কা ফল মিঠা হোতা হ্যায়।' সুজাতা আৰু মীনাক্ষী হঠাৎ থিয় হৈ দিলে। 'ইমান ফাকিবাজ।' মীনাক্ষী হতভম্ব। ভাস্বতীয়ে একো বুজিব নোৱাৰি মীনাক্ষী আৰু সুজাতালৈ চাই ৰ'ল। প্ৰদ্যুতে হো-হোৱাই হাঁহি দিলে। 'কি হ'ল?' ভাস্বতীয়ে অবাক হৈ সুধিলে। সুজাতাই ক'লে— আমি আহি তেওঁক নাম সুধিলো পিচে তেওঁ অংগী-ভংগীৰে বুজালে যে তেওঁ মাতিব নোৱাৰে। আমি আচৰিত হ'লোঁ। তেওঁ আকাৰে-ইংগিতে আমাক বুজালে, সৰু অৱস্থাৰ পৰাই তেওঁ মাতিব নোৱাৰে—কাণেৰে শুনে। আমি উঠি যাব খোজোতে—হাতেৰে দেখুৱাই নাযাবলৈ কৈ বহি থাকিবলৈ ক'লে। কি সাংঘাতিক তোৰ গেষ্ট ভাস্বতী! আমি তেওঁৰ অৱস্থা দেখি বেয়া লাগি, বুৰ্বকৰ দৰে সন্মুখত বহি থাকিলোঁ। ভাস্বতীয়ে প্ৰদ্যুতৰ পিঠিত এটা ভুকু দি ক'লে—বান্দৰ—তই সঁচাকৈয়ে বান্দৰ!

(তেইশ)

তোমালৈ এইবাৰ এটা প্ৰস্তাৱ লৈ আহিছোঁ। প্ৰদ্যুতে ব্ৰহ্মপুত্ৰৰ পাৰৰ ওচৰৰ বাদাম বেচা মানুহটোৰ পৰা দুঠোঙা বালিত ভজা বাদাম লৈ ক'লে।

—কি প্ৰস্তাৱ? ভাস্বতীয়ে উৎসুকতাৰে সুধিলে।

—তুমি এঠোঙা বাদাম, মই এঠোঙা বাদাম খাম, সময় দুই মিনিট—কোনে আগতে শেষ কৰিব পাৰে......

ভাস্বতীয়ে মুখখন বেঁকা কৰি ভৰা লুইতলৈ চালে। প্ৰদ্যুৎ যে কি ধাতুৰে গঢ়া! ভাস্বতীৰ মন আজিলৈকে সি নুবুজিলে! নে প্ৰদ্যুতৰ বাবে ভাস্বতী কেৱল বান্ধৱী! ভাস্বতীৰ এই বিশ্ববিদ্যালয়ত থকা কেবাজনো বিশ্বস্ত বন্ধু কৃষ্ণ, হেম, বিপিন, আছাউৰহঁতৰ দৰে! কিন্তু ভাস্বতীয়ে জীৱনৰ নিভৃত মুহূৰ্তৰ ভাগ-বতৰা কৰাৰ বাবে প্ৰদ্যুতক সংগী হিচাপেও মাজে মাজে কামনা কৰিবলৈ লৈছিল— এই কথা প্ৰদ্যুতে জানেনে!

—কি হ'ল—মনে মনে থাকিলা যে! প্ৰস্তাৱটো পচন্দ হোৱা নাই নেকি? ব'লা বহোঁগৈ; সিহঁত গৈ ব্ৰহ্মপুত্ৰক সন্মুখত লৈ ওখ ঠাই এটুকুৰাত বহিল।

—তুমি বাদাম বেয়া পোৱা নেকি? প্ৰদ্যুতে বাদামৰ বাকলি এটা দাঁতেৰে ভাঙি সুধিলে।

—নাপাওঁ—বৰ ভাল পাওঁ। ভাস্বতীয়ে ৰুক্ষ উত্তৰ এটা দিলে।

—ময়ো ভাল পাওঁ। এই সৰু বস্তুটো যদি তোমাৰ হাতত থাকে, তোমাৰ আমনি নালাগে, তোমাৰ যদি টেনশ্যন আছে, বাদাম এটা দুটা খাই থাকিলে নাইকিয়া হৈ যায়। আৰু তোমাৰ ডাঙৰ বন্ধু এই ভজা বাদাম—তোমাক সংগও দিব পাৰে বাদামে.....

—তেন্তে মই যাওঁ। তোমাৰ সৰ্বগুণাকৰ বাদামৰ সংগ লৈ থাকা বহি.... ভাস্বতী উচাৎ মাৰি উঠিব খোজোতে, প্ৰদ্যুতে ভাস্বতীৰ হাতত ধৰি বহুৱাই দিলে।

—বহছোন বহ—তোৰ এই অকঁৰা খংটো মোৰ বৰ ভাল লাগে। আজি শেষবাৰৰ বাবে বন্ধুত্বৰ 'তই' সম্বোধন এই ব্ৰহ্মপুত্ৰৰ পানীত পেলাই দে। কিমান দিন? আমি প্ৰায় পাঁচ বছৰ বন্ধু আছিলো নহয়?

ভাস্বতীয়ে চকু দুটা বহলকৈ মেলি সুধিলে—কথাবোৰ দেখোন পাষ্ট টেন্সত কৈ আছ! বন্ধু আছিলো... আজিৰ পৰা সকলো সম্পৰ্ক শেষ নেকি!

—ঠিকেই ভাবিছ—আজিৰ পৰা নতুন সম্পৰ্ক এটাৰ আৰম্ভ কৰিব খুজিছোঁ। প্ৰদ্যুতে ভাস্বতীৰ হাত এখন নিজৰ হাতৰ মুঠিত সুদৃঢ়ভাৱে ধৰি আছে। ভাস্বতীৰ বুকুখন ঢপ্-ঢপাবলৈ ধৰিলে। তাৰমানে প্ৰদ্যুতে তাইৰ আকাংখিত শব্দকেইটা ক'বলৈ আগবাঢ়িছে। যি শব্দ দুটাৰ বাবে তাই অপেক্ষা কৰি ভাগৰি পৰিছিল। লাহে লাহে এসময়ত মনৰ মাজত

প্ৰদ্যুৎ নামটো সমাধি দি পেলাইছিল। যিকেইটা শব্দ পৃথিৱীৰ আদিকালৰ পৰা চিৰ যৌৱনা, চিৰ নতুন। ভাস্বতীৰ সৰ্বশৰীৰত যেন বিদ্যুৎ প্ৰৱাহিত হ'বলৈ ধৰিলে। তাই ইতিমধ্যে ঘামিবলৈ আৰম্ভ কৰিছে।

—আজিৰ পৰা তুমি গালি পাৰিবা, মই শুনিম, তুমি অভিমান কৰিবা মই ভাঙিম, তুমি চিনেমা চাম বুলিলে মই য'ৰে কাম ত'তে পেলাই, তোমাক টিকট কৰি দিম, তুমি যদি চাউমিন খাম বুলি কোৱা, মই চাউমিন বেয়া পালেও তোমাৰ সৈতে খাম; আনন্দেৰে, তুমি যদি কোৱা আজিৰ পৰা মোৰ প্ৰিয় বাদামৰ সংগ ত্যাগ কৰা, মই তোমাৰ আদেশ মানিম—এটা—এটা নতুন সম্পৰ্ক। বন্ধুত্বত যি স্বাধীনতা আমি দুয়ো উপভোগ কৰিছিলো, সেয়া তোমাৰ বাবে মই বিসৰ্জন দিম। এতিয়াৰ পৰা তুমি যি ভালপোৱা, সেয়াই মোৰো ভালপোৱা, মোৰো ইচ্ছা।—তুমি বুজিছানে ভাস্বতী!

এয়া কেনে অদ্ভুত সম্পৰ্ক প্ৰদ্যুৎ? একপক্ষীয় সম্পৰ্কৰ মাজত তুমি নিজক বিসৰ্জন দিবা—কিয়?

—নহ'লে হয়তো তুমি হেৰাই যাবা। মই প্ৰমাণ কৰিব খোজো যে তোমাৰ বাবে মই এই বাদাম খোৱা অভ্যাসটোও এৰি দিব পাৰোঁ.... এইবাৰ প্ৰদ্যুতে প্ৰায় খোলা হাঁহি মাৰিলে।

—ইমান দিন কিয় দূৰত আছিলা তেনেহ'লে?

—দূৰত থকাটো ভাল। সেইবাবেইতো এই কথাবোৰ চিন্তা কৰিবলৈ সুবিধা পালোঁ। তোমাৰ ওচৰত দ্বন্দ্ব-হাই-কাজিয়া কৰি থকা সময়ছোৱাত এবাৰলৈও এনেকুৱা চিন্তাবোৰ অহা নাছিল।

—মই কি বিচাৰো সেয়া জানিব নোখোজা নেকি? প্ৰদ্যুতে ভাস্বতীৰ ফালে চালে। ভাস্বতীয়ে দেখিলে, প্ৰদ্যুতৰ চকুত ভাস্বতীক হেৰুৱাৰ ভয়। তাই উপভোগ কৰিলে প্ৰদ্যুতৰ এই মুখৰ অভিব্যক্তি। ভাস্বতীয়ে লাহে লাহে ক'লে—প্ৰদ্যুৎ হয়তো কিছুদিন পলম কৰা হ'লে, মই হেৰাই গ'লোহেঁতেন। প্ৰত্যেক সংযোগ আৰু বিয়োগৰ নিৰ্দিষ্ট ক্ষণ থাকে। কেতিয়াবা ইচ্ছা কৰিলেও একো নহয়, কেতিয়াবা ইচ্ছা নকৰাকৈয়ে সকলো হয়।

তোমাক মই মিছা নকওঁ, মই ভাবিছিলো তুমি কোনো কথাই ছিৰিয়াছলি লোৱা নাই। মোৰ সৈতে তোমাৰ দীৰ্ঘদিনৰ বন্ধুত্ব, এক নিচাহে। খন্তেকৰ হৈ-হাল্লা, স্ফূৰ্তি, খং, কাজিয়া, তৰ্ক-বিতৰ্ক, তাতেই শেষ। মই উদীপ্ত নামৰ নতুনকৈ চিনাকি হোৱা মানুহজনৰ প্ৰতি বোধহয় আকৰ্ষিত হ'বলৈ আৰম্ভ কৰিছিলোঁ। আমাৰ মাজত কোনো কথা এই বিষয়ে হোৱা নাই। তোমাৰ দূৰত্ব, তোমাৰ নীৰৱতাই বোধহয় মোক কিছু অভিমানীও কৰি তুলিছিল। একো নোকোৱাকৈয়ে, মই উদীপ্তৰ উপস্থিতি আৰু অপেক্ষাত দেখিবলৈ পাইছো তেওঁৰ মোৰ প্ৰতি থকা অনুৰাগ।

—তুমি তেন্তে কি বিচৰা? প্ৰদ্যুতে যথেষ্ট গম্ভীৰ কণ্ঠেৰে সুধিলে।

—মই কৈছোৱেই, তোমাৰ সুদীৰ্ঘ নীৰৱতাই মোক উদীপ্তৰ ফালে চাবলৈ বাধ্য কৰাইছিল। তুমি এই মুহূৰ্ততো মোৰ বন্ধু। সেয়ে সকলো কথা মুকলিকৈ কৈছো তোমাক। মই এই কথা তোমাক নোকোৱা হ'লেও ক্ষতি নাছিল। যিহেতুকে উদীপ্ত আৰু মোৰ মাজত এই বিষয়ে কোনো কথাই হোৱা নাই। মই মনেৰেও তোমাৰ ওচৰত পৰিষ্কাৰ হৈ থাকিব খুজিছো—মই এজনৰ সৈতে প্ৰেমত মচগুল হৈ থাকিম, আন এজনৰ বাক্‌দত্তা হ'ম, এয়া মোৰ দ্বাৰা সম্ভৱ নহয়। তোমাৰ নীৰৱতাই মোক প্ৰকৃততে অভিমানী কৰিছিল।

—মোক তোমাৰ বিষয়ে তুমি ক'ব নালাগে, মই জানোঁ। ভাস্বতী নীৰৱ হৈ থাকিল। নীৰৱতাৰ মাজত বাদামত বাকলি ভঙাৰ শব্দ কিছুপৰ ভাস্বতী আৰু প্ৰদ্যুতৰ মাজত অহা-যোৱা কৰি থাকিল। নীৰৱতা ভংগ কৰিলে ভাস্বতীয়ে—তোমাৰ স্বাধীনতা খৰ্ব নকৰিলেও মই আছো সদায়। মই ভাল পাম বুলি একো কৰি তুমি দেখুৱাব নালাগে। কৃত্ৰিমতা থাকিলেই সম্পৰ্ক নকল হৈ যায়।

—কিন্তু মই দেখিছো ভাস্বতী, প্ৰেম-ভালপোৱা, স্বামী-স্ত্ৰী আদিৰ সম্পৰ্ক বৰ ডেলিকেট—ধৰা, মই তোমাৰ জন্মদিন, তুমি মোৰ জন্মদিন পাহৰিলে ডাঙৰ গণ্ডগোল হৈ যাব—ইজনৰ পচন্দৰ বস্তু এটা সিজনে যদি প্ৰশংসা নকৰে—তেতিয়া গণ্ডগোল হৈ যায়—ধৰা, একেলগে ক'ৰবালৈ যোৱাৰ কথা আছিল, কিন্তু মুৰকত এজনৰ সময় নিমিলাত ইজন অকলে যাব লগা হ'ল, তেতিয়াও মহা কাজিয়া আৰম্ভ হৈ যায়.... মোৰ সদ্য বিবাহিত বন্ধু এজনে কেইদিনমান আগেয়ে কৈছিলে যে, গৃহ শান্তিৰ বাবে পত্নীৰ সকলো কথাত 'হয় হজুৰ' ম'ষ্ট অবিডিয়েণ্ট চাৰভেণ্ট হ'ব লাগিব স্বামী। এই কথাবোৰ শুনি শুনি ভয়তে মই তাপ মাৰিছিলোঁ। এফালে তোমাক পোৱাৰ ইচ্ছা, আনফালে ইমানবোৰ পচন্দ-অপচন্দৰ কথা। মই নোৱাৰিম। কিন্তু তথাপিও আজি সাহস গোটাই..... ভাস্বতীয়ে খিল্‌-খিলাই হাঁহি পেলালে। হাঁহিত তাইৰ চকুপানী ওলাল—হাঁহি হাঁহিয়েই ভাস্বতীয়ে ক'লে, 'সেইবাবেই হ'বলা কৈছিলা প্ৰথমেই—মই চিনেমা চাব খুজিলে তুমি টিকট কৰিবলৈ দৌৰি আহিবা—চাউমিন খাম বুলিলে, তুমি বেয়া পালেও মোৰ সৈতে আনন্দেৰে খাবা..... হে ঈশ্বৰ! ভালপোৱাৰ কি প্ৰহসন! কি যন্ত্ৰণা!'

—ইমান নাহাঁহিবা—মই জানো, তুমি আনৰ দৰে নহয়—তথাপিও মোৰ এটা ভয় হৈছিল, এতিয়া সেই ভয় ভাগিল। তোমাৰ জন্মদিন মই পাহাৰিলেও, তুমি মোক ভাল পাবা, মই তোমাক দি যোৱা তাৰিখটোত ঘূৰি নাহিলেও, তুমি খং নকৰা, আনক দেখুৱাই তোমাৰ গাত আঠা লাগি নাথাকিলেও মই তোমাৰ, তুমি মোৰ.....আস্—কি মুক্ত আমেজ!

যি সম্পৰ্কত হেৰুৱাৰ ভয় নাই, বিচ্ছেদৰ ভয় নাই, সন্দেহৰ স্থান নাই সেয়াইতো প্ৰেম—ভাস্বতী, তোমাক তেতিয়াহ'লে মই এপাহ ৰঙা গোলাপ দি 'আই লাভ ইউ' বুলি প্ৰস্তাবটো নিদিলেও হ'ব!

—যাঃ য'ত চব আউটডেটেড্ সংলাপ!

—আচ্ছা, তোমাক মই আমাৰ বিয়া নোহোৱালৈকে নতুন বছৰত গ্ৰীটিংছ কাৰ্ড নপঠালেও হ'ব!

—পাগল নেকি? এইবোৰ ঢং বাজী তোমাৰ আন কোনোবা গাৰ্ল ফ্ৰেণ্ড আছে যদি কৰিবা।

—বাঃ—তোমাৰ জন্মদিনটো তেতিয়াহ'লে মোক মনত ৰাখিবলৈ দিয়া—

—মনত আছেনে প্ৰদ্যুৎ—তিনি বছৰ আগতে, মোৰ জন্মদিনত সকলো আহিল, তুমি নাহিলা। তুমি দিল্লীলৈ গৈছিলা কিবা কামত। হঠাৎ চাৰি দিনৰ পিচত এখন চিঠি পাইছিলোঁ। তুমি লেখিছিলা মাত্ৰ কেইষাৰীমান কথা— বান্দৰী! তোক পৃথিৱীলৈ মোৰ সৈতে কাজিয়া কৰিবলৈকে পঠিয়ালে। তোৰ জন্মদিন মই পাহৰিয়েই গৈছিলোঁ। ৰাতি সপোনত তই যি মোৰ সৈতে কাজিয়া আৰম্ভ কৰিলি, সাৰ পাই মনত পৰি গ'ল। তোৰ-মোৰ জন্ম কেতিয়া হৈছিল বাদ দে—আমি মহাত্মা গান্ধীয়েইনে-জৱাহৰলাল নেহৰু—তয়ো ইন্দিৰা গান্ধী নহৱ—আমাৰ সম্পৰ্ক অটুট, বন্ধুত্ব অটুট সেয়াহে ডাঙৰ কথা। প্ৰত্যেক দিনেই এবাৰ তোক মনত নেপেলালে শান্তিৰে মোৰ পেটলৈ ভাত নাযায়—জন্মদিনটো সেইবোৰৰ বাবেহে, যি বছৰত কেৱল তোক জন্মদিনৰ দিনাহে সোঁৱৰে। মোৰ বাবে নহয়—' ভাস্বতীয়ে হুবহু চিঠিখনৰ প্ৰতিটো শব্দ মুখস্থ মাতিলে। প্ৰদ্যুতে অপলক নেত্ৰেৰে ভাস্বতীৰ মুখলৈ চাই থাকিল। ভাস্বতীয়ে তাৰমানে বন্ধুত্বৰ আঁৰে আঁৰে, প্ৰদ্যুতৰ প্ৰতিটো কথাই হৃদয়ত সাঁচি থৈছে সংগোপনে! প্ৰদ্যুতৰ বুকুখন হঠাতে আৱেগত উতলা হৈ উঠিল। ভাস্বতীয়ে প্ৰদ্যুতৰ ফালে চাই অকমান হাঁহি ক'লে—তুমি মোক বিয়া কৰোৱাৰ কথা কওঁতে মোৰ হাঁহি উঠিছে। পুতলা খেলৰ দৰে লাগিব। মানুহৰ সম্পৰ্ক যিমান কৃত্ৰিম হৈ গৈছে, সিমানেই এই অদ্ভুত আচৰণবোৰ বাঢ়ি গৈছে।

—ৰ'বা-ৰ'বা আৰু এটা উৎসৱ আছে—আমাৰ বিবাহ বাৰ্ষিকী উৎসৱ পাতিম নে নাই? ধেৎ, এইবোৰ ফিল্মী আমদানি। ভাল নালাগে। পশ্চিমীয়া দেশত বছৰি বিবাহ বাৰ্ষিকী পাতি পাৰ্টি দিয়ে, কাৰণ তেওঁলোকৰ স্বামী-স্ত্ৰীৰ সম্পৰ্ক এবছৰ অটুট থকাটোৱেই ডাঙৰ খবৰ। আমি সুখী দম্পতী—এয়া কিবা ঘোষণা কৰা বস্তুনে! সুখ আৰু আনন্দৰ দিন প্ৰতিটোৱেই গুৰুত্বপূৰ্ণ। বিবাহ-বাৰ্ষিকী স্বামী-স্ত্ৰীৰ ব্যক্তিগত। মই কেৱল নিজৰ মাজতহে এনেকুৱা বিশেষ দিনবোৰ কটোৱাতো বিচাৰোঁ।

—আৰু যদি আমাৰ বিবাহ-বাৰ্ষিকীত কিবা কাৰণত একেলগে থাকিব নোৱাৰোঁ!

—তেতিয়া একো নহয়। মানুহ পৰিস্থিতিৰ দাস। এটা বিশেষ দিনে, আমাৰ ইমান দিনৰ আনন্দ-সুখ, কাঢ়ি লৈ যাব পাৰিব নেকি? প্ৰদ্যুতে ভাস্বতীক হঠাতে সাবটি ধৰিলে। সি তাইৰ ওঁঠত নিজৰ ওঁঠৰ স্পৰ্শ দি ক'লে—মই বৰ ভাগ্যৱান। ভাস্বতী থৰ্-থৰ কৈ কঁপিবলৈ ধৰিলে। তাই কিছু নাৰ্ভাছ হৈ ক'লে—তুমি এটা বান্দৰ-বান্দৰ। চাওঁ এৰি দিয়া।

মই হোষ্টেললৈ যোৱাৰ সময় হ'ল।' প্রদ্যুতে ভাস্বতীক এবি দি কৌতুক ভৰা চকুৰে ক'লে—তুমি নাৰ্ভাছ হৈছা।

—নাই হোৱা—

—নাই হোৱা! ইমান ঘামিছা কিয়? ৰঙা পৰিছা কিয়? 'তোমাৰ পাগলামিত। দেখা নাই, ইমান মুকলিত তুমি......' ভাস্বতীয়ে কোনোমতে ক'লে।

—কিয়? পৰ্দা টানি, বন্ধ কোঠালিত তোমাক সাবটি ধৰাটোহে ভাল কথা নেকি?

—কি যে কথা কোৱা—ব'লা এতিয়া।

—মই জানো তুমি নাৰ্ভাছ এতিয়া—হাঁ-হাঁ-জীৱনত প্ৰথম নিজ চকুৰে দেখিলো তুমি—ভাস্বতী, আজি নাৰ্ভাছ, পলাব খুজিছা—এই প্ৰথম তুমি প্ৰেমিকালৈ ৰূপান্তৰিত হ'লা। মোৰ ভীষণ মজা লাগিছে তোমাক দেখি—ভাস্বতী তৎক্ষণাৎ প্ৰদ্যুতৰ ওচৰৰ পৰা আঁতৰি গ'ল। তাইৰ হৃদপিণ্ডৰ শব্দ নিজেই শুনিবলৈ আৰম্ভ কৰিছে। প্ৰদ্যুতৰ বিশ্বাস নাই। যিকোনো কাম মন গ'লেই কৰি পেলায়। তাই খৰকৈ খোজ দিলে। পিচে পিচে প্ৰদ্যুৎ—সি সুহুৰিয়াই এটা গানৰ কলি গুণ-গুণাই ভাস্বতীৰ পিচে পিচে আহি থাকিল। ব্ৰহ্মপুত্ৰৰ পানীত তেতিয়া বেলিয়ে সকলো ৰঙৰ পোছাক খুলি ডুব দিছে। আকাশত লাগি ৰ'ল ৰঙৰ পোহাৰ।

(চৌব্বিশ)

কৃষ্ণই গীটাৰ লৈ আহিছিল হোষ্টেললৈ। নতুন ছোৱালী আহিল হোষ্টেললৈ। আকৌ নতুন বসন্ত, নতুন কুঁহিপাতেৰে ভৰি পৰিল বিশ্ববিদ্যালয়ৰ নাহৰ গছবোৰ, লগতে হোষ্টেলবোৰো। ভাস্বতীহঁতৰ হোষ্টেলত নৱাগতা আদৰণি সভাৰ আয়োজন হৈছে। দুই নম্বৰ ল'ৰা হোষ্টেলৰ হেম, কৃষ্ণ, ৰাজীৱে সুধিছিল কেন্টিনত—মাত না তহঁতৰ হোষ্টেললৈ।

মই গীটাৰ বজাম ফাংচনত—তেতিয়াটো মাতিবি।

কৃষ্ণই তৎক্ষণাৎ ক'লে।

—মই-মই ইমান ভাল গান গাওঁ, ভাস্বতী, মাতচোন আমাক, মই গান গাম—ই কৃষ্ণই গীটাৰ বজাব। হেম'ই আব্দাৰ কৰিলে।

—মই যাবই লাগিব, কাৰণ হাৰ্মনিয়ম, তবলা ধৰা-মেলা কৰি দিবলৈ মানুহ লাগিব। গহীন মাতেৰে ৰাজীৱে ক'লে।

ভাস্বতীৰ হাঁহি উঠি গ'ল। কপট গম্ভীৰ হৈ তাই ক'লে—নহ'ব। আমাৰ ছোৱালীৰ হোষ্টেলত ল'ৰা যোৱা মানা। ৱাৰ্ডেনে মোৰ জীৱন শেষ কৰি দিব।

—কিয়, কিয়? ল'ৰাৰ হোষ্টেললৈ ছোৱালীক এনেকুৱা ফাংচনবোৰত মতা হয়। আমাক কোনেও বাধা নিদিয়ে। কথাটো একেটাই। ছোৱালীৰ হোষ্টেললৈ ল'ৰা যোৱা, ল'ৰাৰ হোষ্টেললৈ ছোৱালী যোৱা। হেম'ই চকীৰ পৰা থিয় হৈ উঠি ক'লে। কৃষ্ণই চিঙাৰা এটাত একামোৰ মাৰি, চোবাই চোবাই অস্ফুট মাতেৰে ক'লে—হেই—এইডাল মনে মনে বহি থাক। হেম বহি পৰিল। কৃষ্ণই গহীন মাতেৰে ক'লে—'কাল্‌চাৰেল প্ৰ'গ্ৰেম' ঠিক কৰিছ তই। ভাবি চা—আমাৰ মোটা-মুটি নাম হৈ গৈছে ভাল 'আৰ্টিষ্ট' বুলি। নামাতিলে তহঁতৰ লোকচান। তহঁতৰ যিকেইজনীহে আছে গান গোৱা। তবলা, হাৰ্মনিয়ম, চিন্থেচাইজাৰ, গীটাৰ এইবোৰ নোহোৱাকৈ যিটো 'ফাংচন' হ'ব বুজিলো আৰু। নগ'লেহে পাৰিছো এনেকুৱা ফাংচনলৈ। মোৰ শুনিয়েই বমি আহিব খুজিছে।

কৃষ্ণৰ অভিব্যক্তিত, ভাস্বতী হাঁহিত বাগৰি পৰিল। 'হ'ব-হ'ব। যাবি তহঁত। কৃষ্ণই বাঁহী বজাইছিল গোপিনীৰ মাজত, তই গীটাৰ বজাই শুনাবিগৈ। পিচে, তোৰ গীটাৰ শুনি নতুন ছোৱালীবোৰ তোৰ পিচে পিচে গুচি যাব খুজিলে কি কৰিবি?'

—নাথিং টু বি ৱৰিড়—আমাৰ হোষ্টেলত কম ল'ৰা নাই। ভাস্বতীয়ে ক'লে—ৰ—আমাৰ 'ছ'চিয়লজি'ৰ বিপিনো একে হোষ্টলেত নাথাকে জানো? সিও ভাল গীটাৰ বজাই—তাকো লৈ আহিবি।

—আহিব জানো? হেম'ই সন্দেহৰে সুধিলে।

ভাস্বতীয়ে কিছুপৰ চিন্তা কৰি ক'লে—হয়তো, সি আহিবনে? ক্লাছত সি মোৰ সৈতেহে

মাজে মাজে কথা পাতে। কোনো ছোৱালীক সি নামাতে। সি ছোৱালীৰ হোষ্টেললৈ নাযায়।

—সি কিয় তোৰ সৈতেহে কথা পাতে ভাস্বতী! কৃষ্ণই চাহত চুমুক দি সুধিলে।

—চিম্প্'ল—ভাস্বতীক সি লগৰ ল'ৰা বুলি ভাবে। নহ'লে এইৰ এনে কি বিশেষ গুণ আছে যে ক্লাছত অতবোৰ ছোৱালীৰ মাজত, তাইকহে বিচাৰি ল'লে কথা পাতিবলৈ! দেখিবলৈতো ধুনীয়া নহয়েই—ফেচী—

—অ'ই—হেম' কথা বেয়া হ'ব কিন্তু। তই নাহিবি আজি। ভাস্বতীয়ে মুখ ওন্দোলাই, চকু ঘোপা কৰি ক'লে।

—ধেৎ ধেৎ ধেমালি কৰিছো অ'—তই ইমান ভাল। চা-ছোন তোক একেবাৰে আমাৰ লগৰ ল'ৰা যেন লাগে বাবেহে কৈছোঁ। তোক দেখোন আমাৰ একদম 'খাচ্' কথাবোৰো কওঁ। আছাউৰৰ ভাষাত, 'আণ্ডাৰৱেৰ কা বাত।'

—যাঃ ননচেন্স। মুখত যি আহে তাকে ক'ব্ব কিয়? ভাস্বতীৰ খং উঠি গ'ল।

—আমাৰ ল'ৰাৰ হোষ্টেলৰ এইবোৰ 'চালু ভাষা'। ইয়াত কি লাজ কৰিবলগীয়া আছে? ৰাজীৱে হাঁহি হাঁহি ল'লে।

—ইমান অসভ্যনে তহঁত!

—থ-থ-ভাস্বতী—তহঁতৰ কথাও জনা আছে। বুজিছ কাহিনী এটা কওঁ। সিদিনা মই আৰু লগৰ দুটামান ডিপাৰ্টমেণ্টৰ বাহিৰত সৰু সৰুকৈ কিবা কথা এটা পাতি হাঁহিলোঁ। হঠাৎ আমাৰ লগতৰ উৰ্মি আহি ক'লে—তহঁত ইমান অসভ্যনে! আমি অবাক। এইৰ আকৌ হ'ল কি! মই সুধিলো—কিয় অসভ্য বুলি ক'লি? উৰ্মিয়ে ক'লে—তহঁতে এইদৰে কথাপাতি হঁহা দেখি মই শিল্পাক সুধিলো—এই ল'ৰাবোৰে কি কথা পাতেনো নিজৰ ভিতৰত? শিল্পাই ক'লে—আমি ছোৱালীবোৰে পতা কথাবোৰেই পাতে! মোৰ কাণ-মূৰ গৰম হৈ গ'ল। তহঁত ইমান অসভ্যনে! শিল্পাই ক'লে। কৃষ্ণৰ কথা শুনি—ৰাজীৱ আৰু হেম'ই হা-হা কৈ হাঁহি পেলালে। ভাস্বতীয়ে কৃষ্ণৰ পিঠিত ভুকু এটা দি ক'লে—গাজা মাৰিবলৈ মোকহে বাচি ল'লি। মই যাওঁ। ভাস্বতী দপ্-দ পাই কেণ্টিনৰ পৰা ওলাই গ'ল।

—অ'ই—ৰাতি হোষ্টেললৈ মাতিলি নে নাই? কৃষ্ণই চিঞৰিলে।

—আহিবি-আহিবি মৰিবলৈ ধৰাহঁত! ভাস্বতীয়ে জিভাখন উলিয়াই পিচলৈ চাই সিয়াঁৰি কৈ থৈ গ'ল।

কৃষ্ণই ভাস্বতীলৈ চাই চিঞৰি গালে—য়ে দোস্তী, হাম নহী—ত'ৰেংগে—বাকী দুটাইও লগতে যোগ দিলে।—থেংক্ ইউ ভাস্বতী। ৰাজীৱে চিঞৰিলে। ভাস্বতীয়ে শুনিলে যদিও ঘূৰি নাচালে।

✧ ✧ ✧

কৃষ্ণই গীটাৰ লৈ আহিছিল। লগত দুই নম্বৰ ল'ৰাৰ হোষ্টেলৰ প্ৰায় দহটামান ল'ৰা। তবলা, হাৰ্মনিয়ম আৰু চিম্বেচাইজাৰ ভাড়াত অনা হ'ল। আচৰিত কথা, ছোৱালীৰ সৈতে কথা নপতা বিপিন আহিল এই দলটোৰ মাজত। ভাস্বতীয়ে হোষ্টেলৰ ছোৱালীবোৰক সাৱধান কৰি থৈছিল। ল'ৰাবোৰক যাতে সুযোগ পাই কোনেও অপ্ৰস্তুত নকৰে। আটাইতকৈ উৎপতীয়া ছোৱালী কেইজনীয়েও ভাস্বতীক কথা দিছিল—'তই নিশ্চিন্ত থাক্। সন্ধিয়াৰ অতিথি সাক্ষাৎ দামোদৰ। আমি সেৱা-শুশ্ৰূষাৰ ত্ৰুটি নকৰোঁ।' বিশিষ্ট অতিথি হিচাপে উপস্থিত হ'লহি বিশ্ববিদ্যালয়ৰ শিক্ষক ড° প্ৰহ্লাদ কুমাৰ বৰুৱা, ড° নগেন শইকীয়া। ডিব্ৰু বিশ্ববিদ্যালয়ৰ প্ৰত্যেক বিভাগতে অতি কমেও এজনকৈ হ'লেও জনপ্ৰিয় শিক্ষক-শিক্ষয়িত্ৰী আছে। ভাস্বতীহঁতে হোষ্টেলত অলপতে প্ৰস্তাৱ এটাই গ্ৰহণ কৰি পেলাইছিল। প্ৰস্তাৱটো প্ৰথমে অসমীয়া বিভাগৰ ছাত্ৰী বীণাই উত্থাপন কৰিছিল ডাইনিং হলত। ভূতত্ত্ব বিভাগৰ অধ্যাপক ড° সুশীল গোস্বামীক জাহ্নু বৰুৱাৰ ছবিৰ অভিনেতা হিচাপে দেখি, অভিনয়ত মুগ্ধ হৈ বীণা গদ্-গদ্ হৈ পৰিল। তাই এফালৰ পৰা কৈ গ'ল—চা-ছোন, সমাজশাস্ত্ৰ বিভাগৰ অধ্যাপক গীতিকাৰ-সুৰকাৰ প্ৰশান্ত বৰদলৈ, যাৰ গীত, অসমৰ জনপ্ৰিয় শিল্পী প্ৰত্যেকৰে কণ্ঠত পুৰাই 'গীতিমালিকা'ত ৰেডিঅ'ত শুনোঁ। বোলছবিত শুনোঁ।

সমাজশাস্ত্ৰ বিভাগৰ ড° বীৰেন বৰঠাকুৰ আকৌ সাংস্কৃতিক কৰ্মী, গীতিকাৰ-সাংবাদিকো। ইংৰাজী আৰু অসমীয়া বিভাগৰ, ড° লীলা গগৈ, ড° নগেন শইকীয়া, ড° প্ৰহ্লাদ বৰুৱা, কৰবী ডেকা হাজৰিকা, ড° কেশৱানন্দ দেৱ গোস্বামী—অসমৰ ভাষা-সাহিত্য এওঁলোকৰ নাম নোলোৱাকৈ সম্পূৰ্ণ হ'বনে! এখেতসকল কেৱল অধ্যাপক জানো! একেধাৰে কবি, গল্পকাৰ, চিন্তাবিদ, ঔপন্যাসিক সকলো। একেখন বিশ্ববিদ্যালয়তে অসমৰ স্বনামধন্য সাহিত্যিক, অভিনেতা, সুৰকাৰ-গীতিকাৰ, সাংস্কৃতিক সংগঠক সকলোৰে সমাহাৰ বৰ কম দেখা যায়। এবাৰ সকলোকে লৈ এটা অনুষ্ঠান কৰিব লাগে। কিন্তু সেইদিনা তেওঁলোক বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা হৈ থাকিব নোৱাৰিব। এজন অভিনেতা, এজন গায়ক, এজন গল্পকাৰ, এজন কবি হৈ আমাৰ মাজত থাকিব। ভাস্বতী—আমাৰ হোষ্টেলত এনেকুৱা অনুষ্ঠান এটা পাতছোন—বীণাৰ এই অভিনৱ প্ৰস্তাৱত সকলোৰে হাত চাপৰি বজাই সমৰ্থন দিছিল। ভাস্বতীৰো প্ৰস্তাৱটো মনঃপুত হৈছিল। কিন্তু নানা অসুবিধাত এনে অনুষ্ঠান পাতিব পৰা হোৱা নাছিল হোষ্টেলত। ভাস্বতীয়ে মনে মনে এনে এটা অনুষ্ঠান পতাৰ কথা ভাবি প্ৰত্যেক বিভাগৰ অধ্যাপকসকলৰ এখন তালিকা প্ৰস্তুত কৰি বিস্ময় মানিছিল। বহু নীৰৱ অধ্যাপক-অধ্যাপিকাই একোটা বেলেগ বিষয়ত পাৰদৰ্শী। কোনোবাজন ভাল ক্ৰিকেট বা টেনিছ খেলুৱৈ। কোনোবাজন আকৌ পশু-পক্ষীবিদ। কোনোবাজন হয়তো ৰসৰ ভাণ্ডাৰ, আন কোনোবাজন হয়তো সংগীত আৰু বোলছবিৰ সম্পৰ্কত জ্ঞানৰ ভঁৰাল। ভাস্বতীয়ে কেমেষ্ট্ৰি বিভাগৰ এজন অধ্যাপকৰ ঘৰত নিজে আঁকা তেল আৰু পানী ৰঙৰ ছবি চাই অবাক হৈ গৈছিল।

হোষ্টেলৰ হলঘৰটো জমজমাত হৈ পৰিল। বিশিষ্ট অতিথিয়ে প্ৰথমেই ক'লে—আনুষ্ঠানিকতা বৰ্জন কৰি অন্তৰংগ অনুষ্ঠান হ'ব লাগে। সভাপতি আমাৰ নালাগে, এজন সঞ্চালক থাকিব। লগত ছোৱালীবোৰৰ মাজৰ পৰা এগৰাকী গুৱি ধৰোতা থাকিব। নতুন ছোৱালীবোৰৰ পৰিচয় পৰ্বৰেই প্ৰথম আৰম্ভ হ'ব। ভাস্বতীয়ে ক'লে—নহয় ছাৰ, প্ৰথমেই কোৰাচ হ'ব। পুৰণি ছোৱালীয়ে নতুনক আদৰিবলৈ গীত লেখিছে, নিজে সুৰ দিছে।—এয়া দুই নম্বৰ হোষ্টেলৰ পৰা কৃষ্ণ, বিপিন, হেমহঁত আহিছে সংগত কৰিবলৈ। লগে লগেই দুখন গীটাৰৰ শব্দত হলঘৰ জম-জমাই উঠিল। অনুষ্ঠানৰ আৰম্ভৰ আগতেই আধা ঘণ্টামানহে 'ৰিহাৰ্চেল' হৈছিল বাদ্যযন্ত্ৰৰ সৈতে। অতি আবেদন পূৰ্ণ মধুৰ গীতটিত সকলো নিজম পৰিল।

'স্বাগত নৱাগতা, বসন্ত নিগৰি আহিল
তোমাৰ খোজত
স্বাগত নৱাগতা, ফুলিল আশাৰ কুসুম
তোমাৰ মাতত.....'

তাৰ পিচতেই লতিফা বেগমে পঢ়িলে স্বৰচিত 'আঁহত' শীৰ্ষক কবিতা—

'পুৰণি আঁহতজোপাৰ শিপাত
গজি উঠিল নতুন শিপা
মোৰ দেহক সাবটি ধৰা
মোৰ সিৰাৰে উশাহ লৈ
আকাশলৈ চোৰা
তুমি ক্ষুদ্ৰ নহয়
ময়েইতো তুমি
তোমাতেই মই
লভিম মৃত্যু
তোমাৰ পৰিচয় এজোপা আঁহত
নভোমণ্ডলৰ প্ৰাত্যহিকতাত
তুমি অবিনশ্বৰ এটি বিন্দু....'

ডঃ নগেন শইকীয়াই উত্তেজিত হৈ সুধিলে—তোমাক অসমীয়া বিভাগত মই দেখা নাই—ইমান সুন্দৰ কবিতা লেখিছা, কোন বিভাগৰ তুমি! লতিফাই লাজ-লাজকৈ ক'লে—'ৰাজনীতি বিজ্ঞান।' অমিতাই 'ভাৰত নাট্যম'ৰ সাজেৰে আহি ভাস্বতীক কাণে কাণে সুধিলেহে—ভাস্বতী, মোৰ প্ৰ'গ্ৰেম কেতিয়া দিছ?

—আৰু দুটা অনুষ্ঠানৰ পিচত।

—চাৰিটা 'প্ৰ'গ্ৰেম'ৰ পাচত কৰি দে। মাজত পাৰিলে বক্তৃতা এটা ৰাখ।

—কিয়-কিয়? ভাস্বতী আচৰিত হৈ গ'ল।

—মাংস নোখোৱা প্ৰথমে আমাৰ এঘাৰজনীহে ওলাইছিল—এতিয়া যোল্লজনী ওলাল। ইফালে কণী আনিছিলো একডজন। চাৰিটা বেয়া ওলাল। মই হিচাপ মিলাবগৈ লাগে। ৰান্ধনী ঘৰত ৰামু কাকাই কৈছে— মাছো কম পৰিব পাৰে।

—হ'ব যা—কণী সৰহকৈ লৈ আহ—নতুন ছোৱালী আৰু 'গেষ্টে' খাবলৈ ভালকৈ পালেই হ'ল। আমাক নালাগে। পইচা কিমান আছেগৈ?

—বাইছ টকা, বৰ্ণালী ঘোষ আৰু ৰঞ্জিতা গগৈয়ে পইচা এতিয়াও দিয়া নাই— কনজুছ্ কাহেকা! ৰুমতে সোমাই আছে, ইয়ালৈ অহা নাই দেখিছ! খাবৰ পৰত ঠিক ওলাবগৈ কিন্তু—

—বাদ দে—হ'ব কিবা এটা। এতিয়া তই পইচা দি দে। মই পিচত মিলাম। ফুলৰ মালাৰে মেৰিওৱা বেণী আৰু নৃত্যৰ মেক্-আপেৰে অমিতা পুনৰ ৰান্ধনি ঘৰলৈ গ'ল। খাদ্য ব্যৱস্থাপনা বিভাগৰ মুৰব্বী অমিতাক পাতি দিয়া হৈছে, চাৰিজনীয়া কমিটি গঠন কৰি। অতিথি আপ্যায়নৰ বাবে ভাস্বতীয়ে হোষ্টেলৰ আটাইতকৈ উৎপতীয়া ছোৱালীকেইজনীক দায়িত্ব দিছে।

ভাস্বতীয়ে 'প্ৰিফেক্ট'ৰ চহী কৰি এখন চাৰ্কুলাৰ দিছিল হোষ্টেলত, নৱাগতা আদৰণিৰ অনুষ্ঠানৰ বাবে চান্দা ধাৰ্য কৰি দিয়া হৈছিল। হোষ্টেলৰ আটাইতকৈ বিলাসী আৰু খৰছী ছোৱালী ৰঞ্জিতা আৰু বৰ্ণালীয়ে পইচা নিদি পলাই ফুৰিছে। অমিতাই হিচাপ মিলাব নোৱৰা বিমোৰ অৱস্থাটো দেখি ভাস্বতীৰ বেয়া লাগিল। বেচেৰীয়ে ভাৰত নাট্যম নাচিবলৈ গধূলি সদায় ৰিহাৰ্চেল কৰি আছে। দুদিন ক্লাছ খতি কৰি ঘৰলৈ গৈ নাচৰ সাজ-পোছাক, লগতে গুৰুৰ তালিম দিয়া কণ্ঠস্বৰ, বোলৰ কেছেট, ৰেকৰ্ডাৰ লৈ আহিছে।

দুপৰীয়াতেই তাই মেক-আপ কৰি, সম্পূৰ্ণ সাজ পিন্ধি তৈয়াৰ হওঁতেই ভাস্বতীয়ে সুধিছিল—অমিতা, তই এতিয়াই এইবোৰ পিন্ধিলি যে! অমিতাই হাঁহি মাৰি কৈছিল— যিটো দায়িত্ব মোৰ ওপৰত পেলাই দিলি, সন্ধিয়া মই শান্তিৰে মেক-আপ কৰিব পাৰিমনে? কেৱল জুনুকাজোৰহে সময়ত পিন্ধিম। বাকী সময় ৰান্ধনীঘৰত—তা-তা-তা-থেই-তা— বুলি অমিতাই ভৰিৰ গেৰোৱা ভাঙি, চকু নচুৱাই, এপাক নাচি দেখুৱালে ভাস্বতীৰ আগত। ভাস্বতীৰ অমিতাৰ প্ৰতি হঠাতে বৰ মৰম লাগিল। হোষ্টেলত কেইজনীমানহে ছোৱালী আছে, যি সকলো সমস্যা, সকলো কাম আন্তৰিকতাৰে নিজৰ দায়িত্ব বুলি কান্ধ পাতি লয়।

'মিলকৰ জুদা হুৱে....' নতুন ছোৱালী এজনীয়ে জগজিৎ-চিত্ৰা সিঙৰ, ভাস্বতীৰ প্ৰিয় গজলটো গাইছে। বৰ সুন্দৰ কণ্ঠ—কি নাম?

—মীৰা—নগাঁৱৰ ছোৱালী। অনুপমাই ক'লে। চকুত এযোৰ ডাঠ ফ্ৰেমৰ চশমা। চুটি চুলিৰে ছোৱালীজনীৰ মুখখন ধুনীয়া, কিন্তু এক বিষণ্ণতাৰে ভৰা। বিপিনে গীটাৰ

বজাইছে লগত। আচৰিত দৃশ্য ভাস্বতীৰ বাবে। বিপিনে চিনাকী ছোৱালীৰ সৈতেই সহজ নহয়। অথচ অচিনাকী ছোৱালীজনীৰ সৈতে সি বৰ আন্তৰিকতাৰে গীটাৰৰ কৰ্ড ধৰি গৈছে। হয়তো এই গজলটো বিপিনৰো প্ৰিয়। হয়তো এক অচিনাকী কৰুণ অনুভৱ ভাস্বতীৰ হৃদয়তো লুকাই আছে। কোনে জানে বিপিনৰ হৃদয়তো হয়তো বৈ আছে বিষণ্ণ ক্ষণৰ নদী। এই নতুন ছোৱালীজনীয়ে কিয় নিৰ্বাচন কৰিলে এই গজল!

হৃদয়ে বিচাৰিলেও, বিচ্ছেদৰ যন্ত্ৰণা সকলোৰে জীৱনত অনুভৱ হয়নে! ভাস্বতীৰ মনটো বিষণ্ণ হৈ পৰিল। এই সুন্দৰ ৰঙীণ সন্ধিয়াটোত ভাস্বতীৰ চকুহাল অজানিতে পানীৰে উপচি পৰিল। হঠাতে তাইৰ অভিৰঞ্জনলৈ মনত পৰিল। এই প্ৰাণৱন্ত ল'ৰাটোৰ জীৱনৰ প্ৰতি কিমান আশা আছিল! সি তাৰ মৃত্যুৰ পিচতো মুখখন ধুনীয়া হৈ থকাটো বিচাৰিছিল। সি হাস্পতালৰ বিছনাত থাকোতেও স্ফুৰ্তি কৰিবলৈ এৰা নাছিল। বায়েকজনীৰ সন্মুখতে কৈছিল—আস্ ভাস্বতী মোৰ যদি কোনোবা প্ৰেমিকা থাকিলহেঁতেন। ভাস্বতী তুমি যদি মোৰ প্ৰেমিকা হ'লাহেঁতেন—নিশ্চয় মোৰ বাবে অকমান চকু পানী ওলালহেঁতেন। নিশ্চয় ক'লাহেঁতেন— জানা অভি তোমাক এৰি মই কেতিয়াও থাকিব নোৱাৰিম। মৃত্যু হ'লে মোৰ দেহত পৰি এগৰাকী ধুনীয়া গাভৰুৱে কান্দিব—নতুবা নীৰৱে আকাশলৈ চাই এটোপাল চকুপানী সৰাব—কি সুন্দৰ নহয়! ভাস্বতী অভিৰঞ্জনৰ প্ৰেমিকা নাছিল। তথাপিও আজি মৃত অভিৰঞ্জনৰ প্ৰেমিকা হৈ তাই কান্দিব খুজিছে। এই গীতটোৱে তাইক যন্ত্ৰণা দিছে। ভাস্বতী হঠাতে উঠি গ'ল এই পৰিৱেশৰ পৰা। অকলশৰে তাই গৈ বেলকনিত থিয় হ'ল। আকাশত ডাৱৰৰ মাজত জোনটো লুকাই পৰিছে। হয়তো শেষ নিশালৈ বৰষুণ দিব। ভাস্বতীয়ে আকাশলৈ চাই উচুপিবলৈ ধৰিলে। তাইৰ যন্ত্ৰণা কাতৰ মনটোৱে নীৰৱে ক'লে—অভি, চোৱা, তুমি বিচৰাৰ দৰে মই আকাশলৈ চাইছো, তোমাৰ বাবে মোৰ এই চকুপানী—তোমাৰ কোনো প্ৰেমিকা নাছিল, ময়ো তোমাৰ প্ৰেমিকা নাছিলো, কিন্তু এইমুহূৰ্তত মই তোমাৰ একমাত্ৰ প্ৰেমিকা। অভিৰঞ্জন—তুমি সুখীনে—সুখীনে অভি! ডাৱৰৰ মাজৰ পৰা জোনটো ওলাই আহিল। ভাস্বতীৰ এনেয়ে মনটো অলপ ভাল লাগিল। অবান্তৰ হ'লেও কেতিয়াবা অদ্ভুত বিশ্বাস কিছুমান কৰি শান্তি পোৱা যায়। এইমুহূৰ্তত তাইৰ ভাব হ'ল—এই মুকলি জোনটোৱে যেন বুজাই দিছে, অভিৰঞ্জনে শুনিছে তাইৰ কথা। ভাস্বতীয়ে চকুপানী মোহাৰিলে। ভাস্বতীৰ অনুভৱ হ'ল—সঁচাকৈয়ে অভিৰঞ্জনৰ মৃত্যুৰ পিচত তাই অভিৰঞ্জনৰ প্ৰেমত পৰিবলৈ আৰম্ভ কৰিলে। মৃত অভিৰঞ্জন তাইৰ হৃদয়ত প্ৰেমিক হৈ জী উঠিল। কিযে পাগল হৃদয়—কিযে ৰহস্যময়, অবিশ্বাসী এই জীৱন! নিজকেই দেখোন চিনি নোপোৱাকৈ মৃত্যুবৰণ কৰিব লাগে! চকুপানীৰ চিন নথকাকৈ মুখ মোহাৰি ভাস্বতী পুনৰ ৰঙীণ হলঘৰটোলৈ ঢাপলি মেলিলে। ড° প্ৰহ্লাদ বৰুৱা ছাৰে জীৱনৰ বিষয়ে এক অনুপম বক্তৃতা দি আছে। ভাস্বতী গৈ সোমায়েই শুনিলে অস্কাৰ ৱাইল্ডৰ সেই উক্তি—The book of life begins with a man and woman in a garden. It ends with revelations....ভাস্বতী নীৰৱে এইবাৰ বহি পৰিলে সকলোৰে মাজত।

(পঁচিশ)

নৱাগতা আৰু অতিথিয়ে নিশা ৰং-ৰহইচেৰে খোৱা-বোৱা কৰি বিদায় লওঁতে নিশা গভীৰ হৈছিল। নতুন ছোৱালীবোৰৰ মুখবোৰ অমাৱস্যাৰ আকাশত জিলিকা তৰাৰ দৰে হৈছিল। ৰেগিং সেইদিনাৰ পৰা আনুষ্ঠানিকভাৱে বন্ধ। অৱশ্যে হোষ্টেলত ভাস্বতীয়ে অঘোষিত জাননী এখন দিছিল, নতুনকৈ বিশ্ববিদ্যালয়ত পঢ়িবলৈ অহা ছোৱালীৰ সৈতে স্ফূৰ্তি-তামাচাৰে সোধা-পোছা, নাচ-গান, অভিনয় কৰিবলৈ দিয়াৰ বাহিৰে, বেয়া শব্দ প্ৰয়োগ, গালি-গালাজ এইবোৰ নচলিব। কাৰ্যতঃ সেয়াই হৈছিল। নতুন ছোৱালীবোৰ সুগন্ধি ফুলৰ দৰে নিশালৈ মুকলি হৈ পৰিছিল। সিহঁতে গান গাইছিল আপোনমনে, খিল্‌খিল্‌কৈ হাঁহিছিল। হাঁহি আৰু গানৰ টুকুৰাবোৰ দেৱালত ঠেকা খাই বতাহত ভাহি বাহিৰলৈ ওলাই গৈছিল। কৃষ্ণ, হেম, বিপিনহঁতে হাতত গীটাৰ লৈ বিদায় লৈ সুউচ্চ অট্টালিকাটোলৈ চাইছিল গেইটৰ মুখত ৰৈ। বেলকনি আৰু বাৰাণ্ডাবোৰত, উজ্জ্বল ৰঙীণ পাখিৰ চৰাইৰ দৰে, ছোৱালীৰ আপোন পাহৰা চুবুৰী একোটা লৰ-চৰ কৰি আছিল। এই দৃশ্য দেখি ল'ৰাবোৰ মুগ্ধ হৈছিল। কৃষ্ণই বহু পুৰণি এলভিচ প্ৰেচলীৰ গীত এটা গুণ গুণাইছিল— লাইফ ইজ ডেজাৰ্ট উইডাউট ৱ'মেন...... ভাস্বতীৰো মনটো বৰ ভাল লাগিছিল ভালকৈ অনুষ্ঠানটো হৈ যোৱাৰ বাবে। ৱাৰ্ডেন, মেট্ৰ'ন বাইদেউ সকলোৰে মুখত এটা সুখী সুখী ভাব। গেইট ৰখীয়া সুৰেশৰ মুখখনো উজ্জ্বল। 'ভাত খালিনে সুৰেশ?' ভাস্বতীয়ে সুধিছিল। 'খাম-আমিবোৰে 'লাষ্ট'ত খাম। অথনিৰ খোৱা শেষ। ৰামুকাকাই নতুনকৈ চাউল-দাইল ৰান্ধিছে। আলুভাজা ভাত খাম—গৰম গৰম। ভাস্বতীয়ে লাহেকৈ ক'লে—মনে মনে ক'। আলহীয়ে শুনিব। আমিও খালি দাইল-ভাতহে খালোঁ।'

'খোৱাটোনো কি কথা! আজি বৰ ভাল লাগিছে।' সুৰেশে ক'লে। একঘেয়ামীৰে ভৰা হোষ্টেলৰ ৰুটিনত এই বিচিত্ৰতা, বৰ আপুৰুগীয়া অনুভৱ। মন ভৰি থাকিলে পেট নভৰিলেও কথা নাই। 'আই এম ছিটিং বাই দা ফ'ন—এণ্ড আই ৱেইটিং অল এল'ন.......' কৃষ্ণই গীটাৰ বজাই গালে। 'এ যাঃ অনবৰত কি ইংৰাজী গান সোপা গাৰ। অসমীয়া গা।' হেম'ৰ খং উঠি গ'ল। কৃষ্ণই তৎক্ষণাৎ গীটাৰত কৰ্ড ধৰি গালে 'মায়াময় ৰূপালী জোনাক, পাম নে মই পাম নে তোমাক...' গেইটৰ মুখত আলহীবোৰে কৃষ্ণক ঘেৰি চাপৰি বজালে। 'বাঃ একেবাৰে 'আব্বা'ৰ পৰা জয়ন্ত হাজৰিকালৈকে, জলসাখন ৰাস্তাতে পাত নেকি?' ভাস্বতীয়ে হাঁহি হাঁহি সুধিলে। 'মন যোৱা নাই ভাই—মন যোৱা নাই। ইয়াৰ পৰা যাবলৈ মন যোৱা নাই। এইদৰে ৰাতি যেন নুপুৱাওক, আমি এই ইউনিভাৰ্চিটিতে থাকি যাম চিৰকাল....' চন্দনে বেছ গম্ভীৰ আৰু আৱেগিক কণ্ঠেৰে ক'লে।

ভাস্বতী অলপ সময় মনে মনে থাকি ক'লে—'হ'ব যাগৈ যা। আৰু চাৰিঘণ্টা সময়হে আছে ৰাতি পুৱাবলৈ। আলহীবোৰো গ'লগৈ।'

'—এই বছৰ আমাৰ শেষ বছৰ ভাস্বতী। ইয়াৰ পিচত কোন ক'লৈ গুচি যাম। এখন

নিষ্ঠুৰ পৃথিৱীৰ বাসিন্দা হৈ আমি কোন ক'ত থাকিমগৈ, আমাৰ মনবোৰ সলনি হৈ যাব। আমাৰ জীৱন সলনি হৈ যাব, এই মুহূৰ্তবোৰেই একমাত্ৰ স্মৃতি হৈ থাকিব। কেতিয়াবা দুখৰ দিনত এই মুহূৰ্তবোৰ সুঁৱৰি অলপ শান্তি লভিম....' চন্দন সঁচাকৈয়ে বেছি আৱেগিক হৈ পৰিল। কৃষ্ণই তৎক্ষণাৎ সশব্দে ঝিং-ঝিং শব্দৰে গীটাৰ বজাই গালে—'সময় গতিশীল, নতুন কিনো হয় যে..... অতীত পুৰণি.....' এইবাৰ দুই নং হোষ্টেলৰ আটাইকেইটা ল'ৰাই গানটো গাই গাই ৰাস্তাৰে হোষ্টেলমুৱা হ'ল। ভাস্বতী বহুসময় গেইটৰ খুটাত ভেজাদি অপলক নেত্ৰেৰে সিহঁতলৈ চাই থাকিল। গভীৰ নিশাৰ নিস্তব্ধতা ভাঙি সিহঁতে গান গাই গৈ আছে। ষ্ট্ৰীট্ লাইটৰ পোহৰত পাঁচোটা ল'ৰা শৰীৰ ক্ৰমশঃ আন্ধাৰ-পোহৰৰ মাজত—কৃষ্ণহঁত অদৃশ্য হৈ যোৱালৈকে ভাস্বতীয়ে চাই থাকিল। নৈঃশব্দ্য ভাঙি আন্ধাৰৰ মাজেৰে আহি আছে গীটাৰৰ অনুৰণন। পুৱাৰ লগে লগেই ব্যস্ত হৈ পৰিব বাট-পথ। যান-জোঁটে উৰুৱাই নিব ধূলি। এটা এটাকৈ দিন পাৰ হ'ব। কিন্তু এই ৰাস্তাত ভাস্বতীয়ে সদায় শুনিব, দেখিব এই ৰাতিৰ মোহনীয় ৰূপ আৰু সংগীত। ভাস্বতীৰ অজানিতেই এটা হুমুনিয়াহ ওলাই আহিল। 'বাইদেউ, গেইট বন্ধ কৰোঁ?' সুৰেশৰ মাতত ভাস্বতীৰ সম্বিত ঘূৰি আহিল। আজি হোষ্টেলৰ পৰিৱেশ মুকলি। সেইবাবেই ভাস্বতী গেইটৰ বাহিৰত এই গভীৰ নিশাও আলহী বিদায় দিবলৈ আহিব পাৰিছে। 'গুড্ নাইট'—নতুন ছোৱালীবোৰে ইজনীয়ে-সিজনীক শুভৰাত্ৰি জনাই শুবলৈ গৈছে। ভাস্বতীক এক বিষণ্ণতাই আৱৰি ধৰিলে। নতুন স্বপ্ন, নতুন আশাৰে সিহঁতো যোৱা বছৰ এইদৰে আহিছিল। ধুমুহাৰ দৰে পাৰ হৈ গ'ল এটা বছৰ। উদীপ্তই এবাৰ কৈছিল, 'নিৰ্দিষ্ট কিছুমান সময়ৰ দাবীত মানুহৰ সংযোগ ঘটে। যেনেকৈ, তোমাৰ সৈতে মোৰ চিনাকি হ'ব লগা আছিল। অথচ চিনাকি পৰ্বৰ আগমুহূৰ্তলৈকে তোমাৰ মই নাম নাজানো, ঠিকনা নাজানো। কিন্তু চিনাকি পৰ্বৰ পাচতেই তুমিও কৈ দিলা, ময়ো কৈ দিলো, লগ পাম—ক'ত? —ক'ত? য'তে-ত'তে আমি লগ পোৱা হ'লোঁ। বাছৰ টিকট কাউণ্টাৰত তুমি, মই হঠাতে দেখি সুধিলো কি খবৰ? ক'ত যাবা? অথচ এদিন আগতে এইদৰে তোমাক দেখা হ'লে, মই কাষেদিয়েই পাৰ হৈ গ'লোহেঁতেন। আচৰিত নহয়নে কথাবোৰ! বহুদিনৰ মূৰত উদীপ্তলৈ মনত পৰিল ভাস্বতীৰ। ক'ত বা আছে সি!

✧ ✧ ✧

নিঃশব্দ হৈ পৰা হোষ্টেলৰ চিৰিৰে ভাস্বতী নিজৰ ৰুমলৈ গৈছিল। প্ৰথম মহলাত ভৰি দি দ্বিতীয় মহলালৈ যাব খোজোতেই হঠাৎ ভাস্বতী থমকি ৰ'ল। কোনোবাই চেপা কণ্ঠেৰে কান্দিছে। একমুহূৰ্তৰ বাবে ভাস্বতীৰ সৰ্বশৰীৰত মৃদু কম্পন এটা হ'ল। আজি সন্ধিয়াৰ পৰা নিশা দোভাগলৈকে হোষ্টেলৰ সকলোৱেই আনন্দত পাৰ কৰিছে। অন্ততঃ আজিৰ দিনটোত কান্দোন শুনাতো বৰ অস্বাভাৱিক কথা। ভাস্বতী দ্বিতীয় মহলালৈ নগৈ প্ৰথম মহলাৰ বাৰাণ্ডাৰে খোজ কাঢ়ি গ'ল এমূৰত থকা ছয় নং ৰুমটোলৈ। কান্দোনৰ উৎসও তাতেই যেন অনুমান হ'ল ভাস্বতীৰ। ছয় নং ৰুমৰ বন্ধ দুৱাৰত শব্দ কৰিব খুজিও

বৈ গ'ল ভাস্বতী। পাঁচ নং ৰুমত নতুন ছোৱালী আছে। ৰুমৰ দুৱাৰ ভিতৰৰ পৰা বন্ধ। হয়তো কান্দোনৰ শব্দ শুনি ভয় খাই লাইট নুমুৱাই শুই আছে। এই হোষ্টেলত ভূত থকাৰ কাহিনী পৰম্পৰাগতভাৱে মুখে মুখে প্ৰচলিত। হয়তো নতুন ছোৱালীবোৰেও শুনিছে এই কথা। ভাস্বতীয়ে ছয় নং ৰুমৰ দুৱাৰত শব্দ কৰিলে। এই কোঠাটো দুজনীয়া। কাখেলীৰ সৈতে অৰ্থনীতি বিভাগৰ ৰীতা সিন্‌হা থাকে। ৰীতা দেউতাকৰ অপাৰেশ্যনৰ বাবে ঘৰলৈ গৈছে। কাখেলী অকলে। তাৰমানে কাখেলীয়ে কান্দিছে? আজি ফাংশ্যনত তাই আছিলনে নাই? ভাস্বতীয়ে মনত পেলাবলৈ যত্ন কৰিলে। দুৱাৰ নোখোলা দেখি ভাস্বতীয়ে এইবাৰ সশব্দে দুৱাৰত ঢকিয়াই মাতিলে 'কাখেলী—দুৱাৰ খোলা।' লাইট জ্বলিল কোঠাৰ। দুৱাৰ খোল খালে। কাখেলীৰ চকু দুটা ৰঙা। চকুপানীৰে মুখখন সেমেকা। তাইৰ ধুনীয়া চুলিটাৰী আউল-বাউল। এক বিধ্বংসী চেহেৰা।

—কি হৈছে কাখেলী? তুমি ফাংশ্যনলৈ নগ'লা? ভাত খালানে নাই?

কাখেলীয়ে একো নামাতিলে মুখেৰে। তাই দুই হাতেৰে মুখ ঢাকি উচুপি থাকিল। 'কাখেলী! কি হৈছে নোকোৱা কিয়?' কাখেলীয়ে তেতিয়াও কান্দি থাকিল। ভাস্বতী অসহায় হৈ পৰিল। এইদৰে কিছুপৰ যোৱাৰ পিচত হঠাতে কাখেলীয়ে উচুপি উচুপি ক'লে—

—মোৰ কোনো নাই-কোনো নাই। কাখেলীয়ে অস্ফুট স্বৰেৰে ক'লে।

—কি কোনো নাই? কাখেলী—শুনা, চোৱা মোৰ ফালে চোৱা.... ভাস্বতীয়ে তাইৰ বাউসীত দুহাতেৰে ধৰি প্ৰায় জোকাৰি দিলে। কাখেলীয়ে বহুপৰ ভাস্বতীৰ মুখলৈ চাই থাকি ক'লে—'মোৰ একমাত্ৰ ভাইটো উগ্ৰপন্থী সংগঠনত ভৰ্তি হ'ল। মোৰ তেতিয়া দুখ লগা নাছিল। তাক অনিৰ্দিষ্ট কাললৈ নেদেখাৰ শোক এটা বুকুত বান্ধি ফুৰোঁ সদায়, হয়তো মই নেদেখাকৈয়ে সি কেতিয়াবা মৰি থাকিব, এই কষ্টও মই সহি থাকিবলৈ সক্ষম হৈছোঁ। আজি জানিলো, মোৰ আৰু মোৰ ভাইৰ কোনো পৰিচয় নাই।'

—মানে! ভাস্বতী চমকি উঠিল।

—'হয়, আজি আচম্বিত সত্য এটা আৱিষ্কাৰ হ'ল। আবেলি মোৰ মামা এজন আহিছিল। তেওঁ প্ৰায়ে আহে। ইয়াত আমাৰ সম্পৰ্কীয় মণিপুৰী মানুহ নাই, সেইবাবে তেওঁ আহিলে মোৰ বৰ ভাল লাগে। তেওঁ ইয়াৰ কলেজ এখনত সোমাইছে।' কাখেলী তাৰ পিচত মনে মনে থাকিল। উদাস হৈ মজিয়ালৈ চাই থাকিল। 'কাখেলী, কোৱা। তাৰ পিচত?'

—মামাই মোক আজি বিয়া কৰোৱাৰ প্ৰস্তাৱ দি দিলে।

—কি! ভাস্বতী চক্ খাই উঠিল।

কাখেলীয়ে অৰ্থপূৰ্ণভাৱে ভাস্বতীলৈ চালে। 'ভাস্বতী, আচলতে ইয়াত আচৰিত হ'বলগীয়া কথা একোৱেই নাই। মই তেওঁক এই প্ৰস্তাৱৰ বাবে দুঃচৰিত্ৰ আৰু বিশ্বাসঘাটক বুলি যেতিয়া গালি পাৰিলো, তেওঁ মোক ক'লে যে চৰিত্ৰ, বংশৰ চিন নাই হেনো মোৰহে। কাৰণ মই আৰু মোৰ ভাইৰ পিতৃ পৰিচয় নাই।' কাখেলীয়ে আকৌ উচুপি কান্দিলে। উচুপিয়েই ক'লে—মামাই আজি ক'লে—'মোৰ মা-দেউতাই দয়াৰ পৰশত আমাক তুলি

লৈছিল, মোৰ আঠৈবছৰ বয়সত জন্ম হৈছিল মোৰ ভাইৰ। মোৰ মা কোন আছিল নাজানো, কিন্তু এজন সেনা বিষয়াই মাৰ সৈতে বলপূৰ্বক শাৰীৰিক সম্পৰ্ক ৰাখি ৰক্ষিতা কৰি ৰাখিছিল। ভাইটোৰ জন্ম হওঁতেই সেনাবিষয়াজন মণিপুৰৰ পৰা বদলি হৈ গৈছিল জম্মুৰ ফালে। মোৰ অচিন পিতৃয়ে মাক ভৰসা দিছিল, জইন কৰিয়েই মাক ল'ৰা-ছোৱালী দুটাৰ সৈতে লৈ যাব। সেই ভৰসাত মা ছমাহ অপেক্ষা কৰিছিল। হাতৰ পইচা শেষ হৈ গৈছিল। দুটা কেঁচুৱাক খুৱাবলৈ একো নাছিল। থকা ঘৰটোৰ পৰা মালিকে উলিয়াই দিছিল। গাঁৱলৈ মা উভতি যোৱাৰ পথ কেতিয়াবাই ৰুদ্ধ হৈছিল। এদিন তেওঁ নোহোৱা হ'ল। আমি কেনেকৈ এতিয়াৰ মা-দেউতাৰ হাতত পৰিলো, এই অধ্যায় নাজানো। সোধাও নহ'ল। কিন্তু মামাই মোক বুজাই দিলে, তেজ-মঙহৰ সম্পৰ্ক আমাৰ নাই, সেইবাবেই তেওঁ বিবাহৰ প্ৰস্তাৱ দিছে।' কাখেলীয়ে কথাখিনি কৈ শান্ত হৈ পৰিল। এক বিস্ময়কৰ কাহিনী শুনি ভাস্বতীয়ে তধা লাগি চাই ৰ'ল কাখেলীৰ মুখৰ ফালে। অতি মৰম লগা গোল মুখ আৰু একোচা চিক্-চিকীয়া ক'লা চুলিৰে কাখেলী। পাহাৰী ঝৰ্ণাৰ দৰে তাইৰ খোজ, হাঁহি। এই সৰলমনা ধুনীয়া সৰু-ফুটীয়া ছোৱালীজনী পাষাণ হৈ গৈছে আজি জীৱনৰ নিষ্ঠুৰ আঘাতত। কি বিচিত্ৰ এই মানুহ, পৃথিৱী! ভাস্বতী আৰু কাখেলীৰ মাজত অজস্ৰ প্ৰশ্ন— উত্তৰৰ বাংময় নীৰৱতা। নীৰৱতা ভংগ কৰি ভাস্বতীয়ে কাখেলীৰ বাহুত হাত এখন থৈ ক'লে—'মামাৰ কথাত তুমি ভাগি পৰিছা, সেয়া মই বুজি পাইছোঁ। কিন্তু তুমি মোক কোৱাচোন, তোমাৰ মা-দেউতা যে নিজৰ নহয় সেইকথা এই বয়সলৈকে নজনাকৈ তুমি থকা মানেই, তেওঁলোকে তোমালোকক কিমান ভাল পাই সেয়া সত্য হিচাপে প্ৰমাণ হোৱা নাই জানো?' 'তেওঁলোকক আমি মা-দেউতা সম্বোধনহে কৰোঁ। আমাক কোৱা হৈছিল, তেওঁলোক আমাৰ খুৰা-খুৰীহে সম্পৰ্কত। আমাৰ মাক-দেউতা কাৰ এক্সিডেণ্টত মৃত্যু হোৱাৰ পৰা খুৰা-খুৰীৰ লগত ডাঙৰ হৈছো বুলি মই মেট্ৰিক পাছ কৰাৰ পিচতহে জনোৱা হৈছিল। তেওঁলোকৰ নিজৰ এজনী ছোৱালী থকা সত্ত্বেও, আমাক ইমান মৰম কৰি আহিছে যে, তেওঁলোক আমাৰ কোনো নহয়, এইকথা ভাবিবলৈ মন যোৱা নাই। প্ৰত্যেক মাহত দুখনকৈ মই চিঠি পাওঁ ঘৰৰ পৰা। টকা-পইচা একোৰে অভাৱত মোক পৰিবলৈ দিয়া নাই। ভাইটো ঘৰৰ পৰা গুচি গৈ উগ্ৰপন্থীৰ লগত চামিল হোৱা বুলি খবৰ পোৱাৰ দিনা, মা অজ্ঞান হৈ গৈছিল। দেউতাই দুদিন একো নোখোৱাকৈ আছিল। লুকাই-লুকাই কান্দিছিল। তেতিয়া মৱেই একমাত্ৰ সান্ত্বনা দিছিলোঁ। মোৰ বাইদেউ, মানে খুৰা-খুৰীৰ ছোৱালী বিয়া হৈ গৈছিল দুবছৰ আগতে। তাই আহিও সান্ত্বনা দিছিল। মামাহঁতক মই সৰুৰে পৰাই পাই আহিছোঁ। কিন্তু আজি সেই মামাই.....' কাখেলীয়ে আকৌ উচুপিলে। ভাস্বতীয়ে ঘড়ী চালে। ৰাতিপুৱাবলৈ দুঘণ্টামানহে আছে। তাই কাখেলীৰ দীঘল আউল-বাউল চুলিবোৰ মুখৰ পৰা আঁতৰাই ক'লে—'তুমি বৰ ভাগ্যৱতী, এনে মা-দেউতা লাভ কৰা বাবে। কিমান এনেকুৱা হতভগীয়া ল'ৰা-ছোৱালী কলিতেই মৰহি গৈছে। অন্ধকাৰ জীৱন-যাপন কৰিব লগা হৈছে। মই ভাবো তোমাৰ মামাৰ এই অশোভনীয় প্ৰস্তাৱৰ কথা তুমি তোমাৰ ঘৰত নজনাবা। তেওঁলোকে আঘাত পাব অন্তৰত। তুমিয়েই এতিয়া তেওঁলোকৰ অন্তৰত শান্তি দি আছা, তোমালোকক হৃদয়ত স্থাপন কৰাৰ বিনিময়ত তুমি

এইবোৰ কথা ঘৰত নক'বা। কিবা জানিছা বুলি নজনাবা। তোমালোকৰ প্ৰকৃত পিতৃ-মাতৃৰ বিষয়েও একো নুসুধিবা। অবিশ্বাসী, অসৎ, স্বাৰ্থপৰ মানুহ পোৱা সহজ, কিন্তু বিশ্বাস আৰু নিঃস্বাৰ্থ মানুহ জীৱনৰ সম্পদ। এওঁলোকক তুমি কোনো কাৰণতে হেৰুৱাব লগা যাতে নহয়। মোৰ বোধেৰে আজি তোমাৰ জীৱনৰ আটাইতকৈ সুখৰ দিন। নিজ ৰক্তমাংসৰ অবিশ্বাসী, নিষ্ঠুৰ পিতৃ, মমতাহীন মাতৃৰ বিপৰীতে এই পৃথিৱীত তোমাৰ মা-দেউতাৰ দৰে মানুহো আছে। তেওঁলোক তোমালোকৰ জীৱনদাতাও। অথচ তেওঁলোকে তোমালোকক একো জানিবলৈ দিয়া নাই। নিজ সন্তান জ্ঞান কৰি তোমালোকক বুকুত সাবটি লৈ আছে। তুমি তোমাৰ মামাৰ কথাত কন্দাৰ সলনি ধন্যবাদহে দিব লাগে। নিজৰ স্বাৰ্থৰ বাবে তোমাৰ মামাই আজি ইমানদিন গোপনে থকা সত্য উদঙাবলৈ কুণ্ঠাবোধ নকৰিলে, অথচ তোমাৰ মা-দেউতাই সমাজ, আত্মীয়-স্বজন সকলোৰে আগত তোমাক নিজৰ জীৰ পৰিচয় দি গৌৰৱ কৰে। এদিনলৈও তোমালোকৰ জন্মকাহিনী জানিবলৈ দিয়া নাই— ভাবাচোন, পৃথিৱীখন জানো এইবোৰ মানুহেই ৰক্ষা কৰি থকা নাই! তুমি আজি বেছিকৈহে তোমাৰ মা-দেউতাৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত। চাওঁ—এতিয়া চকুপানী মচা। মুখ ধুই আহাঁগৈ। মই সৌ খালী হৈ থকা বিছনাখনতে শোওঁ। ৰাতিপুৱাবলৈ বেছি পৰ নাই। কাখেলীয়ে স্মিতভাৱে হাঁহিলে। চেণ্ডেল চোঁচোৰাই বাথৰুমলৈ তাই উঠি গ'ল। যাওঁতে তাই কৈ গ'ল—সকলো বুজিলো—কিন্তু এই মামাক মই সুদাই নেৰোঁ—চালা—তাক মই একে গোৰে..... বুলি কাখেলীয়ে তাইৰ সোঁ ভৰিখন দাঙি ফুটবল চটিওৱাৰ দৰে ভংগীমা দেখুৱালে।

—কি কৰিবা—ফুটবল খেলিবা! কাখেলীয়ে হাঁহি পেলালে—অ' এক্কেবাৰে ফুটবল বনাই দিম তাক। ভাস্বতীয়েও হাঁহি দিলে সশব্দে কাখেলীৰ কথাত।

✧ ✧ ✧

হোৱাট ইজ ভাৰ্চিটি লাইফ? ইট ষ্টাৰ্ট্‌ছ হোৱেন ইউ অপেন ইয়ৰ হ'ল্ডঅল, এণ্ড এণ্ডছ হোৱেন ইউ পেক্ আপ্ ইয়ৰ্ হ'ল্ডঅল..... ইউনিভাৰ্চিটিৰ এখন ৱালত 'আছু জিন্দাবাদ' বুলি ব্ৰাছেৰে লেখি থকাৰ পৰাই শান্তনুৱে ক'লে। নিৰ্বাচন সমাগত। পৰাগৰ মন বেয়া। অৰ্থনীতিৰ ছাত্ৰী লীনা মহন্তৰ বিয়া। অথচ দুমাহ আগলৈকে তাই পৰাগৰ প্ৰেমিকা আছিল। যোৱা এমাহে তাই পৰাগৰ পৰা আঁতৰি ফুৰিছে। তাই বান্ধৱী এজনীৰ জৰিয়তে পৰাগৰ কাণত তাইৰ বিয়া ঠিক হোৱা খবৰটো দিয়াইছে। শান্তনুৱে পৰাগক জোৰ জবৰদস্তি আনি প'ষ্টাৰিঙৰ কামত লগাই দিছে। 'আৰে, মন বেয়া কৰি কি লাভ? দুলীয়াজান অইল কম্পেনীৰ মেকানিকেল ইঞ্জিনীয়াৰ দৰাৰ সৈতে তই কেনেকৈ পাত্তা পাবি? তাকো পঢ়িছ ইক'নমিক্স, ছায়েন্সৰ হোৱা হ'লেও কিবা এটা আশা আছিল। একেলগে একে ক্লাছতে থাকি দুদিনমান অলপ মন ভাল লাগিল হ'ব—হৃদয়-ফিদয় জাতীয় কথা লৈ ছিৰিয়াছ হৈ জীৱনটো নষ্ট নকৰিবি। তই—চুমা-তুমাতে ৰ'লি নে আৰু আগবাঢ়িছিল? শান্তনুৱে পৰাগলৈ নোচোৱাকৈ সুধিলে।

—না-নাই-মানে—সেইবোৰ একো নাই। বিশ্বাস কৰ মই, তাইক এদিন চাহ-বাগিছাৰ ফালে নি জোৰকৈ সাবটি ধৰি চুমা খোৱাৰ কথা প্লেনিং কৰি থাকোতেই গ'ল। তাই এদিন লিপ্‌ষ্টিক্ লগোৱা ওঁঠৰ সাঁচ দি কাগজৰ সৰু টুকুৰা এটা মোৰ নট্‌ছৰ মাজত দি পঠাইছিল। মইটো লিপ্‌ষ্টিক্ নলগাও যে এনেকৈয়ে প্ৰতি উত্তৰ দিম! ভাবিলো, সঁচাকৈয়ে লীনাৰ ওঁঠত, তাইৰ ধুনীয়া চকুযোৰত চুমাৰে ওপচাই দিম।

—কিমান দিন এইদৰে ভাবি কটালি?

—এই ধৰ-এমাহ-চাৰেই ওলোৱা নাই নহয়। মাজত পৰীক্ষা আহি গ'ল। এদিন লাইব্ৰেৰীত অৱশ্যে তাইৰ আঙুলিত চুমা খাইছিলো—তাই লাজ কৰি, নে ভয় কৰি আঁতৰি গ'ল দেখোন।

—বুৰ্বক—তাই তাৰ পিচত নিজেই সুযোগ দিব খুজিছিল নিশ্চয়। আচলতে তই ছোৱালীৰ 'মাইণ্ড ৰিডিং' নজনাৰ বাবেই গণ্ডগোল হৈ গৈছে। তই বৰ ভয়াতুৰ। আমাৰ অনিন্দ্য বৰগোহাঁই হ'ব লাগিছিল। সি পাক্কা এইবোৰত। ছোৱালী তাৰ পিচত দৌৰে। এতিয়া সি কি ভয়ংকৰ কাণ্ড কৰিছে জান—ইংৰাজী ডিপাৰ্টমেণ্টৰ যে ধুনীয়া ৰিচাৰ্চস্কলাৰজনী!

—কোন? ইন্দ্ৰানী বৰুৱা! তেওঁ দেখোন অহাবছৰ লেক্‌চাৰাৰ হ'ব!

—অ'—তাকেইতো! অনিন্দ্য এইবাৰ তেওঁৰ পিচত।

—ধুৰ্—ফাক্কা এইচব।

—ফাক্কা মানে—পৰখ্ কৰিবিতো—বেমালুম, মেড হৈ আছে দুয়োটা এতিয়া। শান্তনুৱে পাঁচআলিৰ লোকেল ভাষাত বুজাই দিলে পৰাগক। পৰাগে অবাক হৈ সুধিলে ই কেনেকৈ সম্ভৱ!

—অনিন্দ্যৰ 'চাল' তই জানই। সি যোৱা দুমাহ কষ্ট কৰি 'ইমপ্ৰেছ' কৰি দিছে। গতিকে তই মিছাকৈ এইবোৰ ছিৰিয়াছলি নল'বি। ভালকৈ পঢ়। এটা ভাল চাকৰি কৰ, কেৰিয়াৰ বনা—তাৰ পাচত চাবি তোৰ ডিমাণ্ড। তই অনিন্দ্য হ'ব নোৱাৰ যেতিয়া, যধে-মধে প্ৰেমত নপৰিবি। ৰছীৰ ওপৰত উঠি চাৰ্কাছ দেখুৱাৰ নিচিনা 'ডেঞ্জাৰাছ' ছোৱালীৰ সৈতে প্ৰেম কৰা বাদ দে—' হঠাতে পৰাগে ঢেক্-ঢেকাই হাঁহি পেলালে। শান্তনুৱে আচৰিত হৈ সুধিলে—

—কি হ'ল আকৌ তোৰ? লাফাইছ যে।

—নাই মানে—মই যে তোৰ সৈতে লেখি আছো, ছাত্ৰসন্থা জিন্দাবাদ—মই এণ্টি আছু জাননে নাই? মই আন্দোলনৰ সময়ত এছ-এফ-আইৰ কৰ্মী। এতিয়াও মই 'ধ্ৰুৱ'ক জিকাব নোখোজো, মোৰ কেণ্ডিডেট্ অৰিন্দম বৰা। মই যাওঁ বুজিছ। পৰাগে ব্ৰাছ পেলাই দিয়ে।

—আৰে বাদ দে, তই বহ অলপ। আমি থোৱাই পিচত পলিটিক্‌ছ কৰিম? যিকেইটাই জি এছ, এ জি এছৰ বাবে ইলেক্‌চন খেলিছে, সিহঁতৰ পলিটিকেল এম্বিশ্যন আছে। আমি সিহঁতৰ নামহে দেৱালত লেখিছোঁ। স্ফূৰ্তি এটা। বুজিছ দুটা বছৰ বিদেশী খেদা আন্দোলনত লাগি পঢ়া নষ্ট হ'ল। বিশ্বাস কৰ, মই মোৰ বুকুত ব্লেডেৰে কাটি 'জয় আই অসম' লেখি

দিছিলোঁ। পেপাৰত মোৰ ফটোও ওলাইছিল। সঁচাকৈয়ে আমি পাগল হৈ গৈছিলোঁ। কিন্তু সিদিনা যেতিয়া ইলেক্‌চনত জিকাৰ পিচত প্ৰফুল্ল মহন্ত, ভৃগু ফুকন আমাৰ ইউনিভাৰ্চিটিলৈ আহিল। সকলোৱে ফুল দলিয়ালে—তেতিয়া মোৰ বুকুত চিন বহি যোৱা 'জয় আই অসম' চুই ভাবিছিলো—আমি ঠিক কাম কৰিলোনে? কৰিলোনে? আমি কৰা আন্দোলনৰ ফল এয়া নহয় জানো? তথাপিও মই 'গড্ডাৰ' নহয়। সেইবাবেই দেৱালত লেখি আছোঁ। পৰাগে লাহে লাহে ক'বলৈ ধৰিলে—বুজিছ তই-মই আচলতে প্ৰথমে বন্ধু-পাৰ্টি বন্ধুত্বতকৈ ডাঙৰ হ'ব নোৱাৰে। মই মোৰ আদৰ্শ ৰক্ষা কৰিও তোৰ সৈতে বন্ধুত্ব ৰাখিব পাৰোঁ। শান্তনুৱে পৰাগৰ কান্ধত হাত থৈ ক'লে—ব'ল তেতিয়াহ'লে—এতিয়া তোৰ পাৰ্টিৰ কেণ্ডিডেটৰ নাম দেৱালত লিখোঁগে। দুয়োটাই সশব্দে হাঁহি দিলে এইবাৰ।

ভাস্বতী, অপৰ্ণা, তুল তুল হঁতে সমাজ শাস্ত্ৰ বিভাগৰ সন্মুখত প'ষ্টাৰিং কৰি থাকোতেই সুনীলে আহি খবৰ দিলে—এই এণ্টি পাৰ্টি আহি আছে। বামপন্থী আদৰ্শত বিশ্বাস কৰা দলটোৰ প্ৰাৰ্থী অৰিন্দমক লৈ দেৱব্ৰত, অম্বিকা, ৰীতাহঁত আহিছে। ভাস্বতীহঁত সদ্য বিদেশী খেদা আন্দোলনৰ সক্ৰিয় কৰ্মী হৈ অহা বীৰ-বীৰাংগনা। বিশ্ববিদ্যালয়ৰ নিৰ্বাচনৰ ঢৌ 'আছু'ৰ ফালে। তাতে অগপৰ নৱ নিৰ্বাচিত মন্ত্ৰী এই বিশ্ববিদ্যালয়লৈ আহি গৈছে। চকু মুদি নিৰ্বাচনত জয়লাভ কোনে কৰিব কৈ দিব পাৰি। তথাপিও নগণ্য সংখ্যক বামপন্থী সমৰ্থনৰ দলটো আত্মবিশ্বাসেৰে প্ৰতিটো বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ ওচৰলৈ গৈছে। তাচ্ছিল্য, উপলুঙা আওকাণ কৰি এই দলটোৱে 'অৰিন্দম'ৰ পক্ষত বক্তব্য দাঙি ধৰিছে। দেৱব্ৰত শৰ্মা সদায় ধীৰ-স্থিৰ আৰু দৃঢ়মনা। ভাস্বতীৰ সৈতে মতাদৰ্শ বেলেগ হ'লেও দেৱব্ৰতক তাই কোনোবাই তাচ্ছিল্য কৰা সহ্য কৰিব নোৱাৰে। হঠাতে সুনীলে চিঞৰি দিলে—'যা-ভাগ্‌-ভাগ্‌—এনেয়ে কিয় কষ্ট কৰিছ? ধ্ৰুৱ জিকিব। তহঁতৰ বাৰটা ভোট পাই অৰিন্দমে লাজ পোৱাতকৈ সেই বাৰটা ভোট আমাৰ ধ্ৰুৱক দে।'

'—আমি নিৰ্বাচনত নিজিকো বুলি এশভাগ নিশ্চিত। তথাপিও আমাৰ ক'ব লগাখিনি কৈ যাম।' —অৰিন্দমে ক'লে।

—আৰে—বন্ধ কৰ্‌না—চামচুদ্দিনে চিঞৰি দিলে। ভাস্বতীয়ে মনত বেয়া পালে। দেৱব্ৰত, অৰিন্দমক এইদৰে কথা কোৱাতো তাই নিবিচাৰে। ভাস্বতীয়ে ক'লে—

—কোৱা—কিয় নক'বা? আমি শুনিম। দেৱব্ৰতে তাইলৈ চাই হাঁহিলে অলপ। তাৰ পিচত সি আৰম্ভ কৰিলে—'নিৰ্বাচনত অংশ লৈ আমি আমাৰ অধিকাৰ সাব্যস্ত কৰিছো, জয়ী হ'বলৈ আপোনালোকৰ ওচৰত ভোট ভিক্ষা কৰিবলৈ অহা নাই। কিছুমান পৰিস্থিতিয়ে যেনেকৈ নতুন পথ খুলি দিয়ে, কিছুমান ঘটনাই প্ৰতিৰোধ গঢ়ি তোলে। আমাৰ সকলোৰে লক্ষ্য এখন মনে বিচৰা, মংগলকামী সমাজ আৰু ৰাজনৈতিক ব্যৱস্থা গঢ়ি তোলা। বিদেশীখেদা আন্দোলনত আমি আপোনালোকৰ শত্ৰু আছিলো, আমাক নানা নিৰ্যাতন কৰা হৈছিল, সেই বাবেই কঠোৰ হোৱাৰ শক্তি আহৰণ কৰিছোঁ.....

(চাৰিবশ)

দেৱব্ৰতে একেলেথাৰিয়ে কৈ গ'ল—বিদেশী এই ভূমিৰ পৰা বিতাৰণ কৰিবলৈকে তোমালোকে সংগ্ৰাম কৰিছিলা, দুটাকৈ শিক্ষাবছৰ হাঁহিমুখে ত্যাগ কৰিলা, বহু আত্মীয়ৰ জীৱন অকালতে হেৰুৱা দেখিলা, অসম চুক্তি হ'ল, তোমালোকৰ নেতাসকল অৰাজনৈতিকৰ পৰা ৰাজনৈতিক হ'ল, এজন এজন মন্ত্ৰী, এম এল এ হ'ল, এয়াই তোমালোকৰ সফলতা নেকি! এইবাৰ দেৱব্ৰতে অলপ বেলেগ সুৰত ক'বলৈ ধৰিলে—বন্ধুসকল। আপোনাসবে ভাবেনে আপোনালোকৰ উদ্দেশ্য সফল হৈছে বুলি! বিশ্ববিদ্যালয়ৰ কোনোবা ছাত্ৰ-ছাত্ৰীয়ে বুকু ডাঠি ক'ব পাৰিবনে—এজনো প্ৰকৃত বিদেশী নাগৰিক চিনাক্তকৰণ হৈছে আৰু তেওঁক অসমৰ মাটিৰ পৰা বহিস্কাৰ কৰা হ'ল বা ভৱিষ্যতে হ'ব! অৰাজনৈতিকৰ পৰা ৰাজনীতিলৈ গৈ, পুঁজিপতিৰ দালালী কৰা এটি দল গঠন কৰাৰ প্ৰচেষ্টা আপোনাসবেই গঢ়ি দিয়া নাইনে!

—হেই-হেই-হেই এইচব কি বকিছ! ভাগ-ভাগ চাল্লা, দেশদ্ৰোহী; আমাৰ ছাত্ৰসন্থাক গালি দিছ! ক'বলৈ চান্স দিলো বাবে বকি যাবি! জিয়'ল'জি বিভাগৰ ৰঞ্জন ভূএগ্ৰা জঁকি-পকি উঠিল। ভাস্বতীয়ে মধ্যস্থতা কৰি দেৱব্ৰতৰ ফালে চাই ক'লে—'দেৱব্ৰত, সকলো জানাই দেখোন, তোমালোকৰ প্ৰাৰ্থীজনক ক'বলৈ দি যোৱাগৈ।' এইবাৰ প্ৰাৰ্থী অৰিন্দম আগবাঢ়ি আহিল—'বন্ধুসকল—' অৰিন্দমে সম্বোধন কৰিলেহে মাত্ৰ, সুশীল গগৈয়ে চিএগ্ৰৰি দিলে—লাভ নাই, লাভ নাই, এনেয়ে লেক্‌চাৰ দিছ বে—আমি 'আছু জিন্দাবাদ' যা—যা—

—মই জানো বন্ধুসকল। সদ্য সমাপ্ত বিদেশী বিতাৰণ আন্দোলনৰ আৱেগৰ নিচাত আপোনালোক টল মল। হয়, ইয়াত আমাৰ কথা কৈ লাভ নাই। গ্ৰীক দাৰ্শনিক প্লে'টোক এজন ছাত্ৰই সুধিছিল—'ইমান তথ্য গধুৰ দাৰ্শনিক কথাৰ প্ৰয়োজন কি? ইয়াৰ পৰা কিবা লাভ হ'ব জানো?' প্লে'টোৱে তৎক্ষণাৎ এজন ভৃত্যৰ হতুৱাই ছাত্ৰজনক এটা মুদ্ৰা হাতত দি ক'লে যে তেওঁ যি জ্ঞানেৰে এই প্ৰশ্নটো কৰিলে, সেয়া মূল্যহীন নহয়, গতিকে এই মুদ্ৰাকেই লাভ কৰি তেওঁ ঘৰলৈ যাওঁকগৈ। তেওঁ আৰু দৰ্শন বুজিবলৈ আহিব নালাগে। দুহেজাৰ বছৰৰ আগৰ এই কাহিনীয়ে আমাক শিকাইছে যে, সৰ্বসাধাৰণ মানুহে লাভ-লোকচান তাৎক্ষণিকভাৱে বিচাৰে। সুদূৰ ভৱিষ্যতৰ প্ৰতি দৃষ্টি নথকাৰ বাবেই, সুনিৰ্দিষ্ট চিন্তা কৰিব নোৱাৰে। মোক আপোনালোকে ভোট দিব নালাগে। কিন্তু মই তথাপিও কৈ যাম, আমিও দেশক ভাল পাওঁ। আপোনালোকৰ আন্দোলনক সমৰ্থন নকৰা বাবে আপোনালোকে আমাক বাটে ঘাটে গালি পাৰিব, মাৰ-পিট কৰিব, এই ফেচিষ্ট মনোভাব আপোনালোকৰ আন্দোলনে শিকাইছে। এই মুহূৰ্তত আপোনালোকে পাহৰি গৈছে, আমি

একেখন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী। আমাৰ প্ৰধান উদ্দেশ্য শিক্ষালাভ, আমি কোনো কাৰো শত্ৰু নহয়। এইখন আমাৰ দেশ, দেশ সেৱাৰ পন্থা বেলেগ হ'ব পাৰে। কেৱল নিৰ্বাচন খেলিলেই এই বিশ্ববিদ্যালয়ক যেনেকৈ ভালপোৱাতো নুবুজাই, ঠিক তেনেকৈ ৰাজনীতি কৰিলেই দেশসেৱা নুবুজায়। মাত্ৰ এটা বছৰ এই বিশ্ববিদ্যালয়ৰ সাধাৰণ সম্পাদক হৈ আমি কি অভূতপূৰ্ব নিদৰ্শন দেখুৱাব পাৰিম? পাৰিমনে শিক্ষাব্যবস্থা সলাই পেলাব? পাৰিমনে পৰীক্ষা ব্যৱস্থাৰ আমুল পৰিৱৰ্তন সাধিব? পাৰিমনে বুৰ্জোৱা পাঠ্যক্ৰম ভাটৌৰ দৰে মুখস্থ কৰাৰ পৰা বিৰত থাকিব? এই বিশ্ববিদ্যালয়ৰ অৰ্থ সংকট, ইউ জি চি-ৰ অনুদানৰ খেলি-মেলি, বিশ্ববিদ্যালয়ৰ এনেয়ে পৰি থকা মাটি, এই সমস্যাবোৰৰ সমাধান কৰিব পাৰিমনে? খুব বেছি পৰীক্ষা পিচুৱাবলৈ ধৰ্ণা দিয়াৰ বাহিৰে কি ফলপ্ৰসু কাম কৰিব পাৰিম? অহা আৰু দহ বছৰলৈ এই সমস্যাবোৰ একেদৰে একে চৰিত্ৰৰে থাকি যাব, একেদৰে সাধাৰণ সম্পাদক নিৰ্বাচন হ'ব—হয়তো এই সাধাৰণ সম্পাদকজন ভৱিষ্যতৰ ৰাজনীতিৰ মন্ত্ৰী, এম এল এ হোৱাৰ ৰাস্তা খুলিব, তাতকৈ কিবা বেলেগ লাভা-লাভ হ'বনে! আমাৰ কলেজ-ইউনিভাৰ্চিটিৰ নিৰ্বাচন এতিয়া ৰাজনীতিকৰ কৰ্মশালা। লোভ, স্বাৰ্থ, ধনী হোৱাৰ উচ্চাকাংক্ষাৰ বীজ ৰোপন কৰি, ছাত্ৰসকলক তৎক্ষণাৎ ক্ষমতালাভৰ সপোন চিৰি এটা সন্মুখত ৰাখি সংকেত দিয়ে—আহাঁ এই চিৰিৰে, ভাই; দেশৰ স্বাৰ্থত, মানুহৰ স্বাৰ্থত ব্যৱসায় কৰাহি। মোক ভোট দি জয়যুক্ত নকৰিবলৈ আপোনাসৱক অনুৰোধ কৰিলো—কাৰণ মই বিশ্ববিদ্যালয়ৰ নামত আৰু ভৱিষ্যতে দেশৰ নামত মিছা কথা ক'ব নোৱাৰোঁ। আপোনাসৱৰ সহযোগৰ বাবে ধন্যবাদ। অৰিন্দমে নমস্কাৰ জনাই দহজনীয়া দলটো লৈ আঁতৰি গৈছিল। একমুহূৰ্তৰ বাবে পৰিৱেশটো থম-থমীয়া হৈ পৰিল। নীৰৱতা ভংগ কৰি শান্তনুৱে ক'লে—'লেট্ আচ থিংক্ এগেইন— যি কৰি আছো, এয়া শুদ্ধনে বাৰু!' শান্তনু বননিতে বহি পৰিল। তাৰ জিনছ্ পেণ্টটো আঁঠুলৈকে কোঁচোৱা। ক'লা ৰঙৰ হাত কটা গেঞ্জী, মূৰত এখন টাৱেল বান্ধি, ৰঙৰ টেমালে শান্তনুৱে অহৰহ দেৱালত 'আছু'ৰ প্ৰাৰ্থীজনৰ নাম লেখিছে এসপ্তাহ ধৰি। শান্তনুৱে এইবাৰ উজাগৰী ৰঙা চকুযোৰ মুদি দিলে ভাগৰুৱাৰ দৰে। অলপপৰৰ পিচত হাঃ-হাঃ কৈ অট্টহাস্য কৰি সি ক'লে—

We may fool all the people
Some of the time
And some people
All the time
But you can not fool
All the people
All the time....

আজিৰে পৰা মোৰ কাম শেষ—কোন জিকে—হাৰে মই নাজানো। ভোটো নিদিও চাল্লা কাকো—

—মানে! —ভাস্বতীয়ে শান্তনুৰ ওচৰতে বহি লৈ আচৰিত হৈ সুধিলে।

—এই ভাস্বতী, তহঁতৰ ক্লাছৰ যে ত্ৰিবেণী—সেই কেঁকোৰা চুলিৰ গোল মুখৰ ছোৱালীজনী—শান্তনুৱে হঠাতে কৰা ত্ৰিবেণীৰ প্ৰশ্নত ভাস্বতী স্তম্ভিত হ'ল। 'হঠাৎ ত্ৰিবেণীৰ কথা—কি হ'ল! ভোটৰ সৈতে তাইৰ কি সম্পৰ্ক!'

—আৰে ভাস্বতী, একো সম্পৰ্ক নাই বাবেইতো সুধিছোঁ। ভাল লাগি এদিন, কলেজ উইকতে লাইব্ৰেৰীৰ ওচৰত চিঞৰি জোকাইছিলো—ত্ৰিবেণী-ত্ৰিবেণী-মোক কিয় কৰা আমনি—নিশা নাহে টোপনী....

—যাঃ —তোৰ যে কাণ্ড আৰু.... ভাস্বতীয়ে হাঁহি পেলালে।

—সঁচা—তেতিয়াৰ পৰা তাই মোলৈ চুৰকৈ চোৱা হ'ল—মই বুজি পাওঁ—মোৰো ভাল লাগে। ভাস্বতী মই ত্ৰিবেণীৰ প্ৰেমত পৰিব খোজোঁ। তই এদিন মোক তাইৰ সৈতে কথা পতাই দে-না। মই তাইৰ প্ৰেমত আকণ্ঠ ডুব যাম। ঠিক আন্দোলনত মোৰ বুকুত 'জয় আই অসম' লেখি পেলোৱাৰ দৰে—বুকুত লেখি থ'ম—ত্ৰিবেণী-ত্ৰিবেণী....

ভাস্বতীয়ে শান্তনুৰ মূৰত মাৰি থোৱা কাপোৰখন খুলি চুলি জোকোৰা এটা দি ক'লে—'অ'—কথা গহীন। পিচে তোৰ আন্দোলনৰ আৱেগত বুকুত লেখি পেলোৱা 'জয় আই অসম' শুকুৱাই নাই, ত্ৰিবেণীৰ নাম ক'ত লেখিবি?'

—ত্ৰিবেণীৰ নাম বুকুৰ ভিতৰত থাকিব—তই চিন্তা নকৰিবি। কি ভাবিছ—প্ৰফুল্ল-ভৃগু মন্ত্ৰী হোৱাৰ বাবে আমাক ব্যৱহাৰ কৰিলে বুলি মই বুজা নাই বুলি ভাবিছ নেকি? চব বুজোঁ! অলপ আগতে যে অৰিন্দমে কৈ গ'ল কথাবোৰ চব সঁচা। কিন্তু মই সিহঁতকো বিশ্বাস নকৰোঁ। কাকো নকৰোঁ। মই কেৱল মোক বিশ্বাস কৰোঁ। মই মোৰ দেশ, মোৰ জাতি, নৈ-পাহাৰ, জান-জুৰি, বতাহ, পখিলা... আনকি শিয়াল টেঙৰ বুদ্ধিজীৱী, পেট কপটীয়া প্ৰতিৱেশী, ঈৰ্ষাকাতৰ বন্ধু, বিশ্বাসঘাটক প্ৰেমিকা, ভোদা-অঁকৰা খেতিয়ক এই সকলোবোৰ একেলগে ভাল পাওঁ। একমাত্ৰ কাৰণ, এওঁলোক অসমীয়া। এইবোৰ অসমীয়া চৰিত্ৰ—বেয়া পালেও ভাল পাওঁ....

শান্তনুৱে আপোনমনে কোৱা কথাবোৰৰ ভংগীমাত ভাস্বতী হাঁহিত বাগৰি পৰিল—কি-কি—বেয়া পালেও ভাল পাৱ...... আচৰিত!

—অ'—বেয়া পোৱা বস্তুবোৰো ভাল পাওঁ—লক্ষ্মীনাথ বেজবৰুৱাই 'কৃপাবৰৰ উইল'ত দি যোৱা, কাণীয়া, পৰশ্ৰীকাতৰতা অসমীয়াৰ চৰিত্ৰবোৰ ভালপোৱাৰ দৰে। সেইবাবেই বিদেশী খেদা ছাত্ৰ আন্দোলনত গুলী খাবলৈ বুকু পাতি দিছিলো নিৰ্ভয়ে। 'মৰিলে স্বৰ্গ, তৰিলে দেশ' এই কথাষাৰ মগজুত সী লৈছিলোঁ। কিমান যে আবৃতি কৰিলো, হীৰুদাৰ কবিতা—'দেশ বুলিলে আদেশ নালাগে, মোৰ তুমৰলি তেজত তগবগাই উঠে এহেজাৰ এটা ৰণুৱা ঘোঁৰা'—আমাৰ দৰে ৰণুৱা ঘোঁৰা, আমাৰ দৰে দেশ বলিয়া ল'ৰা-ছোৱালীকেইটাই জানো আজি ছাত্ৰ নেতাকেইজনক মন্ত্ৰী পতা নাই! ক'চোন-ক-তয়ো জানো আন্দোলনটোৰ নামত দিন-ৰাতি একাকাৰ কৰি দিয়া নাছিলি! দুদিন পিচতে তই এম এ পাছ কৰিবি, মই কৰিম—চাকৰি বিচাৰিম। আমাৰ সতীৰ্থবোৰৰ চৰকাৰ—নিয়মমতে

আমি বেকাৰ হৈ থাকিবই নালাগে। তোৰ বন্ধু দুটামানো মন্ত্ৰী, এম এল এ বুলি কৈছিলি দেখোন—পিচে তই চাকৰিৰ ইণ্টাৰভিউ দি পাৰিবিনে সিহঁতক ক'ব—মোৰ চাকৰিটো কৰি দিয়ানা—বুলি! ভাস্বতী এইবাৰ নীৰৱে তলমূৰ কৰি থাকিল। শান্তনুৱে আকৌ কৈ গ'ল—মই জানো ভাস্বতী—তোক যিমান দূৰ বুজি পাইছো—তই মোৰ দৰে। যোগ্যতো ভিক্ষা কৰিব নোৱাৰ। আমাৰ আত্মসন্মানত লাগে। দেশপ্ৰেমৰ বিনিময়ত মন্ত্ৰীত্ব বিচৰাৰ দৰে চাকৰি, ব্যৱসায় বিচৰাটোও একে কথা নহয় জানো! চাল্লা, নিজকে কেতিয়াবা দুই ঘোচা দিবলৈ মন যায়, এইবোৰক মন্ত্ৰী-এম এল এ কৰিবলৈ গুলীত প্ৰাণ দিবলৈ ওলাইছিলোঁ। মোৰ ঘৰৰ ওচৰৰ অমৃতদা মোৰ চকুৰ আগতে দুলীয়াজানৰ ফায়াৰিঙত মৰিল। মৃত্যুৰ আগতে কি তাৰ ডায়লগ্! শান্তনু, মোৰ ভনীজনী, মাক চাবি। জয় আই অসম—বাঃ কি চিনেমেটিক মৃত্যু! সিদিনা তাৰ ঘৰলৈ গৈ আহিলোঁ। কোনো নেতা ভৰি দিবলৈ যোৱা নাই। আগতে সিহঁতৰ ঘৰতে চাহ-ভাতৰ আড্ডা। ষ্টেচনেৰী দোকানত এতিয়া অমৃতদাৰ সলনি মাক বহে। বেচেৰাই আগতে দোকান বন্ধ কৰি শোভাযাত্ৰাত গৈছিল। এতিয়া! ভাল হ'ল অমৃত মৰি গ'ল। এইখন দেশত কি হ'ব থাকি?' হঠাতে বননিত শুই থকাৰ পৰা শান্তনু উঠি বহিল এইবাৰ। অলপ সময় ভাস্বতীৰ মুখৰ ফালে চাই থাকি ক'লে—'ভাস্বতী, কেতিয়াবা হাতত বন্দুক ল'বলৈ মন যায়।' ভাস্বতীয়ে চকু ডাঙৰ কৰি শান্তনুলৈ চাই ক'লে—'শান্তনু! কি বকিছ! তই পঢ়া-শুনাত ভাল ল'ৰা। পঢ়। আজে-বাজে কথা মূৰত সুমুৱাই নল'বি। তই তোৰ কামেৰে দেশ সেৱা কৰ। —নিজৰ কামত সৎ হৈ থকাটোও জানো দেশসেৱা নহয়!'

শান্তনু অন্যমনস্ক হৈ পৰিল হঠাতে। 'ভাস্বতী, অলপতে ঘৰলৈ যাওঁতে, এজন মানুহ লগ পাইছিলোঁ। অমৃতদাৰ বন্ধু আছিল। আগতে তেওঁলোকৰ ঘৰত দুবাৰমান পাইছিলোঁ। এইবাৰ বহুতদিনৰ মূৰত পালোঁ।' শান্তনুৱে যেন কিবা এটা ক'ব খুজিছে; কিন্তু পৰা নাই ক'ব। ভাস্বতীয়ে তীব্ৰ দৃষ্টিৰে শান্তনুৰ মুখলৈ চালে। সেই দৃষ্টিৰ পৰা সাৰিবলৈকে শান্তনুৱে তলমূৰ কৰি ক'লে—'সশস্ত্ৰ বিপ্লৱৰ বিনে এতিয়া আন কোনো বিকল্প নাই ভাস্বতী। তেওঁৰ কথাবোৰ মোৰ মনঃপুত হৈছে।' ভাস্বতী যেন অজান আশংকাত কঁপি উঠিল। তাই শান্তনুৰ হাত এখন স্পৰ্শ কৰি ক'লে—'শান্তনু, এক তীব্ৰ দেশপ্ৰেমৰ ৰাগীত আমি একো নুবুজাকৈ, নজনাকৈ সদৌ অসম ছাত্ৰসন্থাৰ আহ্বানত আন্দোলনত জপিয়াই পৰিছিলোঁ। তয়ে ক'চোন—আমি পোন্ধৰ-ষোল্ল বছৰ বয়সত কিমান পৰিপক্ক আছিলোঁ! কথাবোৰ ভাবি-চিন্তি চাবি।'

—তই ভাল ইণ্টাৰভিউ দিলেও চাকৰি পাবি বুলি ভাবিছ নেকি ভাস্বতী! ছিষ্টেম একেই আছে। এতিয়া দেখিছো, যিবোৰ 'ধৰো মাছ-নোচোওঁ পানী' কৰি আন্দোলনত আছিল, বদমাছী কৰিছিল, সেইবোৰ আমাৰ নতুন মন্ত্ৰীৰ চাম্‌ছা, পালি নেতা। অমৃতদাৰ ভনীয়েকজনী বি-এ পাছ কৰি ঘৰত বহি আছে। ঘৰৰ ওচৰৰ প্ৰাইমেৰী স্কুলখনত ভেকেঞ্চি এটা আছে। মই ক'বলৈ গৈছিলো—অমৃতদাৰ ভনীয়েকক চাকৰিটো দিবলৈ। একেলগে

আন্দোলন কৰিছিলো—দাদা বুলি মাতিছিলো, এতিয়া আমাৰ সমষ্টিৰ এম এল এ। বিশ্বাস কৰ, বাৰাণ্ডাতে বহি আছিল, অপু নামৰ গুণ্ডাটো। তাক আমি এবাৰ ছোৱালী জোকোৱাৰ বাবে চুলি খুৰাই দিছিলোঁ। সি আগভেটি ধৰি ক'লে—'দাদাক এতিয়া লগ পাব নোৱাৰি। বিশেষ মিটিং চলি আছে ভিতৰত।' তৎক্ষণাৎ গুচি আহিলোঁ। তেতিয়াৰ পৰা মূৰটো গৰম হৈ আছে বুজিছ। নিজক তিনি ঘোচা মাৰি বগৰাই দিবলৈ মন গৈ আছে। কি দৰকাৰ আছিল মোৰ তালৈ যোৱাৰ! ছাত্ৰনেতা আৰু মন্ত্ৰী বা এম এল এ, একে বুলি মই কিয় ভাবিছিলোঁ! অমৃতদাৰ ঘৰখনলৈ যাবলৈ যাৰ সময় নাই, সেই এম এল এ-টোক মই অমৃতদাৰ ভনীয়েকৰ কথা ক'বলৈ গৈছিলো কিয়? ছাত্ৰনেতা হৈ থাকোতে এবাৰ মিলিটেৰীৰ খেদাত সি গৈ অমৃতদাৰ ঘৰত তিনিৰাতি লুকাই আছিল। অমৃতদাৰ মাকে বাৰীৰ বাঁহনিৰ ভিতৰত সেনা আহোতে সুমুৱাই থৈছিল। পুলিচ-মেলিটেৰীয়ে খঙতে অমৃতদাৰ দোকানৰ বস্তুবোৰ ভাঙি পেলাইছিল লাঠিৰে কোবাই। অমৃতদাৰ কিমান লোকচান হৈছিল, কিমান সহ্য কৰিছিল এই ঘৰখনে! আজি এম এল এ হৈ অমৃতদাৰ ঘৰ কেনেকৈ চলিছে সি ক'ব নোৱাৰে! এনেকুৱাতে—বুজিছ, গুলীয়াই যাম যেন লাগে।

—তই কোন শান্তনু, মানুহ গুলীয়াই মাৰিবলৈ? তোৰ নিজৰ খঙৰ পৰা পৰিত্ৰাণ পাবলৈ মানুহ মাৰিবি, এয়া কেনেকুৱা কথা!

—মই শুদ্ধ কৰিব খোজো সকলো—সেইবাবে নিয়ম ভাঙিব লাগিব।

—আৰে! তই ফেচিষ্ট দেখোন! তোৰ বিচাৰত ভুল প্ৰমাণ হ'লে তই মাৰি পেলাবি!

—অ—অ'—শুদ্ধ কৰিবলৈ হ'লে ফেচিষ্ট হ'ব লাগিব—একনায়কত্বৰ প্ৰয়োজন আছে—শান্তনুৱে চিঞৰি দিলে।

—তই—তই পগলা হৈছ শান্তনু। গুলীয়াই তই একো শুদ্ধ কৰিব নোৱাৰ। এটা সময়ত দেখিবি, তোৰ দৰে ভবা মানুহবোৰো হতাশগ্ৰস্ত হৈ পৰিব আজিৰ দৰে। তই কাৰো কথা নুশুনিবি শান্তনু, তই বৰ ভাল ল'ৰা। তই পঢ়—ভাল ৰিজাল্ট কৰ। চা শান্তনু, আমাৰ চৰকাৰী-বেচৰকাৰী সকলো বিভাগতে খেলি-মেলি। তই অধ্যাপকেই হ'ব বা বিষয়াই হ—আনতকৈ যেতিয়া বেলেগ ধৰণে কাম কৰিবি সেয়াই নিদৰ্শন নহ'ব জানো? শান্তনু, তোৰ ভিতৰৰ মানুহটোৰ প্ৰকাশ ঘটাবলৈ বহুত উপায় আছে। সময় এদিন আমাৰ হাতলৈ ঘূৰি আহিব শান্তনু, তোৰ সৎ, নিৰ্ভীক মনটোৰ বাবে, তোৰ এম এল এ টোৱে ভয় কৰিব তোলৈ। সি কোটি কোটি টকাৰে ধনী হ'লেও তোৰ ওচৰত হীনমন্যতাত ভুগিব। কাৰণ তই দেশৰ নামত দালালী কৰা নাই।—শান্তনু তই বুজি পাইছনে মোৰ কথাবোৰ—ভাস্বতী উদ্‌গ্ৰীৱ হৈ শান্তনুৰ বাহুত ধৰি জোকাৰি দিলে এইবাৰ। শান্তনুৱে একো নামাতিলে। সি থিয় হৈ ভাস্বতীৰ দীঘল বেণীডাল অকমান টান মাৰি ক'লে—'হ'ব-যা। তই ভয় নকৰিবি। মই ক'লৈকো গুচি নাযাওঁ।' ভাস্বতীয়ে অকমান হাঁহি ক'লে—'ত্ৰিবেণীক মই তেতিয়াহ'লে তোৰ কথা ক'ম আজিয়েই।' শান্তনুৱে হাঁহিলে। সি নাহৰ গছ এজোপাৰ ডাল এটা জাপ মাৰি চুই ক'লে—'ব'হাগলৈ কিমান দিন বাকী অ'?'

—কিয় ?

—বৰ ভাল লাগে। নাহৰ গছবোৰ ৰঙা হৈ পৰে। পৃথিৱীৰ ভিতৰতে ধুনীয়া গছ নাহৰ। ডিব্ৰু বিশ্ববিদ্যালয়খন নাহৰ গছ দেখিলেই মনত পৰিব। এই বিশ্ববিদ্যালয়, এই সময়বোৰ এৰি যাবলৈ বেছি দিন নাই আৰু—

—এৰা, মোৰো মনটো বৰ বেয়া লাগে শান্তনু। সিদিনা মাত্ৰ সোমাইছিলোহে ইয়াত। কেনেকৈ যে তহঁতবোৰৰ সৈতে বন্ধুত্ব হৈ গ'ল! কেনেকৈ যে ল'ৰা-ছোৱালী, ছাৰ-বাইদেউবোৰৰ সৈতে বিচ্ছেদ হৈ যাব! শান্তনুৱে ঘড়ী চাই ক'লে— 'ভাস্বতী চাৰিটা বাজি গ'ল। আজি কনফাৰেন্সহলত মিটিং এখন আছে নহয়!'

—ভাস্বতীয়ে অন্য মনস্কভাৱে ক'লে—'অঁ—অঁ—কিহৰ বিষয়ে পাতিছেনো।' শান্তনুৰে খোজৰ লগে লগে ভাস্বতীয়েও খোজ দিলে। 'জানো, কিবা টকা-পইচাৰ খেলি মেলি। ইউনিয়ন বডীয়ে কিবা-কিবি 'ডিমাণ্ড' দিছে। ৰাজীৱ, চামচুদ্দিনহঁতে আগ-ভাগ লৈ পাতিছে।' শান্তনু আৰু ভাস্বতীয়ে লাহে লাহে খোজ দিলে এড্‌মিনিষ্ট্ৰেচন বিল্ডিঙৰ ফালে।

—শান্তনু, ৰাজীৱ-চামচুদ্দিনহঁতে হেনো কংগ্ৰেছৰ হৈ কাম কৰিছে!

—নাজানো। ময়ো শুনিছোহে। আমাৰ হোষ্টেলৰ ডেনী বড়ো, ৰাজেন বসুমতাৰীহঁতে নিৰ্বাচনত ভোটো নিদিয়ে, সহযোগো নকৰে সেইটো জানো।

—কিয়—কিয় ?

—সিহঁতেই নহয়, ইংৰাজী ডিপাৰ্টমেণ্টৰ ৰণজিৎ পেগু, চিলা দলে, তহঁতৰ ডিপাৰ্টমেণ্টৰ ৰজনী লেক্‌থেপী সিহঁতেও আমাৰ ইউনিভাৰ্চিটিৰ ইলেক্‌চন বৰ্জন কৰিব।

—আচৰিত!—কিন্তু কিয় ? মই জনামতে ইহঁত সবেই আমাৰ আছুৰ ছাত্ৰ আন্দোলনত ভাগ লৈছিল। এতিয়া কিয়.....

—এ-যা-। তই দেখিছো একো খবৰ নাৰাখ। কালি ডেনী বড়োহঁতে হোষ্টেলৰ চাদত পতা মিটিঙত ময়ো আছিলোঁ। মই অৱশ্যে কথাবোৰহে শুনিছোঁ। এইবোৰ ঘটনা যোৱা দুমাহ আগৰ পৰাই হোষ্টেলে-হোষ্টেলে চৰ্চা হৈছে। তহঁতৰ হোষ্টেলতো হৈছে, তই খবৰ ৰখা নাই।

ভাস্বতী এইবাৰ ৰৈ দিলে। তাই উৎসুক হৈ সুধিলে—'সঁচাকৈ ভাই, মই ইমান ব্যস্ত হৈ আছো, কথাবোৰ গম নাপাওঁ। তই অলপ ক'-না মোক।'

—'নোৱাৰো মই লেক্‌চাৰ দিব তোক। ইয়াকো নাজাননে ? অসমীয়া শিকা সকলোৰে বাবে বাধ্যতামূলক কৰাৰ পিচৰ পৰাই সদৌ অসম জনজাতীয় ছাত্ৰ সন্থাই এই নীতিৰ ঘোৰ আপত্তি তুলিছিল। কাৰ্বি স্বায়ত্ত শাসিত পৰিষদ দাবী সমিতিয়ে প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক স্মাৰক পত্ৰ দিয়া নাছিল জানো যে, অসমৰ বৰ্তমান নেতাসকলে অন্য জনগোষ্ঠীৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰৰ উচ্ছেদ ঘটাবলৈ আৰম্ভ কৰিছে বুলি! তই পাহৰি গ'লিনে সকলো!' ভাস্বতীৰ লাজ লাগিল। তাই অপ্ৰস্তুত হৈ ক'লে—'সেইবোৰ জানো, কিন্তু আমাৰ ইউনিভাৰ্চিটিৰ নিৰ্বাচনত এইবোৰ কথা আহিবনে!'

—উৰা! এইবোৰ জনজাতীয় ল'ৰা-ছোৱালী নহয় নেকি? সিহঁতৰ 'চেণ্টিমেণ্ট'ক অৱহেলা কৰিব পাৰিবিনে! ইফালে উপেন ব্ৰহ্মাই বড়ো সমাজ, বড়ো ভূমিৰ কথা ঘোষণাই কৰি দিছে। নকৰিব কিয়? অগপৰ নেতাবোৰ নিজৰ অহংকাৰতে মছগুল, অলপ আন্তৰিকতাৰে যদি চুক্তিৰ দহ নম্বৰ দফাটো চালি-জাৰি উপেন ব্ৰহ্মাক সামৰি লৈ কাম কৰিলেহেঁতেন, এই ক্ষোভ হ'বলৈ নাপাই নহয়! আৰু কংগ্ৰেছে ইয়াৰ পূৰ্ণ সুযোগ লৈছে। তুহঁ জুই ফুৰাই অগপৰ চকীৰ তলতে জুঁইকুৰা জ্বলাইছে। ৰাজীৱ গান্ধীয়ে কৈ দিছে, বড়ো সমস্যা সমাধান নকৰিলে অগপ চৰকাৰ বৰ্খাস্ত কৰি ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰিব। আচলতে এনে এটা ভাব ১৯৫২ চনত বড়ো সাহিত্য সভা গঠনৰ পাচৰ পৰাই আৰম্ভ হৈছিল। তাৰ তেৰ বছৰমানৰ পিচত সদৌ বড়ো ছাত্ৰসন্থা অৰ্থাৎ 'আবছু'ৰ জন্ম হ'ল। উপেন ব্ৰহ্মা সিদিনা মাত্ৰ 'আবছু'ৰ সভাপতি হ'ল। অগপৰ নেতাবোৰৰ বাবে ব্ৰহ্মাৰ সৈতে বুজা পৰা এটা কৰাৰ সোণালী সুযোগ অহা নাই জানো? ক'ত কৰিব? উভতিহে ধৰিছে 'অসমক খণ্ড-বিখণ্ড হ'বলৈ নিদিও, তেজ দি প্ৰতিৰোধ কৰিম।' মই দেখিছো ভাস্বতী, আমাৰ বিশ্ববিদ্যালয়ৰ বড়ো ল'ৰা-ছোৱালীবোৰ এক হৈছে। সিহঁতে অসমীয়াৰ সলনি বড়ো ভাষাত কথা পাতিবলৈ লৈছে। বড়ো বুলি আত্মপৰিচয় দি গৰ্ব কৰিবলৈ লৈছে। এটা সাংস্কৃতিক পৰিচয়ৰ বাবে সিহঁত একেলগ হৈছে। সেইদৰে মিচিং ল'ৰা-ছোৱালীবোৰো সুকীয়া পৰিচয়েৰে একেলগ হৈছে। ভাস্বতী, কি লাভ হ'ল আমাৰ দুটাকৈ শিক্ষাবছৰ হেৰুৱাই! কি লাভ হ'ল আমি আন্দোলন কৰি! বহিৰাগত খেদিবলৈ যাওঁতে আমি গমেই নাপালো আমাৰ শৰীৰৰ হাত-ভৰিবোৰ লাহে লাহে ছিগি গ'ল বুলি। অসমীয়া মধ্যবিত্ত উন্নাসিকতা, সাংস্কৃতিক-ভাষিক দমনে সকলো ওলট-পালত কৰি দিলে। মোৰ আজিকালি এইবোৰ দেখি সকলো সময়তে খং উঠি থাকে ভাস্বতী। আমি তেজৰ বিনিময়ত, ত্যাগৰ বিনিময়ত নিৰ্বাচন জিকাই ৰাজপাটলৈ পঠিওৱা, এষাৰ মাত্ৰ হুকুমত আমাৰ দৰে ছাত্ৰ-ছাত্ৰীবোৰে জীৱন দিবলৈ কুণ্ঠা নকৰা, কালিলৈকে 'দাদা' বুলি সম্বোধন কৰা নেতাবোৰ ৰঙা লাইট লগোৱা গাড়ী দৌৰাই আমাৰ ঘৰবোৰলৈ নোচোৱাকৈ অহা-যোৱা কৰা হ'ল। মাত্ৰ সিদিনাৰ কথা এয়া। অপু গুণ্ডাৰ দৰে ল'ৰাবোৰ এতিয়া এওঁলোকৰ সোঁহাত-বাঁওহাত। ভাস্বতী, মই সঁচাকৈ বেলেগ কিবা এটা কৰিম.....' শান্তনুৰ মুখখন ৰঙা পৰিল। ভাস্বতীয়ে শান্তনুৰ মুখৰ কাঠিন্য দেখি ভয় খাই ক'লে—'হ'ব-হ'ব। ব'ল এতিয়া। মিটিং চাৰিটাৰ পৰা আছিল। চাৰে-চাৰিটা বাজি গ'ল।' 'তই যা, মিটিঙলৈ মই নাযাওঁ' শান্তনুৱে হঠাতে ক'লে। ভাস্বতী অবাক হৈ শান্তনুৰ মুখলৈ চাই ক'লে—'তইহে মোক লগ ধৰিছিলি মিটিঙলৈ। ময়ো নাযাওঁ যা।'

—বাদ দে বুজিছ, ব'ল কেণ্টিনলৈ। আজি তোক মই চাহ-চিঙাৰা খুৱাম। আৰু কেইটাদিন ইয়াত থাকিম? কিজানি জীৱনত তোৰ আৰু মোৰ কোনো দিন দেখা-দেখি নহ'বও পাৰে!

—থ-থ- এই অসমখন কিমান ডাঙৰনো ? য'তে ত'তে লগ পাম। তই ত্ৰিবেণীক পাই পাহৰি নাযাবি।

শান্তনুৱে হাঁহি হাঁহি ক'লে—'আঃ ত্ৰিবেণী—কিয় কৰা আমনি.........জীৱনতো যদি এনেকৈয়ে গ'লহেঁতেন।'

—যাব-যাব। চিন্তা নকৰিবি। মই ত্ৰিবেণীক কাইলৈকে ক'ম।

শান্তনুৱে টেবুল এখন অধিকাৰ কৰি, সন্মুখৰ চকীখন ভাস্বতীলৈ দেখুৱাই ক'লে—'বহ। এইফালে দুটা চিঙাৰা—আৰু কিবা খাবি ?' চিএত্ৰ এটা মাৰি শান্তনুৱে ক'লে। ভাস্বতীয়ে ক'লে—'হ'ব। অন্য একো নাখাওঁ।'

—পৰাঠা ? শান্তনুৱে আকৌ সুধিলে।

—বাঃ বৰ মুডত আছ দেখোন আজি ?

শান্তনুৱে হাঁহি মাৰি ক'লে—'ৰহ্—তোক এটা কবিতা শুনাও।' শান্তনুৱে পেণ্টৰ জেপৰ পৰা ৱালেট এটা উলিয়াই সাৱধানে তাৰ মাজৰ পৰা সৰু কাগজৰ টুকুৰা এটা উলিয়াই টেবুলত মেলি ধৰিলে। ভাস্বতীয়ে অবাক নয়নেৰে শান্তনুলৈ চাই ৰ'ল—শান্তনুৱে গাই গ'ল—

কি এক প্ৰশ্ন তুমি কৰিছিলা মাজৰাতি
সপোন নে দিঠকত
এটা বনগীত হৈ
বুকুত পখিলা হৈ
উৰি যাব নোৱাৰিলা
মই আজন্ম তোমাৰ
তোমাৰ বুকুত মই
মই হো-চি মিন নহয়
মই পুস্কিনো নহয়
ৰঙচুৱা বাটেৰে ধূলিত পোত যোৱা
পথিক
কি এক প্ৰশ্ন কৰিলা মাজৰাতি
এনিশাতে বন্দী কৰি থ'লা মোক
অপ্ৰত্যাশিত প্ৰেমত
সময়ৰ পৰা ল'লো বিৰতি.........

শান্তনুৱে ভাস্বতীৰ মুখলৈ চালে। ভাস্বতীয়ে কবিতাটোৰ আগ-গুৰি একো বুজি নাপাই সুধিলে—'ত্ৰিবেণীৰ কথা ভাবি লিখিলি নেকি!' শান্তনুৱে হাঃ হাঃ কৈ খোলা হাঁহি মাৰি ক'লে—'বুদ্ধু—তহঁত ছোৱালীবোৰৰ মূৰত এটা কথা সোমালে ওলাই নাহে—খা-চাহ খা.........'

ভাস্বতীয়ে হাঁহি মাৰি ক'লে—'হ'ব। নুবুজিলেও হ'ব। কবিতা নুবুজাকৈ থকা ভাল। বুজিলে কবিতা নহয়।'

—বাঃ চমজদাৰ কমেণ্ট দিলি দেই। হোঁ—এই কবিতাটো তোক দিলোঁ। তইহে ইয়াৰ মোল বুজিবি। এইবাৰ ভাস্বতীয়ে হাত পাতি কবিতাটো লৈ ক'লে—'থেংকিউ ভেৰী মাচ্ছ—আ পয়েট্ৰি উইডাউট ফিলিংছ, মই ৰাখি থ'লোঁ।' শান্তনুৱে হাঁহিলে। ভাস্বতীয়ে নুবুজিলে, শান্তনুৰ হাঁহিত হঠাতে ইমান কৰুণতা ক'ৰ পৰা আহিল!

✧ ✧ ✧

এটা উত্তেজনাপূৰ্ণ সপ্তাহৰ অন্তত শান্তিপূৰ্ণভাৱে নিৰ্বাচন হৈ গ'ল। নিশালৈ বৰষুণ হৈছিল। ওৰে ৰাতি বৰষুণত তিতি ফেষ্টুন, প'ষ্টাৰবোৰৰ পৰা চিঞৰাহীৰে লেখা প্ৰাৰ্থীৰ নামবোৰ অস্পষ্ট হৈ সেমেকি গৈছিল। কিছুমানৰ নাম একেবাৰে অস্পষ্ট হৈ গৈছিল। দুদিনমান বিশ্ববিদ্যালয়ত শ্ৰেণী নবহে। ভাস্বতী দুদিনমানৰ বাবে ঘৰলৈ যাবলৈ মন কৰিলে। তাই বহুদিন ঘৰলৈ যোৱা নাই। ভাস্বতীৰ দুখনমান কিতাপ লাইব্ৰেৰীত ঘূৰাই দিব লগা আছিল। তাই অকলশৰে বাছত উঠি বিশ্ববিদ্যালয় পালেগৈ। এসপ্তাহৰ হুলস্থূল, ভাগৰ পলাবলৈ সকলো যেন শুই পৰিছে। ভাস্বতী বাছৰ পৰা নামি লাইব্ৰেৰীৰ ফালে খোজ দিলে। শাৰী শাৰী নাহৰ গছৰ ৰঙা নতুন কুঁহিপাত ওলাইছে। বসন্তকাল আকৌ আহিল তেতিয়াহ'লে! ভাস্বতীৰ মনটো এনেয়ে ভাল লাগিল। বৰষুণে ধুই নিয়া গছে কঢ়িয়াই আনে এক অমৃতময় পুলক। হঠাতে প্ৰদ্যুতলৈ মনত পৰি খং উঠি আহিল ভাস্বতীৰ। কি অবাধ্য ল'ৰা! ভালপোৱা ঘোষণা কৰি নিৰুদ্দেশ দুমাহ। এদিন অভিমান কৰি এই কথা প্ৰদ্যুতক কওঁতে তাইলৈ লিখিছিল—'মিছলীয়াইহে ভালপাওঁ বুলি উঠোতে-বহোঁতে প্ৰেমিকাক কৈ থাকে। ভালপোৱা মানে কি হোৱাই-নোহোৱাই টেলিফোনিক বাৰ্তালাপ! নিৰ্বাচনৰ প'ষ্টাৰ! নে দেৱাল লিখন? ভালপোৱাৰ প্ৰমাণ দিবলৈ ঘণ্টাৰ পিচত ঘণ্টা তোমাৰ চকুলৈ চাই কিয় দেখুৱাব লাগে ব্যাকুলতা? মই তোমাক নেদেখাৰ দীৰ্ঘ বিৰতিত অনুভৱ কৰো তোমাৰ ওঁঠ, চকু, তোমাৰ দীঘল বেণীডাল। তুমি বুলিলেই সামগ্ৰিকভাৱে ভাহি উঠে তোমাৰ এইকেইটা অংগ। ৰেস্তোৰাঁ, চিনেমাহলত তোমাক মোৰ ভাল নালাগে। ভাল নালাগে তোমাক বহুৱাই থ'বলৈ নদীৰ পাৰত। নদীয়ে যে চাই থাকে তোমালৈ, তুমিও মুগ্ধ হোৱা নদীখন চাই—সেয়ে ভাল নালাগে, তোমাৰ সৈতে পাহাৰ বগাবলৈ। তুমি ইমান ভালপোৱা আকাশ, সেয়ে আকাশক মই ঈৰ্ষা কৰো, তুমি সাগৰ ভালপোৱা, মই সাগৰক ঈৰ্ষা কৰো, তুমি শোৱা বিছনাখন, তুমি ভালপোৱা তোমাৰ প্ৰিয় ৰঙৰ পোছাকযোৰ, তুমি সৰ্বদা হাতত লৈ থকা কলমটো, তোমাৰ কান্ধত ওলমি থকা মটিয়া ৰঙৰ লেডাৰ বেগটো, আৰু তোমাৰ হাতত থকা ৰুমালখন—সকলোকে মই ঈৰ্ষা কৰোঁ। ইমানবোৰৰ মাজৰ পৰা অকলশৰে ক'ত মই তোমাক লগ পাম? এই সকলোবোৰৰ পৰা

আঁতৰাই আনি সেয়ে মোৰ বুকুৰ কোঠাত বন্দী কৰি থৈছো তোমাক, নিভৃতভাৱে কেৱল মইহে লগ পাওঁ তোমাক। তেতিয়া তোমাৰ কান্ধত নাথাকে কিতাপৰ বেগ, হাতৰ কলম, নাথাকে তোমাৰ প্ৰিয় আকাশ, নৈ, পাহাৰ, জোন আৰু নাহৰৰ ফুল। তুমি তোমাৰ প্ৰিয় ৰঙৰ পোছাকযোৰ খুলি, যিদিনাৰ পৰা মোৰ বুকুৰ ঘৰত থাকিবলৈ আৰম্ভ কৰিলা, সেইদিনাৰ পৰাই তোমাক বিচাৰি নুফুৰা হ'লোঁ। মোক তুমি আমনি নকৰিবা। একান্তভাৱে মোক থাকিবলৈ দিয়া মোৰ ভাস্বতীৰ লগত—তুমি দেখিছো বৰ ঈৰ্ষাকাতৰ ছোৱালী.......'

ভাস্বতীয়ে এই চিঠিখন নিতৌ কেবাবাৰো পঢ়োতে পঢ়োতে দাঢ়ি, কমালৈকে মুখস্থ হৈ গৈছে। ইয়াৰ পিচৰ পৰা আৰু তাই প্ৰেমিকক কাষত পোৱাৰ আকাংক্ষা কৰা নাই। তথাপিও কেতিয়াবা বৰষুণে, গছে, ফুলে, আকাশে উচতাই থাকে নিৰৱচ্ছিন্নভাৱে।

'ভাস্বতী! কি খবৰ? ইমান তন্ময় হৈ কি ভাবি আহিছা?' সমীৰ বৰাক তাই দেখিও মাতিবলৈ পাহৰি গৈছিল। ভাস্বতীয়ে অপ্ৰস্তুত হৈ হাঁহি মাৰি ক'লে—'লাইব্ৰেৰীলৈ যাওঁ। তুমি ক'ত যোৱা? ইলেক্চনৰ সময়ত তোমাক দেখাই নাপালো। কিবা বেলেগ কামত লাগি আছা হেনো!' সমীৰৰ মুখখন গম্ভীৰ হৈ গ'ল।

'বুজিছা ভাস্বতী, মই এটা সাংঘাটিক ডাঙৰ গোলমালৰ পম খেদিছোঁ। শিক্ষা ব্যৱস্থা মানেই ভাটৌৰ দৰে কিতাপৰ থিয়ৰী মুখস্থ কৰা বুজাই জানো? ইয়াত ইউনিয়ন বডীৰ মেম্বাৰ হৈ লাভ কি? মই বহুত খবৰ পাই গৈছো ভাস্বতী। আচলতে তুমি পৰিষ্কাৰ হ'বলৈ, প্ৰথমে তুমি থকা ঘৰটো পৰিষ্কাৰ হ'ব লাগিব। ডাষ্টবিনৰ পোকে চৰাই হৈ আকাশত উৰাৰ স্বপ্ন দেখাৰ জানো কিবা লাভ আছে! খুব বেছি খাই-বৈ ডাষ্টবিনৰ আন পোকতকৈ শকত-আৱত হ'ব, কিন্তু ডাষ্টবিনৰ পৰা ওলাব পাৰিব জানো? আমাৰ শিক্ষাব্যৱস্থা, সমাজ ডাষ্টবিন হৈ গৈছে।

ভাস্বতীয়ে অবাক হৈ সমীৰৰ কথাবোৰ বুজিবলৈ যত্ন কৰি সুধিলে—'কিন্তু তুমি কি কৰিব খুজিছানো?'

—ভাস্বতী, বহুত দিনৰ পৰা ইয়াত কিছুমান খেলি-মেলি হৈছে—এইবোৰ জানি-বুজি আনৰ দৰে চকু মুদি মই পঢ়া-শুনা কৰিব নোৱাৰোঁ। ইউনিয়নৰ একো কাম নাই বুজিছা, ছাত্ৰ-ছাত্ৰীৰ একো লাভ নহয়। সকলোকে এটা ডাঙৰ চক্ৰই হাত কৰি থৈছে। লাখ-লাখ টকাৰ এপইচাও বিশ্ববিদ্যালয়ৰ কামত খৰছ নোহোৱাকৈ হৰলুকি হৈছে। বুজিছা মোৰ নামত দুখনমান ভাবুকি চিঠি আহিছে। লগে লগে মই গম পাই গৈছো, ঠিক ঠাইত মই উপস্থিত হৈছোঁ। মই চব ফাচ্ কৰিম, দুদিন অপেক্ষা কৰা।

ভাস্বতীয়ে আতংকিত হৈ ক'লে—'সমীৰ, এইবোৰত নোসোমাবা নেকি! বৰ বেয়া মানুহ আছে চৌপাশে। তাতে তুমি কট্টৰ বামপন্থী, বহুতেই তোমাক এইবাবেই বেয়া পায়। সিদিনা দুখনমান মিটিঙত তুমি দিয়া বক্তৃতাৰ পিচত সকলোৱে ভয় কৰিছে, তোমাৰ কিবা এটা হৈ যাব পাৰে। তোমাৰ কথাবোৰ সঁচা বুলি সকলোৱে বিশ্বাস কৰিছে। কিন্তু প্ৰমাণ গোটাবলৈ তুমি যি দৰে উঠি-পৰি লাগিছা, আমাৰ ভয় হৈ গৈছে সমীৰ।'

—প্ৰমাণ মোৰ হাতত পৰি গৈছে ভাস্বতী। আৰু মাত্ৰ দুখনমান কাগজ পাবলৈ বাকী। তাৰ পিচত মোৰ কাম শেষ। এস্ চোৱা—তোমাক ৰাস্তাতে ৰখাই ব'ৰ কৰিছো বেয়া নাপাবা। ভাস্বতীয়ে হাঁহি মাৰি ক'লে—'তুমি যে মোক কৈছিলা, আমি পঢ়া 'দ্বন্দ্বাত্মক বস্তুবাদ' আমাৰ প্ৰফেছাৰেই ভালকৈ বুজি নাপাই বুলি। তুমি এদিন অফ্ পিৰিয়ডত ক্লাছ লৈ আমাক বুজোৱাৰ কথা আছিল নহয়—কেতিয়া বুজাবা?' সমীৰে হাঁহি দিলে। থুতৰিৰ জোঙা দাড়িবোৰত হাত ফুৰাই ক'লে—'মই হাতে-কামে এতিয়া এই থিয়ৰীৰ সূত্ৰৰে কাম কৰিছোঁ। দুদিনমান পিচত সকলো ক'ম—' সমীৰ খৰ-খোজেৰে অৰ্থনীতি বিভাগৰ বিল্ডিঙৰ কাষেৰে অদৃশ্য হৈ গৈছিল। ভাস্বতীৰ মনটো সমীৰৰ প্ৰতি হঠাৎ শংকাৰে ভৰি পৰিল। সমীৰ দুৰ্দান্ত সাহসী ল'ৰা—একো অঘটন নঘটেতো! কোনে বুজাব তাক? ইমান আঁকোৰ-গোজ!

✧ ✧ ✧

ওৰে দিন বৰষুণ দি আছে। সন্ধিয়া দুজাক বৰষুণ ডাঙৰকৈ হৈ কিছুপৰ বিশ্ৰাম লৈছিল। ঠিক তেনে সময়তে তুলিকাই হোষ্টেলৰ নিয়ম ভংগ কৰি নিশা চাৰে সাত বজাত হোষ্টেল সোমালহি। ৱাৰ্ডেনে ভাস্বতীক মাতি নি ক'লে—'প্ৰিফেক্ট' নহয় জানো তুমি হোষ্টেলৰ? তুলিকাক কোনে থৈ গৈছেহি জানানে? তোমালোকৰ বিভাগৰ আহমেদ ছাৰে। এইদৰে বহুদিন তুলিকা হোষ্টেলৰ গেইট বন্ধ হোৱাৰ পিচত আহিছে, তুমি সকলো জানিও তোমাৰ বান্ধৱী বাবে সকলো লুকুৱাই ৰাখিছা। কিমান অন্যায় কৰিছা জানানে? বিশ্বাস কেনেকৈ কৰিম তোমাক?'

ভাস্বতীয়ে সকলো শুনি, খুব শান্তস্বৰে ক'লে—'বিশ্বাস ভংগ হৈছে যদি মই আৰু হোষ্টেলৰ প্ৰিফেক্ট হৈ নাথাকোঁ। আপুনি আন কাৰোবাক এই দায়িত্ব দিয়ক।'

—'বাঃ আনক দায়িত্ব দিয়ক। তথাপিও তুলিকাৰ দোষ তুমি নেদেখা?'

—বাইদেউ, তুলিকা স্কুলৰ ছাত্ৰী নহয়। তাই কি কৰিছে বা কি কৰিব সেই চিন্তা কৰাৰ বয়স, মগজুৰ পৰিপক্কতা সকলো আছে।

—সেইবুলি সেই তোমালোকৰ দুঃচৰিত্ৰ ছাৰৰ সৈতে.....

—ন'-ন'—বাইদেউ, এটা শব্দ আহমেদ ছাৰৰ বিপক্ষে নক'ব। তেওঁক আমি কিমান শ্ৰদ্ধা কৰোঁ আপুনি বুজি নাপাব। আৰু এটা শব্দও যদি আহমেদ ছাৰৰ বিপক্ষে আপুনি কয়, এই মুহূৰ্তত মই ওলাই গুচি যাম হোষ্টেলৰ পৰা—আপুনি ছাৰৰ বিষয়ে মন্তব্য দিবলৈ কোন! আমি আপোনাৰ তত্ত্বাৱধানত থকা মানেই, আপুনি যিকোনো ব্যৱহাৰ কৰিব নেকি? একমুহূৰ্তৰ বাবে ৱাৰ্ডেন স্তব্ধ হৈ গৈছিল। ভাস্বতীৰো সম্বিত ঘূৰি আহিল, তাই এইদৰে কথা কোৱাটো সমীচিন নাছিল। ভাস্বতীয়ে নমনীয় সুৰত ক'লে—'বাইদেউ, আজিৰ পৰা প্ৰিফেক্টৰ দায়িত্ব মই এৰিলোঁ। মোৰ সমবয়সৰ এজনী ছোৱালী আৰু মোৰ শিক্ষাগুৰু, দুয়োজনৰে আত্মমৰ্যাদা আছে, বিবেচনা আছে। তেওঁলোকক মই স্কুলীয়া ল'ৰা-ছোৱালীক

শাসন কৰাৰ দৰে কৰিব নোৱাৰোঁ। সেই কাম আপুনি কৰক। মোক অব্যাহতি দিয়ক।' ভাস্বতী একমুহূৰ্ত নৰৈ গুচি গৈছিল তাইৰ কোঠালীলৈ।

✧ ✧ ✧

নিশা ভাত খাবলৈ নোযোৱা তুলিকাক মাতিবলৈ গৈ ভাস্বতী থমকি ৰ'ল। তুলিকা শুই আছে বিছনাত। তাই যথেষ্ট অপমানিত হৈছে আজি। ভাস্বতীয়ে লাহেকৈ মাতিলে—তুলি—তুলি... তুলিকাই শোৱাৰ পৰা মূৰ দাঙি ভাস্বতীলৈ চালে। চকুযোৰ উখহি আছে।

—তোমাৰ কোঠাৰ সকলো ভাত খাবলৈ গ'ল—ব'লা তুমিও। তুলিকা হঠাতে বিছনাত আঁঠুকাঢ়ি বহি পৰিল। 'ভাস্বতী, মোক সকলোৱে যিকোনো কথা কওক, কিন্তু আহমেদ ছাৰক কিবা ক'লে.........তুলিকা উচুপি উঠিল। ভাস্বতীয়েও নোৱাৰে আহমেদ ছাৰৰ বিপক্ষে বিৰূপ মন্তব্য শুনিব। কেৱল ভাস্বতীয়েইনে, সমাজশাস্ত্ৰ বিভাগৰ, ভাস্বতীহঁতৰ লগৰ কোনো ছাত্ৰ-ছাত্ৰীয়ে আহমেদ ছাৰৰ বিষয়ে কৰা কটু মন্তব্য সহ্য কৰিব নোৱাৰে। কিন্তু তুলিকা এখোজ আৰু আগবাঢ়ি গ'ল। আহমেদ ছাৰৰ সৰলতা আৰু মেধাৰ মিশ্ৰণত গঢ় লোৱা বিৰল ব্যক্তিত্বই সমাজশাস্ত্ৰ বিভাগৰ সকলো ছাত্ৰ-ছাত্ৰীক সন্মোহন কৰি ৰাখিছিল। শিশুৰ দৰে সৰল, নিৰহংকাৰী, বহু বছৰ পৃথিৱীৰ শীৰ্ষস্থানৰ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিও, গাঁৱৰ প্ৰাইমেৰী স্কুলৰ শিক্ষকৰ দৰে বিনম্ৰ, সহজ আহমেদ ছাৰৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী এক প্ৰকাৰ বলিয়া। আহমেদ ছাৰৰ বিষণ্ণ উদাসীনতা, বিশৃংখল জীৱন যাত্ৰা, জীৱনৰ বিয়লিৰ দুৱাৰত ভৰি থৈয়ো বিবাহৰ প্ৰতি অনীহাই আহমেদ ছাৰক ৰহস্যময় কৰি তুলিছিল। ঘুনুক-ঘানাককৈ আহমেদ ছাৰৰ এক বিষাদ অতীত কাহিনী ছাত্ৰ-ছাত্ৰীবোৰৰ মাজত বাগৰি ফুৰিছিল। তেওঁৰ অমায়িক হাঁহিয়ে যেন ছাত্ৰ-ছাত্ৰীবোৰকো ব্যথিত কৰি তুলিছিল। ছাত্ৰবোৰে তেওঁৰ লগ নেৰিছিল। গীৰ্জাৰ প্ৰাৰ্থনাৰ শেষত ওলাই অহা পাদুৰীৰ দৰে আহমেদ ছাৰ এজাপ কিতাপ বুকুত লৈ শ্ৰেণী কোঠাৰ পৰা মৌন হৈ ওলাই যায়। কিন্তু তেওঁৰ পিচে পিচে যায় গুণমুগ্ধ ছাত্ৰৰ দল। এনেয়ে প্ৰশ্ন কৰে—'ছাৰ, এক্সুৱেলি হোৱাট ইজ্ ছ'চিয়েল এপাঠি....', ছাৰ 'কালচাৰেল লেগ' ভালকৈ নুবুজিলো—ছাৰ 'থিয়ৰী অব্ এলিনেছ্ন' ভালকৈ বুজাবনে মোক...। সকলোকে হাঁহিমুখে তেওঁ ঘৰলৈ, কমন ৰুমলৈ মাতি আত্মমগ্ন হৈ বুজাই। পঢ়োৱাই যেন তেওঁৰ জীৱনৰ একমাত্ৰ ব্ৰত। তাৰ মাজত এদিন তুলিকাও গুচি গৈছিল তেওঁৰ ঘৰলৈ। এয়াই আৰম্ভণি। ভাস্বতীয়ে ভালদৰে জানিছিল, ছাত্ৰ-ছাত্ৰীৰ আহমেদ ছাৰৰ প্ৰতি থকা সন্মোহনতকৈও অধিক কিবা এটা তুলিকাই আহমেদ ছাৰৰ পৰা বিচাৰিছিল। সকলোৱে জানিও নজনাৰ ভাওঁ জুৰিছিল। ভাস্বতী আৰু তুলিকাৰ মাজত দীৰ্ঘ সময় নীৰৱতাৰে পাৰ হৈ গৈছে। তুলিকাই উচুপিছে, খুব লাহে লাহে। হঠাতে ভাস্বতীয়ে সুধিলে তুলিকাক—'আহমেদ ছাৰক তুমি নিজৰ কৰি ল'ব খুজিছা নেকি? সঁচা কথা জানিলে আমাৰ সুবিধা হয় তুলিকা..... তুলিকা যেন এই প্ৰশ্ন পোনপটীয়াকৈ ভাস্বতীয়ে সোধালৈহে বাট চাই আছিল। তুলিকাই অন্যফালে দৃষ্টি ৰাখি

কৈ গ'ল—'বিচাৰিছো ভাস্বতী। মই আহমেদ ছাৰৰ ঘনিষ্ঠ হৈছো বহু যত্ন কৰি। ইমান ভাল মানুহ মই কেতিয়াও লগ পোৱা নাছিলোঁ। তেওঁৰ ঘৰলৈ গৈ মই মাটিয়ে-টেবুলে বিশৃংখলকৈ পৰি থকা কিতাপবোৰ ভালকৈ থওঁ, বিছনা পাৰি দিওঁ—তথাপিও তেওঁ একোৰেই নুবুজে। মই যেন তেওঁৰ মৰমৰ জীয়েকজনীহে! 'কিয় এইবোৰ কষ্ট কৰিছা মাজনী!' তেওঁ মোক সোধে।

—তুমি জীয়েক নহ'লেও, তেনেকুৱা বয়সৰে নহয় জানো? তোমাৰ আৰু আহমেদ ছাৰৰ বয়সৰ পাৰ্থক্য বিশবছৰ নহ'বনে!

তুলিকা এইবাৰ বিৰক্তি আৰু খঙত অধীৰ হৈ উঠিল। 'ভাস্বতী! বয়স শৰীৰত থাকে নে মন আৰু মগজুত বৈ থাকে! এই জধলা, পণ্ডিত মানুহজনক মই জীৱনৰ ৰং, জীৱনৰ সকলো সুখ দিব খোজোঁ। তেওঁৰ উদাসীন মুখৰ সকলো বিষাদ ধুই পেলাব খোজোঁ। তেওঁৰ সৰল শিশুৰ দৰে আচৰণবোৰৰ বাবে মই যিকোনো ত্যাগ কৰিবলৈ সাজু—যিকোনো ত্যাগ.........

—মই বুজিছো তুলিকা, কিন্তু তুমি বিচাৰিলেই সকলো ঘটি নাযায়। তাৰোপৰি; তুমি হিন্দু, তোমাৰ বংশ পৰিয়ালৰ বাধা নেওচাৰ উপৰিও আছে আহমেদ ছাৰে তোমাক গ্ৰহণ কৰা ইচ্ছা-অনিচ্ছাৰ কথা। আৱেগিক সিদ্ধান্ত লোৱাৰ আগতে ভাবি চাবা নেকি.......

—বচ্-বচ্—আৰু নক'বা তুমি। মই জানো, সকলোৰে বাবে এয়া বিস্ময়কৰ প্ৰশ্ন। তুমিও মনত হেজাৰ প্ৰশ্ন লৈয়ে এইবোৰ সুধিছা। মোক মোৰ সিদ্ধান্তৰ ওপৰত এৰি দিয়া। এটা সত্য তোমাক ক'লো—'মই এই আহমেদ ছাৰকে মোৰ জীৱন বুলি বাছি ল'লোঁ। তেওঁ যদি মোক প্ৰত্যাখানো কৰে, তেতিয়াও মই তেওঁৰ ওচৰৰ পৰা গুচি নাহোঁ। তেওঁ উদাসীন হ'ব পাৰে জীৱনৰ প্ৰতি, কিন্তু তেওঁ শিল নহয়, দৰকাৰ হ'লে শিলো ক্ষয় নিয়াম মই।'

ভাস্বতীয়ে তুলিকাৰ দৃঢ় সিদ্ধান্ত আৰু গভীৰ প্ৰেম কেৱল সবিস্ময়েৰে অনুভৱ কৰিবলৈ যত্ন কৰিলে। ভাস্বতীয়ে অবাক হৈ তুলিকাৰ মুখলৈ চাই ৰ'ল। তুলিকাৰ সুন্দৰ কোমল মুখখন আৱেগত কঠিন হৈ পৰিছে। তুলিকাৰ দৃঢ়তা দেখি ভাস্বতীয়ে মনে মনে কামনা কৰিলে, আহমেদ ছাৰ যেন শিলৰ পৰা প্ৰেমিক হওক, মেঘ গলি বৰষুণ হৈ তুলিকাক তিয়াই পেলাওক। নহ'লে তুলিকা হয়তো কেঁচামাটিৰ পৰা শিল হ'ব, বৰষুণৰ পৰা মেঘ হৈ পৰিব, ভাস্বতীৰ তুলিকালৈ মৰম লাগি গ'ল। এজনী অবুজন কণমানি ছোৱালীৰ দৰে হৈ পৰিছে তাইৰ বান্ধৱীজনী। 'আচ্ছা ভাস্বতী—তোমালোক সকলোৱেইতো ছাৰক ভালপোৱা—নোপোৱা জানো?' হঠাতে তুলিকাই সুধিলে। ভাস্বতীয়ে হাঁহিলে। হাঁহি হাঁহিয়েই ক'লে—'তুলিকা, আমি লজেন্স, টফি, চকলেট, পুতলা লৈ সন্তুষ্ট। কিন্তু তুমি! গোটেই দোকানখনকেই একান্ত নিজৰ কৰি ল'ব খুজিছা—মই ঠিক উপমা দিব পাৰিছোনে বাৰু?' এইবাৰ তুলিকাই নিশব্দে হাঁহিলে। অলপ লাজকুৰীয়াকৈ ক'লে—'মই কেতিয়াও ভবা নাছিলো, এয়া স্বপ্নৰ দৰে কিবা এটা ঘটিছে। মই নাজানো তেওঁৰ অন্তৰে

মোৰ অন্তৰ দেখিছেনে নাই, কিন্তু এয়া সম্ভৱ হ'ব—সম্ভৱ কৰিবই লাগিব। কি যে আচৰিত! তেওঁ কিয় ভাবে বাৰু মোক সৰু ছোৱালী বুলি! মই জানো, তেওঁ মোক অনিচ্ছাসত্ত্বেও আঁতৰাই ৰাখিব খোজে, বুজি পায়ো, নুবুজাৰ ভাও ধৰে। তেওঁ মোক বিচাৰিবলৈ সাহস নকৰে, তেওঁ মোক ভালপাবলৈ ভয় কৰে—সত্যৰ পৰা পলাব খোজে। তেওঁ বহুদিন নিজৰ চেহেৰা আৰ্চীত চোৱা নাই। এদিন এখন আৰ্চী বজাৰৰ পৰা নি মই তেওঁৰ পঢ়া কোঠাৰ বেৰত লগাই ক'লো—'আৰ্চীত নিজক দেখা পোৱা যায়। চাবলৈ আৰম্ভ কৰক।' তেওঁ কি ক'লে জানা ভাস্বতী—'নিজক ভাল পোৱা মানুহেহে আৰ্চী চায়, কথা পাতে।' মই ক'লো—'আজিৰ পৰা নিজক ভাল পাবলৈ শিকক।' তেওঁ বহুপৰ মোলৈ চাই থাকি ক'লে—'তুমি কাইলৈৰ পৰা কেতিয়াও নাহিবা।' কিন্তু মই তেওঁৰ ঘৰটোৰ পৰা গুচি অহাৰ সময়ত সৰু ল'ৰাৰ দৰে সুধিলে—'তুমি কাইলৈ সঁচাকৈ নাহা নেকি?' ভাস্বতীয়ে চকুহাল মুদি দিলে। এই প্ৰেমৰ কি আখ্যা দিব—কোনে বুজি পাব তুলিকা আৰু আহমেদ ছাৰৰ হৃদয়ৰ জটিলতা! ভাস্বতীৰ এটা হুমুনিয়াহ সৰি পৰিল। তাই তুলিকাক ক'লে—'তুলিকা, তোমালৈ মোৰ হিয়াভৰা শুভইচ্ছা থাকিল।'

ডাইনিং হলৰ পৰা ছোৱালীবোৰ ভাত খাই অহাৰ হাই-উৰুমি এটা হ'ল। ভাস্বতীয়ে ক'লে—'তুলিকা, মই ভাত খাওঁগে, সকলোৱে খালে, তুমিও ব'লা।'

—মোৰ ভোক নাই—সঁচাকৈয়ে নাই। ভাস্বতীয়ে তুলিকাক একো প্ৰশ্ন নকৰি ডাইনিং হললৈ বুলি খোজ দিলে। হৃদয় ভৰি থাকিলে, ভোকৰ উপস্থিতিও অনুভৱ নহয়। তুলিকাৰো সেয়াই হৈছে। বিস্ময়কৰ—সঁচাকৈয়ে বিস্ময়কৰ!

✧ ✧ ✧

দেওবাৰে ভাস্বতী দেৰীকৈ শুই থাকিবলৈ ভাল পায়। এইকণ বিলাসিতা দেওবাৰে কৰিবলৈ নাপালে ভাস্বতীৰ মনটো সেমেকি যায়। কিন্তু সেয়া হৈ নুঠিল। ৰুমমেট্ কৃষ্ণাই আহি ক'লে—'উঠ-উঠ ভাস্বতী, ইউনিভাৰ্চিটি বয়জ হোষ্টেলৰ ল'ৰা এটা আহিছে তোক বিচাৰি, মাতিছে।' ভাস্বতীৰ টিঙিচ্‌কৈ খং এচাট উঠি আহিল। তাই ভোৰ-ভোৰাই ক'লে—'কোন মৰিবলৈ আহিল ইমান পুৱাই! শান্তিৰে শুবলৈ নিদিয়ে।'

কৃষ্ণাই হাঁহি মাৰি ক'লে—'এৰা চাৰে সাতটাতে কোন আহিলবা! নেজানেই হ'বলা, দেওবাৰে পুৱা নটাত বেলি ওলাই বুলি!' ভাস্বতীয়ে প্ৰায় খণ্ডেৰেই বাথৰুমলৈ গৈ ব্ৰাছ কৰিলে, চকুত পানী মাৰি ড্ৰেচিং গাউন এটা গাত মেৰিয়াই চেণ্ডেল চোঁচোৰাই ওলাই গ'ল।

বাহিৰত ধীমান বহি আছিল। ধীমানৰ সৈতে ভাস্বতীৰ বিশেষ কথা-বতৰা নাছিল। এবাৰ শান্তনুৱে তাৰ ৰুমমেট্ বুলি পৰিচয় কৰাই দিছিল। কথা কম কোৱা ল'ৰা। ধীমানে ভাস্বতীক দেখি থিয় হ'ল। ধীমানে ইমান হাই পাৱাৰৰ চশমা পিন্ধে যে তাৰ চকুদুটা অস্পষ্ট হৈ থাকে। ধীমানে এটা খাম আগবঢ়াই দি ক'লে—'শান্তনুৱে আপোনাৰ নামত

চিঠি এখন দিছে। আচলতে কালিয়েই মই দিব লাগিছিল, নোৱাৰিলো।' ভাস্বতীয়ে লেফাফাটো সযতনে খুলি-খুলিয়েই সুধিলে—'শান্তনু নিজে নাহিল কিয় ?'

—শান্তনু পৰহি আবেলিৰ পৰাই নাই। মোৰ টেবুলত চিঠি এখন থৈ গৈছে। লেখিছে—চিঠিখন ভাস্বতীক দিবি, মই ঘৰলৈ আহিছোঁ। ভাস্বতীয়ে চিঠিখন পঢ়িবলৈ আৰম্ভ কৰিলে—

মৰমৰ

ভাস্বতী,

তোক এসপ্তাহমান লগ পোৱাই নাই। এবাৰ তোক লগ পোৱা হ'লে বহুত কথা পাতিব লগা আছিল। মই সিদ্ধান্ত লৈ গুচি আহিলোঁ। আৰু উভতি নাযাওঁ। ক'লৈ গৈছো নাজানো—কিন্তু এই সমাজ ব্যৱস্থাত থাকিব নোৱাৰোঁ। তই হয়তো ক'বি মই ভুল পথে গ'লোঁ; কিন্তু ৰাস্তা নেদেখাকৈ ভুল নে শুদ্ধ পথ কেনেকৈ জানিম? এটা কথা জানিবি, যি সততাৰে বিদেশী বিতাৰণ আন্দোলনত জীৱন উৎসৰ্গা কৰিবলৈ সাজু হৈছিলো, সেই সততাৰেই ওলাই আহিছোঁ। বৰ হতাশাত ভোগো আমাৰ সৈতে আন্দোলন কৰা সতীৰ্থবোৰক দেখিলে। বেছিভাগেই ব্যৱসায়, ঠিকাদাৰীত নামি গৈছে। বন্ধুমন্ত্ৰী থকা কালতে ভাগ্যৰ দুৱাৰ নুখুলিলে নহ'ব। সেইবাবেই সকলোৱে পাহৰি গ'ল কিহৰ বাবে আন্দোলন কৰিছিলোঁ। আন্দোলন কৰাৰ মূল্য কঢ়াই-গণ্ডাই উলিওৱাত ব্যস্ত সকলো। কোনো কামেই মন্ত্ৰীবোৰে কৰিব পৰা নাই। প্ৰশাসনিক দক্ষতা নথকা অনভিজ্ঞ অপৰিপক্ক নেতাবোৰে আন্দোলন চলোৱাৰ দৰেই চৰকাৰী কাম-কাজ চলাইছে। কৰ্মচাৰী পৰিষদৰ তৃতীয়, চতুৰ্থবৰ্গৰ চাকৰিয়াল যদি এম এল এ-মন্ত্ৰীৰ উপদেষ্টা হয়, একেলগে বহি মদ খাই, ভোজ ভাত খাই ফুৰে, তেন্তে দেশখন চলিব কেনেকৈ ক'চোন। মই নিজে দেখিছো এইবোৰ। আমাৰ সমষ্টিৰ বিধায়কজনৰ ঘৰত বহিবলৈ মাত্ৰ দুখন কাঠৰ চকী আৰু এখন বেঞ্চ আছিল। বিশ্বাস কৰ, এটা বছৰ নুঘুৰিল, বেৰৰ মাটি খহা ঘৰটো আৰ-চি-চি হ'ল, তিনিটা দামী চোফাছেট, ফ্ৰীজ কি নাই ঘৰত। বিয়াত মাতিছিল, মই নগ'লোঁ। ভালপোৱা ছোৱালীজনীকো সি ঠগিলে। বিয়া খোৱা মানুহে আহি কৈছে, বহুত ডাঙৰ মানুহ আহিছে, ফ্ৰীজ, টি ভি তিনি-চাৰিটাকৈ উপহাৰ পাইছে। মিঠাই-মাংস-মাছ উভৈনদী। এইবোৰ উপহাৰৰ নামত ঘোচ নহয়নে—দুৰ্নীতি নহয়নে? এয়াই অসম চুক্তিৰ ফলাফল, আমাৰ মন্ত্ৰী, বিধায়ক আৰু আন্দোলনকাৰী নেতাকেইটাৰ ফুলি অহা শৰীৰ, সা-সম্পত্তি চাই অসম চুক্তিখনৰ অৰ্থ বুজি পালোঁ। আই এম ডি টি আইনখনেই গোলমলীয়া, অথচ এই আইন বাতিলৰ বাবেই চাৰিবছৰ যুঁজিছিলোঁ। সংখ্যালঘু, জনজাতি সকলো লাহে লাহে চুক্তিৰ পিচৰ পৰাই জঁকি উঠিছে। ছশ শ্বহীদ পৰিয়ালক পুনৰ

সংস্থাপন, সাহায্য দিব পৰাটো দূৰৈৰ কথা, নির্যাতিতসকলেও জানো সুবিধা দাবী নকৰিব? একো নহ'ব ভাস্বতী। অসমৰ প্রতি ভাৰত চৰকাৰৰ ঔপনিবেশিক মনোভাব আৰু বাঢ়ি আহিব। আমি আমাৰ মাটিৰ সম্পদৰ পৰা বঞ্চিত হৈ আছিলোঁ ইমান দিন, এতিয়া অধিকাৰ হেৰুৱাবলৈ আগবাঢ়িছোঁ। মোৰ পথ কেৱল কাঁইটেৰে ভৰা। কাঁইটৰ বাটেৰে গৈ গোলাপৰ সন্ধান কৰিবলৈ ওলাইছো। হয়তো কেতিয়াবা তোক লগ পাবও পাৰোঁ।

ত্রিবেণীয়ে আমনি কৰিব নোৱাৰা দূৰলৈ আহিছো—তাইক ইতিমধ্যে নিশ্চয় মোৰ ভালপোৱাৰ কথা তই জনালি। ত্রিবেণীয়ে মোক ভাল পায় বুলি কোৱা কথাষাৰ শুনি যাব পৰাহেঁতেন...., তই তাইক ভাল ল'ৰা এজনৰ সৈতে সংসাৰ কৰিবলৈ ক'বি। ত্রিবেণী সুখী হ'লে, মোৰ বৰ ভাল লাগিব। ভালে থাকিবি—শুভইচ্ছা থাকিল তোলৈ।

—শান্তনু

ভাস্বতী থৰ হৈ থাকিল চিঠিখন হাতত লৈ। ধীমানে সুধিলে—'কি লিখিছে শান্তনুৱে?' ভাস্বতীয়ে এটা এটা শব্দ বেজাৰ মনেৰে উচ্চাৰণ কৰিলে—শান্তনু আৰু উভতি নাহে—তাই ধীমানলৈ চিঠিখন আগবঢ়াই দিলে। হোষ্টেলৰ সন্মুখৰ মধুৰীআম জোপাত পৰি কাউৰী এটাই ৰমলিয়াবলৈ ধৰিলে। মানুহে কয়, কাউৰীয়ে এইদৰে আলহী মাতে, নতুবা সংবাদ আনে। কি কাকতালীয় সংযোগ! ভাস্বতীয়ে শান্তনুৱে লেখা কবিতাটোৰ অর্থ লাহে লাহে বুজি পালে এতিয়াহে—

....ৰঙচুৱা বাটেৰে ধূলিত পোত খোৱা পথিক..... শান্তনু।

✧ ✧ ✧

যোৱা তিনিদিন ধৰি মেট্রন বাইদেউৰ অসুখ। নোখোৱা-নোবোৱাকৈ মানুহজনী বিছনাত পৰি আছে। খবৰটো তৎক্ষণাতে হোষ্টেলত বিয়পি পৰাৰ পিচত সকলো গৈ মেট্রন বাইদেউৰ কাষত নানা ধৰণে আব্দাৰ দেখুৱাবলৈ ধৰিলে। এমখা ছোৱালীৰ মৰমসনা মাত, অনুৰোধ আদিয়েও মেট্র'ন বাইদেউক ভাতৰ কাঁহীৰ সৈতে মনোমালিন্য গুচাব পৰা নাই। ডাক্তৰ আহিছে, ঔষধ, টনিক দিছে। প্রেছাৰ জুখিছে। এই বেমাৰেই হৈছে বুলি সঠিককৈ ডাক্তৰেও ক'ব পৰা নাই।

হোষ্টেলটোৰ দুগৰাকী অভিভাৱক। ৱাৰ্ডেন আৰু মেট্রন। ৱাৰ্ডেনে পঞ্চাশ গৰকিলে। মেট্রনৰ তাতোকৈ বেছি। কিন্তু দুয়োগৰাকী বিপৰীত চৰিত্রৰ। কঠোৰ চেহেৰাৰ ৱাৰ্ডেনক দেখিলে ভাব হয়, মানুহগৰাকীৰ জীৱনৰ অভিধানত কোনো দিন ফুল, তৰা, বৰষুণৰ স্পর্শ নপৰিল। শিলাময় পাহাৰ ৰুক্ষ মৰুভূমি আৰু প্রখৰ ৰ'দেৰে গঢ়া তেওঁৰ জীৱনৰ বাট। কিন্তু তেওঁ মাজে মাজে হাঁহিলে কংক্রীটৰ দৈত্য যেন হোষ্টেলটোৱেও হাঁহে। এদিন

ভাস্বতীয়ে ৱাৰ্ডেনক কৈ পেলাইছিল— বাইদেউ কেতিয়াবা এইদৰে হাঁহিবচোন, আমাৰো ভাল লাগে আৰু আপোনাকো ধুনীয়া দেখি। ৱাৰ্ডেনে তৎক্ষণাৎ হাঁহি সামৰি ক'লে— 'যোৱা, তোমালোকৰ দৰে অনাহকত হাঁহিবলৈ মই বলিয়া নহয়।'

— 'কেতিয়াবা বলিয়া হওকনা— কি হ'বনো?' ভাস্বতীয়ে লাহেকৈ ক'লে। ৱাৰ্ডেনে চকু ঘোপা কৰি ভাস্বতীলৈ চাই, হঠাৎ সঁচাকৈয়ে হাঁহি পেলালে। ভাস্বতীয়েও হাঁহিলে। কোনো কাৰণ নোহোৱাকৈ কেইপলকমান হাঁহি ৱাৰ্ডেনে ক'লে— যোৱা, দুষ্ট ছোৱালী! ভাস্বতীৰ প্ৰথমবাৰৰ বাবে ৱাৰ্ডেনক বৰ ভাল লাগি গৈছিল। অলেখ প্ৰশ্নই জুমুৰি ধৰিছিল তাৰ লগে লগে। ৱাৰ্ডেন বাইদেউৰ প্ৰেম, বিবাহ কাৰোবাৰ সৈতে হৈছিলনে বাৰু! জীৱনৰ কোনোবা ক্ষণত তেওঁৰ কঠোৰ মুখত পৰিছিলনে কোনো প্ৰেমিকৰ উষ্ণ ওঠৰ স্পৰ্শ! হোষ্টেললৈ কোনোবা ল'ৰা ভিজিটৰ আৱাৰত আহি নিৰ্দিষ্ট ছোৱালীৰ সৈতে কথা পতাটো তেওঁ সমূলি সহ্য কৰিব নোৱাৰে। দেওবাৰে দুপৰীয়া বাৰ বজাৰ পৰা গধুলি ছয় বজালৈকে ভিজিটৰ আৱাৰৰ সময় আনদিনাতকৈ দীঘলীয়া। এনেকুৱা এটা দেওবাৰত, ল'ৰাৰ সংখ্যা হোষ্টেলত বেছি হোৱাত ৱাৰ্ডেনে আহি চিঞৰি চিঞৰি ক'লেহি— 'পঢ়িবলৈ আহিছা কিয়?' এই মতাসোপাক লৈ ক'ত চৰি ফুৰা-ফুৰাগৈ— এই হোষ্টেলতহে ঠাই আছেনে! তেনেতে চূড়ান্ত বৰ্ষৰ ৰাজনীতি বিজ্ঞানৰ ছাত্ৰী সুদেষ্ণাক লগ পাবলৈ অহা ল'ৰাজন থিয় হৈ ক'লে— 'মুখ চম্ভালি কথা ক'ব আপুনি। কোন কিয় আহিছে মই নাজানো। কিন্তু মই মোৰ একমাত্ৰ ভণ্টীক লগ পাবলৈ আহিছোঁ। মই ইউনিভাৰ্চিটিৰ ভাইচ-চেঞ্চেলৰক ৰিপ'ৰ্ট কৰিম এই কথা। ভিজিটিং আৱাৰত কিয় মই মোৰ ভনীক লগ পাব নোৱাৰোঁ?' ৱাৰ্ডেন লাজত ম্ৰিয়মান হৈ আনফালে গুচি গ'ল। এই পৰিস্থিতিত আন ছোৱালীবোৰেও লাজ পালে। কিন্তু সেইদিনাই আৰু এটা অঘটন ঘটিল। অৰ্থনীতিৰ ছাত্ৰী লখিমী আৰু ইংৰাজী বিভাগৰ মেধাৱী ছাত্ৰী অৰ্পনাৰ বিৰুদ্ধে স্থানীয় মানুহৰ এটি গুচৰীয়া দল আহি ৱাৰ্ডেনৰ কাষ চাপিলহি। হোষ্টেলৰ কাষতে ভাড়াঘৰ লৈ থাকে মেডিকেল ৰিপ্ৰেজেণ্টেটিভ্ দুজনমানে। স্থানীয় মানুহৰ অভিযোগ, হোষ্টেলৰ এই দুজনী ছোৱালী প্ৰায়ে ভৰ দুপৰীয়া এই ঘৰটোলৈ যায়। দুৱাৰ-খিৰিকী বন্ধ এই ঘৰত ইয়াৰ পিচত তিনি-চাৰিঘণ্টা সময় কি ঘটে, তাৰ সাম্ভাব্য দৃশ্যাৱলী হোষ্টেলৰ চুবুৰীয়া নিবাসীসকলে কল্পনা কৰিব পাৰিছে। যিহেতুকে ভদ্ৰ মানুহৰ আবাসিক অঞ্চলত এই হোষ্টেল অৱস্থিত, সেই হিচাপে ৱাৰ্ডেনৰ দায়িত্ব সম্পৰ্কে সকীয়াই দিবলৈ তেওঁলোক আহি সু-নাগৰিকৰ কৰ্তব্য পালন কৰিছেহি। ইয়াৰ পিচতে লখিমী আৰু অৰ্পনাক মাতি নি ৱাৰ্ডেনে ভদ্ৰলোক কেইজনক সুধিলে—

— এওঁলোক হয়নে?

— হয়-হয়। আটাইকেইজনে সমস্বৰে ক'লে।

— লাজ নালাগে? দণ্ডুৱা মতা থকা ঘৰত দুৱাৰ-ঘৰ বন্ধ কৰি সোমাই থাকিবলৈ! ছিঃ-ঘিণ লাগিছে তোমালোকক চাবলৈ— ৱাৰ্ডেনে বাহিৰলৈ থুৱালে।

অৰ্পনাই মানুহকেইজনলৈ চাই ক'লে— আমি বাৰু বেয়া ছোৱালী হোষ্টেলৰ পৰা

ওলাই যাম, পিচে সেই ভাড়া ঘৰটোলৈ ইয়াৰ পিচত যদি আপোনালোকৰ ছোৱালী যায়, উলিয়াই দিবনে ঘৰৰ পৰা!

— কি! আমাৰ ছোৱালী তহঁতৰ দৰে বনৰীয়া নেকি! শকত-আৱত হটঙা মানুহজন খঙত ফুটবলৰ দৰে ফুলি উঠিল।

— চুপ থাকা— তৰ্ক কৰিবলৈ আহিছে! ৱাৰ্ডেন এখোজ আগুৱাই আহি ক'লে।

— ল'ৰাকেইজনৰ ওচৰলৈ এইদৰে আপোনালোক গৈছিলনে? অৰ্পনাই সংকোচবিহীনভাৱে আকৌ সুধিলে।

— কিয় যাম? সিহঁত তোমালোকৰ ওচৰলৈ আহিছে নেকি? ইস্-ইস্— এইবোৰ ছোৱালী গৈ কোন ভাল ঘৰৰ ল'ৰাক পাক্‌ৰাও কৰি সতী-সাধ্বী বোৱাৰী হ'বগৈ— ইস্-ইস্ সমাজখন জহন্নামে গ'ল। চুটি-চাপৰ দহাঁ চকুৱা মানুহজনে ক'লে।

— 'তাৰমানে ল'ৰাকেইজনৰ একো দোষ নাই! তেওঁলোকলৈ আপোনাৰ ছোৱালী নিঃসংকোচে বিয়া দি ক'ব— বৰ চৰিত্ৰৱান ল'ৰা দেই!' অৰ্পনা হাৰ মানিব খোজা নাই।

— অ'ই— মুখ ভাঙি দিম— চালী ৰেণ্ডী!

— মুখ চম্ভালি কথা ক'ব— এইবাৰ লখিমী ফেঁট তুলি উঠিল।

'আমি এডাল্ট এতিয়া। ল'ৰাৰ সৈতে শাৰীৰিক সম্পৰ্ক কৰিমনে নকৰিম আপোনাক নোসোধোঁ। দুৱাৰ খুলি বাৰাণ্ডাত সমজুৱাকৈ কিবা কৰিলে আপোনালোকে এইদৰে জাঙুৰ খাই উঠিব। বন্ধঘৰৰ ভিতৰত কি হৈছে, বাহিৰৰ পৰা কল্পনা কৰি আপোনালোক অস্থিৰ হ'বলৈ সময় পাই ক'ত? অফিচ-কাছাৰী নাই! নে আমি ঘৰটোত সোমাই দুৱাৰ বন্ধ কৰা চাবলৈ চাকৰিলৈ নোযোৱা হৈছে! নে আপোনালোকৰো লোভ হৈছে, ঈৰ্ষা হৈছে! লগে লগেই এপাত চেণ্ডেল আহি অৰ্পনাৰ গাত পৰিলহি। অশ্লীল চিঞৰত হোষ্টেলৰ বাৰাণ্ডা মুখৰ হৈ উঠিল। ৱাৰ্ডেনে হাত-যোৰকৈ হিংস্ৰ মানুহবোৰ পঠিয়াবলৈ যত্ন কৰিলে। অৰ্পনা আৰু লখিমীক ছোৱালীবোৰে চোঁচোৰাই ভিতৰলৈ নি দুৱাৰ বন্ধ কৰি কোঠালীত ভৰাই থ'লে। বহু পৰলৈ বাহিৰত তৰ্জন-গৰ্জন চলিল। কিছুপৰৰ পিচত মানুহবোৰ গ'লগৈ। হোষ্টেল নিজম পৰিল। ৱাৰ্ডেনে নিৰ্জনতা ভাঙি এবাৰ চিঞৰি উঠিল— এইখন ৰেণ্ডীখানা নহয়— মই শক্ৰ চবৰে, মই বেয়া, বেশ্যাচবক মই পাৰমিশ্বন দিলে ভাল.... কাণৰ ফুটাত আঙুলি সুমুৱাই কথাবোৰ নুশুনিবলৈ সকলোৱে যত্ন কৰিলে। দুজনী ছোৱালীৰ বাবে সকলোৱে ৱাৰ্ডেনৰ অশ্ৰাব্য ভাষণ শুনিবলৈ বাধ্য হ'ল, সহ্য কৰি থাকিল যাঁঠিৰ খোচৰ দৰে শব্দবোৰ।

ঠিক তেনেকুৱা সময়তে নিৰ্জু মেট্ৰন বাইদেউ ছোৱালীবোৰৰ কোঠালিয়ে কোঠালিয়ে ভুমুকি মাৰি ফুৰিলে। কাৰোবাৰ গাত হাত ফুৰাই মৰম কৰিলে, কাৰোবাক ক'লে— 'এইবোৰ প্ৰতিবছৰে ঘটি থাকে। তোমালোকে কথাবোৰ গুৰুত্ব নিদিবা। ভালে-বেয়াই পৃথিৱীখন। ৱাৰ্ডেনে তোমালোকৰ সদায় ভাল হোৱাতো কামনা কৰে। ছোৱালীবোৰক শিক্ষিত, পুৰুষৰ সমানে খোজ দিবলৈ আমি উৎসাহ দিলেও, সমাজৰ তৰ্জুখন পুৰুষৰ

ফালে গধুৰ। পুৰুষৰ চৰিত্ৰ কচুপাতৰ দৰে, সদায় নিকা, ছোৱালীবোৰ যিদিনাৰ পৰা কচুপাত হ'ব, সেইদিনাৰ পৰা এইদৰে চৰিত্ৰক লৈ নিন্দা-ভৰ্ৎসনা শুনিব নালাগে। ৱাৰ্ডেন খঙাল তিৰোতা। কিন্তু তেওঁ এই সমাজ গৰকি আহিছে। তেওঁক জীৱনৰ অভিজ্ঞতাই খঙাল তিৰোতালৈ ৰূপান্তৰ কৰিছে।' হোষ্টেলৰ এনে পৰিস্থিতি হ'লেই মেট্ৰনে এনেকুৱা ধৰণৰ কথাৰে ছোৱালীবোৰৰ মন পাতল কৰে।

লুৎফাই প্ৰশ্ন কৰিছিল— বাইদেউ, নিজৰ জীৱনৰ অভিজ্ঞতাৰে আনৰ জীৱন বিশ্লেষণ কৰা যুগুতনে? জীৱনটো এডাল এফুটীয়া স্কেল জানো— সৰলৰেখা কেৱল আঁকি যাব পাৰি! আপোনাৰ জীৱন দৰ্শন, অভিজ্ঞতাৰ জোখ-মাপবোৰ মোৰ জীৱনৰ সৈতে নিমিলিবও পাৰে। ধৰি লওক, আপুনি যদি দেউতাকৰ পৰা অৱহেলা পাইছিল— তাৰ বাবে সকলো ল'ৰা-ছোৱালীৰ দেউতাকবোৰক একে বুলি ভবাতো উচিত হ'ব জানো! মেট্ৰন বাইদেউ থৰ লাগি কিছুপৰ ৰৈ কৈছিল— তুমি কেনেকৈ জানিলা লুৎফা যে মই দেউতাৰ পৰা অৱহেলা পাইছিলো। লুৎফা যেন বোবা হৈ গ'ল। তাই অবাক হৈ ক'লে— 'বাইদেউ— মই একো নাজানো— সঁচাকৈ একো নাজানো— বিশ্বাস কৰক এটা উদাহৰণ দিবলৈহে কথাষাৰ কৈছিলো। মেট্ৰন বাইদেউ কিছুপৰ একে ঠাইতে ৰৈ, এখোজ-দুখোজকৈ প্ৰস্থান কৰিলে। যাওঁতে অস্ফুট স্বৰেৰে কৈ গ'ল— 'আচৰিত, বিশ্বাস নহয়।'

ফ্লোৰেন্স নাইটিংগেলৰ দৰে, হোষ্টেলৰ ছোৱালীবোৰৰ মনৰ ঘাঁত মলম লগাই ভালপোৱা মেট্ৰন বাইদেউৰ জীৱনৰ শোৱনিকোঠাৰ পৰ্দাখন লুৎফাই সেইদিনা অজানিতেই অকমান ফাঁক কৰি পেলালে। মেট্ৰন বাইদেউ অলপ নীৰৱ হৈ পৰিল সেইদিনাৰ পৰা। লুৎফাৰ মনটো অশান্ত হৈ পৰিল। দুদিনমানৰ পিচতে লুৎফা গৈ ভাস্বতীৰ কোঠাত প্ৰৱেশ কৰি কোনো ভণিতা নকৰি ক'লে— 'মই এনেকৈ নোৱাৰোঁ। চা-চোন, সেইদিনা মই জানি-বুজি একো কথাই কোৱা নাছিলোঁ। অথচ মেট্ৰন বাইদেউজনী কেনেকৈ বিমৰিষ হৈ গ'ল। ব'ল-না, তোক লগত লৈ বাইদেউৰ ওচৰলৈ যাওঁ। অকলে যাবলৈ ভাল লগা নাই। কিন্তু মই নোযোৱালৈকে শান্তিও নাপাওঁ।' ভাস্বতী কিছুপৰ মনে মনে থাকি ক'লে— যাম বাৰু, এতিয়া কিন্তু নহয়। শনিবাৰে, দুপৰীয়া। শনিবাৰে বাইদেউৱে ৰাতিপুৱা কিবা পূজা এটা কৰে, বুট-মগুৰ প্ৰসাদৰ ভাগ তেওঁৰ কোঠাৰ ওচৰৰ বাৰ নম্বৰ ৰুমৰ ছোৱালীকেইজনীয়েও পায়। নিশ্চয় তেওঁৰ মনটো সেইদিনা প্ৰসন্ন হৈ থাকে। আমি অহা শনিবাৰে যাম— হ'ব! লুৎফা মান্তি হ'ল।

মেট্ৰন বাইদেউৱে কাপোৰ থোৱা পুৰণি ট্ৰাংক এটা খুলি কিবা-কিবি কাপোৰ ঠিক কৰি আছিল। দুৱাৰ খোলা। নীলা-বগা ফুল-পাত থকা পৰ্দাখনৰ ফাঁকেৰে মেট্ৰন বাইদেউৰ পিঠিখন দেখা গৈছিল। ভাস্বতীয়ে পৰ্দাৰ বাহিৰৰ পৰা মাত দিলে— 'বাইদেউ যাব পাৰোনে?'

বাইদেউৱে দুৱাৰৰ ফালে চাই ক'লে— কোন? আহা।

— ভাস্বতী আৰু লুৎফা, আপোনাৰ ওচৰলৈ এনেয়ে আহিলো। পৰিস্থিতিটো সহজ

কৰিবলৈকে ভাস্বতীয়ে ক'লে। বাইদেউৱে ট্ৰাংকৰ সাফৰখন বন্ধ কৰি, বিছনাৰ কাষৰ একমাত্ৰ বেতৰ চকীখন লুৎফালৈ দেখুৱাই, ভাস্বতীলৈ চাই ক'লে— 'তুমি বিছনাতে বহা। কি কৰিবা বহিবলৈ ঠায়েই নাই।'

বেৰত শিশু কৃষ্ণই বগী গাই এজনীৰ গাত ভেজা দি বাঁহী বজাই থকা দৃশ্যৰ কেলেণ্ডাৰ এখন। চুক এটাত থাপনা এখন। ধূপ জ্বলি ছাঁই ওলমি আছে। কোঠাৰ পৰা ধূপৰ সুগন্ধি মাৰ যোৱা নাই। চাকি এগছ থাপনাত জ্বলি আছে। এটা মূঢ়া আছে। যিটোত মেট্ৰন বাইদেউ বহিছে। বিছনাত বগাত নীলা আঁচ পৰা পৰিষ্কাৰ বিছনা-চাদৰ। গাৰুটোৰ গিলিপো একেই। একমাত্ৰ খিৰিকীখনত দুৱাৰৰ দৰে নীলা-বগা ফুলৰ পৰ্দা। খিৰিকীৰ মাজত বগা নেটৰ পৰ্দা এখন। কোঠালিটোত পৰিচ্ছন্নতা আৰু শান্তি একেলগে যেন বিৰাজ কৰিছে। মানুহ এজনৰ বাসস্থানেই মানুহজনৰ ৰুচিৰ, মনৰ দাপোণ। অত্যধিক বিলাসী বস্তুৰে সজ্জিত কোঠাতো সেয়ে কেতিয়াবা অৰুচি প্ৰকাশ পায়। এবাৰ প্ৰদ্যুতে এজন প্ৰখ্যাত ব্যৱসায়ীৰ ঘৰলৈ গৈ ভাস্বতীক অভিজ্ঞতা কৈছিলিহি। ভাস্বতীয়ে সুধিছিল— 'শুনিছোঁ তেওঁৰ ঘৰটো হেনো চাবলগীয়া— কি দেখিলা কোৱাচোন?' প্ৰদ্যুতে নিৰ্বিকাৰ ভংগীত ক'লে— এ হয়নেকি? মই আকৌ সেইটো দেশী-বিদেশী বিখ্যাত কোম্পানীবোৰৰ শ্ব'ৰুম বুলিহে ভাবিছিলো। 'যাঃ কি কোৱাহে— এবাৰ আমাৰ লগৰ ল'ৰা এটা গৈ কৈছেহি নহয়, সি হেনো ভিতৰ সোমাই থৰ লাগিল।'

— লাগিবতো! বিদেশী চোফা, বিদেশী কাৰ্পেট, সোণৰ দৰে জিলিকি থকা মোৰদাবাদী ফুলৰ টাব, মাৰ্বলৰ মজিয়া... মুঠৰ ওপৰত তেওঁৰ ধনৰ অহংকাৰ গেইটৰ মুখৰ পৰাই প্ৰকাশ পাই গৈছে। ইটোতকৈ-সিটো চ'ৰা। কিন্তু মনৰ অহংকাৰ ক'তো নাই।'

— মানে! ভাস্বতী আচৰিত হৈ গৈছিল।

— ঘৰটোত কাৰো লাৱণী হাতৰ পৰশ নাই। মালীয়ে ফুল কৰিছে— ছিজন ফ্লাৱাৰ। বাগিচাত পাইন, চাইকাছ, দুজোপামান দেৱদাৰু। দেৱদাৰুবোৰ বব্‌কাট চুলিৰ ছোৱালীৰ দৰে সমানে ডাল-পাত কটা। বুজিছা, সিদিনা বন্ধু মিহিৰ গগৈৰ জাঁজীৰ ঘৰলৈ গৈছিলোঁ। পদুলি মুখত দুজোপা নাহৰ। জাতি বাঁহৰ ধুনীয়াকৈ বোৱা জেওৰাৰে বাৰীখন বেৰা। জবাফুলৰ হেজ। নঙলা খুলিয়েই দীঘলীয়া বাট। শেৱালি দুজোপা এনেকুৱাকৈ ফুলিছে যেন দুজোপা কাঞ্চনজংঘা। পদূলিৰ পৰা ঘৰলৈ যোৱা বাটটোৰ দুকাষে ঘনকৈ খৰিকাজাঁই। বাৰাণ্ডাত ককাদেউতাকে দীঘল পাইপ লগাই হোকা হুপি আছে আৰামী চকীত বহি। চ'ৰাঘৰত ভনীয়েকৰ হাতৰ চিলাই কাম কি চাবা!

— বুজিলোঁ-বুজিলোঁ— তুমি ইমানকৈ ঘৰবোৰ চোৱা বুলি ভবাই নাছিলো— মিহিৰৰ ভনীয়েকজনী ধুনীয়া নেকি!

— কিয়? হিংসা লাগিছে! ধুনীয়া— তাইক চাই ভাবিছিলো তোমাক নোপোৱা হ'লে— তাইৰ প্ৰেমত পৰিলোহেঁতেন।

ভাস্বতীয়ে কপট খঙত প্ৰদ্যুতক ঠেলা মাৰি কৈছিল— যোৱানা তাইৰ ওচৰলৈ...

— পিচে কিয় আহিলানো? মেট্ৰন বাইদেউৱেই নীৰৱতা ভংগ কৰিলে। তেওঁ ইতিমধ্যে মাজতে বহাৰ পৰা উঠি গৈ প্ৰসাদৰ দুখিলা পাত, পানী দুগিলাছৰ সৈতে ট্ৰে এখনত আনি সিহঁত দুজনীৰ সন্মুখত ধৰিলেহি।

ভাস্বতীৰ লাজ লাগিল। কিয় যে তাই মাজে মাজে আনমনা হৈ যায়! 'বাইদেউ, আপোনাৰ কোঠালীটো আজিহে ভালকৈ দেখিছোঁ। আপোনাৰ মনটোৰ দৰে ধুনীয়া আপোনাৰ কোঠাটো। ভাস্বতীয়ে অপ্ৰস্তুত হৈ ক'লে। লুৎফাই শলাগিলে—

— হয় বাইদেউ, মই ইমানপৰে তাকে চাই আছোঁ।

— হয় নেকি? মোৰ কোঠাটো চাই অলপ সময় বহি থাকিবলৈ সেইবাবে আহিলা! মিচিকিয়া হাঁহিৰে মেট্ৰন বাইদেউৱে ক'লে।

— হয়— মানে নহয়, আচলতে এনেয়ে ভাবিলো, আপোনাক দুদিনমান দেখা নাই যে! সেইবাবে। — ভাস্বতীয়ে জিভা কামুৰি ক'লে।

— অকলশৰীয়া মেট্ৰন এজনীৰ তোমালোকৰ দৰে খবৰ লওঁতা আছে বাবেই ইয়াত আছো বুজিছা।

— বাইদেউ আপুনি কিয় বিয়া নকৰালে বাৰু? ভাস্বতীৰ মুখৰ পৰা অতৰ্কিতে প্ৰশ্নটো ওলাই আহিল। লগে লগেই ভাস্বতীয়ে অনুশোচনাত ভুগি ক'লে— 'মানে— বাইদেউ ক্ষমা কৰিব, আপোনাৰ নিজস্ব কথা এয়া। কিন্তু এদিনতো আপুনি এই হোষ্টেল এৰিব লাগিব। ঘূৰি যাবলৈ আপোনাৰ এটা ঠিকনা, কোনো আপোনজন নালাগিব জানো?'

লুৎফাই এবাৰ ভাস্বতী, এবাৰ মেট্ৰন বাইদেউৰ মুখলৈ চাই অস্বস্তিত চট্-ফটাবলৈ লাগিল। নীৰৱতাৰে পাৰ হ'ল কিছু সময়। এইবাৰ মেট্ৰন বাইদেউৱে ক'লে— 'আৰু চাৰি বছৰৰ পিচত মই যাঠি বছৰত ভৰি দিম। মোক অনুগ্ৰহ কৰি ইউনিভাৰ্চিটিয়ে ৰাখিছে। চাৰি বছৰৰ পিচত মই ইয়াৰ পৰা যাব লাগিব। এই ইউনিভাৰ্চিটিত বিশ বছৰ পাৰ কৰিলোঁ। তেতিয়া প্ৰথম বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিলহে। এটা অস্থায়ী ছোৱালী হোষ্টেল হৈছিল, ইউনিভাৰ্চিটিৰ কাষত। মই দৰ্খাস্ত কৰিছিলোঁ। তেতিয়াই মোক এই কামটো দিছিল। চকুৰ আগত মই এই ইউনিভাৰ্চিটিখন ডাঙৰ হোৱা দেখিছোঁ। সময় সলনি হোৱা দেখিছোঁ। পঁয়ত্ৰিশ-ছয়ত্ৰিশ বছৰ বয়সত মাইকী মানুহ এজনী গাভৰু হৈ নাথাকে জানো? কিন্তু মই তেতিয়াৰ পৰা সন্যাসিনী হৈছিলোঁ। হোষ্টেলৰ উত্তাল এজাক যৌৱন চম্ভালিবলৈ মই সন্যাসী হোৱাতো জৰুৰী আছিল।'

বহুপৰ মনে মনে থকা লুৎফাই এইবাৰ মাত লগালে— 'বাইদেউ, সিদিনাৰ কথাৰ বাবে বৰ দোষী-দোষী ভাব এটা হৈ আছে মোৰ। সঁচাকৈয়ে আপোনাৰ বিষয়ে মই নাজনো। আপোনাৰ দেউতাকে আপোনাক অৱহেলা কৰাৰ কথাও মই নাজানো। মই আপোনাৰ অন্তৰত আঘাত অজানিতে দিয়া বাবে ক্ষমা কৰিব।' বাইদেউৱে হাঁহি মাৰি ক'লে— 'এ— মই সেইবোৰ একো মনত লৈ থকা নাই। মুঠৰ ওপৰত তোমালোকে জানিবা, শিক্ষানুষ্ঠানবোৰত হোষ্টেলৰ ৰখীয়া তিৰোতামানুহবোৰৰ ভিতৰত একোখন মৰুভূমি থাকে।

ছোৱালী হোষ্টেল চলাবলৈ অকলশৰীয়া মাইকীমানুহ পচন্দ কৰে। একপ্ৰকাৰে ভাল। অকলশৰীয়া মতামানুহ সমাজত জীয়াই থকা সহজ— মাইকীমানুহৰ বাবে ই কচাইখানাত মৃত্যুলৈ বৈ থকা ছাগলীবোৰৰ দৰে। যিকোনো সময়ত সমাজৰ দাখনে তোমাৰ ডিঙিত ঘাপ মাৰিব পাৰে। মোৰ দদাইদেউ এজন আছে বুজিছা। তেওঁ একমাত্ৰ মোৰ আপোন মানুহ। তেওঁৰ আকৌ দহ বছৰমান আগেয়ে ঘৈণীয়েক ঢুকাল। ল'ৰা এটাই শ্বিলঙত কাম কৰি থাকোঁতেই খাচীয়ানী বিয়া কৰালে। আৰু সি ঘৰমুৱা নহ'ল। দুজনী ছোৱালী বিয়া দিলে। এজনী পঞ্জাৱী মানুহ এজনে বিয়া কৰালে। দিল্লী নে হাৰিয়ানা ক'ৰবাত থাকে। ইজনী ছোৱালীক স্কুলৰ শিক্ষক এজনে বিয়া কৰাইছে। দদাইদেৱে মদ আৰু জুৱাত জীৱনটো নিপাত কৰিছে। কেতিয়াবা মাষ্টৰ জোঁৱায়েক আৰু কেতিয়াবা মোৰ ওচৰলৈ আহে পইচা বিচাৰি। মই জানো, তেওঁ মোৰ খবৰ ল'বলৈ নাহে। তথাপিও তেওঁ আহিলে মোৰ ভাল লাগে। মোৰ একমাত্ৰ আপোন মানুহ তেওঁ। তেওঁ মদ খাব বুলি জানিও মই তেওঁক পইচা দিওঁ। বিমুখ কৰিলে জানোচা বেয়া পায়। সকলোৱে দদাইদেউক সহানুভূতিৰে চায়। অকলশৰীয়া মতা মানুহ যে! ভাবাচোন, অকলশৰীয়া মাইকী মানুহ এজনীয়ে এয়া কৰিলে সমাজখনে শুদাই এৰিবনে? দদাইদেউ হেনো চুলাই বেচা মানুহ এজনীৰ ঘৰতো মাজে মাজে থাকে। পিচে কোনো মানুহে একো নকয়। দুখহে কৰে। 'বেচেৰা অকলশৰীয়া', বুলি তেওঁক মাফ কৰি দিয়ে। ভাবাচোন, এজনী অকলশৰীয়া তিৰোতাৰ ঘৰলৈ যদি নিতৌ কোনো পুৰুষ আহে— জীয়াই জুঁইত নুপুৰিবনে বাৰু? গতিকে এই স্থানত ইমান বছৰে মই সুৰক্ষা পালোঁ। উভতি ক'লৈ যাম ক'ব নোৱাৰোঁ। দদাইদেউৰ ওচৰলৈতো যাব নোৱাৰোঁ।'

ভাস্বতীয়ে পুনৰ নিঃসংকোচে সুধিলে— 'বাইদেউ, সেইবাবেই মই সুধিছিলো, আপুনি ভৰ যৌৱনত এই হোষ্টেল ৰখীয়াৰ নীৰস জীৱন বাচি লোৱাতকৈ, কিয় সংসাৰ নকৰিলে?'

বাইদেউ গম্ভীৰ হৈ গ'ল, কিন্তু পিচমুহূৰ্ততেই তেওঁ মিচিকিয়া হাঁহিৰে ক'লে— 'তোমালোকক ৰখিবলৈকে বিয়া নহ'লোঁ। মই ইয়াৰ পৰা ক'লৈকো যাব লগা নহয় অ' আঁকৰী ছোৱালী! ভগৱানক সদায় মই প্ৰাৰ্থনা কৰোঁ— মোৰ মৰাশটো যাতে চি...ই... ধা ইয়াৰ পৰা শ্মশানলৈ যায়। ছোৱালীবোৰে মৰমৰে মোৰ মৰাশত ফুল দিব, কোনোবাই হয়তো দুটোপাল চকুপানীও পেলাব— ইয়াতকৈ আৰু কি লাগে? তেজ-মঙহৰ সম্পৰ্ক আপোন নহ'বও পাৰে। তোমাৰ বাবে যাৰ অন্তৰৰ পৰা আপোনা-আপুনি আৱেগৰ সোঁত চকুৰে বৈ আহে— তেওঁতকৈ পৃথিৱীত কোনো আপোন নাই। নহয় জানো? সেইবাবেই কৈছো, লুৎফা তুমি এনেয়ে চিন্তা কৰিছা। তোমালোকক মই বেয়া কেতিয়াও পাব নোৱাৰোঁ।'

এক ৰহস্যময়, উগুল-থুগুল মনেৰে ভাস্বতী আৰু লুৎফা মেট্ৰনৰ ৰুমৰ পৰা নীৰৱে বিদায় লৈ ওলাই আহিছিল। মেট্ৰনৰ দৰেই ৱাৰ্ডেন বাইদেউৰ জীৱনো নিশ্চয় সংঘাত, যন্ত্ৰণাৰে দগ্ধ। জীৱন-যৌৱন জলাঞ্জলি দি সমাজৰ ভয়ত নিঃসংগ জীৱন যাপন কৰা এই অকলশৰীয়া নাৰীবোৰৰ মনোবেদনা হাঁহিৰ আঁৰত লুকাই থাকে। ভাস্বতীয়ে লুৎফালৈ

চাই ক'লে— ৱাৰ্ডেন বাইদেউৰে খং কৰিলেও আমি বেয়া পাব নালাগে লুৎফা— আমি যদি এওঁলোকক নুবুজো, কোনে বুজিব? লুৎফাই ভাস্বতীৰ কথাত হয়ভৰ দিলে।

'কিন্তু মেট্ৰন বাইদেউ দেউতাকৰ প্ৰসংগত ইমান স্পৰ্শকাতৰ কিয়? কি হৈছিল বাৰু?' লুৎফাৰ মনৰ পৰা এই প্ৰশ্নৰ কৌতূহল নিবৃত্তি নহ'ল।

✧ ✧ ✧

হোষ্টেলত জন্মাষ্টমী পতাৰ এটা পৰম্পৰা চলি আহিছে। এইবাৰো পৰম্পৰা ভংগ নহয়। গধূলি জন্মাষ্টমী উৎসৱৰ এখন জৰুৰী মিটিং বহিল লাউঞ্জত। বজাৰ কৰা, চান্দা তোলা, পায়স ৰন্ধা, মানুহ নিমন্ত্ৰণ কৰা সকলোকে ভাগে ভাগে দায়িত্ব অৰ্পণ কৰিবলৈকে এই মিটিং। হোষ্টেলৰ প্ৰিফেক্ট হিচাপে ভাস্বতীৰ আহ্বানতে জৰুৰী মিটিংখন বহিল। ৱাৰ্ডেন, মেট্ৰন দুয়োগৰাকী উপদেষ্টা হিচাপে উপস্থিত আছে। ৱাৰ্ডেনে হঠাতে ভাস্বতীক সুধিলে— তুমি দেখোন সন্ধিয়া ছয় বজাত মিটিঙৰ সময় দি নিজে চাৰে ছয় বজাত ক'ৰবাৰ পৰা আহি হোষ্টেল সোমাইছাহি! ভাস্বতী থত্-মত খাই গ'ল। তাই উপস্থিত বুদ্ধিৰে প্ৰশ্নটো চম্ভালি ক'লে— 'বহু দিনৰ পৰা হঠাতে এটা অসহ্য মূৰৰ বিষ হয়। আজি ক্লাছত থাকোঁতেই হৈছিল। ভাবিলো, আজি দেখুৱামেই ডাক্তৰক। মোৰ দাদা এটাই ডিব্ৰুগড় মেডিকেল কলেজত ডাক্তৰী পঢ়ি আছে নহয়। গ'লো তালৈকে। পিচে ডাক্তৰক লগ নাপালোঁ। আকৌ কাইলৈ যাম।' ভাস্বতীয়ে নিজেই গম নাপালে, মিছা কথাটো কেনেকৈ তাই সহজভাৱে কৈ পেলালে। মনটো বেয়া লাগিল যদিও উপায় নাই। সঁচা কথাটো ক'ব নোৱাৰি। ৱাৰ্ডেনে কথাটো বিশ্বাস কৰি ক'লে— 'ভালকৈ ডাক্তৰক দেখুৱাই লোৱা দেই। কাইলৈ মাতিছে কাইলৈকে যাবা।' ৱাৰ্ডেনৰ উত্তৰত ভাস্বতী সংকুচিত হৈ পৰিল। ৱাৰ্ডেনে তাইক বিশ্বাস কৰে বাবেই প্ৰিফেক্টৰ গুৰু দায়িত্ব দিছে। ভাস্বতীৰ অস্বস্তি আৰম্ভ হ'ল। ৱাৰ্ডেনে যদি কথাটো সচৰাচৰ দেখুৱাৰ দৰে বিশ্বাস নকৰাৰ অভিব্যক্তি প্ৰকাশ কৰিলেহেঁতেন তেন্তে তাই সকাহ পালেহেঁতেন। ভাস্বতীৰ বহু সত্য কথা ৱাৰ্ডেনে অবিশ্বাস কৰিছে। ৱাৰ্ডেনৰ ওপৰত প্ৰচণ্ড খং উঠে তেতিয়া। ৱাৰ্ডেনে কোনো ছোৱালীৰ কথাই সততে বিশ্বাস নকৰা এটা অভ্যাস হৈ গৈছে। কিন্তু আজি ভাস্বতীৰ গোকাট মিছা কথাটো ৱাৰ্ডেনে একেবাৰতে বিশ্বাস কৰি পেলোৱাৰ লগে লগে তাইৰ অন্তৰ্দ্বন্দ্ব হ'বলৈ ধৰিলে। জীৱনত প্ৰথমবাৰৰ বাবে তাইৰ অনুভৱ হ'ল, বিশ্বাস কৰাজনক ফাকি দিলে বিবেক নামৰ দেহৰ ভিতৰত অদৃশ্য, শুই থকা শিশুটোৱে কিদৰে চিৎকাৰ কৰি উঠে। মিটিং আৰম্ভ হ'ল। ৱাৰ্ডেনে ক'লে— প্ৰত্যেকবাৰেই আমি হোষ্টেলৰ কাষৰ চুবুৰীয়াকেইজনক নিমন্ত্ৰণ কৰোঁ। এইবাৰো তোমালোকে গৈ তেওঁলোকক নিমন্ত্ৰণ কৰিবা।

"মই কৃষ্ণৰ 'মাখনচুৰি' মণিপুৰী নৃত্যটো নাচিব পাৰিমনে। এটা প্ৰ'গ্ৰেম কৰকনা"— অমিতাই সৰু ছোৱালীৰ দৰে জিদ ধৰিলে।

— হ'ব-হ'ব, নাচিবা বাৰু। ৱাৰ্ডেনে হাঁহি মাৰি ক'লে।

'লুৎফা ৰন্ধাত বৰ পাকৈত, তাই জন্মাষ্টমীৰ পায়স ৰান্ধিব। ৰান্ধিবিনে লুৎফা?' ভাস্বতীয়ে সুধিলে। লুৎফা আচৰিত হ'ল। তাই মিচিক্‌কৈ হাঁহি ক'লে— 'হিন্দু গোসাঁয়ে গৰীয়াই ৰন্ধা পায়স খাব জানো?' সকলোৱে গিৰ্জনী মাৰি হাঁহি দিলে। 'খাব-খাব। আজিকালি দিন-কাল বদলিল নহয়। আমি হিন্দুবোৰে তহঁতৰ হাতেৰে ৰন্ধা মাংস-পোলাও, বিৰিয়ানী খাবলৈ ঢপলিয়াই নাযাওঁ জানো? ঈদৰ নিমন্ত্ৰণ আমাৰ নাহিলে দুখেই লাগে। আজিকালি আমাৰ গোসাঁই-গোসাঁনীয়েও সাম্প্ৰদায়িকতা বেয়া পোৱা হৈছে। 'গ্ল'বেল ৰিলিজন' এটাৰ বাবে হজৰত, যীশু, কৃষ্ণ-দুৰ্গাৰ এখন হাইপাৱাৰ কমিটি গঠন হৈছে নহয়— নাজান নেকি?

— এ হয় নেকি? খবৰটো তোলৈ পঠালে! লুৎফাই ভাস্বতীলৈ চাই হাঁহি-হাঁহি সুধিলে।

— অ-তো, এইবাৰ দুৰ্গাপূজাৰ বিসৰ্জনৰ দিনা দুৰ্গা গোসাঁনীয়ে যোৱাৰ আগে আগে ক'লে। অলপ ভেৰাইটি লগা হৈছে, নহ'লে ব'ৰ হৈ গৈছোঁ।'

— বাৰু, থোৱা তোমালোকৰ ফুচুৰি। এতিয়া, তেতিয়াহ'লে লুৎফাই পায়স ৰান্ধিব। কি কি লাগিব লিষ্টখন দিবা। ৱাৰ্ডেনে নিজেই প্ৰগ্ৰেম লেখি গ'ল।

— 'কিন্তু এটা কথা।' লুৎফাই গম্ভীৰ হৈ ক'লে।

সকলোৱে উৎসুকতাৰে লুৎফালৈ চালে। 'মোৰ মানে কেতিয়াবা 'পিৰিয়ড' আগবাঢ়ে, তেনেকুৱা অঘটন ঘটিলে মই নোৱাৰিম। সেয়ে আন এজনী বন্দোৱস্ত কৰি থ'। আৰু এটা কথা, গোসাঁইৰ স্পেচিয়েল ভোগখিনি মই পুৱাই গা-পা ধুই একো নোখোৱাকৈ ৰান্ধিম। ৰান্ধি হোৱাৰ পিচত খাবলৈ মোৰ বাবে হেভী খানা এটাৰ যোগাৰ কৰি থ'বি কিন্তু ভাস্বতী। কাৰণ মই প্ৰায় দুপৰীয়ালৈকে লঘোণে থাকিম।' লুৎফাৰ কথাত ভাস্বতীৰ হঠাতে চকুত পানী বিৰিঙি উঠিল। ইমান নিষ্ঠাৰে লুৎফাই পায়স ৰান্ধিব খুজিছে! লুৎফাৰ প্ৰতি ভাস্বতীৰ শ্ৰদ্ধা উপজিল। আনৰ ধৰ্মক শ্ৰদ্ধা কৰিব জনা জনেইতো পৰম ধাৰ্মিক। লুৎফাৰ মানসিক উচ্চ সংস্কাৰত মুগ্ধ হৈ ভাস্বতীয়ে আৱেগিক হৈ কৈ উঠিল— 'তই বৰ উচ্চ মনৰ ছোৱালী লুৎফা। মুছলমান হৈয়ো আমাৰ ধৰ্মৰ প্ৰতি ইমান সন্মান দেখুৱাইছ!' লুৎফাই তৎক্ষণাৎ ক'লে— 'কিন্তু সেই সন্মান তুমি দেখোন প্ৰথমেই মোক যাচিলা আইজনী! ইমানবোৰ হিন্দু ছোৱালী থাকোতে জন্মাষ্টমীৰ ভোগ ৰান্ধিবলৈ তুমি মোকহে নিৰ্বাচন কৰিলা! তোমালোকৰ কৃষ্ণ, মোৰ আল্লা সেইদিনা ৰাতি যদি এক হৈ যায়— হ'বলৈ দিয়ানা। মানুহে তেওঁলোকক একেলগ নকৰিলে, দুনিয়াত আৰু কোনেও এই কাম কৰিব নোৱাৰে।'

— 'মই হ'লে ধৰ্ম-চৰ্ম বৰকৈ নকৰোঁ। নাজানোও। কিন্তু চব ধৰ্মৰ ফেষ্টিভেল বোৰত গৈ খাবলৈ ভাল পাওঁ। স্ফূৰ্তি কৰি ভাল পাওঁ। বিহু, ঈদ, পূজা, খ্ৰীষ্টমাছ, মুঠৰ ওপৰত ভাল ভাল বস্তু খাবলৈ আৰু স্ফূৰ্তি কৰিবলৈ পালেই মোৰ ভাল লাগি থাকে। — কাখেলীয়ে গুজুক্‌কৈ মাজতে ক'লে। হাঁহিত ৰজন্‌জনাই গ'ল লাউঞ্জটো।

'পৃথিৱীখন যদি ঠিক এনেকুৱাই হ'লহেঁতেন....' ৱাৰ্ডেনে হঠাতে বিষণ্ণ মনেৰে ক'লে। ৱাৰ্ডেনৰ আপুৰুগীয়া প্ৰসন্ন মুখখনলৈ হঠাতে অলপ কৰুণ ছাঁ আহি খেলি গুচি গ'ল।

✧ ✧ ✧

ভাস্বতী জীৱনত ইমান অস্থিৰ কেতিয়াও হোৱা নাছিল। গায়ত্ৰীয়ে পুৱাই উৎফুল্ল হৈ হাত এখন ধৰি টানি নি কৈছিল— 'অই সাংঘাতিক খবৰ এটা আছে। তই মনে মনে কেতিয়া উদীপ্তৰ বুকুত কাঁড় মাৰি সুমুৱাই থ'লি! ময়েই গম নাপালো! 'কি কৈছ মই বুজা নাই গায়ত্ৰী!' ভাস্বতী সঁচাকৈ আচৰিত হৈছিল। 'ইস্— একো নাজানেই!' গায়ত্ৰীয়ে জিভা উলিয়াই সিএগ্ৰাৰি দিলে। 'কালি আমাৰ মাৰ আগত উদীপ্তদাই কৈ দিছে— 'এবাৰ ভাস্বতীলৈও তোমালোকে মোৰ কইনা হ'বলৈ প্ৰস্তাৱ নপঠোৱা কিয়? মিছায়ে কিয় মোৰ বাবে ভাল ছোৱালী বিচাৰি হাবাথুৰি খাই আছা?'

— কি!

— ইস্— তই গম নাপাৰ নেকি!

— না-নহয় গায়ত্ৰী, ক'ৰবাত ভুল হৈছে।

— নাই হোৱা। ময়ো দেখিছো, প্ৰকাশ নকৰিলেও উদীপ্তৰ প্ৰতি তোৰ ভালপোৱা আছে-আছে— যেনেকৈ অপ্ৰকাশিত হৈ তাৰো আছিল ইমান দিনে।

— কিন্তু উদীপ্তই কেতিয়াও এই কথা নক'লে মোক।

— সি তোক লগ পোৱাৰ প্ৰথম দিনাই অন্যমনস্ক হৈ পৰিছিল। এইকথা কেৱল মই উপলব্ধি কৰিছিলোঁ। সি তোক আমাৰ ঘৰত থৈ সেইদিনা নিজে নাহিল মনত আছেনে? মই পিচদিনা এনেই ধেমালিতে সুধিছিলোঁ— কি, মোৰ বান্ধৱীয়ে তোক গালি পাৰিলে নেকি যে তই কালি আমাৰ ঘৰলৈও নাহিলি! সি কৈছিল— 'গালি পাৰিছিল, কিন্তু সেইবোৰ ইয়াত সোমাই ওলাই যাব নোৱাৰা হ'ল'— এইবুলি তাৰ বুকুখন দেখুৱাইছিল। মই তই কিবা দুখ দিয়া কথা ক'লি বুলি ভাবিছিলো, তই আকৌ যিহকে মন যায় ফচ্‌কৈ কৈ দিয় নহয়!' ভাস্বতীৰ চকুৰ আগত ভাঁহি উঠিল চাহ-বাগিচাৰ মাজেৰে যোৱা এটা লুংলুঙীয়া বাট। আগে আগে বেপৰোৱা খোজেৰে অ'লৈ-ত'লৈ শিলগুটি দলিয়াই গৈ থকা উদীপ্ত। সি পিন্ধি থকা পাৱাৰ শ্বুৰ চাপ বৰষুণ দি কুমলি থকা মাটিত পৰি গৈছিল। তাইৰ বুকুতো সেই চাপ পৰিছিল নেকি! উদীপ্তৰ গভীৰ চকু, উদীপ্তৰ ঈষৎ হাঁহিৰে কৰা কটাক্ষ, তাইৰ পিঠিখন তিতা চুলিৰে তিয়াই পেলোৱাত ব্লাউজ স্বচ্ছ হৈ পৰাতো উদীপ্তই সহ্য কৰিব পৰা নাছিল। ভালপোৱাজনক হে ইমান আলফুলে সকলোৰে দৃষ্টিৰ পৰা আঁতৰত ৰাখিব খোজে। উদীপ্তই সেয়াই কৰিছিল। উদীপ্তক দেখিলে ভাস্বতীৰো বুকুত ঢৌৰ সৃষ্টি হৈছিল অজানিতে। সেয়া তাই অস্বীকাৰ কৰিব পাৰিব জানো! ভালপোৱাৰ বাবে শব্দ নালাগে, আলাপ নালাগে। কিছুমান মুহূৰ্তই সকীয়াই থৈ যায় ভালপোৱাৰ কথা। নিঃশব্দে, নীৰৱে কিছুমান ক্ষণে স্বাক্ষৰ কৰে ভালপোৱাৰ অনুভৱ। হয়তো এয়া ঘটিছিল। কিন্তু ভাস্বতী প্ৰদ্যুতৰ প্ৰেমিকা।

প্ৰদ্যুতৰ দীৰ্ঘ অনুপস্থিতি, প্ৰদ্যুতৰ প্ৰতি থকা অভিমানে ভাস্বতীক এখন্তেকৰ বাবে উদীপ্তৰ প্ৰতি মনোযোগী কৰি তুলিছিল। কিন্তু এইবিষয়ে কোনো কথা-বতৰাই হোৱা নাছিল।

— কি হ'ল? মুখেৰে নমতা হ'লি যে! বাঃ ইম্মান ভাল লাগিব, তই মোৰ নবৌ হৈ যেতিয়া আহিবি, মই কি বুৰ্বক ভাবচোন, তহঁতৰ কথাবোৰ গমেই নাপালো....

ভাস্বতী এইবাৰ গহীন হৈ গ'ল। তাই গম্ভীৰ কণ্ঠে ক'লে— 'গায়ত্ৰী, তই পাগলামী নকৰিবি। চা, কথাবোৰ তই ভবাৰ দৰেই নহয়। মই বহুদিনৰ পৰাই এজনৰ বাক্‌দত্তা।'

গায়ত্ৰী স্তম্ভিত হৈ গ'ল। 'মই বিশ্বাস নকৰোঁ। তই পলাবলৈ এইদৰে কৈছ। তোক আমি কোনোদিন কাৰো সৈতে দেখা নাই কিয়? মিছা-মিছা....'

— নহয়— সঁচা। তেওঁ আনৰ দৰে নহয়। ঘনাই প্ৰেমিকাক লগ কৰা, প্ৰেমালাপ কৰা, এনেকুৱা কথাবোৰত তেওঁ অভ্যস্ত নহয়। মুঠৰ ওপৰত এটা জংঘলী মানুহ, যি মন যায় তাকে কয়, স্ফূৰ্তি কৰে, মোক জ্বলাই মাৰে, খুহুতীয়া কথা কয়, জীৱনবোধ বৰ ৰসাল তেওঁৰ.... কথাবোৰ কওঁতে ভাস্বতী বোধহয় দৃষ্টিকটুভাৱে আত্মহাৰা হৈছিল। গায়ত্ৰী এইবাৰ গম্ভীৰ হৈ গৈছিল। তাই তৎক্ষণাৎ কৈছিল 'হৈছে, তোৰ প্ৰেমিকৰ কথা শুনিবলৈ মই বিচৰা নাই। মই বিশ্বাস কৰিছো এতিয়া। ভুল হৈ গ'ল। বেয়া নাপাবি। উদীপ্তদাই এইবাৰহে সঁচাকৈয়ে অন্তৰত দুখ পাব...' একমুহূৰ্তও নোৰোৱাকৈ গায়ত্ৰী গুচি গৈছিল। ভাস্বতীয়ে কেবাবাৰো মাতিলতো গায়ত্ৰীয়ে ঘূৰি নাচালে। প্ৰস্তৰ মূৰ্তিৰ দৰে ভাস্বতী ৰৈ থাকিল। তাই কাকো জানি বুজি অন্তৰত দুখ দিবলৈতো যোৱা নাই! উদীপ্তৰ সৈতে কোনো দিন প্ৰতিশ্ৰুতিবদ্ধ হোৱা নাছিল, তেন্তে! এইদৰেতো বহুতেই প্ৰস্তাৱ পঠাব পাৰে! নাকচ কৰা মানেই অপমান জানো! প্ৰত্যাখ্যান কৰাৰ অধিকাৰ তাইৰ নাই জানো? এনেকুৱা বহু ল'ৰা-ছোৱালী তাই দেখিছে, যি একে সময়তে দুই-তিনিজন প্ৰেমিক-প্ৰেমিকাক কথা দি ঘূৰি ফুৰে। তাই এনে কৰা নাই। উদীপ্ত যদি ভালপোৱাক সন্মান দিব পৰা ল'ৰা হয়, তেন্তে ভাস্বতীৰ কথাত নিশ্চয় বেয়া নাপায়। ভাস্বতীৰ মনটো বিমৰিষ হৈ গ'ল। জীৱনৰ কি যে অনাহুত হৃদয়জনিত সমস্যা কিছুমান! পুৰণি এলবামৰ ফটোৰ দৰে। পেলাই দিওঁ বুলিও পেলাব নোৱাৰি। নাচালেও সাঁচি থ'ব লগা হয়।

ঠিক সেইদিনাই হঠাৎ আবেলি প্ৰদ্যুৎ ধুমুহাৰ দৰে হোষ্টেল ওলালহি। 'ব'লা, এপাক ঘূৰি আহোঁ।' প্ৰদ্যুতৰ স্বাভাৱিক ভংগী। 'অসম্ভৱ গধূলি ছয় বজাত জন্মাষ্টমীৰ মিটিং দিছোঁ। এতিয়া চাৰিটা বাজি গ'ল। তোমাৰ পাল্লাত পৰিলে— ছয় বজাৰ আগত সোমাবহি নোৱাৰিম।' প্ৰদ্যুৎ আঁকোৰ-গোজ। অগত্যা ভাস্বতী মাত্ৰ এঘণ্টাৰ বাবে ব্ৰহ্মপুত্ৰৰ পাৰৰ নিৰ্দিষ্ট ঠাইখিনিলৈ যাবলৈ বাধ্য হ'ল।

— তোমাক এজন ল'ৰাৰ বিষয়ে ক'ব লগা আছে। ভাস্বতীয়ে কওঁ-নকওঁকৈ ক'লে।

— কোৱা, মই তোমাৰ কোলাত মূৰ থৈ শুনো দিয়া, কোনোবা ল'ৰাৰ কথা। এইবুলি সঁচাকৈয়ে প্ৰদ্যুৎ ভাস্বতীৰ কোলাত মূৰ থৈ দীঘলকৈ ভৰি মেলি দিলে।

— হেই— কি কৰিছা!

— একো কৰা নাই। খোলা জগতত, খোলা আকাশৰ তলত, মাটিৰ শয্যাত দেহ পেলাই মূৰটো তোমাৰ কোলাত থৈছোঁ। কি হ'ল তাত! অশ্লীল!— আপত্তি কিবা আছে নেকি! ভাস্বতীয়ে জানে, প্রদ্যুতৰ সৈতে এইবোৰত তর্ক কৰি লাভ নাই। তাই উদীপ্তৰ কথাবোৰ কৈ গ'ল। অলপ সময়ৰ পিচত ভাস্বতীয়ে মন কৰিলে প্রদ্যুৎ সঁচাকৈয়ে টোপনি গৈছে। তাইৰ খং উঠি গ'ল। 'হেই— মই কি কৈছো শুনিলানে!' হেঁচুকি উঠাই দিলে তাই।

— এওঁামুৰি এটা দি প্রদ্যুতে ক'লে— উদীপ্তৰ কথা আগতেও কৈছা তুমি। মই বুজা নাই তোমাৰ এয়া কি সমস্যা! সি এটাত ডেকা ল'ৰা— ফেঁচী— দেখিবলৈ বেয়া হ'লেও তোমাৰ 'ছাৰ্ম' এটা আছে। তাতে কি নহ'ব লগা কথা হ'ল? সি সুধি চালে, তুমি 'না' ক'লা। খেলা-খতম্। এনে মুহূর্ত এটা এইবোৰ কথা কৈ তেনেই গেলাই পেলালা তুমি। পিচতহে উদীপ্তই আচল হাঁহিটো মাৰিব।

— মানে! ভাস্বতী আচৰিত হ'ল।

— মানে কি আৰু। উদীপ্তই ভাবিব, এইজনীক বিয়া নকৰাই ভাল ৰক্ষা পৰিলো দেই। মোক দেখি মনে মনে ক'ব— পা মজাটো তই।

ভাস্বতীয়ে প্রদ্যুতৰ কাণ এখন মুচৰি দিলে।

— কি! মই কি কৰিম তোমাক?

— এয়া, এতিয়াই সমজুৱাকৈ মোৰ কাণত ধৰিলাই! কিন্তু তোমাৰ কোলাত শুবলৈ ভাল। মোৰ গাবলৈহে মন গৈছে— মেলিলো প্রথম চকু তোমাৰ কোলাত মই, জীৱনৰ চেঙেলী পুৱাত, মুদিম চকু তোমাৰ কোলাত শুই, জীৱনৰ শেষ সন্ধিয়াত... ভাস্বতীয়ে হাঁহিত ৰ'ব নোৱাৰি সুধিলে— চেঙেলী পুৱা কি!

— এই ধৰা, চেঙেলীয়া কালত আমি নাই জানো? গতিকে পুৰণা বিখ্যাত কবিতাটো সাল-সলনি কৰিলোঁ।

এনে এটা সন্ধিয়াৰ সময় কেনেকৈ পাৰ হৈ যায় ক'ব পাৰি জানো? অৱশেষত পলমকৈ হোষ্টেলত সোমাই জন্মাষ্টমীৰ মিটিং আৰম্ভ কৰিব লগা হ'ল। ৱাৰ্ডেনক ফাকি দিলে। ভাস্বতীৰ টোপনি অহা নাই কথাবোৰ ভাবি। ইকাটি-সিকাটিকৈ ভাস্বতীয়ে কেবাবাৰো বাগৰ সলালে। কথাছবিৰ দৰে এটা এটাকৈ দৃশ্য চকুৰ আগেৰে পাৰ হৈ গ'ল। এটা নির্জন চাহ-বাগিচাৰ ৰাস্তাত প্রথম লগ পোৱা উদীপ্তক; তাই দুখ দিব পৰাকৈ কাষ চাপিছিল জানো? উদীপ্তক তাইৰ ভাল লাগে, কিয় লাগে ক'ব নোৱাৰে। কিন্তু বিয়া! উদীপ্তক জীৱন-সংগী কৰি লোৱাৰ কল্পনা তাই কেতিয়াও কৰা নাছিল। কিন্তু প্রদ্যুৎ যদি সঠিক সময়ত তাইৰ ওচৰলৈ উভতি নাহিলহেঁতেন— তেতিয়া! ক'ব-নোৱাৰে ভাস্বতীয়ে। সঁচা কথা ক'বলৈ গ'লে তাইৰ প্রদ্যুতকো বিয়া কৰাবলৈ মাজে মাজে মন নাযায়। এই স্মৰণীয় ক্ষণবোৰৰ মাধুর্য বৈবাহিক বন্ধনে বান্ধি ৰাখিব পাৰিব জানো? এই স্বাধীন জীৱন বৈবাহিক দাসত্বই মন্থৰ কৰি পেলাব নেকি বাৰু! ক'বনে প্রদ্যুতে সদায়, তোমাৰ কোলাত শুবলৈ ভাল। ক'বনে তেতিয়াও— ভাস্বতী, এই নদীখনলৈ ঈর্ষা হয় মোৰ। কিন্তু এতিয়া ভাস্বতীৰ

ওভোটাৰ পথ নাই। এই মুহূৰ্তত প্ৰদ্যুতক বাদ দি তাই জীয়াই থকাৰ কল্পনাই কৰিব নোৱাৰা হৈ আছে। ভৱিষ্যৎ বস্তুটোৱেই এখন ৰঙীণ চিলা। উৰুৱাই দি ভাল লাগে। কোনো চিলা উৰাওঁতাই আশা নকৰে চিলাখন যিকোনো মুহূৰ্তত য'তে-ত'তে লাগি ফাটি-চিটি ও যাব পাৰে বুলি।

✧ ✧ ✧

মেট্ৰন বাইদেউৱে হঠাতে ভাস্বতীক মাতি নিয়ালে তেওঁৰ কোঠালৈ। এইকেইদিন অসুখতে মানুহজনী শুকাই-ক্ষীণাই গৈছে। ভাস্বতীয়ে তেওঁক ক'লে— 'বাইদেউ, আপুনি খোৱা-বোৱা ভালকৈ কৰা নাই। ঔষধে কেৱল আৰোগ্য নকৰে নহয়। পথ্যও লাগিব।'

শীৰ্ণ হাঁহি মাৰি মেট্ৰনে ভাস্বতীলৈ চাই ক'লে 'বহা'। তোমাক এটা বস্তু দেখুৱাওঁ ভাস্বতী— কথাটো গোপন, কাকো যেন নোকোৱা। 'কওক বাইদেউ—' ভাস্বতীয়ে অপাৰ কৌতূহলেৰে মেট্ৰনৰ ফালে চাই ৰ'ল।

মেট্ৰ'নে পুৰণি ট্ৰাংকটো খুলি এটা কাগজেৰে মেৰিউওৱা টোপোল কঁপা হাতেৰে ভাস্বতীলৈ আগবঢ়াই দি ক'লে— 'মোৰ বৰ অসুখ হৈ থকা হৈছে। এইটো মোৰ আপুৰুগীয়া সম্পদ। মই কেতিয়াবা হঠাতে মৰিলে তোমালোকৰ দৰে বিশ্বাসী ছাত্ৰী নাপাবও পাৰোঁ। নহ'লে ক'লোহেঁতেন, মোৰ চিতাৰ সৈতে পুৰি পেলাবলৈ। এতিয়া জীয়াই থাকোঁতেই সৎকাৰ কৰিব খুজিছোঁ। তুমি এই টোপোলাটো ব্ৰহ্মপুত্ৰত উটুৱাই দিব পাৰিবানে!'

ভাস্বতীয়ে অবাক হৈ সুধিলে— কি বস্তু এয়া বাইদেউ?

মেট্ৰ'নে কিছুপৰ নীৰৱে থাকিল, তাৰ পিচত লাহে লাহে অস্পষ্টভাৱে ক'লে— 'মই ক'ব খোজা নাই, কিন্তু যিহেতুকে তোমাক টোপোলাটোৰ দায়িত্ব দিছোঁ, এই বিষয়ে কোৱাতো মোৰ নৈতিক দায়িত্ব। মই এতিয়া ক'লৈকো যাব পৰা অৱস্থাত নাই— নহ'লে ময়ে এই কাম কৰিলোহেঁতেন।' মেট্ৰন আকৌ নীৰৱে ৰ'ল। 'বাইদেউ আপুনি একো নক'লেও মই এই দায়িত্ব পালন কৰিম।'

— নহয় ভাস্বতী, ক'ম তোমাক। মই বৰ ধনী ব্যৱসায়ী এজনৰ ছোৱালী আছিলোঁ। আমাৰ কাঠৰ মহল আছিল কেবাটাও। পিচে ত্ৰিশবছৰমান আগতে মই অতি সৎ আৰু সাহসী স্বভাৱৰ দেউতাৰ মহল চম্ভালি থকা যুৱক এজনৰ প্ৰেমত পৰিলোঁ। বহু হকা-বাধা ভাবুকিৰ পিচতো মোক দেউতাই আন দৰাৰ সৈতে বিয়াত বহুৱাব নোৱাৰিলে। এদিন হঠাতে তেওঁ নিৰুদ্দেশ হ'ল গভীৰ অৰণ্যত। কিছুদিন পিচত তেওঁ পিন্ধি থকা চোলা আৰু হাবিলৈ যাওঁতে পিন্ধা টুপীটো এজন মানুহে আনি আমাক দিলেহি। তেওঁৰ মৃতদেহ বিহীন এই ফটা চোলা কেনেকৈ অৰণ্যত পোৱা গ'ল তাৰ ব্যাখ্যা কোনেও নিদিলে। পুলিচ, থানাৰ মানুহ আমাৰ দেউতাৰ বন্ধু, তেওঁলোকেও ক'লে, কোনো জন্তুৰ চিকাৰ হ'ল তেওঁ। এজনে ক'লে তাক চিপজৰী লোৱা অৱস্থাত পোৱা গৈছিল হাবিৰ মাজত। এজন বিশ্বাসী লগুৱাই মোক ক'লে, তেওঁক আচলতে মাৰি পেলোৱা হ'ল। যি হওক, কোনোবা

এটা শনিবাৰত এই বস্তুখিনি আমাৰ ঘৰলৈ আহিছিল। লণ্ডবাটোক বাৰীৰ বাহিৰত বস্তুবোৰ পুৰিবলৈ কৈছিল। মই তেওঁৰ চোলাৰ এটুকুৰা আৰু টুপীটো লণ্ডবাটোক কৈ মনে মনে থৈ দিলোঁ। মই নৰ্মাল পঢ়িবলৈ ওলাই আহিলোঁ ঘৰৰ পৰা। ঘৰলৈ কেতিয়াও উভতি নগ'লোঁ। মা ঢুকাওঁতে গৈছিলোঁ। দেউতা ঢুকাওঁতে নগ'লোঁ। ভনী দুজনী আৰু ভাইটীৰ বিয়াতো মই নগ'লোঁ। এয়াই এই টোপোলাটোৰ কাহিনী। যোৱা পঁচিশ বছৰ মই এই টোপোলাটো মোৰ লগতে লৈ ফুৰিছোঁ। আজি আবেলিয়েই তুমি এইটো উটুৱাই দিয়াগে। মোৰ অবিহনে এই টোপোলাটোৰ আলাই-এথানি হ'লে বেয়া লাগিব।' মেট্ৰন বাইদেউৱে আনৰ কাহিনী কোৱাৰ দৰে কথাবোৰ অলপো বিচলিত নহৈ কৈ গ'ল। প্ৰস্তৰ মূৰ্তিৰ দৰে টোপোলাটো হাতত লৈ ভাস্বতী ৰৈ থাকিল। ধুনীয়া ৰঙীন কাগজেৰে সুন্দৰকৈ বান্ধি থোৱা এটা টোপোলা। মেট্ৰন বাইদেউৱে কোনোবা শনিবাৰ এটাত এই কাপোৰখিনি পাইছিল। তাৰমানে প্ৰত্যেক শনিবাৰে তেওঁ প্ৰেমিকৰ স্মৰণত থাপনাত প্ৰাৰ্থনা জনায়! সুধিম বুলিও ভাস্বতীয়ে কথাষাৰ নুসুধিলে। কিছুমান ব্যক্তিগত স্পৰ্শকাতৰ কথা সুধি আঘাত পুনৰাই দিয়া অনুচিত। ভাস্বতীয়ে ক'লে— আজিয়েই মই এই কাম কৰিম বাইদেউ চিন্তা নকৰিব। আৰু আপোনাক কথা দিছোঁ, এই কথা কোনেও নাজানিব।' টোপোলাটোৰ ওপৰত এবাৰ আলফুলে মেট্ৰন বাইদেউৱে হাতখন থৈ ভাস্বতীক ক'লে— 'যোৱা, তোমাক আশীৰ্বাদৰ বাহিৰে দিবলৈ মোৰ একো নাই।'

ভাস্বতীয়ে আৱেগিক হৈ মেট্ৰন বাইদেউৰ চৰণ স্পৰ্শ কৰিলে। মানুহৰ হৃদয়ত ইমান কৰুণ সৌন্দৰ্য থাকে বুলি ভাস্বতীয়ে আগতে কেতিয়াও জনা নাছিল।

✧ ✧ ✧

হঠাতে এটা চিঞৰ শুনি ভাস্বতী চক্ খাই উঠিল। কোনোবাই যেন চিঞৰিছে। চিৰিৰে উঠা-নমা কৰিছে ভৰিৰ খোজ। ভাস্বতীৰ টোপনি অহা নাই। এয়া বিভ্ৰান্তি নহয়তো! গভীৰ নিশা হোষ্টেলৰ সকলো শুই নিঃপালি দিছে। কোনে চিঞৰিব পাৰে! ভাস্বতীয়ে গাৰুৰ কাষত থোৱা পেঞ্চিল টৰ্চটো উলিয়াই টেবলুত থকা ঘড়ীটো চালে। দুটা বাজিবলৈ পোন্ধৰ মিনিট আছে। ভাস্বতীয়ে কাষৰ বিছনাত শুই থকা কৃষ্ণাক জগালে।

— 'উঠচোন— কৃষ্ণা— এই-কৃষ্ণা' কৃষ্ণাৰ সহজে টোপনি নভঙাত ভাস্বতীয়ে সৰ্বশক্তিৰে তাইক জোকাৰি দিলে। ভয়াৰ্ত চিঞৰ এটা মাৰি কৃষ্ণা বিছনাত উঠি বহিল। 'মইহে— কৃষ্ণা, শুনচোন ক'ৰবাত চিঞৰ-বাখৰ হোৱা নাইনে?' কৃষ্ণাই খঙত একো নাই হৈ ক'লে— 'তোৰ মূৰত ভূত লম্ভিছে। মই একো নাই শুনা। মিছা-মিছি টোপনি ভাঙি দিলি!' ঠিক তেনেতে স্পষ্টভাৱে কোনোবা নাৰী কণ্ঠই চিঞৰি দিলে— 'এৰি দে মোক— এৰি দে বুলিছো নহয়...।' ক'ৰবাত প্ৰতিধ্বনি হৈ শব্দটো হেৰাই গ'ল। কোঠাৰ দুৱাৰত এইবাৰ 'ঢক্-ঢক্' কৈ কোনোবাই ঢকিয়াবলৈ ধৰিলে। কৃষ্ণাই ভাস্বতীৰ হাত এখন খামোচ মাৰি ক'লে— 'কি হৈছে এইবোৰ!' ভাস্বতীয়ে লাইট জ্বলালে। দুৱাৰ খুলি দেখিলে,

দুজনী জুনিয়ৰ ছোৱালী স্নিগ্ধা আৰু অপৰাজিতা। সিহঁতে ভয়াৰ্ত কণ্ঠেৰে ক'লে— 'ভাস্বতী বাইদেউ, বেগেতে চাদৰৈ ব'লক। তৰালিয়ে চুইচাইদ কৰিব খুজিছে। ভাগ্যে আমি সাৰে আছিলোঁ। আচলতে অলপ দিনৰ পৰা আমি কিবা এটা সন্দেহ কৰিয়েই আছিলোঁ...' কথাবোৰ ওপৰা-উপৰিকৈ দুয়োজনীয়ে উশাহ নসলোৱাকৈ ক'লে। ভাস্বতীয়ে পাতল নাইটিৰ ওপৰত, আঁঠুৰাৰ ষ্টেণ্ডৰ মূৰত ওলোমাই থোৱা ড্ৰেছিং গাউনটো শৰীৰত মেৰাই শুদা ভৰিৰেই দৌৰি ওলাই গ'ল। পিচে পিচে কৃষ্ণাও গ'ল। দৌৰি দৌৰি সিহঁত অকাই-পকাই উঠা চিৰিৰে চাদলৈ ঢাপলি মেলিলে।

প্ৰায় চাৰি-পাঁচজনী ছোৱালীয়ে হেঁচা মাৰি তৰালিক ধৰি আছে। দুজনীমানে বুজাইছে দুজনীমানে মূৰত পানী দিছে। ফৰিংফুটা জোনাক নিশা এই অকল্পনীয় দৃশ্যই এক ভৌতিক অনুভৱ সঞ্চাৰ কৰিছে চাৰিওফালে। তৰালি চাদৰ ওপৰত বহি কান্দি আছে আৰু চিঞৰিছে— 'তহঁত কোন মোৰ কামত দখল দিবলৈ ? এৰি দে মোক— লাজ নালাগে তহঁতৰ ! শান্তিৰে মোক কোনেও জীয়াই থাকিবলৈও নিদিয়ে, মৰিবলৈও নিদিয়ে.... ।'

ভাস্বতী স্তব্ধ হৈ গ'ল। তৰালিৰ দেহত ইমান শক্তি আহিল ক'ৰ পৰা ! পাঁচ-ছজনী ছোৱালীক অকলেই ওফোৰাই দিছে। উন্মাদ তৰালিক সৰ্বশক্তিৰে সাবটি থকা চেলিমাৰ পেটত তৰালিয়ে আঁঠুৰে প্ৰচণ্ড খুন্দা এটা দিলে। 'ইয়া আল্লা' বুলি চেলিমা উফৰি পৰিল। লগে লগেই চেলিমাই পেটত হাত দুখনেৰে খামোচ মাৰি বহি পৰিল। তৰালি নামৰ মিঠাবৰণৰ, ধুনীয়া চকুযুৰিৰে এই ছোৱালীজনীৰ ভয়ানক মূৰ্তি দেখি ভাস্বতীও এখোজ পিচহোঁহকি গ'ল। চেলিমাৰ অৱস্থা দেখি তৰালিক সজোৰে ধৰি থকা আটাইকেউজনী ছোৱালী আতংকিত হ'ল। তৰালিয়ে বাৰে বাৰে উফাল মাৰি চাদৰ ৱালখনত থিয় হ'ব খুজিছে। সুউচ্চ অট্টালিকাৰ চাৰিমহলাৰ ওপৰৰ পৰা ঋজু দেহৰ তৰালিয়ে জঁপিয়ালে মুহূৰ্ততে হাঁহকণীৰ দৰে ভাগি যাব সেই কথা নিশ্চিত। মৃত্যুৰ বাবে হোৱা এই ভয়ংকৰ উন্মাদনাৰ শক্তি দেখি ভাস্বতীয়ে এক অদ্ভুত কঁপনি নিজৰ দেহতো অনুভৱ কৰিলে। কিন্তু পিচমুহূৰ্ততে ভাস্বতী দৌৰি গৈ এক আচৰিত কাণ্ড কৰিলে। পুৰ্ণহতীয়া চাৰিটা চৰ তৰালিৰ গালত অতি নিৰ্মমভাৱে তাই বহুৱাই দিলে। তৰালি প্ৰায় বেহুঁচ হৈ ঢলি পৰিল। মুহূৰ্ততে হুৱা-দুৱা লাগিল। ইতিমধ্যে তলৰ পৰা ৱাৰ্ডেন, চকীদাৰ সকলো উঠি আহিল। বেহুঁচ তৰালিৰ গাত কোনোবাই এবাল্টি পানী ঢালি দিলেহি। ৱাৰ্ডেনে ডাক্তৰ মাতিবলৈ চকীদাৰক পঠিয়ালে। সকলোৰে তৰালিক দাঙি কোঠালৈ আনিলে। তৰালিয়ে মুখৰে বিৰ্-বিৰাই কৈ থাকিল অৰ্দ্ধচেতন অৱস্থাত। 'ৰঞ্জিত, ৰঞ্জিত.... তোমাৰ বাবে মই সকলো এৰি যাম— সকলো.....।' ভাস্বতীয়ে হুমুনিয়াহ কাঢ়িলে। হৃদয়জনিত যন্ত্ৰণা। এজনী একৈশ বছৰীয়া ছোৱালীৰ বাবে কেনেকৈ যে জীৱনৰ অৰ্থ শূন্য হৈ পৰে এনেবোৰ কাৰণতে! বিস্ময়কৰ !

সম্পূৰ্ণ এটা দিন চোকা পহৰা আৰু জিৰণিৰ মাজেৰে তৰালি ক্ষান্ত হ'ল যদিও মাত-বোল, খোৱা-বোৱা একো কৰা নাই। ডাক্তৰে টোপনিৰ ঔষধ আৰু বেজী দিছে।

ৱার্ডেনে তৰালিৰ ঘৰলৈ ফোন কৰিব খুজিছিল যদিও ভাস্বতীহঁতে অনুৰোধ কৰিলে এয়া নকৰিবলৈ। হোষ্টেলত সমনীয়াৰ পৰিচর্যাত তৰালি যিদৰে সুস্থ হ'ব, সেইদৰে ঘৰত নহ'বও পাৰে। তাৰোপৰি সুদূৰ নগাঁৱৰ পৰা ডিব্ৰুগড়লৈ উধাতু খাই আহিবলৈ তৰালিৰ একমাত্ৰ দেউতাক আছে। মাতৃহীনা তৰালিক দেউতাক আৰু আইতাকে চকুৰ পতাৰে ঢাকি ডাঙৰ কৰিছে। মাহত দুবাৰমানকৈ আইতাকে তাই ভালপোৱা খাদ্য টেমাত ভৰাই চিনাকি ট্ৰেন্সপ'র্ট বাছ ড্ৰাইভাৰৰ হাতত পঠিয়াই। এনেকুৱা আদৰত ডাঙৰ-দীঘল হোৱা তৰালিৰ এই উন্মাদনা, খং, হিতাহিত জ্ঞানশূন্য অৱস্থা নিয়ন্ত্ৰণ হোৱা সম্ভৱ এই হোষ্টেলতহে। কথাবোৰ বুজাই কোৱাত, ৱার্ডেন পতিয়ন গ'ল! সর্বশেষত সিদ্ধান্ত হ'ল, তৰালিক একমুহূর্তৰ বাবেও অকলশৰীয়া কৰা নহ'ব। আৰু তৰালিয়ে বাথৰুমৰ দুৱাৰত হুক্ লগাব নোৱাৰাকৈ বাথৰুমৰ দুৱাৰৰ ভিতৰফালৰ খিলি ভাঙি দি, গজাল লগাই এডাল ৰছী লগাই দিয়া হ'ল।

এইদৰে প্ৰায় এমাহ পাৰ হৈ গ'ল। তৰালিৰ আগৰ অৱস্থা লাহে লাহে ঘূৰি আহিল। চেলিমাই মাজে মাজে তাইক কয়, 'তোৰ গোৰত সেইদিনা মইহে সিপুৰী পাবগৈ লাগিছিল। তোৰ মই লগ নেৰিছোঁ।' তৰালিয়ে লাজ কৰি হাঁহি কয়— তই মোকো নামাৰিলি কিয়? চেলিমাই কয়, ভাস্বতীয়ে চাৰি চৰ দিয়া তোৰ মনত নাই! তৰালিয়ে অন্যমনস্কভাৱে কয়— মই বৰ লাজ পাইছো চেলিমা!

ভাস্বতীহঁতৰ চূড়ান্ত পৰীক্ষা কাষ চাপি আহিল। হোষ্টেল প্ৰায় নিস্তব্ধ হৈ থাকে সকলো সময়ত।

নিশা এঘাৰমান বজাত ভাস্বতীৰ দুৱাৰত কোনোবাই আলফুলে শব্দ কৰিলে। ভাস্বতীয়ে শব্দটো শুনি পঢ়ি থকাৰ পৰাই ক'লে— 'কাম ইন্।'

দুৱাৰ থেলি সোমাই আহিল তৰালি। বেছ উৎফুল্ল চেহেৰা। ভাস্বতী সেই সময়ত তৰালিক দেখি আচৰিত হ'ল। কোনো পাতনি নেমেলি তৰালিয়ে ক'লে— 'বাইদেউ, আপোনাক মই ধন্যবাদ দি সৰু নকৰো, কৃতজ্ঞতা যাচি সৌজন্যতাও নেদেখুৱাওঁ। কিন্তু আপোনাক কথা দিলোঁ, মই এনে কাম কেতিয়াও নকৰোঁ আগলৈ।' ভাস্বতী পঢ়ি থকাৰ পৰা উঠি আহি তৰালিক এহাতেৰে সাবটি ধৰিলে।

'তোমাৰ দেউতা-আইতাৰ মুখখন মনত পেলোৱা হ'লে তুমি এনে কাম কৰিবলৈ কেতিয়াও নগ'লাহেঁতেন।'

— নহয়— মই এতিয়া আপুনি, মোৰ ৰুমমেট, বান্ধৱীকেইজনীৰ বাবে এই বেয়া চিন্তা বিসর্জন দিলোঁ। আৰু এটা কাৰণ আছে অৱশ্যে...

— কি কাৰণ তৰালি?

— আমাৰ পশ্চিমফালে থকা ৱালৰ চুকৰ বজ্ৰপাতত মৰি যোৱা আমলখি জোপা দেখিছেনে?

— দেখিছো— আচলতে বজ্ৰ পৰিছিল ৱালৰ সিপাৰে থকা মুকলি পথাৰখনৰ স্কুল ঘৰটোত। আমলখি জোপাত চিটিকণি পৰিছিল।

— যি নহওক, সেইজোপা দেই-পুৰি মৰি গৈছিল। আজি পুৰা অকস্মাতে মই মন কৰিলো গছজোপাত দুটা এটা পাত ওলাইছে। যদি বজ্ৰাঘাতত মৃতপ্ৰায় হোৱা গছজোপাত নতুন কুঁহিপাত ওলাই, মই জীৱনটো নতুনকৈ কিয় আৰম্ভ কৰিব নোৱাৰিম?' ভাস্বতীয়ে তৰালিক টানি আনি কপালত চুমা এটা খালে। তৰালিয়ে থোকা-থুকি মাতেৰে আকৌ ক'লে— 'ৰঞ্জিতৰ মৃত্যু হৈছে মোৰ বাবে। মই ৰঞ্জিতক কেতিয়াও ভালপোৱা নাছিলো। মই সপোনত ৰঞ্জিতক লগ পাইছিলো— এতিয়া সপোন নহয়, মই দিঠকত থিয় হৈ আছোঁ— মই তৰালি। পৃথিৱীলৈ মই এনেয়ে অহা নাই, ৰঞ্জিতৰ জীৱনতকৈ মোৰ জীৱন কম মূল্যৰ নহয়। মই দেখুৱাম সেয়া। বহুবছৰ হাতত লৈ মই পৃথিৱীলৈ আহিছোঁ, মোৰ বাবেও সঞ্চিত আছে পৃথিৱীত বহু ক্ষণ, বহু মানুহ, ফুল-তৰা, নৈ-নিজৰা, পাহাৰ-পথাৰৰ সুন্দৰ শোভা। মই এইবোৰ একোৰে পৰা নিজক বঞ্চিত নকৰোঁ— নকৰোঁ।' তৰালি ওলাই গ'ল কোঠাৰ পৰা কথাখিনি কৈ।

ভাস্বতী কোঠাৰ পৰা বেলকনিলৈ ওলাই আহিল। দুই এঘৰ মানুহৰ ঘৰতহে লাইট জ্বলি আছে ৰাস্তাৰ সিপাৰে। এচাটি চেঁচা বতাহ এন্ধাৰতে আহি ভাস্বতীক স্পৰ্শ কৰি গ'ল। ৰঞ্জিতক ভাস্বতীয়ে ভালকৈ চিনি পায়। ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ ৰঞ্জিত এটা সুবিধাবাদী ল'ৰা। ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদক উঠিছিল। হাৰিলে। ৰঞ্জিত এটা বিশেষ ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ পৃষ্ঠপোষকতাত নিৰ্বাচনত থিয় দিছিল। পোন প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয়ত সি ভাড়াতীয়া গুণ্ডাৰ হতুৱাই প্ৰতিপক্ষক ভাবুকি দিছিল। প্ৰতিদ্বন্দ্বী সঞ্জয় গোহাঁইক সি আক্ৰমণো কৰোৱাইছিল গুণ্ডাৰ হতুৱাই। ৰাজনৈতিক ভৱিষ্যৎ এটাই ৰঞ্জিতক প্ৰায় উন্মাদ কৰি ৰাখিছে। ভৱিষ্যতে মন্ত্ৰী হোৱাৰ স্বপ্নত বিভোৰ ৰঞ্জিতৰ প্ৰেমত তৰালি কিদৰে পিচলি পৰিল ভাস্বতীয়ে বুজিব নোৱাৰে। যিদিনা এই কথা শুনিছিল ভাস্বতী অবাক গৈ গৈছিল। বাক্-পটু, কৃত্ৰিম বিনয়, সুদৰ্শন চেহেৰা, অত্যধিক ভদ্ৰতা আৰু কুটিল মন্ত্ৰণাত সিদ্ধহস্ত ৰঞ্জিতৰ ব্যক্তিত্বত ভৱিষ্যতৰ ৰাজনীতিকৰ যোল্লঅনা স্বভাৱ প্ৰকাশ পায়। তৰালিক ৰঞ্জিতেই প্ৰথম প্ৰেমৰ প্ৰস্তাৱ দিছিল। তৰালিও ৰাজনীতি বিজ্ঞানৰ ছাত্ৰী। ৰঞ্জিততকৈ এশ্ৰেণী তলৰ মাত্ৰ। তৰালিও আকৃষ্ট হ'ল। চাহ-বাগিচাৰ মাজত, নিৰ্জন লাইব্ৰেৰীৰ অব্যৱহৃত পুৰণা কিতাপ থোৱা কোঠাত, দুপৰীয়া ৰঞ্জিতৰ হোষ্টেলৰ ৰুমত তৰালি আৰু ৰঞ্জিত অভিন্ন হৈ গৈছিল। তৰালিৰ হৃদয়ৰ শূন্যতা ৰঞ্জিতে ভৰাই পেলাইছিল। আৰু এদিন হঠাৎ তৰালিয়ে অনুভৱ কৰিবলৈ ল'লে ৰঞ্জিত তাইৰ পৰা লাহে লাহে আঁতৰি গৈছে। এদিন হঠাতে তৰালিয়ে দেখিলে, তাইৰ একান্ত আপোন, চিনাকি ৰঞ্জিতৰ হাতখনে সাবটি আছে এজনী অন্য ছোৱালী। বান্ধৱী অপৰাজিতাৰ সৈতে চিনেমা চাবলৈ যোৱা ৰঞ্জিতাই বিস্ফোৰিত নয়নেৰে প্ৰত্যক্ষ কৰিলে, ঠিক তাইৰ কাণৰ ওচৰত কথা কোৱাৰ চলেৰে ওঁঠৰ স্পৰ্শ দিয়াৰ দৰে ৰঞ্জিতে ছোৱালীজনীৰ চুলিৰ আঁৰত মুখ সঞ্চালন কৰিছে। তাৰ পিচত দপ্ কৈ লাইট নুমাই গৈছিল। চিনেমা নাচাই পাগলীৰ দৰে কান্দি-কাটি তৰালি

গুচি আহিছিল। অপৰাজিতাই তৰালিৰ আত্মহত্যা প্ৰচেষ্টাৰ পিচদিনা ভাস্বতীক কথাবোৰ কৈছিল। ৰঞ্জিতে তৰালিয়ে নজনাকৈ জিলাখনৰ প্ৰভাৱশালী ৰাজনৈতিক নেতা এজনৰ ছোৱালীৰ সৈতে প্ৰেমৰ নতুন খেলা আৰম্ভ কৰিছিল। তৰালিয়ে ৰঞ্জিতক প্ৰত্যক্ষ অভিজ্ঞতাৰ বৰ্ণনা দি যেতিয়া ৰঞ্জিতৰ বাহুত ধৰি জোকাৰি পেলাইছিল, ৰঞ্জিতে শীতল কণ্ঠেৰে উত্তৰ দিছিল— 'অ' তুমি চোৰাংচোৱাগিৰি কৰিলা! ভালেই হ'ল, গম পালা যেতিয়া। তুমি আচলতে বৰ বেৰসিক, মইহে তোমাক কিছু ৰসাল কৰিলোঁ। তোমাৰ দেহটো নিজে নোচোৱা কিয়? অলপ ডাঙৰ বুকুৰ ছোৱালীৰ প্ৰতি মোৰ বৰ দুৰ্বলতা। তোমাৰ বুকুত দেখোন মোক হাত দিবলৈকে নিদিয়া, ইমান ওজৰ-আপত্তি প্ৰতিটো কথাত! কিমান যুঁজ-বাগৰ কৰিব লগা হয় তোমাৰ শৰীৰ চুবৰ বাবে। মোক তুমি ভালপোৱা হ'লে ইমান আপত্তি কেতিয়াও নকৰিলাহেঁতেন। মোক অসভ্য, বিশ্বাসঘাতক বুলি গালি পাৰিছা হয়, পিচে তুমিও জানি থ'বা, ছোৱালী যিমান বিদ্বান হওক, পুৰুষক বান্ধি ৰাখিবলৈ পুৰুষক আকৰ্ষিত কৰিব জানিব লাগিব। You'r good for nothing.' — ইমান আঘাত তৰালিয়ে সহ্য কৰিব নোৱাৰিলে। তাইৰ জীৱনৰ প্ৰথম প্ৰেম ৰঞ্জিত। আইতাক আৰু দেউতাকৰ বুকুৰ উমত ডাঙৰ হোৱা আজলী ছোৱালীজনীৰ পৃথিৱীৰ কোনো নিষ্ঠুৰতাৰ সৈতে পৰিচয় ঘটা নাছিল। মাকৰ মৃত্যু তাইৰ দুবছৰ বয়সতে হৈছিল। সেই শূন্যতা পূৰাইছিল আইতাকে। আজি ভাস্বতীৰ মনত এক অস্বাভাৱিক উল্লাসৰ জোঁৱাৰ উঠিছে। হৃদয়খন পৰিপূৰ্ণ হৈ যেন সাগৰ হৈ পৰিছে। এইজনী ঠুনুকা কাঁচৰ ফুলদানিৰ দৰে তৰালি আজি কাঁচৰ পৰা হীৰালৈ পৰিৱৰ্তিত হৈছে। হীৰাৰ কঠিন, উজ্জ্বল স্পৰ্শত ভাস্বতীও চমকি উঠিছে। মানুহৰ মন যে কি বিস্ময়কৰ! কেতিয়াবা পানীৰ দৰে, কেতিয়াবা বৰফৰ কঠিন শিলাখণ্ডৰ দৰে। কাইলৈ পুৱাই ভাস্বতী বজ্ৰাঘাতত পুৰি যোৱা আমলখি জোপাৰ কুঁহিপাত চাবলৈ যাব। এজোপা আমলখি গছেও মানুহৰ জীৱন দান দিব পাৰে! সন্ধান দিব পাৰে অমৃতময় প্ৰভাতৰ!

সঁচাকৈয়ে, জীৱনৰ জাগতিক সত্য উপলব্ধি কৰিবলৈ, প্ৰকৃতিক উপলব্ধি কৰাৰ ক্ষমতা আহৰণ কৰাতো জৰুৰী।

✧ ✧ ✧

নাহৰৰ বিদায় সম্ভাষণ

বিদায় ক্ষণবোৰ উৎসৱমুখৰ হৈ হোষ্টেলবোৰলৈ আকৌ ঘূৰি আহিল। এৰা, ভাস্বতীহঁত যাবৰ সময় হ'ল। সুদীৰ্ঘ আঠৈটা বছৰত হাঁহি, কান্দোন, প্ৰেম, বন্ধুত্বৰ এখিলা এখিলা সৰাপাত পৰি আছে এই বিশ্ববিদ্যালয়ৰ অলিয়ে-গলিয়ে। কিমান স্মৃতি যে ওৰে জীৱনৰ বাবে সঞ্চিত হৈ থাকিব। কিমান মুখ জিলিকি থাকিব হৃদয়ত, কিমান মুখ চিৰদিনলৈ হেৰাই যাব সেয়া কোনেও ক'ব নোৱাৰে।

এই বছৰ অনুজসকলে ডাঙৰকৈ বিদায় অনুষ্ঠান পাতিছে। নিশাৰ সংগীতানুষ্ঠানত শেষবাৰৰ বাবে জনাই-নজনাই যিকোনো বিষয়ত সকলোৱে অংশ গ্ৰহণ কৰিলে। অধ্যাপকসকলে আশীৰ্বাদ কৰিলে, শুভইচ্ছা জনালে। নিশা ভোজ-ভাত খাই উঠাৰ পিচতে, আটাইতকৈ ফূৰ্তিবাজ, খুহুতীয়া কথাৰ ভঁৰাল আচাউৰে ক'লে—'ভাস্বতী, আমাৰ 'নেভাৰ এণ্ডিং' বিহুটো নোগোৱা জানো?' ভাস্বতীহঁতৰ বন্ধুবৰ্গৰ মাজত এই বিহুটোৰ জনপ্ৰিয়তাই আটাইতকৈ বেছি। হেম'ই গায়েই দিলে—অ' ফুলনি মানে বাগিচা, বাগিচা মানে ফুলনি, ফুলনি মানে বাগিচা, বাগিচা মানে ফুলনি.... এই ফাঁকি গীত বিভিন্ন সুৰত অকাই-পকাই গালে, অমিয়, কৃষ্ণ, শান্ত্বনা, বীণা, অনুপমা সকলোৱে। হাঁহি-নাচি, পুৰটি নিশালৈকে এই বিহু চলিল। হাঁহি-হাঁহি, চকুপানী ওলাল, জয়শ্ৰীয়ে ফেঁকুৰি-ফেঁকুৰি কান্দি ক'লে—'হ'ব, বন্ধ কৰ। কোনেও এই বিহু গাই সময়বোৰ বান্ধি থ'ব নোৱাৰোঁ। আমি প্ৰত্যেকেই প্ৰত্যেকক এৰি যাবই লাগিব। চা পুবে ধলফাঁট দিলে। আৰু এটা দিন আমাৰ গুচি গ'ল। হঠাতে নীৰৱ হৈ পৰিল সকলো। একো নোকোৱাকৈ, প্ৰত্যেকে প্ৰত্যেকৰ পৰা চকুৰে বিদায় ল'লে। চূড়ান্ত পৰীক্ষালৈ বেছি দিন নাই। এইদৰে সকলো একেলগ হ'বলৈ আৰু কোনো দিন, কোনো ক্ষণ নাহে।

ভাস্বতী, জয়শ্ৰী আৰু বীনা নাহৰ গছৰ শাৰীবোৰৰ মাজেদি খোজ কাঢ়ি আগবাঢ়িছিল। জয়শ্ৰীয়ে হঠাতে ক'লে 'ভাস্বতী, জীৱনৰ কোনোবা ক্ষণত যদি আমি ডিব্ৰু বিশ্ববিদ্যালয়ৰ কথা মনত পেলাওঁ, আহোতে যাওঁতে যেতিয়া নতুন, অচিনাকি ল'ৰা-ছোৱালীৰ উমাল সান্নিধ্যৰে এই বিশ্ববিদ্যালয়খন দেখিম, তেতিয়া কেনে অনুভৱ হ'ব তোৰ?'

ভাস্বতীয়ে কিছুপৰ মনে মনে থাকি ক'লে—'এদিন এখন বৃহৎ গ্ৰন্থ সময়ৰ ক্ষুদ্ৰ ভগ্নাংশৰে পঢ়াৰ সৌভাগ্য হৈছিল।'

বেলিয়ে পুব আকাশত এটা নতুন দিনৰ ঘোষণা কৰিছিল। চৰাইবোৰ উলাহত উৰি কোৱাছ গাবলৈ আৰম্ভ কৰিছিল। এক আনন্দৰ বিদায় সংগীত, আশা আৰু বিষাদৰ মধুৰ প্ৰহৰত সিহঁত তিনিওজনী ছোৱালী মুখা-মুখি হৈ ৰৈ আছিল কিছু সময়। জয়শ্ৰীয়ে ক'লে, 'ইউনিভাৰ্চিটিয়ে' কি শিক্ষা দিলে সেয়া ডাঙৰ কথা নহয়, আমি এদিন সকলো একেটা নামৰ তলত একেলগ হৈ জীৱনৰ সপোন ৰচিছিলো, বন্ধুত্ব গঢ়িছিলো, এখন সমাজ পাতিছিলো—এয়াহে ডাঙৰ কথা।'

Men's hearts ought not to be set against one another, but set with one another, and all against evil only.....কাৰ্লাইলৰ এটা উক্তি ভাস্বতীৰ মুখৰ পৰা স্বতঃস্ফুৰ্তভাৱে ওলাই আহিল। 'আমি এই শিক্ষাই পালো ইয়াত—কেৱল কিতাপৰ শিক্ষাই মানুহ গঢ়িব নোৱাৰে।'

পোহৰ হৈ আহিল। আগন্তুক এমাহ সকলো ব্যস্ত হৈ পৰিব চূড়ান্ত পৰীক্ষাৰ বাবে। হয়তো দেখা-দেখি নোহোৱাকৈ পৰীক্ষা দি ঘৰা-ঘৰি গুচি যাব, জীৱনৰ সন্ধানত, জীৱিকাৰ

সন্ধানত, স্বপ্নৰ সন্ধানত। ডিব্ৰু বিশ্ববিদ্যালয়লৈ নতুন এজাক যৌৱন আহিব। এদিন গুচি যাব সিহঁতৰ দৰে। মাত্ৰ নাহৰ গছবোৰে বসন্তবোৰৰ হিচাপ ৰাখি যাব সংগোপনে। নাহৰৰ নিৰিবিলি ছাঁয়াত পতা মধুৰ কথাৰ গুঞ্জনবোৰ, নাহৰৰ ছাঁই সাবটি ৰখা খোজবোৰ, নাহৰ গছবোৰে চিনি পোৱা আনন্দ-বিযাদৰ ক্ষণবোৰ একে ঠাইত ৰৈ থাকিব। এই বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাও সলনি হ'ব—সলনি নহয় নাহৰ গছবোৰ। যাৰ সৈতে ভাস্বতীৰো থাকি যাব আমৃত্যু হেঁপাহ, এক আত্মিক উপলব্ধি নাহৰ গছৰ সৈতে।

হৃদয়ত প্ৰশান্তিৰ প্ৰতীক হৈ জীয়াই থাকিব নাহৰ গছবোৰ—নাহৰৰ নিৰিবিলি সন্ধিয়াৰ ছাঁবোৰ।

✧ ✧ ✧

কোবাল বতাহৰ দৰে দিনবোৰ গুচি গ'ল। চূড়ান্ত পৰীক্ষাও শেষ হৈ থাকিল। ঠিকনা লেখা, চিঠি লেখা, ফোন কৰাৰ প্ৰতিশ্ৰুতিৰে, সেমেকা চকুৰে, আকৌ ক'ৰবাত লগ হোৱাৰ বাসনাৰে সকলো এৰা এৰি হ'ল। অধ্যাপকসকলৰ ঘৰলৈ গৈ কৃতজ্ঞতা প্ৰকাশ কৰিলে বহুত ছাত্ৰ-ছাত্ৰীয়ে। খং-ৰাগবোৰ পুৰণি কেলেণ্ডাৰৰ ছবিৰ দৰে অদৃশ্য হৈ গ'ল সেই ক্ষণবোৰত।

হোষ্টেলৰ অন্তিম নিশা চাদত এখন গান-কথাৰ আসৰৰ আয়োজন কৰিলে জুনিয়ৰ ছোৱালীবোৰে। সময় যেন বন্ধ্যা হৈ গ'ল। কণ্ঠৰ পৰা সুৰ নামি নাহে, হৃদয় অশান্ত সমুদ্ৰ, কিন্তু শব্দ নিগৰি নাহে। বহু ছোৱালী ইতিমধ্যে পৰীক্ষা শেষ হোৱাৰ পিচদিনাই গুচি গৈছে। ভাস্বতীৰ কিবা এটা কোৱাৰ পাল পৰিল। ভাস্বতীয়ে বিশ্ববিদ্যালয়ত পদাৰ্পন কৰাৰ প্ৰথম দিনটো, হোষ্টেলৰ প্ৰথম দিনটোৰ কথা মনত পেলাবলৈ যত্ন কৰিলে। এই আঢ়ৈটা বছৰত সঞ্চিত মুহূৰ্তবোৰ, বিভিন্ন মুখ আৰু কথাবোৰ ইতিহাস হৈ থাকিব ভাস্বতীৰ জীৱনত। সময়ৰ, এজাক যৌৱনৰ অলিখিত ইতিহাস। কাল অতিক্ৰমী সদায় সি স্মৰণীয় হৈ থাকিব তাইৰ অন্তৰত। ভাস্বতীৰ কণ্ঠৰুদ্ধ হৈ গৈছে। তথাপিও তাই ক'লে— 'তোমালোকলৈ মৰম-শুভইচ্ছা জনাইছোঁ। মই এখন কিতাপত পৰিছিলো, 'History doesn't have a phone number, nor does it have a reception day. It's a process of which you either catch the suitable moment and act as an honest person should, or you pass through times sieve, and, however much you try, you won't get any where' সেয়ে সময়ৰ সুগন্ধ, অভিজ্ঞতা আৰু জীৱনৰ শিক্ষাৰ দাপোণখন লৈ তোমালোকৰ পৰা বিদায় মাগিছোঁ। গুড্‌বাই।

✧ ✧ ✧

উপন্যাসত বৰ্ণিত সময় ১৯৮৪-৮৭ চনৰ ভিতৰত

[এই উপন্যাসৰ চৰিত্ৰবোৰক অজানিতে যদি দুখ দিছোঁ, তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ। কিছুসংখ্যক সঁচা নাম ব্যৱহাৰ কৰাৰ বিপৰীতে, কিছুসংখ্যকৰ নাম পৰিস্থিতি সাপেক্ষে সলনি কৰা হৈছে। কিছুসংখ্যক চৰিত্ৰৰ পৰিণতি পাঠকক জনোৱাৰ পৰা বিৰত থাকিব নোৱাৰিলো—যেনে, অঞ্জনা দলে নামৰ ছোৱালীজনীৰ কেবাবছৰৰ পিচত মৃত্যু হ'ল যোৰহাটৰ চিভিল হস্পিতেলত। নন্দিনীৰ বসন্তৰ সৈতে বিবাহ বিচ্ছেদ ঘটিল। শেষবাৰ নন্দিনীক পাইছিলো কলকাতাত, তাই ব্যস্ত এক্‌জিকিউটিভ এটা কোম্পানীৰ। চূড়ান্ত পৰীক্ষাৰ পিচত, বিশ্ববিদ্যালয়ৰ ভিতৰতে সন্ধিয়া গুপ্তঘাটকে হত্যা কৰিলে সমীৰ বৰাক (প্ৰকৃত নাম সৌৰভ)। এটা জ্বলন্ত প্ৰতিভাৰ অকাল বিয়োগ ঘটিল। শান্তনুক কোনো দিন লগ পোৱা নাই। এবাৰ শান্তনুৰ সৈতে সাইলাখ একে ল'ৰা এজনক দেখিছিলো শিলিগুড়ি ৰে'ল ষ্টেচনত। কিছুপৰ মোলৈ চাই, হেৰাই গ'ল ভিৰৰ মাজত। হয়তো তেওঁ শান্তনুৱেই আছিল। আমাৰ ইউনিয়নৰ সাধাৰণ সম্পাদক ধ্ৰুৱ ৰাজনীতিত নামিল। বিশ্ববিদ্যালয়ৰ প্ৰেমিকাৰ সৈতেই বিয়া হ'ল। আৰু তুলিকা-আহমেদ ছাৰৰ কথা নক'লে আধৰুৱা হ'ব। চূড়ান্ত পৰীক্ষাৰ দিনা তেওঁলোকৰ কৰ্ট-মেৰেজ হ'ল। অতি সুখী দম্পতি, সুখৰ সংসাৰ এতিয়া তেওঁলোকৰ। আৰু তৰালি! প্ৰেমত প্ৰত্যাখিত হৈ যি চাদৰ পৰা জঁপিয়াই আত্মহত্যা কৰিব খুজিছিল, যাক এজোপা বজ্ৰাঘাতত মৃত্যু হোৱা বুলি ভবা আমলখি গছৰ নতুন কুঁহিপাতে মনলৈ পৃথিৱী জয় কৰাৰ শক্তি আনি দিছিল, সেই তৰালি এখন খ্যাতনামা কলেজৰ অধ্যাপিকা। কমনৱেল্‌থ স্কলাৰশ্বিপ লাভ কৰি ইউৰোপত গৱেষণা কৰিবলৈ গৈছিল। মেট্ৰন বাইদেউৰ ইচ্ছা পূৰণ হৈছিল। অৱসৰ লোৱাৰ আঠমাহ আগেয়ে তেওঁৰ মৃত্যু ঘটিল এটা আপোন ঠিকনা, এখন আপোনঘৰ বিচাৰিব নলগাকৈ হোষ্টেলৰ আপোন ঘৰৰ পৰা তেওঁক স-সন্মানে, ফুল আৰু চকুপানীৰে বিদায় দিয়া হৈছিল। নীলাক্ষী বৈবাহিক সূত্ৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাসিন্দা। চাকৰিও কৰে। আৰু ভাস্বতী! পাঠকে ভাস্বতীক বিচাৰি ল'ব। বাকী চৰিত্ৰবোৰ সিঁচৰতি হৈ পৰিল এই বহল বিশ্বত। কাৰোবাক লগ পাওঁ, কাৰোবাক কোনোদিনেই লগ পোৱা নাই। হৃদয়ত কিন্তু সদায় এই মুখবোৰৰ সৈতে লাগি ৰ'ল, নাহৰ ফুলৰ গোন্ধ আৰু কুঁহিপাতৰ ৰং.....]

■■■

অনুৰাধা শৰ্মা পূজাৰীৰ গ্ৰন্থৰ অনুৰাগীৰ উৎসুকতা নিবাৰণৰ দায়বদ্ধতাতে ৮ খনকৈ গ্ৰন্থ প্ৰিয় পাঠকৰ হাতত তুলি দিবলৈ পায় আমি গৌৰবান্বিত।

বহুলভাৱে সমাদৃত প্ৰতিখন গ্ৰন্থৰ একাধিক সংস্কৰণেৰে বিক্ৰীৰ ঈৰ্ষণীয় অভিলেখ গঢ়া শৰ্মা পূজাৰীৰ সৃষ্টিৰাজিয়ে অসমীয়া গ্ৰন্থৰ সুদিনক ব্যাখ্যাতীতভাৱে প্ৰমাণ কৰিছে।

শৰ্মা পূজাৰীৰ গদ্যৰ প্ৰতি অসমীয়া গদ্য সাহিত্যৰ পাঠক অত্যুৎসাহী আৰু আগ্ৰহী। সহৃদয় পাঠকলৈ শেহতীয়া নিবেদন 'অলপ চিন্তা অলপ গদ্য' অভিনৱ ৰচনাশৈলীৰ অনন্য নিৰ্মাণ। আজিৰ আধুনিক সভ্যতাই মানুহৰ মন আৰু চিন্তাৰ মাজত নিত্য-নতুন আৱৰ্জনা সিঁচি দিছে প্ৰতি পলে। 'অলপ চিন্তা অলপ গদ্য' এনে আৱৰ্জনা আঁতৰোৱাৰ সামান্য চেষ্টা।

সংকলনটিৰ অনবদ্য আবেদন পৰিস্ফুট হৈছে শৰ্মা পূজাৰীৰ চিন্তাৰ প্ৰতি প্ৰকাশ কৰা মননশীল অভিমতৰ নিৰ্বাচিত সংযোজনেৰে।

আশা কৰোঁ এই অভিনৱ সংকলনটিয়ে সংবেদনশীল পঢ়ুৱৈ সমাজক আলোড়িত কৰিব।

প্ৰকাশক



₹100

ISBN : 81-7339-454-7

বনলতা